# লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসৰ তুলনামূলক অধ্যয়ন

*( গঙা চিলনীৰ পাখি, পাতাল ভৈৰৱী আৰু গণদেৱতা, পঞ্চগ্ৰামৰ বিশেষ উল্লিখনসহ)*

[ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলা শাখাত পিএইচ. ডি. ডিগ্ৰীৰ বাবে আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগত দাখিল কৰা গৱেষণা-গ্ৰন্থ ]

বৃষ্টি কলিতা

২০১৯

# LAKSHMINANDAN BORA ARU TARASHANKAR BANDYOPADHYAR UPANYASHAR TULANAMULAK ADHYAYAN

*(GANGA CILANIR PAKHI, PATAL BHOIRABI ARU GANADEVATA PANCHAGRAMAR BISESH ULLIKHANSAHA)*

**[ A THESIS SUBMITTED TO THE UNIVERSITY OF GAUHATI FOR THE DEGREE OF DOCTOR OF PHILOSOPHY IN THE DEPARTMENT OF MODERN INDIAN LANGUAGES AND LITERARY STUDIES, FACULTY OF ARTS ]**

**BRISTI KALITA**

**2019**

## DECLARATION OF THE CANDIDATE

I hereby declare that the thesis entitled ***Lakshminandan Bora Aru Tarashankar Bandyopadhayar Upanyashar Tulanamulak Adhyayan(Ganga Cilanir Pakhi, Patal Bhoirabi Aru Ganadevata, Panchagramar Bisesh Ullikhansaha)*** was not submitted by me for any research degree to this University or any other University or Institution.

**Date :** **( Bristi Kalita )**

# সূচীপত্ৰ

অৱতৰণিকা

প্ৰথম অধ্যায় ঃ লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ পৰিচয় আৰু সাহিত্যকৃতি

দ্বিতীয় অধ্যায় ঃ লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ বিষয়বস্তু

তৃতীয় অধ্যায় ঃ লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ চৰিত্ৰ

চতুৰ্থ অধ্যায় ঃ লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ সমাজভাৱনা

পঞ্চম অধ্যায় ঃ লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ ৰচনাৰীতি তথা কলা-কৌশল

ষষ্ঠ অধ্যায় ঃ লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ সামগ্ৰিক তুলনা

সপ্তম অধ্যায় ঃ ভাৰতীয় সাহিত্যত দুয়োগৰাকী ঔপন্যাসিকৰ স্থান

উপসংহাৰ

# অৱতৰণিকা

## ০.০১ ঃ বিষয়ৰ পৰিচয়

উপন্যাস বুলি ক'লে দৰাচলতে আধুনিক যুগত ৰচিত এবিধ বিশিষ্ট শিল্পকৰ্মকে বুজায়। পাশ্চাত্য সাহিত্যৰ অনুকৰণত ভাৰতীয় সাহিত্যতো এইবিধ সাহিত্যই কিছুমান নিৰ্দিষ্ট লক্ষণৰ মাজেৰে গা কৰি উঠে আৰু লগে লগে ভাৰতীয় আন আন প্ৰাদেশিক ভাষাসমূহলৈও এইবিধ সাহিত্য বিয়পি পৰে। কোনো নিৰ্দিষ্ট নীতি-নিয়মৰ মাজত আবদ্ধ কৰিব নোৱাৰা এইবিধ শিল্পকৰ্মৰ মাজেৰে ব্যক্তি জীৱনৰ সমুদায় বৈচিত্ৰ্যময় ঘটনাৱলী অংকিত হৈ উঠে। অৱশ্যে ব্যক্তি জীৱনৰ লগতে সামাজিক জীৱনৰ ঘটনাপ্ৰৱাহ এইবিধ সাহিত্যৰ মাজেৰে বিবৃত হয়। কিয়নো সমাজ আৰু সাহিত্য একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি। সাহিত্য আৰু সমাজৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। সেই গতিকে ব্যক্তি জীৱন আৰু সমাজ জীৱন উভয়ৰে কলাত্মক চিত্ৰণৰ ফলশ্ৰুতিতেই উপন্যাসৰ জন্ম বুলি ক'ব পাৰি।

সাম্প্ৰতিক সময়ত সাহিত্য সমালোচনাৰ ক্ষেত্ৰখনত এক বিশেষ ধাৰাৰূপে সমাদৃত হোৱা বিষয়টি হৈছে তুলনামূলক অধ্যয়ন। এই অধ্যয়ন হৈছে দুটি সমজাতীয় বিষয়ৰ তুলনা। তুলনামূলক অধ্যয়নৰ বাবে পৃথিৱীৰ যিকোনো ভাষাৰ সাহিত্যকৰ্ম বাছি উলিয়াব পাৰি। একেটা ভাষাৰ দুটা ভিন্ন সাহিত্যকৰ্মৰ মাজত যিদৰে তুলনা হ'ব পাৰে সেইদৰে দুটা ভিন ভিন ভাষাৰ সাহিত্যকৰ্মৰ মাজতো তুলনামূলক অধ্যয়ন হ'ব পাৰে। দুটা ভাষাৰ সাহিত্যকৰ্মৰ মাজৰ তুলনাই বহুতো নতুন দিশ উন্মোচিত কৰিব পাৰে। লগতে তুলনীয় ভাষা দুটাৰ নিৰ্বাচিত বিষয়ৰ লেখকদ্বয়ৰ জীৱন দৰ্শনো পাঠক সমাজত প্ৰতিফলিত হৈ উঠে।

অৱশ্যে সাহিত্যৰ আন আন বিভাগৰ তুলনাত উপন্যাসৰ তুলনাত্মক অধ্যয়নে বেছিকৈ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। কিয়নো উপন্যাসেই হৈছে সাহিত্যৰ একমাত্ৰ শাখা য'ত মানৱ জীৱনৰ পূৰ্ণ চিত্ৰ প্ৰকাশিত হয়। ইয়াৰ পৰিসৰ ব্যাপক। সেয়ে তুলনাৰ সুবিধা বেছি।

তুলনামূলক অধ্যয়নৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি অসমীয়া আৰু বাংলা সাহিত্যৰ দুগৰাকী প্ৰথিতযশা সাহিত্যিক ক্ৰমে লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ দুখনকৈ নিৰ্বাচিত উপন্যাস গৱেষণাৰ বাবে লোৱা হৈছে। দুয়োগৰাকী ঔপন্যাসিকক চিৰস্মৰণীয় কৰি ৰাখিব পৰা দুখনকৈ উপন্যাস ক্ৰমে *গঙা চিলনীৰ পাখি, পাতাল ভৈৰৱী* আৰু *গণদেৱতা, পঞ্চগ্ৰাম*ৰ আলোচনা গৱেষণীয় বিষয়টোত সামৰি লোৱা হৈছে।

দুটি ভিন্নধৰ্মী বিষয়ৰ সূক্ষ্মাতিসূক্ষ্ম বৰ্ণনাৰ উপস্থাপনেৰে মনোজ্ঞ ৰূপ প্ৰদান কৰা *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাস দুখন অধ্যয়নৰ বিষয় হিচাপে গ্ৰহণ কৰা হৈছে। জীৱনৰ আদিছোৱা গাঁৱত অতিবাহিত কৰা বৰাই নগাঁও জিলাৰ সোণাই নৈৰ পাৰৰ গ্ৰাম্য সমাজখনৰ অবিকল চিত্ৰ অংকন কৰিছে *গঙা চিলনীৰ পাখি* (**১৯৬৩**) উপন্যাসখনত। মাথোঁ **২৭** বছৰ বয়সতে ৰচনা কৰা এই উপন্যাসখন অসমীয়া সাহিত্যৰ এখনি শ্ৰেষ্ঠ উপন্যাস। এক কথাত ক'বলৈ গ'লে নৈপৰীয়া লোকজীৱনৰ এখন জীৱন্ত দলিলৰূপে *গঙা চিলনীৰ পাখি* উপন্যাসখনক অভিহিত কৰিব পাৰি।

*গঙা চিলনীৰ পাখি* উপন্যাসতকৈ সম্পূৰ্ণ পৃথক বিষয়বস্তুৰে ৰচনা কৰা *পাতাল ভৈৰৱী* (**১৯৮৬**) উপন্যাসখনত গ্ৰাম্যজীৱন আৰু চহৰীয়া জীৱন উভয়ে ভুমুকি মাৰিছে। গ্ৰাম্য জীৱনৰ সৰলতাৰ বিপৰীতে উপন্যাসখনত আধুনিক নগৰীয়া জীৱন চেতনাৰ ভয়াৱহ ৰূপটো তুলনামূলকভাৱে বেছিকৈ উদ্ভাসিত কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। লেখকগৰাকীয়ে উজনি অসমৰ প্ৰায়ভাগ অঞ্চল সামৰি উপন্যাসৰ পটভূমি নিৰ্মাণ কৰিছে। প্ৰাচীন আৰু আধুনিকতাৰ দ্বন্দ্বই কিদৰে মূল্যবোধৰ অৱসান ঘটাব পাৰে তাৰেই এক বাস্তৱ চিত্ৰ উপন্যাসখনত অংকিত হৈছে। হত্যা-হিংসা, ধ্বংস, অবৈধ ব্যৱসায়, চোৰাং কাৰবাৰ আদিৰ সৈতে সহজ সৰল গ্ৰাম্য জীৱনধাৰা সাঙুৰি লৈ উপন্যাসখনৰ বিষয়বস্তু নিৰ্মাণ কৰা হৈছে।

আনহাতে বাংলা কথাসাহিত্যৰ সাম্ৰাজ্যখনত তাৰাশংকৰ বন্দ্যোপাধ্যায় এগৰাকী সুদক্ষ কথাশিল্পীৰূপে পৰিচিত। ভাৰতীয় উপন্যাস সাহিত্যত বিচিত্ৰতাৰ সুগন্ধি বিয়পাই দিব পৰা সাহিত্যৰ ৰূপকাৰগৰাকীয়ে গ্ৰাম্য জীৱনৰ পৰা নগৰীয়া জীৱনলৈকে, সমাজনীতিৰ পৰা ৰাজনীতিলৈকে, বৈষ্ণৱ সম্প্ৰদায়ৰ পৰা আৰম্ভ কৰি সমাজৰ দলিত

শ্ৰেণীলৈকে, আধ্যাত্মিকতাৰ ভাবেৰে পৰিবেষ্টিত বিশেষ শ্ৰেণী, জমিদাৰী শ্ৰেণী, যুদ্ধই বিধ্বস্ত কৰি তোলা নাগৰিক জীৱনৰ বৰ্ণনা আদি সুবিশাল বিষয়বস্তুৰ সমাহাৰেৰে বাংলা উপন্যাসৰ ইতিহাসত এটি নতুন ধাৰা সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। এটি বিশেষ অঞ্চলৰ সামগ্ৰিক ৰূপায়ণ তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসৰ প্ৰধান উপজীৱ্য।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰচিত *গণদেৱতা আৰু পঞ্চগ্ৰাম* (**১৩৮৭**) দুয়োখন উপন্যাস একে ধাৰাৰ দুখন উপন্যাস। *গণদেৱতা* প্ৰকাশৰ পিছতেই কাহিনীৰ পৰৱৰ্তী অংশৰূপে *পঞ্চগ্ৰাম* উপন্যাসখন লিখি উলিয়ায়। যদিওবা দুটি ভিন্ন নামেৰে দুয়োখন উপন্যাস ৰচিত হৈছে তথাপি উপন্যাসৰ পূৰ্বৱৰ্তী কাহিনীৰ সৈতে পৰৱৰ্তী কাহিনী সম্পূৰ্ণ সম্পৃক্ত হৈ আছে। এক বিশাল জনসমষ্টিক উপন্যাসৰ চৰিত্ৰৰূপে অংকন কৰি প্ৰথম বিশ্বযুদ্ধৰ পৰৱৰ্তী বাংলাৰ গ্ৰাম্য সমাজখনৰ পৰিবৰ্তনৰ সমুদায় চিত্ৰ উপন্যাস দুখনৰ মাজেৰে ৰূপাংকিত কৰি তুলিছে।

উল্লিখিত চাৰিখন উপন্যাসৰ বিষয়বস্তুৰ সৈতে সম্পৰ্কিত প্ৰায়কেইটা দিশৰ তুলনাত্মক দৃষ্টিভংগীৰে এই গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে।

### ০.০২ ঃ পূৰ্বকৃত অধ্যয়ন সমীক্ষা

ভাৰতৰ বিভিন্ন ভাষালৈ লক্ষ্মীনন্দন বৰাৰ *গঙা চিলনীৰ পাখি* উপন্যাসখন অনূদিত হৈছে, অথচ সমালোচনাৰ ক্ষেত্ৰখনত এইখন উপন্যাসৰ বিষয়ে তথ্য তেনেই নগণ্য। *পাতাল ভৈৰৱী* উপন্যাসখনৰ ক্ষেত্ৰতো একেই কথা প্ৰয়োজ্য। অৱশ্যে তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰামৰ* বিষয়ে আলোচনাই গৱেষণাৰ পৃথিৱীখনত নতুন দিশৰ তথ্য যোগান ধৰিলেও দুয়োখন উপন্যাসক সমল হিচাপে লৈ অন্যান্য ভাষাৰ উপন্যাসৰ সৈতে তুলনামূলক আলোচনা আমাৰ দৃষ্টিগোচৰ হোৱা নাই।

ড° নগেন ঠাকুৰৰ সম্পাদনাত প্ৰকাশিত *এশ বছৰৰ অসমীয়া উপন্যাস* শীৰ্ষক গ্ৰন্থত ড° পৰাগ কুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা লিখিত লক্ষ্মীনন্দন বৰাৰ *উপন্যাস পৰম্পৰা আৰু আধুনিকতাৰ দ্বন্দ্ব* শীৰ্ষক আলোচনাটি এই ক্ষেত্ৰত উল্লেখযোগ্য।

লক্ষ্মীনন্দন বৰাৰ ওপজা দিনৰ সৈতে সংগতি ৰাখি ২০১২ খ্ৰীষ্টাব্দত মানৱ বিকাশ সমাজে সম্পাদনা কৰি উলিওৱা নন্দনজ্যোতি শীৰ্ষক গ্ৰন্থখনত বৰাৰ কিছু সংখ্যক

ৰচনাৰ বিষয়ে কেইবাজনো লেখক তথা সমালোচকে অৱলোকন কৰিছে। সেইসমূহ ৰচনাৰ মাজত *গঙা চিলনীৰ পাখি* উপন্যাসখনকো অন্তৰ্ভূক্ত কৰি লোৱা হৈছে।

লক্ষ্মীনন্দন বৰাৰ একক ৰচনাৰাজিৰ ওপৰত নিৰ্দিষ্ট গ্ৰন্থ প্ৰকাশ নহ'লেও এনেদৰে উপন্যাসৰ বিষয়ে ৰচিত সমালোচনামূলক গ্ৰন্থসমূহত তেখেতৰ ৰচিত উপন্যাসসমূহৰ ওপৰত হোৱা আলোচনাই সমালোচনাৰ ক্ষেত্ৰখনত নতুন দিশ মুকলি কৰিছে। এই ক্ষেত্ৰত অমল চন্দ্ৰ দাস সম্পাদিত অসমীয়া উপন্যাস পৰিক্ৰমা গ্ৰন্থখনত ড° অনুৰাধা শৰ্মাৰ 'লক্ষ্মীনন্দন বৰাৰ উপন্যাসত দৃষ্টিপাত' শীৰ্ষক আলোচনাটিৰ প্ৰসংগ উল্লেখ কৰিব পাৰি। এই আলোচনাটিত বৰাৰ কেইবাখনো উপন্যাসৰ বিষয়ে বিস্তৃত আৰু পুংখানুপুংখ বাখ্যা আগবঢ়োৱা হৈছে।

লক্ষ্মীনন্দন বৰাৰ উপন্যাস সন্দৰ্ভত গৱেষণা-গ্ৰন্থৰ সংখ্যাও সৰহ নহয়। আমাৰ দৃষ্টিগোচৰ হোৱা কেইখনমান গৱেষণা-গ্ৰন্থৰ নাম উল্লেখ কৰা হ'ল—

| | |
|---|---|
| নিবেদিতা কলিতা (২৯১৬) | লক্ষ্মীনন্দন বৰাৰ উপন্যাসত লোক-সংস্কৃতিৰ উপাদান ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন (সাতখন উপন্যাসৰ বিশেষ উল্লিখনসহ) |
| প্ৰণৱ ভাগৱতী (২০১১) | নদীকেন্দ্ৰিক অসমীয়া উপন্যাস ঃ এক বিশ্লেষণাত্মক অধ্যয়ন |

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ সাহিত্যকৃতি সম্পৰ্কীয় বিভিন্ন আলোচনা উপলব্ধ যদিও *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসক সমল হিচাপে লৈ অন্যান্য ভাষাৰ সৈতে তুলনাত্মক আলোচনা আমাৰ দৃষ্টিগোচৰ হোৱা নাই। দুয়োখন উপন্যাসৰ সৈতে সংগতি থকা কেইখনমান গ্ৰন্থৰ তালিকা উল্লেখ কৰা হ'ল—

| | | |
|---|---|---|
| বিপ্লৱ চক্ৰৱৰ্ত্তী | — | তারাশংকর ও ভারতীয় কথাসাহিত্য |
| ড° প্ৰসেনজিৎ সৃধা | — | উপন্যাসের আংগিক ও তারাশংকর |
| মনস কুমার সাতৰা | — | ইতিহাস ও সাহিত্য ঃ প্রসংঙ্গ তারাশংকর |
| ড° মুক্তি চৌধুরী | — | ঔপন্যাসিক তারাশংকর। |

ওপৰোক্ত গ্ৰন্থকেইখনৰ উপৰি ইংৰাজী ভাষাত লিখিত মহাশ্বেতা দেৱীৰ Tarashankar Bandyopadhay গ্ৰন্থখনৰ প্ৰসংগও এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি।

উল্লিখিত গ্ৰন্থসমূহৰ উপৰি বিষয়ৰ সৈতে আংশিকভাৱে সম্পৰ্কযুক্ত অপ্ৰকাশিত গৱেষণা-গ্ৰন্থতো দুয়োখন উপন্যাসৰ বিষয়ে কিছু আলোচনা সন্নিৱিষ্ট হৈছে।

Arabina Bhattacharjee য়ে তেখেতৰ Women in Tarashankar's Novels শীৰ্ষক গৱেষণা-গ্ৰন্থখনত তাৰাশংকৰ বন্দ্যোপাধ্যায় ৰচিত উপন্যাসৰ নাৰী চৰিত্ৰৰ বিষয়ে পুংখানুপুংখ আলোচনা আগবঢ়াইছে।

Ranjit Kumar Mukhopadhay যে তেখেতৰ গৱেষণা-গ্ৰন্থ Tarashankar the Regional Novelist ত গণদেৱতা, পঞ্চগ্ৰামক আঞ্চলিক উপন্যাস হিচাপে বিশ্লেষণ কৰোঁতে কিছু প্ৰসংগ উত্থাপিত হৈছে।

তপতী দত্তই এম্. ফিল ডিগ্ৰীৰ বাবে প্ৰস্তুত কৰা গৱেষণা-গ্ৰন্থ *তাৰাশংকরের কথাসাহিত্য বৈষ্ণৱ প্ৰভাৱ*তো তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ সাহিত্যৰ কিছু দিশ বিৰিঙি উঠিছে।

লিপিকা তালুকদাৰৰ অসমীয়া আৰু বাংলা আঞ্চলিক উপন্যাসঃ এটি তুলনামূলক অধ্যয়নতো তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত আঞ্চলিকতাৰ উপাদান বিচাৰি উলিয়াবৰ যত্ন কৰা হৈছে।

**০.০৩ ঃ অধ্যয়নৰ উদ্দেশ্য**

অসমীয়া আৰু বাংলা উপন্যাস সাহিত্যত লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ বৰঙণি অতুলনীয়। দুটা বিশেষ যুগৰ কথাসাহিত্যক প্ৰতিনিধিত্ব কৰা দুইগৰাকী ঔপন্যাসিকে নিজৰ নিজৰ ভাষা সাহিত্যক তেওঁলোকৰ অপূৰ্ব সৃষ্টিৰে টনকিয়াল কৰি ৰখাৰ উপৰি সমগ্ৰ ভাৰতীয় কথা সাহিত্যতে এখন নিগাজী আসন দখল কৰিবলৈ সক্ষম হৈছে। এনে দুগৰাকী ব্যক্তিৰ দ্বাৰা ৰচিত সাহিত্যকৃতিৰ তুলনামূলক অধ্যয়নে দুটা বিশেষ অঞ্চলৰ জনসাধাৰণৰ সমাজ-সভ্যতা-সংস্কৃতি-ভাষা আদিৰ বিষয়ে আমাক আভাস দিব। এই দুগৰাকী সাহিত্যিকৰ সাহিত্যকৃতিৰ তুলনাত্মক অধ্যয়নৰ দ্বাৰা তেওঁলোকৰ জীৱনাদৰ্শৰ বিষয়ে জনাৰ লগতে সমকালীন অসমীয়া আৰু বাংলা

সমাজখনৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন বিষয়ৰ তথ্যও পোহৰলৈ আহিব। যিহেতুকে উক্ত দুয়োগৰাকী সাহিত্যিকৰ উপন্যাসৰ তুলনামূলক অধ্যয়ন বৰ্তমানলৈ দৃষ্টিগোচৰ হোৱা নাই, সেই হেতু এই গৱেষণাৰ দ্বাৰাই পৰৱৰ্তী গৱেষকসকলৰ বাবে এখন দুৱাৰ মুকলি কৰাৰ উদ্দেশ্যে বিষয়টি নিৰ্বাচন কৰি লোৱা হৈছে।

**০.০৪ ঃ অধ্যয়নৰ পদ্ধতি**

আলোচ্য গৱেষণা ক্ষেত্ৰত বিষয়টি অধ্যয়নৰ বাবে প্ৰধানকৈ তুলনামূলক পদ্ধতি গ্ৰহণ কৰা হৈছে। কিয়নো আমাৰ গৱেষণা কৰ্মৰ বিষয় হৈছে দুগৰাকী সাহিত্যিকৰ ৰচিত নিৰ্বাচিত উপন্যাসৰ তুলনামূলক অধ্যয়ন। অৱশ্যে তুলনামূলক আলোচনা আগবঢ়োৱাৰ আৰম্ভণিতে সমগ্ৰ বিষয়টো বিশ্লেষণাত্মক দৃষ্টিভংগীৰে ফঁহিয়াই চোৱা হৈছে। সেই গতিকে আমাৰ গৱেষণা কৰ্মত বিশ্লেষণাত্মক আৰু তুলনামূলক দুয়োটা পদ্ধতিকেই গ্ৰহণ কৰি অধ্যয়ন কাৰ্য আগবঢ়াই নিয়াৰ প্ৰয়াস কৰা হৈছে।

**০.০৫ ঃ অধ্যয়নৰ সমল**

ঔপন্যাসিক কথাশিল্পী লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাস কেইখনক গৱেষণাৰ প্ৰাথমিক সমলৰূপে গ্ৰহণ কৰা হৈছে।

এইক্ষেত্ৰত দুয়োগৰাকী ঔপন্যাসিকৰ ৰচনাৱলী সম্পৰ্কত প্ৰকাশিত যিকোনো সমালোচনামূলক গৱেষণাধৰ্মী প্ৰবন্ধ বা গ্ৰন্থ, পূৰ্বীকৃত গৱেষণা গ্ৰন্থ আদি উৎসবোৰক গৌণ সমলৰ অন্তৰ্ভুক্ত কৰি অধ্যয়নৰ গুৰুত্ব বৃদ্ধি কৰা হৈছে। লগতে এই সমলসমূহ অধ্যয়নৰ বাবে কেইবাটাও পুথিভঁৰালৰ সহায় লোৱা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল, ডিব্ৰুগড় বিশ্ববিদ্যালয় পুথিভঁৰাল, গুৱাহাটী জিলা পুথিভঁৰাল, মৰিগাঁও জিলা পুথিভঁৰাল, কলকাতাস্থিত জিলা পুথিভঁৰাল, মায়ং আঞ্চলিক মহাবিদ্যালয় পুথিভঁৰাল, মৰিগাওঁ জিলা পুথিভৰাঁল আদিৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

**০.০৬ ঃ অধ্যয়নৰ পৰিসৰ**

অসমীয়া আৰু বাংলা সাহিত্য জগতখনত নিৰৱচ্ছিন্নভাৱে সেৱা আগবঢ়াই অহা সাহিত্যিক লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ে নিৰ্বাচিত উপন্যাসকেইখনৰ মাজেৰে ব্যক্তি আৰু সমাজজীৱনৰ নিৰ্মোহ সত্য কাহিনীক কলাৰ জৰিয়তে ৰূপদান কৰিছে। চাক্ষুষ অভিজ্ঞতাৰ সৰস বৰ্ণনাৰে উপন্যাসৰ ৰূপত পাঠকৰ আগত তুলি ধৰা উপন্যাসকেইখনে আমাৰ মনোজগতত নতুন চিন্তাৰ উন্মেষ ঘটায়। যাৰ বাবে উপন্যাসকেইখনক গৱেষণাৰ বাবে নিৰ্বাচন কৰি লোৱা হৈছে।

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায় দুয়োজনেই ভাৰতৰ দুটা প্ৰান্তৰ অসমীয়া আৰু বঙলা ভাষাৰ দুজন সাহিত্যিক, ঔপন্যাসিক। দুয়োজনৰ নিৰ্বাচিত উপন্যাস কেইখনে দুটা প্ৰান্তৰ মানুহৰ জীৱন-জগতক খুচৰি—সেই সেই সময়ৰ পৰিৱেশ আৰু পৰিস্থিতিত মানুহৰ জীৱনচৰ্যাক বিশ্লেষণ কৰিছে। তাৰাশংকৰ বন্দ্যোপাধ্যায় আৰু লক্ষ্মীনন্দন বৰাৰ সাহিত্যকাল পৃথক।

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়—দুয়োগৰাকী ঔপন্যাসিকে দুখন পৃথক সমাজক প্ৰতিনিধিত্ব কৰিছে। নিৰ্বাচিত উপন্যাস কেইখনত প্ৰতিফলিত হোৱা ৰীতি-নীতি, ভাবাদৰ্শ, জীয়াই থকাৰ প্ৰকাশভংগী, জীৱনবোধ, জীৱনদৰ্শন—এই সকলোতে দুয়োখন সমাজৰ ভিন্নতা প্ৰতিবিম্বিত হৈছে। লগতে দুয়োখন সমাজৰ মূলবোধৰ পৰিৱৰ্তনে মানুহৰ মানসিক চিন্তাধাৰাৰো পৰিৱৰ্তন ঘটাইছে।

তুলনাৰ জৰিয়তে এনে বিভিন্ন দিশৰ পুংখানুপুংখ বিশ্লেষণৰ ফলত দুটা পৃথক আঞ্চলিক ভাষাৰ সাহিত্যৰ প্ৰকৃতি সম্পৰ্কে অৱগত হ'ব পৰা যাব। নিৰ্বাচিত উপন্যাস কেইখনৰ জৰিয়তে সমকালীন সময়ৰ দুয়োখন সমাজৰ মানুহৰ উন্নয়ন আৰু মানসিক চিন্তা-চেতনাৰ উত্থান-পতনে দুয়োখন সমাজক কেনেকৈ ক্ৰিয়া কৰিছিল—সেই ৰেখাচিত্ৰক প্ৰতিভাত কৰিবলৈ উপন্যাস কেইখনক গৱেষণাৰ বাবে নিৰ্বাচিত কৰা হৈছে।

**০.০৭ ঃ প্ৰমেয়**

- নিৰ্বাচিত উপন্যাসকেইখনৰ তুলনাৰ জৰিয়তে ভিন্ন ভাষাৰ দুগৰাকী লেখকৰ ৰচনাৰ মাজেৰে প্ৰকাশি উঠা বিষয় সমগ্ৰ পোহৰলৈ আহিব।
- ব্যক্তি জীৱনৰ সংঘাত, সংশয়, জীৱন চেতনাই ক্ৰীয়া কৰা বিবিধ দৃষ্টিভংগী আদিবোৰ সাহিত্যৰ মাজেৰে কেনেদৰে পোহৰলৈ আহে, সেয়া জনাত সহায়ক হ'ব। সংঘাত আৰু সংশয়ৰ মাজত দুয়োখন সমাজৰ পৰিৱৰ্তন, মূল্যবোধৰ গতিবেগ কেনেকৈ ধাৱিত হৈছিল সেয়াও গৱেষণাৰ অন্তত ভাস্বত হ'ব।
- মাটি, মানুহ, সংস্কৃতি আৰু জীৱনবোধে ভাৰতীয় সাহিত্যক কেনেদৰে চহকী কৰিছে সেয়া প্ৰতিপন্ন হ'ব।
- দুখন পৃথক সমাজৰ পৃথক সময়ৰ সাহিত্যৰ জৰিয়তে সংস্কৃতি, সমাজনীতি, ৰাজনীতি, ভাষা, মানুহৰ জীৱন দৰ্শন, সামাজিক উত্তৰণৰ বিৱৰণ আদিৰ বিষয়ে সম্যক আভাষ পৰিস্ফুট হ'ব।

## প্ৰথম অধ্যায়

# লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ পৰিচয় আৰু সাহিত্যকৃতি

**লক্ষ্মীনন্দন বৰা ঃ**

**১.০১ (ক) জন্ম আৰু বংশ পৰিচয়**

একাণপতীয়া আৰু নিৰলস সাধনাৰে অসমীয়া সাহিত্য জগতত এগৰাকী সফল সাহিত্যিকৰূপে পৰিচিত লক্ষ্মীনন্দন বৰাই নগাঁও জিলাৰ হাতীচোং মৌজাৰ কুজীডাঁহ নামে এখনি ক্ষুদ্ৰ অথচ কলা-সংস্কৃতিৰে পৰিপূৰ্ণ আদৰ্শবান গাঁৱত জন্মগ্ৰহণ কৰে। শংকৰী নাম-ধৰ্মৰ একনিষ্ঠ সেৱক তথা এজন আদৰ্শবান খেতিয়ক প্ৰয়াত পিথুৰাম বড়া ওৰফে ফেটুৰাম বৰাৰ ঔৰসত আৰু প্ৰয়াত সৰ্বেশ্বৰী প্ৰিয়াৰ গৰ্ভত স্থিতি লাভ কৰি **১৮৫১** শকাব্দৰ জেঠ মাহৰ **২১** তাৰিখ, মঙলবাৰে লক্ষ্মীনন্দন বৰাই পৃথিৱীৰ পোহৰ দেখিবলৈ সক্ষম হয়। সৌৰৱণী অনুসৰি সেইদিনা কৃষ্ণা দ্বাদশী তিথিত অশ্বিনী নক্ষত্ৰ আৰু ধনুলগ্ন তথা দেৱগণত বৰাৰ জন্ম হয়।[১] কুজীডাঁহ নামে লোকজনৰ নামেৰে জনাজাত হৈ পৰা গাঁওখন ঘন বসতিপূৰ্ণ আছিল। বৰাই ঘন বসতিপূৰ্ণ অঞ্চলটোৰ যিটো পৰিয়ালত জন্মগ্ৰহণ কৰিছিল সেই পৰিয়ালটো 'বায়নৰ বংশৰ' লোক নামেৰে সুপৰিচিত আছিল। কিয়নো এই বংশতে প্ৰয়াত কাতিৰাম নামেৰে এজন প্ৰখ্যাত বায়নৰ জন্ম হৈছিল। অঞ্চলটোৰ ৰাইজে পৰিয়ালটোক 'বৰা ঘৰ'ৰ বুলিও কৈছিল। জাত অনুসৰি বৰাদেৰৰ বংশ পৰিয়ালটো কাঠ কলিতাÛকায়স্থ।[২]

বৰাই *আত্মজীৱনী*খনত উল্লেখ কৰা অনুসৰি তেওঁলোকৰ পূৰ্বপুৰুষসকলে সময় অনুযায়ী ভিন ভিন বৃত্তি গ্ৰহণ কৰিছিল। কিয়নো তেওঁলোকৰ প্ৰজন্মৰ পিচত প্ৰজন্মৰ উপাধি সুকীয়া আছিল। পঞ্চম প্ৰজন্মত এজন 'বায়ন' আৰু এজন 'কাকতি' আছিল। তাৰ পাছৰ প্ৰজন্মৰ পৰাই তেওঁলোকৰ পৰিয়ালত 'বৰা' উপাধি গ্ৰহণ কৰিবলৈ লয়।

**১.০১ (খ) শিক্ষা জীৱন ঃ**

বৰাৰ শৈক্ষিক জীৱনৰ শুভাৰম্ভ হয় জ্যেষ্ঠ ভ্ৰাতৃৰ ছত্ৰছায়াত। তেখেতে বিদ্যালয়ৰ পাঠদান কাৰ্য আৰু ঘৰুৱা খেতিপথাৰৰ বেমেজালি সামৰি যিকণ আজৰি সময় উলিয়াব

পাৰিছিল সেই সময়খিনিতে কনিষ্ঠ ভ্ৰাতৃক অ, আ, ক, খৰ পৰা আৰম্ভ কৰি নেওতা শিকোৱা, যোগ-বিয়োগ, পূৰণ-হৰণ আদি শৈক্ষিক জীৱনৰ প্ৰাথমিক জ্ঞানখিনি সুকলমে আয়ত্ত কৰোৱাইছিল। ভ্ৰাতৃবৎ মৰম-চেনেহৰ উপৰি বয়সৰ যথেষ্ট ব্যৱধান থকা বাবেই হয়তো তেখেতে কনিষ্ঠ ভ্ৰাতৃক নিজৰ সন্তানৰ দৰে গঢ়ি-পিতি ল'ব বিচাৰিছিল। সেয়ে প্ৰাথমিক শিক্ষাৰ সৰহখিনি ঘৰতে আয়ত্ত কৰোৱাই তেখেতে গাঁৱৰে প্ৰাথমিক বিদ্যালয়খনত বৰাক নামভৰ্তি কৰাবলৈ নিয়ে। কিন্তু প্ৰায়খিনি প্ৰাথমিক জ্ঞানেৰে পৰিপুষ্ট হৈ যোৱা বৰাক ক, খ আৰু প্ৰথম শ্ৰেণীৰ পৰিবৰ্তে দ্বিতীয় শ্ৰেণীতহে প্ৰধান শিক্ষক গিৰিকান্ত মহন্তই নামভৰ্তি কৰায়।

কুজীডাঁহৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা তেখেতক বেবেজীয়া মাইনৰ স্কুলত নামভৰ্তি কৰাই দিয়া হয়। চতুৰ্থ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে হাতীচোং কুজীডাঁহৰ পৰা বেবেজীয়া মাইনৰ স্কুললৈ আঠ-ন মাইল নিতৌ খোজকাঢ়ি অহাযোৱা কৰি শিক্ষা গ্ৰহণ কৰিছিল। বেবেজীয়া মাইনৰ স্কুলৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হৈ তেখেতে বেবেজীয়া হাইস্কুলত অধ্যয়নৰ পাতনি মেলে। কিন্তু অষ্টম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পাছত তেখেতে সেইখন বিদ্যালয় এৰিবলৈ বাধ্য হয়। কিয়নো বিদ্যালয়খনত অতিৰিক্ত গণিত শিক্ষাৰ পাঠ্যক্ৰমৰ অভাৱ আছিল। যিহেতুকে বৰাৰ জীৱনৰ উদ্দেশ্য আছিল বিজ্ঞান শিক্ষাৰে নিজকে গঢ় দিয়াটো, গতিকে তেখেতে সেই উদ্দেশ্যত ফলৱতী হ'বৰ বাবে জ্যেষ্ঠ ভ্ৰাতৃৰ অনুপ্ৰেৰণা অনুযায়ী নগাঁও চৰকাৰী হাইস্কুলৰ নৱম শ্ৰেণীত নামভৰ্তি কৰে। **১৯৪৮** চনত সেইখন চৰকাৰী হাইস্কুলৰ পৰা তেখেতে কলকাতা (পুৰণি কলিকতা) বিশ্ববিদ্যালয়ৰ অন্তৰ্গত পাঠ্যক্ৰমৰ ওপৰত ভিত্তি কৰি প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হয়।

প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেখেতে কটন কলেজত নামভৰ্তি কৰে। কটন কলেজত পঢ়ি থকা সময়তে তেখেতৰ জীৱনলৈ এটা বিপৰ্যয় নামি আহে। সেইখিনি সময়তে তেখেতৰ জীৱনত বিশেষ স্থান দখল কৰি থকা আদৰ্শবান ধাৰ্মিক পিতৃক চিৰদিনৰ বাবে হেৰুৱাবলগীয়া হয়। এই ঘটনাটোৱে তেখেতৰ জীৱনত বাৰুকৈয়ে প্ৰভাৱ পেলায়। তথাপি পিতৃৰ আদৰ্শ সাৰোগত কৰি, জ্যেষ্ঠ ভ্ৰাতৃৰ অনুপ্ৰেৰণা অনুযায়ী তেখেতে জীৱনত আগুৱাই যাবৰ বাবে পুনৰ কটন কলেজত অধ্যয়নৰ বাবে যাত্ৰা কৰে। বৰা কটন কলেজৰ পৰা সুখ্যাতিৰে প্ৰথম বিভাগত আই এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়।

আই এছ চি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেখেতে পুনৰ কটন কলেজত পদাৰ্থ বিজ্ঞানত অনাৰ্ছ লৈ বি এছ চি পঢ়িবৰ বাবে হোষ্টেললৈ আহে। তাতে তিনিবছৰ অধ্যয়ন কৰাৰ পাছত তেখেতে অনাৰ্ছসহ বি এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়। বি এছ চি পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেখেতে উচ্চ শিক্ষা লাভৰ বাবে কলিকতালৈ ৰাওনা হয়। কলিকতাৰ প্ৰেচিডেন্সি কলেজত তেখেতে শিক্ষা জীৱনৰ নতুন অধ্যায়ৰ পাতনি মেলে। বিচিত্ৰ অভিজ্ঞতাৰ মাজেৰে শৈক্ষিক জীৱনৰ দুটা বছৰ কলিকতাৰ প্ৰেচিডেন্সি কলেজত অধ্যয়ন কৰাৰ পাছত **১৯৫৪** চনত তেখেতে সন্মানসহকাৰে এম এছ চি ডিগ্ৰী লাভ কৰি গাঁৱলৈ উভতি আহে।

আনুষ্ঠানিক শিক্ষা শেষ কৰাৰ বেছ কিছু বছৰ বিৰতিৰ অন্তত তেখেতে ফেল'শ্বিপ গ্ৰহণ কৰি অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ মৌচম বিজ্ঞান আৰু সমুদ্ৰবিদ্যা বিভাগৰ পৰা **১৯৭৭** চনত সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰে।[৩] উল্লেখযোগ্য যে বতৰ বিজ্ঞান আৰু জলবায়ু বিজ্ঞানত উত্তৰ-পূব ভাৰতৰ ভিতৰত তেখেতেই প্ৰথমগৰাকী ব্যক্তি যিগৰাকীয়ে এনে বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে।

### ১.১ (গ) কৰ্মজীৱন

লক্ষ্মীনন্দন বৰাই সুখ্যাতিৰে পদাথ বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত গাঁৱৰ ঘৰখনতে কিছুদিন অতিবাহিত কৰাৰ পাছত শ্বিলঙৰ ছেণ্ট এন্থ'নিজ কলেজৰ পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তাৰূপে কৰ্মজীৱনৰ পাতনি মেলে। সেইখিনি সময়ত তেখেতক আৰ্থিক অৱস্থাই খুবেই জুৰুলা কৰিছিল। জ্যেষ্ঠ ভ্ৰাতৃৰ পৰিয়ালটোক চোৱা-চিতা কৰাটো তেখেতৰ নৈতিক দায়িত্বৰ ভিতৰত পৰিছিল যদিও চাকৰিৰ দৰমহাৰ বাবদ পোৱা টকাকেইটাৰে তেখেতক নিজলৈকে ভালদৰে নাটিছিল। গতিকে অইনৰ কথা চিন্তা কৰাটো তেখেতৰ বাবে সহজসাধ্য নাছিল। নূন্যতম দৰমহাৰ টকাখিনিৰে যেনেতেনে চলি থকাৰ বাহিৰে তেখেতে কোনো চিন্তা মনলৈ আনিব পৰা নাছিল। ঠিক সেইখিনি সময়তে তেখেতে যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ খালী হৈ থকা পদাৰ্থ বিজ্ঞানৰ পদৰ বাবে আবেদন কৰি কেইদিনমানৰ ভিতৰতে ছেণ্ট এন্থনীজ কলেজৰ পৰা প্ৰবক্তাৰ চাকৰিটো ইস্তফা দি নিজ গৃহলৈ উভতি আহে।

ঘৰলৈ অহাৰ এসপ্তাহ নৌহওঁতেই তেখেতে যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা ডাকযোগে নিযুক্তিপত্ৰ লাভ কৰে। তেওঁ **১৯৫৫** চনত জগন্নাথ বৰুৱা মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ প্ৰবক্তাৰূপে চাকৰিত যোগদান কৰে। সেই সময়ত জগন্নাথ বৰুৱা মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ 'অনাৰ্ছ'ৰ (এতিয়াৰ মেজৰ) পাঠ্যক্ৰম নাছিল। গতিকে 'পাছ ক'ৰ্ছ'ৰ ক্লাছকেইটাতে তেখেতে সীমাবদ্ধ হৈ থাকিবলগীয়া হৈছিল। অৱশ্যে ইয়াতো তেখেতৰ কৰ্মজীৱনে স্থায়িত্ব নাপালে। কিছুদিন শিক্ষকতা কৰাৰ পাছত তেখেতে নগাঁও কলেজত শিক্ষকতা কৰিবলৈ আহে। নগাঁও কলেজত যোগদান কৰিও তেখেতে মনত সন্তুষ্টি নাপালে, কিয়নো মাধ্যমিক পৰ্যায়তহে তেখেতে শিক্ষাদান কৰিবলগা হৈছিল। মহাবিদ্যালয়খনত স্নাতক শ্ৰেণী আৰম্ভ হোৱাৰ আশা সেইখিনি সময়ত খুব ক্ষীণ আছিল। ফলস্বৰূপে তেখেতে অন্য মহাবিদ্যালয়ত যোগদান কৰাৰ কথা মনতে গুণা-গথাঁ কৰি আছিল। ঠিক সেইখিনি সময়তে ঐতিহ্যমণ্ডিত কটন কলেজৰ পৰা প্ৰকাশিত এটা বিজ্ঞাপন লাভ কৰে। বিজ্ঞাপন অনুসৰি সেই পদৰ প্ৰাৰ্থী হৈ তেখেতে নিযুক্তিও লাভ কৰে। মাথোঁ দুমাহ শিক্ষকতা কৰিয়েই নগাঁও কলেজত পদত্যাগপত্ৰ দাখিল কৰি কটন কলেজত নতুন কৰ্মজীৱনৰ পাতনি মেলে। কিন্তু এইবাৰ স্বইচ্ছাই পদত্যাগ দিয়াৰ বিপৰীতে তেখেতক কলেজ কৰ্তৃপক্ষৰ পৰাহে অব্যাহতি দিয়া হ'ল।

এনে জটিল সময়ছোৱাত তেখেতে জ্যেষ্ঠ ভ্ৰাতৃৰ পৰা অফুৰন্ত প্ৰেৰণা লাভ কৰিছিল। যাৰ ফলস্বৰূপে হতাশ হ'লেও তেখেতে নিজকে চম্ভালিব পৰা সাহসকণ লাভ কৰিছিল। প্ৰায় দুমাহ তেখেতে শিক্ষকতা অবিহনে সময়বোৰ অতিবাহিত কৰিছিল।

দুমাহ অতিক্ৰম কৰাৰ অন্তত তেখেতে ধুবুৰীৰ ভোলানাথ কলেজত বিজ্ঞাপন অনুসৰি নিযুক্তিৰ বাবে আবেদন কৰে। যথাসময়ত তেখেতে নিযুক্তিপত্ৰ লাভ কৰি সীমান্তত অৱস্থিত মহাবিদ্যালয়খনত যোগদান কৰি পুনৰায় কৰ্মজীৱনক গতি প্ৰদান কৰে। ইয়াতো তেখেতৰ শিক্ষকতা জীৱনে স্থায়িত্ব নাপালে। যাযাবৰী মনটোৱে তেখেতক বাৰে বাৰে আমনি কৰাত এইবাৰ তেখেতে অসম কৃষি মহাবিদ্যালয়ত প্ৰবক্তাৰ বাবে আবেদন জনায়। অৱশ্যে ইমানদিনে কৰি অহা অস্থায়ী শিক্ষকতা জীৱনৰ অধিক সময় তেখেতে ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়তে অতিক্ৰম কৰে। প্ৰায় এবছৰ ছমাহ কাল তেখেতে এইখন মহাবিদ্যালয়ত অধ্যাপনা কৰে।

এই সময়ছোৱাত ধুবুৰীৰ শৈক্ষিক সমাজখনৰ সৈতে তেখেতৰ যথেষ্ট অন্তৰংগতা গঢ়ি উঠিছিল। সেই অন্তৰংগতা নেওচি উভতি আহিবলৈ তেখেতে মানসিক কষ্ট পাইছিল যদিও কৰ্মৰ তাগিদাত তেখেতে ধুবুৰীও ত্যাগ কৰিছিল।

**১৯৫৮** চনত তেখেতে অসম কৃষি মহাবিদ্যালয়ত যোগদান কৰে। এইবাৰহে যেন তেখেতৰ কৰ্মজীৱনে এটা স্থায়ী ঠিকনা লাভ কৰে। ১৯৬৯ চনত অসম কৃষি মহাবিদ্যালয়খন অসম কৃষি বিশ্ববিদ্যালয়লৈ উন্নীত হয়। সেইমতে বিশ্ববিদ্যালয়ৰ নীতি-নিয়ম অনুসৰি তেখেত বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ আৰম্ভ কৰে। শেষলৈ এইটো বিভাগতেই তেখেতে বিভাগীয় মুৰব্বীৰূপে কৰ্মজীৱন আগবঢ়াই লৈ যায়।

**১৯৯৬** চনত তেখেতে অসম সাহিত্য সভাৰ সভাপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। নিষ্ঠা আৰু দায়বদ্ধতাৰে তেখেতে এই দায়িত্বও সুকলমে সম্পাদন কৰে। এবছৰীয়া কাৰ্যকালত তেখেতে যথাসম্ভৱ নীতিগতভাৱে সম্পাদন কৰা কাৰ্যাৱলীয়ে অসম সাহিত্য সভাৰ গতিবৰ্দ্ধনত যথেষ্ট সহায় কৰিছিল। সভাপতিৰ কাৰ্যকাল সুচাৰুৰূপে সম্পাদন কৰাৰ পাছত তেখেতে 'প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, অসম'ৰ অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰে। **২০০৩** খ্ৰীষ্টাব্দৰ **৩১** আগষ্টলৈকে তেখেতে এই পদত কাৰ্যনিৰ্বাহ কৰিছিল।

### ১.১ (ঘ) সাংসাৰিক জীৱন

**১৯৫৮** খ্ৰীষ্টাব্দত যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত কৰ্মজীৱনে নতুন গতি লাভ কৰাৰ কেইবছৰমান পাছতে অৰ্থাৎ **১৯৬১** খ্ৰীষ্টাব্দৰ মাৰ্চৰ **১২** তাৰিখে লক্ষ্মীনন্দন বৰাই মাধুৰী বৰাৰ সৈতে বৈবাহিক জীৱনৰ পাতনি মেলে। অধিকাংশ সময় সাহিত্যচৰ্চাত মনোনিৱেশ কৰি থকা বাবে সংসাৰৰ সকলো দায়িত্ব অৰ্ধাংগিনীৰূপে মাধুৰী বৰাই নিজেই চম্ভালি লৈছিল। চাকৰি আৰু সংসাৰ উভয়েই বৰাৰ পত্নীয়ে নিয়াৰিকৈ চলাই নিছিল। এইক্ষেত্ৰত তেখেতে নিজেই কৈছে—বৰঞ্চ লিখা-মেলাত যাতে অসুবিধা নহয়, তাৰ প্ৰতিহে লক্ষ্য ৰাখি সংসাৰৰ সকলো দায়িত্বৰ পৰা মুক্ত কৰি দি নিজে সকলো কান্ধ পাতি লওঁ।[৪]

সাংসাৰিক বান্ধোনৰ ফলস্বৰূপে তেওঁলোকৰ মাজত তিনিটি প্ৰাণীৰ আগমন ঘটে। এগৰাকী কন্যা সেউজী বৰা আৰু দুটি পুত্ৰ সন্তান ক্ৰমে স্বৰূপনন্দন বৰা আৰু ত্ৰিদিৱনন্দন বৰা। তিনিও সন্তানকে তেখেতে উচ্চশিক্ষাৰে শিক্ষিত কৰাই সমাজত মূৰ দাঙি থিয় হ'ব পৰাকৈ উপযুক্তৰূপে গঢ়ি তুলিছিল। এইক্ষেত্ৰত বৰাক সম্পূৰ্ণ সহায়-সহযোগ আগবঢ়াইছিল তেখেতৰ পত্নী মাধুৰী বৰাই। বৰ্তমান সময়ত তেওঁলোকৰ সন্তানসকল নিজৰ নিজৰ কৰ্মক্ষেত্ৰত প্ৰতিষ্ঠিত।

### ১.১ (ঙ) সামাজিক জীৱন

এটা মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালৰ সন্তান হৈ বৰ্তমানৰ স্তৰলৈ উন্নীত হোৱাৰ লগতে সামাজিকভাৱে সুপ্ৰতিষ্ঠিত হ'বলৈ তেখেতে যথেষ্ট কষ্ট স্বীকাৰ কৰিবলগা হৈছিল। সামাজিকভাৱে যথেষ্ট সচেতন বিশিষ্ট কথাশিল্পীগৰাকী পঢ়ি থকা কালতেই ভাৰতৰ স্বাধীনতা আন্দোলনৰ দ্বাৰা প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে প্ৰভাৱান্বিত হৈছিল। সেইবাবে সংগ্ৰামী ব্যক্তিসকলৰ সৈতে লগ লাগি তেখেতে সামাজিক মেল-মিটিংবোৰত অংশগ্ৰহণ কৰিছিল। আৰু সেইবোৰৰ পৰা বিভিন্ন জ্ঞান আয়ত্ত কৰিবলৈ সক্ষম হৈছিল।

সেই তেতিয়াৰে পৰা বিভিন্ন সামাজিক অনুষ্ঠানত তেওঁ সহযোগ কৰিবলৈ লয়। হেমন্ত বৰদলৈৰ সম্পাদনাত গঢ় লোৱা 'সাহিত্যসেৱী চ'ৰা'[৫] শীৰ্ষক সংগঠন এটাৰ সভাসমূহত তেখেতে প্ৰায়ে যোগদান কৰিছিল। অসম সাহিত্য সভাৰ অবিভক্ত শিৱসাগৰ (বৰ্তমানৰ যোৰহাট জিলা) আৰু গোলাঘাট জিলা দুয়োটা অধিৱেশনৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। মৰিগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনত তেখেতে বিশিষ্ট অতিথিৰূপে আমন্ত্ৰিত হৈছিল।[৬]

এলাহক কোনোদিনে প্ৰশ্ৰয় নিদিয়া কৰ্মোদ্যমী ব্যক্তিজনে বৰ্তমানেও বিভিন্ন সামাজিক কৰ্মত লিপ্ত হৈ অৰিহণা আগবঢ়াই আছে।

### ১.১ (চ) সাহিত্যকৃতি

অফুৰন্ত কল্পনা আৰু উদ্ভাৱনী শক্তিৰে অসমীয়া সাহিত্যক এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হোৱা লক্ষ্মীনন্দন বৰা কেৱল অসমীয়া কথা সাহিত্যৰে নহয়, সমগ্ৰ ভাৰতীয়

সাহিত্যতে এক নিগাজী স্থান দখল কৰিবলৈ সক্ষম হৈছে। 'ভাওনা'[৭] গল্পৰে সাহিত্যৰ জগতত খোজ পেলাবলৈ সক্ষম হোৱা লক্ষ্মীনন্দন বৰাই প্ৰথমে গল্প ৰচনাৰে সাহিত্য জগতত খোপনি পুতিবলৈ সক্ষম হয়। ভাওনা, সম্পত্তিৰ বাপেক, গুৰুপৰ্ব এই তিনিওটা গল্প বৰাৰ সাহিত্যিক জীৱনৰ প্ৰথম কীৰ্তি। বিজ্ঞানৰ ছাত্ৰ হৈও সাহিত্যৰ প্ৰতি থকা অকৃত্ৰিম ৰাপৰ বাবেই তেখেতে সাহিত্য চৰ্চাত মনোনিৱেশ কৰে। এই ক্ষেত্ৰত তেখেত সমসাময়িক সমাজৰ প্ৰতিষ্ঠিত সাহিত্যিকসকলৰ পৰা যথেষ্ট পৰিমাণে প্ৰভাৱান্বিত হৈছিল। কিয়নো যোৰহাটত অধ্যাপনা কৰি থকা কালছোৱাত বৰা অসমৰ স্বনামধন্য সাহিত্যিকসকলৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। এনে প্ৰভাৱে তেখেতক সাহিত্য চৰ্চাৰ প্ৰতি অধিক আকৃষ্ট কৰিছিল। 'ৰামধেনু'ত প্ৰথম গল্প প্ৰকাশিত হোৱাৰ পাছতেই প্ৰথিতযশা সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই বৰাক কৈছিল—আপোনাৰ গল্প ভাল পাইছো। লিখি যাওক। গাঁৱৰ আত্মাক মুন্সী প্ৰেমচাঁদৰ দৰে জানিবলৈ চেষ্টা কৰক। তাকে জানিলে আপুনি যিহকে লিখে সেয়ে সাহিত্য হ'ব।[৮]

সেইদিনাৰে পৰা ভট্টাচাৰ্যক গুৰুৰূপে মানি লৈ বৰা জীৱনত কিবা এটা কৰাৰ হেঁপাহেৰে মনত দৃঢ়তা আনিবলৈ চেষ্টা কৰিছিল। সাহিত্য জগতৰ বহু বৰ্ণাঢ্য আৰু পুৰোধা ব্যক্তি, যেনে— ত্ৰৈলোক্যনাথ গোস্বামী, চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ভবেন্দ্ৰ নাথ শইকীয়া আদিসকলৰ সান্নিধ্য আৰু প্ৰেৰণাৰে তেখেতে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হয়।

অধ্যাপনা আৰু সাহিত্যচৰ্চা এই দুয়োটা দিশ সমানে আগবঢ়াই লৈ যোৱা বৰা উপন্যাস চৰ্চাতো হাত দিয়ে। প্ৰথম গল্প সংকলন 'দৃষ্টিৰূপা' প্ৰকাশৰ পাছত তেখেতে আৰু থমকি ৰোৱা নাই। এখনৰ পাচত এখন গল্প সংকলন, উপন্যাস, প্ৰবন্ধ, নাটক, বিজ্ঞানভিত্তিক সাহিত্য, ভ্ৰমণ কাহিনী, জীৱনীমূলক সাহিত্য, অনুবাদ সাহিত্য আদি সাহিত্যৰ আটাইবোৰ দিশতে তেখেতে সমানে অৱদান আগবঢ়াইছে। সাহিত্যৰ আটাইবোৰ ঠাল-ঠেঙুলিতে সমানে অৱদান আগবঢ়ালেও পাঠক সমাজত তেখেত গল্পকাৰ আৰু ঔপন্যাসিক ৰূপেহে বেছিকৈ সমাদৃত। বাস্তৱ জীৱনৰ বিচিত্ৰ অভিজ্ঞতা আৰু কল্পনাৰ সুসমন্বয়ত তেখেতে বৰ্তমানলৈ যিমানবোৰ সাহিত্য ৰচনা কৰিছে সেই সকলোবোৰে তেখেতৰ বিশাল ব্যক্তিত্বৰ পৰিচয় দাঙি ধৰে।

তেখেতৰ বিশাল সাহিত্যৰাজিয়ে তেখেতৰ চিনাকী। এই বিশাল সাহিত্যৰাজি একাদিক্ৰমে উল্লেখ কৰিবলৈ চেষ্টা কৰা হ'ল—

**চুটি গল্প সংকলন ঃ** দৃষ্টিৰূপা, সেই সুৰে উতলা, গোপন গধুলি, কাঁচিয়লিৰ কুঁৱলী, গৌৰীৰূপক, মন মাটি মেঘ, এই ৰূপ এই ছন্দ, অচিন কইনা, দহন দুলড়ী, কঠিন মায়া, দেৱতাৰ ব্যাধি, মাজত তৃষাৰে নৈ, আৱেশ ইন্দ্ৰজাল, নিষিদ্ধ চেতনা, ব্যতিক্ৰম, সেহি অনুৰাগে, এৰাবাৰীৰ লেছেৰী, দুষ্টৰ কাৰাগাৰ, প্ৰেয়সী, মন বিৰিখৰ জোখ, মুক্তপুৰুষ, মন মাটি পিৰীতি, লক্ষ্মীনন্দন বৰাৰ গল্প সমগ্ৰ, আলাসত খৰিকাজাই, লক্ষ্মীনন্দন বৰাৰ চাৰিটা দশকৰ গল্প সমগ্ৰ, লহৰে লহৰে, কপৌফুল বিচাৰি।

**উপন্যাস ঃ** গল্পকাৰৰূপে সমাদৃত হোৱাৰ লগতে তেখেত ঔপন্যাসিক ৰূপেও সমানে জনপ্ৰিয়। বিভিন্ন বিষয়বস্তুৰে উপন্যাস ৰচনা কৰি খ্যাতি অৰ্জন কৰিলেও তেখেতৰ ৰচনাৰ মুখ্য সমল হৈছে গ্ৰাম্য জীৱন। গ্ৰাম্য জীৱনৰ লগতে চহৰীয়া জীৱনৰ কৃত্ৰিমতা আৰু বিলাসিতা, ৰাজনৈতিক জীৱনৰ পংকিলতা, বিজ্ঞানে মানুহৰ ওপৰত পেলোৱা প্ৰভাৱ, মহাপুৰুষৰ জীৱন বৃত্তৰে ৰচিত আদি বিবিধ বিষয়বস্তুৰে অগতানুগতিকৰূপে বৰা ভালেসংখ্যক উপন্যাস ৰচনা কৰিছে। *নিশাৰ পূৰবী* উপন্যাসখনেই তেখেতৰ ৰচিত প্ৰথম উপন্যাস।[৯] ইয়াৰ পাছত ক্ৰমে এখনৰ পাছত এখনকৈ তেখেতে সফল উপন্যাস ৰচনা কৰি আছে। বৰ্তমানেও তেখেত সৃজনশীল কামত ইমানেই ব্যস্ত যে বয়সেও বৰাৰ ওচৰত হাৰ মানিবলৈ বাধ্য হৈছে। তেখেতৰ ৰচিত উপন্যাসসমূহৰ তালিকা একাদিক্ৰমে উল্লেখ কৰা হ'ল—

*নিশাৰ পূৰবী, গঙা চিলনীৰ পাখি, শিখৰ সুৰভি, ছাঁ-জুইৰ পোহৰত, মেঘালী দুপৰ, বলুকাত বিজুলী, মাটিত মেঘৰ ছাঁ, উত্তৰ পুৰুষ, বিশেষ এৰাতি, পতন, আকৌ শৰাইঘাট, ৰাধিকাপুৰ আৰু মা লক্ষ্মী নিকেতন, ঘাটক পলাতক, পাতাল ভৈৰৱী, প্ৰতিৰোধ, বিপন্ন বিস্ময়, গণেশগুৰি, কাল ডিঙৰাৰে পাল, নায়ক অধিনায়ক, হিয়াত তিৰেবিৰাই, যাকেৰি নাহিকে উপাম, মৎস্যকন্যা, সেহি গুণনিধি, মেঘত মাদল বাজে, কায়কল্প, চতুৰংগ, তেজস্বিনী আৰু অন্যান্য, গতি মতি ভকতি, বুটা বছা বিয়লি আৰু প্ৰাণ সাউদৰ নাও, যৈছন গগন বিয়াপি, সেহি সব্যসাচী।*

**বিজ্ঞানভিত্তিক ৰচনা ঃ** লক্ষ্মীনন্দন বৰা বিজ্ঞানৰ ছাত্ৰ হোৱাৰ লগতে বিজ্ঞানৰ অধ্যাপকৰূপে কৰ্মজীৱন সমাপ্ত কৰিছিল। সাহিত্যৰ প্ৰতি একান্ত স্পৃহাই তেখেতক গল্পকাৰ আৰু ঔপন্যাসিকৰূপে প্ৰতিষ্ঠিত হোৱাত সহায় কৰিলেও বিজ্ঞানৰ ছাত্ৰৰূপে তেখেতে বিজ্ঞানভিত্তিক পুথি ৰচনা কৰাৰ মোহ সামৰিব পৰা নাছিল। সেই মোহৰ বশৱৰ্তী হৈয়ে

তেখেতে বিজ্ঞানভিত্তিক ৰচনাৰে অসমীয়া সাহিত্যৰ গতিত অন্য এটা দিশৰ সূচনা কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ বিজ্ঞানভিত্তিক ৰচনাসমূহ ক্রমে—

গাঁৱৰে সৰগ ৰচো, জনম ৰহস্য আৰু পৰিয়াল আঁচনি, মই ধনীৰামৰ ধান, ধনীৰামৰ খেতি, পৰিবেশ বিজ্ঞান সাৰথি, পৰিবেশ, সমাজ আৰু আইন (এই কিতাপখন বৰা ড০ ৰোহিণী কুমাৰ বৰুৱাৰ সৈতে যুটীয়াভাৱে ৰচনা কৰিছিল)।

**ভ্ৰমণ গ্ৰন্থ ঃ** লক্ষ্মীনন্দন বৰাই অধ্যাপনাৰ মাজে মাজে আৰু অৱসৰ গ্ৰহণৰ পাছতো বিভিন্ন দেশ-বিদেশ ভ্ৰমণ কৰাৰ সুবিধা লাভ কৰিছে। ভ্ৰমণৰ কালছোৱাত তেখেতে লাভ কৰা বৰ্ণিল জ্ঞানৰ সমাহাৰ আৰু নান্দনিক সৌন্দৰ্যৰ কলাসন্মত ৰূপ অসমীয়া পাঠক সমাজলৈও আগবঢ়াইছে। তেখেতৰ প্ৰতিখন ভ্ৰমণ কাহিনী জ্ঞানগৰ্ভমূলক সাৰুৱা কথাৰে সমৃদ্ধ। দেশ-বিদেশৰ বিভিন্ন সামাজিক, ৰাজনৈতিক, শৈক্ষিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি বিভিন্ন দিশৰ প্ৰাসংগিক বিৱৰণেৰে তেখেতৰ প্ৰতিখন ভ্ৰমণ গ্ৰন্থই অনন্য জ্ঞানসমৃদ্ধ নিদৰ্শন। সেইকেইখন ক্ৰমে—**১)** পশ্চিমৰ পম খেদি, **২)** জোৱালগা জাৰ্মানীত, **৩)** সীমাৰ পৰিধি ভেদি, **৪)** চীনক চিনিবলৈ টান।

**নাটক ঃ** সাহিত্যৰ ইমানবোৰ ভিন্নধৰ্মী ৰচনাৰ উপৰি তেখেতে নাটক ৰচনা কৰিবৰ বাবেও চেষ্টা নকৰা নহয়। দুখনকৈ অনাতাঁৰ নাট ৰচনাৰে তেখেতে নাট্য সাহিত্যৰ ক্ষেত্ৰখনলৈও অৱদান আগবঢ়াইছে। অৱশ্যে এই দুয়োখন অনাতাঁৰ নাটেই ব্যংগাত্মক। নাট দুখন ক্ৰমে— **১)** সিপুৰীৰ আঁচনি, **২)** একাংক যুগল।

অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰি থকা সময়ছোৱাৰ বৰ্ণনাৰে লিখি উলিওৱা তেখেতৰ আন এখন গ্ৰন্থ হৈছে সভাপতিৰ দিনলিপি।

অ-সম্পাদকীয় নামে তেখেতে আন এখন প্ৰবন্ধ সংকলন প্ৰকাশ কৰি উলিয়ায়।

জীৱনীমূলক গ্ৰন্থ প্ৰণয়নেৰেও তেখেতে অসমীয়া সাহিত্যৰ ভেঁটি টনকিয়াল কৰাত অৰিহণা যোগাইছে। তিনিখন জীৱনীমূলক গ্ৰন্থ প্ৰণয়ন কৰি তেখেতে তিনিজন বৰ্ণাঢ্য ব্যক্তিৰ জীৱন পৰিক্ৰমা আমাৰ মাজত দাঙি ধৰিছে। গ্ৰন্থকেইখন ক্ৰমে— **১)** স্বামী বিবেকানন্দ, **২)** শংকৰদেৱ ঃ এটি মহাজীৱন, **৩)** মহাপুৰুষ মাধৱদেৱ।

স্কুলীয়া ছাত্র-ছাত্ৰীৰ উপযোগী হোৱাকৈ তেখেতে 'We and Our Environment' শীৰ্ষক গ্ৰন্থখন ইংৰাজীতে প্ৰণয়ন কৰি উলিয়ায় যিখন গ্ৰন্থ নৱম শ্ৰেণীৰ স্কুলীয়া পাঠ্যপুথিৰ ৰূপত অন্তৰ্ভুক্ত হোৱাৰ সুযোগ লাভ কৰিছিল।

নিজৰ আপোন ভাষাটোৰ সমৃদ্ধি সাধন কৰিবলৈ তেখেতে অহোপুৰুষাৰ্থ কৰিছিল আৰু বৰ্তমানেও কৰি আছে। য'তেই হাত দিয়ে ত'তেই অপৰূপ হৈ সাহিত্যই প্ৰাণ পাই উঠে। সেইবাবে অন্যান্য ভাষাৰ পৰা অনুবাদৰ জৰিয়তে অসমীয়া ভাষাটোক চহকী কৰিবৰ বাবেও তেখেতে চেষ্টা কৰিছিল। খুব বেছি নহ'লেও দুখন অনুবাদ গ্ৰন্থ ৰচনা কৰি তেখেতে অনুবাদ সাহিত্যৰ ইতিহাসত নিজৰ নাম খোদিত কৰিবলৈ সক্ষম হৈছে। অনুবাদ গ্ৰন্থ দুখন ক্ৰমে— (ক) মেঘনাদ সাহা (খ) শামুকৰ পেটত মুকুতা।

**১.১ (ছ) প্ৰাপ্ত সন্মান**

বিভিন্ন ব্যতিক্ৰমী বিষয়বস্তুৰে সাহিত্যৰ বিবিধ ঠাল-ঠেঙুলিৰ এক সৌধ নিৰ্মাণেৰে লক্ষ্মীনন্দন বৰাই অসমীয়া সাহিত্যৰ ইতিহাসত নিজৰ বাবে এখন সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে। যিখন আসনৰ বাবে তেখেতে ইতিমধ্যে বিভিন্ন ক্ষেত্ৰৰ পৰা স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। স্বীকৃতি পাবৰ বাবে তেখেতে সাহিত্য সৃষ্টিত মনোনিৱেশ নকৰিলেও সৃষ্টিৰ জখলাডালেৰে তেখেতে সৃজনীশক্তিৰ শীৰ্ষ বিন্দুত উপনীত হ'বলৈ সক্ষম হৈছে। যাৰ বাবে তেখেতে সৰ্বভাৰতীয় স্বীকৃতি লাভ কৰা প্ৰথমজন অসমীয়া সাহিত্যিকৰূপে সৰ্বসমাদৃত হৈ উঠিছে। তেখেতে লাভ কৰা স্বীকৃতিৰ আভাষ—

(ক) **১৯৬০** চনত *গাঁৱৰে সৰগ ৰচো* গ্ৰন্থখনৰ বাবে ৰাষ্ট্ৰীয় বঁটা লাভ।

(খ) *জনম ৰহস্য* আৰু *পৰিয়াল আঁচনি*ৰ বাবে **১৯৬৮** চনত ৰাষ্ট্ৰীয় বঁটা লাভ।

(গ) *পাতাল ভৈৰৱী* উপন্যাসৰ বাবে **১৯৮৮** চনত সাহিত্য অকাডেমী বঁটা লাভ।

(ঘ) *যাকেৰি নাহিকে উপাম* শীৰ্ষক জীৱনভিত্তিক উপন্যাসখনৰ বাবে আঞ্চলিক ভিত্তিত অম্বিকাগিৰি বঁটা লাভ **১৯৯৬** চনত।

(ঙ) **২০০৪** চনত তেখেতৰ সমগ্ৰ সৃষ্টিৰাজিৰ বাবে অসম উপত্যকা সাহিত্য বঁটা ।

(চ) *কায়কল্প* উপন্যাসৰ বাবে **২০০৮** চনত সৰ্বভাৰতীয় সৰস্বতী সন্মান লাভ।

(ছ) **২০০৯** চনত মাধৱদেৱ সন্মান লাভ।

কলেজীয়া জীৱনৰ পৰা বৰ্তমানলৈকে নিৰলসভাৱে একাণপতীয়াকৈ সাহিত্য সাধনাত ব্ৰতী হৈ থকা লক্ষ্মীনন্দন বৰাৰ ৰচিত সোণাইপৰীয়া সমাজৰ দলিলৰূপে স্বীকৃতি *গঙা চিলনীৰ পাখি* উপন্যাসখন ইতিমধ্যে ভাৰতৰ বাইশটা ভাষালৈ অনূদিত হৈছে।[১০] *পাতাল ভৈৰৱী* উপন্যাসখনো ইতিমধ্যে ভাৰতীয় অন্যান্য ভাষা যেনে— হিন্দী, মৈথিলী, বঙালী আদি বিভিন্ন ভাষালৈ অনূদিত হৈছে। *গঙা চিলনীৰ পাখি* উপন্যাসখন ইমানেই জনপ্ৰিয় হৈছিল যে ইয়াৰ আধাৰত এখন অসমীয়া বোলছবিও নিৰ্মিত হৈছিল।

**তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ জীৱন আৰু সাহিত্যকৃতি ঃ**

**২.০১ জন্ম আৰু বংশ পৰিচয়**

বাংলা সাহিত্য জগতৰ এগৰাকী অন্যতম যশস্বী কথাশিল্পী, সৃষ্টিৰ খনিকৰ তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ **১৮৯৮** খ্ৰীষ্টাব্দৰ **২৩** জুলাইত বৰ্তমানৰ পশ্চিমবংগৰ বীৰভূম জিলাৰ লাভপুৰ গাঁৱত (প্ৰাচীন নাম ৰাঢ়ভূমি) জন্মলাভ কৰে। বিংশ শতাব্দীৰ এইগৰাকী বঙালী কথাসাহিত্যিকৰ পিতৃ হৰিদাস বন্দ্যোপাধ্যায় আৰু মাতৃ প্ৰভাৱতী দেৱী। শৰৎচন্দ্ৰ তথা ৰবীন্দ্ৰনাথৰ যোগ্য উত্তৰসূৰীৰূপে তাৰাশংকৰ বন্দ্যোপাধ্যায়ক জনা যায়।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ প্ৰ-পিতামহৰ নাম আছিল ৰামচন্দ্ৰ বন্দ্যোপাধ্যায়। ৰামচন্দ্ৰ বন্দ্যোপাধ্যায় এগৰাকী জমিদাৰ হোৱাৰ উপৰি সাত্তিক ব্ৰাহ্মণৰূপে সমাজত পৰিচিত আছিল। তেখেতৰ স্ত্ৰীৰ নাম আছিল উমাময়ী দেৱী। ৰামচন্দ্ৰ বন্দ্যোপাধ্যায় আৰু উমাময়ী দেৱী তিনি সন্তানৰ পিতৃ-মাতৃ হোৱাৰ গৌৰৱৰ অধিকাৰী হৈছিল। সেই তিনি সন্তানৰ নাম একাদিক্ৰমে— কন্যা তাৰাসুন্দৰী, বৰপুত্ৰ ৰামদয়াল আৰু সৰুপুত্ৰ দীনদয়াল বন্দ্যোপাধ্যায়। ৰামদয়াল বন্দ্যোপাধ্যায় তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ পিতামহ। এইগৰাকী পিতামহ ৰামদয়াল বন্দ্যোপাধ্যায়ে জীৱনত তিনিগৰাকী নাৰীৰ পানি গ্ৰহণ কৰিছিল। তেখেতৰ প্ৰথম দুগৰাকী পত্নী নিঃসন্তান হোৱা বাবে তৃতীয়বাৰৰ বাবে কুমুদ কামিনী দেৱীৰ সৈতে বিবাহপাশত আবদ্ধ হয়। এইগৰাকী পত্নীয়ে ৰামদয়াল বন্দ্যোপাধ্যায়ক সন্তানৰ মুখ দেখুৱাবলৈ সক্ষম হয়। এইগৰাকী পত্নীৰ গৰ্ভত এটা এটাকৈ ছয়টা সন্তানে থিতাপি লয়। তেখেতে ক্ৰমে পাঁচটি কন্যা সন্তান আৰু এটা পুত্ৰ সন্তানৰ জননী হোৱাৰ লগতে স্বামীকো পিতৃত্বৰ গৌৰৱেৰে

গৌৰৱান্বিত কৰে। এই পাঁচগৰাকী কন্যা সন্তানৰ নাম হৈছে একাদিক্ৰমে— চিন্ময়ী দেৱী, কমলা দেৱী, শৈলজা দেৱী, হিমাংগিনী দেৱী আৰু ইন্দুমতী দেৱী। তিনি কন্যা সন্তানৰ জন্মৰ পাছতে পৃথিৱীৰ পোহৰ দেখা তেওঁলোকৰ একমাত্ৰ পুত্ৰ সন্তানটি হৈছে হৰিদাস বন্দ্যোপাধ্যায়। হৰিদাস বন্দ্যোপাধ্যায় প্ৰথিতযশা সাহিত্যিক তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ পিতৃ।

হৰিদাস বন্দ্যোপাধ্যায়েও জীৱনত দুগৰাকী নাৰীক স্ত্ৰীৰ মৰ্যাদা প্ৰদান কৰিছিল। প্ৰথমগৰাকী পত্নী সতীয়ে সন্তান জন্ম দিয়াৰ ক্ষেত্ৰত অক্ষম আছিল বাবে প্ৰভাৱতী দেৱীৰ সৈতে দ্বিতীয়বাৰৰ বাবে বিবাহপাশত আবদ্ধ হয়। প্ৰথমা পত্নীয়ে হৰিদাস বন্দ্যোপাধ্যায়ক বাৰম্বাৰ অনুৰোধ কৰাৰ পাছতহে তেখেতে দ্বিতীয় বিবাহত সন্মতি প্ৰদান কৰে। দ্বিতীয় পত্নীৰ সন্তান জন্ম দিয়াৰ কামনাৰে বিভিন্ন পূজা-পাতল, যাগ-যজ্ঞ আদি অনুষ্ঠিত কৰে। কিন্তু নিৰ্দিষ্ট সময়ত প্ৰভাৱতী দেৱীয়ে এটি মৃত সন্তান প্ৰসৱ কৰে। এই ঘটনাই হৰিদাস বন্দ্যোপাধ্যায়ক অতিকৈ মৰ্মাহত কৰে। সন্তান এটি পায়ো হেৰুওৱাৰ বেদনাত তেখেতে বেদনাত ভাৰাক্ৰান্ত হৈ পৰে। কিন্তু সময়ৰ লগে লগে প্ৰভাৱতী দেৱী পুনৰবাৰ গৰ্ভৱতী হয়। এইবাৰো এটি সন্তান প্ৰাপ্তিৰ আশাত যথেষ্ট পূজা-অৰ্চনা অনুষ্ঠিত কৰে। যথাসময়ত প্ৰভাৱতী দেৱীৰ গৰ্ভত থিত হৈ এটি সুস্থ সবল সন্তানে জন্মলাভ কৰে। জমিদাৰী বংশৰ উত্তৰাধিকাৰীৰূপে জন্ম পোৱা এইটি সন্তানেই পাছলৈ বাংলা কথাসাহিত্যৰ ইতিহাসত এটি যুগৰ সূচনা কৰিবলৈ সক্ষম হোৱা বিশিষ্ট কথাসাহিত্যিক তাৰাশংকৰ বন্দ্যোপাধ্যায়। জন্মৰ পাছতে 'হাবু' নামেৰে সকলোৰে মাতিবলৈ লৈছিল পাছলৈ যেনিবা নামকৰণ কৰি তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰূপে জনাজাত হয়। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ জন্মৰ পাছত মাতৃ প্ৰভাৱতী দেৱী আৰু দুটি পুত্ৰ সন্তান আৰু এটি কন্যা সন্তানৰ মাতৃ হয়। তাৰাশংকৰ সেই দুই ভ্ৰাতৃ ক্ৰমে দুৰ্গাশংকৰ বন্দ্যোপাধ্যায়, পাৰ্বতীশংকৰ বন্দ্যোপাধ্যায় আৰু একমাত্ৰ ভগ্নীৰ নাম হৈছে কমলা দেৱী।

## ২.০২ শিক্ষা জীৱন ঃ

তাৰাশংকৰ বন্দ্যোপাধ্যায়ে লাভপুৰৰ প্ৰাথমিক বিদ্যালয়ত **১৯০৪** খ্ৰীষ্টাব্দত শিক্ষাগ্ৰহণৰ বাবে আনুষ্ঠানিকভাৱে নাম ভৰ্তি কৰে আৰু শিক্ষাজীৱনৰ সূচনা কৰে। আনুষ্ঠানিক শিক্ষাগ্ৰহণৰ

আৰম্ভণিৰ পাছৰ বছৰতে অৰ্থাৎ **১৯০৫** খ্ৰীষ্টাব্দত তেখেতৰ জীৱনলৈ হঠাৎ এছাটি ধুমুহাৰ আগমন হয়। কিয়নো সেইখিনি সময়তে তেখেতৰ পিতৃৰ অকাল বিয়োগ হয়। পিতৃৰ মৃত্যুৰ সময়ত তাৰাশংকৰৰ বয়স আছিল মাথোঁ সাত বছৰ। পিতৃ বিয়োগৰ পাছত তাৰাশংকৰ বন্দ্যোপাধ্যায় শৈলজা দেৱীৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয়।

প্ৰাথমিক শিক্ষা সমাপ্ত কৰাৰ পাছত তাৰাশংকৰ বন্দ্যোপাধ্যায়ক **১৯০৯** খ্ৰীষ্টাব্দত লাভপুৰৰ যাদৱলাল উচ্চ ইংৰাজী বিদ্যালয়ত নামভৰ্তি কৰাই দিয়া হয়। এইখন বিদ্যালয়ৰ পৰাই তেখেতে প্ৰথম বিভাগসহ **১৯১৬** খ্ৰীষ্টাব্দত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। সফলতাৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেখেতে সেই একে বছৰতে উচ্চশিক্ষা লাভৰ বাবে কলকাতাৰ ছেইণ্ট জেভিয়াৰ্ছ কলেজত নামভৰ্তি কৰে। ছেইণ্ট জেভিয়াৰ্ছ কলেজৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেখেতে বৰ্তমানৰ আশুতোষ কলেজত পৰৱৰ্তী পৰ্যায়ৰ শিক্ষালাভৰ বাবে ভৰ্তি হয়। কিন্তু দুৰ্ভাগ্যবশতঃ বিভিন্ন কাৰণত তেখেতৰ উচ্চশিক্ষা লাভৰ সপোন আধৰুৱা হৈ ৰয়। বিভিন্ন সামাজিক দিশত আগৰণুৱা হৈ থকাৰ লগতে শাৰীৰিক অসুস্থতাৰ হেতু তেখেতৰ শিক্ষাজীৱন অসমাপ্ত হৈ ৰয়।

**২.০৩ কৰ্মজীৱন তথা সামাজিক জীৱন ঃ**

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ প্ৰতিভাই বাংলা কথাসাহিত্যৰ লগতে ভাৰতীয় তথা বিশ্ব কথা সাহিত্যক উজলাই তুলিছিল। তেখেতে এক নিৰ্দিষ্ট গণ্ডীৰ মাজত থাকি জীৱনক জুখিব খোজা নাছিল। তেখেতৰ জীৱন দৰ্শন অন্যান্য ব্যক্তিৰ দৰে নাছিল। সাহিত্যৰ মাজেৰে তেখেতৰ বৰ্ণময় প্ৰতিভাই বিশ্ববাসীৰ আগত পৰিচিত কৰি তোলাৰ সময়ত তেখেতে সক্ৰিয়ভাৱে ৰাজনীতিত নামি পৰিছিল। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মীৰূপে তেখেতে যথেষ্ট যুঁজ দিছিল। যাৰ বাবে তেখেতে কাৰাবাসপৰ্যন্ত খাটিবলগীয়া হৈছিল। আইন অমান্য আন্দোলনকে আদি কৰি বিভিন্ন ধৰণে সক্ৰিয় হৈ দেশখনৰ স্বাৰ্থৰ হকে বিভিন্ন ধৰণৰ কাৰ্যসূচী হাতত লৈছিল। কলেজীয়া অৱস্থাৰে পৰা তেখেতে ছাত্ৰ আন্দোলনত যুক্ত হৈ গুৰুতৰভাৱে বিভিন্ন কাৰ্যসূচীত আগভাগ লৈছিল। যাৰ ফলত তেখেতে সেই ধাৰাবাহিকতা ৰক্ষা কৰিয়েই পৰৱৰ্তী সময়ত তেখেতে দেশখনৰ স্বাৰ্থৰ বাবে এবছৰকাল

জেলত অতিবাহিত কৰিছিল।

কাৰাবাসৰ অন্তত তেখেতে কিছুকাল কেৱল নিজৰ মাজতে সীমাবদ্ধ হৈ আছিল। সেইখিনি সময়ত তাৰাশংকৰ বন্দ্যোপাধ্যায়ে নিৰলসভাৱে একাণপতীয়াকৈ কেৱল সাহিত্যচৰ্চাতে মনোনিৱেশ কৰিছিল। মন-প্ৰাণ ঢালি নিজক কেৱল সাহিত্যৰ ক্ষেত্ৰখনতে উচৰ্গা কৰিছিল।

যিহেতুকে তাৰাশংকৰ বন্দ্যোপাধ্যায় এগৰাকী সঁচা অৰ্থত প্ৰকৃত দেশপ্ৰেমিক আছিল সেয়েহে তেখেতে দেহে-কেহে দেশৰ বাবে খাটিছিল। সামাজিক স্বাৰ্থক তেখেতে সদায়ে বেছিকৈ অগ্ৰাধিকাৰ দিছিল। তাৰ এক জ্বলন্ত নিদৰ্শন হৈছে ক্ৰমাগতভাৱে স্বাধীনতা আন্দোলনত যোগ দিয়া বাবে তেখেতে বিশ্ববিদ্যালয়ৰ শিক্ষা শেষ নকৰাকৈয়ে শিক্ষা জীৱন জলাঞ্জলি দিয়াটো। ইয়াতেই তেখেতৰ আদৰ্শবাদী দেশপ্ৰেমৰ স্বৰূপ প্ৰকাশি উঠিছে।

দেশবাসীৰ চিন্তাৰ হকে মংগলৰ হকে নিজকে বিলীন কৰি দিয়াৰ লগতে প্ৰত্যক্ষভাৱে তেখেতে ৰাজনৈতিক জীৱনৰ সৈতে সাঙোৰ খাই পৰিছিল।

ইউনিয়ন ব'ৰ্ডৰ সভাপতি নিৰ্বাচিতহোৱাৰ পাছত তেখেতে সামাজিক দিশত যথেষ্ট আগৰণুৱা হৈ দায়বদ্ধতাৰে নিজস্ব কৰ্তব্য পালন কৰিছিল। **১৯৫২** খ্ৰীষ্টাব্দত তেখেত প্ৰথমবাৰৰ বাবে পশ্চিমবংগ বিধানসভাৰ সদস্যৰূপে নিৰ্বাচিত হয়। নিষ্ঠা আৰু দায়বদ্ধতাৰে কৰ্তব্য পালনৰ হেতু একেৰাহে আঠ বছৰকাল অৰ্থাৎ **১৯৫২** খ্ৰীষ্টাব্দৰ পৰা **১৯৬০** খ্ৰীষ্টাব্দলৈ বিধানসভাৰ সদস্যপদৰ গুৰুত্বপূৰ্ণ আসনত অধিষ্ঠিত হৈ থাকে।[১১] নিজস্ব দায়িত্বৰ প্ৰতি অত্যাধিক সচেতন তাৰাশংকৰ বন্দ্যোপাধ্যায়ে ৰাজনীতিৰ সমানে সমানে সাহিত্য সাধনাৰ দিশটোও আগুৱাই লৈ গৈছিল। তেখেতৰ একাগ্ৰতা আৰু নিষ্ঠাৰ বাবে **১৯৬০** খ্ৰীষ্টাব্দৰ পৰা **১৯৬৬** খ্ৰীষ্টাব্দলৈ পশ্চিমবংগ ৰাজ্যসভাৰ সদস্যৰ আসনত অধিষ্ঠিত হোৱাৰ সুযোগ লাভ কৰিছিল। এগৰাকী সক্ৰিয় ৰাজনীতিকৰূপে তেখেতে পশ্চিমবংগৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। সাহিত্য সাধনা আৰু ৰাজনীতি দুয়োটা দিশেই তেখেতৰ জীৱনৰ কোঁহে কোঁহে সোমাই আছিল। সাহিত্যৰ মাজেৰেও তেখেতে সমাজৰ হকে মাত মাতিছিল আৰু ৰাজনীতিৰ জৰিয়তে তেখেতে বিভিন্ন জনকল্যাণমূলক কাৰ্যসূচী হাতত লৈছিল। এগৰাকী সাহিত্যিকৰূপে তেখেত বিশ্ব সাহিত্যত সুপৰিচিত যদিও তেখেতৰ দ্বিতীয় পৰিচয় হৈছে

সক্ৰিয় ৰাজনৈতিক নেতাৰূপে। এই দুয়োটা দিশৰ মাজতে তেখেতৰ কৰ্মজীৱনে পৰিপূৰ্ণতা পাইছিল। সমাজৰ সাধাৰণ শ্ৰেণীৰ জনগণৰ হকে তেখেতে মনৰ মাজত অহৰহ এক চিন্তন অনুভূত কৰিছিল, যাৰ প্ৰকাশ ঘটিছে তেখেতৰ সাহিত্যকৰ্ম আৰু ৰাজনৈতিক চিন্তা-চেতনাৰ সৈতে জড়িত বিবিধ কৰ্মৰাজিৰ মাজেৰে।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰাজনৈতিক জীৱনৰ এগৰাকী অন্যতম পথ প্ৰদৰ্শক আছিল নলিনী বাগ্‌চী। কৰ্মজীৱনত এইদৰে ৰাজনীতি আৰু সাহিত্য ক্ষেত্ৰখনৰ সৈতে জড়িত হৈ থকাৰ মাজতে তেখেতে কিছুকাল কাণপুৰত চাকৰি কৰে।

**২.০৪ সাংসাৰিক জীৱন**

বিবিধ কৰ্মব্যস্ততাৰ মাজতো প্ৰতিজন লোকেই সংসাৰৰ চিৰাচৰিত ৰীতিৰে বান্ধ খাই পৰে। তাৰাশংকৰ বন্দ্যোপাধ্যায়েও এই নিয়মৰ বশৱৰ্তী হৈ সাংসাৰিক জীৱনক আঁকোৱালি লয়। শৈক্ষিক জীৱনৰ পৰিসমাপ্তি নকৰাকৈয়ে তেখেতে সাংসাৰিক জীৱনৰ আওঁতাত সোমাই পৰে।

**১৯১৬** খ্ৰীষ্টাব্দত তেখেতে উমাশশী দেৱীৰ সৈতে সাংসাৰিক বান্ধোনত আবদ্ধ হয়। **১৯১৮** খ্ৰীষ্টাব্দত তেখেতলোকৰ সংসাৰলৈ প্ৰথমটি সন্তানৰ আগমন ঘটে। পিতৃত্বৰ গৌৰৱেৰে গৌৰৱান্বিত হৈ তেখেতে অত্যাধিক সুখী অনুভৱ কৰে। তেখেতসকলৰ বৈবাহিক জীৱনৰ প্ৰথমগৰাকী সন্তানৰ নাম হৈছে সনতকুমাৰ বন্দ্যোপাধ্যায়। সনতকুমাৰ বন্দ্যোপাধ্যায়ৰ পাছতে তেওঁলোকৰ জীৱনলৈ আহে দ্বিতীয়টো সন্তান। যিগৰাকীৰ জন্ম হয় **১৯২২** খ্ৰীষ্টাব্দত আৰু তেখেত পৰিচিত হয় সৰিৎকুমাৰ বন্দ্যোপাধ্যায়ৰূপে। দুজনকৈ পুত্ৰ সন্তান জন্ম দিয়াৰ পাছত তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ আৰু উমাশশী দেৱীৰ জীৱনলৈ **১৯২৪** খ্ৰীষ্টাব্দত প্ৰথমগৰাকী কন্যা সন্তানৰ আগমন ঘটে। কন্যা সন্তানগৰাকীৰ নাম ৰখা হয় গংগা। গংগাৰ জন্মৰ পাছত তেওঁলোকে আন এটি সন্তানৰ পিতৃ-মাতৃ হোৱাৰ কৃতিত্ব অৰ্জন কৰে **১৯২৬** খ্ৰীষ্টাব্দত। কিন্তু অতি দুৰ্ভাগ্যজনক কথা এয়ে যে **১৯৩২** খ্ৰীষ্টাব্দত বুলু দেৱী নামে দ্বিতীয়গৰাকী কন্যা সন্তানে অকাল মৃত্যুক সাবটি ল'বলগা হয়। ছবছৰীয়া কন্যা সন্তানৰ মৃত্যুৱে তাৰাশংকৰ বন্দ্যোপাধ্যায় আৰু তেখেতৰ পত্নীক অতিশয় মৰ্মাহত কৰি তোলে। কিন্তু সেই একে বছৰতে

তেওঁলোকৰ জীৱনলৈ বাণী নামে কনিষ্ঠা কন্যাগৰাকীৰ আগমন ঘটে। যিয়ে তেখেতসকলক কিছু পৰিমাণে হ'লেও দ্বিতীয়া কন্যা বুলুৰ শোক পাতলাবলৈ সক্ষম হয়।

পিতৃৰ সাহিত্যিক পৰিমণ্ডলৰ মাজত ডাঙৰ-দীঘল হোৱা বাবে কনিষ্ঠা কন্যা বাণী ৰায়ে সাহিত্য ক্ষেত্ৰখনৰ প্ৰতি যথেষ্ট আকৰ্ষিত হৈছিল। যাৰ প্ৰভাৱ পৰৱৰ্তী সময়ত বাণী ৰায়ৰ জীৱনতো পৰিছিল। তেনে প্ৰভাৱৰ বাবেই তেখেতে নিজৰ জীৱনতো সাহিত্যচৰ্চাৰ ক্ষেত্ৰখনত জড়িত হৈ পৰিছিল।

**২.০৫ সাহিত্যকৃতি ঃ**

সাহিত্যৰ মাজেৰে জীৱনৰ অন্বেষণ কৰা তাৰাশংকৰ বন্দ্যোপাধ্যায় আছিল বহুমুখী সাহিত্যিক প্ৰতিভাৰ আকৰ। কেৱল গল্প, উপন্যাস বুলিয়ে নহয়, সাহিত্যৰ আটাইবোৰ ক্ষেত্ৰকে তেখেতৰ সৃষ্টিৰ উত্তাপেৰে উত্তাপিত কৰি গৈছে। যাৰ বাবে জীৱনকালতেই তাৰাশংকৰ বন্দ্যোপাধ্যায় কেৱল বাংলা সাহিত্যৰ জগততেই নহয়, সমগ্ৰ ভাৰতীয় কথাসাহিত্যৰ ইতিহাসত কিম্বদন্তীত পৰিণত হৈছিল। সাহিত্য ৰচনাৰ মাজেৰে তেখেতে সমাজৰ সেৱা কৰাৰ মানসিকতাৰে নিজকে বিলীন কৰিব বিচাৰিছিল। যাৰ বাবে তেখেতৰ সাহিত্যিক জীৱন বৈচিত্ৰ্যৰে ভৰি পৰিছিল।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰচিত প্ৰথম গল্পটিৰ নাম হৈছে 'ৰসকলি'। এই গল্পটি সেই সময়ৰ বাংলা সাহিত্য জগতৰ বিখ্যাত মাহেকীয়া পত্ৰিকা 'কল্লোল'ত[১২] প্ৰকাশিত হয়। **১৯৩৯** খ্ৰীষ্টাব্দত প্ৰকাশিত সেই গল্পটিৰ পাছৰে পৰাই তাৰাশংকৰ বন্দ্যোপাধ্যায়ে নিৰবিছিন্নভাৱে অৰ্থাৎ **১৯৪০** খ্ৰীষ্টাব্দৰ পৰা কেৱল সাহিত্যচৰ্চাৰ ক্ষেত্ৰখনত নিজকে মনোনিৱেশ কৰে।

**চুটিগল্প সংকলন ঃ** গল্প ৰচনাৰে সাহিত্যিক জীৱনৰ শুভাৰম্ভ ঘটোৱা তাৰাশংকৰ বন্দ্যোপাধ্যায়ে তেখেতৰ সাহিত্যিক জীৱনত ভালেসংখ্যক চুটিগল্প ৰচনা কৰিছিল। সেইসমূহ চুটিগল্পক সংকলন আকাৰে প্ৰকাশ কৰি উলিওৱা হৈছিল। পঞ্চাশখনতকৈও অধিক চুটিগল্প সংকলন প্ৰকাশ কৰি তাৰাশংকৰ বন্দ্যোপাধ্যায়ে বাংলা গল্প সাহিত্যৰ ক্ষেত্ৰখনত এক অদ্বিতীয় আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। প্ৰকৃততে তেখেতে বাংলা কথা সাহিত্যত এখন

সুকীয়া সাম্ৰাজ্যৰ সূচনা কৰিবলৈ সক্ষম হৈছিল।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ গল্পসমূহৰ মাজেৰে বিবিধ বিষয়বস্তুৰ প্ৰতিফলন ঘটিছে। প্ৰতিটো দিশেই অতি সূক্ষ্মাতিসূক্ষ্ম ৰূপত গল্পৰ মাজেৰে সাৰ্বজনীন আবেদন লাভ কৰিবলৈ সক্ষম হৈছিল। যাৰ বাবে তেখেতৰ প্ৰতিটো গল্পই পাঠকৰ পৰা বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। মাটি আৰু মানুহৰ সম্পৰ্কৰে জীৱনৰ অন্বেষণ কৰা তাৰাশংকৰ বন্দ্যোপাধ্যায়ে তেখেতৰ গল্পসমূহৰ মাজেৰে ৰাঢ় অঞ্চলৰ ব্যক্তিৰ জীৱনধাৰাৰ মানৱীয় মহত্বক প্ৰকাশ কৰি তুলিছে। এইসমূহ চুটিগল্প সেই সময়ৰ বিখ্যাত পত্ৰিকা যেন— বস্তুশ্ৰী, শনিবারের চিঠি, প্ৰবাসী, পরিচয় ইত্যাদিত প্ৰকাশ হৈছিল।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ চুটিগল্প সংকলনসমূহ— ছলনাময়ী, জলসা দার, রসকলি, তিন শূন্য, প্ৰতিধ্বনি, বেদেনী, দিল্লী কা লাড্ডু, জাদুকরী, স্থলপদ্ম, তেরশো পঞ্চাশ, প্ৰসাদমালা, হারানো সুর, ইমারত, রামধনু, শ্ৰী পঞ্চমী, কামধেনু, মাটি, শিলাসন, স্ব-নির্বাচিত গল্প, গল্প সঞ্চায়ন, বিস্ফোরণ, কালান্তর, একটি প্ৰেমের গল্প, কিশোর সঞ্চায়ন, নারী রহস্যময়ী, পঞ্চকন্যা, শিবানীর অদৃষ্ট, গবিন সিংহের ঘর, জয়া, এক পশলা বৃষ্টি, মিছিল, উনশিশো একাত্তর।

**উপন্যাস ঃ** গল্প ৰচনাৰে বাংলা সাহিত্য জগতত নিজৰ বাবে এখন সুকীয়া আসন প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হোৱা তাৰাশংকৰ বন্দ্যোপাধ্যায়ে তেখেতৰ জীৱনকালত প্ৰায় ষাঠিখনতকৈও অধিক উপন্যাস ৰচনা কৰি বাংলা সাহিত্য জগতত এক নতুন ইতিহাস ৰচনা কৰিবলৈ সক্ষম হৈছিল। প্ৰচলিত উপন্যাসৰ ধাৰাৰ পৰা ফালৰি কাটি নতুন ধাৰাৰে ৰচনাৰ ক্ষেত্ৰত এক বিপ্লৱৰ সূচনা কৰা তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসৰ বিষয় বিচিত্ৰ। গ্ৰাম্য জীৱনধাৰাৰ সজীৱ চিত্ৰায়নৰ উপৰি সমাজ, অৰ্থনীতি, ৰাজনীতি, দেশপ্ৰেম, মানৱীয় প্ৰেম ইত্যাদি বিভিন্ন দিশ তেখেতৰ উপন্যাসৰ বিষয়বস্তুৰে সামৰি লোৱা পৰিলক্ষিত হয়। এই আটাইবোৰ বিষয়ৰ সুস্পষ্ট মানৱীয় আবেদন তেখেতৰ উপন্যাসৰাজিৰ মাজত বিচাৰি পোৱা যায়।

এইসমূহ উপন্যাসৰ উপৰি তেখেতে শিশুসকলৰ বাবেও সাহিত্যিক বৰঙণি আগবঢ়াই যোৱাৰ মানস কৰিছিল। সেইবাবেই তেখেতে 'কিষ্কিন্ধ্যাকাণ্ড' নামে **১৯৭২** খ্ৰীষ্টাব্দত শিশু উপযোগী উপন্যাস এখন ৰচনা কৰিছিল।

প্ৰায় ষাঠিখনতকৈও অধিক উপন্যাস ৰচনা কৰি শৰৎচন্দ্ৰৰ পৰৱৰ্তী বাংলা কথা সাহিত্যক এখন সুকীয়া আসনত প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হোৱা তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ কেইখনমান অন্যতম জনপ্ৰিয় উপন্যাস হৈছে— *হাসুলী বাকের উপকথা, নাগিনী কন্যার কাহিনী, আরোগ্য নিকেতন, গণদেৱতা, কবি, পঞ্চগ্ৰাম, ধাত্ৰীদেবতা, কালিন্দী* ইত্যাদি। ষাঠিখন উপন্যাস ৰচনা নকৰিলেও কেৱল এইকেইখন উপন্যাসেৰেই তেখেত বাংলা কথাসাহিত্যতে নহয়, ভাৰতীয় তথা বিশ্ব কথাসাহিত্যৰ ইতিহাসত নিজকে চিৰকাল অমৰ কৰি ৰাখিব পাৰিলেহেঁতেন। কিন্তু সাহিত্য সাধনাকেই জীৱনৰ ব্ৰত হিচাপে লোৱা তাৰাশংকৰ বন্দ্যোপাধ্যায়ে সাধাৰণ জনতাৰ জীৱনৰ সূক্ষ্মাতিসূক্ষ্ম অনুভূতিবোৰক ইমান প্ৰবলভাৱে ৰচনাৰ মাজত তুলি ধৰিবলৈ চেষ্টা কৰিছিল যে সেইবোৰে একো একোখন সমাজৰ দলিলৰূপে পাঠকৰ সন্মুখত প্ৰতিভাত হৈ পৰে।

তাৰাশংকৰ বন্দ্যোপাধ্যায় জীৱনত তিনিগৰাকী ব্যক্তিৰ দ্বাৰা অনুপ্ৰাণিত তথা উৎসাহিত হৈ পৰিছিল যাৰ বাবে তেখেতৰ সাহিত্যিক জীৱন মহিমামণ্ডিত হৈ পৰিছিল। সেই তিনিগৰাকী ব্যক্তিৰ অনুপ্ৰেৰণা অবিহনে তেখেতে হয়তো জীৱনত ইমানদূৰ কৃতকাৰ্য হ'ব নোৱাৰিলেহেঁতেন। সাহিত্যিক জীৱনৰ প্ৰাৰম্ভৰ কালছোৱাত তেখেতে আশীষ লাভ কৰা এই ব্যক্তি তিনিগৰাকী হৈছে ক্ৰমে সম্পাদক সজনীকান্ত দাস, সমালোচক মোহিতলাল মজুমদাৰ আৰু শেষত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ। ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৈতে তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ প্ৰথম সাক্ষাৎ হৈছিল তাৰাশংকৰৰ কন্যা বুলুৰ মৃত্যুৰ ঠিক পাছতেই। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰচনাই কবিগুৰুক যথেষ্ট আকৃষ্ট কৰিছিল। ৰবীন্দ্ৰনাথ ঠাকুৰৰ অজস্ৰ প্ৰশংসামূলক বক্তব্যই তেখেতক যথেষ্ট পৰিমাণে অভিভূত তথা উৎসাহিত কৰি তুলিছিল। তেনে উৎসাহৰ পৰিণতিতে তেখেতে ব্যাপক অভিজ্ঞতাসমৃদ্ধ ৰচনাৰে বাংলা সাহিত্যক সমগ্ৰ ভাৰতীয় সাহিত্যতে এক ওখ আসনত প্ৰতিষ্ঠা কৰাবলৈ সক্ষম হৈছিল।

**২.০৬ সন্মান ঃ**

বাংলা তথা ভাৰতীয় কথাসাহিত্যৰ ইতিহাসত সুন্দৰ নেতৃত্ব বহন কৰা অবিসম্বাদিত সাহিত্যিকগৰাকী ভিন ভিন সময়ত ভিন ভিন বঁটাৰে সন্মানিত হৈছিল। তেনে সন্মানীয় বঁটাসমূহে তেখেতৰ সাহিত্য সৃষ্টিত অনুপ্ৰেৰণা যোগাইছিল।

পশ্চিমবংগ চৰকাৰৰ পৰা তেখেতে **১৯৫৫** খ্ৰীষ্টাব্দত ৰবীন্দ্ৰ পুৰস্কাৰেৰে বিভূষিত হয়।[১৩] **১৯৫৯** খ্ৰীষ্টাব্দত তেখেতে কলকাতা বিশ্ববিদ্যালয়ৰ পৰা জগত্তাৰিণী সোণৰ পদক লাভ কৰে। **১৯৬৯** খ্ৰীষ্টাব্দত তেখেতে ভাৰতীয় সাহিত্যৰ সন্মানীয় জ্ঞানপীঠ বঁটা লাভ কৰে।[১৪] একেটা বৰ্ষতে তেখেতে পদ্মবিভূষণ আৰু যাদৱপুৰ বিশ্ববিদ্যালয়ৰ পৰা ডি লিট্ উপাধি লাভ কৰে। **১৯৬৯** খ্ৰীষ্টাব্দতেই তেখেতে সাহিত্য অকাডেমীৰ পৰা ফেল'শ্বিপ লাভ কৰে লগতে **১৯৭১** খ্ৰীষ্টাব্দত বংগীয় সাহিত্য পৰিষদৰ সভাপতি হৈ কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাতেই মৃত্যুৰ কোলাত ঢলি পৰে।

**পাদটীকা ঃ**

১. মোৰ সৰুমণি খুৰা; দধিমোহন বৰা, ভুবন চন্দ্ৰ কলিতা (সম্পা.)ঃ *মানৱ বিকাশ সমাজ*, পৃ. ১৮০

২. বৰা, লক্ষ্মীনন্দন ঃ *কাল বলুকাত খোজ*, পৃ. ১১

৩. উল্লিখিত গ্ৰন্থ, পৃ. ৩৪৩

৪. বৰা, মাধুৰী ঃ *ঘৰৰ মানুহজন*, নন্দনজ্যোতি, পৃ. ১৭৫

৫. ব্যক্তিগত প্ৰচেষ্টাত গঢ় লৈ উঠা এক সাহিত্যিক সংগঠন। কেইবাগৰাকীও উচ্চ পৰ্যায়ৰ সাহিত্য চৰ্চাৰ সৈতে জড়িত ব্যক্তিৰ বৈঠকৰ অন্যতম কেন্দ্ৰ আছিল 'সাহিত্যসেৱী চ'ৰা'। বিভিন্ন ধৰণৰ সাহিত্য প্ৰতিযোগিতাও ইয়াত অনুষ্ঠিত হৈছিল।

৬. বিভিন্ন সভা-সমিতিত যোগদান কৰি লাভ কৰা নতুন নতুন অভিজ্ঞতাবোৰে তেখেতক সৃষ্টিৰ বাবে উৎসাহিত কৰিছিল।

৭. ছাত্ৰ জীৱনতে লিখা তেখেতৰ প্ৰথম গল্পটি ১৯৫৪ চনৰ ডিচেম্বৰ সংখ্যাৰ 'ৰামধেনু' আলোচনীত প্ৰকাশ পাইছিল।

৮. বৰা, লক্ষ্মীনন্দন ঃ *কাল বলুকাত খোজ*, পৃ. ১৪৫

৯. ১৯৬২ চনত প্ৰকাশিত এইখনেই লক্ষ্মীনন্দন বৰাৰ প্ৰথম উপন্যাস। উৎস-সাক্ষাৎকাৰ।

১০. সংবিধান স্বীকৃত প্ৰায় আটাইকেইটা ভাষালৈ এইখন উপন্যাস অনূদিত হোৱাটো অসমীয়া সাহিত্যৰ বাবে গৌৰৱৰ বিষয়। এনে কৃতিত্বৰ অধিকাৰী হ'ব পৰা তেখেতেই হয়তো প্ৰথমগৰাকী অসমীয়া সাহিত্যিক।

১১. ৰাজনীতিৰ স'তে প্ৰত্যক্ষভাৱে জড়িত তাৰাংশংকৰ বন্দ্যোপাধ্যায়ে বিধানসভাত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল।

১২. দীনেশৰঞ্জন দাস আৰু গকুলচন্দ্ৰ নাগৰ প্ৰচেষ্টাত ১৯২৩ খ্ৰীষ্টাব্দত জন্ম লাভ কৰা ‘কল্লোল’ আলোচনীখনে বাংলা সাহিত্যিক ক্ষেত্ৰখনত এক নতুন দিগন্তৰ সূচনা কৰে। প্ৰায় বাৰ বছৰকাল বৰ্তি থকা এইখন আলোচনীয়ে ভালেসংখ্যক সাহিত্য সাধনাৰ স'তে জড়িত ব্যক্তিক প্ৰতিষ্ঠিত কৰে।

১৩. পশ্চিমবংগ চৰকাৰৰ দ্বাৰা আগবঢ়োৱা সৰ্বোত্তম সাহিত্যিক স্বীকৃতি। ১৯৫০ খ্ৰীষ্টাব্দৰ পৰা এই বঁটা আগবঢ়াই অহা হৈছে। বৰেণ্য সাহিত্যিক ৰবীন্দ্ৰনাথ ঠাকুৰৰ নামেৰে নামাকৰণ কৰা এই বটা সৃষ্টিমূলক ক্ষেত্ৰখনতহে প্ৰদান কৰা হয়।

১৪. ১৯৬১ খ্ৰীষ্টাব্দৰ পৰা সাহিত্যিক ক্ষেত্ৰত আগবঢ়োৱা অতুলনীয় অৱদানৰ বাবে ভাৰতৰ খ্যাতনামা সাহিত্যিকসকলক এই বঁটা আগবঢ়াই অহা হৈছে। হিন্দী, কানাড়া, বাংলা, মালয়ালম, গুজৰাটী, মাৰাঠী, উৰিয়া, উৰ্দু, তেলেগু, অসমীয়া, পাঞ্জাৱী, তামিল, ইংৰাজী, কাশ্মিৰী, কোনাৰ্কী আৰু সংস্কৃত-এইকেইটা ভাষাত ৰচিত সৰ্বোত্তম সাহিত্যিকহে জ্ঞাঁনপীঠ বটা আগবঢ়োৱা হয়।

# দ্বিতীয় অধ্যায়
# লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ বিষয়বস্তু

**২.০১ গঙা চিলনীৰ পাখি উপন্যাসৰ বিষয়বস্তু ঃ**

নগাঁও জিলাৰ সোণাই নৈৰ পাৰৰ গ্ৰাম্য জীৱনৰ থলুৱা ৰীতি-নীতি; বৈষ্ণৱ বিনয়, মানুহৰ সংস্কৃতি জীৱনবোধ, প্ৰাচীন প্ৰমূল্যৰ স'তে কেনেকৈ নৈখনে মানুহক বোঁৱতী পানীৰ প্ৰবাহমান জীৱনৰ বৰ্ণনা কৰি আছে তাৰ-সুষম প্ৰকাশ ঘটিছে লক্ষ্মীনন্দন বৰাৰ *গঙা চিলনীৰ পাখি*ত উপন্যাসত। প্ৰাচীন কালৰেপৰা সোণাইপৰীয়া মানুহৰ মাজত গঢ় লৈ উঠা মানৱীয় ৰীতি-নীতি, অহিংসা, গণতান্ত্ৰিক প্ৰমূল্য, ইয়াৰ চৌপাশৰ বিবিধ জনগোষ্ঠীৰ পৰম্পৰাগত ঐতিহ্য-স্বাভিমানক সোণাই নৈয়ে যেন বহন কৰি আহিছে। বৰাৰ সৃষ্টিশীল মনৰ মাজত উপন্যাসখনে সোণাই পৰীয়া মানুহৰ অৰ্থাৎ অসমীয়া সমাজখনৰ দৈনন্দিন জীৱন প্ৰবাহক অংকন কৰিব যাওঁতে বিচিত্ৰ-ঘটনা প্ৰবাহে উপন্যাসখনক ৰসোত্তীৰ্ণ কৰি তুলিছে। মন কৰিবলগীয়া যে, ঔপন্যাসিক বৰাৰ জনমভূমি 'কুঁজীদাহ' অৰ্থাৎ সোণাই নৈৰ পাৰত হোৱাৰ বাবে তেওঁৰ কলমত ওলোৱা শব্দ-বাক্যসম্ভাৰৰ গভীৰতাই বাস্তৱ ৰূপ পৰিগ্ৰহ কৰিছে। তেওঁ সৰুৰেপৰা সোণাই নৈৰ পাৰত উমলি-জামলি ডাঙৰ-দীঘল হওঁতে— ইয়াৰ দুয়োপাৰৰ মানুহৰ কষ্টকৰ জীৱনৰ লগত হোৱা নিবিড় সম্পৰ্কই বহু ক্ষেত্ৰত একাগ্ৰতা লাভ কৰিছে।

বাসন্তী, ধনঞ্জয়, ভোগৰাম, মথুৰা মণ্ডল, তৰুলতা, ভগীৰথ কাননগু আদি উপন্যাসখনৰ উল্লেখযোগ্য চৰিত্ৰ। বিশেষকৈ বাসন্তী আৰু তৰুলতাৰ মাজেৰে নৈ পৰীয়া সোণাইৰ চিত্ৰ ঔপন্যাসিকে বৰ যতনেৰে তুলি ধৰাৰ প্ৰয়াস কৰিছে। তৰুলতা আৰু বাসন্তীৰ জৰিয়তে ঔপন্যাসিকে *গঙা চিলনীৰ পাখি*ত অসমীয়া গ্ৰাম্য নাৰী-গাভৰুৰ অদম্য কৰ্মশক্তিক তুলি ধৰিছে। অৰ্থাৎ সূৰ্যই পৃথিৱীক স্পৰ্শ কৰাৰ লগে লগে— নৈত গা-পা ধুই নিত্য পুৱাৰ কাৰ্যৰে ঘৰৰ লখিমীৰ মান ৰক্ষা কৰি আহিছে। এলাহ-ভাগৰ আদিবোৰ তেওঁলোকৰ জীৱনৰ পাঠ নাছিল। কঠোৰ সামাজিক নিয়মৰ মাজেৰে ঘৰৰ চাৰিসীমাৰ ভিতৰত পৰম্পৰাগত জীৱন পাৰ কৰিব লগা বৰ্ণনা মনোৰম যদিও কষ্টকৰো। এওঁলোকৰ জীৱন সুখ আৰু আনন্দ যেন কামৰ মাজতেই

আৰদ্ধ হৈ থাকে। দুখ-বেদনা, হতাশাই ধূসৰ কৰা এওঁলোকৰ জীৱনৰ বাটক পোন কৰি ৰাখে কৰ্মব্যস্ততাই। এইক্ষেত্ৰত এওঁলোকৰ জীৱনত প্ৰকৃতিৰ প্ৰভাৱ অনন্য। সেয়ে *গঙা চিলনীৰ পাখিত* গ্ৰাম্য জীৱনৰ প্ৰভাৱ বিস্তাৰিতভাৱে প্ৰতিফলিত হৈছে।

উপন্যাসত ধনঞ্জয়ক এক উল্লেখযোগ্য চৰিত্ৰৰূপেই ঔপন্যাসিকে উপস্থাপন কৰিছে। ধনঞ্জয়ৰ ঘৰৰ প্ৰকৃত ঠিকনা সততে পোৱা নাযায়। কিন্তু বাসন্তীক সোণাই নৈৰ পাৰত জীৱনৰ ভালপোৱা প্ৰেম-নিবেদন কৰোতে কৰা বৰ্ণনাৰ দ্বাৰা ধনঞ্জয়ৰ ঘৰৰ বিষয়ে আভাস পোৱা যায়। বৰদেউতাকৰ অত্যাচাৰ আৰু শোষণৰ কদৰ্য ৰূপত ধনঞ্জয়ে ঘৰ এৰি কোনো পৰিত্যক্ত পৰিৱেশত কাম কৰিব লগা হোৱাত তাৰ পৰা আহি এজন বাছ পৰিচালকৰ সহায় আৰু বদান্যতাত— এজন চিকিৎসকৰ সৰু ফাৰ্মাচী এখনত— সহায়ক হিচাপে কাম কৰে আৰু তাৰপৰাই তাৰ উচ্চ মনৰ অভিলাসৰ পৰিচয় পোৱা যায় সি কষ্টেৰে পঢ়া-শুনা কৰি মেট্ৰিক পাছ কৰি কিছুদিন বিদ্যালয় শিক্ষকৰ কামো কৰে। পিছত হোমিঅ'পেথিক চিকিৎসাৰ দৰে সেৱাত ব্ৰতী হৈ মানৱ সেৱাত আত্মনিয়োগ কৰে। ধনঞ্জয়ৰ এনে সেৱাৰ বাবে—সোণাইপৰীয়া মানুহৰ জীৱনলৈ নতুন গতি আহে। ধনঞ্জয় ক'ৰপৰা আহি সোণাইৰ পাৰৰ পাভচিলাত বাস কৰিলে তাৰ বাবে কোনেও গহীন প্ৰশ্ন কৰা নাই যদিও কোনো কোনো চকুচৰহাই ধনঞ্জয়ৰ চিকিৎসা আৰু জনপ্ৰিয়তাত বিতুষ্ট হয়। সেয়া হ'লেও চিকিৎসালয় নথকা, ডাক্তৰ কবিৰাজ নথকা সোণাইপৰীয়া মানুহৰ বাবে ধনঞ্জয়ৰ হোমিঅ'পেথিক চিকিৎসাই নতুন ৰূপ লয়। সেই সময়ত ক'লা বেমাৰ, হাইজা, কলেৰা আদি ৰোগত মানুহৰ অকাল মৃত্যুৱে যি বিভীষিকাৰ সৃষ্টি কৰিছিল সেই জলবায়ুত— ধনঞ্জয়ৰ ব্যস্ততা, চিকিৎসাৰ ৰঙে— তাৰ প্ৰতি মানুহৰ সততাৰ মাত প্ৰবল হৈছিল।

বাসন্তীৰ লগত হোৱা প্ৰেম-ভালপোৱাই ধনঞ্জয়ক যিদৰে এক নতুন জীৱনৰ আশাৰ বাট দেখুৱাইছিল তেনেদৰে বাসন্তীৰো মন-প্ৰাণত নতুন বসন্তৰ ৰূপ পৰিগ্ৰহ কৰিছিল। ভোগৰামৰ মাক সুজলা বুঢ়ীৰ স্বাস্থ্যজনিত কাৰণত চহৰত নি চিকিৎসা কৰা কালত আৰু ভোগৰামৰ দাৰিদ্ৰপীড়িত জীৱনৰ বাটত ধনঞ্জয়ে কৰা সহায়ৰ বাবেই ধনঞ্জয়ৰ বাসন্তীহঁতৰ ঘৰখনৰ লগত এক নিবিড় সম্পৰ্ক গঢ়ি উঠে।

জাজৰি, দলংঘাট, বৰচলা, কুঁজিদাহ, ধিং পৰ্যন্ত বাট-পথৰ পকীকৰণৰ লগে লগে ভোগৰামৰ সাপ্তাহিক বজাৰত বিক্ৰী কৰা কাপোৰৰ দোকানৰ চৰিত্ৰত কেণা লাগে। চহৰৰ মাৰোৱাৰী বেপাৰীবোৰে এই বজাৰলৈ কাপোৰৰ বেপাৰৰ পোহাৰ মেলে। কাৰণ এই বজাৰবোৰলৈ

গাড়ীৰ আগমন সূচল হৈ পৰিল। সেয়ে চহৰৰ কলঘৰত উৎপাদিত চকমকীয়া কাপোৰৰ চাহিদা বৃদ্ধি পালে। ভোগৰামৰ কাপোৰৰ দোকানৰ মুদা মৰিল। মাটি-বাৰীও বিক্ৰী কৰাত তাৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। এনে পৰিপ্ৰেক্ষিতত ধনঞ্জয়ৰ সহায়ৰ কথা মনকৰিবলগীয়া। কৃষি লোণ দিয়াৰ বাবে চহৰলৈ লৈ গৈ কৰা চেষ্টা অনন্য।

এসময়ত বাসন্তী আৰু ধনঞ্জয়ৰ প্ৰেম কাহিনী তৰুলতা, মাক সুজলা আনকি ভোগৰামেও গম পোৱাত, সোণাই নৈৰ পাৰত বাসন্তী আৰু ধনঞ্জয়ৰ মাজত হোৱা কথোপকথনৰ কথাও জ্ঞাত হোৱাত বাসন্তীৰ ওপৰত কঠোৰ শাসন বলবৎ হৈ তাইক মোমায়েকৰ ঘৰলৈ পঠাই দিয়ে।

শেষত মথুৰা মণ্ডলৰ লগত বাসন্তীৰ বিবাহ হৈ যায়। বিবাহৰ পূৰ্বে ধনঞ্জয়ে চিঠিৰে বাসন্তীক একেবাৰে নিজৰ কৰিবলৈ মনস্থ কৰি মাজৰাতি শেষ কুকুৰাই ডাঁক দিয়াৰ লগে লগে নৈৰ ঠানুৱা ঘাটলৈ আহিবলৈ কয়— আৰু তাৰপৰাই তাইক পলুৱাই লৈ যাব একেবাৰে জীৱনসংগী কৰি। বাসন্তীয়েও এই কথাত হয় ভৰ দি তাই পলাই আহে। কিন্তু চোতাল পাই তাই তাইক মাকে শুনোৱা সাৱধানবাণী, জ্যেষ্ঠজনৰ কথা নামানি অনেকে কৰা ভুল কামত কেনেকৈ সোণাই পাৰত মানুহৰ মৃত্যু হৈছে, সাপে খুঁটি মাৰিছে, গ্ৰহণী বা হাইজা হৈ মৃত্যুক সাবটিছে সেই কথাবোৰৰ গৰ্ভত তাই নিজকে নিবিষ্ট কৰে। ঘৰখনৰ সন্মান, ককায়েকৰ কষ্ট, নবৌয়েকৰ মৰমৰ বিশাল স্বৰূপটোৱে তাইৰ বুকুত খুন্দিয়াব ধৰিলে— আৰু তাই ধনঞ্জয়ৰ লগত পলাই যাবলৈ কৰা সিদ্ধান্তক ততালিকে সলনি কৰি পুনৰ গৃহাভিমুখে ধাবিত হ'ল। ইফালে নৈত নাও লৈ ৰৈ থকা ধনঞ্জয়ে বিফল মনোৰথ লৈ অপমানবোধ কৰিলে।

বাসন্তীৰ বিবাহৰ তিনিমাহৰ পিছতে বাসন্তী আৰু মথুৰা মণ্ডলৰ মাজৰ সম্পৰ্কত ঘূণে ধৰে। বাসন্তীৰ যে ধনঞ্জয়ৰ লগত প্ৰেমৰ সম্পৰ্ক আছিল সেয়া তিনিআলিত এচাম মানুহে কৰি থকা আলোচনাৰপৰা মথুৰা মণ্ডলে যি অপমান, জ্বালা আৰু প্ৰতাৰণা পালে— সিয়ে তেওঁক জ্বলাব ধৰিলে। বাসন্তীৰ মুখে স্বামী মথুৰা মণ্ডলে— ধনঞ্জয় বাসন্তীৰ প্ৰেমৰ কাহিনী শুনি স্তম্ভিত হৈ পৰে। বাসন্তীয়ে ধনঞ্জয়ৰ লগত থকা ভালপোৱাতকৈ যেন আৰু কিবা বেছি সম্পৰ্ক আছিল এই কথাই মথুৰা মণ্ডলক খুলি খুলি খাব ধৰিলে। সেয়ে মথুৰা মণ্ডলে নিজে এখন ট্ৰাকৰ তলত পৰি আত্মহত্যা কৰিলে। বাসন্তী তেতিয়া তিনিমাহৰ অন্তঃসত্ত্বা। তাই এটি বিকলাংগ ল'ৰা সন্তান জন্ম দিয়ে যদিও জন্মৰ ক্ষণিক সময়ৰ ব্যৱধানতে সন্তানটিৰ মৃত্যু হয়।

দাৰিদ্ৰ পীড়িত ভোগৰামৰ জীৱনলৈ হতাশা-ব্যৰ্থতাৰ বেৰ ভাঙি প্ৰৱেশ কৰিলেহি সঞ্জীৱ বৰুৱা নামৰ ৰাজনৈতিক এজন নেতা। যি ভোগৰামক তেওঁৰ ৰাজনৈতিক জীৱনৰ হাথিয়াৰ কৰি তুলিলে। টকা-পইচা, ৰাজনৈতিক মুনাফা আদায়ৰ বাবে চাইকেল আদি বিতৰণ কৰিব দিয়া কথা- কাণ্ডই ভোগৰামক ক্ৰমশঃ অৰ্থনৈতিকভাৱে স্বচ্ছল কৰি আনিলে। ভালেমান চহৰৰ মাৰোৱাৰী ব্যৱসায়ীৰ লগত ভোগৰামৰ পৰিচয় হ'ল। ভোগৰামৰ টকাৰ লালসাই তাক ক্ৰমশঃ ক'লাজগত এখনৰ লগত নি সংপৃক্ত কৰি পেলালে।

এসময়ত ভোগৰাম আৰু ধনঞ্জয়ৰ মাজত থকা নিবিড় অন্তৰংগতাৰ সম্পৰ্ক দুটা কাৰণত ভাঙি গ'ল। এটা হ'ল বাসন্তীৰ বাবে আৰু আনটো হ'ল ৰাজনৈতিক আদৰ্শৰ বাবে। ভোগৰামৰ চৰিত্ৰত লাহে লাহে পৰনাৰীৰ সম্পৰ্কই গা কৰিলে। বেশ্যাৰ সংগ ল'লে। কিন্তু ধনঞ্জয়ৰ চৰিত্ৰই কেতিয়াও মানৱতাৰ বাটটো এৰি দিয়া নাই। ৰাজনৈতিক আদৰ্শও ধনঞ্জয়ৰ নিকা আৰু সৎ আছিল। সেয়ে দুয়োৰে মাজৰ সংঘাতে এক নতুন ৰূপ পৰিগ্ৰহ কৰিলে।

প্ৰচুৰ ধন ঘটাৰ লালসাত ভোগৰামে শেহান্তৰত কোনো ৰাজনৈতিক শক্তিৰ সহায়ত কানি বেপাৰৰ দৰে ঘোৰ সমাজবিৰোধী ক'লা সাম্ৰাজ্য এখনতো প্ৰৱেশ কৰিলে। আনকি এনে ব্যৱসায় চলাবলৈ সি তিনিচুকীয়া, ডিব্ৰুগড় আদিৰ দৰে কোনো চোৰাং বেপাৰীৰে সংগ তৈয়াৰ কৰি ল'লে। এনে ক'লা ব্যৱসায়ৰ বাবে ভোগৰামে লগত অবৈধ মাৰণাস্ত্ৰও ৰখা হ'ল। অৰ্থাৎ তাৰ এনে কামত যদি কোনোৰে বাধা দিব আহে তেন্তে হত্যা পৰ্যন্ত কৰিবলৈ কুণ্ঠাবোধ নকৰে। এনে অৱস্থাতে এক কিলোগ্ৰাম কানি আৰু পিষ্টলসহ ধনঞ্জয়ে তেওঁৰ অনুগামীসকলৰ স'তে ভোগৰামক ধৰা পেলোৱা আৰু জেললৈ প্ৰেৰণ কৰা ঘটনাই ঔপন্যাসিকৰ দৃষ্টিকোণত গ্ৰাম্য জীৱন প্ৰবাহত কেনেকৈ নগৰীয়াৰ বিলাসী জীৱনৰ বিলাস বাসনাৰ সহজে ধনী হ'ব খোজা ঢং, প্ৰতিষ্ঠা, সন্মান লাভৰ ফোঁপোলা আভিজাত্যই ৰূপ প্ৰকট কৰিছে তাৰ বিমল ছবি উজলি উঠিছে। ৰাজনীতিকৰ লগত ভোগৰাম বা অন্যান্য ক'লা বেপাৰী, ঠিকাদাৰৰ হলিগলিয়ে ৰাজনীতিক কলুষিত কৰি তোলা স্বৰূপটোও *গঙা চিলনীৰ পাখিত* পৰিপুষ্ট হৈ উঠিছে।

ভোগৰাম আৰু ধনঞ্জয় — এই দুয়ো চৰিত্ৰই এনে ৰূপ পৰিগ্ৰহ কৰিছে যে বাসন্তীক বাদ দি উপন্যাসখনত এই দুই চৰিত্ৰই প্ৰধান যেন হৈ উঠিছে। ভোগৰামৰ চৰিত্ৰ জীৱনৰ সৰল জীৱন প্ৰণালীৰে পৰম্পৰাগত গতিধাৰাৰে আগবাঢ়িছিল। ভোগৰামৰ এই সততাত মাক সুজলা

বুঢ়ীৰ অন্তৰৰ নিভৃত কোণত জাগি উঠা দয়া, কৰুণা, প্ৰেম, ভালপোৱাবোৰ গুৰুত্ব সহকাৰে মনকৰিবলগীয়া। এনে প্ৰেক্ষাপটত মাকৰ আশীৰ্বাদ ভোগৰামৰ ওপৰত নিবিষ্ট থকাত ভোগৰামৰ জীৱনৰ স্বচ্ছবাটে কেতিয়াও বেশ্যা, ঠগ-প্ৰবঞ্চনা, ক'লা-ব্যৱসায়ী আদিৰ আশ্ৰয় ল'ব দিয়া নাছিল। আনকি মৰাপাটৰ ব্যৱসায় কৰা কালতো গাঁৱে গাঁৱে মৰাপাট ক্ৰয় কৰা আৰু সেইবোৰ মাৰোৱাৰীৰ গোলাত বিক্ৰী কৰা কথা-কাণ্ডৰ মাজতো কোনো জটিলতা নাছিল। যেতিয়া সোণাইপৰীয়া অঞ্চলৰ গ্ৰাম্য পথবোৰ পকা হ'ল, দলং নিৰ্মাণৰ লগে লগে চহৰৰ ডাঙৰ ডাঙৰ বেপাৰীবোৰে আহি বজাৰত বিশেষ কাটাত বহুৱাই মৰাপাট ক্ৰয় কৰিলে আৰু কাপোৰৰ বেপাৰৰ দৰে মৰাপাটৰ ব্যৱসায়েও ভোগৰামৰ জীৱনত প্ৰভাৱ পেলালে তেতিয়াও ভোগৰাম সৎ পথতে আছিল। কিন্তু দৰিদ্ৰতাক জীৱনৰ বাটৰপৰা আঁতৰ কৰিবলৈ আৰু নিজৰ ৰাজনৈতিক স্বাৰ্থ সুৰক্ষিত কৰিবলৈ সঞ্জীৱ বৰুৱাই ভোগৰামক ৰাজনৈতিক হাথিয়াৰ কৰিলে তেতিয়াৰ পৰাই তাৰ জীৱনৰ আমূল পৰিৱৰ্তন ঘটিল। ঘৰৰ মাটি-বাৰী বিক্ৰী কৰি তৎ নোপোৱা ভোগৰামে ৰাজনৈতিক শক্তিৰ বলত দোপতদোপে উন্নতিৰ চিৰিত উঠিল। চহৰত ঘৰ ল'লে, ধানৰ মিল কিনিলে, চিনেমা হলৰো মালিক হ'ল। নাৰী আৰু সুৰা তাৰ জীৱনৰ অনন্য লগৰী হ'ল। চৰিত্ৰৰ এনে অধঃপতন অতি চমৎকাৰ। তাৰ পত্নী তৰুলতা, সন্তানৰ প্ৰতি তাৰ বিশেষ গুৰুত্ব নোহোৱা হ'ল।

ইয়াৰ বিপৰীতে ধনঞ্জয়ে নিজকে এজন সৎ আৰু বিচাৰ-বিবেচনা থকা ব্যক্তিৰূপেই প্ৰতিপন্ন কৰি আহিছে। হয়তো ধনঞ্জয়ৰ ল'ৰালিৰ কালৰ যন্ত্ৰণা, দুখ-কষ্টৰ বিশাল যন্ত্ৰণাৰ পৃথিৱীখনৰ মাজত পোৱা অৱহেলা, অপমান আৰু মানুহৰ মানৱীয় গুণৰ স্খলনৰ ৰূপে তাক মানৱ দৰদী কৰি তুলিলে। ঔপন্যাসিকে ধনঞ্জয়ৰ মানৱ সেৱা ইমান স্পৰ্শকাতৰ ৰূপত দেখুৱাইছে যে, যিয়ে সোণাইপৰীয়া মানুহৰ চকুত ধনঞ্জয়ক নিটোল ৰূপত এজন বিবেকবান মানুহৰূপে তুলি ধৰিছে। কানি ব্যৱসায়ৰ ক'লা জগতখনৰ বাসিন্দা হৈ ভোগৰাম ধৰা পৰোতেও ভোগৰামৰ মানুহে ধনঞ্জয় আৰু তাৰ মানুহক আক্ৰমণ কৰাৰ পিছতো ভোগৰামৰ হাতৰপৰা ধনঞ্জয়ে ভোগৰামৰ পিষ্টলটো কাঢ়ি তাক মাথো ভয়হে দেখুৱাইছিল। কিন্তু সেই পিষ্টলেৰে হত্যা কৰিবলৈ অকণো চেষ্টা কৰা নাছিল। পিছত কানি, পিষ্টলসহ ভোগৰামক আৰক্ষী, আবকাৰীৰ লোকক চমজাই দি ধনঞ্জয়ে সমাজৰ প্ৰতি, গণতন্ত্ৰ আৰু আইন-শৃংখলা, দেশৰ প্ৰতি থকা গভীৰ দায়িত্ব পালন কৰিছিল। ঔপন্যাসিক লক্ষ্মীনন্দন বৰাই *গঙা চিলনীৰ পাখিত* ধনঞ্জয়ৰ চৰিত্ৰটি অংকন

কৰোতে যিখিনি কাল সময়ৰ বৰ্ণনা কৰিছে সেই সময়ত মানুহৰ মাজত জীৱনৰ লাহ-বিলাহৰ বাট বা ভোগবাদ প্ৰকট হোৱা নাছিল। ধনঞ্জয়ৰ জীৱনত বাসন্তী আহিছিল। বাসন্তীয়েও অতি আতুৰ আৰু মনে-প্ৰাণে ধনঞ্জয় একেবাৰে নিজা হৈ যোৱাৰ দুৰন্ত সপোন দেখিছিল। সেয়ে ধনঞ্জয়ে তাৰ দুখৰ কাহিনী কওঁতে বাসন্তীৰ দুগালেৰে অশ্ৰুৰ ধাৰা বৈছিল। তাৰ জীৱনৰ এনে নিৰ্মম ঘটনাত তাই মৰ্মাহত হৈ মনে-প্ৰাণে ধনঞ্জয়ক ভাল পাই পেলাইছিল।

মথুৰা মণ্ডল আৰু বাসন্তীৰ সন্তানটিৰ মৃত্যু হোৱাৰ পিছত সাংসাৰিক বিৰহ শোকে এক প্ৰকাৰ বাসন্তীক কোঙা কৰি পেলালে। বেমাৰ ইমান ব্যাপক হৈ পৰিল যে, বাসন্তীৰ জীৱনৰ প্ৰতিয়ে টনাটনি যেন লাগিল। এনে প্ৰেক্ষাপটতে হঠাৎ ধনঞ্জয়ে আহি বাসন্তীৰ ঘৰত উপস্থিত হয়। বাসন্তীৰ শহুৰ-শাহুৰে বাসন্তীক সুস্থ কৰি তোলাৰ যেন দূৰন্ত পথ এটা ধনঞ্জয়ৰ জৰিয়তে দেখা পালে। ধনঞ্জয়ক তেওঁলোকে যেন সাক্ষাৎ দেৱতাৰ দৰেহে দেখিলে।

বাসন্তীক চিকিৎসা কৰা কালত অকলে বাসন্তী আৰু ধনঞ্জয়ে তেওঁলোকৰ জীৱনৰ বহুবোৰ কথা পাতিলে। বাসন্তীয়েও যেন ধনঞ্জয়ৰ কথাত সাহ পালে। খাবলৈ ব'বলৈ এৰি দিয়া বাসন্তীয়ে ইয়াৰ পিছতে খাবলৈ ল'লে। ধনঞ্জয় গুচি গ'ল। বাসন্তীৰ ঘৰলৈ ইয়াৰ পিছত আৰু ধনঞ্জয় কোনোদিনেই নাহিল। বাসন্তীৰ জীৱনত পুনৰ ধনঞ্জয়ৰ প্ৰতি প্ৰেম জাগ্ৰত হ'ল। তাই পুনৰ তাৰ লগত সংসাৰ কৰিবলৈ তৎপৰ লগালে। এগৰাকী বিশেষ মহিলাৰ জৰিয়তে তাই এখন চিঠি লিখি ধনঞ্জয়লৈ পঠালে। বাসন্তী সাজু হৈ থাকিল ধনঞ্জয়ৰ লগত পলাই যাবলৈ। সেই ৰাতি তাইৰ অধীৰ অপেক্ষা ধনঞ্জয় আহি তাইক লৈ যাব। কিন্তু তাৰ পূৰ্বে ধনঞ্জয়ে কোনো মহাজনক তাৰ সৰু ঘৰ-ভেঁটি বেছি ক'ৰবালৈ গুচি গ'ল। ধনঞ্জয়ৰ আত্মসন্মানৰ বিৰল বাটে তাক বাধা দিলে। এদিন সি বাসন্তীক পলুৱাই নিবলৈ নৈৰ ঘাটত নাও লৈ অন্যান্য নাৰৱীয়াৰ স'তে বৈ থকা আৰু বাসন্তী নহাত পোৱা অপমান যেন সহ্য কৰিব পৰা নাছিল। এইবাৰ ধনঞ্জয় নাহি সেই অপমান বাসন্তীয়ে পালে। ধনঞ্জয় ক'লৈ গ'ল, কিয় গ'ল, এই কথা সোণাইপৰীয়া মানুহে আৰু কোনো কালে ভু নাপালে।

ধনঞ্জয়ৰ বিৰল ব্যক্তিত্বই উপন্যাসখনত যিদৰে এক গতিশীল ৰূপ প্ৰদান কৰিছে তেনেদৰে সুখপাঠ্য ৰূপেও চিহ্নিত কৰি তুলিছে। ভোগৰাম চহৰলৈ একেবাৰে উঠি যোৱা অভিব্যক্তিত গ্ৰাম্য জীৱনত বিলাসী ভোগবাদী চহৰমুখী জীৱনক প্ৰতিনিধিত্ব কৰিছে।

উপন্যাসখনত দেখুওৱা গ্ৰাম্য জীৱনৰ গাভৰুৰ বা বোৱাৰীৰ ৰক্ষণশীল ব্যৱস্থা থাকিলেও তেওঁলোকৰ অন্তৰতো প্ৰেম জাগে, অন্তৰত কোনো পুৰুষৰ দুৰ্বাৰ ভাবনাই আলোকিত কৰে, যৌৱনৰ মাজমজিয়াত কোনো পুৰুষৰ প্ৰতি আকৰ্ষিত হৈ প্ৰেম নিবেদন কৰা কথাও মন কৰিবলগীয়া। সোণাইপৰীয়াৰ অতুল্য প্ৰাকৃতিক পৰিৱেশৰ মাজতে এনে প্ৰেমে পোখা মেলে। প্ৰকৃতিয়েও হাত উজান দিয়ে। নৈৰ পাৰৰ চাপৰি, পথাৰত লুকাই চুৰকৈ এনে প্ৰেমে প্ৰাপ্তিৰ দিশে গতি কৰাৰ বাসনাত হাত উজান দিয়ে।

সেয়ে বাসন্তীৰ বিবাহৰ সন্দৰ্ভত আৰু মাক সুজলা বুঢ়ীয়ে ধনঞ্জয়ৰ প্ৰতি জাগি উঠা প্ৰেমৰ সম্ভেদ পাই বাসন্তীয়ে অন্যলৈ বিয়া হোৱাৰ কথা বাৰণ কৰাত কৈছিল—"চা আই, মোৰ আৰু মৰিবলৈ বেছি দিন নাই। মই জীয়াই থকা দিনকেইটাত তোৰ বিয়াখন দেখি যাব পৰাহেঁতেন ভাল আছিল। এজনীৰ লেঠা মাৰিলোৱেই। ল'ৰাও নিজে খুঁটি খাব পৰা হ'ল। কেৱল মোৰ তোলৈহে চিন্তা।[১] একোৱে ঠিক আপদ নহয়। আচলতে এটা ডাঙৰ বোজা। তোৰ বিয়াখন নহয় মানে, ককায়েৰাৰে হওঁক, কাৰো শান্তি নাই। ছোৱালীজনীক বয়স থাকোতে বিয়া দিলেহে আমাৰ পূণ্য।[২]

সমাজত নাৰীৰ কদৰ্য আৰু লোভনীয় ৰূপহে পুৰুষ তথা সমাজে দেখা পায়। পুৰুষৰ লালসা-বাসনাৰ নিষ্ঠুৰ জিঘাংসাৰ চৰিত্ৰৰ কুটিল ৰূপটো পোনতে লুকাই থাকে। কেতিয়াও পুৰুষৰ এনে দিশ পৰ্যালোচনা বা বিচাৰ কৰিবলৈ সমাজ আগুৱাই নাহে। সোণাইপৰীয়া জীৱন গাঁথাৰ সমাজখনৰ বৰ্ণনাৰে ঔপন্যাসিকৰ মানসিক স্থিতিয়ে স্পষ্ট ছবি অংকন কৰিছে।

সোণাইৰ পাৰতো মানুহৰ প্ৰাচীন পৰম্পৰাগত ধাৰণা আৰু পুৰুষ প্ৰমুখ ধ্যানেই যেন বিদ্যমান। ঘৰৰ মানুহগৰাকীৰ ওপৰতেই বিপদ আৰু সংকটসংকুল জীৱন নিৰ্ভৰ কৰে। এঘৰৰ তিৰোতা মানুহবোৰে যদি শুচি মনেৰে দিন নিয়ায় পৰকীয়া প্ৰেমৰ জুতি নলয় আৰু অবৈধ প্ৰণয়ে মন মতলীয়া নকৰে, তেনেহ'লে তিৰোতাৰ সতীত্বৰ গুণতে পলকে পলকে বিপদমুখী হোৱা পুৰুষকুলে উদ্ধাৰ পায়।[৩]

উপন্যাসখনত বৰ্ণিত ঘটনা প্ৰবাহ আৰু মানুহৰ জীৱন ধাৰণাৰ গতি-প্ৰকৃতিলৈ লক্ষ্য কৰিলে দেখা যায় যে, সোণাইপৰীয়া মানুহৰ জীৱনৰ জীয়াই থকাৰ সামাজিক কাঠাম অৰ্থনৈতিকভাৱে দুৰ্বল আছিল। ইয়াত বংশানুক্ৰমিকভাৱে পোৱা কৃষিভূমি অকণমানেৰে কৰা

কৃষি কৰ্মই যেন জীৱনৰ সৰ্বস্ব। মাছ ব্যৱসায়ীও অন্য এক ৰূপ। মানুহৰ বংশ বৃদ্ধিয়ে মাটিৰ পৰিমাণক চুটি কৰাত জীৱনে নতুন প্ৰত্যাহ্বানৰ মুখত পৰে। সেয়া উপন্যাসৰ যেন অন্যতম বিষয় বস্তুৰূপত প্ৰতিভাত হৈছে এনেদৰে—

> সোণাইপৰীয়া গাঁৱত জনসংখ্যা বাঢ়িছে। খেতিৰ মাটিয়ে নোজোৰা হৈছে। কোনোবা ককাকে এৰি থৈ যোৱা পোন্ধৰ-বিছ পোৱা মাটি পুৰুষানুক্ৰমে ভাই-ককাইৰ মাজত ভাগা ভাগ হৈ এটা পৰিয়ালৰ হয়তো দুই-চাৰি হালিচা মাটিহে ৰৈছেগৈ।[৪]

আৰ্থিক অৱস্থাই জুৰুলা কৰিলেও সোণাইপৰীয়া ৰাইজৰ মাজত পালিত বিভিন্ন উৎসব-পাৰ্বন, বিহু আদিৰ বৰ্ণনা *গঙা চিলনীৰ পাখি*ত নিঁভাজ ৰূপত পৰিপুষ্ট হৈ আছে। ইয়ে প্ৰমাণ কৰে আৰ্থিক দীনতা থাকিলেও সোনাইপৰীয়া সমাজত সাংস্কৃতিক দীনতা নাই।

কিন্তু *গঙা চিলনীৰ পাখি*ত সোণাইপৰীয়া মানুহৰ মাজত থকা জাতি-ভেদ প্ৰথাই নতুন ৰূপত বিকশিত হৈছিল। পৰম্পৰাগত প্ৰাচীন সনাতন এই অঞ্চলৰ মাজত মানুহে মানুহক মানুহৰূপেই গণ্য কৰি চলিছিল। কিন্তু ৰাজনীতিয়ে যেতিয়াই মোৰ সলালে তেতিয়াই সাতামপুৰুষীয়া সমাজখনৰ মিলন, ঐক্য, সম্প্ৰীতিৰ বান্ধোনত ফাঁট মেলিলে। নিৰ্বাচনৰ কবলত, ৰাজনীতিৰ মেৰপেচত— ধৰ্মৰ লগতে অন্যান্যবোৰ জাতিগত কাৰকেও সোনাইপৰীয়াক আক্ৰান্ত কৰিলে তাৰ বৰ্ণনা দেখিছো এনেদৰে—

> এই পাঁচ বছৰ সোণাইপৰীয়া গাঁও দুখীয়া আছিল যদিও মানুহৰ মাজত একতা আছিল। বামুণে লালুঙক হেয়জ্ঞান নকৰিছিল। খলপীয়া পাভচিলাৰ মৈমনচিঙীয়াখিনি সুকীয়া ধৰ্মৰ বুলি এতিয়াহে মানুহৰ মগজুত সোমাল।[৫]

মন কৰিবলগীয়া যে অন্যান্যবোৰ ঠাইৰ লগতে সোণাইপৰীয়া সমাজতো আৰ্থিক স্বচ্ছল অৱস্থাই মানুহৰ মাজত সন্মান, উচ্চ আসন পোৱা বিষয়বোৰে গুৰুত্ব পাইছে। আৰ্থিকভাৱে স্বচ্ছল লোকেহে সমাজত উচ্চ স্থান লাভ কৰাটো মন কৰিবলগীয়া। উপন্যাসখনত এই দিশটো স্পষ্ট। ভোগৰামৰ জীৱৰ মধ্যবিত্ত বৃত্তৰপৰা যেন হঠাৎ উত্তৰণ ঘটিল। নিৰ্বাচনে তাৰ জীৱনলৈ অনা পৰিৱৰ্তনত সি যিকোনো মানুহৰ লগত মিলা-মিচা কৰাটো বাদ দি দিলে। নতুন ধনীৰ ভূমিকা এটাত সি ৰপ্ত হ'ল। আভিজাত্যৰ গৰ্বত সি ওফন্দি পৰিল। ভোগৰামৰ হঠাৎ অহংকাৰী চৰিত্ৰই নতুন মাত্ৰা পালে। তাৰ নৈতিক চৰিত্ৰ স্খলন ঘটিল। *এয়া গঙা চিলনীৰ পাখি*ত উপন্যাসিকে সৰলভাৱে সাধাৰণভাৱে বৰ্ণনা কৰিছে যদিও বিষয়টোৱে অসাধাৰণ চৰিত্ৰ ৰূপ পৰিগ্ৰহ লভিছে।

মথুৰা মণ্ডল আৰু বাসন্তীৰ বিবাহক অতি  সমাপন কৰা কালত অসমীয়া সমাজৰ বৈবাহিক জীৱনক  নিয়ম-নীতিবোৰ পালনৰ ৰূপৰেখাই উপন্যাসখনক বলিষ্ঠ ৰূপ প্ৰদান কৰিছে। দুয়োৰে বিবাহক জোৰণৰপৰা হোম যজ্ঞৰ মাজেৰে বিবাহ সম্পন্ন কৰি— নিজা জনমৰ ভেঁটি এৰি অন্য এখন ঘৰলৈ বিদায় লোৱা সময়লৈকে বিবাহৰ সকলো ৰীতি-নীতি পালনৰ দিশটো গুৰুত্ব সহকাৰে মন কৰিবলগীয়া। জ্যেষ্ঠজনৰপৰা দৰা-কইনাই লোৱা আশীৰ্বাদ, দৰা-কইনাৰ সাজ-কাজ, ন-কইনাই পাল্কীত উঠি স্বামীৰ গৃহলৈ কৰা গমন বৰ্ণনাই  *গঙা চিলনীৰ পাখি*য়ে অসমীয়া সমাজৰ অনন্য সাংস্কৃতিক নব্য ৰূপত নতুন চকুত তুলি ধৰাৰ চেষ্টা সাধুবাদৰ পাত্ৰ।

শিক্ষাৰপৰা দূৰত অৱস্থান কৰা সমাজত  কু-সংস্কাৰ, অন্ধবিশ্বাস প্ৰকট হৈ উঠে। ফলত নানা ৰোগত বিজ্ঞানসন্মত চিকিৎসাৰ বিপৰীতে বেজ, জৰা-ফুকা আদি কামে মানুহক এক বিকল মানসিক জগতত নি থিয় কৰাই  দিয়ে। এনে অৱস্থাত  গ্ৰাম্য চিকিৎসাতে  মানুহে সন্তুষ্ট থাকিব লগা হয়।  ঔপন্যাসিক    লক্ষ্মীনন্দন বৰাই তেওঁৰ এই উপন্যাসত ইয়াৰ ছবিখন অংকন কৰিছে। এই দিশটো অতি নিদাৰুণভাৱে স্পষ্ট হৈছে যেতিয়া বাসন্তীৰ সন্তানটিয়ে মাত মাতিব পৰা নাছিল তাৰ মাত ফুটাবলৈ কিছুমান অনৰ্থক, অহেতুক কামেৰে ভেম ভাঙিবলৈ কৰা প্ৰচেষ্টা। এয়া সুস্থ মগজুৰ মানুহৰ চিন্তাৰ হ'ব নোৱাৰে।

মানুহৰ মানসিক পৰিৱৰ্তন উপন্যাসখনৰ অন্য এক বিষয়বস্তু। সময়ৰ লগে লগে সমাজৰ চিন্তাৰ পৰিৱৰ্তন ঘটে। তেতিয়া সামাজিক সমষ্টিগত চিন্তাতকৈ ব্যক্তিগত চিন্তাই নতুন ৰূপ পৰিগ্ৰহ কৰে। পৰম্পৰাগত চেতনা-চিন্তা, ৰীতি-নীতিয়ে পৰিৱৰ্তনৰ বাটত ৰূপান্তৰ ৰূপ পৰিগ্ৰহ কৰিছে। হিন্দু ধৰ্মৰ বিধৱা নাৰী হৈ বাসন্তীৰ মনলৈ পৰিৱৰ্তন আহিল আৰু ধনঞ্জয়ৰ স'তে বিবাহ হ'বলৈ কৰা মনৰ গতিশীল পৰিৱৰ্তনক উপন্যাসিকে দেখুওৱা ৰং প্ৰখৰ হৈ উঠিছে। কিন্তু বাসন্তী ইয়াত সফল নহ'ল। তথাপি ঔপন্যাসিকে পৰিৱৰ্তনৰ বাটটোক নাৰী মনে বিচৰা ইংগিত প্ৰদান কৰিছে।

*গঙা চিলনীৰ পাখি* নগাঁৱৰ সোণাই নৈ পাৰৰ মানুহৰ দুখ -সুখ, হাঁহি-কান্দোন, অভাৱ-অনাটন, বিশ্বাস-অবিশ্বাস, সংশয় আদিৰ মাজেৰে সমাজৰ নানান উত্থান-পতন, পৰিৱৰ্তন, ৰূপান্তৰ, ভোগবাদ, চহৰমুখী যাত্ৰাত গ্ৰাম্য জীৱনৰ পৰম্পৰাগত নিয়ম-কানুনৰ শিথিল হৈ পৰা কথাবস্তুৰে উপন্যাসখনক বিশেষ মৰ্যাদা প্ৰদান কৰিছে।

## ২.০২ পাতাল ভৈৰৱী উপন্যাসৰ বিষয়বস্তু ঃ

*পাতাল ভৈৰৱী* লক্ষ্মীনন্দন বৰাৰ অসাধাৰণ অভিজ্ঞতা আৰু জীৱনবোধত প্ৰাণ পোৰা ক'লা জগতৰ ব্যৱসায়ীৰ অনন্য এক দস্তাবেজ। উপন্যাসখনৰ পাতে পাতে লুণ্ঠন, হত্যা, ড্ৰাগছ, কানি, ভাং, বিচিত্ৰ বৰ্ণময় আপুৰুগীয়া পক্ষীকূল হত্যাৰে ব্ৰহ্মপুত্ৰৰ পাৰৰ সমাজ জীৱনৰ পংকিল ৰূপৰেখা অংকিত হৈছে। উপন্যাসখনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ডিব্ৰুগড়ৰ পৰা ডিগবৈ, উত্তৰপাৰৰ লখিমপুৰ পৰ্যন্ত সমাজ জীৱনৰ বাতাবৰণক তেজেৰে ৰঙা কৰা, মানুহৰ প্ৰমূল্যক প্ৰতিপলে নিঃশেষ কৰিব খোজা ছবি স্পষ্ট। ঔপন্যাসিকে তেওঁৰ অন্তঃদৃষ্টিৰে আৰু বাহ্যিকভাবে প্ৰত্যক্ষ কৰা সঁচা কথাবস্তুক কাল্পনিক চৰিত্ৰ নিৰ্মাণেৰে চোৰাং বজাৰ, ব্যৱসায়ৰ গৰ্ভৰ বিৰল অসাধুবাদ আৰু অপৰাধক পৰিশীলিত ৰূপত তুলি ধৰিছে। উজনি অসমৰ শিল্প প্ৰতিষ্ঠানৰ স'তে সমাজৰ পুৰণি আৰু নতুন চেতনাৰ মাজৰ দ্বন্দ্ব আৰু অবিশ্বাসক তুলি ধৰোতে দ্ৰুতগতিত ক্ষয়প্ৰাপ্ত হোৱা ঐতিহ্যৰ অৱক্ষয়, বৰ্ণময় সাংস্কৃতিক চেতনাৰ বিলুপ্তিয়ে পাঠকক সচেতন কৰি তোলে।

ডিব্ৰুগড়ৰ তেনেই নিকট দুটা লুইতৰ ঘাট; দুজন মানুহ বছিৰ (নানচা) আৰু দেউতা, আৰু তেওঁলোকৰ ছৈ দিয়া নাও দুখনত থকা ঘৰত নানা অসামাজিক কাম সংঘটিত হয়, চোৰাং কাৰবাৰ মূলতঃ কানি, ভাং আদি। মুকুন্দ খাউণ্ড উপন্যাসখনৰ মূখ্য চৰিত্ৰ। এই মুকুন্দৰ শিক্ষাগত অৰ্হতাৰ দোহাই দি নৰ্থ-ইষ্ট স্পৰ্টছ ক্লাবৰ পৰা তাৰ চাকৰি নিঃশেষ কৰিলত শেহান্তৰত সি— দেউতা আৰু বছিৰৰ জৰিয়তে ক'লা সাম্ৰাজ্যত প্ৰৱেশ কৰিলে। প্ৰথম অৱস্থাত মুকুন্দই জীৱিকা আৰু জীয়াই থকাৰ তাড়নাত সংসাৰ পোহপাল দিয়াৰ অদম্য তাগিদাতে দেউতাহঁতৰ স'তে মিলি কাম কৰিছিল। সি প্ৰথমতে একো বুজা নাছিল। কিন্তু লাহে লাহে তাক ক'লাজগতখনৰ বিষয়ে তেওঁলোকে সকলো জনালে, বুজালে আৰু শিকালে। এক দ্বিধাবিভক্ত মনেৰে মুকুন্দৰ এই কামৰ যাত্ৰা আৰম্ভ হয়। এই ক'লা সাম্ৰাজ্যৰ মালিক ঈৰ্শ্বাদ। যিজন মানুহৰ হৃদয়ত ক'লা ব্যৱসায়ে ভোগবাদী দৰ্শনৰূপে থিতাপি লৈছিল। এই সাম্ৰাজ্যখনলৈ অহা প্ৰত্যাহ্বানবোৰ দূৰ কৰিবৰ বাবে একৰপৰা দহ নম্বৰলৈকে বিশেষ কিছু গুণ্ডা, হত্যাকাৰী ঈৰ্শ্বাদে পুহি ৰাখি সিহঁতৰ জৰিয়তে নিজৰ সন্মুখৰ পথৰ কাঁইটবোৰ দূৰ কৰিবলৈ কৰা কৰ্ম-কাণ্ড মন কৰিবলগীয়া। *পাতাল ভৈৰৱীত* নিষিদ্ধ জীৱনৰ ছবি,

দৈহিক সম্পৰ্কৰ অবৈধ ছবিৰ চিনেমা অৰ্থাৎ ব্লু-ফিল্ম, ৰাজনৈতিক ভণ্ডামী, শ্লেষ, এইবোৰৰ জীৱনৰ ছবি ইয়াত দেখা যায়। য'ত দূৰন্ত স্মাগলাৰৰ কাহিনীয়ে সমাজ ব্যৱস্থাক জোকাৰি আছে।

উপন্যাসখনত ঔপন্যাসিকে যেন সমাজ জীৱনৰ দ্ৰুতবেগী ক'লা জগতৰ মাত-কথা; ইয়াৰ বাবে নিবিষ্ট হোৱা অস্থিৰতা, উদ্বেগ আদিৰ বাবে— *আভিং ৱালেছ, আৰ্থাৰ হেইলী* ঔপন্যাসিকৰ দৰে অবৈধ ব্যৱসায়ীৰ সন্ধানত ক্ষেত্ৰ অধ্যয়নে উপন্যাসখনক ব্যাপক ৰূপত গতি প্ৰদান কৰিছে।

মুকুন্দই যদিও এই ক'লা সাম্ৰাজ্যখনত সি নিবিচৰাকৈ ভৰি দিলে তথাপি কিন্তু সি সদায়ে এক অন্তঃসংঘাতত ভুগি আছিল। মনে-প্ৰাণে সি এনে ক'লা জগতৰ স'তে একাত্ম হ'ব পৰা নাছিল। সংসাৰৰ মোহ আৰু পৰিয়ালৰ ভৰণ-পোষণৰ তাগিদাত সি ক্ৰমশঃ এই জগতৰ বাসিন্দা হৈ পৰিল। যোৱাটো শতিকাৰ ষাঠি আৰু সত্তৰৰ দশকৰ ৰাজনৈতিক অস্থিৰতা, ক্ষমতা খকুৱা ৰাজনীতি, ৰাজকোষৰ ধন লুণ্ঠন, অন্ধকাৰ জগতত গা কৰি নিতান্তই সহজে ধনী হোৱাৰ বাসনাত মানুহৰ নৈতিক চৰিত্ৰৰ অধঃপতনৰ যেন উপন্যাসখনৰ দস্তাবেজ। উপন্যাসখনে অসমৰ বিভিন্ন জনগোষ্ঠীৰ জীৱনৰ ঐতিহ্য আৰু মাত-কথাক, সাংস্কৃতিক চেতনাক প্ৰতিনিধিত্ব কৰোতে নতুন নতুন সামাজিক চেতনাৰ বিষয়বস্তুৰে গা কৰি উঠিছে।

মুকুন্দৰ ক'লা জগতত এনে প্ৰসাৰ আৰু কৰ্তৃত্ব খাটিলগৈ যে, এসময়ত ঈৰ্শ্বাদৰ সিয়ে আটাইতকৈ বিশ্বস্ত ব্যক্তিৰূপে চিহ্নিত হ'ল। পঢ়া-শুনা কম হ'লেও বুদ্ধিমত্তা, সাহস আৰু পৰিস্থিতিক সহজে আয়ত্ত কৰি তাৰ সমাধান দিব পৰা গুণে মুকুন্দৰ চৰিত্ৰক ঈৰ্শ্বাদৰ অতি বিশ্বাসভাজন কৰি তোলে। মুকুন্দ যিবোৰ অঞ্চলৰপৰা আহিছে অৰ্থাৎ কান্ধুলিজান, কঁহুৱামুখ, দীঘলআটি, কাৰৈমাৰী, দলৈচুবা, জলমৈ আদি ঠাইৰ অনুন্নত বাট-পথ আৰু নিৰুদ্দৰ্শতাই বহু সময়ত তাক দুখ দিয়ে।

যশোৱা নামৰ এগৰাকী চৰিত্ৰবান, সৎ যুৱতীৰ স'তে মুকুন্দৰ বিয়া হয়। মুকুন্দৰ পিতৃ পৰিচয় জনা নাযায়। অৰ্থাৎ সি নিজকে জাৰজ সন্তান বুলিয়ে জ্ঞান কৰে। যশোৱাই কিন্তু এইবোৰক লৈ কেতিয়াও মুকুন্দক দোষাৰোপ কৰা নাই। মাজে মাজে তাইৰ ভয় হয় মুকুন্দই আৰ্জি অনা টকাবোৰ, বিচিত্ৰ বিভিন্ন মানুহৰ লগত হোৱা সংস্পৰ্শৰ বাবেহে।

যশোৱাই মনে-প্ৰাণে মুকুন্দৰ এনে ব্যৱসায়ীৰ চৰিত্ৰক মুঠেই সমৰ্থন কৰা নাই। কিন্তু সংসাৰৰ ভোক আৰু যন্ত্ৰণাৰ বাবে মনে মনে থাকে। দিল বাহাদুৰ আৰু হিমাদ্ৰীৰ মানৱীয় গুণৰ বাবে যশোৱা আৰু মুকুন্দৰ জীৱনৰ বাটত গতি লাভ কৰিছে। যশোৱাৰ সৰল আৰু সৎ স্বভাৱ চৰিত্ৰৰ বিপৰীতে এচাম আঢ্যৱন্ত মহিলাৰ ক্লাবঘৰত প্ৰৱেশ উপন্যাসখনত মন কৰিবলগীয়া।

সুনন্দ দত্তৰ দৰে চাহ বাগিচাৰ মালিকৰ  ক'লা সাম্ৰাজ্য সমগ্ৰ ভাৰত জুৰি বিশেষকৈ কলকাতা, ৰাজস্থান, উত্তৰ প্ৰদেশ, বিহাৰ, দিল্লী পৰ্যন্ত বিস্তাৰিত। কলকাতাৰ পৰা অহা কানিৰ ৰমৰমীয়া ব্যৱসায়ীয়ে অসমৰ বিভিন্ন প্ৰান্তত বিয়পি পৰে। কানি খোৱা মানুহৰ সংখ্যা বাঢ়ি যোৱাত চাহিদা পুৰাবলৈ ব্যৱসায়ৰ ভৰি দীঘল হৈ পৰে।

মুকুন্দ, ঈৰ্শ্বাদ, হামিদ বা গোনা, চাজ্জান, গোলাম আলি আদি প্ৰত্যেকেই এই আন্ধাৰ জগতৰ একোটা যেন দৈত্য। লাহে লাহে মুকুন্দৰ মনত এই ক'লাজগতখনৰ কাৰবাৰবোৰৰ বিষয়ে ধাৰণা দৃঢ় হ'ল। ঠিক যেন দেউতাই কোৱা '*স্মাগলিঙ'ত ধন পোৱাটো গৌণহে, স্মাগ্লিঙ কৰি পোৱা তৃপ্তিখিনিহে মুখ্য।*' ক'লা কাৰবাৰ যেন কেৱল কাৰবাৰেই নহয়, ই নৃত্য-গীতৰ দৰে মোহনীয় বিদ্যা। এই কাৰবাৰৰ গৰ্ভত মনোনিবেশ কৰিয়ে— ঈৰ্শ্বাদে মাকুম আৰু তিনিচুকীয়াৰ ফালে তেলকল, কাঠমিল কৰাৰ বাদেও চাহ বাগিছাৰ মালিকো হৈ পৰিল। ঈৰ্শ্বাদৰ এইবোৰ কৰি মনত দুঃসাহসিক আনন্দ আহে।

ঈৰ্শ্বাদৰ ক'লা সাম্ৰাজ্যৰ বিস্তাৰৰ বাবে মুকুন্দক পাকিস্তান সীমান্তৰ নিকটৱৰ্তী ৰাজস্থানৰ ঠাইলৈকো পঠাইছিল। কানি অনা আৰু ব্যৱসায় বৃদ্ধিৰ হেতুকে মুকুন্দক ঈৰ্শ্বাদে যিদৰে ব্যৱহাৰ কৰিছিল সেইদৰে মৰম আৰু টকাৰে ওপচাই দিছিল। মুকুন্দই কলকাতা, ৰাজস্থান আদি বিভিন্ন ঠাইলৈ মাল পৰিবহন প্ৰতিষ্ঠানৰ লগত গঢ়ি তোলা সম্পৰ্কত ঈৰ্শ্বাদৰ তাৰ প্ৰতি দৰদ জাগি উঠে। মদমত্ত ঈৰ্শ্বাদে নিজৰ সাম্ৰাজ্য বৃদ্ধিৰ বাবে মানুহক হত্যা কৰা, প্ৰতিদ্বন্দ্বীক হত্যাৰ বিষয়টো তেনেই সাধাৰণ ঘটনাৰ দৰে লয়। যেন কোনো পৰিৱেশেই সৃষ্টি হোৱা নাই। যিটোৰ বাবে মুকুন্দই তীব্ৰ মানসিক দ্বন্দ্বত ভোগে। দেউতা আৰু বছিৰৰ প্ৰতি মুকুন্দ আৰু ঈৰ্শ্বাদৰ বিৰল মৰম আছে।

উপন্যাসত ঈৰ্শ্বাদৰ ধাৰণা হ’ল যে একালৰ আব্দুলাৰ আজ্ঞাবহ গোলাম আলি— তেওঁ প্ৰতিপক্ষ হৈ এই ক’লা জগতখন হস্তগত কৰিব খুজিছে। আৰম্ভ হ’ল সংঘাত। সেয়ে ৰাজনীতিৰ গৰ্ভত এই ক’লা সাম্ৰাজ্যৰ বিৰল আশ্ৰয়ে এই জগতখনক নতুন মাত্ৰা দিলে। ৰাজনীতিৰ জগতখনক  আনকি আবকাৰী মন্ত্ৰী, মুখ্যমন্ত্ৰী, পৰিবহন মন্ত্ৰীৰ হাতলৈ বুজন পৰিমাণৰ ধন আহিবলৈ লয়। ফলত ৰাজনীতিৰ কৃপা ধন্যতাৰে এই ক’লা ব্যৱসায়ী চলাই গ’ল। ঈৰ্শ্বাদহঁতৰ বেপাৰীবোৰ ইমান শক্তিশালী হৈ পৰিল যে, আনকি চৰকাৰ ভঙা-পতা, মুখ্যমন্ত্ৰী সলনি কৰা, মন্ত্ৰীৰ দপ্তৰ কৰ্তন কৰা সকলো কাম বিনাদ্বিধাই ধনৰ বলত কৰিব পৰা হ’ল। এক কথাত ৰাজনীতিকসকল ক’লা ব্যৱসায়ীসকলৰ হাতৰ মুঠিত যেন বন্দী হৈ পৰিল।

ধনৰ গোপন লেনদেন, ব্যৱসায়ীক হত্যা যেন তেনেই সৰু ঘটনাত পৰিণত হ’ল। ইয়াৰ প্ৰমাণ— কলকাতাৰ ‘গাৰ্ডেন বিচ’ৰ এক দেহোপজীৱিনীৰ ঘৰত আব্দুলাক গুলিয়াই মাৰি এক কুখ্যাত গলিত পেলোৱা, এইবোৰত পেছাদাৰী খুনীক ব্যৱহাৰ কৰাটো মন কৰিবলগীয়া।  ভিতৰুৱা কন্দল, প্ৰতিশোধ আৰু হত্যাৰ ফলত আব্দুলাৰ দলটো থানবান হৈ পৰাত ঈৰ্শ্বাদৰ দলৰ প্ৰভুত্বই বিশেষ ৰূপ পৰিগ্ৰহ কৰিছিল।

বিমোচন এজন সাধাৰণ মজদুৰৰ সন্তান। ক’লা সাম্ৰাজ্যৰ আশীৰ্বাদত সি এদিন ৰাজনীতিত প্ৰৱেশ কৰি মন্ত্ৰীত্ব লাভ কৰিছিল। ৰাজনীতিত বিধায়ক হোৱাৰ কালত গোলাম আলিয়ে তেওঁক প্ৰচুৰ পৰিমাণে ধন দিছিল। ফলত শ্ৰমমন্ত্ৰীৰ  দৰে গুৰুত্বপূৰ্ণ পদবীত বিমোচন মহালী নিযুক্ত হৈছিল। ফলত বিমোচন মহালীৰ ছত্ৰছায়াত গোলাম আলীহঁতে ভীষণ প্ৰতিপত্তি লাভ কৰে ক’লা বজাৰখনত। আনকি বিমোচনৰ আশীৰ্বাদত গোলাম আলীহঁতে ঈৰ্শ্বাদৰ ওপৰতো অধিকাৰ কৰিব খুজিছে।

আৰক্ষী বিষয়া, আবকাৰী বিষয়া, ৰাজনৈতিক নেতাৰ পৰা মন্ত্ৰী সকলোৰে হাতত ক’লা বজাৰৰ ঘটনা প্ৰবাহে নতুন পৰিচয় লাভ কৰিলে। যেন আইন-কানুনৰ প্ৰতি চৰম অপমান। দেশত এনেদৰে চৰকাৰ-প্ৰশাসনৰ চকুৰ আগতে কানি, ড্ৰাগছ, আফিং আদিৰ ব্যাপকতাৰ ফলত সংবিধান, গণতন্ত্ৰ, অফিচ, আদালত সকলো যেন তুচ্ছ হৈ পৰিল। এনেবোৰ ঘটনাৰ মাজত হত্যা যেন এক সাধাৰণ ঘটনা হৈ পৰিল। ঈৰ্শ্বাদৰ কথাৰ পৰাই তাৰ প্ৰমাণ

জিলিকি আছে। যেনে—

> *অলপ পৰৰ পিছত এটা কুৎসিত চেহেৰাৰ লেংপেং মানুহ ঈৰ্শ্বাদৰ ওচৰত থিয় হ'লহি। মুকুন্দই গুলীয়াই বন্দী কৰি অনা মানুহটোৰ নাম ধাম জানি লৈ ঈৰ্শ্বাদে ছয় নম্বৰত (হত্যাকাৰী) ক ক'লে— "সি থাকিব নালাগে। কামটো 'ৰেইড'ৰ আগতেই হ'ব লাগে।*[৬]

মৌচম মঞ্জিল। ঈৰ্শ্বাদৰ এই বৃহৎ গৃহটি ক'লা সাম্রাজ্যৰ যেন নৰক সাম্রাজ্য। মুকুন্দৰ দুই পুত্র ৰঞ্জু আৰু চানুৰ। সিহঁত ক্রমশঃ ডাঙৰ হৈ আহিছে। মুকুন্দই সিহঁতক ডাঙৰ মানুহ কৰাৰ সপোন দেখে।

লাহে লাহে মুকুন্দৰ প্রভাৱ ইমান বৃদ্ধি পালে যে চহৰৰ মন্ত্রী, মুখ্যমন্ত্রী, উপায়ুক্ত, আৰক্ষী অধীক্ষক, ডাঙৰ ব্যৱসায়ী, অন্যান্য বিষয়াসকলেও মুকুন্দক এতিয়া সমীহ কৰি চলে। অন্যহাতে ঈৰ্শ্বাদৰ বয়স আৰু বেমাৰে তাৰ শৰীৰত বাহৰ পাতি তাক যেন ক্রমশঃ পংগু কৰি আনিছে। চিকিৎসকেও তাক মদ খোৱাটো মানা কৰি দিছে। হাৰ্টৰ দুৰ্বল অৱস্থিতিয়ে ঈৰ্শ্বাদক জুৰুলা কৰি অনাত এতিয়া মুকুন্দৰ ওপৰতে সি বহু পৰিমাণে নিৰ্ভৰ কৰিব লগা হৈছে। ঈৰ্শ্বাদৰ বাবে মুকুন্দই এতিয়া একমাত্র ভৰসা। দুৰ্দান্ত, নিষ্ঠুৰ, হত্যাৰ যোগেদি সমাধান বিচৰা এটা স্বাভাৱিক হত্যাকাৰী ঈৰ্শ্বাদেও মুকুন্দৰ ওপৰত আস্থা ৰখাৰ বাহিৰে অন্য কোনো বিকল্প নাছিল।

উপন্যাসখনত চীনে ভাৰত আক্রমণ কৰা, ভাৰতৰ মাটি দখল কৰি পুনৰ আঁতৰি যোৱা প্রসংগই ভাৰতৰ ডাংকোপ মৰা চৰিত্রক এশিকনি দি গ'ল।

ক'লা বেপাৰীসকলৰ জীৱনৰ বাটে ৰাজনৈতিক মহলত লাভ কৰা গুৰুত্বই ইমান পৰ্যায় পালেগৈ যে, ঈৰ্শ্বাদ বা অন্যান্য ব্যৱসায়ীয়ে ৰাজনীতিৰ ছত্রছায়াত উজনি অসমত মদৰ মহল, শিল-বালিৰ মহল আদিৰে ক'লা বজাৰ আৰু ৰাজনীতিক জগতখন একেটা মুদ্রাৰে ইপিঠি-সিপিঠি হৈ পৰিল।

অসমৰ ৰাজনীতিৰ অন্যতম কেন্দ্রস্থল শ্বিলং পাহাৰ। এই চহৰৰ পাইন উড হোটেল, প্লাইমাউথ আদিত ৰাজনীতিকৰ আৰু ক'লা সাম্রাজ্যৰ বিস্তাৰৰ ক্ষেত্রত পৰিণত হ'ল। অবৈধ ক'লা ধনৰ লেনদেন, দেহোপজীৱিনীৰ বেশ্যাবৃত্তিৰ স'তে এওঁলোকৰ নিবিড় সম্পৰ্কই বহু কথাৰ বাৰ্তা বহন কৰে। ইয়াত লাখ লাখ টকাৰ বিনিময়ত পাৰ্মিট, লাইচেন্স আদি পাবলৈ

গোপন লেনদেন আৰু বন্দোৱস্ত হয়। মন্ত্ৰী, সচিব, উপসচিব, সঞ্চালক আদিৰ নৈশ যাপনৰ গোপন কাৰবাৰে উপন্যাসখনক নতুন ৰূপ দিছে। মেদবহুলা পতিহীনা প্ৰৌঢ়ৰ বৈচিত্ৰ্য বিলাসী পতি ইয়াত মধ্যবিত্তৰ নৈতিকতাক নেওচা দিয়া, ধন আৰু সম্ভোগক প্ৰশয় দিয়া কোনোবা মায়াবিনীৰ বাহুবন্ধনত পৰিতৃপ্ত হয়হি। ডাঙৰ ডাঙৰ শিল্পপতিৰ এজেণ্টবোৰে পাইন উডত থিতাপি লয়।

ইতিমধ্যে এক হৃদযন্ত্ৰৰ ক্ৰিয়াত ঈৰ্শ্বাদৰ মৃত্যু হয়। ক'লা সাম্ৰ্যজাৰ সম্ৰাট ঈৰ্শ্বাদৰ মৃত্যুত মুকুন্দ বিমৰ্ষ হৈ পৰে। ইৰ্শ্বাদৰ কেইবাগৰাকী পত্নী, উপপত্নী, বছিৰ, দেউতা, ঈৰ্শ্বাদৰ পিতা-পুত্ৰ আনকি যশোৱাও বৰ বিমৰ্ষ হৈ পৰিল। ইৰ্শ্বাদৰ মৃত্যুয়ে বহু কথাই যেন কৈ গ'ল।

উপন্যাসখনত দেউতা, বছিৰ, যশোৱা, মুকুন্দৰ মুখত নিসৃত ঘোষা, জিকিৰ, কীৰ্তনৰ নাম মনকৰিবলগীয়া। ক'লা সাম্ৰাজ্যৰ হত্যা, লুণ্ঠন আৰু চোৰাং কাৰবাৰৰ মাজত থাকিও এওঁলোকৰ হৃদয়ত ঈশ্বৰ বা আল্লাৰ প্ৰতি থকা গভীৰ বিশ্বাস আৰু প্ৰেমে *পাতাল ভৈৰৱীক* নতুন ৰূপ প্ৰদান কৰিছে। যেনে— ঘোষাত কৈছে—

> বালকে কৰোক বহু মান   যুবায়ে সেবোক পাৰেমান   বৃদ্ধ বিষয়ৰ বহিৰ্ভূত হুয়া
> গৈলÛহৰি হৰি কবিাক নাপাৰায়   তথাপিতো আশা নছাড়য়হৰি হৰি হুৰি কিনো
> বিপৰীত ভৈল।। বৃদ্ধসৰে জানা বিষয়ক   ভোগ কৰিবাক নেপাৰয়Ûজিহ্বা লড়বড়
> কৰি মাত্ৰ চেলকয়।[৭]

অন্যহাতে পৰিতালৰ ঘাঁত ঃ

‘ তৌ তা খিতিতা খিতৌ ধে ধেন থেই
ধেন থেই নিতা খিতি তৌ[৮]

এনে সংস্কৃতিৰ বিৰল ভক্তিৰসৰ প্ৰেমে সঁচাই উপন্যাসখনক মাত্ৰা দিছে।

এচাম মানুহে কেনেকৈ ক'লা বজাৰৰ দ্বাৰা সংঘটিত ধনবান মানুহলৈ ৰূপান্তৰ হৈছে তাৰ প্ৰকাশ *পাতাল ভৈৰৱীত* বিদ্যমান। বোম্বাইৰ আটাইতকৈ ডাঙৰ চোৰাং কাৰবাৰী মোস্তাফা আলম পূৰ্বে বন্দৰত কুলীৰ কাম কৰিছিল। লক্ষ্ণৌৰ আন্ধাৰৰ ৰজা মতিউৰ, কুতুব আৰু আক্ৰাম পূৰ্বে ৰিক্সাচালক আছিল। শিলিগুৰিৰ সুনীল পুৰকায়স্থ, ৰবি চন্দ, বিমল ভৌমিক আৰু চন্দ্ৰ দাস চিনেমাহলৰ গেট কিপাৰ, বেশ্যাগলিৰ মাতবৰ, পানদোকানী, টেক্সী ড্ৰাইভাৰ আদিত প্ৰবৃত্ত আছিল। কলকাতাৰ গাৰ্ডেন ৰিচ'ৰ চিৰাজ, সুইড, আৰিদ আৰু ঘনশ্যাম

জাহাজৰ খালাচী, হকাৰ, ৰেস্তোঁৰাৰ বয়, ঘনশ্যাম আছিল এজনী থিয়েটাৰ অভিনেত্ৰীৰ তোলনীয়া পুত্ৰ।

ক'লা সাম্ৰাজ্যৰ ক্ষেত্ৰত এতিয়া মুকুন্দৰ অনেক ধন অনেক সম্পত্তি। মদৰ মহল, হোটেল, কাঠমিল ইত্যাদি। কিন্তু এই ধনৰ বল যেন তাৰ বাবে এতিয়া বোজা। সি মনে প্ৰাণে এই ক'লা জগতৰ পৰা ওলাই আহিব বিচাৰে। কিন্তু বিষয়টো ইমান সহজ হৈ থকা নাছিল। কাৰণ তাক যিকোনো সময়তে হত্যা কৰিব পাৰে।

এনে সময়তে এক ঘটনাই মুকুন্দক বৰ বিমৰ্ষ কৰি তুলিলে। তাৰ মৰমৰ পত্নী যশোৱাৰ গাত কেন্সাৰৰ দৰে দুৰাৰোগ্য ৰোগ ধৰা পৰিল। যশোৱাই গম পালে তাইৰ আৰু বৰ বেছি দিন নাই। মুকুন্দই নানা চিকিৎসা কৰিলে। দুই পুত্ৰ ৰঞ্জু আৰু চানুৰ চকুত যেন পানীৰ বন্যা নিৰন্তৰ ব'ব ধৰিলে।

মুকুন্দই মনতে ঠিৰাং কৰিলে সি এটা চিনেমা হ'ল নিৰ্মাণ কৰিব। কাজেই বাহিৰৰপৰা আৰ্কিটেক্ট ইঞ্জিনীয়াৰ আনি পোনতে নক্সা আঁকি যথাৰীতি অনুমতিৰে নিৰ্মাণ কাম আৰম্ভ কৰিলে। দ্ৰুতগতিত নিৰ্মাণ কাম আগবাঢ়িল। সি তাৰ গৃহভূমি কান্ধুলিজানলৈ গ'ল। তাত পথ নিৰ্মাণ, পথাৰৰ শইচ উৎপাদনত থকা বেমেজালি, কৃষি বিভাগৰ বিষয়াৰ হেমাহিৰ বাবে সি নিজে কিছু কাম কৰিলে। দলং নিৰ্মাণৰ দৰে কামত মুকুন্দই চৰকাৰী বিষয়াক দিয়া ভাবুকিত তেনে বিষয়াই ততাতৈয়াকৈ কাম কৰি কান্ধুলিজানত এক যেন বিপ্লৱ গঢ়ি তুলিল। মুকুন্দৰ প্ৰতি কান্ধুলিজানৰ মান গদ্ গদ্ হৈ পৰিল।

ইয়াৰ মাজতে ক'লা জগতৰ প্ৰতি বিৰাগভাজন হৈ পৰা মুকুন্দই যেন নিজকে নিজে কৈছে—

> মুকুন্দ, তেনেহ'লে তই অসুখী। তোৰ টকা হৈছে, প্ৰতিপত্তি হৈছে। কিন্তু এইবোৰত লেটিপেটি হৈ আছ কাৰণে তোৰ জীৱনৰ আচল বস্তু দুটাই নাই। মনৰ সুখ আৰু দেহৰ জিৰণি। এনে তৰা-নৰা ছিঙা ব্যস্ত জীৱন, ধন, সম্পত্তি গোটাবৰ বাবে এই যে শহাপহুৰ দৌৰ এইবোৰৰ কিবা অৰ্থ আছেনে, মুকুন্দ? আঘোণত তোৰ পঞ্চাছ বছৰ পাৰ হ'ল। জীৱনৰ গতি মন্থ্ৰ কৰিবলৈ হ'ল। লোভ-বাসনাক সীমাৰ মাজত ৰাখিবৰ সময় হ'ল। অসংযমীৰ শাস্তি আছে। গতিকে তোৰ মনক দমাবৰ হ'ল।

তোৰো কাল চাপি আহিছে। চাই মাত্ৰ যাকে কালে ধৰে যেতিক্ষণ।[৯]

দেশত ইন্দিৰা গান্ধী প্ৰধান মন্ত্ৰীয়ে যি ধৰণৰ শাসন চলালে সিয়ে দেশত এক অৰাজক পৰিস্থিতিৰ জন্ম দিলে। **১৯৭৫** চনৰ **২৫** জুনত দেশত জৰুৰী অৱস্থাৰ সৃষ্টি হ'ল।[১০] জয়প্ৰকাশ নাৰায়ণ প্ৰমুখ্যে ডাঙৰ ডাঙৰ নেতাসকলক কাৰাগাৰত নিক্ষেপ কৰিলে। কিন্তু **১৯৭৭** চনৰ নিৰ্বাচনত ইন্দিৰা গান্ধী আৰু তেওঁৰ দলৰ শোচনীয় পৰাজয়ৰ ফলত মোৰাৰজী দেশাইৰ নেতৃত্বত দেশত জনতা চৰকাৰ গঠন হয়।[১১] অসমত তাৰ ব্যতিক্ৰম হ'ল। শৰৎ চন্দ্ৰ সিংহৰ চৰকাৰৰ পতন ঘটি নিৰ্দলীয় আৰু অন্যান্য সুবিধাবাদী বিধায়কৰদ্বাৰা গোলাপ বৰবৰাৰ মুখ্যমন্ত্ৰীত্বত জনতা চৰকাৰে শপত ল'লে। এই নিৰ্বাচন কালতে যথেষ্ট ক'লা সাম্ৰাজ্যৰ ধন জন ব্যৱহাৰ হৈছিল।

যথাসময়ত চিনেমা হ'লটি সম্পূৰ্ণ হৈ উঠিল। নাম ৰখা হ'ল যশোৱা। যেন মুকুন্দই বহু পূণ্যৰ কাম কৰি পেলালে। কিন্তু চিনেমা হ'ল যশোৱাৰ উদ্বোধনৰ আগদিনাই যশোৱাই মৃত্যুক সাৱটিলে। মুকুন্দৰ জীৱনৰ গতি হঠাৎ স্তব্ধ হৈ পৰা যেন হ'ল।

কান্ধুলিমুখত যশোৱাৰ মৃত্যুৰ পিছত মুকুন্দই কামত মনোনিৱেশ কৰিলে। ইয়াৰ বাবে স্বামী ধীৰেন ৰংপি (নিজে কাৰবি মানুহ) বুদ্ধিজীৱীজনৰ নানা পৰামৰ্শ মুকুন্দই গ্ৰহণ কৰে। যশোৱাৰ মৃত্যুত মন্ত্ৰী শৰ্মা, তেওঁৰ সচিবজন, চিত্ৰ পৰিৱেশক মেহৰা, আবকাৰী বিভাগৰ বিষয়াকেইজনমান, আবকাৰী উপায়ুক্ত চানক্য বৰঠাকুৰ, আৰক্ষী অধীক্ষক নীলমনি হাজৰিকা আদিয়ে ৰঞ্জ, চানুৰ আৰু মুকুন্দক সান্ত্বনা দিলে।

যশোৱাৰ শৱদেহৰ কাষত বহি মুকুন্দই তাৰ ভৱিষ্যত কাম পন্থাৰ বিষয়ে ভাবিলে। যশোৱাই কোৱা গুৰুত্বপূৰ্ণ কথা এষাৰ তাৰ কাণত বাজিল— যিটো কাম কৰি ভাল লাগে, যিটো কাম আসক্তি আৰু উদ্বেগ নোহোৱাকৈ কৰিব পাৰি।

মুকুন্দই কৰ্তব্যৰ লগত সুখৰ কি সম্পৰ্ক জানিব বিচৰাত স্বামী ৰংপিয়ে ক'লে— এই সম্পৰ্কৰ কথা ধন বলিয়া মানুহবোৰে নেভাবে কাৰণেই পৃথিৱীত অশান্তি। এয়ে মানুহ অসুখী হোৱাৰ ঘাই কাৰণ। গীতাত আছে—

কিং কৰ্ম কিমকৰ্ম্মোতি কৰয়োহপ্যএ মোহতিঃ।
তত্তে কৰ্ম এৱক্ষ্যামি যজ্জাত্বা মোক্ষমেসহশুভাৎ।।[১২]

ইয়াৰ পিছতে মুকুন্দই সুখৰ সন্ধানত ৰপ্ত হোৱাৰ প্ৰয়াস কৰিলে। ইতিমধ্যে নিৰ্বাচনৰ ব্যস্ততাৰ বাবে মন্ত্ৰীয়ে যশোৱা চিনেমা হল উদ্বোধন কৰিবলৈ নাহিল। মহুৱামুখৰ মোহিনী ৰাজকুমাৰীয়েই 'যশোৱা' মুকলি কৰিলে।

মন কৰিবলগীয়া যে, ঔপন্যাসিকে *পাতাল ভৈৰৱীত* যিবোৰ মানুহৰ দ্বাৰা ক'লা জগতৰ বেহাৰ চোৰাং কাৰবাৰ দেখুবা বিচাৰিছে তাত বহুতো মানুহ পূব পাকিস্তান অৰ্থাৎ বাংলাদেশৰ পৰা অহা বুলি কোৱা হয়।

মুকুন্দৰ মনৰ পৰিৱৰ্তন হ'ল। কিন্তু দেউতা আৰু বছিৰৰ তেনে পৰিৱৰ্তন দেখা নগ'ল। কান্ধুলিজানত মুকুন্দই নানা আঁচনি লৈ কাম কৰিব ল'লে। তাৰ মনত ভাব হ'ব ধৰিলে যে ঈৰ্ষাদে গঢ়ি তোলা ক'লা বেপাৰৰ সাম্ৰাজ্যখন হয়তো ভাগি যাব।

ৰাজনীতি আৰু অপৰাধ এই দুটা যে ইপিঠি-সিপিঠি তাৰ জ্বলন্ত প্ৰমাণ পোৱা গ'ল **১৯৭৮** চনৰ জানুৱাৰী মাহত হোৱা অসম বিধান সভাৰ নিৰ্বাচনত। সেই সময়ত সমগ্ৰ দেশ জুৰি ৰাজনৈতিক এক আমূল পৰিৱৰ্তন হয়। অন্ধ্ৰত চেন্না ৰেড্ডী, কৰ্ণাটকত দেৱৰাজ ৰাৰ্চৰ চৰকাৰ দৃঢ়। সেয়ে তাত কংগ্ৰেছৰ ভয় নাই। অসমত শৰৎ সিংহৰ চৰকাৰৰ প্ৰতি ভাবুকি আহিল কেন্দ্ৰৰ শাসনাধিস্থ জনতা চৰকাৰৰ বাবে। ইয়াত ব্যৱসায়ীসকলে বিশেষকৈ ক'লা সাম্ৰাজ্যৰ বেপাৰীবোৰে দুয়োপক্ষকে ধন- বিট দি নিৰ্বাচনত সহায় কৰিলে। দল বাগৰা ৰাজনীতিয়ে ব্যাপক ৰূপ পৰিগ্ৰহ কৰিলে। কান্ধুলিজানৰ নতুন সূৰ্য হ'ল মুকুন্দ। তাৰ নিৰ্দেশতে কান্ধুলিজান অঞ্চলত ৰাজনীতি চলে। সেয়ে ৰাজনৈতিক দলবোৰে ভয় খালে। দুয়োটা প্ৰধান দলেই মুকুন্দক প্ৰাৰ্থী কৰিবলৈ কাষ চাপিল। কিন্তু মুকুন্দই এমএলএৰ পদবীৰ বাবে প্ৰাৰ্থীত্ব প্ৰত্যাখ্যান কৰিলে।

ৰাইজৰ অশেষ চেষ্টা, ইচ্ছা, সমদল, ধৰ্ণা আৰু স্বামীজী ৰংপীৰ নিৰ্দেশত মুকুন্দই প্ৰাৰ্থীত্ব গ্ৰহণ কৰিলে। মুকুন্দ খাওন্দ, অনুপ কলিতা, ৰেণু আদিৰ সংগীন ক্ষমতাই মানুহক আকৰ্ষিত কৰিলে আৰু অন্যান্য ৰাজনৈতিক শক্তিক বিমোৰত পেলালে।

ৰজা ভঙা-পতা কৰা শিল্পপতি দশানন যাদৱ ভীষণ সমস্যাত পৰিল। এই লৈ শৰৎ চন্দ্ৰ সিংহ আৰু তেওঁৰ অনুগামীসকলো সমস্যাত পৰিল। দশানন যাদৱে দুয়ো পক্ষৰ লগত তাল মিলাবলৈ ল'লে। উভয়কে টকা-পইচা দি সহায় কৰিলে। ভেবুৰাম নেওগ মুকুন্দৰ প্ৰতিদ্বন্দ্বী।

ভেবুৰাম নেওগৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিল। ইয়াৰ বিপৰীতে মুকুন্দৰ লগত থকা ৰাইজে নিৰ্বাচনত নতুন ৰং দিলে। দশাননে কাকো ভয় নকৰে, মন্ত্ৰী কিম্বা শক্তিশালী ৰাজনৈতিক শক্তিকো। সি ভয় কৰে— সততাক, আদৰ্শক, চিন্তাৰ নতুন ঢৌক। সেয়ে মুকুন্দ তেওঁৰ চকুত এটা দৈত্যৰূপে দেখা দিলে।

দশাননে মুকুন্দক হত্যা কৰাৰ আঁচনি ল'লে। কিন্তু লগে লগে পৰিস্থিতিয়ে প্ৰতিকূলতাৰ জন্ম দিয়ে বুলি সেই আঁচনি ত্যাগ কৰিলে। বাপধনক হত্যা কৰি অন্ততঃ ছমাহলৈ মুকুন্দক এমএলএ হোৱাৰ পথ বন্ধ কৰিব। কিন্তু বাপধনকো হত্যা নকৰাৰ সিদ্ধান্ত ল'লে। সেয়ে দশাননে ভেবুৰাম নেওগকে হত্যা কৰাৰ আঁচনি পাতিলে। কাৰণ ভেবুৰামে মুকুন্দক হৰুৱাব নোৱাৰিব।

নিৰ্বাচনী প্ৰচাৰৰ কামত ভেবুৰামৰ জীপ গাড়ীখন জংঘলৰ কাষত চালকে বেয়া হৈছে বুলি ৰাখিলে আৰু তেনেতে ঘাঁহনিৰ মাজৰ পৰা অহা দুটা গুলীয়ে ভেবুৰামক হত্যা কৰিলে। ভেবুৰামৰ হত্যাৰ লগে লগে চহৰত তীব্ৰ চাঞ্চল্য হ'বলৈ ধৰিলে। কিন্তু এই সমস্ত ঘটনাৰ লগত মুকুন্দক জগৰীয়া কৰি হত্যাকাৰী সজোৱা হ'ল। পুৱাৰ আঞ্চলিক ৰেডিঅ'ৰ বাহিৰত শুনা গ'ল—

> প্ৰাৰ্থীৰ ৰহস্যজনক হত্যাৰ পিছত তেওঁৰ প্ৰতিদ্বন্দ্বী মুকুন্দ খাওন্দক আটক বন্দী হিচাপে ৰখা হৈছে। এই হত্যাকাণ্ডৰ বাবে আৰু লগতে ভোট দিয়াৰ সুযোগ হেৰুওৱাৰ বাবেও কান্ধুলিজানৰ ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰিছে।[১৩]

সমস্ত ৰাজনীতি মাফিয়াৰে ভৰি পৰিল। কিন্তু কান্ধুলিজানৰপৰা অহা চহৰমুখী হোৱা এক ভীষণ সমদলে কান্ধুলিজানৰ দৰিদ্ৰ নাৰায়ণৰ জীৱনকে পবিত্ৰ আৰু নিষ্কলুষৰূপে যেন তুলি ধৰিলে। থানাৰ সমুখত হাজাৰ হাজাৰ মানুহ আৰু মানুহৰ দাবী— মুকুন্দক চৰ্তহীনভাৱে মুকলি কৰি দিব লাগে। মানুহৰ ভীষণ ৰূপ দেখি মুকুন্দৰ দুগালেৰে লোটক বৈ আহিল।

এখন অন্ধকাৰ জগতৰ বিৰল ঘটনা প্ৰবাহক তুলি আনি *পাতাল ভৈৰৱীত* লক্ষ্মীনন্দন বৰাই ষাঠি আৰু সত্তৰ দশকৰ অসমৰ সমাজ জীৱনৰ যি ভয়লগা অৰ্থনৈতিক আৰু ৰাজনৈতিক দৃশ্যসজ্জা প্ৰস্তুত কৰিলে যিয়ে মানুহক হতচকিত কৰি তুলিলে।

উপন্যাসে সৰ্বধৰ্মৰ প্ৰতি থকা সদ্‌ভাব প্ৰকট কৰাত ঐক্য আৰু সম্প্ৰীতিৰ দিশটোক বলিষ্ঠৰূপে দেখুওৱা হিন্দু-শিখ-খ্ৰীষ্টান, মুছলমানৰ বিভিন্ন ধৰ্ম বাণী প্ৰকাশ হোৱাত *পাতাল ভৈৰৱী* প্ৰাঞ্জল হৈ উঠিছে।

অশান্তি, উত্তেজনা বিৰাজ কৰা সমাজ এখনত শান্তিৰ বাট যে ধৰ্মই তৈয়াৰ কৰে তাকো ঔপন্যাসিকে বৰ কৌশলেৰে প্ৰয়োগ কৰিছে। নামঘৰৰ বৰ্ণনাই অসমীয়া সমাজ জীৱনৰ নিভাঁজ আধ্যাত্মিক দিশটোক তুলি ধৰিছে। উপন্যাসে গতি লাভ কৰোতে গ্ৰাম্য আৰু নগৰীয়া জীৱনৰ দ্বন্দ্ব আৰু নগৰীয়া জীৱনলৈ গ্ৰাম্য জীৱনে গতি লাভ কৰাটো মন কৰিবলগীয়া। ইয়াৰোপৰি পূজা, তন্ত্ৰ-মন্ত্ৰ, তান্ত্ৰিকৰ প্ৰভাৱক ঔপন্যাসিকে দাঙি ধৰিছে। পুৰণি বিশ্বাসবোৰ অবন্তি বুঢ়ীৰ মুখেৰে ঔপন্যাসিকে দাঙি ধৰাৰ চেষ্টা কৰিছে বাবেই উপন্যাসৰ বিষয়বস্তুৱে ৰূপ পৰিগ্ৰহ কৰিছে।

ক'লা জগতৰ বিৰল দুৰ্নীতি, হত্যা, ৰাজনৈতিক ভণ্ডামী, উশৃংখলতা, দেহ ব্যৱসায়ী, হোটেলত হোৱা কদৰ্য কৰ্মকাণ্ড, ব্ৰহ্মপুত্ৰৰ পাৰৰ জীৱন জগতখনৰ মানুহৰ মাজত বিয়পি পৰা ভাং, কানি, ড্ৰাগছৰ প্ৰকোপে ভাৰত জুৰি ক'লা ব্যৱসায়ীৰ ৰং লোৱা, মুখ্যমন্ত্ৰীৰ পৰা পিয়নলৈকে সকলোৱে দুৰ্নীতিত লিপ্ত হোৱা বিষয়বস্তুৱে *পাতাল ভৈৰৱী*য়ে এক নিজস্ব চৰিত্ৰ গঠন কৰিব পাৰিছে আৰু ঔপন্যাসিকৰ গভীৰ অনুসন্ধিৎসু মনৰ প্ৰজ্ঞাৰ চেতনাৰে বিধৌত মনৰ মাজৰ সৃষ্টিশীল জীৱনৰ বাটে উপন্যাসখনক প্ৰাণৱন্ত কৰি তুলিছে।

**২.০৩ গণদেৱতা, পঞ্চগ্ৰাম উপন্যাসৰ বিষয়বস্তু ঃ**

ভাৰতীয় সাহিত্য আৰু আধুনিক ভাৰতীয় উপন্যাস সাহিত্যত বংগৰ জীৱন জগত বিশিষ্ট ভূমিকাৰে সমুজ্জল। ভাৰতীয় উপন্যাস সাহিত্যত তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰচনাৰাজীয়ে এক বিশেষ ভূমিকা পালন কৰি আঞ্চলিক উপন্যাসত প্ৰদান কৰা চৰিত্ৰ চিত্ৰণে পৰিগ্ৰহ কৰা ৰূপৰেখাৰ গাত ভেঁজা দিয়েই পৰৱৰ্তী সময়ৰ আঞ্চলিক উপন্যাসৰ বাট চিকুণাই ৰাখিছে। মূলতঃ বাংলা ভাষাৰ এইগৰাকী ঔপন্যাসিকৰ অন্যতম উপন্যাস *গণদেৱতা, পঞ্চগ্ৰাম*ৰ মূল্যমান বাংলা সাহিত্যত অপৰিসীম। তেখেতৰ নিৰ্বাচিত উপন্যাস *গণদেৱতা* আৰু *পঞ্চগ্ৰাম*ৰ মাজত ভাব আৰু ৰূপগত দিশৰ পৰা বিশেষ প্ৰভেদ পৰিলক্ষিত নহয়। দুয়োখন উপন্যাসেই যেন এক নিৰ্দিষ্ট চেতনাকে প্ৰতিনিধিত্ব কৰিছে। বংগৰ বঙালীসমাজৰ স্বাভিমান, ঐতিহ্য চেতনা,

আধ্যাত্মিক দৰ্শন, সামাজিক উৎসৱ, পূজা-পাৰ্বণ, অৰ্থনৈতিক ব্যৱস্থা, ৰাজনীতিৰ কথকতাক তাৰাশংকৰ বন্দ্যোপাধ্যায়ে জীৱন উপন্যাস দুখনত নিখুটভাৱে তুলি ধৰিছে।

*গণদেৱতা-পঞ্চগ্ৰাম* উপন্যাস বাংলা সাহিত্যৰ এক পৰিশীলিত উল্লেখযোগ্য সম্পদ। বাংলা সাহিত্যৰ এই উপন্যাসে ভাৰতীয় অন্যান্য ভাষাৰ উপন্যাস তথা সাহিত্যক এক বিশেষ দৃষ্টিকোণ প্ৰদান কৰিছে।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ দ্বাৰা ৰচিত এই বৃহৎ কলেৱৰৰ উপন্যাসখনিৰ দুটি অংশ *গণদেৱতা* আৰু *পঞ্চগ্ৰাম* ১৯৪২ চনৰ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ভাৰত ত্যাগ আন্দোলন আৰু দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰৱল ধামখুমীয়াত প্ৰকাশিত হয়। গুৰুত্বপূৰ্ণ কথাটো হ'ল যিদৰে স্বাধীনতাৰ বাবে ভাৰতীয় মানুহৰ উন্মাদনা, আকাংক্ষা আৰু গভীৰ প্ৰত্যয় সংগ্ৰামৰ গৰ্ভত জী উঠিছিল, সামন্তবাদী বৃটিছক বিতাড়িত কৰাৰ দুৰ্বাৰ স্বপ্নই এক নতুন ৰূপ পৰিগ্ৰহ কৰিছিল, ঠিক তেনেদৰে *গণদেৱতা*তো ৰক্ষণশীল বংগৰ গ্ৰাম্য সমাজ ব্যৱস্থাত থকা নানা অবিশ্বাস আৰু কৰ্মস্পৃহাৰ স্বাধীন চেতনাই ব্যক্তিক প্ৰভাৱিত কৰে। *গণদেৱতা* প্ৰথম প্ৰকাশিত হৈ ওলোৱাৰ পূৰ্বে *গণদেৱতা*ৰ অংশটি মাহেকীয়া পত্ৰিকা *ভাৰতবৰ্ষত, চণ্ডীমণ্ডপ* নামেৰে প্ৰকাশিত হৈছিল। এই অংশটোকেই ঔপন্যাসিকে গ্ৰন্থকাৰে প্ৰকাশ কৰোঁতে *গণদেৱতা* নামাকৰণেৰে নামাকৰণ কৰে। পৰৱৰ্তী খণ্ডটি *পঞ্চগ্ৰাম* নামেৰে প্ৰকাশিত হৈছিল ১৯৪৪ চনত। মূলতঃ মন কৰিবলগীয়া কথা এয়ে যে, এই দুই গ্ৰন্থৰ মাজত ভাবগত, ৰূপগত পাৰ্থক্য নাই। কাহিনীৰ গতিয়ে অগ্ৰসৰ হওঁতে কোনো ধৰণৰ যতি নকৰাকৈ একেটা লয় বা প্ৰবাহেৰে যি পৰিশীলিত সাৱলীলতাৰে উপন্যাসখন আগবাঢ়িছে তাক চণ্ডীমণ্ডপ, পঞ্চগ্ৰাম নামাকৰণেৰে স্পষ্টকৈ ভাগ ভাগ কৰি নিদিয়ালৈকে দুখন গ্ৰন্থ হিচাপে বা একে গ্ৰন্থৰে প্ৰাকখণ্ড বা পূৰ্বখণ্ড আৰু উত্তৰখণ্ড বুলি চিনাক্ত কৰাও কঠিন। অন্যহাতে ঔপন্যাসিকে উপন্যাসৰূপে গ্ৰন্থখন প্ৰকাশ কৰোতে প্ৰথম অংশৰ নাম *চণ্ডীমণ্ডপ,* দ্বিতীয় অংশৰ নাম *পঞ্চগ্ৰাম* আৰু দুয়োটা অংশক সংপৃক্ত কৰি *গণদেৱতা* নামাকৰণ কৰাৰ কথাই ভাবিছিল। দুয়োটা অংশৰে এটাই মাত্ৰ প্ৰভেদ। প্ৰথম অংশৰ কাহিনী ভাগৰ মূল অৱলম্বন এখন গাঁও। শিৱকালীপুৰ আৰু দ্বিতীয় অংশত কাহিনীৰ বিস্তৰভূমি শিৱকালীপুৰকে ধৰি শিৱকালিপুৰৰ চৌদিশৰ মুঠ পাঁচখন গাঁও—ক্ৰমে, কংকনা, কুসুমপুৰ, মহাগ্ৰাম আৰু দেসুতিয়ালৈকে বিস্তৃত কথককলাৰ অৰ্থ গৰ্ভত সেই অঞ্চলৰ মানুহৰ জীৱনবোধ, ৰীতি-নীতি, অৰ্থনৈতিক বিধিব্যৱস্থাই ৰূপ পৰিগ্ৰহ কৰিছে।

বংগদেশৰ গংগা উপত্যকাৰ পশ্চিম প্ৰান্তৰ অংগ ৰাঢ় বাংলাৰ পটভূমিত ৰচিত *গণদেৱতা* উপন্যাসত গ্ৰাম্যজীৱন, চহা কৃষকজীৱনৰ আনন্দ-বিষাদ, হাঁহি-কান্দোন, জীৱনৰ দ্বন্দ্ব সংঘাতক নিৰ্দিষ্ট গতিপথেৰে ঔপন্যাসিকগৰাকীয়ে তুলি আনিছে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ বাবে এনে ধৰণৰ উপন্যাস লিখাৰ বাবে তেওঁক সহায় কৰিছে—তেওঁৰ জন্মভূমিয়ে। অৰ্থাৎ ৰাঢ়ৰ মাটিত জন্মি সেই মাটিতে সৰুৰে পৰা দেখি অহা প্ৰাক্-স্বাধীনতাৰ চিঞৰ আৰু স্বৰাজোত্তৰ সময়ৰ ৰাঢ় মাটিৰ স্পন্দনত কেনেকৈ জীৱনে ব্যৰ্থতা আৰু হতাশাৰ গৰ্ভত জীৱন অতিবাহিত কৰিব লগা হৈছে সেই মৰ্মকথাই তেখেত প্ৰকাশ কৰিছে। অৰ্থাৎ ঔপন্যাসিকে তেখেতৰ জীৱনত লাভ কৰা প্ৰত্যক্ষ অভিজ্ঞতাক অনুসন্ধান আৰু গৱেষণাৰ বাটেৰে মানুহৰ শিল্প ৰূপত প্ৰতিলিত কৰিছে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ে *গণদেৱতাত* ৰাঢ় অঞ্চলকে প্ৰতিনিধিত্ব কৰিছে—যিটো অঞ্চলক তেখেতে শিশু কালৰ পৰাই দেখি, বুজি জানি-শুনি যি অভিজ্ঞতা লভিছিল সেই কথা, বিষয় অভিজ্ঞতাসমূহকে স্মৰণ কৰিছে, সাহিত্য সুযমাৰে ৰূপ দি এক আঞ্চলিক উপন্যাসৰ ৰূপে পৰিগ্ৰহ কৰাইছে। সেই অভিব্যক্তিৰ বিশালতা ভাৰতীয় আঞ্চলিক উপন্যাসৰ অনন্য কথকতাৰ শিল্প চিন্তা।

মহাকাব্যোসম উপন্যাসখনিত জীৱন আৰু সমাজৰ বিশাল, বিস্তৃত আৰু মননশীল ৰূপ এটা হৃদয় উদ্বেলিত ৰূপতেই প্ৰতিফলিত হৈ উঠিছে। কাহিনীৰ গতিৰ লগে লগে গ্ৰন্থখনত অজস্ৰ চৰিত্ৰই স্বাভাৱিকভাৱেই অহা-যোৱা কৰিছে। কাহিনীৰ নায়ক কোন সেয়া সতকাই কোৱাটো কষ্টকৰ। বৰঞ্চ ক'ব পাৰি যে, কাহিনীৰ নায়ক এজন নহয়, বহুজন। দেবু ঘোষক সকলোতকৈ উল্লেখযোগ্য চৰিত্ৰ বুলি ক'ব পাৰি যদিও দুৰ্গা, পদ্ম, অনিৰুদ্ধ, বিশ্বনাথ, যতীন, শ্ৰীহৰি, তিলকড়ি আদি সকলোৰে যেন নিজ নিজ ধৰণে কাহিনীত গুৰুত্ব লাভ কৰিছে।

মহাকাব্যৰ বস্তুধৰ্মিতাও উপন্যাসখনৰ গতিৰ সমান্তৰালকৈ আৰম্ভণিৰ পৰা সমাপ্তি পৰ্যন্ত প্ৰৱাহমান হোৱাটো উল্লেখযোগ্য। মহাকাব্যিক বস্তুধৰ্মিতাৰে অনেক অসংখ্য চৰিত্ৰৰ মাজেৰে সেই যুগ তথা যুগসন্ধিৰ চিত্ৰ উপন্যাসখনিত অংকন কৰিছে, তাত যেন তৎকালীন জীৱন আৰু সমাজজগতৰ কোনো প্ৰসংগই উপন্যাসখনক বাট এৰি দিয়া নাই। ভৌগোলিক বিৱৰণ, সামাজিক শ্ৰেণী বিন্যাস, শ্ৰেণী সংঘাত, শ্ৰেণী সম্পৰ্ক, নাৰী আৰু পুৰুষৰ সম্পৰ্ক আৰু মৰ্যাদা, অৰ্থনৈতিক বৈশিষ্ট্য, ৰাজনৈতিক ছবি একোৰেই উপন্যাসত বাদ পৰি যোৱা নাই। উপন্যাসখনৰ চৰিত্ৰৰ বাটে নতুন নতুন চিন্তাৰ উন্মেষ কৰিছে। নানা ভাবৰ বুৰবুৰনিৰ মাজত বংগৰ গ্ৰাম্য জীৱনৰ ৰং

প্ৰসাৰিত আৰু প্ৰচাৰিত হৈছে। বিভিন্ন উৎসৱ-পাৰ্বণ, লৌকিক বিনোদন, শিক্ষা, সংস্কৃতি, মহামাৰী, যোগাযোগ ব্যৱস্থা, বৃত্তি, আইন, পঞ্চায়ত, জমিদাৰী ব্যৱস্থা, সাধাৰণ মানুহৰ অসূয়া আৰু বিপদত ইজনে সিজনক সহায় কৰাৰ স্বাভাৱিক ছবি, অৰ্থনৈতিক ব্যৱস্থাৰ লেহেম গতি, শাসন-শোষণ, বিদ্ৰোহ স্বাধীন চিন্তাৰ বাট সকলোবোৰেই উপন্যাসখনত বিশদ আৰু সুষম গতিত উন্মোচিত হৈছে। বিভিন্ন চৰিত্ৰৰ লগত জড়িত বিভিন্ন কাহিনীৰ মাজেৰে সময়ে যেন নিজকে এক নিৰ্দিষ্ট ৰূপত নিজকে প্ৰদৰ্শন কৰি আছে পৰোক্ষভাৱে, ক'তো তাৰ বাবে নিৰস প্ৰত্যক্ষ বৰ্ণনা দিবলগীয়া হোৱা নাই। ইতিহাসক এনেদৰে জীৱন্তৰূপত, প্ৰাঞ্জলভাৱে উপন্যাসখনি ধৰি ৰখাৰ স্বাৰ্থতে হয়তো উপন্যাসখন কেৱল এজন নায়কক কেন্দ্ৰ কৰি ঘূৰা নাই, বৰঞ্চ বহুজনৰ কাহিনী আৰু উপলব্ধিৰে সময় আৰু জীৱন ইয়াত উপস্থাপিত হৈছে।

উপন্যাসখনি মূলতঃ এক পৰিৱৰ্তন উদ্যত প্ৰাচীন সমাজৰ ছায়াছবি, সন্ধিক্ষণৰ মুখামুখি হোৱা এখন সমাজৰ পৰিৱৰ্তন, বিৰোধ, আশা-প্ৰত্যাশা, যন্ত্ৰণাৰ ৰেখাচিত্ৰ কোনেও সঠিকৈ অনুভৱ নকৰাকৈয়ে সময়ে লাহে লাহে গতি সলাইছে। দ্বাৰকা চৌধুৰীৰ জমিদাৰী ম্লান পৰিছে, সময়ৰ গতিত আনৰ হাতলৈ গৈছে। চিৰু ঘোষে ধনৰ বলেৰে নতুনকৈ জমিদাৰৰ দৰে প্ৰতিপত্তিশীল হৈ উঠাৰ আশা কৰিছে; সন্মান, প্ৰতিষ্ঠা জোৰ কৰি আদায় কৰিবলৈয়ো তেওঁ বদ্ধপৰিকৰ। চৰিত্ৰইও নতুন ৰূপ পৰিগ্ৰহ কৰিছে। যিয়ে উপন্যাসখনক ন ৰূপ দিছে। সমাজত শোষণ নিঃশেষ নহয়, অথচ তাৰ ঠাই কেতিয়াবা সলনি হ'ব খোজে, কোনেও অনুভৱ নকৰাকৈয়ে। ব্ৰাহ্মণসকলৰ বৰ্ণগত উচ্চস্থানৰ লগত জড়িত প্ৰতিষ্ঠা ক্ৰমশঃ লাহে লাহে ধনীক শ্ৰেণীটোৰ হাতলৈও আহি পৰে। শ্ৰীহৰিপালে 'পাল'ৰ পৰা ঘোষ হয় আৰু সেই সন্মানকেই দাবী কৰি, প্ৰাচীন সমাজখনৰ পৰা দুই এজনে হয়তো পৰিৱৰ্তনৰ আশাত আগলৈ মূৰ দাঙি চাব খোজে। অথচ তেওঁলোকৰো সংস্কাৰ খলম বান্ধি আছে তেওঁলোকৰ মজ্জাত, চণ্ডীমণ্ডপ ভাঙি তাৰ স্থানত কৰ্পোৰেট বেংক এটা হ'লে ভাল হয় বুলি যেতিয়া বিশ্বনাথে কয়, দেবু ঘোষে সংস্কাৰবশতঃ মানি ল'ব পৰা নাই। ধানৰ বদলি গঞাৰ যাৱতীয় কমাৰৰ কাজ-কৰ্ম কৰি দিব লগা হোৱা প্ৰাচীন প্ৰথাৰ বিৰোধিতা কৰি টকাৰ বিনিময়তহে কমাৰৰ কাম কৰি দিব বুলি ষ্টেচনত দোকান দিয়া অনিৰুদ্ধৰ প্ৰতি সহানুভূতিশীল হোৱা স্বত্বেও, অনিৰুদ্ধৰ দোষ নাই বুলি জনা স্বত্বেও ছিৰুপালক শাসন কৰিব নোৱাৰা পঞ্চায়তক নামানো বুলি কোৱা অনিৰুদ্ধক দেবু ঘোষে সমৰ্থন কৰিব পৰা নাই। পুৰুষানুক্ৰমিক ৰীতি-নীতি, সামাজিক পৰম্পৰা আৰু

মানুহৰ গতানুগতিক জীৱনবোধৰ বান্ধ ছিঙি মনক সংস্কাৰমুক্ত কৰিব পৰা নাই দেবু ঘোষৰ দৰে মানুহৰ মনৰ দুখ বুজি পোৱা মন এটাৰ অধিকাৰী ব্যক্তিসত্বাও। যেন এক অন্ধকাৰৰ বাটৰ পৰা মুক্ত নোহোৱা পৰিৱেশ। তেওঁৰ বাবে তেতিয়াও সমাজ আগত, মানুহতকৈয়ো। অথচ এই দেবু ঘোষৰ চৰিত্ৰ বিকাশ দেখা যায় উপন্যাসখনৰ শেষ পৰ্যন্ত। দেবু ঘোষৰ শিপা সমাজখনৰ সবলতা, দুৰ্বলতা, সংস্কাৰৰ লগত নিবিড়ভাৱে বান্ধ খাই থকা। বিশ্বনাথৰ দৰে সমাজৰ বন্ধন ছিঙি ভাবিব পৰা বিপ্লৱী মনৰ অধিকাৰীও তেওঁ নহয়। অথচ ধীৰে ধীৰে নিতান্তই স্বাভাৱিকতাৰে তেওঁৰ আত্মায়ো উত্তৰণৰ বাট বুলিছে শিপাৰ লগত সংযোজিত হৈ থাকিয়ে, ঠিক এখন সমাজৰ দৰে, কেৱল এজন ব্যক্তিৰ দৰে নহয়। বৰং ক'ব পাৰি সমষ্টিগত ব্যক্তিত্বৰ বিকাশৰ বাট তৰান্বিত কৰাৰ দুৰ্বাৰ চেষ্টা। আশা আৰু বিশ্বাসৰ যেন গতিবেগ।

অথচ দুৰ্গা এইখন সমাজতো মুক্ত নাৰী, সত্যক তাই চিনে, প্ৰথম অৱস্থাত প্ৰতাৰণাৰ বলি হৈ জমিদাৰৰ লগত শয্যাসংগিনী হোৱা দুৰ্গাই সেই পথেৰে হোৱা উপাৰ্জনৰ বাবে বিনাদ্বিধাই সেই কাম শেষলৈকে কৰিছে। নিজৰ উপাৰ্জন তাই নিজেই কৰিব পাৰে। এই কামৰ প্ৰতিক্ৰিয়া হিচাপে গাঁৱৰ মানুহৰ বিশেষকৈ মহিলাসকলৰ দূৰ্গাৰ প্ৰতি মনোভংগীক তাই কাহানিও গণ্য নকৰে বা নাভাবে। তাই হাঁহি-ধেমালি, ব্যংগাত্মক, শ্লেষাত্মক নিজস্ব শৈলীৰে নিজৰ স্থান বজাই ৰাখে, নিজে বাছি লোৱা জীৱন শৈলীৰ বাবে হ'ব পৰা এই পাৰ্শ্বক্ৰিয়াবোৰৰ বাবে তাই যেন আগেয়েই প্ৰস্তুত। অথচ তাই পৰোপকাৰী আৰু দৰদী মনৰ, সহায়ৰ প্ৰয়োজন হোৱাসকলক তাই সহায় কৰিছে নিজে আগবাঢ়ি গৈ। প্ৰত্যাখ্যানৰ ভয় তাইৰ নাই। নিজৰ সত্যক চিনি পোৱা, স্বীকাৰ কৰা, তাৰ স'তে সহজে বিচৰণ কৰা, বাখ্যা বৰ্ণনাৰে নিজৰ গতি এটাৰ সন্ধান কৰা দূৰ্গা এটা অতি শক্তিশালী চৰিত্ৰ। এটা যুগৰ ছাঁয়া ছৱি থকা উপন্যাসখনিৰ দূৰ্গা এক বিৰাট ব্যতিক্ৰম। দূৰ্গা কোনো যুগৰেই প্ৰতিনিধি নহয় বা প্ৰত্যেক যুগতেই দূৰ্গাক ৰাখিব পাৰি। উপন্যাসখনিয়ে ধৰি ৰখাৰ পৰিৱৰ্তন প্ৰক্ৰিয়াৰ আটাইতকৈ মন কৰিবলগীয়া দিশটোৰেই হ'ল গ্ৰাম্য অৰ্থনীতিৰ 'পেটাৰ্ণৰ পৰিৱৰ্তন'[১৪] গ্ৰামীণ অৰ্থনীতিৰ পুৰণি পেটাৰ্ণ লাহে লাহে যেন মেলানি মাগিব খুজিছে। ধানৰ পৰিৱৰ্তে কাম কৰি দিয়া কমাৰ-নাপিতে আৰু তেনেদৰে কাম কৰিব খোজা নাই। চহৰত গৈ দোকান দিছে, পুৰুষানুক্ৰমে কৰি অহা কামে আৰু তেওঁলোকক বিশেষ সহায় কৰিব পৰা নাই।

কেৱল অৰ্থনীতিৰ পৰিৱৰ্তনেই নহয়, ৰাজনৈতিক-সামাজিক সকলো পৰিৱৰ্তনৰেই ইংগিত উপন্যাসখনিয়ে নিৰলসভাৱে বহন কৰিছে। সমাজৰ ভণ্ডামি, সেইবোৰৰ বিৰুদ্ধে বিদ্ৰোহ, প্ৰতিবাদ, প্ৰত্যাহ্বানক আহ্বানলৈ ৰূপান্তৰ কৰাৰ প্ৰচেষ্টা, অৰ্থনৈতিক শোষণ, ইয়াৰ পৰা মুক্তি, পৰম্পৰাগত বৃত্তি এৰি চহৰমুখী চিন্তাৰ গৰ্ভত সোমাই পৰা মানুহৰ মনৰ বিস্তৃতিৰ স'তে ৰাজনৈতিক ভণ্ডামি, ৰাজনীতিৰ কথা-কাণ্ডই বিশেষ ৰূপ পৰিগ্ৰহ কৰিছে। চেটেল-মেন্টৰ প্ৰতি বিৰোধে উপন্যাসখনৰ গতি যেন হঠাৎ সলাই পেলাইছে। উপন্যাসখনত চেটেল মেন্টৰ ব্যৱস্থাৰ পৰম্পৰাগত  কাঠামৰ বিৰুদ্ধে যেন চিঞৰ  উঠিছে। গাঁৱৰ একঘেয়ামী জীৱন ছন্দ হঠাৎ আলোড়িত হৈ উঠিছে।

সমাজখনৰ ভিতৰে  ভিতৰে ব্যাপক এনে আলোড়নে বিয়পি পৰিবলৈ আৰম্ভ কৰিলে সকলো দিশতে। ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সকলো দুৱাৰতে পৰিৱৰ্তনৰ টোকৰ। যেন এক নতুন জাগতিক চেতনাৰ উন্মেষ। পুৰণি পৰম্পৰাৰ বুৰ্জোৱা সামন্ত চেতনাৰ বিৰুদ্ধে যেন সমাজৰ ওপৰত এক ব্ৰজ্ৰ নিনাদ আক্ৰমণ। নতুন এক পৰিৱৰ্তন আৰু ৰূপান্তৰৰ বাবে ব্যাকুল। মানুহৰ দাসত্বৰ বান্ধোন ছিঙি মানৱীয় সত্বাক স্বাধীন চেতনাৰে, প্ৰগতিক ধৰাৰ সময়। অধিকাৰৰ কথাই গুৰুত্ব পাব ধৰিলে। মানুহে মানুহৰ মৰ্ম বুজাৰ সন্ধিক্ষণ। অধিকাৰেৰে 'বাবু' হোৱা ব্ৰাহ্মণসকলক প্ৰত্যাহ্বান জনাই ধনীক সকলে 'বাবু' 'শ্ৰেণী' এটা গঠন কৰাৰ কুচ-কাৱাজো ইয়াত প্ৰৱলভাৱে দেখা যায়। নতুন সোঁত। হীন হাতৰ মানুহৰ অধিকাৰ মৰা আৰু ম'হ-ছাগলী পেলোৱা অধিকাৰ কৰি চামৰাৰ লাভজনক ব্যৱসায়ৰ সম্ভাৱনা দেখাটোৱেই এক ধৰণৰ নতুন সম্ভাৱনা তৎকালীন সমাজখনত। এই চিন্তাই নানা দিশৰ বাৰ্তা সিঁচিছে আৰু তাৰে দ্বাৰা প্ৰতিপত্তিশীল হোৱাৰ বাট দেখাটোৱেই ঔপন্যাসিকৰ মনোজগতৰ মানৱীয় সত্তাৰ প্ৰতিফলন দেখা গৈছে। বৰ্ণগত উচ্চস্থানক যেন শ্ৰেণীগত উচ্চস্থানৰ সম্ভাৱনাই প্ৰত্যাহ্বান জনাইছে ইতিমাধ্য।  ধনীক শ্ৰেণীত অৱস্থান কৰিয়ো সামাজিক প্ৰতিপত্তি প্ৰতিষ্ঠা কৰিবলৈ উপাধি সলোৱাৰ প্ৰয়োজনীয়তা বোধ কৰে ছিৰু পালে। অৰ্থাৎ ছিৰু পালৰ দৰে মানুহৰ উচ্চ সন্মানৰ প্ৰচ্ছন্ন ভাব প্ৰকট হৈ উঠিছে।

উপন্যাসখনিত  বিধৱা স্বৰ্ণ আৰু দেবুঘোষৰ ৰোমান্টিক চিত্ৰটোৰ বাদে ক'তো ৰোমান্টিকতাৰ পৰশ পৰা নাই। সকলো যেন স্বাভাৱিক জীয়া বাস্তৱ, স্বৰ্ণ চৰিত্ৰটি উপন্যাসখনিত কৰি ৰাখিবলৈ সেইকণ ৰোমান্টিকতা যাৱতীয় আছিল বুলি ক'ব পাৰি। কাৰণ সেই যুগৰ হৈয়ে

স্বৰ্ণ ঠিক যেন সেই যুগৰ নহয়। আধুনিক মন এটাৰ গৰাকী স্বৰ্ণৰ হাব-ভাৱ পটভূমিতকৈ বহুত যেন বেলেগ। দেবুয়ে বিয়াৰ প্ৰস্তাৱ দিওঁতে বিধৱা বুলি তাই পিছুৱাই যোৱা নাই। সহজে গ্ৰহণ কৰিছে। এইখিনিতে দূৰ্গাৰ চৰিত্ৰৰ লগত তাইৰ কিছু মিল আৰু অমিলো আছে। দূৰ্গাৰ দৰে জীৱনক তাই সহজে লৈছে। অথচ দূৰ্গাৰ চঞ্চলতা, উচ্ছলতা ঠাইত তাইৰ মাজত আছে এক গভীৰ প্ৰশান্তি। দূৰ্গাই জীৱনক খেলুৱৈসুলভ মনেৰে লুটিয়াই বগৰাই চাইছে, হেঁপাহেৰে ধৰি ৰাখিছে, স্বৰ্ণই কিন্তু জীৱনক এৰি দি যেন ধৰি ৰাখিছে। বৈৰাগী তাই নহয়, কিন্তু তাইৰ স্থিতপ্ৰজ্ঞতাই তাইক জীৱন বিলাসীও কৰি তোলা নাই। স্বৰ্ণ সেই গভীৰ সুঁতিৰ দৰে য'ত সকলো ঢৌ নীৰৱে মাৰ যায় আৰু দূৰ্গাই সকলো ঢৌৰ সৈতে দ্বিধাহীন চপলতাৰে হাঁহি-নাচি আগবাঢ়ে। অথচ আচৰিত যে নিজৰ সত্য চিনাৰ ক্ষেত্ৰত দুয়োয়ে অভ্ৰান্ত। এনে মনোজ্ঞ জীৱনবোধ উপন্যাসখনত বিস্তাৰিত হোৱাত ৰচনাখনে নতুন প্ৰাণ লাভ কৰিছে। চণ্ডীমণ্ডপৰ পৰা পঞ্চগ্ৰামলৈকে উপন্যাসখনিয়ে সেই সময়ৰ বংগ সমাজৰ প্ৰায় সকলো দিশেই ধৰি ৰাখিছে। নানা বৰ্ণৰ নানা শ্ৰেণীৰ বিচিত্ৰ মানুহে উপন্যাসখনিত জীৱন্ত হৈ উঠি সামাজিক, ৰাজনৈতিক, ধাৰ্মিক, অৰ্থনৈতিক পটভূমিৰ ইংগিত সাৱলীলভাৱে পাঠকক দিবলৈ সক্ষম হৈছে।

এক নিৰ্দিষ্ট ভূখণ্ডৰ, এক বিশেষ জাতিৰ মানুহৰ চিন্তাক স্বাধীন কালত কেনেকৈ সেই সময়ৰ বিধি ব্যৱস্থাই আঁকুহি আছিল তাৰ প্ৰকাশৰ ক্ষেত্ৰত ঔপন্যাসিকৰ গভীৰ জীৱনবোধ আৰু জাতি-মাটিক ভালপোৱাৰ ব্যঞ্জনাৰ বীজ ধৰা পৰিছে। সেয়ে *গণদেৱতা*ৰ বাটেৰে *পঞ্চগ্ৰাম* ৰসোত্তীৰ্ণ হৈ উঠিছে।

উপন্যাসত গাঁৱলীয়া জীৱনক আধাৰ হিচাপে লৈ আঞ্চলিক জীৱনক প্ৰকট কৰোতে উপন্যাসৰ ব্যক্তিত্ব, জীৱনবোধৰ প্ৰকাশে বিশেষ ৰূপ পৰিগ্ৰহ কৰিছে। ১৯শ শতিকাৰ বাংলা তথা অন্যান্য গ্ৰাম্য জীৱন আনকি অতি সম্প্ৰতিও গাঁও দৰাচলতে আপাততঃ কৃষিক কেন্দ্ৰ কৰি বৰ্তি আছে আৰু কুটীৰ শিল্পৰ স'তে যুক্ত সীমিত সংখ্যক মানুহৰ বাসপযোগী অকাল ৰূপে গণদেৱতাৰ চৰিত্ৰ বহন কৰিছে। উপন্যাসখনত মানৱ সম্পৰ্কক গাপ দিবলৈ কৰা চেষ্টাও অতি সাৱলীল ৰূপতে প্ৰকট হৈছে। কৃষকৰ কৃষিকৰ্মৰ সঁজুলি নাঙলেৰে হাল বোৱা, গৰখীয়াসকলে গৰু চৰাবলৈ যোৱা সেয়া দূৰৰ গাঁৱৰ সাধাৰণ ছবি। কিন্তু *গণদেৱতাত* সেয়া অসাধাৰণ ৰূপে ভাস্বৰ হৈছে।

উনবিংশ শতিকাত ভাৰতৰ গাঁও অঞ্চলক মাটি-মানুহৰ বিচাৰৰ সম্পৰ্কক দুটা ভাগত বিভক্ত কৰা হৈছে। ৰায়তিৰাজ বা মালিকানাধীন গাঁও। প্ৰথমটো বংগ প্ৰদেশৰ কেন্দ্ৰীভূত আৰু বংশানুক্ৰমিকভাৱে শাসিত আৰু জমিদাৰসকলে তেওঁলোকৰ নিৰ্বাচিত কৃষকৰ দ্বাৰা কৃষিকৰ্ম কৰিলেও পুৰুষানুক্ৰমে গৰাকী বা মালিকানা ভোগ কৰিছিল তেওঁলোকেই। যৌথ মালিকানাভুক্ত গাঁৱত মালিকসকলৰ আঞ্চলিক মালিকানা মূলতঃ অৰ্থনৈতিক ভিত্তিতহে নিৰ্ণীত আৰু বহুধা কৰ্ম জীৱন ভিত্তিক বৰ্তি আছিল। ইয়াৰ ধৰ্মীয়-সাংস্কৃতিক পৰিৱেশ পৰিস্থিতিয়েও প্ৰভাৱ বিস্তাৰ কৰাৰ এক *গণদেৱতাই* তুলি ধৰিছে। গ্ৰাম্য জীৱনত যিটো গুৰুত্ব আছিল অপৰিসীম।

গাঁৱৰ বা বিশেষ অঞ্চলৰ মানুহৰ অৰ্থনৈতিক ব্যৱস্থা তথা যৌথ পৰিয়াল ভংগৰ স'তে অৰ্থনৈতিক ব্যৱস্থাৰ যে নিবিড় সম্পৰ্কক ঘূণে ধৰিছিল *গণদেৱতাই* তাৰো স্বাক্ষৰ বহন কৰিছে। গাঁৱৰ গোষ্ঠীগত জীৱনৰ বিভিন্ন দিশ, দলগত অখণ্ডতাবোধ, গোষ্ঠীৰ সিদ্ধান্ত বা মতামতৰ প্ৰতি থকা আস্থাভাজন সামাজিকভাৱে হেয় বা ভংগ নোহোৱাত ব্যক্তিৰ নিজস্ব খেয়াল খুচিৰ দৌৰাত্ম্য প্ৰতিফলিত হৈছে।

*গণদেৱতাত* জীৱনৰ পটভূমি আঞ্চলিক উপন্যাসৰ অন্যতম চৰ্ত, কিন্তু মাত্ৰ উপাদান নহয়। বৰঞ্চ আঞ্চলিক গ্ৰাম্য জীৱনৰ লোককথা, বিশ্বাস, ধৰ্মীয় ৰীতি, পৰম্পৰা, জনবিশ্বাসক সংমিশ্ৰিত হৈ আঞ্চলিক জীৱন আৰু জনতাৰ মিশ্ৰ ৰূপত ভাস্বৰ হৈছে। *গণদেৱতাত* আঞ্চলিক জীৱনৰ সত্য *গণদেৱতাত* আঞ্চলিক জীৱনৰ সত্য অন্বেষণৰ শাশ্বত প্ৰতিবিম্ব হৈ জীৱন জিলিকিছে।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতাত* কৃষিনিৰ্ভৰশীল মানুহৰ গোষ্ঠীগত জীৱনৰ প্ৰভাৱ যে ব্যাপক সেয়া স্পষ্ট। মন কৰিবলগীয়া যে, *গণদেৱতা* যদিও গ্ৰাম্য জীৱনৰ পটভূমিত ৰচিত তথাপি ক'ব পাৰি সেয়া কোনো গাঁৱৰ কোনোবা বিশেষ পৰিয়ালৰ বৰ্ণনা নহয়। কৃষিনিৰ্ভৰশীল গ্ৰাম্যজীৱনৰ গোষ্ঠী জীৱন, বৰ্ণনাই তেওঁক আকৰ্ষিত কৰাত সেয়াই তেওঁৰ একমাত্ৰ লক্ষ্য হৈ পৰিছে। সেয়ে বিচিত্ৰ মানুহৰ জীৱন জগত আৰু জীৱিকা, পৰিৱৰ্তনৰ ছবি *গণদেৱতাৰ* বৰ্ণনা।

*গণদেৱতা* উপন্যাসত ত্ৰিমুখী ৰূপত ঔপন্যাসিক তাৰাশংকৰ বন্দ্যোপাধায়ে গ্ৰামাঞ্চলৰ ব্যক্তিসত্তা তথা গোষ্ঠীজীৱনৰ ৰূপান্তৰৰ হেতু আঞ্চলিকতাৰ যি প্ৰেক্ষাপট, তাক প্ৰতিষ্ঠা কৰিছে—

ক) গাঁৱৰ জীৱন অৰ্থাৎ ৰাঢ়ভূমিৰ কোনো নিৰ্দিষ্ট অঞ্চল

খ) গাঁৱৰ অদূৰৱৰ্তী চহৰাঞ্চল

গ) গণজীৱনৰ গতি চহৰৰ সীমাৰেখাৰ মাজত আৱদ্ধ নহয়।

এই চিত্ৰধাৰা উপন্যাসখনত প্ৰতিবিম্বিত কৰিবলৈ গৈ তাৰাশংকৰ বন্দ্যোপাধ্যায়ে আঞ্চলিক গ্ৰাম্যজীৱন আৰু পৰিৱৰ্তন সংকীৰ্ণতাৰ গণ্ডীৰ গৰ্ভত আৱদ্ধ কৰা নাই। বৰং গ্ৰামীণ মানুহে চহৰৰ সতে সংযোগৰ পথক আৰু বেছিকৈহে বাছি ল'ব বিচাৰিছে। ফলত গাঁৱৰ মাজত নানা পৰম্পৰা, ঐতিহ্য, স্বাভিমানত ব্যাপক ফাঁট মেলাৰ লগতে চহৰকেন্দ্ৰিক অৰ্থনৈতিক জীৱনৰ গতিধাৰাৰ প্ৰভাৱ নতুন সম্পৰ্কৰ দিশলৈ সম্প্ৰসাৰিত হৈছে। অনিৰুদ্ধহঁতৰ দৰে লোকসকলে যেতিয়া গ্ৰাম্যজীৱনৰ পৰম্পৰা লোকাচাৰ নামানো বুলি কয় বা অস্বীকাৰ কৰে তেতিয়া জাতীয় চেতনাৰে উদ্বুদ্ধ অন্য মানুহেও তেওঁলোকৰ সংগ দিয়ে।

এহাতে চণ্ডীমণ্ডপৰ ভাঙোন আৰু সেই ঠাইত শ্ৰীহৰিৰ নাট্য মন্দিৰ নিৰ্মাণৰ গুৰুত্ব যিমান অপৰিহাৰ্য, ঠিক সেইদৰে কলিকতাৰ পৰা যতীনৰ গণমুখী কাৰ্যকলাপ আৰু ইউনিয়ন বোৰ্ডৰ কামত গাঁৱৰ মানুহৰ অংশ গ্ৰহণ নাইবা দেবু ঘোষৰ দৰে ব্যক্তিৰ জৰিয়তে গাঁৱৰ সন্মিলিত প্ৰতিৰোধী শক্তি গঢ়ি উঠাৰ দিশটোও সমানে গুৰুত্বপূৰ্ণ হৈ উঠে। গাঁৱৰ মানুহ যে গণচেতনা আৰু প্ৰগতিশীল ৰূপান্তৰৰ বাটৰ পথিক হৈ উঠিছে ইয়াক ঔপন্যাসিকে *গণদেৱতাত* আঞ্চলিক জীৱনৰ পৰিৱৰ্তন আৰু ইয়াৰ বঞ্চিত আত্মাৰ চালচলনৰ মাজেৰে প্ৰতিনিধিত্ব কৰিছে।

আঞ্চলিক জীৱনবোধৰ অৰ্থাৎ গোষ্ঠীজীৱনৰ ওপৰত বৰ্হিজগতৰ ব্যাপক প্ৰভাৱ আৰু ঔপন্যাসিকে অতি তাৎপৰ্য আৰু চমৎকাৰিতাৰে প্ৰকাশ কৰিছে। সামগ্ৰিকভাৱে গোষ্ঠীজীৱনৰ নিৰ্মাণ, ৰূপান্তৰ উপন্যাসখনৰ মূল উপজীব্যৰূপে চিহ্নিত হৈছে। এক গতিধাৰা—যি ব্যক্তিগত জীৱনৰ সীমাৰেখা পৰাই গোষ্ঠীজীৱনৰ সন্মিলিত জীৱনৰ বেৰ পাৰ হৈ গণজীৱনৰ বিশাল প্ৰত্যাহ্বানক আহ্বানলৈ ৰূপান্তৰ কৰাৰ সীমা সিয়ে আমাক ৰোমাঞ্চিত কৰি তোলে। ইয়াৰ দ্বাৰাই গণদেৱতা, পঞ্চগ্ৰামৰ কাহিনী তিনিটা স্তৰৰ মাজেৰে ধাবিত হৈছে। সেইকেইটা হ'ল— ১) ব্যক্তিজীৱনৰ স্তৰ, ২) গোষ্ঠীজীৱনৰ স্তৰ, ৩) গণজীৱনৰ স্তৰ।

তাৰাশংকৰৰ উপন্যাসত যি আঞ্চলিক জীৱন কথাৰ ৰূপদান কৰা হৈছে সেয়া কেৱল লোকজীৱন নহয়, চহৰৰ নাগৰিক জীৱনো নহয়। দুৰ্গাপুৰ চহৰৰ পৰা কিছু দূৰত থকা ময়ুৰাক্ষীৰ গাতে লাগি থকা শিৱকালিপুৰ, কংকনা, প্ৰভৃতি গাঁওসমূহত গোষ্ঠীজীৱনে কিদৰে জনজীৱনৰ

অনন্য স্পৰ্শ লাভ কৰিছে তাৰ নিভাঁজ বৰ্ণনাই উপন্যাসখনক বিশেষ মূল্য প্ৰদান কৰিছে। সেয়ে হয়তো অনিৰুদ্ধ, পাতু, দেবু, শ্ৰীহৰি প্ৰভৃতি মানুহৰ পাৰিবাৰিক আচাৰ-আচৰণ, মূল্যবোধ, জনচেতনা থাকিলেও এই পৰিয়ালবোৰ মিলি এক নতুন সন্মিলিত শক্তিৰূপে গা-কৰি উঠিছে। ইয়াৰ অন্যতম উদাহৰণ হিচাপে ক'ব পাৰি যে, দেবু পণ্ডিতৰ পৰিয়ালৰ মাজত চূড়ান্ত বিপৰ্যয় হোৱাত গাঁওখনৰ সকলোৱে দেখুওৱা অনন্য অকৃত্ৰিম সহানুভূতি মন কৰিবলগীয়া। ঠিক সেইদৰে বিভিন্ন পৰিয়ালৰ মাজত লগা ঘৰুৱা হাই-কাজিয়াক উপেক্ষা কৰি শ্ৰীহৰিৰ পত্নীয়ে গোপনে যেতিয়া কমাৰৰ পত্নীৰ কাষত উপস্থিত হয় নাইবা অনিৰুদ্ধৰ সততাৰ বাবে গাঁৱৰ সকলো মানুহে কৰা গৌৰৱবোধৰ বতৰাই ৰূপান্তৰৰ কথাকে যেন সাৰটি ধৰিছে। মনত ৰখা দৰকাৰ যে এই বিচ্ছিন্ন পৰিয়ালসমূহ শেহান্তৰত বিক্ষিপ্ত শক্তিৰ সমবায়ত চামিল হয়। যেতিয়া এওঁলোক চামিল হয়, একোটা দলত অন্তৰ্ভূক্ত হয় তেতিয়া তেওঁলোকৰ ৰাজনৈতিক চেতনাৰ উন্মেষ ঘটে। নাইবা যতীনক সৰ্বোতপ্ৰকাৰে সহায় আৰু সহযোগৰ হাত আগবঢ়ায়। ইয়াতে ঔপন্যাসিকে *গণদেৱতাত* সন্মিলিত শুভ ইচ্ছাৰ দূৰন্ত যোগাত্মক পৰিৱৰ্তনৰ ৰূপৰেখাক জয়ধ্বনিৰে যেন অংকন কৰিছে। লগে লগে পৰিয়ালৰ মাজত সীমাৱদ্ধ উৎসৱে গণউৎসৱলৈ পৰ্যবসিত হয়।

উপন্যাসখনত 'গণ' শব্দৰ বৰ্ণাঢ্য ৰূপ, বৰ্ণিল প্ৰকাশভংগী আৰু বিশালতা লক্ষণীয়ভাৱে পৰিশীলিত। চণ্ডী উৎসৱত সমবেত গিৰীশ, অনিৰুদ্ধ, হৰিশ মণ্ডলকে ধৰি অন্যান্য সমাজৰ কৃষক, আঢ্যবন্ত খেতিয়ক দ্বাৰাকা চৌধুৰী, একমাত্ৰ ব্ৰাহ্মণ হৰেন্দ্ৰ ঘোষাল, ন-ধনী চিৰুপাল, হৰিজন কৃষকৰ দল লগ হৈ গঠন কৰা এটি সামাজিক গোষ্ঠী মাত্ৰ। এই যে, গ্ৰাম্য জোঁট বন্ধন এয়া সামান্য ঐতিহ্যশাসিত আৰু কিছু পাৰিবাৰিক প্ৰয়োজনৰ দ্বাৰা পৰিচালিত। মনকৰিবলগীয়া যে, চণ্ডীমণ্ডপত যি সমাৱেশ সেয়া কোনো অনুষ্ঠান বা প্ৰতিষ্ঠানৰ দ্বাৰা পৰিচালিত বা গঠিত নহয়। এক সামাজিক অৰ্থত মিলিত লোকসকল, তেওঁলোকে তেওঁলোকৰ আঞ্চলিক পৰিচয় বিসৰ্জন দি গণমুখী কাৰ্যক্ৰমণিকাত অংশ লওতে ৰূপান্তৰৰ ৰূপ দেখা যায়।

সেয়ে *গণদেৱতাত* ৰাঢ় বাংলাৰ এই অঞ্চলৰ দীনতা, হীনতা, কদৰ্যতা থাকিলেও ইয়াত মানুহৰ অৰ্থব্যৱস্থাৰ পাৰ্থক্যক প্ৰকাশিত ক্ষুদ্ৰ ক্ষুদ্ৰ দলত বিভাজিত নোহোৱাটো মন কৰিবলগীয়া। মানুহৰ শিক্ষাই ইয়াৰ অন্যতম বিড়ম্বনাৰূপে কাম কৰিছে। দৰাচলতে এইসকল লোকেই গণজীৱন আৰু আচৰণৰ প্ৰৱল অংশীদাৰ। এওঁলোকৰ প্ৰকাশ্য স্বতঃস্ফূৰ্ত আচৰণে

জীৱনৰ সীমাবদ্ধতা, বাধা, বঞ্চনাক যেন অতিক্ৰম কৰিছে। তুচ্ছ কৰিছে সেই পংকিলতা। এটা অতি সাধাৰণ ঘটনা বা আচৰণ আৰু তাকেই কেন্দ্ৰ কৰি বহুতো মানুহৰ আচৰণৰ জন্ম দিয়ে আৰু ইয়াৰ দ্বাৰা গতিশীল ৰাজনৈতিক আন্দোলনক ৰাজপথলৈ টানি নিয়ে। দেবু ঘোষৰ গ্ৰেপ্তাৰ বা যতীনৰ গাঁও এৰি যোৱাৰ বৰ্ণনা উপলক্ষ্যত সমবেত মানুহৰ যি একত্ৰ গোট খোৱাৰ প্ৰচেষ্টা সেয়া স্মৃতিকাৰক। এনেকৈ তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰাঢ় গ্ৰাম্য দেৱতাৰ স্থানলৈ গণদেৱতাৰ উত্তৰণ ঘটে।

*গণদেৱতাত* গাঁও অঞ্চলৰ ৰূপ-ৰস ব্যাপক হৈ ফুটি উঠিছে—গ্ৰামীণ চহা সংস্কৃতিৰ ঐতিহ্যত। *গণদেৱতাত* জমিদাৰৰ উল্লেখ থাকিলেও তাৰ সক্ৰিয় ভূমিকা দেখা নাযায়।

গ্ৰাম্য অঞ্চলৰ গোষ্ঠী জীৱনৰ প্ৰমূল্য, মূল্যমান সংঘাতজনিত ৰূপান্তৰৰ প্ৰদৰ্শন *গণদেৱতাত* দেখুওৱা হৈছে, গাঁৱৰ সামাজিক ৰক্ষা-কবচ, শৃংখলা, ভাঙি পৰিছে। কমাৰ অনিৰুদ্ধ, নাপিত তাৰাচৰণ, গিৰিশ, কৃষকৰ সন্ধানে নিজে কৃষিকৰ্ম নকৰি মহাজনী কায়দাত চিৰু প্ৰমূখ্যে গাঁওবাসীৰ আচৰণ কলাত সভাত ভিন্ন অৱজ্ঞা, শাসন আৰু কৰ্তৃত্বৰ প্ৰতি প্ৰকাশ পায়। উপন্যাসৰ শেষলৈ ছিৰুৱে চণ্ডীমণ্ডপৰ মালিক হৈ উঠিছে।

বংগৰ গ্ৰাম্য সমাজ ব্যৱস্থা বিশেষকৈ প্ৰাক্‌স্বাধীনতাকালৰ পৰিৱেশ-পৰিস্থিতিক তাৰাশংকৰ বন্দ্যোপাধ্যায়ে *গণদেৱতাত* প্ৰতিভাত কৰোতে কৃষক সমাজত চলি থকা শোষণ, শাসনৰ ৰূপক অতি সূক্ষ্ম আৰু সাৱলীলভাৱে তুলি আনি আঞ্চলিক চৰিত্ৰ চিত্ৰণৰ পৃষ্ঠভূমি তৈয়াৰ কৰি *গণদেৱতাক* নব্য ৰূপ প্ৰদান কৰিছে। মানুহৰ সাজ-কাজ, জীৱন সংঘাত, সমাজ-বৈষম্য, ইংৰাজৰ শাসন-শোষণৰ মাজত স্বাধীনতাৰ চিন্তা-চেতনা, বিশেষকৈ ধনী মানুহৰ কবলত কেনেকৈ দৰিদ্ৰ জনতাই নিজস্ব ৰং হেৰুৱাই নিঃস্ব হৈছে—তাৰ ব্যাখ্যা *গণদেৱতাত* বিদ্যমান। গাঁৱত মাত-কথাই যেন তেওঁৰ কলমত নব্য ৰূপ পৰিগ্ৰহ কৰিছে।

*গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত বিশেষ ৰূপত গণসংস্কৃতি, জনজীৱন আৰু জাগৰণৰ নানা দিশৰ উল্লেখ আছে। গোষ্ঠীজীৱনে কিদৰে গণজীৱনৰ পৰ্যায়লৈ উন্নীত হয় তাৰ বিৱৰণে দুয়োখন উপন্যাসৰ কাহিনীভাগক গ্ৰথিত কৰিছে। *গণদেৱতাত* অংকুৰিত হোৱা গণ-আন্দোলনৰ বীজটোৱে ক্ৰমাৎ *পঞ্চগ্ৰাম* উপন্যাসত গণজাগৰণৰ দিশে ধাৱিত হৈছে। গ্ৰামীন সমাজৰ ৰূপান্তৰ ঘটিছে। সংবাদপত্ৰ বা অন্যান্য গণমাধ্যমৰ জৰিয়তে গ্ৰামীন সমাজখনে বহিৰ্জগতৰ সৈতে সম্পৰ্কিত হোৱাৰ সুযোগ লাভ কৰিছে। মহাগ্ৰাম, শিৱকালিপুৰ, বালিয়াভা, দেঘুভিয়া,

কুসুমপুৰ তথা কংকনা—উক্ত পঞ্চগ্ৰামৰ সীমাৰ পৰিধিয়ে তেওঁলোকক বান্ধি ৰাখিবলৈ অপাৰগ হয়। এইখন লোকসমাজৰ নেতৃত্ব বহন কৰে দেবু ঘোষৰ দৰে ব্যক্তিয়ে। পঞ্চগ্ৰামৰ বাসিন্দা সৰ্বস্ৰান্ত হৈ গ'লেও দেবুঘোষে আশাৰ ৰেঙনি দেখিছে। যি আশাৰ মাজত প্ৰতিভাত হৈ উঠিছে গ্ৰাম্য জীৱনক জাগ্ৰত কৰাৰ প্ৰচণ্ড অভিলাষ।

প্ৰকৃত *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত বিবিধ দৃষ্টিকোণেৰে ঔপন্যাসিকগৰাকীয়ে পৰিৱৰ্তনৰ সামগ্ৰিক চিত্ৰকে ৰূপায়িত কৰিবলৈ চেষ্টা কৰিছে।

*গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাস দুখন সম্পৰ্কে তাৰাশংকৰ বন্দ্যোপাধ্যায়ে এই বুলি মন্তব্য কৰিছে—

> নিজে যেমন দেখিয়াছিল তেমন লিখিয়াছি। কতকগুলি হুবহু সত্য ঘটনা কাহিনীর আকারে সাজাইয়া দিয়াছি মাত্র। অকথিত অনেক কিছু থাকিল, তবে যাহাৰ কথাকথা করিয়াছি, তাহার বাস্তৱ ৰূপ সম্পর্কে আমার দাবী প্রত্যক্ষ অভিজ্ঞতাৰ।[১৫]

*গণদেৱতা* আৰু *পঞ্চগ্ৰাম* দুয়োখন উপন্যাসৰে অভিধাটোক চণ্ডীমণ্ডপৰ সামূহিক শক্তিটোৰে নিয়ন্ত্ৰণ কৰি আছে। ইয়াত সৰ্বসাধাৰণৰ জীৱন চক্ৰ নিৰন্তৰ ঘূৰি আছে। সমকালৰ চিত্ৰ বাস্তৱসন্মত ৰূপত তুলি ধৰাৰ ক্ষেত্ৰত তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ বিশিষ্ট স্বাতন্ত্ৰ্য মন কৰিবলগা।

দুয়োখন উপন্যাসতে দেখা গৈছে সমকালীন সময়ছোৱাত দেশৰ বাতাবৰণত গঢ়ি উঠা সাম্যবাদৰ প্ৰভাৱ। দুইখন উপন্যাসত এটা বিশেষ অঞ্চলৰ সমগ্ৰ জনজাতিকে 'নায়ক' ৰূপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যি সমাজ বিৱৰ্তনৰ চিত্ৰ প্ৰকাশি উঠিছে সেয়া এক জীৱন্ত দলিল যেন। ৰাঢ় অঞ্চলৰ কৃষক, মুজৰ, ডোম, চাওতালী, কমাৰ, মালাকাৰ, কহাঁৰ ইত্যাদি বিভিন্ন সম্প্ৰদায়ৰ লোকসকলৰ প্ৰাণ, তেওঁলোকৰ সামাজিক-অৰ্থনৈতিক কাঠাম, সংস্কৃতি, লোক-কলা, লোক-উৎসৱ, ধাৰ্মিক বিবিধ আচাৰ-অনুষ্ঠান, দেৱ-দেৱী, ৰীতি-নীতি, খাদ্য-বস্ত্ৰ, পোছাক, জীৱন-জীৱিকাৰ ভিন্ন স্তৰ, ভাষা ইত্যাদি বিভিন্ন দিশৰ ৰূপদান তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসত কলাসন্মতভাৱে যিদৰে ৰূপাংকিত হৈ উঠিছে সেয়া সমগ্ৰ বাংলা উপন্যাসতে বিৰল। চণ্ডীমণ্ডপ আৰু শিৱ মন্দিৰৰ বিশিষ্ট ভূমিকাৰে বৰ্ণিত উপন্যাসত ব্যক্তিজীৱনৰ পৰিৱৰ্তন কেনেদৰে গণমুখী পৰ্যায়লৈ ধাৱিত হৈছে সেই বৰ্ণনাৰে উপন্যাস দুখন উন্মোচিত হৈছে।

এক কথাত ক'বলৈ গ'লে *গণদেৱতা* আৰু *পঞ্চগ্ৰাম* ভাৰতীয় নৱজাগৰণৰ সময়ছোৱাৰ যেন এক মহাকাব্য। ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক পৰিৱৰ্তনৰ তথা পুনৰ্গঠনৰ ব্যাখ্যাৰে ব্যাখ্যায়িত উপন্যাস *পঞ্চগ্ৰাম*ত পাঁচখন গাঁৱৰ বসতি প্ৰধান অঞ্চলৰ ব্যক্তিসকলৰ সামাজিক জীৱনধাৰাৰ বৰ্ণিত দিশৰ বিৱৰণে এক নতুন মাত্ৰা বহন কৰে। উপন্যাস দুখন গ্ৰাম্য জীৱনৰ অবিকশিত তথা অগতিশীল বা অগ্ৰগতিৰ ৰূপ নহয়, বৰঞ্চ ই গতিশীল সমাজ জীৱনৰ বিমূৰ্ত প্ৰকাশ। দেশ-মাটি-মানুহৰ এক জীৱন্ত ইতিহাসৰূপে পৰিগণিত উপন্যাস দুখন ভাৰতীয় সাহিত্যৰ এক যুগ পৰিচয়জ্ঞাপক উপন্যাস ৰূপে স্বীকৃতি দিব পাৰি।

অৰ্থনৈতিক পৰিৱৰ্তনে গ্ৰাম্য জীৱনধাৰাক কেনেদৰে বিপৰ্যস্ত কৰি তুলিছে, লগতে সেই বিপৰ্যয়ৰ মূলতে ধনতান্ত্ৰিক সমাজখনে প্ৰভাৱিত কৰা মুদ্ৰা অৰ্থনীতিৰ বিকাশে নগৰীয়া সভ্যতালৈ আৰু জীৱনজগতলৈ গ্ৰাম্য ব্যক্তিসত্বাক কেনেদৰে আঁকুহিব লাগিছে তাৰ দূৰন্ত প্ৰকাশ *গণদেৱতা* আৰু *পঞ্চগ্ৰাম*ৰ জীৱনশৈলীত বিদ্যমান, যিয়ে গ্ৰাম্য সমাজৰ সনাতন প্ৰমূল্য, বুনিয়াদৰ ভেঁটিত আঘাত কৰি মানুহৰ ভৱিষ্যতৰ পথ নাজল-নাথল কৰি তোলাৰ মুহূৰ্তত মানুহৰ বিবেক সংশয় আৰু দ্বিধাগ্ৰস্ত হৈ উঠিছে।

**পাদটীকা ঃ**

১. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি*, পৃ. ৩০

২. উল্লিখিত গ্ৰন্থ, পৃ. ৩১

৩. উল্লিখিত গ্ৰন্থ, পৃ. ৩৯

৪. উল্লিখিত গ্ৰন্থ, পৃ. ৪২

৫. উল্লিখিত গ্ৰন্থ, পৃ. ৬৩

৬. বৰা, লক্ষ্মীনন্দন ঃ *পাতাল ভৈৰৱী*, পৃ. ৯৬

৭. উল্লিখিত গ্ৰন্থ, পৃ. ২৫৬

৮. উল্লিখিত গ্ৰন্থ, পৃ. ১৮৪

৯. উল্লিখিত গ্ৰন্থ, পৃ. ১৯৯

১০. ইন্দিৰা গান্ধী প্ৰধানমন্ত্ৰী হৈ থকা কালছোৱাত ১৯৭৫ খ্ৰীষ্টাব্দৰ ২৫ জুনৰ পৰা ১৯৭৭ খ্ৰীষ্টাব্দৰ ২১ মাৰ্চলৈ ২১ মাহৰ বাবে দেশত জৰুৰী অৱস্থাৰ সূচনা কৰা হৈছিল। স্বৰাজোত্তৰ ভাৰতবৰ্ষত এনে জৰুৰীকালীন পৰিবেশে এক বিশেষ ভূমিকা গ্ৰহণ কৰে।

১১. ১৯৭৭ খ্ৰীষ্টাব্দৰ পৰা ১৯৭৯ খ্ৰীষ্টাব্দলৈ মোৰাৰজী দেশাইৰ নেতৃত্বত জনতাপাৰ্টীয়ে ভাৰতবৰ্ষত চৰকাৰ গঠন কৰে। তেখেত চতুৰ্থগৰাকী ভাৰতৰ প্ৰধানমন্ত্ৰী।

১২. উল্লিখিত গ্ৰন্থ, পৃ. ২৬১

১৩. উল্লিখিত গ্ৰন্থ, পৃ. ২৮৩

১৪. সমাজলৈ অহা বিবিধ পৰিৱৰ্তনে মানুহৰ মনত ক্ৰীয়া কৰাৰ ফলত প্ৰগতিৰ দিশে ধাৱমান হ'বলৈ তীব্ৰ বাসনা জাগে। যাৰ ফলত ধ্যান-ধাৰাণকে আদি কৰি অৰ্থনৈতিক ক্ষেত্ৰখনতো প্ৰচলিত দিশসমূহৰ পৰিৱৰ্তন ঘটে। এনে পৰিৱৰ্তনে সকলো ক্ষেত্ৰতো জোকাৰি যোৱাৰ ফলত সামাজিক ক্ষেত্ৰখনত বাৰুকৈয়ে ইয়াৰ প্ৰভাৱ পৰে।

১৫. তাৰাশংকৰ বন্দ্যোপাধ্যায় ঃ *গণদেৱতা*, ভূমিকা পৃ. ৬-৭

# তৃতীয় অধ্যায়
# লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ চৰিত্ৰ

**৩.১ উপন্যাসত চৰিত্ৰৰ ভূমিকা ঃ**

উপন্যাস এখনৰ মুখ্য আলম্বন হৈছে তাত বৰ্ণিত চৰিত্ৰসমূহ। উপন্যাসৰ কাহিনী বাস্তৱসন্মত ৰূপত পাঠকৰ সন্মুখত তুলি ধৰাৰ ক্ষেত্ৰত চৰিত্ৰই প্ৰধান ভূমিকা গ্ৰহণ কৰে। উপন্যাসত শক্তিশালী কাহিনীক গতি প্ৰদান কৰে বলিষ্ঠ চৰিত্ৰই। কাহিনী সিমানেই সুসংগঠিত নহওক কিয়, ঔপন্যাসিকে উপযুক্ত চৰিত্ৰ অৱতীৰ্ণ কৰাব নোৱাৰিলে কাহিনীয়ে পাঠকৰ পৰা আবেদন বুটলিবলৈ অসমৰ্থ হ'ব। সেয়ে উপন্যাসৰ কাহিনীৰ সৈতে চৰিত্ৰৰ বিষয়টোও অংগাগীভাৱে জড়িত হৈ থাকে।

উপন্যাসক বাস্তৱ জীৱনৰ কলাত্মক অনুকৰণ বুলি ক'ব পাৰি। যিহেতুকে বাস্তৱ জীৱন, বাস্তৱ সমাজ উপন্যাসৰ ঘাই উপজীৱ্য, সেয়ে উপন্যাসৰ চৰিত্ৰসমূহো বাস্তৱ জীৱনৰ পৰাই ঔপন্যাসিকে বুটলি লয়। কিন্তু সেয়ে হ'লেও সম্পূৰ্ণ বাস্তৱতাৰে উপন্যাসত কাহিনী বা চৰিত্ৰ একোৰেই সৃষ্টি কৰিব নোৱাৰি। বাস্তৱৰ অনুকৰণ আৰু কল্পনাৰ সংমিশ্ৰণ—এই দুয়োটাৰ ভিত্তিতহে উপন্যাসৰ কলাত্মক ৰূপ সাৰ্থক হ'ব পাৰে। সেই দিশৰ পৰা চৰিত্ৰ অংকন কৰোতে ঔপন্যাসিকে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লগা হয়। কিয়নো বাস্তৱ জীৱনৰ পৰা বুটলি অনা চৰিত্ৰ সকলো গুণেৰে বিভূষিত হ'ব লাগিব। তেতিয়াহে চৰিত্ৰৰ সুস্পষ্ট ৰূপায়ণ সম্ভৱ হৈ উঠিব। উপন্যাসত চৰিত্ৰৰ ভূমিকা কেনে ধৰণৰ হ'ব লাগিব সেই বিষয়ে ইতিমধ্যে বহুতো সমালোচকে নিজ নিজ মন্তব্য আগবঢ়াইছে। উপন্যাসৰ পটভূমি অথবা কাহিনীৰ সৈতে চৰিত্ৰৰ সংগতি উপযুক্ত ৰূপত স্থাপন কৰিব নোৱাৰিলে কাহিনীৰ গতি স্তিমিত হৈ পৰে।

জীৱনৰ মূল সত্যসমূহক যেনে—জন্ম, মৃত্যু, খাদ্য, নিদ্ৰা, প্ৰেম, যৌনতা আদিক ঔপন্যাসিকে চৰিত্ৰসমূহৰ জৰিয়তে বিভিন্ন দৃষ্টিকোণৰ পৰা অংকন কৰে। জন্ম আৰু মৃত্যু সম্পৰ্কে মানুহৰ অভিজ্ঞতা আনৰ পৰা লাভ কৰা অভিজ্ঞতাহে। কাৰণ এই দুই মূল বিন্দুৰ

বিষয়ে অভিজ্ঞতাৰ কোনো স্মৃতি নাথাকে। ঔপন্যাসিকক স্রষ্টা হিচাপে সৰ্বজ্ঞ বুলি স্বীকৃতি দিয়া হয় কাৰণে ঔপন্যাসিকক জন্ম আৰু মৃত্যুৰ অভিজ্ঞতাৰ ক্ষেত্ৰতো ব্যতিক্ৰম হিচাপে ধৰি লোৱা হয়।[১]

উপন্যাসত বৰ্ণিত চৰিত্ৰসমূহ সাধাৰণতে দুই ধৰণৰ হ'ব পাৰে। এবিধ স্থিৰ চৰিত্ৰ আৰু আনবিধ গতিশীল চৰিত্ৰ। ইয়াৰে প্ৰথমবিধ অৰ্থাৎ স্থিৰ চৰিত্ৰবোৰৰ কাৰ্যপন্থাৰ বিশেষ কোনো পৰিৱৰ্তন পৰিলক্ষিত নহয়। স্থিৰ চৰিত্ৰসমূহ কিছুমান নিৰ্দিষ্ট দোষ-গুণৰ অধিকাৰী। সেইবাবে, সিহঁতক সহজে বুজিব পাৰি আৰু ফোৰষ্টাৰে ক'বৰ দৰে—প্ৰকৃত স্থিৰ চৰিত্ৰক একোটা বাক্যৰে প্ৰকাশ কৰিব পাৰি।[২] স্থিৰ চৰিত্ৰসমূহ কাহিনীৰ সৈতে সংপৃক্ত হৈ বিকশিত হ'ব নোৱাৰে। এক নিৰ্দিষ্ট ঠাইত ৰৈ যায় বাবেই এনে চৰিত্ৰৰ বিষয়ে পূৰ্বানুমান কৰিব পাৰি। কিয়নো যিকোনো পৰিস্থিতিতেই  এনে চৰিত্ৰৰ স্বভাৱজাত ভংগিমাৰ কোনো পৰিৱৰ্তন নহয়। সেইবাবে উপন্যাসৰ আদিৰ পৰা অন্তলৈকে স্থিৰ চৰিত্ৰসমূহৰ বিকশিত ৰূপ দৃষ্টিগোচৰ নহয়।

অন্যহাতে গতিশীল অথবা মুক্তক চৰিত্ৰবোৰ স্থিৰ চৰিত্ৰৰ সম্পূৰ্ণ বিপৰীত। এইসমূহ চৰিত্ৰই কাহিনীৰ অগ্ৰগতিৰ লগে লগে বিকাশ লাভ কৰে। পৰিৱেশ আৰু পৰিস্থিতি অনুযায়ী গতিশীল চৰিত্ৰবোৰৰ অভিব্যক্তিসমূহৰো বিকাশ ঘটিবলৈ লয়। সেয়ে উপন্যাসৰ শেষ পৰ্যায়লৈ গতিশীল চৰিত্ৰবোৰৰ বিৱৰ্তিত ৰূপ এটা লক্ষ্য কৰা যায়। যাৰ বাবে এনে চৰিত্ৰবোৰৰ ভৱিষ্যত স্থিতিৰ বিষয়ে একো ধাৰণা কৰিব পৰা নাযায়।

স্থিৰ অথবা স্থিতিশীল আৰু গতিশীল বা মুক্তক—এই দুইবিধ চৰিত্ৰৰ সহায়তেই কাহিনীৰ মূল সূঁতাডাল গ্ৰথিত হয়। চৰিত্ৰসমূহৰ বিভিন্ন ভাব-অনুভূতি তথা কাৰ্যৰ মাজেৰে উপন্যাসৰ বাবে নিৰ্বাচিত পটভূমিটো উজলাই তোলা হয়। আকৌ কেতিয়াবা পটভূমিৰ জৰিয়তে চৰিত্ৰসমূহৰ বাহ্যিক আৰু মানসিক অৱস্থাৰ  বহিৰ্প্ৰকাশ ঘটোৱা হয়। চৰিত্ৰ যেনে ধৰণৰেই নহওক কিয়, উপন্যাসৰ ৰাজহাড়ডাল হৈছে চৰিত্ৰ। চৰিত্ৰৰ বিভিন্ন কাৰ্যাৱলীয়ে তেওঁলোকৰ সমাজখনক প্ৰতিনিধিত্ব কৰে, যিখন সমাজৰ পৰা ঔপন্যাসিকে চৰিত্ৰসমূহক তুলি-তালি কাহিনীৰ মাজেৰে প্ৰতিভাত কৰি তোলে। সেয়ে ঔপন্যাসিকগৰাকীৰ চৰিত্ৰৰ নিৰ্মাণৰ দক্ষতাৰ ওপৰতে কাহিনীৰ গতি নিৰ্ধাৰণ হয়। চৰিত্ৰ এটা কি ধৰণে উপন্যাস এখনত উপস্থাপন

কৰা হ'ব, চৰিত্ৰৰ মানসিক অথবা বাহ্যিক ভাব-অনুভূতিবোৰ কেনেদৰে প্ৰকাশিত হ'ব সেই ক্ষেত্ৰত ঔপন্যাসিকগৰাকীৰ গভীৰ অন্তৰ্দৃষ্টি থকাটো বাঞ্ছনীয়। কিয়নো প্ৰতিজন ব্যক্তি ভাল-বেয়া উভয় গুণৰ সমষ্টি। এনে ভাল-বেয়া প্ৰতিটো দিশ তন্ন তন্নকৈ নিৰীক্ষণ কৰি সঠিক মূল্যায়নেৰে উপন্যাসৰ পাতত অংকন কৰিব পাৰিলেহে উপন্যাসখনে সাৰ্থকতা দাবী কৰিব পাৰিব। এইখিনিতে মন কৰিবলগা কথা এয়ে যে উপন্যাসৰ পাতত বৰ্ণিত চৰিত্ৰসমূহৰ প্ৰতি ঔপন্যাসিকজন নিৰপেক্ষ হ'ব লাগিব। নিজস্ব ধাৰণা চৰিত্ৰৰ ওপৰত আৰোপ কৰিব বিচাৰিলে চৰিত্ৰই আদৰ্শগত গুণ হেৰুওৱাৰ সম্ভাৱনা থাকে। সেইবাবে নিজৰ মানসিকতা চৰিত্ৰৰ ওপৰত পৰিলেও ঔপন্যাসিকজন সতৰ্ক থকা বাঞ্ছনীয় যাতে অত্যাধিক প্ৰভাৱে চৰিত্ৰৰ গুৰুত্ব হ্ৰাস নকৰে।

### ৩.২ লক্ষ্মীনন্দন বৰাৰ গঙা চিলনীৰ পাখি উপন্যাসৰ চৰিত্ৰ চিত্ৰণ ঃ

লক্ষ্মীনন্দন বৰাৰ উপন্যাস *গঙা চিলনীৰ পাখি*ত সোণাইপৰীয়া জীৱনৰ কেইবাটাও চৰিত্ৰৰ সমাহাৰ ঘটিছে। এই চৰিত্ৰসমূহৰ প্ৰায়কেইটা চৰিত্ৰই বাস্তৱ আৰু জীৱন্ত ৰূপত উপন্যাসখনত অংকিত হৈছে। ১৩৪ পৃষ্ঠাৰ এই উপন্যাসখন দুটা মুখ্য বিষয়ক লৈ ৰচিত হ'লেও বাসন্তীৰ জীৱন স্ৰোতকে ঔপন্যাসিকগৰাকীয়ে আন উপকাহিনীৰ সৈতে যোগসূত্ৰৰে খাপ খুৱাই আগুৱাই নিয়া যেন অনুমান হয়। তাকে বৰ্ণনা কৰিবলৈ যাওঁতে কাহিনীৰ ৰূপদানত স্থান লাভ কৰা চৰিত্ৰসমূহ মানৱীয় ভাব-অনুভূতিৰে উপন্যাসখনত প্ৰোজ্জল হৈ উঠিছে। কাহিনীৰ স্তৰে স্তৰে বিকাশ লাভ কৰা চৰিত্ৰসমূহে উপন্যাসখনত গ্ৰাম্য জীৱনৰ সৰলতাৰে নিজকে উপস্থাপন কৰাত সফল হৈছে। কাহিনীৰ গতিধাৰাত পুৰণি আৰু আধুনিকতাৰ দ্বন্দ্বত চৰিত্ৰৰ পৰিৱৰ্তন সহজে লক্ষণীয়।

সি যি কি নহওক, সুখ-দুখ, হৰ্ষ-বিষাদ, হাঁহি-কান্দোন, প্ৰেম-ভালপোৱা আদি আৱেগ-অনুভূতিসমূহেৰে পৰিপূৰ্ণ হৈ মানৱীয় প্ৰমূল্যবোধেৰে নিজকে উজলাই তোলাৰ ক্ষেত্ৰত বৰাৰ *গঙা চিলনীৰ পাখি* উপন্যাসখনৰ চৰিত্ৰসমূহে কোনো ক্ষেত্ৰত কাৰ্পণ্য কৰা নাই।

*গঙা চিলনীৰ পাখি* উপন্যাসখনত কাহিনীক প্ৰতিনিধিত্ব কৰিব পৰাকৈ যিকেইটা চৰিত্ৰৰ

সমাৱেশ ঘটিছে সেই আটাইকেইটা চৰিত্ৰই কাহিনীৰ বিকাশত অতিকৈ প্ৰয়োজনীয় ৰূপত দেখা দিছে। উপন্যাসখনত পুৰুষ চৰিত্ৰ আৰু নাৰী চৰিত্ৰ—উভয়ৰে ভূমিকা প্ৰশংসনীয়।

পুৰুষ চৰিত্ৰৰ ভিতৰত ভোগৰাম, ধনঞ্জয়, মথুৰা—এই তিনিজনেই প্ৰধান যদিও উপন্যাসখনত আন কেইটামান পুৰুষ চৰিত্ৰৰ অৱস্থিতিও লক্ষ্য কৰা যায়। অৱশ্যে এই চৰিত্ৰকেইটাৰ উপন্যাসৰ কাহিনীত বিশেষ জনপ্ৰিয়তা নাথাকিলেও কাহিনীক গতি প্ৰদান কৰাৰ ক্ষেত্ৰত চৰিত্ৰকেইটাৰ ভূমিকা উল্লেখনীয়। তেনে পুৰুষ চৰিত্ৰৰ ভিতৰত ভগীৰথ কাননগো, সুবোধ শইকীয়া, মথুৰাৰ সখীয়েক মিনাধৰ, বাজু আদিয়ে প্ৰধান। কম সময়ৰ বাবে ভূমুকি মাৰিলেও উল্লিখিত আটাইকেইটা পুৰুষ চৰিত্ৰই পাঠকৰ অন্তৰত নিগাজী আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছে।

উপন্যাসখনত আৰম্ভণিৰপৰা শেষলৈকে জীৱন্ত ৰূপত অংকন কৰা নাৰী চৰিত্ৰৰ ভিতৰত বাসন্তী অন্যতম। বাসন্তীৰ জীৱনৰ খলা বমাৰ প্ৰতিটো চিত্ৰ পুংখানুপুংখ ৰূপত অংকন কৰিবলৈ যাওতে ঔপন্যাসিক গৰাকীয়ে প্ৰদান কৰা গতিশীলতা মন কৰিবলগা। নায়িকা বাসন্তীৰ উপৰি উপন্যাসখনত অংকিত আন নাৰী চৰিত্ৰসমূহ হৈছে—তৰুলতা, সুজলা, তৰুলতাৰ জীয়েক মালচ, ৰূপুক বুঢ়ী, ভণিতা, বাসন্তীৰ ননদ পাৰুল আৰু পুতুলী, বেজিনী কপিলী বাই, মনবৰী আৰু কাচনমতী।

উপন্যাসখনত পুৰুষ চৰিত্ৰৰ বিপৰীতে নাৰী চৰিত্ৰৰ সংখ্যা তুলনামূলকভাৱে বেছি। যদিও কিছুমান বিশেষ উপলক্ষ্যতহে কেইটামান নাৰী চৰিত্ৰক কাহিনীৰ বিকাশত সাঙুৰি লোৱা হৈছে তথাপি কিন্তু পুৰুষ চৰিত্ৰতকৈ নাৰী চৰিত্ৰৰ ভূমিকা উপন্যাসখনত মন কৰিব লগা।

### ৩.২.১ গঙা চিলনীৰ পাখি উপন্যাসৰ পুৰুষ চৰিত্ৰ ঃ

*গঙা চিলনীৰ পাখি* উপন্যাসখনত চিত্ৰিত পুৰুষ চৰিত্ৰকেইটাৰ ভিতৰত ভোগৰাম আৰু ধনঞ্জয় উভয়ৰে ভূমিকা মনকৰিবলগা।

উপন্যাসখনৰ নায়কৰ চৰিত্ৰত অংকিত ধনঞ্জয়ক বাসন্তীৰ প্ৰেমিকাৰ ৰূপত দেখুওৱা হৈছে। ধনঞ্জয়ৰ প্ৰসংগৰে উপন্যাসৰ কাহিনীৰ শুভাৰম্ভ ঘটিছে।

উপন্যাসখনত ধনঞ্জয়ক এগৰাকী প্ৰকৃত প্ৰেমিকৰ লগতে মানৱতাবাদী চৰিত্ৰৰ ৰূপত অংকন কৰা হৈছে। সমাজৰ হকে চিন্তা কৰা, অন্যায় অবিচাৰ-দুৰ্নীতিৰ বিৰুদ্ধে মাত মতা এগৰাকী প্ৰগতিবাদী চৰিত্ৰৰ ৰূপত ঔপন্যাসিকে ধনঞ্জয়ক অংকন কৰিছে। উপন্যাসখনৰ আৰম্ভণিতে (প্ৰথম অধ্যায়ত) মহাজনী শোষণৰ বিৰুদ্ধে ধনঞ্জয়ৰ প্ৰতিবাদী কণ্ঠ দেখিবলৈ পোৱা গৈছে—

> ................ইয়াৰ মূলতে হ'ব ধাৰ দিয়া মহাজনবোৰ ঠগ। খেতিয়কে খেতি কৰিলে কি হ'ব? লাভটো পায় সিহঁতেহে। খেতিয়কে উচিত মূল্যত বস্তু বেচিবলৈকে নেপায়।
>
> ............সেই কাৰণেই ভাবিছো, এইবাৰ পাভচিলাত এখন সমবায় সমিতি পাতিব লাগিব। কাৰণ, এতিয়াই যদি ৰাইজে...........।[৪]

উপন্যাসখনৰ দ্বিতীয় অধ্যায়ত ধনঞ্জয়ৰ মানৱ প্ৰেমৰ প্ৰকৃত স্বৰূপ উদ্ভাসি উঠিছে। কিছু মাত্ৰ চিকিৎসাৰ জ্ঞানেৰে সাধাৰণ জনসাধাৰণক হেমিঅ'পেথিক চিকিৎসা সেৱা আগবঢ়াই অহা ধনঞ্জয়ে মানৱ সেৱাকে জীৱনৰ মূলমন্ত্ৰ ৰূপে গ্ৰহণ কৰিছে। সেয়ে বাসন্তীৰ মাকৰ চকু চিকিৎসা কৰাবলৈ চৰকাৰী হাস্পতাললৈ অনাৰ সময়তো ধনঞ্জয়ে নিজৰ পুত্ৰৰ দৰে সুজলা বুঢ়ীৰ সংগ দিছে।

সহজ-সৰল ধনঞ্জয়ৰ ব্যক্তিত্বত সঁচা অৰ্থত এগৰাকী ব্যক্তিৰ থাকিব লগা দয়া, মমতা, ক্ষমা, উদাৰতা, পৰোপকাৰী, সহনশীলতা, ধৈৰ্য এই আটাইবোৰ বিভূষণ আৰোপ কৰিব পাৰি। উদাৰতা আৰু মহানতাৰ বাবেই পাভচিলাত ধনঞ্জয়ে সকলোকে চেনেহৰ জৰীৰে গাঁঠিব পাৰিছিল।

যিকোনো পৰিস্থিতিৰে সৈতে মোকাবিলা কৰিব পৰাকৈ ধনঞ্জয় প্ৰচুৰ মানসিক শক্তিৰ অধিকাৰী আছিল। আৱেগক প্ৰশ্ৰয় নিদিয়াকৈ নিজক দমন কৰি ৰাখিব পৰা ব্যক্তিত্বৰ অধিকাৰী আছিল ধনঞ্জয়। কামনা-বাসনাই ধনঞ্জয়ক লালায়িত কৰিব পৰা নাছিল। তাৰ নিদৰ্শন উপন্যাসখন স্পষ্ট।

উপন্যাসখনৰ আৰম্ভণিৰ পৰা শেষলৈকে ধনঞ্জয় চৰিত্ৰটোৱে পাঠকক সন্মোহিত কৰি ৰাখিছে। ধনঞ্জয়ৰ প্ৰতি বাসন্তীয়ে এক অবুজ স্পন্দন অনুভৱ কৰাৰ দৰে ধনঞ্জয়ৰ অন্তৰতো কাহিনীৰ আৰম্ভণিতে বাসন্তীৰ প্ৰতি হৃদয়ৰ কম্পন অনুভূত হৈছে। প্ৰকাশ্যে নহ'লেও দুইজনেই পৰস্পৰে পৰস্পৰৰ ওচৰত বিলীন হৈ যোৱাৰ স্পৃহাত মন আকুল হৈছে। আৰু সেয়ে ধনঞ্জয়ে জীৱনৰ এৰি থৈ অহা অতীত অধ্যায়ৰ দুঃখজনক বৰ্ণনা বাসন্তীৰ ওচৰত প্ৰকাশ কৰিবলৈ উদ্যত হৈছে। ধনঞ্জয়ে ভাবিছে কিজানিবা তাৰ জীৱনৰ অসহনীয় বেদনাই বাসন্তীক আজীৱন ওচৰত ৰাখিব পাৰেই—

> .............এৰা, মোৰ জীৱনটো তোমাৰ আগত দাঙি ধৰোঁ। তেতিয়া হয়তো তোমাৰ মোলৈ পুতৌ উপজিব। হয়তো সেই কাৰণেই তুমি মোক কাহানিও পাহৰিব নোৱাৰিবা।[৬]

আনৰ বাবে দেহে-কেহে লাগিব পৰা গুণটোৰ বাবেই ধনঞ্জয়ে ভোগৰামৰ বাবে কৃষি ঋনৰ ব্যৱস্থা কৰিবলৈ নগাঁও চহৰলৈ গৈছে। ধনঞ্জয়ে আত্মস্বাৰ্থসিদ্ধিৰ বাবে দুখীয়া নিচলা লোকৰ ঠগি খাব পৰা বিধৰ চৰিত্ৰৰ নাছিল। নিজৰ নীতি-আদৰ্শক জলাঞ্জলি নিদিয়াকৈ আনৰ বাবে সকলো ত্যাগ কৰিবলৈ ধনঞ্জয়ে সদায়ে মানসিকভাৱে প্ৰস্তুত হৈ আছিল। সেয়ে পৰিৱৰ্তনৰ ঢৌত উটি যোৱা পাভচিলাত নিৰ্বাচনী বতাহ সোমোৱা সময়ছোৱাতো ধনঞ্জয়ে অসৎ উপায়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা লোক আৰু তেনে লোকৰ সমৰ্থকৰ পৰা আঁতৰি ফুৰিছে—

> ...........মানুহে সকলো কাম লাভ-লোকচানৰ কাৰণেই নকৰে। মই এটা বিশেষ নীতি মানি চলা মানুহক শ্ৰদ্ধা কৰোঁ। সেই কাৰণেই ভাবোঁ, সঞ্জীৱ বৰুৱাৰ দৰে মানুহ প্ৰতিনিধি হ'লেহে গণতন্ত্ৰই গা কৰিব পাৰিব।[৭]

ধনঞ্জয়ৰ বাবে নীতি-আদৰ্শ সকলো সম্পৰ্কতকৈ উৰ্দ্ধত। ব্যক্তিগত স্বাৰ্থতকৈ ৰাজহুৱা স্বাৰ্থক ধনঞ্জয়ে সদায়ে অগ্ৰাধিকাৰ দি আহিছে। কিন্তু সমাজত ব্যক্তিস্বাৰ্থক প্ৰাধান্য দিয়া লোকেই সৰহ। যাৰ বাবে নীতি আদৰ্শক ৰক্ষা কৰিবলৈ যোৱা ধনঞ্জয়ৰ দলটোৱে নিৰ্বাচনত পৰাজয় বৰণ কৰিছে।

আনফালে আকৌ নিৰ্বাচন সমাপ্ত হোৱাৰ কেইমাহমান পাছতে ধনঞ্জয়ৰ হিয়াৰ লগৰী বাসন্তীৰ অন্য পুৰুষৰ সৈতে বিবাহৰ আয়োজন চলা বুলি খবৰ পোৱাৰ পাছতে ধনঞ্জয় হতাশ হৈ পৰিছে। তথাপি পাৰ্যমানে নিজক চম্ভালি ৰাখিবৰ চেষ্টা কৰিছে। নিজৰ অক্ষমতাৰ দোহাই দি ধনঞ্জয়ে আত্মসন্তুষ্টি লাভ কৰিবৰ চেষ্টা কৰিছে। এইখিনিতে ধনঞ্জয় চৰিত্ৰটোৰ দুৰ্বলতা পুনৰবাৰ প্ৰকাশ পাইছে। বাসন্তীক হেৰুওৱাৰ দুখে কাতৰ কৰিলেও ধনঞ্জয়ে বাসন্তীৰ সৈতে থকা প্ৰেমক স্বীকৃতি দিবলৈ ঘৰখনৰ সন্মতি আদায় কৰিবৰ কোনো চেষ্টা কৰা নাই। তাৰ সলনি বাসন্তীক পলুৱাই অনাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।

সদায় আনৰ বাবে ত্যাগ স্বীকাৰ কৰা, আনৰ বাবে দেহে-কেহে খাটি ফুৰা ধনঞ্জয়ক এইখিনিতে আত্মকেন্দ্ৰিক ৰূপত ঔপন্যাসিকে উপস্থাপন কৰিছে। ব্যক্তিস্বাৰ্থক অগ্ৰাধিকাৰ দি ধনঞ্জয়ে বাসন্তীক পলুৱাই নিয়াৰ সিদ্ধান্ত লৈছে। ধনঞ্জয় সুখী হ'ব বিচাৰে। সেই সুখ ৰাজহুৱা কাম-কাজতকৈও বাসন্তীৰ পৰাহে পাব বুলি ধনঞ্জয়ে বিশ্বাস কৰে।

সকলো প্ৰস্তুতি সম্পন্ন হোৱাৰ পাছতো ধনঞ্জয় পুনৰবাৰ নিৰাশ হৈছে। বাসন্তীয়ে ধনঞ্জয়ৰ প্ৰেমতকৈ ঘৰখনৰ মান-সন্মানক আগস্থান দিয়াত ধনঞ্জয়ৰ মনৰ সপোন মনতে মাৰ গৈছে। জীৱনত আকৌ এবাৰ ধনঞ্জয়ে সকলো হেৰুৱাইছে। আউল-বাউল জীৱনটো থাউনি লগাব বিচাৰোতেই ধনঞ্জয়ে বাসন্তীৰ পৰা কঠোৰতম আঘাত পাইছে। মথুৰাৰ সৈতে বাসন্তীয়ে নৱজীৱনৰ পাতনি মেলিছে। আৰু ধনঞ্জয়ে বাসন্তীৰ সৈতে কটোৱা মধুৰতম স্মৃতিকে সাৰটি জীৱনৰ সোঁতত নাও এৰি দিছে।

ভালেমান দিন, ভালেমান মাহ এইদৰে বাগৰি গৈছে। ধনঞ্জয় বিপৰীত দিশেৰে বাসন্তীৰ পৰা আঁতৰত থাকি জীৱন যুদ্ধত আগুৱাই গৈ আছে। কিন্তু এদিন হঠাৎ বাসন্তীৰ জীৱনলৈ ধনঞ্জয়ৰ পুনৰ অভিষেক ঘটিছে। বাসন্তীৰ জীৱনত হৈ যোৱা শত-সহস্ৰ বিলাই-বিপত্তিৰ বাবে হয়তো ধনঞ্জয় বাসন্তীৰ ওচৰলৈ আহিলেও ধনঞ্জয়ে বহুত হতাশ হৈ পৰিছে। বাসন্তীৰ জুৰুলা শৰীৰ প্ৰত্যক্ষ কৰি ধনঞ্জয় অসহায় হৈ পৰিছে। অথচ প্ৰচলিত সমাজ সংস্কাৰলৈ পিঠি দি ধনঞ্জয়ে বাসন্তীক ওচৰ চপাই আনিবলৈ অপাৰগ।

ধনঞ্জয়ে বাসন্তীৰ মুখামুখি হোৱাৰ সাহস কৰিব পাৰিছে, বাসন্তীয়ে সেই সাহস

সম্পূৰ্ণকৈ গোটাব পৰা নাই। কিয়নো ধনঞ্জয়ৰ সৈতে দেহ, মন, আত্মাৰে এক হোৱাৰ প্ৰতিশ্ৰুতি দিও বাসন্তীয়ে সেই প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱাৰিলে। কিন্তু ধনঞ্জয় বিশাল হৃদয় তথা ব্যক্তিত্বৰ অধিকাৰী। কাৰো প্ৰতি ধনঞ্জয়ৰ ক্ষোভ নাই, ধনঞ্জয়ে কাকো বেয়া পাব নাজানে। ক্ষমাৰে ভৰপুৰ হৈ আছে ধনঞ্জয়ৰ হৃদয়। সেয়ে বাসন্তীক ক্ষমাৰ দৃষ্টিৰে চাইছে। কেৱল সেয়াই নহয়, জীয়াই থাকিবৰ বাবে বাসন্তীক তীব্ৰ মনোবল দিছে। জীৱনৰ নতুন অৰ্থ শিকাইছে। যাৰ বাবে বাসন্তীৰ পৰিয়ালটো কৃতজ্ঞ হৈ ৰৈছে—ভগীৰথে তাৰ হাতখনত ধৰি ক'লে—বোপা, তুমি আচৰিত ঈশ্বৰে তোমৰ নাম ৰৈ বৈ যোৱা কৰক।[১৩]

এনেদৰে দেখা কৰাৰ পাছত ধনঞ্জয়ে আৰু বাসন্তীৰ ওচৰলৈ অহা নাই। হয়তোবা এগৰাকী বিবাহিতা নাৰী হোৱা বাবেই ধনঞ্জয়ে বাসন্তীৰ পৰা এটা দূৰত্ব বজাই ৰাখিব বিচাৰিছিল। বাসন্তীয়ে বিচাৰিব চেষ্টা কৰিছিল যদিও ধনঞ্জয়ৰ কোনো সম্ভেদ পোৱা নাছিল। হয়তোবা ধনঞ্জয়ে আত্মগোপন কৰিব বিচাৰিছিল। নতুবা বাসন্তীৰ ওচৰ চাপিলে এৰি থৈ অহা আবেগৰ বতাহজাকে পুনৰাই আমনি কৰিব পাৰে বুলি ভাবিয়েই হয়তো ধনঞ্জয়ে এক দূৰত্ব বজাই ৰাখিছিল।

শেষত সেইটোৱে হৈছিল। ধনঞ্জয়ে ভবা ধৰণেই বাসন্তীয়ে পুনৰবাৰ নতুনকৈ তাইৰ হৃদয়খন জীপাল কৰি তুলিছিল ধনঞ্জয়ৰ বাবে। গাভৰু অৱস্থাত পূৰণ কৰিব নোৱাৰা হেঁপাহটোৱে আমনি কৰা বাবেই বাসন্তীয়ে হিন্দু বিবাহিতা নাৰী হৈও নিজৰ অপূৰণ হৈ থকা আশা-পূৰণ কৰাৰ বাবেই ধনঞ্জয়ক বিচাৰিছিল। কিন্তু ধনঞ্জয় পিছ হুহকি আহিছে। বাসন্তীৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰাৰ মানসিকতা যিদৰে ধনঞ্জয়ৰ নাই, ঠিক সেইদৰে সামাজিক মূল্যবোধক অৱমাননা কৰাৰ সাহসখিনিও ধনঞ্জয়ে গোটাব পৰা নাই। দুই নাৱত দুই ভৰি থৈ ধনঞ্জয়ে বিমোৰত পৰিছে। তাতোকৈও আচৰিত হৈছে বাসন্তীৰ কথা ভাবি। যিগৰাকী বাসন্তীয়ে জন্ম লাভ কৰা পিতৃগৃহৰ কথা ভাবি গাভৰু অৱস্থাতেই ধনঞ্জয়ৰ সৈতে পলাই যাব সাহস কৰা নাছিল, সেই গৰাকী বাসন্তীয়েই হিন্দু বিধৱা নাৰী হোৱা স্বত্বেও ধনঞ্জয়ৰ সৈতে জীৱন কটাবলৈ পৰিকল্পনা কৰিব পাৰিছে।

কিন্তু সকলোকে আচৰিত কৰি বাসন্তীয়ে দিয়া প্ৰস্তাৱৰ কোনো উত্তৰ অবিহনেই উপন্যাসখনৰ শেষৰফালে ধনঞ্জয়ক নিৰুদ্দিষ্ট ৰূপে দেখুওৱা হৈছে। আনকি ধনঞ্জয় থকা ঘৰটোও মাছৰ মহলদাৰ এজনৰ ওচৰত বিক্ৰী কৰা বুলিহে উপন্যাসখনত দেখুওৱা হৈছে। মাথো দেখুওৱা হৈছে ধনঞ্জয় কেতিয়াও পাভচিলালৈ উভটি নাহে। ক'লৈ গ'ল, কিয় গ'ল সেই কথা কাকো জনাই থৈ নগ'ল।

সমালোচকৰ ভাষাৰে—

> বাসন্তীৰ প্ৰতি তাৰ ভালপোৱা অটুত থাকিলেও নিজৰ আৰু বাসন্তীৰো সামাজিক মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ সেই ঠাই সন্তৰ্পণে পৰিত্যাগ কৰে; সি নিৰুদ্দেশ হয়।[১৪]

উপন্যাসখনৰ আৰম্ভণিতে সম্পূৰ্ণ সক্ৰিয় হৈ থকা চৰিত্ৰ এটা শেষলৈ এনেদৰে নিষ্ক্ৰিয় হৈ পৰা কথাটো লক্ষণীয়। যিগৰাকী নাৰীৰ প্ৰেমৰ বাবে ধনঞ্জয়ে গোটেই জীৱন অবিবাহিত হৈয়ে ৰল সেইগৰাকী নাৰী নিজে ওচৰলৈ আহিব বিচৰাৰ পাছতো সম্পূৰ্ণ উদাসীন হৈ গাঁওখন পৰিত্যাগ কৰা কথাটোৱে ধনঞ্জয়ৰ জটিল মানসিকতাৰহে পৰিচয় দিছে। আৰম্ভণিতে যি বিশাল হৃদয় তথা ব্যক্তিত্বৰ অধিকাৰী ৰূপে ধনঞ্জয়ে উপন্যাসখনত এক বিশেষ স্থান ল'বলৈ সক্ষম হৈছিল, সেই স্থান যেন বহু পৰিমাণে স্তিমিত হৈ পৰে। সবল মানসিকতাৰ ধনঞ্জয়ে এটা নতুন পথ দেখুৱাবলৈ সক্ষম নহ'ল। যদিহে ধনঞ্জয়ে বিধৱা বাসন্তীক আপোনত্বৰ শিকলিৰে বান্ধ খুৱাব পাৰিলেহেঁতেন তেতিয়া হয়তো চৰিত্ৰটোৱে এটা উচ্চমৰ্যাদাসম্পন্ন স্থান লাভ কৰিলেহেঁতেন।

এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে যিহেতু ধনঞ্জয়ে সমাজৰ হকে চিন্তা কৰিয়েই জীৱনৰ বেছিখিনি সময় পাৰ কৰিলে গতিকে সেই দৃষ্টিৰে চালে ধনঞ্জয়ক নিৰপৰাধী যেন বোধ হয়। সামাজিক মূল্যবোধৰ অৱক্ষয়তকৈ ব্যক্তিগত সুখ স্বাচ্ছন্দ্য ধনঞ্জয়ৰ বাবে ডাঙৰ নহয়। কিন্তু এগৰাকী নাৰীয়ে প্ৰচলিত ৰীতি-নীতিৰ বিৰুদ্ধে যদি মাত মাতি প্ৰতিবাদ কৰি ওলাই আহিব খোজে তেন্তে সেইখিনি সাহস ধনঞ্জয়ৰ ব্যক্তিত্বত নথকা কথাটোৱে এটা আদৰ্শবান চৰিত্ৰৰ পৰা তলৰ শাৰীলৈ অৱনমিত কৰায়। প্ৰথমাৱস্থাত নিজ ভগ্নীক অকলে বিপৰ্যয়ৰ সৈতে সহবাস কৰিবলৈ এৰি থৈ অহা আৰু দ্বিতীয়বাৰ প্ৰেয়সীক অকলে জীৱন

যুদ্ধত এৰি থৈ পলায়ন কৰাৰ কথাটোৱে ধনঞ্জয়ৰ জটিল মানসিকতাৰ পৰিচয় দাঙি ধৰে। ধনঞ্জয় আনে বুজি পাব নোৱাৰা এক চৰিত্ৰ। বাসন্তীক আপোন কৰি ল'ব নোৱাৰিলেও ওচৰত থাকি ধনঞ্জয়ে বাসন্তীক জীয়াই থকাৰ সাহসকণ দিব পাৰিলেহেঁতেন। কিন্তু কিহৰ বাবে ধনঞ্জয়ে বাসন্তীৰ লগতে সমগ্ৰ পাভচিলা গাঁওখন ত্যাগ কৰি গ'লগৈ সেই কথা কোনেও নাজানিলে। সমগ্ৰ কথা নিজৰ মাজতে সামৰি ধনঞ্জয় গ'লগৈ। বাসন্তীক দ্বিতীয়বাৰলৈ সুযোগ দিয়াৰ প্ৰয়োজনবোধ নকৰিলে। সমালোচকৰ ভাষাত—

> ধনঞ্জয়ে তাইৰ প্ৰস্তাৱত সঁহাৰি নজনোৱাৰ কাৰণো পৰিৱৰ্তত পৰিৱেশই বুলি ক'ব পাৰি। বাসন্তীৰ এঘৰ প্ৰতিষ্ঠাপন্ন পৰিয়ালৰ বোৱাৰী, তদুপৰি বিধৱা। ধনঞ্জয়ৰো সমাজসেৱকৰূপে এখন সন্মানজনক আসন আছে। গতিকে বাসন্তীৰ প্ৰতি সহানুভূতিশীল হৈয়ো ধনঞ্জয়ে কেৱল আগেৰ বণৰৰ্তী হৈ নতুন প্ৰস্তাৱত সমৰ্থন জনাব নোৱাৰাটো একো আচৰিত নহয়।।.. অবিবাহিত গাভৰু বাসন্তীক পলুৱাই নিয়া আৰু বিবাহিত বিধৱা বোৱাৰীক পলুৱাই নিয়া সমপৰ্যায়ৰ ঘটনা বুলি ধৰিব নোৱাৰি।[১৫]

কাৰণ লাগিলে যিয়েই নহওক, উপন্যাসখনৰ আৰম্ভণিতে এটা গতিশীল চৰিত্ৰ ভূমিকা লোৱা স্পষ্টবাদী চৰিত্ৰটোৱে সেই ক্ৰম ধৰি ৰাখিবলৈ অপৰাগ হয়। ধনঞ্জয় বহু গুণৰ অধিকাৰী হৈয়ো জীৱন যুঁজত পৰাজিত নায়ক হৈ ৰ'ল।[১৬]

*গঙা চিলনীৰ পাখি* উপন্যাসৰ আন এটা মুখ্য পুৰুষ চৰিত্ৰ হৈছে ভোগৰাম। এজন সুন্দৰ, সুঠাম দেহৰ, প্ৰচুৰ শক্তিবান বিবাহিত ডেকাৰ লগতে দায়িত্বশীল পুত্ৰ, স্বামী তথা ভ্ৰাতৃৰ ৰূপত ভোগৰাম চৰিত্ৰটি উপন্যাসখনত ৰূপায়ণ কৰা হৈছে।

এগৰাকী কষ্টসহিষ্ণু ব্যৱসায়ীৰূপে ভোগৰামে পুৱাৰ পৰা গধূলিলৈকে গোটেই সময়ছোৱা ব্যৱসায়ৰ নামত উছৰ্গা কৰি আহিছে। বিনিময়ত যিখিনি লাভাংশ প্ৰাপ্ত হৈছে সেইখিনিৰে ভোগৰামে নিজৰ ঘৰখন জোৰা-টাপলি মাৰি কোনোমতে পোহপাল দিছে।

অৱশ্যে ঘৰখনৰ সদস্যসকলক পোহপাল দিয়াৰ নামত দিনটোৰ সৰহভাগ সময় অতিবাহিত কৰিলেও ভোগৰামে ঘৰখনৰ প্ৰতিজন সদস্যৰ সমস্যাৰ বিষয় তাৰ নখদৰ্পনত। সেইবাবে মাতৃৰ অসুখৰ কথা ভোগৰাম ব্যস্ততাৰ বাবে বাসন্তী বা তৰুলতাই নকলেও

ভোগৰামে নিজেই লক্ষ্য কৰিছে। সেয়ে মাতৃৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবে ভোগৰামে বাসন্তী আৰু তৰুলতাৰ ওপৰত ৰুদ্ধ হৈছে মাকৰ কথা অৱগত নকৰোৱাৰ বাবে—

> ভাত খাবৰ সময়ত সি তৰু আৰু বাসন্তীক খঙেৰেই ক'লে, "মই জানো, বৌৱে মোক নকয়। চিকিৎসা কৰিলেও মোক জুলুম হোৱা বুলি ভাবে। সেই বুলি মোক তহঁতে নজনাইছিলি কিয় ?[১৭]

এয়া জন্মদাতৃ মাতৃৰ প্ৰতি থকা সন্তানৰ কৰ্তব্য পৰায়ণতাৰ নিদৰ্শন। কোনো সন্তানেই মাতৃয়ে অসুখত ভুগি থকাতো সহ্য কৰিব নোৱাৰে। মাতৃয়ে যিদৰে সন্তানৰ বাবে সকলো ত্যাগ কৰিবলৈ সাজু থাকে, ঠিক তেনেদৰে সন্তানেও মাতৃৰ দুখ সহ্য কৰিব নোৱাৰে। এয়া জন্মদাত্ৰীৰ প্ৰতি থকা সন্তানৰ অকৃত্ৰিম মৰম-ভালপোৱা, শ্ৰদ্ধা, তথা দায়িত্বজ্ঞানৰ পৰিচয়।

নতুন আৰু পুৰণিৰ দ্বন্দ্বই সমাজৰ এচাম লোকৰ মনত কিদৰে বিষবাস্প বিয়পাই তাৰে এক অন্যতম প্ৰতিভূ হৈছে ভোগৰাম। যাৰ ফলত ভোগৰামৰ চৰিত্ৰটিয়ে সমাজৰ সুবিধাবাদী লোকৰ দলটোক প্ৰতিনিধিত্ব কৰিছে। পুৰণিক খামোচ মাৰি ধৰি ৰাখিব নোখোজা ভোগৰামৰ দৰে স্বাৰ্থপৰ চৰিত্ৰই সমাজখনৰ অহিত চিন্তা কৰিবলৈও পিছ হুহুকি নাহে। কিয়নো আধুনিক সমাজ ব্যৱস্থাত পেটে ভাতে খাই থকাৰ সলনি সকলোৱে স্বচ্ছলতাৰে জীয়াই থাকিব খোজে। নতুনক আকোঁৱালি নোলোৱাকৈ পিতৃৰ সম্পত্তিৰে জীয়াই থকাটো ভোগৰামৰ বাবে সম্ভৱ নহয়। কিয়নো সম্পত্তি বুলিবলৈ আছিল মাথো কেইহালিচামান মাটি। সেইখিনিৰেই বৰ্তমান যুগত চলিব পৰাকৈ খুদকণ এটা যোগাৰ কৰাৰ দৰে কথা। সেয়ে ভোগৰামে জীৱনলৈ কিছু পৰিৱৰ্তন অনাৰ মানসেৰে বিভিন্ন ধৰণৰ বেহা-বেপাৰৰ জৰিয়তে আৰ্থিক সমস্যাৰ পৰা কিছু পৰিমাণে সকাহ পাব বিচাৰিছিল।

সাধাৰণ খাটি খোৱা গ্ৰাম্য সমাজখনত যেতিয়া চহৰীয়া বতাহে কোবাবলৈ আৰম্ভ কৰিলে, আৰু যেতিয়াৰ পৰা গাঁৱৰ সাধাৰণ খাটি খোৱা জনতাই হাতে কটা কাপোৰৰ সলনি ভিন ভিন ধৰণৰ কলত বনোৱা কাপোৰ ব্যৱহাৰ কৰিবলৈ ল'লে তেতিয়াৰে পৰা ভোগৰামৰ বেহা-বেপাৰলৈ ক্ৰমাৎ অশনি সংকেত কঢ়িয়াই আনিবলৈ ধৰে। গান্ধীৰ আদৰ্শৰ প্ৰতি মানুহবোৰে পিঠি দিবলৈ ধৰিলে। যাৰ বাবে ভোগৰামে সম্পূৰ্ণভাৱে গাঁৱৰ মানুহখিনিকেই

দোষী সাব্যস্ত কৰিছে—

> গাঁৱৰ মানুহবোৰে যদি স্বৰাজৰ আগৰ দিনৰে পৰা হাতে কটা সূতাৰে কাপোৰ পিন্ধিলোহেঁতেন, তেতিয়া হ'লে এই বেপাৰীবোৰে মানুহক ভুৰুকিয়াবলৈ ইমান ছল নেপালেহেঁতেন: আৰু সিও আজি এনে শোচনীয়ভাৱে সিহঁতৰ ওচৰত হাৰ নেমানিলেহেঁতেন। মানুহৰ পিন্ধন-উৰণত আগৰ অৱস্থা থকা হ'লে তাৰ ঘৰতো দুখন তাঁতশালে ভালেমান পইচা আৰ্জিলেহেঁতেন।[১৮]

উল্লিখিত কথাখিনিৰ মাজেৰে যদিওবা বক্তা ভোগৰামৰ উপাৰ্জনৰ পথ বন্ধ হোৱাৰ উপক্ৰম দেখি ক্ষোভ মিশ্ৰিত কথাৰে প্ৰতিবাদ জনাইছে কিন্তু ইয়াৰ মাজত আকৌ অন্য এটা দিশ মিহলি হৈ আছে। ক্ৰমাৎ সলনি হ'বলৈ ধৰা সমাজ, আৰু সেইখন ক্ৰমপৰিৱৰ্তনশীল সমাজত বাস কৰা মানুহৰ মানসিক ধ্যান ধাৰণাৰ পৰিৱৰ্তন। এনেবোৰ কাৰণৰ বাবেই ভোগৰামৰ দৰে সাধাৰণ বেপাৰীবোৰে আহুকালত পৰিব লগা হয়। চহৰৰ লগত সঘনে যোগাযোগৰ বাবে গ্ৰাম্য সমাজৰ পৰিৱৰ্তন হোৱাটোত অস্বাভাৱিকতা একো নাই। কিন্তু ভোগৰামৰ দৰে মানুহৰ জীৱনলৈ এনে পৰিৱৰ্তনে হতাশাৰ বাতৰিহে কঢ়িয়াই আনে। আৰ্থিক অৱস্থাই মানুহৰ মন মগজু ভাৰাক্ৰান্ত কৰি পেলায়। যাৰ বাবে মানুহে মানসিক অস্থিৰতাত ভোগে। ভোগৰামৰ নিম্নগামী উপাৰ্জনে ভোগৰামক অস্থিৰ কৰি তুলিছে। সেয়ে কথাই প্ৰতি ভোগৰামৰ খং উঠা কথাটোৰে ভোগৰামৰ মানসিক অস্থিৰ অৱস্থাৰ কথাকে প্ৰতীয়মান কৰিছে—

> তহঁতে দেখিছোঁ আটাইকেইজনী গোট খাই মোৰ মূৰটো খুলি খুলি খাবি। মই কেঞ্চাৰ গাড়োৱান নোহোৱালৈকে তহঁতে মোক নেৰিবি। মই পূৰা গম পাইছো।[১৯]

এয়া এগৰাকী দায়িত্বশীল পুত্ৰ, স্বামী অথবা ভ্ৰাতৃৰূপে প্ৰকৃত দায়িত্ব পালন কৰিব নোৱাৰাৰ ব্যৰ্থতাহে উদ্ভাসি উঠিছে। দায়িত্ব পালন কৰিব নোৱাৰাৰ ব্যৰ্থতাত ভোগৰাম দিনে দিনে খিংখিঙীয়া স্বভাৱৰ হৈ গৈছে। জীয়াই থাকিবৰ বাবে ভোগৰামে যিকোনো পন্থা বিচাৰি ফুৰিছে। যাৰ বাবে কৃষি ঋণ বিচাৰি ভোগৰামে বন্ধু ধনঞ্জয়ৰ সৈতে টাউনলৈ গৈছে। কিন্তু তাতো ভোগৰাম নিৰাশ হৈ উভটি আহিব লগা হৈছে। ঋণ পোৱাৰ অলপো আশা নেদেখি ভোগৰাম অতি নিৰাশ হৈ পৰে। উন্নতিৰ সকলো পথ তাৰ কাৰণে ৰুদ্ধ।[২০]

ভোগৰামৰ জীৱনলৈ হঠাৎ নামি অহা দুৰ্দিনে ভোগৰামক মানসিকভাৱে অস্থিৰ কৰি তুলিছে। ভোগৰামৰ এনে অস্থিৰ অৱস্থাৰ সুযোগ লৈছে এচাম স্বৰ্থান্বেষী অসাধু চক্ৰৰ লোকে।

ভোগৰামৰ চৰিত্ৰত দেখা পোৱা সহজ-সৰল, নিষ্ঠাৱান কৰ্মী এজনৰ দৰে গুণবোৰ ক্ৰমশঃ নাইকীয়া হোৱাৰ উপক্ৰম হৈছে। আৰু তাৰ ঠাইত অমানৱীয় গুণবোৰে ভোগৰামৰ চৰিত্ৰত খোপনি পুতি ল'বলৈ আৰম্ভ কৰিছে। যিবোৰ অমানৱীয় গুণে ভোগৰামৰ চৰিত্ৰত নিগাজী আসন দখল কৰি লোৱাৰ পাছতে চৰিত্ৰটি লাহে লাহে পৰ্যবসিত হৈছে আন কেতবোৰ দিশৰ পিনে। সেই দিশবোৰে ভোগৰামক ক্ৰমাৎ ৰূপান্তৰ কৰিছে ব্যক্তিস্বাৰ্থক অগ্ৰাধিকাৰ দিয়া স্বাৰ্থপৰ সেই বিশেষ শ্ৰেণীটোক। যি শ্ৰেণীয়ে এফালৰ পৰা সমাজখনক নিঃশেষ কৰি পেলোৱাৰ কুটিল ষড়যন্ত্ৰত লিপ্ত হয়। নিজকে টনকিয়াল কৰি তুলিবৰ বাবে ভোগৰামেও এনে অসাধু শ্ৰেণীটোৰ সৈতে সপ্ৰতিভ হৈ পৰিছে। উপন্যাসখনত ইয়াৰ আভাষ পোৱা যায়—

> এটা কূটনৈতিক হাঁহিৰে শইকীয়াই ভোগৰামৰ কথাটো তল পেলালে। নিজৰ ক্ষমতাটো সযত্নে লুকুৱাই তেখেতে তাক ভালেখিনি উপকাৰ কৰিব পৰাৰ ইংগিত দিলে। চতুৰ ভোগৰামে বুজিব পাৰিলে।[২১]

পানীত পৰা মানুহে খেৰকুটা এডালকে সাৱটি লোৱাৰ দৰে সুযোগৰ অপেক্ষাত থকা ভোগৰামেও শইকীয়াৰ প্ৰস্তাৱত মান্তি হোৱাৰ পাছতে ভোগৰামৰ জীৱনতো পৰিৱৰ্তনৰ বতাহ বলিবলৈ লৈছে। সহজ সৰল ভোগৰামক এনে হ'বলৈ ইন্ধন যোগাইছে—

> ........প্ৰবীন উকিলৰ যুক্তিত ভোগৰাম ভোল গ'ল। সি শইকীয়াৰ ওচৰত সেও মানিলে। পাছদিনাৰ পৰাই ভোগৰামে সম্পূৰ্ণ নতুন ভূমিকা গ্ৰহণ কৰিলে।[২২]

শইকীয়াক লগ পোৱাৰ পাছতে ভোগৰামৰ জীৱনে নতুন মোৰ লয়। ইয়াৰ মূলতে হ'ল সোণাইপৰীয়াৰ জীৱনত ৰাজনীতিৰ আগমন। ৰাজনীতিৰ পাকচক্ৰ বুজি নোপোৱা সহজ-সৰল গঞা জীৱনক ভোগৰামে কথাৰ নাগপাশেৰে মেৰিয়াই ল'লে। সক্ৰিয়ভাৱে ৰাজনৈতিক ক্ষেত্ৰখনত নামি পৰা ভোগৰামে কথাৰে, কামেৰে বিচক্ষণতাৰ পৰিচয় দিব পৰা হ'ল। খোৱা-

বোৱা বাদ দি অহৰ্নিশে কেৱল ৰাজনৈতিক যুদ্ধৰ মাজতে নিজকে বিলাই থাকি নতুনত্বৰ অন্বেষণ কৰিবলৈ লোৱা ভোগৰামে জীৱনক অন্য দৃষ্টিৰে চাবলৈ শিকিছে। এটা দলৰ নেতৃত্ব বহন কৰা ভোগৰামে সোণাইৰ পাৰৰ কেইবাখনো গাঁৱৰ মানুহৰ মাজত পছন্দৰ প্ৰাৰ্থীৰ হকে অহৰহ প্ৰচাৰ কাৰ্যত ব্যস্ত হৈ পৰিছে। কিন্তু লক্ষণীয়ভাৱে ভোগৰামে নিজস্ব স্বাৰ্থসিদ্ধিৰ বাবে বিবেকক বিক্ৰী কৰিবলৈকো কুণ্ঠাবোধ কৰা নাই। যাৰ বাবে ভোগৰামৰ একালৰ উদাৰমনা, পৰোপকাৰী বন্ধু ধনঞ্জয়ৰ সৈতে মনোমালিন্যৰ সৃষ্টি হৈছে। ইয়াৰ মূল কাৰণ হৈছে নীতি আদৰ্শৰ পৰা ভোগৰাম বিচ্যুত হৈছে। টকাৰে ভোট কিনিবলৈও ভোগৰামে অকণমানো ইতঃস্তত কৰা নাই। নিজস্ব মুনাফা আদায়ৰ বাবে ভোগৰামক বিবেকহীন পৰ্যায়লৈ লৈ যোৱা কথাটোৱে তাৰ চৰিত্ৰ হনন কৰিছে—

> সেইদিনা সন্ধিয়া সি কেইখনমান গাঁৱত মদ খাবৰ কাৰণে ভালেখিনি টকা দি আহিলেগৈ। বৰমূৰীয়া দুটামানক টকা দি নিজৰ ফলীয়া কৰিলে। দুখন গাঁৱত সুবোধ শইকীয়াৰ নিৰ্দেশ মতে ঘৰেপতি একুৰিকৈ টকা বিলাই দিলে।................ৰাতিটোৰ ভিতৰতে নিৰ্বাচনৰ আগলি-বতৰা সলনি হৈ গ'ল।[২৩]

নিৰ্বাচনে ভোগৰামৰ জীৱনলৈ সম্পূৰ্ণৰূপে পৰিৱৰ্তন কঢ়িয়াই আনিলে। উপন্যাসৰ আৰম্ভণিতে দেখা পোৱা সহজ-সৰল, সোণাইৰ ধূলি-বালিৰে সম্পৃক্ত আদৰ্শবাদী চৰিত্ৰটোৱে এনেদৰে পৰিস্থিতিৰ তাগিদাত নিজক সলনি কৰা কথাটোৱে বিশেষভাৱে তাৎপৰ্য বহন কৰিছে। সেয়ে ঔপন্যাসিক কৈছে—সোণাইপৰীয়া মানুহ হৈও এইখিনি কথা তাৰ মনলৈ নাহিল যে সি নীতিক বিসৰ্জন দিছে, সি নিজক হেৰুৱাইছে।[২৪]

এনেধৰণে অসৎ উপায়েৰে ভোগৰামে পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ সৈতে নিজকে খাপ খুৱাই ল'বলৈ চেষ্টা কৰিছে। ভোগৰামৰ উপাৰ্জনৰ পথ সলনি হৈ গৈছে। আৰ্থিক অৱস্থাৰ পৰিৱৰ্তিত ৰূপটোৱে ভোগৰামৰ চাৰিত্ৰিক বৈশিষ্ট্যতো প্ৰভাৱ পেলাইছে।

দিনে দিনে ভোগৰাম সুবিধাবাদী চৰিত্ৰলৈ পৰ্যবসিত হৈছে। লোভৰ তাড়নাই ভোগৰামৰ চৰিত্ৰটি অন্ধকাৰ ভৱিষ্যতৰ দিশে কঢ়িয়াই লৈ গৈছে। অতিপাত আকাংক্ষাৰ বলত ভোগৰামে মানৱীয় দিশ হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। ইয়াৰ মূলতে হৈছে ভোগৰামৰ

জীৱনৰ সংগী ৰূপে দেখা চৰিত্ৰসমূহৰ কৰ্মৰ প্ৰভাৱ। সংগদোষৰ বাবেই ভোগৰামৰ জীৱনলৈ বাৰিষাৰ বানৰ দৰে ধাৰাসাৰে নামি আহিছে দুৰ্নীতিৰ তথা অসৎ পথেৰে আঁকোৱালি লোৱা সুখৰ নিজৰা।

এইদৰে ভোগৰামৰ চৰিত্ৰৰ মানসিক দিগন্তৰ বৰ্ণনা ঔপন্যাসিকে তুলি ধৰিবলৈ চেষ্টা কৰিছে। আধুনিকতাৰ অনুকৰণে মানুহক কিদৰে বিপথগামী কৰি তোলে তাৰ এক উৎকৃষ্ট নিদৰ্শন হৈছে ভোগৰামৰ চৰিত্ৰটি। যাৰবাবে ভোগৰামে নিজৰ সততা, নৈতিকতা বিসৰ্জন দি চৰিত্ৰটো ক্ৰমাৎ বিষাক্ত কৰি তুলিছে। সাতামপুৰুষীয়া মূল্যবোধক বিসৰ্জন দি ভোগৰামে নিজকে চহৰীয়া পৰিৱেশৰ সৈতে মিলাই দিবলৈ কুণ্ঠাবোধ কৰা নাই। অৰ্থই সৰ্বস্ব বুলি ভবা ভোগৰামৰ বাবে মানৱীয় মমত্ব, প্ৰেম, আন্তৰিকতা আদি গুণবোৰৰ মূল্য নাইকীয়া হৈ গৈছে।

নিচাসক্ত দ্ৰব্য সৰবৰাহৰ বাবে ভোগৰামে কাৰাবাস খাটিবলগীয়া হৈছে। কাৰাবাস খটাৰ লগে লগে ঔপন্যাসিকে চৰিত্ৰটি নিষ্প্ৰভ কৰি পেলাইছে। যেন সোণাইৰ পাৰত বিষবাষ্প বিয়পোৱা এটা চৰিত্ৰৰ অকাল মৃত্যু ঘটিছে। সোণাইৰ পাৰৰ নিৰ্মল পৱিত্ৰ বায়ু অপৱিত্ৰ নকৰিবৰ বাবেই যেন ভোগৰামৰ চৰিত্ৰটি শেষলৈ উপন্যাসৰ পৰা আঁতৰাই পেলোৱা হৈছে। আৰম্ভণিৰে সক্ৰিয় চৰিত্ৰটিৰ সৰলতা, মমত্ব, নৈতিকতা আদি গুণবোৰ কাহিনীৰ অগ্ৰগতিৰ লগে লগে বিপৰীতধৰ্মী ৰূপ লোৱা কথাটোৱে ভোগৰামৰ চৰিত্ৰ হনন কৰিছে। ভোগৰামৰ ধনগৰ্ব ব্যক্তিগত ঈৰ্ষাৰ যুপকাঠত[২৬] বাসন্তীও বলি হ'ব লগা হৈছে। অন্ধকাৰ ভৱিষ্যতৰ পিনে গতি কৰি কৰি এটা সময়ত নিজকে হেৰুৱাই পেলোৱা কথাটোৱে ভোগৰামৰ চৰিত্ৰটি ম্লান কৰি পেলাইছে। নতুন অৰ্থনৈতিক পৰিস্থিতিয়ে ব্যক্তি জীৱনত পেলোৱা প্ৰভাৱৰ কথা ভোগৰাম চৰিত্ৰৰ মাজত স্পষ্ট হৈ উঠিছে। সময় আৰু আকস্মিক সুবিধাই তাক অহংকাৰী আৰু সুবিধাবাদী কৰি তুলিছে। অসাধু কাৰ্যত লিপ্ত হৈছে আত্মস্বাৰ্থ পূৰণৰ বাবে।[২৭]

*গঙা চিলনীৰ পাখি* উপন্যাসৰ আন এটি অন্যতম চৰিত্ৰ হৈছে মথুৰা। যিয়ে উপন্যাসৰ কাহিনীৰ বিকাশত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। উপন্যাসখনৰ মধ্যাংশত মথুৰা চৰিত্ৰটোৰ আৱিৰ্ভাৱ ঘটিছে। কাহিনীৰ বিকাশত মথুৰা চৰিত্ৰটোৱে ক্ষন্তেকৰ বাবে হ'লেও এটা নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে।

বাসন্তী আৰু মথুৰাৰ বিবাহৰ সেই গুৰুত্বপূৰ্ণ দিনটোৰ পৰা মথুৰাৰ চৰিত্ৰটি বিকশাই তুলিবৰ বাবে ঔপন্যাসিকে চেষ্টা কৰিছে। স্পষ্টবাদিতা, দৃঢ়তা, কৰ্মোদ্যমী, সততা, নিৰ্ভীকতা, পৌৰুষত্ব সকলো গুণেৰে বিভূষিত কৰিব পৰাকৈ মথুৰা চৰিত্ৰটি অংকন কৰা হৈছে। সৌন্দৰ্যও মথুৰাৰ আভূষণ।

মথুৰাৰ সান্নিধ্যত বাসন্তী উৎসাহিত হৈ পৰা কথাটোৱে মথুৰাৰ মোহনীয় ব্যক্তিত্বৰ কথাকে প্ৰতিপন্ন কৰে। কান্দি কান্দি ওপজা গৃহ পৰিত্যাগ কৰাৰ সময়ত মথুৰাৰ আশ্বাসে বাসন্তীক প্ৰত্যয় জগাইছে।

পুৰুষসুলভ আটাইবোৰ গুণৰ অধিকাৰী হ'লেও মথুৰা মানুহজন ৰসিক। হাঁহি-ধেমালিৰ মাজেৰে জীৱনটো অতিবাহিত কৰি ভাল পোৱা মথুৰাই পত্নীক পাৰ্যমানে সুখী কৰিবলৈ চেষ্টা কৰিছে। মণ্ডলৰ চাকৰিৰে উপাৰ্জনৰ পথ মোকলোৱা মথুৰাই আৰম্ভণিৰে পৰা বাসন্তীৰ সৈতে সুখী হোৱাৰ চেষ্টা চলোৱাৰ লগতে বাসন্তীকো নিজ সামৰ্থৰে সুখী কৰিবলৈ চেষ্টা কৰিছে—

> আঠমঙলা খোৱাৰ পাছত এদিন ননদহঁতৰ লগত বাসন্তীক মথুৰাই চহৰত চিনেমা দেখুৱাই আনিলে। সিহঁত দুটাই বিয়াৰ প্ৰথম মাহ খুব ঘূৰিলে। বেবেজীয়াৰ মাহীয়েকৰ ঘৰত ন-ছোৱালীৰ ঘৰ গচকালে। তাৰ পাছত মাগুৰাগাঁও, ৰূপহী, ভালুকমাৰী, কপাহেৰা আৰু ৰহালৈ গ'ল। ৰহালৈ এটা চাৰ্কাছ পাৰ্টী আহিছিল। বাসন্তীৰ কপাল ভাল। তাইক চাৰ্কাছো দেখুৱালে।[২৯]

পত্নীৰ সাহচৰ্যই মথুৰাক সুখী কৰিছে। এগৰাকী ৰূপৱতী তথা গুণৱতী পত্নীৰ বিষয়ে ওচৰ-চুবুৰীয়াই কৰা মন্তব্যত মথুৰাই দুগুণে সুখী অনুভৱ কৰে। পত্নীক লৈ সুখী অনুভৱ কৰা মথুৰাই সেয়েহে বাসন্তীৰ ওজৰ-আপত্তিবোৰ পাৰ্যমানে নিষ্প্ৰভ কৰিবলৈ চেষ্টা কৰে। এগৰাকী সুপুত্ৰ হোৱাৰ উপৰি মথুৰাই উপন্যাসৰ কাহিনীত নিজকে যোগ্য স্বামী ৰূপে প্ৰতীয়মান কৰিবলৈ সক্ষম হৈছে।

সময়ে কিছু সময়ৰ বাবেহে শান্ত সমাহিত মথুৰাৰ জীৱনলৈ প্ৰাপ্তিৰ জোঁৱাৰ আনিছে। হঠাতে নামি অহা এজাক ধুমুহাই মথুৰাৰ জীৱন অপ্ৰকৃতিষ্ঠ কৰি তুলিছে। নিকা তথা

সংবেদনশীল মনৰ অধিকাৰী মথুৰাই যেতিয়া সমাজৰ এচাম লোকৰ মুখেৰে পত্নীৰ অতীত প্ৰেমৰ কথা শুনিছে ধীৰ-স্থিৰ মথুৰাৰ জীৱনটোত আউল লাগিছে। এক নিৰ্দিষ্ট গতিৰে আগবাঢ়ি গৈ থকা মথুৰাৰ জীৱনটো হঠাৎ স্তব্ধ হৈ গৈছে। অতিমাত্ৰা সংবেদনশীল ৰূপত অংকিত হোৱা মথুৰা চৰিত্ৰত লাহে লাহে পৰিৱৰ্তন নামিছে। বাসন্তীয়ে মথুৰাৰ অদ্ভুত আচৰণত সচকিত হৈ পৰিছে। মথুৰাৰ চাৰিত্ৰিক বৈশিষ্ট্যই অন্য ৰূপ পৰিগ্ৰহ কৰিলে—সেইদিনাৰ পৰা মথুৰা সুকীয়া মানুহ হৈ পৰিল।[৩৬]

মথুৰাৰ এনে আকষ্মিক অস্বাভাৱিক পৰিৱৰ্তনে সকলোকে আচম্বিত কৰি তুলিছে। অশান্ত মনটো দমন কৰিব নোৱাৰি মথুৰা আন্‌মনা হৈ পৰিছে। ঘৰ-দুৱাৰ, অফিচ-কাছাৰী সকলোতে অৱহেলাই চূড়ান্ত ৰূপ লৈছেগৈ। যেন এক মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা ব্যক্তি। পত্নীৰ পৰা মথুৰাই লাহে লাহে দূৰত্ব বঢ়াই আনিছে। অনাদৰ-অৱহেলাৰে বাসন্তীক মথুৰাই কষ্ট দিছে। পুৰুষসুলভ দম্ভালিৰে মথুৰাই বাসন্তীক নিয়ন্ত্ৰণ কৰিব বিচাৰিছিল। কেৱল লোকৰ কথা শুনি বাসন্তীৰ প্ৰতি এনে নিৰ্দয় আচৰণ গ্ৰহণ কৰা মথুৰাৰ যেন বাসন্তীৰ ছাটোকে সহ্য হোৱা নাছিল। সেয়ে বাসন্তীৰ দুচকুৰে বৈ অহা ধাৰাসাৰ লোতকেও মথুৰাৰ হৃদয়ৰ কঠিন শিলাস্তম্ভত খুন্দিয়াব পৰা নাছিল—যখিনীৰ দৰে কান্দিবলৈ কিহে পাইছে? শুবলৈ নিদিবা নে কি?[৩৭]

এসময়ৰ মথুৰা হঠাৎ প্ৰতিবাদী হৈ পৰিছে। বাসন্তীৰ ওপৰত সকলো প্ৰকাৰে কঠোৰ নিয়ন্ত্ৰণ ৰাখিবলৈ চেষ্টা কৰা মথুৰাই ৰুগীয়া মাতৃক দেখা কৰিবলৈ নিদিয়া কথাটোৰে নিষ্ঠুৰতাৰ সীমা অতিক্ৰম কৰি গৈছে। কেৱল লোকৰ কথাত ভৰসা কৰি সত্যাসত্য জানিবৰ চেষ্টা নকৰাকৈয়ে পত্নীৰ ওপৰত অকথ্য মানসিক নিৰ্যাতন চলোৱা কথাৰ পৰা মথুৰাৰ চৰিত্ৰৰ ঋণাত্মক দিশৰ কথাহে পোহৰলৈ আহিছে।

তৎস্বত্বেও পত্নীৰ প্ৰতি স্বভাৱসুলভ কোমলতা বুকুত সাৱটি ৰখা মথুৰাই বাসন্তীৰ মুখেৰে তাইৰ এৰি দিনবোৰৰ কথা গম পোৱাৰ পাছত পৰিস্থিতি বেয়ালৈ গতি কৰিছে। ক্ৰমাৎ বৃদ্ধি পাই অহা মানসিক অস্থিৰতাই মথুৰাক জীৱনটোৰ প্ৰতি বিৰাগ জন্মাইছে। জীৱনলৈ অহা প্ৰথমগৰাকী নাৰীৰ আন কাৰোবাৰ সৈতে থকা পূৰ্বৰ প্ৰেমৰ সম্বন্ধৰ কথা মথুৰাই সহজভাৱে

ল'ব পৰা নাই। মথুৰাৰ মন গহনত বিভিন্ন কথাই হেতা-ওপৰা লগাইছে। ক্ষীণকৈ ওপজা সন্দেহ এটি পুলি পোখা মেলি ক্ৰমশঃ মথুৰাক গ্ৰাস কৰিছে।

বাসন্তীৰ মুখেৰে নিজৰ প্ৰেমৰ কথা শুনাৰ পাছত মথুৰাৰ মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে। ভৰিৰ তলৰ মাটি যেন নাইকীয়া হৈ পৰিছে। চেতনাহীন ব্যক্তিৰ দৰে মথুৰাই উদাসীন হৈ পৰিছে। অশান্তজৰ্জৰ মনটো থিতাপি লগাব নোৱাৰা মথুৰাই নিজক চম্ভালিব নোৱাৰি অনিশ্চিত ভৱিষ্যতৰ দিশে ধাৱমান হৈছে। সৰলতকা দুৰ্বলতা বুলি ভাবি অপমৃত্যু মাতি আনিছে মথুৰাই।[৪০]

যুক্তিপূৰ্ণ বিচাৰ-বিশ্লেষণ কৰিব নোৱাৰাৰ বাবেই মথুৰাৰ মৃত্যু হৈছে। অমায়িক চৰিত্ৰটিৰ মনৰ অতিমাত্ৰা সন্দেহ প্ৰৱণতাই জীৱনলৈ কাল অমানিশা নমাই আনিছে। শোকাবহ পথ দুৰ্ঘটনাই মথুৰাৰ জীৱন ধ্বংস কৰি দিছে। নিজস্ব যুক্তিতে অটল থকা মথুৰাই কাৰো কথা নভবাকৈয়ে কেৱল এটা সিদ্ধান্ততে অটল থাকিল। বহুত হেঁপাহেৰে আৰম্ভ কৰা মথুৰাৰ সংসাৰখন ছিন্ন বিচ্ছিন্ন হৈ গ'ল। বাসন্তীকযৌৱনৰ ভৰপক অৱস্থাতে জীৱনমৃত কৰি সি এৰি যায়।[৪২]

মথুৰাৰ চৰিত্ৰটোৰে কাহিনীত বিচিত্ৰতা আনিছে। খন্তেক সময়ৰ বাবে কাহিনীৰ মাজত উপস্থাপিত কৰিলেও সেইখিনিৰ ভিতৰতে চৰিত্ৰটোৰে এক বিশেষ ভূমিকা পালন কৰিছে। আৰম্ভণিৰে সৎ, নিষ্ঠাবান, উদাৰ, মৰমিয়াল চৰিত্ৰটিক পাছলৈ অতিৰিক্ত সন্দেহপ্ৰৱণতা আৰু আত্মসচেতনতাই মৃত্যুৰ গৰাহলৈ লৈ গৈছে। শূন্যতা আৰু অহৰহ দ্বন্দ্বৰ মাজত থাকিব লগা হোৱা মথুৰা চৰিত্ৰটিয়ে খন্তেকৰ বাবে ভূমুকি মাৰিলেও উপন্যাসৰ কাহিনী বিকাশত গুৰুত্বপূৰ্ণ স্থান গ্ৰহণ কৰিছে।

উপন্যাসৰ কাহিনীত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা আন এটি চৰিত্ৰ হৈছে ভগীৰথ কাননগো। মথুৰাৰ পিতৃ আৰু বাসন্তীৰ শহুৰেক ৰূপে ভগীৰথে উপন্যাসৰ কাহিনীৰ অগ্ৰগতিত নিশ্চিত অৱদান আগবঢ়াইছে।

সমাজৰ এগৰাকী সম্ভ্ৰমী ব্যক্তি ৰূপে ভগীৰথে নিজকে পৰিচিত কৰাবলৈ সক্ষম হৈছে। সমাজত প্ৰতিষ্ঠিত ব্যক্তি ৰূপে ভগীৰথ কিছু পৰিমাণে অহংকাৰীও। সেয়ে ভগীৰথে পুত্ৰৰ

বাবে সুযোগ্য কন্যা বিচাৰি প্ৰতিষ্ঠিত ব্যক্তিৰ ওচৰ চাপিছে। ভগীৰথে সন্মানৰ দিশলৈ লক্ষ্য ৰাখি একে মৰ্যাদা সম্পন্ন ব্যক্তিৰ ঘৰলৈ সম্পৰ্ক ৰক্ষা কৰিবলৈ অহাটোত আশ্চৰ্যজনক একো নাই। সমাজৰ প্ৰচলিত নীতি আদৰ্শৰ প্ৰতি ভগীৰথ বিশ্বাসী। ঘৰখনৰ সদস্যসকলৰ প্ৰতি সততে দায়িত্বশীল ভগীৰথে পুত্ৰ-কন্যাৰ ক্ষেত্ৰত নিষ্ঠাসহকাৰে কৰ্তব্য পালন কৰত আগ্ৰহী। পৰিয়ালৰ মান-সন্মানৰ বিষয়টো লৈও তেওঁ অতিশয় সচেতন। কিয়নো—

> ভগীৰথ কাননগু পূৰ্বৰে পৰা গুৰি শকত মানুহ। তেওঁৰ বাপেকৰ দিনত হেনো ঘৰত দুটাকৈ হাতী আছিল। তেওঁলোকৰ ঘৰখন এতিয়াও মানুহে 'হাতী-ধনী'ৰ ঘৰ বুলি কয়।[৪৩]

ভগীৰথৰ মানসিক দৃঢ়তা অত্যন্ত প্ৰবল। একমাত্ৰ পুত্ৰৰ মৃতুৰ পাছতো ভগীৰথে ধীৰ স্থিৰ হৈ জীৱনৰ স'তে মুখামুখি হোৱাৰ সাহস গোটাইছে। কিমান মানসিক শক্তিৰ অধিকাৰী হ'লে একমাত্ৰ পুত্ৰক হেৰুৱাইও পিতৃয়ে জীৱন যুদ্ধত অৱতীৰ্ণ হ'ব তাৰে এক জ্বলন্ত নিদৰ্শন হৈছে ভগীৰথ কাননগু।

ধীৰ, স্থিৰ, সাহসী তথা অতিমাত্ৰাই মানসিক শক্তিসম্পন্ন ভগীৰথে বোৱাৰীৰ প্ৰতি থকা কৰ্তব্য পালনতো কোনা ধৰণে কৃপণালি কৰা নাই। পুত্ৰৰ অকাল বিয়োগৰ পাছত বুকুত একুৰা জুই বান্ধি লৈও ভগীৰথে বোৱাৰীক সকলো প্ৰকাৰৰ সুখ-সুবিধাৰ মাজত ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছে। পুত্ৰৰ মৃত্যুৰ বাবে কোনো কাৰণতে তেওঁলোকে বাসন্তীক জগৰীয়া কৰা নাই। বৰঞ্চ নিজ জীয়াৰীৰ দৰেহে বাসন্তীক আলফুলে ধৰি ৰাখিবলৈ চেষ্টা অব্যাহত ৰাখিছে। ধীৰ, স্থিৰ তথা মানৱীয় গুণৰ অধিকাৰী ভগীৰথে বোৱাৰী বাসন্তীৰ ক্ষেত্ৰত অতিশয় সচেতন।

ভাৰতীয় পৰম্পৰা অনুসৰণ কৰি বাসন্তীয়ে শহুৰেকৰ ঘৰখনতে থাকিব খোজা কথাটোত ভগীৰথৰ স্নেহধাৰাৰ তীব্ৰ স্ফুৰণ ঘটিছে—ভগীৰথ কাননগুৱে আনকি তাই কি খাই ভাল পায় সেইবোৰ কথালৈকো চকু দিয়ে।[৪৪]

ভগীৰথ বাসন্তীৰ শহুৰেক নহৈ যেন পিতৃহে। পৰিয়ালৰ প্ৰতিজন সদস্যৰ প্ৰতি সচেতন ভগীৰথে কেতিয়াও কোনো অজুহাততে বাসন্তীক অসুখী কৰিবলৈ চেষ্টা কৰা নাই। সময়

অনুযায়ী বাসন্তীক প্ৰতিটো বস্তুকে যোগাৰ কৰি দিবলৈ পাহৰা নাই। স্বামীৰ অভাৱ অনুভৱ কৰিব নিদিয়াকৈ ভগীৰথে বাসন্তীৰ যত্ন লৈছে। আনকি বাসন্তীৰ সন্তান প্ৰসৱৰ সময়ছোৱাতো ভগীৰথে আপ্ৰাণ চেষ্টা কৰিছে বাসন্তীক কষ্ট নিদিবলৈ। আনকি বাসন্তীৰ সন্তান ভূমিষ্ঠ হৈ নকন্দা বাবে দ্বিধা সংকোচ নকৰাকৈয়ে ভগীৰথ প্ৰসূতি ঘৰলৈ সোমাই গৈছে। কিয়নো ঘৰখনৰ বংশ ৰক্ষাৰ শেষ অৱলম্বন আছিল সেই সন্তানটি। সেইবাবে ভগীৰথে আপ্ৰাণ চেষ্টা কৰিছে নাতিক প্ৰাণ দিবৰ বাবে। কিন্তু শেষ মুহূৰ্তত ভগীৰথ হতাশ হৈছে। দুসিকি সোণ বুকুতে থৈও ভগীৰথে সন্তানটি জীয়াই ৰখাত ব্যৰ্থ হৈছে। সকলো হেৰুৱাইও ভগীৰথ নিৰাশ হোৱা নাই। পুত্ৰক হেৰুৱাইছে, নাতিক হেৰুৱাইছে। অহৰহ অন্তৰাত্মাই কান্দি থকাৰ পাছতো ভগীৰথে মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা নাই। অদম্য মানসিক শক্তিৰ জ্বলন্ত প্ৰতিভূ ৰূপে ভগীৰথৰ চৰিত্ৰটি উপস্থাপন কৰা হৈছে। সকলো সপোন ভাঙি ছাৰখাৰ হৈ যোৱাৰ পাছতো ভগীৰথে নিজস্ব চিন্তা-চেতনাৰে জীৱনৰ আনন্দ বিচাৰিবলৈ চেষ্টা কৰিছে। সমানে সমানে বাসন্তীকো জীৱন যুদ্ধৰ সৈতে নিৰন্তৰ যুঁজ দিবলৈ অনুপ্ৰেৰণা যোগাইছে। আনকি পেন্সনৰ টকাৰে ভগীৰথে বাসন্তীৰ বাবে কিতাপ কিনিছে। যাতে জীৱনৰ আনন্দ উপভোগ কৰাৰ ক্ষেত্ৰত বাসন্তী কোনো প্ৰকাৰে বঞ্চিত হ'বলগীয়া নহয়।

এক অদমনীয় শক্তিৰ অধিকাৰী ভগীৰথে বুজি পায় জীৱন মানে কি। সেয়ে হাজাৰ প্ৰতিকূল পৰিস্থিতিকো নেওচি ভগীৰথ কাননগু আগুৱাই গৈছে। জীৱনৰ প্ৰতিপল উজলাই তুলিব চেষ্টা কৰিছে। এক আদৰ্শবাদী চৰিত্ৰৰূপে ভগীৰথক ঔপন্যাসিকে অংকন কৰিছে।

উপন্যাসখনত অংকন কৰা আন এটি গুৰুত্বপূৰ্ণ পুৰুষ চৰিত্ৰ হৈছে সুবোধ শইকীয়া। চহৰৰ এজন নামজ্বলা অধিবক্তা সুবোধ শইকীয়া সকলোৰে বাবে পৰিচিত। এগৰাকী ক্ষমতাশালী ব্যক্তি ৰূপে সকলোৱে সন্মানৰ চকুৰে চোৱা চৰিত্ৰটিয়ে কম সময়ৰ ভিতৰতে উপন্যাসত ভুমুকি মাৰি কাহিনীৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সুবোধ শইকীয়াই অন্তৰ্দৃষ্টিৰ প্ৰখৰতাৰে অতি সোনকালে মানুহ চিনিব পাৰে। সেইবাবে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে সুবোধ শইকীয়াৰ দৰে ব্যক্তিয়ে যিকোনো মানুহৰ ওচৰতে সৰু হ'বলৈ কুণ্ঠাবোধ নকৰে—

> শইকীয়া বৰ চালাক মানুহ। তেখেতে আৰু ভাবিলে যে ভোগৰাম বেপাৰ কৰি ফুৰা মানুহ কাৰণে সোণাইপৰীয়া গাঁৱৰ প্ৰায়বোৰ মানুহে তাক চিনি পায় আৰু সিয়ো কোনে কেনেকুৰা মানুহ ভালকৈ চিনে। সেই কাৰণেই এনে এটা মানুহ তেখেতৰ হাতত থকা ভাল। তদুপৰি, বিয়াল্লিছত তাৰ ভাল 'ৰেকৰ্ড' আছেই। তাৰ মুখত দেশৰ হকে কোৱা কথাবোৰ বেছি কামত আহিব। ভোট পৰ্বত এনে মানুহো ধনকুবেৰ বিজ্ৰমোহন নন্দলালৰ দৰে ডাঙৰ সহায় হ'ব পাৰে।[৪৫]

সুবোধ শইকীয়াৰ দৰে ব্যক্তিয়ে ঈপ্সিত বস্তু লাভৰ নিমিত্তে সৰ্বসাধাৰণক কেনেদৰে যুক্তিৰে পৰাভূত কৰি বশীভূত কৰিব লাগে সেই কথা ভালকৈয়ে জানে। নেতৃত্ব সুলভ গুণ এটাৰ অধিকাৰী সুবোধ শইকীয়াৰ ব্যক্তিত্বত বুদ্ধিৰ প্ৰখৰতাৰ আভাস পোৱা যায়। ভোগৰামৰ সহায়ত সুবোধ শইকীয়াই সকলোকে হাত কৰি লোৱাৰ আপ্ৰাণ চেষ্টা কৰিছে। ৰাজনীতিয়ে সুবোধ শইকীয়া চাৰিত্ৰিক বৈশিষ্ট্য উদঙাই তোলাত সহায়ক কৰিছে।

সুবোধ শইকীয়াই নিজস্ব বুদ্ধিমত্তাৰে পাভচিলাৰ সাধাৰণ জনতাক বশ কৰিবলৈ চেষ্টা কৰিছে যদিও ধনঞ্জয়ৰ কাৰণে তেখেত বিফল হ'ব লগা হৈছে। তথাপি ব্যক্তিস্বাৰ্থ সিদ্ধিৰ বাবে তেখেত মৌন হৈ ৰৈছে—

> সুবোধ শইকীয়াও পাভচিলালৈ গৈছিল। তেখেত যাব কাৰণে ভোগৰামে এখন মিটিঙো গোটাব নোৱাৰিলে। গাঁৱৰ ডেকাবোৰে হেনো শইকীয়া আৰু ভোগৰামক উপলুঙা কৰিলে। শইকীয়াৰ, ধনঞ্জয়লৈ আক্ৰোশ হ'ল। কিন্তু ঢোঁৰা সাপৰ দৰে ফোঁচফোঁচনিও তুলিব নোৱাৰিলে। এইটো যে তেখেতৰ ৰাইজৰ চৰণৰ ধূলা ল'বৰ সময়। তেখেতে মনত বিষ আৰু মুখত অমৃত সানি ধনঞ্জয়ক নিজৰ ফালে টানিবলৈ চেষ্টা কৰিও বিফল হ'ল।[৪৬]

নিৰ্বাচনৰ বতাহে সুবোধ শইকীয়াৰ দৰে সুবিধাবাদী, স্বাৰ্থপৰ ব্যক্তিৰ চৰিত্ৰক আৰু বেছিকৈ সমাজৰ সন্মুখত প্ৰকট কৰি তোলাত সহায় কৰিছে। উঠি অহা নৱপ্ৰজন্মক ধ্বংসৰ গৰাহলৈ লৈ যোৱাত সুবোধ শইকীয়াই সহায় কৰিছে। নিজৰ বিবেকক বিক্ৰী কৰি আনক পথভ্ৰষ্ট কৰাৰ ক্ষেত্ৰত সুবোধ শইকীয়াৰ দৰে ব্যক্তিয়ে সমাজত বৰপীৰা পাৰি বহিবলৈ চেষ্টা কৰাটো এখন আদৰ্শবান সমাজৰ বাবে শুভ লক্ষণ হ'ব নোৱাৰে। শইকীয়াৰ দৰে অধঃপতিত

বিবেকহীন চৰিত্ৰবোৰে সমাজত কেৱল বিষবাস্পহে বিয়পাব জানে। অনীতিৰ আশ্ৰয় লৈ সমাজত ৰঘুমলাৰ দৰে বিয়পি পৰা সুবোধ শইকীয়াই টকাৰ বলত নিৰ্বাচনত জয়লাভ কৰিবলৈ সক্ষম হৈছে।

নিৰ্বাচনৰ বতৰে ভূমুকি মৰাৰ পাছৰে পৰা নিৰ্বাচনৰ খবৰ ওলোৱালৈকে সুবোধ শইকীয়াৰ চৰিত্ৰটোৱে কাহিনীক অগ্ৰগতি প্ৰদান কৰিছে। নিৰ্বাচন শেষ হোৱাৰ লগে লগে সুবোধ শইকীয়াৰ চৰিত্ৰটোও কাহিনীৰ পৰা আঁতৰাই পেলোৱা হৈছে যদিও চৰিত্ৰটোৱে কাহিনীৰ পটভূমিত এক বিশেষ অৰিহণা যোগাবলৈ সক্ষম হৈছে। কিয়নো সুবোধ শইকীয়াৰ নিৰ্বাচনী যুঁজখনে সোণাইপৰীয়া লোকৰ চাৰিত্ৰিক বৈশিষ্ট্য সলনি কৰি তুলিবলৈ সক্ষম হৈছিল। মানুহৰ মানসিকতাৰ পৰিৱৰ্তন হ'ল। সুবোধ শইকীয়াৰ নেতৃত্বত এচাম সুবিধাবাদী, স্বাৰ্থপৰ চৰিত্ৰৰ সৃষ্টি হ'ল। যিসকলে আত্মস্বাৰ্থত মগ্ন হৈ নিজৰ বিবেকক বিসৰ্জন দিবলৈও কুণ্ঠাবোধ নকৰা হৈছিল। এই সকলো সম্ভৱ হৈছিল সুবোধ শইকীয়াৰ অসৎ বুদ্ধি আৰু অৰ্থৰ বলেৰে সকলোকে বশ কৰিব পৰা পাৰ্গতালিৰ বাবে। সি যি কি নহওক উপন্যাসখনৰ কাহিনীৰ বিকাশত ক্ষন্তেকৰ বাবে সক্ৰিয় হ'লেও চৰিত্ৰটিৰ ভূমিকা অনস্বীকাৰ্য।

উল্লিখিত চৰিত্ৰসমূহৰ উপৰি দুই এক পুৰুষ চৰিত্ৰৰ প্ৰসংগ উপন্যাসখনত উত্থাপিত হৈছে যিবোৰ চৰিত্ৰই কাহিনীত বিকাশ লাভ কৰাৰ সুযোগৰ পৰা বঞ্চিত হ'ব লগা হৈছে। কাহিনীৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰতো এই চৰিত্ৰখিনিৰ বিশেষ ভূমিকা নাই। তেনে পুৰুষ চৰিত্ৰৰ ভিতৰত মথুৰাৰ সখীয়েক মিনাধৰ, শান্তি সেনাৰ সদস্যসকল, ৰাজু, মগু বায়েন আদিয়ে প্ৰধান।

মথুৰাৰ মৃত্যুৰ সময়ছোৱাত মথুৰাৰ সখীয়েক ৰূপে মিনাধৰ চৰিত্ৰটি উত্থাপন কৰা হৈছে। দুখ-বেদনাত জৰ্জৰিত মিনাধৰক মথুৰাৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰাৰ উদ্দেশ্যেহে যেন উপন্যাসখনত তুলি ধৰা হৈছে। মথুৰাৰ প্ৰতিটো কথা আৰু কামৰ অংশীদাৰ যে মিনাধৰ সেই কথাও প্ৰসংগক্ৰমে কাহিনীত বৰ্ণিত হৈছে। সেইবাবেই চাগে মথুৰাৰ মৃত্যুত সখীয়েক ৰূপে মিনাধৰে গভীৰ দুখ প্ৰকাশ কৰিছে। মৃত্যুৰ আগে আগে সখীৰ মনৰ বতৰা জানিব নোপোৱাটো মিনাধৰৰ বাবে পৰম দুৰ্ভাগ্য বুলি তেওঁ অসন্তুষ্টি প্ৰকাশ কৰিছে।

এগৰাকী প্ৰকৃত বন্ধু ৰূপে মিনাধৰক কাহিনীৰ মাজত ক্ষন্তেকৰ বাবে ভূমুকি মাৰিবলৈ দিয়া প্ৰসংগৰ সৈতে বৰ বিশেষ উল্লেখযোগ্য কথা জড়িত হৈ থকা নাই। কিয়নো এইখিনি সময়ৰ ভিতৰত মিনাধৰৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ একো উমান পোৱা নাযায়।

সেইদৰে কোনো ধৰণৰ নাম উল্লেখ নথকা কেইজনমান পুৰুষ শান্তি সেনাৰ সদস্যৰ প্ৰসংগ অৱতাৰণা কৰা হৈছে, যিসমূহে উপন্যাসৰ কাহিনীত মুহূৰ্তৰ বাবে হ'লেও বিশেষ ভূমিকা গ্ৰহণ কৰিছে। অনৈতিক কাৰ্য ৰোধ কৰাৰ নিমিত্তে এইসমূহ শান্তি সেনাক কাহিনীৰ মাজলৈ লৈ অহা হৈছে। নিষ্ঠাবান, যুক্তিবাদী তথা আদৰ্শবাদী চৰিত্ৰৰ প্ৰতিনিধিৰূপে শান্তি সেনাৰ সদস্যসকলক উপন্যাসৰ কাহিনী বিকাশত অন্তৰ্ভুক্ত কৰাৰ ফলস্বৰূপে কাহিনীয়ে গতি লাভ কৰিবলৈ সক্ষম হৈছে।

আন এক অবিকশিত পুৰুষ চৰিত্ৰৰ ভিতৰত বাজুৰ প্ৰসংগ উত্থাপিত কৰিব পাৰি। উপন্যাসখন কাহিনীত বাজুক পৰিচিত কৰি দিয়া হৈছে এনেদৰে—

> বাজু এটা ওপঙি ফুৰা ল'ৰা। মাটি-বাৰী নাই। মাথোন সোণাইৰ পাৰত জুপুৰি ঘৰ এটা আছে।[৪৭]
>
> সি ল'ৰাটো বেচ চিধা। বৰ ভাল খেতিয়ক।[৪৮]

কাচনমতীৰ প্ৰেমিকৰ ৰূপত বাজুক উপন্যাসৰ পাতত অংকুৰিত কৰোৱা হৈছে। বাজু আৰু কাচনমতী ভিন্ন সম্প্ৰদায়ৰ হোৱা হেতুকে সিহঁতৰ প্ৰেমত সকলোৱে বিধি-পথালি দিছে। যাৰবাবে বাজুৰ অৱস্থা তেনেই দুখ লগা বিধৰ হৈ পৰিছে। তথাপি জীৱনৰ ওচৰত বাজু হাৰ মনা বিধৰ নহয়। মৰো জী সো আধি কৰি বাজুৱে নিজৰ অৱস্থা উন্নত কৰিবলৈ পাৰ্যমানে চেষ্টা কৰিছে। সৎ নিৰ্ভীক প্ৰেমিকৰ ৰূপত বাজুক কাহিনীৰ মাজলৈ লৈ অনা হৈছে।

অৰ্থৰ অভাৱ থাকিলেও বাজুৰ সাহসৰ অভাৱ নাছিল। প্ৰকৃত প্ৰেমেৰে সিক্ত বাজুৰ মনটোৱে কাচনমতীৰ বাবে সকলো সহিবলৈ প্ৰস্তুত। সেয়ে বাজু নিৰাশ হোৱা নাই। জাত-পাত, উচ্চ-নীচৰ চিন্তাধাৰাই বাজুৰ প্ৰেমত সফল হৈছে। বাসন্তীৰ কৃপাৰে আৰু মনবৰীৰ

সহযোগিতাৰে বাজুৰ প্ৰেমে পূৰ্ণতা পাইছে। প্ৰকৃত প্ৰেমিকৰ বৈশিষ্টৰে সমুজ্জল এই চৰিত্ৰটিয়ে উপন্যাসৰ কাহিনীত এক প্ৰতীকি অৰ্থ বহন কৰি আছে।

কিছু সময়ৰ বাবে উপন্যাসৰ কাহিনীত স্থান লাভ কৰা অথচ বিশেষ ভূমিকা নথকা আন এটি পুৰুষ চৰিত্ৰ হৈছে মগু বায়েন। কাচনমতীৰ পিতৃ মগু বায়েন উচ্চ বংশৰ তথা আৰ্থিকভাৱে স্বচ্চল লোক। জাত-পাতৰ বিভেদক গুৰুত্ব সহকাৰে লোৱাৰ লগতে নিজ কন্যাৰ ক্ষেত্ৰত অতিশয় সচেতন মগু বায়েনে কাচনমতীৰ লগত সম্পৰ্ক গঢ়াটো মুঠেই সহ্য কৰিব নোৱাৰে। সেইবাবে কন্যা সন্তানৰ সৈতে বাজুৰ গঢ়ি উঠা ঘনিষ্ঠতাৰ উমান পাই মগু বায়েনে বাজুক আঁতৰাই পঠাইছে। কাহিনীৰ অগ্ৰগতিত এই চৰিত্ৰটি নিজস্ব কোনো চাৰিত্ৰিক বৈশিষ্ট্যৰে উজলি উঠিব পৰা নাই। সন্তানৰ প্ৰতি পিতৃৰ দায়বদ্ধতা সম্পৰ্কে মগু বায়েন সজাগ। সেয়ে কাচনমতীয়ে যাতে অকনো দুখ নাপায় তাৰ বাবে পিতৃৰূপে মগু বায়েনে কৰ্তব্য অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা কৰিছে। অৱশ্যে এই ক্ষেত্ৰত কাচনমতী আৰু বাজুৰ প্ৰেমক সমৰ্থন নকৰা কথাটোৱে মগু বায়েনৰ উচ্চাত্মিকা মনোভাৱৰ কথাকে প্ৰকাৰান্তৰে উদঙাই দিছে।

### ৩.২.২ গঙা চিলনীৰ পাখি উপন্যাসৰ নাৰী চৰিত্ৰ ঃ

*গঙা চিলনীৰ পাখি* উপন্যাসৰ এটি জীৱন্ত নাৰী চৰিত্ৰ হৈছে বাসন্তী। উপন্যাসখনৰ কাহিনী আৱৰ্তিত হৈছে বাসন্তীক কেন্দ্ৰ কৰিয়েই। যাৰ বাবে বাসন্তী চৰিত্ৰটি অধিক উজ্বল আৰু জীৱন্ত হৈ উঠিছে। অসমীয়া নাৰী সমাজক প্ৰতিফলিত কৰা বাসন্তী চৰিত্ৰটোৱে সচৰাচৰ নাৰীমনৰ বৈশিষ্ট্যক পাঠকৰ সন্মুখত প্ৰতিভাত কৰি তোলাত সহায় কৰিছে।

সোণাইপৰীয়া জীয়াৰী বাসন্তীৰ কথাৰেই উপন্যাসৰ কাহিনীয়ে গতি লাভ কৰিছে। সমাজৰ একেবাৰে নিম্ন স্তৰৰ লোকক প্ৰতিনিধিত্ব কৰা বাসন্তীৰ মনৰ দোদুল্যমান অৱস্থাৰ জৰিয়তে সদ্য যৌৱনপ্ৰাপ্ত বাসন্তীৰ মনৰ মাজত বিৰিঙি থকা ছৱিখন প্ৰকট কৰি তুলিব বিচৰা হৈছে। এগৰাকী অচিনাকী ডেকাৰ প্ৰতি বাসন্তীৰ আসক্তিয়ে বাসন্তীৰ মনৰ কোমল অংশটোত ঔপন্যাসিকে টুকুৰিয়াবলৈ সক্ষম হৈছে। নাৰীৰ মনৰ গোপন কন্দৰত সুপ্ত হৈ থকা আকুল অব্যক্ত আকাংক্ষা প্ৰকাশি উঠাৰ লগতে বাসন্তীৰ ঔৎসুক্য মনৰ পৰিচয় পোৱা যায় উপন্যাসৰ

আৰম্ভণিতেই।

এগৰাকী সহজ সৰল উদাৰমনা গাঁৱলীয়া যুৱতীৰ অভিব্যক্তিৰ প্ৰকাশ ঘটিছে বাসন্তীৰ জৰিয়তে। গাঁৱৰ বোকা-পানী গচকি দৈনন্দিন বিভিন্ন ঘৰুৱা কৰ্মব্যস্ততাৰ মাজতে বাসন্তীৰ মনত থৌকিবাথৌ লগায় ধনঞ্জয়ৰ উপস্থিতিয়ে। বাসন্তীৰ জীৱনত আউল লাগে। স্বভাৱসুলভভাৱে চঞ্চলা, চপলা, কোমলমনা ছোৱালীজনীয়ে ধনঞ্জয়ৰ পৰিচয় বিচাৰি উদ্বাউল হৈ পৰে। হৃদয়ে যেন নতুন ঠিকনা বিচাৰে—

> তাৰ কথা— নাম আৰু আঁতগুৰি নজনা পুৰুষজনৰ কথা,—তাই আজি ইমানকৈ ভাবিছে কিয়? তাইৰ লাজো লাগিছে। হঠাতে তাইৰ মনটোত আউল লাগি গ'ল।[৪৯]

সোণাইখনৰ দৰেই বাসন্তী শান্ত সমাহিত দেখনিয়াৰ ছোৱালী। বাসন্তীৰ মনৰ গতি উচ্ছল অথচ শৃংখলিত। তেনে এক শৃংখলিত মনকো কাৰোবাৰ সোঁৱৰণে অবাধ গতি প্ৰদান কৰিছে—

> অজানিতে তাইৰ মনটো আজি উজ্বলি উঠিছে। সোণাইৰ পৰা বোৱা চেঁচা বতাহ ছাটিয়েও তাইৰ গাটো জাৰ লগাব পৰা নাই। কিবা এটা অজান উত্তেজনাই তাইৰ তেজৰ সোঁত খৰকৈ বোৱাইছে। শীতকালতো তাই জ্বৰে ঘমা দিছে।[৫০]

বাসন্তীৰ সৌন্দৰ্যপ্ৰৱণ মনটোত অহৰহ বৈ আছে প্ৰকৃত প্ৰেমৰ অফুৰন্ত সঁফুৰা। সেয়ে অচিনাকী পুৰুষজনক পাবলৈ বাসন্তীৰ মনে হাঁহাকাৰ কৰি ফুৰিছে।

প্ৰেমিক মনে অব্যক্ত যাতনাত হাহাকাৰ কৰি থাকিও বাসন্তী ঘৰুৱা দায়িত্বৰ পৰা অকণো বিচলিত হোৱা নাই। তাৰ লগে লগেই মাক সুজলাৰ প্ৰতিও বাসন্তীয়ে নিষ্ঠসহকাৰে দায়িত্ব সম্পাদন কৰিছে। মাকৰ বেমাৰ-আজাৰে শৰীৰত কষ্ট দিয়ে বুলি বাসন্তী সদা সচেতন। সেইবাবে মাকৰ চকুৰে ভালকৈ নমনা হোৱা কথাটোত বাসন্তী চিন্তিত হৈ পৰিছে মাকক সুস্থ কৰি তুলিবলৈ সন্তানৰ যি আকূতি সেয়া উপন্যাসখনত বিবৃত হৈ উঠিছে। এয়া চিৰপৰিচিত মাতৃস্নেহৰ যেন এক নিদৰ্শন—

> দুপৰীয়া বাসন্তীয়ে মাকক তিতা কাপোৰেৰে গাটো মচি দিয়াৰ সময়ত ক'লে, “বৌটি, মই ভাবিছোঁ, ককাইদেউ আহিলে ক'ম,—তোক এদিন জিলালৈকে লৈ যাওক। তাতে ডাক্তৰৰ হতুৱাই চকুৰ জাল কটালে আগৰ দৰে দেখা হ'বি।[৫১]

বাসন্তীৰ চৰিত্ৰ কেৱল ধনঞ্জয়ৰ প্ৰেয়সী ৰূপেই চিহ্নিত হোৱা নাই, এগৰাকী প্ৰকৃত জীয়াৰী, ভগ্নী, ননদৰ দৰে ভিন ভিন ৰূপত উদ্ভাসি উঠিছে উপন্যাসৰ পাতে পাতে। উপন্যাসৰ আৰম্ভণিৰ পৰা শেষলৈকে অন্তঃস্ৰোতা জলৰাশিৰ দৰে বাসন্তী সৰ্বত্ৰ বিয়পি আছে।

প্ৰাচীন অসমীয়া সমাজৰ কিছু পৰম্পৰাগত ৰীতি-নীতি তথা মূল্যবোধৰ কঠিন বৃত্তৰ মাজত ডাঙৰ-দীঘল হ'লেও সোণাইপৰীয়া মুক্ত বতাহজাকৰ সৈতে বাসন্তী পৰিচিত। সেয়ে ধনঞ্জয়ৰ প্ৰেমত জীপাল হৈ উঠা বাসন্তীৰ হৃদয়খনে সোণাইৰ পাৰত আৱগিক হৈ পৰিছে—

> ভৰ দুপৰীয়া। সোণাইৰ পাৰ খুব নিজম। দূৰৈৰ পৰা গঙা চিলনীৰ মাতটো ভাঁহি আহিছে। নিৰৱতা আৰু মুখৰ কৰি তুলিছে। নিচেই কাষতে মাছ-ৰোকায়ো মাতিছে। সাধাৰণতে বলা বতাহত সিপাৰৰ কহুৱাবন কঁপিছে। পশ্চিম দিগন্তত কেইখনমান নাও ৰেখা একোডাল হৈ মিলি আছে। দুয়ো ডেকা-গাভৰুৰ দুখনি তৰুণ হৃদয় দুৰু দুৰু কঁপিছে সিহঁত আপোন পাহৰা হৈছে।[৫২]

বাসন্তী এগৰাকী সহজ-সৰল, উদাৰমনা, প্ৰাচীন মূল্যবোধ আৰু চিৰাচৰিত পৰম্পৰাত বিশ্বাসী এগৰাকী যুৱতী। সেইবাবে ধনঞ্জয়ে বাসন্তীৰ আঙুলিকেইটা স্পৰ্শ কৰা কথাটো বাসন্তীয়ে সহজভাৱে ল'ব পৰা নাই। এখন আদৰ্শবান পৰিয়ালত জন্ম গ্ৰহণ কৰা বাসন্তীয়ে পৰিয়ালৰ সন্মতি অবিহনে প্ৰেমাস্পদৰ সৈতে হলি গলি কৰা কথাটো সমাজে সহজভাৱে মানি নলয়। সেইবাবে ধনঞ্জয়ে বাসন্তীৰ আঙুলি স্পৰ্শ কৰা কথাটোৱে বাসন্তীৰ মন ভাবুক কৰি তুলিছে। ৰক্ষণশীলতাৰ দেওনা পাৰ হৈ যোৱাৰ য'ত বাসন্তী চিন্তিত হৈছে। যিখন সমাজত বাসন্তীৰ দৰে সহজ সৰল ছোৱালী বাস কৰিছে সেইখন সমাজৰ পৰিকাঠামোৰ পৰা ওলাই মুক্ত বিচৰণ কৰাটো সিহঁতৰ বাবে অলপ আচহুৱা যেন বোধ হয়। কিন্তু তৎমুহূৰ্ততে আকৌ বাসন্তীয়ে নিজকে প্ৰবোধ দিয়াইছে। মাথো অনুতপ্ত হৈছে যিজনাক তেওঁ ইতিমধ্যে হৃদয়ৰ অটল গহ্বৰত স্থান দিছে সেইজনাক ভৰি চুই সেৱা নকৰা কথাটোত।

ধনঞ্জয়ক বাসন্তীৰ জীৱনৰ এক অংশ কৰি লোৱাৰ সময়ৰে পৰা তাইক পৰিয়ালটোৰ প্ৰতি, মাকৰ প্ৰতি এক তীব্ৰ অনামী আকৰ্ষণে আঁটি আঁটি বান্ধিছে। বাসন্তীয়ে সপোন দেখিছে প্ৰেমাস্পদৰ সৈতে জীৱনৰ গতিত আগুৱাই যোৱা। সেই গতিত নিহিত হৈ আছে প্ৰিয়জনৰ প্ৰতি থকা অগাধ মৰম, বিশ্বাস আৰু ভালপোৱা। কিন্তু কোনোবাই সেই গোপন প্ৰেমৰ উমান পোৱাৰ ভয়ত সন্ত্ৰস্ত হৈ আছে।

ধনঞ্জয়ৰ প্ৰতি বাসন্তীৰ প্ৰেমৰ আকাংক্ষা যিমানেই বাঢ়ি গৈ আছে সিমানেই বাসন্তীৰ পৰিয়ালটোৱে তাইক ধনঞ্জয়ৰ ওচৰৰ পৰা আঁতৰাই আনিব বিচাৰিছে। মানসিকৰূপে শক্তিশালী তথা জেদী বাসন্তীয়ে কাৰো হকা-বধা নামানি নিজৰ স্থিতিত অটল আছে। কিন্তু প্ৰচলিত সমাজৰ বাস্তৱ চিন্তাধাৰাৰ প্ৰতি আকৃষ্ট মাতৃৰ বিভিন্ন কথাই বাসন্তীক কিছু পৰিমাণে স্থিতিৰ পৰা আঁতৰাই আনিছে। বাসন্তীৰ প্ৰেমৰ উন্মাদনা কিছু পৰিমাণে স্বাভাৱিক হোৱাৰ বাবেই ঘৰুৱা পৰিস্থিতিও জটিলতাৰ পৰা ক্ষন্তেকৰ বাবে শাম কাটিছে।

তথাপি বাসন্তীয়ে সযতনে হৃদয়ত ধনঞ্জয়ক কঢ়িয়াই লৈ ফুৰিছে। যিখন সমাজত কেৱল অভিভাৱকৰ মতামতৰ ওপৰত ভিত্তি কৰি সন্তানৰ জীৱন লগৰী নিৰ্বাচনত গুৰুত্ব দিয়া হয়, সেইখন সমাজত বাসন্তীৰ স্বকীয় মতামতৰ গুৰুত্বই বা ক'ত? তথাপি তাই আশা কৰিছে ধনঞ্জয়ৰ সৈতে থকা তাইৰ সম্পৰ্কক নবৌয়েক তৰুলতাৰ জৰিয়তে ঘৰখনে স্বীকৃতি প্ৰদান কৰক। এক গভীৰ আশাবাদে বাসন্তীৰ মনৰ ভিতৰখন জীপাল কৰি ৰাখিছে। অদৃষ্টৰ হাতত যাতে বাসন্তীয়ে সকলো হেৰুৱাবলগীয়া নহয়, তাৰ বাবে কাতৰ হৈ পৰিছে। কিন্তু শেষলৈ বাসন্তীৰ জীৱনলৈ আশা নকৰা ধৰণেই এজাক ধুমুহা নামিছে। বাসন্তীৰ ককায়েকৰ সৈতে নিৰ্বাচনী বতাহে আনি দিয়া ফাঁটত বাসন্তীও জুৰুলা হৈ পৰিছে। ভোগৰাম আৰু ধনঞ্জয়ে দুই মেৰুত অৱস্থান কৰা কাৰ্যই বাসন্তীৰ জীৱনলৈকো কাৰুণ্য নমাই আনিছে।

বাসন্তীৰ জীৱনৰ প্ৰথম পুৰুষ আছিল ধনঞ্জয়। কিন্তু সময়ৰ সোঁতে, পৰিৱেশ আৰু পৰিস্থিতিয়ে বাসন্তীক ধনঞ্জয়ৰ ওচৰৰ পৰা আঁতৰাই আনিছে। সেইখিনি পৰিৱেশত বাসন্তীৰ নিজস্ব দাবী অথবা আক্ষেপে মৰ্যাদা পোৱাৰ কোনো অৱকাশ নাছিল—

> বাসন্তী, জীয়াৰী হ'লে ঘৰৰ হা-হুকুম মানি চলিবই লাগিব। মাৰৰ কথাই যদি নুশুন, তোক তুলি-তালি ডাঙৰ-দীঘল কৰাৰ কি লাভ হ'ল?[৫৩]

সকলোৰে বুজনিয়ে সহজ-সৰল বাসন্তীক মানসিকভাৱে পুৰঠ কৰি তুলিছে। হতাশা আৰু কাৰুণ্যক বুকুত সাৰটিয়ে বাসন্তীয়ে কাহানিও নজনা নুশুনা এজনৰ বাবে আঙুঠি পিন্ধিছে। নিজৰ ভৱিষ্যত জীৱনৰ বাবে নিজে একো সিদ্ধান্ত ল'ব নোৱাৰা কথাটোৱে বাসন্তীক মৰ্মাহত কৰিলেও বাসন্তীয়ে ঘৰখনৰ সদস্যসকলৰ তাগিদাত নিজকে মানসিকভাৱে শক্তিশালী কৰি তুলিছে। কিন্তু হঠাৎ যেন এই দৃঢ়তাত আউল লাগিল। ধনঞ্জয়ৰ আকষ্মিক সিদ্ধান্তই বাসন্তীৰ সুপ্ত হৈ থকা সৰল সত্তা জগাই তুলিলে। ধনঞ্জয়ৰ চিঠিখন পঢ়ি বাসন্তী আকৌ এবাৰ উন্মাদ হৈ পৰিল। ধনঞ্জয়ৰ প্ৰতি হৃদয়ত সাঁচি ৰখা বাসন্তীৰ নিভৃত কোণৰ অকুণ্ঠ প্ৰেম আৰু স্নেহে বাসন্তীক বাউলী কৰি তুলিলে—

> চিঠিখন পঢ়ি বাসন্তীৰ মনটো উচাটন হৈ পৰিল। ওচৰৰ বালিমাহী, সখিয়তী আৰু গঙা চিলনীৰ মাতত নতুন সুৰ শুনিলে। খৰস্ৰোতা সোণাইৰ খলকনিয়ে গোপন মনতো খলকনি তুলিলে।[৫৪]

প্ৰেমৰ উদ্‌ভ্ৰান্ত জোঁৱাৰে বাসন্তীক যেন পুনৰবাৰ উটুৱাই লৈ বহুদূৰ পোৱালেগৈ। ধনঞ্জয়ৰ প্ৰেমৰ বানত শৰবিদ্ধ বাসন্তীয়ে আৱেগৰ ৰাগীত মতলীয়া হৈ প্ৰেমিকৰ সৈতে মাজনিশা পলাই যোৱাৰ সিদ্ধান্ত লৈছে। সংস্কাৰাচ্ছন্ন বাসন্তীয়ে পৰিয়ালৰ সকলোৰে কথা চিন্তা কৰিও নিজৰ ভৱিষ্যৎ জীৱনৰ স্বপ্ন দেখিছে। ধনঞ্জয়ৰ সৈতে কল্পিত আকাংক্ষিত সংসাৰখনৰ কথা ভাবি বাসন্তীয়ে ঘৰখন ত্যাগ কৰাৰ সিদ্ধান্তই বাসন্তীৰ প্ৰেমৰ আকৃতি স্পষ্ট কৰি তুলিছে—

> বাওফালৰ কাষলতিৰ তলত টোপোলাটো ল'লে। এটা হাতেৰে শুই থকা মাকৰ ভৰি চুই সেঁৱা কৰিলে। ওঁঠ দুখনত লৰাই শব্দ নকৰাকৈ ক'লে—বৌ, তই মোক ক্ষমা কৰ। মাথোঁ এবছৰলৈহে দুখ সহিব লাগিব। পাছত যেতিয়া কোঁচত কেঁচুৰা লৈ ঘৰ সোমায়, তেতিয়া জী-জোঁৱাইক দেখি জানো তই মনত হৰিষ নেপাবি।[৫৫]

মানসিকভাৱে বাসন্তী সম্পূৰ্ণ সাজু হৈ উঠিও পিছ মূহূৰ্তত উভতি আহিছে। কাৰণ তাই হিন্দু ধৰ্মীয় ভাৰতীয় আদৰ্শ-সংস্কাৰত বিশ্বাসী। সেয়ে হাতৰ আঙঠিটোত দৃষ্টি পৰাৰ

লগে লগে বাসন্তীৰ প্ৰেমৰ প্ৰকৃতি সলনি হৈছে। এনে দৃষ্টিভংগীয়ে ধনঞ্জয়ৰ প্ৰেমক উপেক্ষা কৰিছে—তাই সেই দিনাৰ পৰাই ধৰ্মীয় নীতি-নিয়মেৰে আন এঘৰৰ আৰু আন এজনৰ হৈ গ'ল। তাই সেইজন পুৰুষক ফাঁকি দিব নোৱাৰে।[৫৬]

বাসন্তীৰ হৃদয়ৰ উত্তাপ সমাজ স্বীকৃত ৰীতি-নীতিৰ ওচৰত হাৰ মানিছে। নিজস্ব দৃষ্টিভংগীৰে প্ৰেম আৰু সামাজিক ৰীতি-নীতিৰ মাজত বাসন্তীয়ে সঠিক নিৰ্বাচন কৰিব পৰা নাই। হৃদয়ৰ উত্তাপক বাসন্তীয়ে অমান্য কৰি পৰিয়ালৰ লগতে সামাজিক ৰীতি-নীতিক উচ্চ আসনত অধিষ্ঠিত কৰিছে। যাৰ বাবে প্ৰেম অবিহনে বাসন্তীয়ে মথুৰাৰ ওচৰত সৰ্বস্ব সঁপি দিবলৈ সন্মত হৈছে। কিয়নো বাসন্তীয়ে মাতৃৰ আদৰ্শ সৰোগত কৰি সমাজৰ দৃষ্টিত 'ভাল' হৈ থকাৰ মূলমন্ত্ৰ আয়ত্ত কৰি লৈছে—

> তিৰোতা আচলতে ভাল হ'লে যিকোনো পুৰুষেই তাইক লৈ সুখৰ সংসাৰ কৰিব পাৰিব। .....তিৰোতাই যিকোনো অৱস্থাৰ লগত নিজক খাপ খুৱাব জানিলেহে সুখী হ'ব পাৰে।[৫৭]

"তিৰোতাই যিকোনো পুৰুষকে" সুখী কৰিব পাৰে বুলি ভবা ধাৰণাৰ বাবেই বাসন্তীয়ে প্ৰথম নিশাতেই সংস্কাৰৰ বশৱৰ্তী হৈ মথুৰাৰ ওচৰত নিজকে সমৰ্পণ কৰিছে। সেইখিনি সময়ত বাসন্তীৰ প্ৰথম প্ৰেমৰ আৱেগে অকণো বিচলিত কৰিব পৰা নাই। বাসন্তীয়ে মথুৰাৰ ওচৰত আত্মসমৰ্পনৰ সময়ছোৱাত অৱচেতন মনলৈ অহা ধাৰণাই এনে কথাৰেই ইংগিত বহন কৰে—

> এনেকৈ নিজক খাপ খুৱাই লোৱাই বুদ্ধিমতীৰ কাম। ধনঞ্জয়ৰ কথা মনলৈ আহিছে যদিও সেই স্মৃতি ধূসৰ, অস্পষ্ট, স্থিতিহীন। সি সময়ৰ সোঁতত বিহ-মেটেকাৰ দৰে উটি-ভাঁহি অচিন সীমান্তত মিলি যাওক।[৫৮]

ধনঞ্জয়ক মনেৰে বিসৰ্জন দি নতুন পৰিস্থিতিৰে সৈতে খাপ খুৱাই চলিবলৈ প্ৰবল ইচ্ছাশক্তি গোটাই ল'লেও বাসন্তীৰ জীৱনলৈ হঠাৎ অহা বা-মাৰলী এজাকে গোটেইখন ওলট-পালট কৰি পেলালে। জুই জলিলে যিদৰে ধোঁৱা ওলাবই, সেইদৰে বাসন্তী আৰু ধনঞ্জয়ৰ প্ৰেমৰ সম্পৰ্কৰ মুখৰোচক কাহিনী বাগৰি আহি শেষলৈ মথুৰাৰ কাণত পৰিছে। বিবাহপূৰ্ব জীৱনৰ প্ৰেমাবেগৰ বাবে বাসন্তীয়ে স্বামীক হেৰুৱাব লগা হৈছে। মথুৰাৰ মৃত্যু অথবা আত্মহত্যা

যিয়েই নহওক আকস্মিকভাৱে বাসন্তীৰ জীৱনৰ ছন্দ পতন ঘটিছে। যিকণ আশা বুকুত বান্ধি বাসন্তীয়ে ধনঞ্জয়ৰ প্ৰেমক উপেক্ষা কৰি মথুৰাৰ ওচৰৰ আত্মসমৰ্পণ কৰিছিল সেইকণ আশা ভাঙি থানবান হৈ যোৱাৰ পাছত বাসন্তীয়ে সম্পূৰ্ণৰূপে মানসিক দৃঢ়তা হেৰুৱাই পেলাইছে।

আকস্মিক এক খবৰে বাসন্তীৰ ব্যাথাভৰা মনত কিঞ্চিৎ হ'লেও আশাৰ ৰেঙনি তুলিছে। মথুৰাক হেৰুৱাই শোকত বিহ্বল হৈ পৰা বাসন্তীৰ গৰ্ভত বীজৰ অংকুৰণ ঘটিছে। বাসন্তী সন্তানসম্ভৱা হৈছে। ক্ৰমশঃ দিনবোৰ আগুৱাই যায়। বাসন্তীয়েও পূৰ্বৰ এৰি অহা দিনবোৰ পাহৰিবলৈ চেষ্টা কৰি নতুন জীৱনৰ স'তে একাত্ম হোৱাৰ সমীকৰণ বিচাৰি পাই সুখী হোৱাৰ পথ বিচাৰিছে। তেনে সময়তে আন এক অঘটনে ক্ৰমাৎ স্থিৰিৰ হৈ পৰা বাসন্তীৰ জীৱনলৈ অস্থিৰতা নমাই আনিছে। বাসন্তীৰ মাকৰ মৃত্যুৱে বাসন্তীক পুনৰবাৰ যন্ত্ৰণাৰ সৈতে একাত্ম কৰি তুলিছে। তথাপি মাকৰ মৃত্যু বাসন্তীয়ে সহজভাৱে স্বীকাৰ কৰি লৈছে।

মথুৰা আৰু মাকৰ মৃত্যুত অসহজ হৈ পৰা বাসন্তীয়ে যেতিয়া সন্তান প্ৰসৱ কৰিও এবাৰ কোলাত লৈ চোৱাৰ সুযোগৰ পৰাও বঞ্চিত হ'ব লগা হৈছে তেতিয়া বাসন্তীৰ অন্তৰাত্মাই কান্দি উঠিছিল। ওপজিয়েই মৃত্যুৰ কোলাত ঢলি পৰা সন্তানটি দেখি বাসন্তীৰো ভিতৰি ভিতৰি যেন এক প্ৰৱল মৃত্যুচেতনাই গা কৰি উঠিছিল।

বাসন্তীৰ এনে যন্ত্ৰণাক্লিষ্ট হৃদয়ৰ ভাৰ ক'ব নোৱাৰা বোজাবোৰে সকলোৰে মনত কঁপনি তোলে। বাসন্তীক সুস্থিৰ কৰিবলৈ কৰা প্ৰচেষ্টা বৃথা হয়। কাৰো বুজনিয়ে সৈমান কৰিব নোৱাৰা বাসন্তীয়ে এনে মানসিকভাৱে দগ্ধ অৱস্থাত পুনৰবাৰ আকস্মিক ৰূপে ধনঞ্জয়ৰ মুখামুখি হয়। যি ধনঞ্জয়ক এৰি থৈ আহি এদিন বাসন্তীয়ে নৱ জীৱনৰ পাতনি মেলিছিল সেইজন পূৰ্বৰ প্ৰেমিক ধনঞ্জয়ৰ সংস্পৰ্শই বাসন্তীক পূৰ্বৰ অৱস্থালৈ ঘূৰাই অনাত সহায় কৰিলে। সকলো দুখ-যন্ত্ৰণা একাষৰীয়া কৰি থৈ বাসন্তীয়ে জীৱনক সহজভাৱে গ্ৰহণ কৰিবলৈ শিকিলে—

> লাহে লাহে বাসন্তীৰ মুখলৈ প্ৰসন্নতা আহিল। ঘৰত কোনেও তাইক কাম কৰিবলৈ নেপাচে। তাই দুই বেলা আৰু আজৰি সময়ত পুথি পঢ়ে যদিও সধৰা থকা দিনৰ উৎসাহেৰে কাম-বন কৰে। বাসন্তীক এনে অৱস্থাত দেখি ঘৰৰ সকলোৰে ৰং পায়। ভাগি যাব খোজা ঘৰখন জীপ ধৰি উঠে। বাসন্তীয়ে পাৰুলহঁতৰ লগত গাঁও ফুৰে

ভাওনা-সবাহ চায়।[৬০]

হঠাৎ এনে একঘেয়ামী জীৱনৰ প্ৰতি বাসন্তীৰ বিৰাগ ওপজে। যৌৱনৰ হেৰোৱা উদভ্ৰান্ত প্ৰেম পুনৰ ঘূৰাই পাবলৈ মন যায়। ক্ৰমশঃ অস্থিৰতা বাঢ়ি আহে। চঞ্চল মনটোৱে নোপোৱাবোৰ বিচাৰি হাঁহাকাৰ কৰি ফুৰে। সঁজাৰ পখী হৈ জীৱনৰ বাকীছোৱা সময় পাৰ কৰিব লগাটো বাসন্তীৰ বাবে যেন দুৰ্বিসহ হৈ পৰে। জীৱনলৈ অহা যি সুযোগ হেৰুৱাই বাসন্তী সৰ্বস্ৰান্তা হৈ গ'ল সেই সুযোগ আনক দি সহায় কৰিবলৈ বাসন্তী তৎপৰ হৈ পৰিল। সেয়ে বাসন্তীয়ে মনবৰীক কৈছে—বুইছ, মনবৰী, মানুহৰ জীৱনত ছেগ এবাৰহে আহে। সিহঁতে আৰু পলম কৰা উচিত নহয়।

এসময়ত যি সুযোগ হেৰুৱাই বাসন্তীয়ে নিজে নিজৰ জীৱনলৈ অনিশ্চয়তা নমাই আনিছিল, সেইজনী বাসন্তীয়েই পুনৰবাৰ সেই সুযোগ বিচাৰি ব্যাকুল হৈ পৰিছে। হিন্দু সমাজৰ এগৰাকী বিধৱা নাৰী হৈ ধনঞ্জয়ৰ প্ৰতি দ্বিতীয়বাৰৰ বাবে আকৰ্ষিত হৈ নৱ ছন্দ বিচাৰিব খোজা কথাটোৱে বাসন্তীৰ মনৰ ভিতৰত থকা প্ৰগতিবাদী চেতনাৰ উমান দিয়ে। যিগৰাকী বাসন্তীয়ে এদিন সমাজৰ দোহাই দি আদৰ্শ তথা সংস্কাৰৰ বশৱৰ্তী হৈ উদ্বাউল প্ৰেমক জলাঞ্জলি দি মথুৰাৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছিল, সেইগৰাকী বাসন্তীয়ে পৰৱৰ্তী পৰ্যায়ত আদৰ্শাত্মক সমাজলৈ পিঠি দি পৰিৱৰ্তন বিচৰা কথাটোৱে যথেষ্ট তাৎপৰ্য বহন কৰিছে। বাসন্তীৰ এই অসামাজিক মানসিক পৰিৱৰ্তন আৰু স্খলন তাইৰ ব্যৰ্থ গাভৰু জীৱনৰ স্বাভাৱিক দুৰ্বলতা।[৬১]

বাসন্তীৰ গভীৰ ইচ্ছা আৰু আকাংক্ষাক ধনঞ্জয়ে তাৰ জীৱনৰ অপৰাগতা আৰু তাৰ অস্তিত্বৰপৰিভাষাৰে কোনো ধনী মহাজনক বিক্ৰী কৰি সি নোহোৱা হৈ গ'ল। ক'লৈ গ'ল কোনেও নাজানে। যেন বাসন্তীৰ প্ৰতি তাৰ সেয়া অপমানৰ পোতক—তাই আগৰ দৰে নিমাতী-কইনা হৈ পৰিল।[৬২]

গঙা চিলনীয়ে তাৰ চিকাৰ কৰাৰ যিটো অভিব্যক্তি সেই অভিব্যক্তিত প্ৰথমবাৰ তাৰ চিকাৰক আবদ্ধ কৰিব নোৱাৰিলে। দ্বিতীয়বাৰ সেই সুযোগ গঙা চিলনীলৈ আহিল যদিও গঙা চিলনীৰ পাখিৰ বতাহ বাসন্তীৰ গাত লগাৰ পাছতো বাসন্তীয়ে সেই সুযোগ ল'বলৈ সক্ষম

নহ'ল। গঙা চিলনীক ঔপন্যাসিকে ইয়াত প্ৰতীকৰূপে ব্যৱহাৰ কৰিছে। সমালোচকসকলে বাসন্তী চৰিত্ৰটোৰ মাজেৰে ফ্ৰয়েদীয় দৰ্শনৰ প্ৰভাৱ ব্যক্ত কৰিব বিচাৰিছে—

> ধনঞ্জয়ৰ লগত প্ৰথম পৰিচয় হোৱাৰে পৰা আৰম্ভ কৰি মণ্ডলৰ লগত তাইৰ বিবাহ আৰু মণ্ডলৰ মৃত্যুৰ পাছত তাইৰ মনটোক আধ্যাত্মিক প্ৰজান্তিৰ দিশলৈ আগবঢ়াই নিয়া, এহাল প্ৰেমিক-প্ৰেমিকাক কেন্দ্ৰ কৰি পুনৰ তাইৰ মাজত যৌৱনৰ কামনা-বাসনাৰ উদয় হোৱা এই সকলোবোৰ ঘটনা আৰু পৰিস্থিতি আকস্মিকভাৱে সৃষ্টি হোৱা নাই। এইবোৰৰ মাজত আধুনিক ফ্ৰয়েদীয় ধাৰণাৰ এক মনোৰম প্ৰকাশো ঘটিছে। তাইৰ কামনা বাসনাক উৰ্দ্ধায়ন ঘটোৱাৰ যি প্ৰয়াস সি বাস্তৱসন্মতভাৱে উপস্থাপিত হৈছে। গতিকে এই ধৰণৰ মনস্তাত্ত্বিক বাস্তৱতাৰ ফলত আধুনিক জীৱন চেতনাৰ ই সাৰ্থক প্ৰকাশৰূপে প্ৰতীয়মান হৈছে।[৬৩]

এইদৰে বিভিন্ন ঘটনা-পৰিঘটনাৰ মাজেৰে *গঙা চিলনীৰ পাখি*ত বাসন্তীৰ জীৱন হতাশা—ব্যৰ্থতা সুখ-আনন্দ আৰু যন্ত্ৰণাৰ মাজেৰে অতিবাহিত হৈছে।

*গঙা চিলনীৰ পাখি* উপন্যাসৰ আন এক সক্ৰিয় নাৰী চৰিত্ৰ হৈছে সুজলা। প্ৰাচীন আদৰ্শবাদী নাৰী চৰিত্ৰ ৰূপে সুজলাক স্থান দিব পৰা যায়। তথাকথিত শিক্ষাৰে শিক্ষিত নোহোৱা নাৰী চৰিত্ৰ সুজলা পৰম্পৰাৰ প্ৰতি অগাধ বিশ্বাসী। সমাজৰ একেবাৰে সাধাৰণ স্তৰৰ নাৰী সুজলা সহজ-সৰল স্পষ্টবাদী, মমতাময়ী লগতে সমাজৰ চিৰাচৰিত ৰীতি-নীতিক মানি চলা এগৰাকী নাৰী। বয়সৰ অভিজ্ঞতাৰে যথেষ্ট পৰিমাণে অভিজ্ঞ বাবে সুজলাই সততে ভৱিষ্যতে হ'ব পৰা বিপদ-বিঘিনিৰ বাবে সকলোকে সকীয়াই থাকে। মাতৃ হিচাবেও সুজলা যথেষ্ট সচেতন।

তথাকথিত সমাজখনত নাৰীৰ সুকীয়া অস্তিত্ব নথকা কথাতো সুজলাই ভালকৈ উপলব্ধি কৰিছিল। সমাজৰ নীতিৰ পৰিপন্থী কোনো ধৰণৰ কাম কৰাৰ প্ৰতি সুজলা আগ্ৰহী নহয়। সেয়ে জীয়েক বাসন্তীক সমাজৰ ঠেক গণ্ডীৰ মাজতে আৱদ্ধ ৰাখি নাৰীয়ে কেনেকৈ নিজক সংযত কৰি ৰাখিব পাৰে তাৰে বিস্তৃত বাখ্যা দাঙি ধৰিবলৈ চেষ্টা কৰিছে।

প্ৰাচীন সনাতন মূল্যবোধত বিশ্বাসী সুজলাৰ দৰ্শন অনুযায়ী জীয়াৰী ছোৱালীয়ে জীৱন সংগী নিৰ্বাচনৰ ক্ষেত্ৰত নিজস্ব মতামত আগবঢ়াব নোৱাৰে। কেৱল জীয়াৰী বুলিয়েই নহয়, সমগ্ৰ নাৰী সমাজেই পুৰুষৰ তলতীয়া। নাৰীয়ে সমাজ পৰিচালনাৰ ক্ষেত্ৰতে হওক বা পৰিয়াল

পৰিচালনাৰ ক্ষেত্ৰতে নিজস্ব যুক্তি দিবলৈ অপাৰগ। আনকি পৰিৱৰ্তনৰ বতাহেও সুজলাৰ দৰে পৰম্পৰাগত নাৰীসকলক স্পৰ্শ কৰিব নোৱাৰে।

উপন্যাসত প্ৰাচীন ধ্যান-ধাৰণাৰে পুষ্ট নাৰীৰ লগতে মাতৃ হৃদয়ৰ স্নেহ আৰু মমতাৰ প্ৰতীক ৰূপে সুজলাক অংকন কৰাৰ ক্ষেত্ৰত ঔপন্যাসিকে সফল হৈছে।

*গঙা চিলনীৰ পাখি* উপন্যাসৰ আন এক সক্ৰিয় নাৰী চৰিত্ৰ হৈছে তৰুলতা। তৰুলতাৰ চৰিত্ৰত এগৰাকী কৰ্তব্যপৰায়ণা ৰুচিবোধ সম্পন্না বোৱাৰীৰ চৰিত্ৰ উদ্ভাসি উঠিছে। কেতিয়াও কোনো কথাতে উচ্চ-বাচ্য নকৰা তৰুলতাই পৰিয়ালৰ সকলোকে আদৰ-সাদৰেৰে আৱৰি ৰাখিব জানিছিল। ধৈৰ্য আৰু সহিষ্ণুতাৰে তৰুলতাই পৰিয়ালৰ সকলোৰে আলপৈচান ধৰাৰ ক্ষেত্ৰত চেষ্টাৰ ত্ৰুটি কৰা নাছিল।

তথাকথিত সমাজখনত বিবাহপূৰ্ব নাৰী-পুৰুষৰ মিলনক সমাজে হেয় দৃষ্টিৰে চাইছিল। সেইবাবে বাসন্তী আৰু ধনঞ্জয়ৰ প্ৰেমৰ সম্পৰ্কৰ উমান পাই তৰুলতাই বাসন্তীক সজাগ কৰি দিছে। কিয়নো সেইখন সমাজত নাৰীৰ নিজস্ব অস্তিত্ব সম্পৰ্কে বাসন্তীতকৈ তৰুলতা বেছিকৈ জ্ঞাত—

> মনে খনা পুখুৰীত কিমানে পানী খাবলৈ পাইছে? নিজৰ দেহাটো বচাই ৰাখিবি আই। মনত ৰাখিবি, যিমানেই নিজা বহিব, সিমানেই নিজৰ বুলি একো নাথাকিব। সিমানেই অসুখী হ'বি।[৬৪]

দুট সন্তানৰ মাতৃ তৰুলতা বাসন্তীৰ প্ৰতি সহানুভূতিশীল হ'লেও নিজ সন্তানৰ দৰেই ননদ বাসন্তীক অহৰহ পৰ্যবেক্ষণ কৰিছে। বাসন্তীৰ ভৱিষ্যত জীৱন সম্পৰ্কে তৰুলতা চিন্তিত হৈ পৰিছে। সেইবাবে মাক আৰু ককায়েকৰ অগোচৰে তৰুলতাই সুজলাৰ সৈতে ধনঞ্জয়ৰ বিষয়ে কথা পাতিছে।

তৰুলতা চৰিত্ৰত এগৰাকী পতিব্ৰতা নাৰীৰ চৰিত্ৰত আৰোপিত হৈছে। কোনো ধৰণৰ উচ্চাকাংক্ষা নথকা তৰুলতাক ভোগৰামে যেনেকৈয়ে পত্নীৰ মৰ্যাদা দিছে তৰুলতা তেনেকৈয়ে সুখী হ'বলৈ চেষ্টা কৰিছে। বোৱাৰী হিচাবেও তৰুলতা অতিশয় সচেতন। চিৰাচৰিত অসমীয়া গ্ৰাম্য সমাজৰ আদৰ্শবাদী নাৰীৰ ৰূপত তৰুলতাক ঔপন্যাসিকে অংকন কৰিছে। কেৱল ঘৰ-

সংসাৰ লৈয়ে ব্যস্ত তৰুলতাই বাহ্যিক জগতখনৰ সৈতে সম্পৰ্ক তেনেকৈ নাৰাখেই। নিজৰ ভাল-বেয়া, সুখ-দুখৰ বিষয়ে ভাবিবলৈ তৰুলতাৰ আহৰি নাই। সেইবাবে উপন্যাসখনৰ শেষৰ পিনে তৰুলতাৰ স্বামী ভোগৰামৰ নৈতিক স্খলনে পত্নী হিচাপে তৰুলতাক মানসিকভাৱে জুৰুলা কৰি তুলিলেও পৰিস্থিতিৰ সতে মোকাবিলা কৰাৰ গুণ আয়ত্ত কৰি লৈছে। এইখিনিতে তৰুলতা সাধাৰণ হৈও অসাধাৰণ ৰূপত উপন্যাসত চিত্ৰিত হৈ পৰিছে।

এগৰাকী সহজ-সৰল গ্ৰাম্য নাৰী হৈও এক অগতানুগতিক জীৱনবোধেৰে তৰুলতা উপন্যাসখনত উজলি উঠিছে। গ্ৰামীণ সংস্কৃতি, চিৰাচৰিত পৰম্পৰা, ৰীতি-নীতিত সংপৃক্ত তথা এগৰাকী পতিব্ৰতা নাৰীৰ লগতে সহানুভূতিশীল, মৰমিয়াল তথা সকলো পৰিস্থিতিৰ সতে খাপ খুৱাই ল'ব পৰা অসাধাৰণ নাৰী ৰূপে অতি কম পৰিসৰতে ঔপন্যাসিকে তৰুলতাৰ চৰিত্ৰটি অংকন কৰিছে।

উপন্যাসখনৰ আন এগৰাকী সক্ৰিয় নাৰী চৰিত্ৰ হৈছে ভণিতা। বাসন্তীৰ শাহুৱেকৰ চৰিত্ৰত অংকন কৰা এই চৰিত্ৰটিয়ে উপন্যাসৰ কাহিনীত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। চৰিত্ৰটিৰ ভূমিকা বহু বেছি নহ'লেও যিখিনি সময়ৰ বাবে ঔপন্যাসিকে ভণিতাক অংকন কৰিছে সেইখিনি সময়ৰ ভিতৰতে ভণিতা নিজস্ব বৈশিষ্ট্যৰে উজলি উঠিছে।

ভণিতা চৰিত্ৰটো ঔপন্যাসিকে এগৰাকী মমতাময়ী শাহুৰ ৰূপত অংকন কৰিছে। শাহু বুলি ক'লৈই সাধাৰণতে নৱ বধুসকলে যি ভয় আৰু আশংকাত ত্ৰস্তমান হৈ থাকিবলগীয়া হয়, তেনে চিত্ৰৰ তিলমানো লেখ ভণিতাৰ চৰিত্ৰত দেখিবলৈ পোৱা নাযায়। নিজৰ একমাত্ৰ পুত্ৰৰ অকাল মৃত্যুৰ পাছতো ভণিতাই বাসন্তীক নিজৰ জীয়াৰীৰ দৰেই আৱৰি সামৰি ৰাখিছে। বাসন্তীক সকলো সময়তে মাতৃৰ আঁচলৰ মমতাৰে আৱৰি ৰাখিব খোজা ভনিতা দৰাচলতে আমাৰ সমাজৰ বাবে আদৰ্শস্বৰূপ। বাসন্তীৰ জীৱনৰ অপৰ্যাপ্ত দুখৰ প্ৰতি ক্ষণতে ভণিতাই সাহসেৰে সমস্যাৰ সৈতে মুখামুখি হোৱাৰ প্ৰেৰণা যোগাইছে। নিজ পুত্ৰৰ অকাল বিয়োগৰ সময়তো বিচলিত নহৈ সকলো দুৰ্যোগক প্ৰত্যাহ্বান জনাব পৰা সাহস আৰু শক্তি ভণিতাই আয়ত্ত কৰি লৈছিল। স্বামীৰ সৈতেও ভণিতাৰ আছিল এক মধুৰ বুজাবুজিৰ সম্পৰ্ক।

এক কথাত ক'বলৈ গ'লে এগৰাকী সাহসী, ধৈৰ্যশীলা, সহনশীলা, মমতাময়ী. শক্তিমন্তা আদৰ্শাত্মক নাৰীৰ ৰূপত উপন্যাসখনত ভণিতা বিধৃত হৈছে।

উপন্যাসখনত বাসন্তীৰ ননদৰ ভূমিকাত অৱতীৰ্ণ হোৱা পাৰুল আৰু পুতুলীৰ চৰিত্ৰই কাহিনীৰ বিকাশত বৰ বিশেষ ভূমিকা গ্ৰহণ নকৰিলেও দুয়োজনীয়ে মৰমিয়াল, সহজ সৰল আৰু দায়িত্বশীলা সংস্কাৰী ছোৱালী ৰূপে কাহিনীৰ মাজত স্থান পাইছে।

*গঙা চিলনীৰ পাখি* উপন্যাসৰ আন কেইটামান চিনাকী নাৰী চৰিত্ৰ হৈছে ৰূপুক বুঢ়ী, কপিলী বাই মনবৰী, কাচনমতী ইত্যাদি। প্ৰতিটো চৰিত্ৰই ক্ষন্তেকৰ বাবে স্থান পালেও নিজ নিজ বৈশিষ্ট্যৰে সমুজ্জল।

ৰূপক বুঢ়ীয়ে ঘৰে ঘৰে পাটৰ, মুগাৰ কাপোৰ বিক্ৰী কৰি জীৱিকাৰ বাট মোকলায়। নাৰেৰে তাই ইপাৰ-সিপাৰ কৰি ঘূৰি ফুৰে। কিন্তু উপন্যাসখনত ৰূপুক বুঢ়ীয়ে ধনঞ্জয় আৰু বাসন্তীৰ মাজৰ যোগসূত্ৰ স্থাপনকাৰী ৰূপেও পৰিচিত হৈছে। ধনঞ্জয়ৰ বাবে বাসন্তীক প্ৰৰোচিত কৰিবলৈ ৰূপুক বুঢ়ী উঠি পৰি লাগিছে—

> ভালকৈ বুজি ল বাসন্তী, পীৰিতিয়ে নিয়ম নেমানে আৰু পিৰীতিৰে হিয়া জুৰাবলৈকো নিয়ম নোহোৱা কাম কৰিব লাগে।[৬৫]

ব্যৱসায় কৰি ফুৰাৰ ছেগতে ৰূপুক বুঢ়ীয়ে চুবুৰিৰ প্ৰতিঘৰ মানুহৰ তলা-নলা লৈ ফুৰাটো তাইৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ অন্তৰ্গত।

কোনো ধৰণৰ সুস্থ জীৱনবোধ নথকা এনেবোৰ চৰিত্ৰ আমাৰ গ্ৰাম্য সমাজত সাধাৰণতে সুলভ। বাস্তৱ জীৱনৰ পৰা বুটলি লৈয়েই লক্ষ্মীনন্দন বৰাই এনে চৰিত্ৰ উপন্যাসত অংকন কৰিছে।

গ্ৰাম্য সমাজত সাধাৰণতে জীৱনৰ বিভিন্ন অভিজ্ঞতাৰে পুষ্ট বিশেষ শ্ৰেণীৰ নাৰীয়ে ধাইৰ ভূমিকা পালন কৰি ৰোগীক শুশ্ৰূষা কৰে। কপিলী বাই তেনে এক চৰিত্ৰ। প্ৰসূতি বিদ্যাত অভ্যস্ত কপিলী বাইয়ে গাঁওখনৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰসৱ যন্ত্ৰণাত ছটফটাই থকা ৰোগীক বিবিধ ধৰণে যন্ত্ৰণা লাঘৱ কৰি সন্তান প্ৰসৱ কৰাৰ ক্ষেত্ৰত সহায় কৰে। *গঙা চিলনীৰ পাখি* উপন্যাসতো কপিলী বাইয়ে বাসন্তীৰ সন্তান প্ৰসৱৰ সময়ত গ্ৰাম্য চিকিৎসা পদ্ধতিৰে উপযুক্ত

পৰিচৰ্যা কৰিছে।

উপন্যাসখনৰ শেষৰ ফালে চিত্ৰিত অতিকে সাধাৰণ অথচ বিশেষ বৈশিষ্টৰে পৰিপূৰ্ণ আন এটি নাৰী চৰিত্ৰ হৈছে মনবৰী। অতিকে দৰিদ্ৰ পৰিয়ালৰ তিৰোতা মনবৰীয়ে লোকৰ ঘৰে ঘৰে কাম বন কৰি পেট প্ৰৱৰ্তায়। এই সুত্ৰেই বাসন্তীহঁতৰ পৰিয়ালৰ সৈতে মনবৰীৰ আহ-যাহ। দৰিদ্ৰ হ'লেও বাসন্তীৰ পৰিয়ালৰ পৰা মনবৰীয়ে যথেষ্ট আদৰ্ব-সাদৰ লাভ কৰে। মনবৰীৰ সংস্পৰ্শই বাসন্তীৰ উৰুঙা মনৰ শূণ্যতা কিছু পৰিমাণে হ'লেও দূৰ কৰিবলৈ সক্ষম হয়।

গাঁওখনৰ প্ৰায় সকলোৰে খবৰ মনবৰীৰ নখদৰ্পনত। সুযোগ সুবিধা বুজি মনবৰীয়ে বাসন্তীৰ আগত সেইবোৰ প্ৰকাশ কৰে। পৰচৰ্চাৰে নিজৰ মন-মগজু জীপাল কৰি সুখী অনুভৱ কৰে মনবৰীৰ দৰে তিৰোতাবোৰে। কাম বনত যিদৰে মনবৰী পাৰ্গত ঠিক সেইদৰে আনৰ প্ৰতি হৃদয়ত এক সমবেদনাৰ ভাব মনবৰীয়ে অনবৰতে কঢ়িয়াই ফুৰে। এগৰাকী সাধাৰণ নাৰী হৈও সামাজিক প্ৰাচীন ৰীতি-নীতিৰ আদৰ্শক আওকান কৰি মনবৰীয়ে বাসন্তীৰ অতৃপ্ত হৃদয়ৰ বিননি সহ্য কৰিব নোৱাৰি ধনঞ্জয়ৰ ওচৰলৈ গৈছে। মনবৰী বাসন্তীৰ ওচৰত অহাৰে পৰা তাইৰ দুৰ্ভগীয়া জীৱনত ছাঁৰ দৰে সংগ দি আহিছে। বাসন্তীৰ হতাশাগ্ৰস্ততাই মনবৰীকো ভাবিবলৈ বাধ্য কৰায়। মুকলিমুৰীয়া জীৱনৰ মাজতে গতিশীলতা বিচাৰি থকা মনবৰী চৰিত্ৰটি ঔপন্যাসিকে এইদৰে পৰিৱেশৰ সতে খাপ খুৱাই অংকন কৰিছে।

**৩.৩ পাতাল ভৈৰৱী উপন্যাসৰ চৰিত্ৰ ঃ**

লক্ষ্মীনন্দন বৰাৰ *পাতাল ভৈৰৱী* এক ব্যতিক্ৰমী উপন্যাস। বিবিধ ঘটনা-পৰিঘটনাৰে নিৰ্মিত *পাতাল ভৈৰৱী* উপন্যাসত মানৱীয়-অমানৱীয়, সংবেদনশীল-অসংবেদনশীল, উচ্চাকাংক্ষী, কৌশলী, নিষ্ঠাবান আদি বিবিধ গুণেৰে সমৃদ্ধ অলেখ চৰিত্ৰৰ সমাহাৰ ঘটিছে। প্ৰতিটো চৰিত্ৰকে ঔপন্যাসিকে অত্যন্ত সূক্ষ্ম অনুভূতিপ্ৰৱণতাৰে কাহিনীৰ সৈতে সংস্পৃক্ত কৰি বৰ্ণনা কৰিছে। কাহিনীৰ সৈতে অতিশয় গুৰুত্বপূৰ্ণ বুলি ধাৰণা হোৱা চৰিত্ৰবোৰ বিকশি উঠিছে আৰু অন্যান্যবোৰে কাহিনীৰ গতিধাৰাত নিজৰ স্থান অক্ষুণ্ণ ৰাখিবলৈ যথাসম্ভৱ চেষ্টা

কৰাৰ ফলত দুই এক চৰিত্ৰ সম্পূৰ্ণ বিকশিত হ'ব পৰা নাই। উপন্যাসখনৰ বিষয়বস্তুৰ সতে সংগতি ৰাখি বৰ্ণিত চৰিত্ৰসমূহ বিচিত্ৰ। তেওঁলোকৰ জীৱন প্ৰবাহো বিচিত্ৰ। এনে বিচিত্ৰ চৰিত্ৰৰ মনস্তাত্ত্বিক দিশৰ সংবদেনশীল বৰ্ণনাৰে *পাতাল ভৈৰৱী* উপন্যাসৰ কাহিনী গ্ৰথিত হৈছে।

**৩.৩.১ পাতাল ভৈৰৱী উপন্যাসৰ পুৰুষ চৰিত্ৰ ঃ**

*পাতাল ভৈৰৱী* উপন্যাসৰ অন্যতম মুখ্য চৰিত্ৰ হ'ল মুকুন্দ। মুকুন্দৰ শিক্ষাগত অৰ্হতাৰ দোহাই দি নৰ্থ ইষ্ট স্পৰ্টছ ক্লাবৰ চাকৰিৰ পৰা পদত্যাগ কৰিবলৈ বাধ্য কৰোৱা হৈছিল। ইয়াৰ পিছত মুকুন্দই  বছিৰ আৰু দেউতাৰ জৰিয়তে ক'লা জগতৰ কানিং, ভাং, ড্ৰাগছৰ জগতত প্ৰৱেশ কৰে। মুকুন্দই জীৱিকা আৰু জীয়াই থকাৰ তাড়নাত সংসাৰৰ পোহপাল দিবলৈ সি দেউতাহঁতৰ লগত মিলি কাম কৰিছিল। লাহে লাহে ক'লা জগতখনৰ বিষয়ে সি সকলো জানিলে, বুজিলে, শিকি ল'লে। ক'লা জগতত প্ৰৱেশ কৰিলেও মুকুন্দৰ মনৰ মাজৰ সঁচা মানুহজনৰ মৃত্যু হোৱা নাছিল। দেউতা আৰু বছিৰৰ জৰিয়তে সি ক'লা সাম্ৰাজ্যখনৰ অন্যতম সম্ৰাট ঈৰ্শ্বাদ খাৰ স'তে সম্পৰ্ক গঢ়ি উঠে।

মুকুন্দই  যদিও এই ক'লা সাম্ৰাজ্যখনত সি নিবিচৰাকৈ ভৰি দিলে তথাপি কিন্তু সি সদায়ে এক অন্তঃসংঘাতত ভুগিছিল। ঈৰ্শ্বাদৰ অতি প্ৰিয়ভাজন হৈ পৰা মুকুন্দৰ ক'লা জগতত এনে প্ৰসাৰ আৰু কৰ্তৃত্ব খাটিলগৈ যে, এসময়ত ঈৰ্শ্বাদৰ সিয়ে আটাইতকৈ বিশ্বস্ত ব্যক্তিৰূপে চিহ্নিত হ'ল। পঢ়া-শুনা কম হ'লেও বুদ্ধিমত্তা, সাহস আৰু পৰিস্থিতিক সহজে আয়ত্ত কৰি তাৰ সমাধান দিব পৰা গুণে মুকুন্দৰ চৰিত্ৰক ঈৰ্শ্বাদৰ অতি বিশ্বাসভাজন কৰে। মুকুন্দ যিবোৰ অঞ্চলৰপৰা আহিছে অৰ্থাৎ কান্ধুলিজান, কহুৱা মুখ, দীঘলআটি, কাৰৈমাৰী, দলৈচুৱা, জলমৈ আদি ঠাইৰ অনুন্নত বাট-পথ আৰু শিক্ষাহীন ৰূপে বহুসময়ত তাক কষ্ট দিয়ে।

মুকুন্দৰ পিতৃ পৰিচয় জনা নাযায় যদিও যশোৱা নামৰ এগৰাকী সৎ চৰিত্ৰবান যুৱতীৰ স'তে মুকুন্দৰ বিবাহ হয়। মুকুন্দৰ পিতৃ পৰিচয়ক লৈ যশোৱাই কেতিয়াও মুকুন্দক দোষাৰোপ কৰা নাই।

মুকুন্দই লাহে লাহে ডিব্ৰুগড়ৰপৰা ডিগবৈ আৰু উত্তৰ পাৰৰ লখিমপুৰলৈকে এই বিস্তীৰ্ণ এলেকাত গঢ়ি উঠা চোৰাং ভাং, কানি, ড্ৰাগছৰ জগতখনৰ বিষয়ে সকলো কথাই শিকি ল'লে।

তাৰ ধাৰণাও দৃঢ় হ'ল। ঈৰ্শ্বাদৰ ছত্ৰছাঁয়াত মুকুন্দৰ ইমান প্ৰতিপত্তি বাঢ়িল যে, মুখ্যমন্ত্ৰী, মন্ত্ৰী, উপায়ুক্ত, আৰক্ষী অধীক্ষক, ডাঙৰ ব্যৱসায়ী অন্যান্য বিষয়াসকলেও মুকুন্দক এতিয়া সমীহ কৰে চালাম টুকে। হৃদৰোগত আক্ৰান্ত হৈ ঈৰ্শ্বাদৰ মৃত্যুহোৱাত মুকুন্দই যেন ক'লা সাম্ৰাজ্যৰ মালিক হৈ পৰিচালিত কৰিব ল'লে। ইৰ্শ্বাদৰ মৌচম মঞ্জিলতো তাৰ কৰ্তৃত্বহে যেন চলিব ল'লে।

মুকুন্দৰ অন্তৰত আধ্যাত্মিক ভাবধাৰাৰ ভক্তি প্ৰেমৰ ৰস বিৰাজ কৰি আছিল। ঈৰ্শ্বাদৰ মৃত্যুত সেয়ে তাৰ মুখেৰে নিসৃত হৈছিল—

ৰাম নাম বিনে মৃত্যু এৰাইবাৰ
আৰৰ উপায় নাই
মৃত্যু তৰিবাৰ ইচ্ছা আছে যাৰ
ফুৰা ৰাম নাম গাই।[৬৬]

ঈৰ্শ্বাদে মুকুন্দক পাকিস্তান সীমান্তৰ ৰাজস্থানৰ ভালেমান ঠাইলৈ ক'লা বেপাৰৰ কামৰ সংক্ৰান্ততে পঠাইছিল। আনকি উত্তৰ প্ৰদেশ, বিহাৰ, কলকতা আদি ঠাইৰ অনেক শেঠ আদিক লগ পাই সিহঁতৰ প্ৰিয়ভাজন হৈছিল। ইয়াৰ মূলতে আছিল মুকুন্দৰ ব্যক্তিত্ব, স্বাস্থ্য আৰু সুন্দৰকৈ হিন্দী ভাষাত কথা ক'ব পৰা দক্ষতা।

ক'লা সাম্ৰাজ্যৰ ক্ষেত্ৰত এতিয়া মুকুন্দৰ অনেক ধন, অনেক সম্পত্তি। মদৰ মহল, হোটেল, কাঠমিল ইত্যাদি। কিন্তু এই ধনৰ বল যেন মুকুন্দৰ বাবে এক বোজাহে হৈ পৰিছে। সি মনে-প্ৰাণে এই ক'লা জগতৰপৰা ওলাই আহিব বিচাৰে। সি ওলাই আহিলেও তাৰ প্ৰতিদ্বন্দ্বীয়ে হয়তো তাক হত্যা কৰিব। সেয়ে এনে চোৰাং কাৰবাৰৰ জগতখনৰ পৰা ওলাই অহাটো সহজ হৈ থকা নাছিল।

যশোৱাৰ দুৰাৰোগ্য কৰ্কটৰোগে মুকুন্দক বৰ বিমৰ্ষ কৰি তোলে। সি পাৰ্যমানে যশোৱাক সুস্থ কৰিবলৈ যৎপৰোনাস্তি চিকিৎসা কৰালে। ক'লা সাম্ৰাজ্যৰ প্ৰতি অহা বিৰাগ হেতু সি অন্য দিশলৈ তাৰ ব্যৱসায় নিয়াৰ চিন্তা কৰি এটা চিনেমা হ'ল নিৰ্মাণৰ কথা ভাবিলে। কাজেই বাহিৰৰ পৰা আৰ্কিক্টে ইঞ্জিনিয়াৰ আনি পোনতে নক্সা আঁকি যথাৰীতি অনুমতিৰে নিৰ্মাণ আৰম্ভ কৰি সমাপ্ত কৰিলে। হলটো যশোৱাৰ নামত নামাকৰণ কৰাৰ সিদ্ধান্ত ল'লে। কাৰণ যশোৱাই মুকুন্দৰ

জীৱনৰ গতি-প্ৰগতি, বিশ্বাস আৰু আস্থাৰ প্ৰতীকৰূপে চিহ্নিত হৈ আছে। কিন্তু যশোৱাক মুকলি কৰাৰ পূৰ্বেই অৰ্থাৎ এদিনৰ আগত যশোৱাৰ মৃত্যু হয়।

যশোৱাৰ মৃত্যুৰ পিছত মুকুন্দই কান্ধুলিজানত মনোনিবেশ কৰিলে। ইয়াৰ বাবে স্বামী ধীৰেন ৰংপি (নিজে কাৰবি মানুহ) বুদ্ধিজীৱীজনৰ নানান পৰামৰ্শ মুকুন্দই গ্ৰহণ কৰে। এই সন্দৰ্ভত মুকুন্দই স্বামীজীলৈ লিখা এক পত্ৰত বিশ্বাস-অবিশ্বাসৰ মাজত সত্য আৰু অহিংসাৰ বাবে আৰু ৰাইজৰ হৈ কাম কৰাৰ বিষয়ে লিখিছে এনেদৰে—

> মই নিজে নিজৰ লগত সন্ধি কৰি শান্তি পাবলৈ বিচাৰিছো। কান্ধুলিজানৰ মানুহখিনিয়ে মোৰ শান্তিৰ হেতু হৈ পৰিছে। মানুহবোৰ দুখীয়া হ'ব পাৰে কিন্তু সিহঁতৰ অন্তৰবোৰ ডাঙৰ। মই সপ্তাহৰ পাঁচ দিন কান্ধুলিজানত থাকো। সোমবাৰে আৰু মঙলবাৰে চহৰৰ কাৰবাৰকেইটাৰ তদাৰক কৰো। মোৰ উপাৰ্জনৰ প্ৰতি নিৰ্বিকাৰ ভাব এটা হৈছে। এই বয়সত সেয়ে হোৱা ভাল।[৬৭]

গাঁৱৰ ৰাইজৰ মাজত যে প্ৰকৃত মানৱতা আৰু জীৱনবোধ আছে সেয়া মুকুন্দই ক'লা সাম্ৰাজ্যখনৰ গৰ্ভত পোৱা বিৰল তিক্ততা আৰু হত্যা-শোষণ, দুৰ্নীতিৰ অভিজ্ঞতাত উপলব্ধি কৰিছে। সেয়ে কান্ধুলিজানৰ মাজলৈ গৈছে তাৰো স্বীকাৰোক্তি স্বামীজীলৈ লিখা চিঠিত কৈছে এনেদৰে—

> মই বেলেগ ধৰণে আগৰ মুকুন্দ হৈ পৰিলো নেকি? কৰ্মত সন্তোষ লাভ কৰি শান্তি পাবলৈ জানলৈ আহিছো। কি কৰ্ম, কি অকৰ্ম মই জানো। কিন্তু মই এই আসুৰিক কাম কৰি সুফল আদায় কৰাটো কেনে কথা হ'ল? তাকে নকৰি হৃদয়ৰ পৰিৱৰ্তন ঘটাই বিষয়াসকলক কাম কৰিবলৈ অনুৰোধ কৰাহেঁতেন সিহঁতে জাপ মাৰি মোৰ কান্ধৰ ওপৰত উঠি নাচিলহেঁতেন। সেয়া বিনোৱাৰ কামহে। আশা কৰো আপুনি মোৰ এই কুকৰ্ম, অপকৰ্মৰ বিষয়ে এটা মতামত দিব।[৬৮]

কান্ধুলিমুখত মুকুন্দ নতুন সূৰ্য। তাৰ নিৰ্দেশতে কান্ধুলিজান অঞ্চলত ৰাজনীতি চলে। সেয়ে ৰাজনৈতিক দলবোৰে ভয় খালে। **১৯৭৮** চনৰ জানুৱাৰী মাহৰ অসম বিধান সভাৰ নিৰ্বাচনত সেয়ে দুয়োটা প্ৰধান ৰাজনৈতিক দলে মুকুন্দক নিৰ্বাচনৰ প্ৰাৰ্থী কৰিব বিচাৰে। কিন্তু মুকুন্দই সেয়া

প্ৰত্যাখ্যান কৰে। কিন্তু কান্ধুলিজানৰ হাজাৰ হাজাৰ মানুহৰ উন্মাদনা, উৎসাহ, আশা, প্ৰত্যয়, প্ৰত্যাশা আৰু স্বামীজীৰ একান্ত আগ্ৰহত মুকুন্দ নিৰ্বাচনৰ প্ৰাৰ্থী হয়।

নিৰ্বাচনত মুকুন্দৰ সমৰ্থকসকলে নিৰ্বাচনৰ অন্য এজন প্ৰাৰ্থী ভেবুৰামক গাঁৱত সোমাবলৈ নিদিয়াৰ কথা কোৱাত মুকুন্দই কৈছিল—সিহঁত বলিয়া কুকুৰৰ নিচিনা ঘূৰি ফুৰক। আমাৰ একো হানি নহয়। অথচ আমি বাধা দিলে সেয়ে আকৌ পিছত নিৰ্বাচনী গোচৰ হ'ব।[৬৯]

নিৰ্বাচনৰ কালত দশানন যাদৱে মুকুন্দক এম.এল.এ হোৱাৰপৰা বঞ্চিত কৰিবলৈ গুণ্ডাৰ জৰিয়তে গুলীৰে ভেবুৰামক হত্যা কৰি সমস্ত দায় মুকুন্দৰ ওপৰত জাপি দিয়ে। মুকুন্দক গ্ৰেপ্তাৰ কৰা হয়। মুকুন্দৰ ঘৰৰ চৌহদৰপৰা এটা দুনলীয়া বন্দুক উদ্ধাৰ কৰা হ'ল। মুকুন্দৰ মুক্তিৰ বাবে মুহূৰ্ততে চহৰখনত হাজাৰ হাজাৰ মানুহে সমদল কৰিলে। বিনাচৰ্তে মুকুন্দৰ মুক্তি বিচাৰি হাহাকাৰ কৰিলে। মানুহৰ ভীষণ উৎসাহ, ভক্তি আৰু তাৰ প্ৰতি থকা আস্থা দেখি মুকুন্দৰ দুগালেৰে পানীৰ লোতক বৈ আহিল। কান্ধুলিজানৰ জনসমুদ্ৰৰ মাজত মুকুন্দই অৱশেষত প্ৰত্যক্ষ কৰিলে গণদেৱতাৰ শক্তি।[০০]

মুকুন্দৰ চৰিত্ৰটো প্ৰথমৰপৰাই *পাতাল ভৈৰৱী*ত অতি প্ৰধান চৰিত্ৰৰূপে চিহ্নিত হৈছে।পাতাল ভৈৰৱী মুকুন্দ খাউণ্ডৰ বৈষয়িক আৰোহণৰ কাহিনী।[০০] কেতিয়াবা এজন খঙাল হত্যাকাৰী, সমাজৰ পংকিল ব্যৱস্থাৰ যেন অন্যতম নায়ক, চোৰাং কাৰবাৰৰ সম্ৰাট। এইজন মুকুন্দই আকৌ মানৱতাৰ অনন্য নায়ক হৈ কান্ধুলিজান অঞ্চলত হোৱা বানপানীৰ দুৰ্দশাত জনতাক কৰা সহায় গুৰুত্ব সহকাৰে মন কৰিবলগীয়া। বাটপথ নিৰ্মাণ, দলং, স্কুল প্ৰতিষ্ঠা আৰু কৃষিকৰ্মৰ উন্নয়নে মুকুন্দক এজন প্ৰকৃত মানৱলৈ ৰূপান্তৰ কৰিছে। স্বামীজী ৰংপীলৈ লিখা চিঠিত মুকুন্দৰ জীৱন পৰিৱৰ্তন ৰূপান্তৰ স্পষ্ট হৈ উঠিছে। তথাপি সমালোচকৰ ভাষাত—

> উপন্যাসৰ নায়ক মুকুন্দৰ উত্তৰণ কিছু পৰিমাণে অপ্ৰত্যাশিত। মানৱীয় অৰ্ন্তদ্বন্দৰ দ্বাৰা চৰিত্ৰক সমুজ্জল কৰি তোলাৰ প্ৰতি সচেষ্ট হ'লেও সেইবোৰ বিশ্বাসযোগ্য হোৱা নাই।[০০]

ডিব্ৰুগড়, ডিগবৈ আৰু উত্তৰ পাৰৰ লখিমপুৰ হৈ ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগত ক'লা চোৰাং জগতক সংযোগ কৰি প্ৰচুৰ ধন বিটৰ মালিক হোৱা ঈৰ্শ্বাদ খাঁ *পাতাল ভৈৰৱী* উপন্যাসৰ অন্যতম

চৰিত্ৰৰ ভিতৰত লেখত ল'বলগীয়া। ব্ৰহ্মপুত্ৰৰ পাৰৰ মানুহৰ মাজত চোৰাং কাৰবাৰ, ভাং, গাঞ্জা, ড্ৰাগছ, চোৰাং চিকাৰ, অৰণ্য ধ্বংসৰ দ্বাৰা বৃহৎ ক'লা বজাৰৰ পতিনেৰে অঘোষিত আন্ধাৰৰ সম্ৰাট ঈৰ্শ্বাদ খাঁ।

ঈৰ্শ্বাদে ক'লা বজাৰখনৰ গৰাকী হ'বলৈ পোনতে দেউতা আৰু বছিৰক লৈছিল আৰু সিহঁতে মুকুন্দক ঈৰ্শ্বাদৰ কাষত নি থিয় কৰাইছিল। ঈৰ্শ্বাদে মুকুন্দৰ জৰিয়তে ক'লা জগতৰ কাৰবাৰ দ্ৰুতগতিত চলাই নিছিল। ঈৰ্শ্বাদৰ ব্যৱসায়ীৰ বাটত যিয়ে প্ৰতিদ্বন্দ্বী হৈ সমুখলৈ আহিছে তাকেই একৰ পৰা দহ নম্বৰ (হত্যাকাৰী, ভেৰোণীয়া গুণ্ডা)ৰ দ্বাৰা হত্যা কৰি নিজৰ পথ নিষ্কণ্টক কৰি লৈছে। মানুহক হত্যা কৰিবলৈ ইৰ্শ্বাদৰ যেন বুকুত অকণো ভয় বা সংশয় নাই. প্ৰতিটো হত্যাৰ পিছত যেন একো ঘটনাই ঘটা নাই, তেনেই নিস্পৃহ সাধাৰণ ঘটনাৰ দৰে সি মদ আৰু দেহোপজীৱিনীৰ সংগ লৈছিল।

মৌচম মঞ্জিল ঈৰ্শ্বাদৰ ক'লা সাম্ৰাজ্যৰ অন্যতম নৰক ক্ষেত্ৰ। তাৰপৰাই সমগ্ৰ ভাৰত বিশেষকৈ ৰাজস্থানৰ ভালেমান অঞ্চল, উত্তৰ প্ৰদেশ, দিল্লী, বিহাৰ আনকি কলিকতাৰ গৰ্ভত বিভিন্ন এজেন্সি, মুকুন্দৰ দ্বাৰা তাৰ কানিৰ, ভাঙৰ সাম্ৰাজ্যই ভৰি মেলিছিল।

যেতিয়া ঈৰ্শ্বাদে উপলব্ধি কৰিলে যে একালৰ আব্দুলাৰ আজ্ঞাবহ গোলাম আলি তেওঁৰ প্ৰতিদ্বন্দ্বী হৈ এই ক'লা  জগতখন হস্তগত কৰিব খুজিছে তেতিয়াই ক'লা জগতত আৰম্ভ হ'ল সংঘাত। হত্যা আৰু প্ৰতিহিংসা। ঈৰ্শ্বাদে নিজৰ সাম্ৰাজ্য সঠিক গতিত চলাবলৈ ৰাজনীতিৰ গৰ্ভত হাত উজান দিলে। মুখ্যমন্ত্ৰী, মন্ত্ৰী, আৰক্ষী অধীক্ষক, ডাঙৰ ডাঙৰ বিষয়া, আবকাৰী বিভাগৰ মন্ত্ৰী-বিষয়াক ঈৰ্শ্বাদে হাত কৰি সিহঁতক বুজন পৰিমাণৰ ক'লা টকাৰে সন্তুষ্ট কৰি নিজৰ কাম-কাজৰ জগতখনক গতিৰূপ দিছিল। এনে কৰাত ঈৰ্শ্বাদৰ জীৱন আৰু তেওঁৰ ব্যৱসায়ীসকল ইমান শক্তিশালী হৈ পৰিল যে আনকি চৰকাৰ ভঙা-পতা, মুখ্যমন্ত্ৰী সলনি কৰা, বিভিন্ন মন্ত্ৰীৰ দপ্তৰ কৰ্তন কৰা, নতুন মানুহক মন্ত্ৰীত্ব দিয়া সকলো কাম বিনাদ্বিধাই ধনৰ বলত কৰিব পৰা হ'ল। ঈৰ্শ্বাদৰ হাতৰ মুঠিত ৰাজনীতিৰ বিষয়াসকল বন্দী হৈ পৰিল।

ধনৰ গোপন লেনদেন, ব্যৱসায়ীক হত্যা যেন তেনেই সৰু ঘটনাত পৰিণত হ'ল। ইয়াৰ প্ৰমাণ কলিকতাৰ গাৰ্ডেন ৰিচ'ৰ এক দেহোপজীৱিনীৰ ঘৰত আব্দুলাক গুলীয়াই মাৰি এক কুখ্যাত

গলিত পেলোৱা। এইবোৰত পেছাদাৰী খুনিক ব্যৱহাৰ কৰা দিশটো গুৰুত্ব সহকাৰে মন কৰিবলগীয়া। ভিতৰুৱা কন্দল, প্ৰতিশোধ আৰু হত্যাৰ ফলত আব্দুলাৰ দলটো থানবান হৈ পৰাত ঈৰ্শ্বাদৰ দলৰ প্ৰভুত্বই বিশেষ ৰূপ পৰিগ্ৰহ কৰিলে।

ঈৰ্শ্বাদে যে হত্যা কৰিবলৈ পৰোৱাই নকৰে তাৰ প্ৰমাণ এনেধৰণৰ—

> "অলপ পৰৰ পিছত এটা কুৎসিত চেহেৰাৰ লেং পেং মানুহ ঈৰ্শ্বাদৰ ওচৰত থিয় হ'লহি। মুকুন্দই গুলীয়াই বন্দী কৰি অনা মানুহটোৰ নাম ধাম জানি লৈ ঈৰ্শ্বাদে ছয় নম্বৰ (হত্যাকাৰী ভেৰণীয়া গুণ্ডা)ক ক'লে—, সি থাকিব নালাগে। কামটো ৰেইডৰ আগতেই হ'ব লাগে।[৭০]

মৌচম মঞ্জিল ঈৰ্শ্বাদৰ এই গৃহটি কলা জগতৰ যেন নৰক সাম্ৰাজ্য। ইয়াৰ পৰাই মুকুন্দই কলা জগতৰ বেপাৰৰ ট্ৰিগাৰ চলায়। কাৰোবাক টকা-পইচাৰে উপচাই দিয়ে আৰু কাৰোবাক হত্যা। কি বিচিত্ৰ ঈৰ্শ্বাদৰ জীৱন। তিনিগৰাকী পত্নী, অনেক দেহোপজীৱিনী ঈৰ্শ্বাদৰ মন ভাললগোৱা যৌন-তৃপ্তিৰ আহিলা। এনে দেহোপজীৱিনী সি মন্ত্ৰী, ডাঙৰ ডাঙৰ বিষয়াকো শ্বিলঙৰ পাইনউড হোটেল বা কলিকতাৰ কোনো ৰিছট'ত যোগান ধৰি তাৰ ক'লা সাম্ৰাজ্যৰ গতিবেগ তীব্ৰ কৰে। শ্বিলং পাহাৰৰ প্লাইমাউথ, পাইনউড হোটেলক ঈৰ্শ্বাদে তাৰ ক'লা সাম্ৰাজ্য বিস্তাৰৰ অনেক মনোজ্ঞ ক্ষেত্ৰলৈ পৰিণত কৰে। ইয়াত লাখ লাখ টকাৰ বিনিময়ত মন্ত্ৰী দপ্তৰ সালসলনি, লাইচেন্স, অনুজ্ঞাপত্ৰ আদি কিনা-বেচা কৰে।

মুখ্যমন্ত্ৰীক আৰু অন্যান্য মন্ত্ৰীক হাত কৰি ৰাখিব পৰা মানেই ঈৰ্শ্বাদৰ সাম্ৰাজ্যৰ নিষ্কণ্টক যাত্ৰা অব্যাহত থকা। ইয়াৰ বাবে সি মুকুন্দক এনে পৰ্যায়লৈ নিলে যে, মুখ্যমন্ত্ৰীৰ গাড়ীতো মুকুন্দক মানুহে দেখা পালে। এয়া সকলো ঈৰ্শ্বাদৰ অন্যতম কৃতিত্ব।

ঈৰ্শ্বাদে মুকুন্দক কলিকতাত পঞ্চতাৰকা হোটেলত থকাৰপৰা কলিকতাৰ প্ৰাইভেট মাল পৰিবহন প্ৰতিষ্ঠান আদিৰ লগতে ভালেমান শেঠৰ স'তে মুকুন্দক পৰিচয় কৰাই ঈৰ্শ্বাদৰ বজাৰখনৰ বাট বহল কৰি লৈছিল। ৰাজনীতিৰ গণিত জটিল হ'লেই ঈৰ্শ্বাদৰ মূৰৰ কামোৰণি উঠে। কিয়নো তাৰ ক'লা জগত টিকি আছে এই ৰাজনীতিৰ গৰ্ভতে। ঈৰ্শ্বাদৰ যেতিয়াই সন্দেহ হয় কাৰোবাৰ ওপৰত তেতিয়াই কোনোবা নম্বৰক কৈ তেনে মানুহক খতম কৰে আৰু কয় তাক

কাছই খাব লাগে।[৭১] ক'লা বজাৰৰ গৰ্ভতে বিশাল সম্পত্তিৰ গৰাকী হয় ঈৰ্শ্বাদ। হোটেল, মদৰ মহল, বালি, শিলৰ মহল, তেলকল, কাঠমলৰ মালিক হৈ উঠে।

অত্যধিক মদ্যপান, নাৰী আৰু চিন্তাত ঈৰ্শ্বাদৰ হৃদযন্ত্ৰৰ ক্ৰিয়াত আঘাত লাগে। এদিন হঠাৎ ঈৰ্শ্বাদৰ মৃত্যু হয়। ঈৰ্শ্বাদৰ মৃত্যুৱে যেন বহু কথাই কৈ গ'ল। ঈৰ্শ্বাদৰ জানাজাত বহুত মানুহ গোট খালে। ইৰ্শ্বাদে প্ৰায় ৪০টা পৰিয়াল—যিবোৰ মাছুৰৈ, নাপিত, কৃষক, পিছপৰা শ্ৰেণীৰ মানুহক কৰা সহায় গুৰুত্বপূৰ্ণ। সিহঁতৰ পৰা কোনো সুযোগ বা সুবিধা সি লোৱা নাছিল। ইয়ে ইৰ্শ্বাদৰ জীৱনৰ অন্য এক দিশক প্ৰতিফলিত কৰে।

*পাতাল ভৈৰৱী* উপন্যাসত ঈৰ্শ্বাদৰ জৰিয়তে বৃহৎ অন্ধকাৰ জগতখনৰ কাম-কাজবোৰ ঔপন্যাসিকে দেখুৱাইছে। মন কৰিবলগীয়া যে, ঈৰ্শ্বাদ এজন গুণ্ডা, হত্যাকাৰী, ক'লা বজাৰৰ নায়ক হোৱা সত্ত্বেও তেওঁৰ তিনিজন পুত্ৰক পঢ়াই শুনাই মানুহ কৰাৰ দূৰন্ত কাম কৰিছিল। যিয়ে তাৰ জ্ঞানৰ প্ৰতি থকা দিশটোৰ সন্মানসূচক ৰূপটোক প্ৰকট কৰি তুলিছে।

ঈৰ্শ্বাদে ক'লাজগতখনক ব্যৱসায়ৰূপে লোৱা বিধিটো অন্যতম কলাৰূপে সাৰটি লৈছিল। তাৰ নেটৱৰ্ক, জনসংযোগ মানে— বেপাৰী, শেঠ, মন্ত্ৰী, বিষয়া আদিৰ স'তে যি ধৰণৰ গতিবন্ধন সেয়া মননশীল। ঈৰ্শ্বাদ সম্বন্ধে ঔপন্যাসিকৰ মন্তব্যও মন কৰিবলগীয়া।

> ঈৰ্শ্বাদৰ হাতত দামী ঘড়ী আৰু চিগাৰেটৰ টিন। তাৰ খোজ-কাল সংযত। গাম্ভীৰ্য আভিজাত্যনিহিত। সি সুপুৰুষ। দেহৰ ক'তো অবাঞ্ছিত মেদ নাই। উচ্চতা ছয় ফুটৰ ওচৰা-উচৰি। ক'লা চুলিবোৰ চিত্ৰ তাৰকা দিলীপ কুমাৰৰ চুলিৰ দৰে সুন্দৰভাৱে খেলিমেলি হৈ নাচে। আঁতৰসিক্ত মিহি মোচ। মুখত ডাঢ়ি নাই। কেৰেচটোহে (জুলফি) কাণৰ তল পাইছেহি। মুখখন ধুনীয়া। তাক দেখিলে ষ্টেট খেলত স্থান পোৱা জাকত-জিলিকা ক্ৰিকেট খেলুৱৈ যেন লাগে। তাৰ বয়স অনুমান কৰা টান। পঞ্চাশো হ'ব পাৰে; পয়ছল্লিশো হ'ব পাৰে।[৭২]

ঈৰ্শ্বাদৰ বিশাল ধন আৰু কলাজগতৰ শক্তিত ত্ৰস্তমান মুখ্যমন্ত্ৰীয়েও তেওঁক সমীহ কৰি চলে।

ইফালে ঈৰ্শ্বাদৰ শৰীৰৰ অৱনতি ঘটাৰ কাৰণ আছিল অত্যধিক অসংযমী জীৱন। ঈৰ্শ্বাদৰ জীৱনত যেতিয়াই হতাশা আহে অত্যাধিক মদ্যপান কৰে। নগৰৰ উপকণ্ঠ অঞ্চলত পোহপাল

দি থকা তিৰোতাকেইজনীৰ জৰিয়তে মনটো বাসনাৰে পৰিপূৰ্ণ কৰি ৰাখিব খোজে। হৃদৰোগৰ গৰাকী হোৱা সত্ত্বেও ক'লা জগতখনত কৰা কাৰবাৰত সি প্ৰতিদ্বন্দ্বীসকলৰ লগত কেতিয়াও ক্ষমা বা আপোচ কৰা নাছিল। মুকুন্দই উপলব্ধি কৰিছিল যে— নিজে আদেশ দি দুটা মানুহক হত্যা কৰোৱাৰ পিছত খুচি মনেৰে শুব পৰাটো ঈৰ্শ্বাদৰ দৰে নৰপিশাচ এটাৰ বাবেহে সম্ভৱ।[৭৩] ঈৰ্শ্বাদৰ মৃত্যুৰ পিছতেই যেন এই ক'লা সাম্ৰাজ্যৰ অন্যতম গৰাকী হৈ পৰা মুকুন্দৰো নানা পৰিৱৰ্তন হ'ল। হয়তো এয়া এজন প্ৰকৃতগৰাকী ঈৰ্শ্বাদ নোহোৱাৰ বাবে।

*পাতাল ভৈৰৱী* উপন্যাসত দেউতা এক মন কৰিবলগীয়া চৰিত্ৰ। দেউতা আৰু বছিৰৰ জৰিয়তেই ব্ৰহ্মপুত্ৰ পাৰৰ মানুহৰ মাজত চলি থকা চোৰাং ভাং, কানি, ড্ৰাগছৰ কাৰবাৰৰ বিষয়ে জনা যায়।

তেনেই সাধাৰণ জীৱন-যাপন কৰা দেউতাৰ কোনো স্থায়ী ঘৰ নাছিল। উজনি অসমৰ ব্ৰহ্মপুত্ৰৰ পাৰত 'ছৈ' দিয়া দুখন নাৱে তেওঁৰ ঘৰ। সেই ঘৰতে বনৰীয়া জীৱ-জন্তুৰ চিকাৰ, মাছ আদিৰে পৰিতৃপ্ত খাদ্যৰ ভোগী দেউতাৰ জীৱনৰ নিৰহংকাৰী। সততা তেওঁৰ জীৱনৰ অন্যতম গুণ। ক'লা বজাৰৰ অনেক টকা অহা সত্ত্বেও সেইবোৰলৈ তেওঁৰ কোনো মোহ নাছিল।

দেউতাৰ জীৱন চৰ্যাত মানৱতাবাদী ৰূপটো বৰ প্ৰকট। মানুহক ভালপোৱা, সহায় কৰা পৰোপকাৰ গুণৰ বাবে দেউতাই *পাতাল ভৈৰৱীত* এক বিশেষ ৰূপ পৰিগ্ৰহ কৰিছে। তেওঁ বিনয়ী স্বভাৱত নিৰন্তৰ ভদ্ৰ ব্যৱহাৰ আৰু আধ্যাত্মিক শক্তি এটাই ক্ৰিয়া কৰি আছিল। সেয়া প্ৰকট হৈছিল— '*ঈৰ্শ্বাদৰ মৃত্যুত দেউতাই কৰা দুখ প্ৰকাশত যেনে—*

*"জীৱৰে ভৰসা নাই অ' আল্লা, জীৱৰে ভৰসা নাই" বা*

*"মোৰ মনত ভেদ-ভাব নাই অ' আল্লা মোৰ মনত ভেদ-ভাব নাই,*

*হিন্দু কি মুছলমান, একে আল্লাৰ ফৰমান।*[৭৪]

জিকিৰৰ প্ৰতি অগাধ জ্ঞান আৰু অভিজ্ঞতা দেউতাৰ অন্য এক গুণ।

পৰোপকাৰ আৰু মানৱতাবাদী গুণৰ অধিকাৰী হোৱাৰ বাবেই দেউতাই মুকুন্দ, বছিৰ, যশোৱা, ঈৰ্শ্বাদৰ জীৱনত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিছে। শিক্ষাগত ভূমিকা এটাৰ বাবে নৰ্থ ইষ্ট ক্লাবৰপৰা সুমন দত্তই মুকুন্দক চাকৰিৰপৰা খেদাৰ পিছত মুকুন্দ খাউণ্ড আৰু পৰিয়ালৰ প্ৰতি

যি বিপর্যয় নামি আহিল সেয়া উপন্যাস *পাতাল ভৈৰৱীত* তীৰ্যকভাৱে বৰ্ণিত। এনে অৱস্থাত দেউতাই বছিৰৰ স'তে মুকুন্দক ব্ৰহ্মপুত্ৰ পাৰৰ এই বসতিৰ ঠাইলৈ লৈ আহি পানীত নাও চলোৱা আৰু চিকাৰ কৰাৰ কায়দাৰে লাহে লাহে অপৰাধ জগতখনৰ লগত মুকুন্দক সংপৃক্ত কৰিছিল। এই সাম্ৰাজ্য যে ইমান ভয়ানক, জটিল, য'ত পদে পদে মৃত্যু আতংক বিদ্যমান সেয়া দেউতাই ক্ৰমশঃ ঈৰ্শ্বাদক মুকুন্দই লগ পোৱাৰ পিছত বুজাই দিয়ে বা মুকুন্দই নিজেই বুজি উঠে।

দেউতাহঁতেই যশোৱা, ৰঞ্জু আৰু চানুৰ বাবে কৰা উপকাৰ মুকুন্দৰ বাবে এক নজীৰ বিহীন ঘটনা। লোকক সহায় কৰা, নিঃস্বাৰ্থ সহায় দেউতাৰ চৰিত্ৰৰ অন্যতম গুণ। যশোৱাক দেউতাই দিয়া নিৰ্ভয়, নিৰাপত্তাত মুকুন্দক বৰকৈ উদ্বেলিত কৰিলে। ব্ৰহ্মপুত্ৰৰ ঘাটতে দেউতাই অনেক গুপ্ত কাম কৰিছে। কানি সৰবৰাহ, ভাং সৰবৰাহ ইত্যাদি ইত্যাদি। দেউতাৰো এই ক'লা জগতখনত বহুতৰ লগত সম্পৰ্ক। যশোৱাক নিৰ্ভয় দি দেউতাই সেয়ে কৈছে— খুচিত থাকিবি, বোৱাৰী। আমি থাকো মানে তহঁতৰ অসুবিধা নহ'ব।[৭৫] যশোৱাহঁত দেউতাৰ সান্নিধ্যলৈ নাহোতে দেউতাৰ চকুত চকুপানী দেখি বছিৰে সুধিলে— "তোৰ কি হৈছে, দেউতা?" চকুত থোৱা ৰুমালখনে দেউতাৰ চকুলোখিনি শুহি ল'লে। সি খুব লাহে লাহে ক'লে, "মোৰ জীৱন ভীষণ ছৰ্টকাৰ্ট হৈ গ'ল অ' বছিৰ। বেব্‌চাটোৰ দৰেই। জীৱনত নিকাহ-চিকাহ নহ'ল, ব্লেংক থাকি গ'লো। কিন্তু ছৰ্টকাৰ্টত এতিয়া বোৱাৰী পালো, নাতি পালো। সাংঘাতিক ছৰ্টকাৰ্ট, সাংঘাতিক তক্‌দীৰ।" [৭৬]

অৰ্থাৎ ঈৰ্শ্বাদৰ কাৰবাৰৰ বাবে দেউতাই বিয়াকে নকৰালে। অৰ্থাৎ যিটো কামত দেউতা আকৃষ্ট হৈ গ'ল নিবিড়ভাবে তাক তেওঁ নিজৰ জীৱনতকৈ ভাল পাই গ'ল। অথচ মানুহটোৰ কোনো লোভ নাই, মোহ নাই, নাই অহংকাৰ। জাতিভেদ প্ৰথাৰ প্ৰতিও তেওঁৰ কোনো ভেদ ভাব নাই। ধৰ্ম নিৰপেক্ষ চৰিত্ৰৰ গৰাকীৰ বাবেই মুকুন্দ আৰু যশোৱাহঁতৰ দৰে হিন্দু মানুহক মুছলমান মানুহজনে বুকুত স্থান দিব পাৰিছে।

এখন অপৰাধ জগতৰ দেউতা একান্ত বাসিন্দা। অথচ বুকুত প্ৰেম, ভালপোৱা, সৰ্ব ধৰ্মৰ প্ৰতি সন্মান, প্ৰখৰ জীৱনবোধৰ গৰাকী। দেউতাৰ জীৱনত আছে প্ৰচুৰ জ্ঞান, গভীৰ জিজ্ঞাসা আৰু অভিজ্ঞতা। দূৰদৃষ্টিসম্পন্ন দেউতাই পৰিস্থিতিক কৰা অধ্যয়নো বৰ মননশীল। অত্যন্ত

বিচক্ষণ বুদ্ধিমত্তাৰ অধিকাৰী দেউতাৰ চিন্তা-ভাবনাত থকা যুক্তিয়ে মুকুন্দ, বছিৰ, ঈৰ্শ্বাদ তাৰ পৰিয়াল, যশোৱাহঁতক বিস্মিত কৰি তোলে। দেউতাই ইচ্ছা কৰা হ'লে প্ৰৱঞ্চনাৰে অনেক ধন-বিট লৈ ধনী হ'ব পাৰিলহেঁতেন। বিশাল সম্পত্তিৰ অধিকাৰী হ'ব পাৰিলহেঁতেন। দশানন যাদৱ, ঈৰ্শ্বাদ, মন্ত্ৰী, চৰকাৰী বিষয়া আদিৰ দৰে বিলাসী জীৱন কটাব পাৰিলহেঁতেন। অৰ্থাৎ দেউতা সুবিধাবাদী নহয়। আদৰ্শগত জীৱনক তেওঁ পৰিপাটিকৈ পৰিচালিত কৰিছিল। সেয়ে ঈৰ্শ্বাদৰ এই সাম্ৰাজ্যক ব্ৰহ্মপুত্ৰৰ পাৰত বিভিন্ন ৰিটেইলাৰ, দোকানী, সৰু সৰু বেপাৰীৰ লগত চলাই নিওঁতে প্ৰচ্ছন্ন নেতৃত্ব দিব পৰা চৰিত্ৰ এটাও দেউতাৰ জীৱনৰ পৰিভাষাৰূপে ঔপন্যাসিকে চিহ্নিত কৰিছে।

দেউতাৰ কথা-বতৰাত যুক্তি, কৌতুক আৰু আনন্দৰ গভীৰ ৰেখাপাত বিদ্যমান। মুকুন্দৰ প্ৰতিটো খবৰ দেউতাই সঘনে ৰাখিছিল। মুকুন্দৰ কামে দেউতাক সুখী কৰিছিল। দেউতাক ভাল লাগিছিল যে তেখেতৰ আন্ধাৰ জগতৰ প্ৰভু ঈৰ্শ্বাদক অন্ততঃ তেওঁ এজন বিশ্বাসী, সাহসী, শক্তিমান, যুক্তিবাদী, বুদ্ধিমান আৰু সময়োচিত সিদ্ধান্ত ল'ব পৰা মুকুন্দৰ দৰে এজন লোকক দিছে। যাৰ বাবে ঈৰ্শ্বাদেও মুকুন্দৰ ওপৰত বিনা চিন্তাই সকলো নিৰ্ভৰ কৰিব পৰা হ'ল। অৰ্থাৎ দেউতাৰ মগজু আৰু চকুৰে যি সিদ্ধান্ত লৈছে মুকুন্দৰ ক্ষেত্ৰত সেয়া যেন দেউতাৰ হৃদয়েও অনুমতি দিছে।

মানুহৰ মাজত দেউতা এজন মানুহৰূপে পৰিচিত আছিল। মুছলমানৰূপে নহয়। সেয়ে তেওঁ হিন্দু-মুছলমানৰ এক প্ৰতীক ৰূপেও চিহ্নিত হৈছে। দেউতাৰ সৰল জীৱন, অহংকাৰহীন ৰূপ আৰু অৰ্থৰ প্ৰতি নথকা লালসাই অন্ততঃ দেউতাৰ বাবেই মুকুন্দই ক'লা জগতত প্ৰৱেশ কৰিলে। মুকুন্দৰ মন গহনত যেন নিৰন্তৰ দেউতাৰ সেই কথাই ক্ৰিয়া কৰি থাকে।' স্মাগলিঙত ধন পোৱাটো গৌণহে, স্মাগলিঙ কৰি পোৱা তৃপ্তিখিনিহে মুখ্য।" ঈৰ্শ্বাদৰ হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু হোৱা ঘটনা দেউতাৰ বাবে যেন এক মোক্ষ আঘাত। অৰ্থাৎ ঈৰ্শ্বাদ অবিহনে সিহঁতৰ নিৰাপত্তা, ব্যায়াম বিস্তাৰ আদি কথাবোৰ যেন কিবা হৈ পৰিব। কিন্তু তেতিয়াও দেউতাৰ চকুত এজন মানুহে ক্ৰিয়া কৰিছিল তেওঁ হ'ল মুকুন্দ। অৰ্থাৎ মুকুন্দই ঈৰ্শ্বাদৰ স্থান পূৰণ কৰিব বুলি দেউতাৰ দৃঢ়বিশ্বাস হ'ল। ঈৰ্শ্বাদৰ মৃত্যুত দেউতাই কৈছিল— তই বহুত আগতে গ'লি, ঈৰ্শ্বাদ।

অন্ততঃ মই যোৱাৰ পিছত যাব পাৰিলিহেঁতেন। যা বাৰু ঈৰ্শ্বাদ। তোৰ লগে লগে ময়ো গৈছো।[৭৭]

দেউতাৰ ধৰ্মীয় দিশৰ জ্ঞানো বৰ মনোৰম। মুকুন্দক কৈছিল—

> অসমৰ মাটিত পোন পহিলা জিকিৰ-জাৰীৰে 'ধৰম'ৰ জীপ দিয়া মৰুৰ দেশৰ অজান ফকীৰে শংকৰ-মাধৱৰ 'ধৰম'টোক আৰু গীত-বাদ্য-তাল-মানক বৰ পছন্দ কৰিছিল। সেয়েহে জিকিৰ-জাৰীত 'ধৰম মূৰ্তি বস্তু' মাধৱদেৱ আৰু নামঘোষাত আজান ফকীৰ জীয়াই আছে।[৭৮]

এয়া যেন গভীৰ জীৱনবোধৰ বিৰল অভিজ্ঞতা। সামাজিক আৰু আধ্যাত্মিক জ্ঞানৰ অভিজ্ঞতাৰে দেউতাই মানৱীয় পৃথিৱীখনক সাৱতি মানুহৰ দুখ-দুৰ্দশাৰ সমভাগী হোৱাৰ দৃশ্যপট *পাতাল ভৈৰৱীত* খুব তীব্ৰ ৰূপত ভাস্বত।

যশোৱাৰ মৃত্যুত মৰ্মাহত দেউতাই নিজকে গহীন কৰি লয়। ঈৰ্শ্বাদৰ মৃত্যুৰ পিছতো ঈৰ্শ্বাদৰ সাম্ৰাজ্যখন চলাই নিবলৈ দেউতাৰ প্ৰবল ইচ্ছা জাহিৰ হৈছে এনেদৰে—

> মই কিন্তু এতিয়াও আগৰ দৰে এই কাম ভাল বুলি যুক্তি দিব পাৰো। তুমি এৰিলে আনে ধৰিব। মানুহৰ নিচা লৈ খঁকটো আদি কালৰে। আইনে ইয়াক বন্ধ কৰিব নোৱাৰে।[৮১]

এনে কথাৰ দ্বাৰাই দেউতাই মুকুন্দক সেই দিশটোত পুনৰ গভীৰভাৱে সুমুৱাই দিয়াৰ দূৰন্ত চেষ্টা কৰা কাৰবাৰটোত নিহিত আছে— দেউতা বছিৰ, ঈৰ্শ্বাদ, মুকুন্দৰ গভীৰ প্ৰেম আৰু ত্যাগ। এনে দৃষ্টিভংগী আৰু দায়িত্ববোধে দেউতাক *পাতাল ভৈৰৱীত* অধিক গুৰুত্বপূৰ্ণ চৰিত্ৰৰূপে তুলি ধৰিছে।

*পাতাল ভৈৰৱী* উপন্যাসত বছিৰৰ জীৱন সংগ্ৰাম মনকৰিবলগীয়া। ব্ৰহ্মপুত্ৰ পাৰৰ ছৈ দিয়া নাঁৱৰ ঘৰত দেউতাৰ লগত বছিৰৰ জীৱন পৰিক্ৰমা চলে। এক কথাত বছিৰ দেউতাৰ কণাৰ লাখুটি। দেউতাৰ ভাত ৰন্ধা, কাপোৰ-কানি ধোৱা, দেউতাৰ লগত নাও চলোৱা আৰু চোৰাং কাৰবাৰবোৰত দেউতা, ঈৰ্শ্বাদ আৰু মুকুন্দক সহায় কৰা এক অন্যতম চৰিত্ৰ।

মুকুন্দৰ নৰ্থ ইষ্ট ক্লাবত চাকৰি যোৱাৰ পিছত দেউতাৰ স'তে ঈৰ্শ্বাদৰ গেঙলৈ মুকুন্দক অনাৰ ক্ষেত্ৰত বছিৰৰ ভূমিকা মনকৰিবলগীয়া। *পাতাল ভৈৰৱী* উপন্যাসত যি ক'লা জগতৰ চোৰাং ঘটনা প্ৰবাহৰ বৰ্ণনা আৰু হত্যা-হিংসা, ৰাজনৈতিক শক্তি, বিষয়াবৰ্গৰ স'তে ক'লা বজাৰ

মিতিৰালি অন্য এজন ব্যক্তিৰ চৰিত্ৰ মনলৈ আনে সেই চৰিত্ৰটো হ'ল গোলাম আলি। গোলাম আলি জৰিয়তে ইৰ্শ্বাদৰ ক'লা সাম্ৰাজ্যখনত ইৰ্শ্বাদৰ প্ৰধান প্ৰতিদ্বন্দ্বী। অদূৰদৰ্শী চিন্তাৰ গৰাকী গোলাম আলিৰ চিন্তা-ভাবনাৰ দৌৰ বৰ সীমিত। সেয়ে ক'লা সাম্ৰাজ্যখনত আলিৰ ভুল নীতি আৰু সিদ্ধান্তই বহু সময়ত নিজকে হতাশাৰ মাজত আকৃষ্ট কৰিছে।

গোলাম আলিৰ মনত যিদৰে হত্যা কৰিব পৰা পাশৱিক চেতনা তীব্ৰ তেনেদৰে কূট-কৌশল আৰু বিচাৰ-বিশ্লেষণৰ দৌৰ মুঠেই শুদ্ধ নহয়। যি ঈৰ্শ্বাদৰ অন্যতম সংগী গোনাক তাৰ ফলীয়া কৰিবলৈ কৰা চেষ্টাও মনকৰিবলগীয়া।

গোনাৰ জৰিয়তে গোলাম আলিয়ে মুকুন্দ আৰু ঈৰ্শ্বাদৰ গোপন কাৰবাৰবোৰৰ খবৰবোৰ সংগ্ৰহ কৰিছিল। কিন্তু মুকুন্দৰ জীৱনৰ গাম্ভীৰ্য, জনসম্পৰ্ক, ব্যক্তিত্ব আৰু ধন বিলাব পৰা গুণৰ বাবে গোলাম আলি নামৰ সাধাৰণ খাপৰ ডকাইতটোৱে ক'লা সাম্ৰাজ্যখনত উপৰ্যুপৰি মুখ থেকেচা খাইছিল।

১৯৭৮ চনৰ জানুৱাৰী মাহৰ নিৰ্বাচনৰ পূৰ্বে হঠাৎ উজনি অসমৰ কানিৰ কাৰবাৰটো গোলাম আলিৰ হাতত নিবিষ্ট হয়। গোলাম আলি ঈৰ্শ্বাদৰ দৰে নিৰ্মম আৰু কৌশলী। কিন্তু সি আকোৰগোজ ভয়ংকৰভাৱে। গোলাম আলি যে অত্যন্ত নিষ্ঠুৰ সেয়া ঔপন্যাসিকে বৰ্ণনা কৰিছে। এই কথা মুকুন্দৰ মুখেৰে নিসৃত হৈছে এনেদৰে—

> কনকাক এতিয়া কাঢ়া পহৰাত ৰখা হৈছে। এনেকৈ থাকিলে গোলাম আলিয়ে লগ লৈ চোৰাং কাৰাবাৰ কৰিহে থাকিব পাৰিব, গোলাম আলিৰ দৰে মুকুন্দৰ মানুহক বাধা দিব নোৱাৰিব। কিন্তু কনকাক লৈ যাবলৈ যদি সি ৰাতি দলে-বলে ওলাইহি, তেতিয়া প্ৰচুৰ ৰক্তপাতৰ আশংকা। কাৰণ গোলাম আলিৰ নিষ্ঠুৰ নেতৃত্বই তাৰ তলতীয়া মানুহবোৰকো সমানে নিষ্ঠুৰ কৰিছে বুলি খবৰ পাইছে।[৮২]

গোপন ব্যৱসায়ত যে দুতলীয়াৰ স্থান নাই সেয়া গোলাম আলিয়ে বিশ্বাস কৰে। অন্যহাতে গোনাৰ দৰে বুধিয়ক মানুহক গোলাম আলিয়ে সহ্যও নকৰে।

*পাতাল ভৈৰৱীত* মূলতঃ কাহিনীয়ে গতি লাভ কৰিছে অন্ধকাৰ জগতৰ ক'লা সাম্ৰাজ্যত চলা ভাং, কানি, ড্ৰাগছৰ ভীষণ কাৰবাৰৰ মাজত হোৱা আৰু প্ৰতাৰণাৰ গৰ্ভেৰে ৰাজনীতিকৰ আশীষ ধন্য ব্যৱস্থাৰে। এই ক'লা সাম্ৰাজ্য অন্য এজন চোৰাং কাৰবাৰী কুখ্যাত হ'ল গোণা।

গোণা মূলতঃ ঈৰ্শ্বাদৰ মানুহ। ঈৰ্শ্বাদ জীৱিত থকালৈকে গোণাই তাৰ ব্যৱসায়ী চৰিত্ৰ মোটামুটি ভালেই ৰাখিছিল। ঈৰ্শ্বাদৰ মৃত্যুৰ পিছতো মুকুন্দৰ ওপৰত দেউতা, বছিৰ, ঈৰ্শ্বাদৰ পুত্ৰসকল, তেওঁৰ বিধৱা পত্নী আদিয়ে যেতিয়া ক'লা জগতখন চলাই নিবলৈ মুকুন্দক সকলোৱে দলপতি বুলি মানি লৈছিল তেতিয়াও গোনাই মুকুন্দকে মুকুন্দৰ সাহস, ব্যক্তিত্ব আৰু ৰাজনৈতিক জগত তথা ভাৰতৰ বিভিন্ন শেঠ আৰু ৰাজ্যখনৰ বিষয়াসকলৰ লগত থকা সম্পৰ্কৰ বাবেই দলপতি বুলি মানি লৈছিল। কিন্তু গোণাৰ ভিতৰত সাংঘাতিক অৰ্থ লিপ্সাই তাক সদায়ে ভিতৰি ভিতৰি মুকুন্দৰ প্ৰতিদ্বন্দ্বীৰূপে গঢ়ি তোলাৰ তাড়নাৰ এটাৰ স'তে ৰপ্ত ৰাখিছে।

সেয়ে ঈৰ্শ্বাদৰ মৃত্যুৰ পিছত গোনাৰ অভিলাষ বৃদ্ধি পায় আৰু সেয়ে সি মুকুন্দৰ কৰ্তৃত্বখিনি মানিব পৰা নাই। গোনাই সুযোগ আৰু সুবিধাৰ অপেক্ষাত আছিল মুকুন্দৰ ওপৰত জপিয়াই পৰাৰ বাবে। গোনাই মাৰ্ঘেৰিটা, তিনিচুকীয়া, ডিব্ৰুগড় আদিত জগনু আৰু ৰচনৰ স'তে ৰাণাৰ, পাইকাৰী আদিক মাল যোগান ধৰিছিল। ইতিমধ্যে ঈৰ্শ্বাদৰ মৃত্যুৰ পিছত মুকুন্দ আৰু গোনাৰ সম্পৰ্কও বিঘ্নিত হৈছে।

গোনাই কলিকতাৰ বেপাৰীক লগ কৰি মাল পঠাই মুকুন্দৰ ব্যৱসায়ত বাধা দিয়ে। ভিতৰুৱাকৈ গোপনে ব্যৱসায় কৰি ইতিমধ্যে গোনাৰ যথেষ্ট টকা-পইচা হৈছে। টকাৰ বলত তিনিচুকীয়াৰ ফালে চাৰি কঠা মাটিও ক্ৰয় কৰে। কলিকতাৰপৰা পঠোৱা কানিৰ সমস্ত টকা গোনাই আত্মসাৎ কৰাৰ দৰে কাম ঈৰ্শ্বাদৰ প্ৰতি যেন অপমান।

ব্যৱসায়ী জগতত থাকি গোনাই কলিকতাৰ কানি পঠোৱা শেঠ দুজনকো বিশ্বাসঘাতকতা কৰে। বিশ্বাসঘাত তাৰ জীৱনৰ যেন গতি হৈ পৰিছে। দীনদয়াল নামৰ ব্যৱসায়ীজনৰ আঢ়ৈ লাখ টকা গোনাই আত্মসাৎ কৰি ক'লা বজাৰখনত অনা দুৰ্নামে ভয়ংকৰ ৰূপ ল'লে। নালীয়া পুলৰ কেইটামান গুণ্ডাৰ সহযোগত সি অন্য এটা দল গঠন কৰি পেলালে। ইয়াৰ দ্বাৰাই গোনাই ঈৰ্শ্বাদৰ আন্ধাৰ জগতৰ অধিপতি হোৱাৰ বাসনাত ৰপ্ত হ'বলৈ ধৰে। অভিসন্ধি কৰে। গোনাৰ এনে ভূমিকাই গোপন জগতখনৰ ভাঙোনৰ যেন ইংগিত বহন কৰিছে। গোনাৰ এনে চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকে ক'লা জগতৰ ভিন্নৰূপী মানুহৰ ঠগ-প্ৰবঞ্চনাৰে *পাতাল ভৈৰৱী*ক গতি দিছে।

গোনা তিতাবৰত মাক কনকাৰ লগত ডাঙৰ হৈছিল। মেট্ৰিক পাছ কৰাৰ পাছত সি যোৰহাট কলেজতো পঢ়িছিল। গোনাই অপৰাধ জগতত সোমাই পৰা বুলি মাক কনকাই ভয় খাইছিল। তাৰ বৰ্ণনা ঔপন্যাসিকে এনেদৰে কৰিছে— এদিন যেতিয়া গোনাই একেলগে পাঁচ হাজাৰ টকা মাকৰ হাতত দিছিল মাকে আচৰিত হৈ কৈছিল—

> মই হ'লে কথাটো ভাল দেখা নাই. এইবোৰ এৰ। তাকে শুনি গোনাই কৈছিল কিয় এৰিম? সত হিচাপে জীয়াই থাকিবলৈ এইখন দেশৰ মানুহে আমাক কি সুবিধা দিছে? যি দেশৰ পুলিচে পাঁচ বছৰীয়া ল'ৰাটোৰ আগতে মাকক অত্যাচাৰ কৰিব পাৰে, ইজ্জত নষ্ট কৰিব পাৰে (গোনাই যে সেই নিৰ্লজ্জ কাণ্ড দেখিছিল, সি পিছতহে ক'লে) সেইখন দেশত কিহৰ ন্যায় বিচাৰি আছে? বাঁৰী বোৱাৰীয়েকক ঠগি যদি বৰজনাকে মাটি-বাৰী হজম কৰিব পাৰে আৰু গঞা মনে মনে থাকে সেইখননো সমাজনে?[৮৩]

গুৰুমৎ সিং শ্বিলঙৰ বুকুত বাস কৰা এজন ব্যৱসায়ী। শ্বিলঙত তেওঁৰ প্ৰাসাদোপম গৃহ আছে। তাতেই ঈৰ্শ্বাদহঁতৰ ক'লা বজাৰৰ কাৰবাৰবোৰো আলোচনা হয়। গুৰুমৎ সিঙৰ অন্য এটা অতিথি গৃহ আছে। য'ত সি ব্যৱসায়ৰ খাতিৰত মানুহক বিভিন্ন অসামাজিক পথৰ সন্ধেদ দিছে।

দৰাচলতে ঔপন্যাসিকে *পাতাল ভৈৰৱীত* গুৰুমৎ সিঙৰ জৰিয়তে কাহিনীৰ গতিবেগ দিয়াত চোৰাং বজাৰখনৰ লগতে চৰকাৰী বিষয়াবোৰৰ বৰ্ণনা দেখুৱাইছে। য'ত এওঁলোকৰ নৈতিক চৰিত্ৰৰ পতনৰ কথা পোৱা যায়। সুবিধাবাদী চৰিত্ৰৰ গুৰুমৎ সিঙে প্ৰয়োজনত অৰ্থাৎ স্বাৰ্থৰ খাতিৰত যিকোনো কামেই কৰিব পাৰে।

*পাতাল ভৈৰৱী* উপন্যাসত অনুপ কলিতা এজন শিক্ষিত যুৱক। প্ৰগতিবাদী চিন্তাৰ গৰাকী আৰু দুৰ্নীতিৰ বিৰুদ্ধে সততে মাত মতা অনুপ কলিতাই মুকুন্দৰ ব্যৱহাৰ আৰু কাম-কাজত মুকুন্দৰ প্ৰতি আকৃষ্ট হয়। কান্ধুলিজান অঞ্চলত হোৱা প্ৰবল বানপানীৰ কালত অনুপ কলিতাই দুখীয়া মানুহখিনিক কৰা সহায়ৰ কামত, ৰাস্তা-ঘাট নিৰ্মাণ আৰু কৃষিকৰ্মত থকা কেৰোণবোৰ দূৰ কৰাত সহায় কৰিছিল। সেয়ে অনুপ কলিতা মুকুন্দৰ বাবে আদৰৰ যুৱক হৈ পৰে। ঔপন্যাসিকে অনুপ কলিতাক **১৯৭৮** চনৰ জানুৱাৰী মাহৰ জানুৱাৰী মাহৰ অসম বিধান

সভাৰ নিৰ্বাচনৰ সময়ত এজন প্ৰগতিবাদী আৰু ভৱিষ্যত দৰ্শনৰ চিন্তাত আড়স্ত ডেকা শক্তি ৰূপে চিহ্নিত কৰি উপন্যাসৰ মান আগবঢ়াইছে।

কান্ধুলিজানৰপৰা নিৰ্বাচনত এম.এল.এৰ প্ৰাৰ্থী হ'বৰ বাবে অন্যান্যসকলৰ লগতে মুকুন্দক জোৰ দিয়াৰ অন্যতম এজন হ'ল— অনুপ কলিতা। অনুপ কলিতাৰ চিন্তাধাৰা সুকীয়া। অনুপ কলিতাৰ মতে— "ৰাইজৰ মনোমত, নিঃস্বাৰ্থ আৰু কান্ধুলিজানক ভাল পোৱা মানুহ এজন এম.এল.এ হ'লে কান্ধুলিজানৰ উন্নতি খৰতকীয়া হ'ব। মুকুন্দক অনুপে ইয়াকে বুজালে।"[৮৪] অনুপ কলিতা আৰু তেওঁৰ অনুগামীসকলে কৰা কামৰ গতি সুকীয়া। নিৰ্বাচনত অনুপ কলিতাই তেওঁৰ লগৰ ডেকা দলটিৰ জৰিয়তে যিদৰে মুকুন্দক নিঃস্বাৰ্থভাৱে সেৱা কৰিলে— সেয়া যেন কান্ধুলিজানৰ মাটিৰ প্ৰতি থকা গভীৰ মমতা, প্ৰেম।

এইয়া অনুপ কলিতাই কৰিছিল কেৱল কান্ধুলিজান অঞ্চলৰ ৰাইজৰ জীৱন আৰু জগতৰ প্ৰতি আনিব বিচৰা প্ৰগতি, উন্নতিৰ বিপ্লৱৰ বাবে। নিৰ্বাচন কালত ঘৰে ঘৰে অনুপ কলিতাই তেওঁৰ অনুগামীসকলৰ স'তে মুকুন্দৰ বাবে জনমত গঠন কৰাৰ কৌশল বৰ মনোগ্ৰাহী। য'ত প্ৰলোভন আৰু মিথ্যাচাৰ নাছিল।

দশানন যাদৱৰ বিৰক্তি আৰু অহম্য বিধিব্যৱস্থাত যেতিয়া মুকুন্দক এম.এল.এ হোৱাৰপৰা বেহু ৰচনা কৰি ভেবুৰাম নেওগক হত্যা কৰি এই সমস্ত অপৰাধটো মুকুন্দৰ ওপৰত জাপি দি গ্ৰেপ্তাৰ কৰিলে, তেতিয়া অনুপ কলিতাই অন্যতম শক্তিৰূপে হাজাৰ হাজাৰ জনতাক লগত লৈ মুকুন্দক বিনাচৰ্তে মুক্তি দিবলৈ দাবী জনোৱা গণতান্ত্ৰি ক আন্দোলনটো মনকৰিবলগীয়া। মুঠতে উপন্যাসখনৰ অন্ধকাৰ জগতৰ লগতে দুৰ্নীতি, ভণ্ডামীৰ বিৰুদ্ধে যেন অনুপ কলিতা এক বিদ্ৰোহৰ চিঞৰ।

দশানন যাদৱ উজনি অসমৰ এজন শিল্পপতি। অগাধ সম্পত্তিৰ মালিক। নৈতিক চৰিত্ৰৰ দিশ অতি দুৰ্বল। ক'লা ব্যৱসায়ীৰে তেওঁ অনেক ধন-সম্পত্তি ঘটিছে। কিন্তু তেওঁৰ মূল চৰিত্ৰ নিবিষ্ট হৈ থাকে— ৰাজনৈতিক শক্তিক সন্তুষ্ট কৰি নিজৰ ব্যৱসায়ৰ জগতখন মজবুত কৰি ৰখা স্বাৰ্থত তাৰ বাবে দশানন যাদৱে যিকোনো পৰ্যায়লৈ যাব পাৰে। প্ৰয়োজন হ'লে কাৰোবাক হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰে।

ৰাজনীতি আৰু অপৰাধ— এই দুটাৰ ইপিঠি-সিপিঠৰ চৰিত্ৰত দশানন যাদৱৰ ভূমিকা প্ৰবল। ১৯৭৮ চনৰ নিৰ্বাচনত দশানন যাদৱে বিশেষ ভূমিকা পালন কৰিছিল। দেশত ৰাজনীতিৰ পৰিৰৱৰ্তনৰ ঢৌ। সেয়ে দশানন যাদৱ দ্বিধাবিভক্ত মনেৰে তেওঁৰ স্থিতি যেন ত্ৰিশংকু হৈ পৰিছে। কাজেই তেওঁ উক্ত নিৰ্বাচনত দুয়োটা দলকে (অৰ্থাৎ কংগ্ৰেছ আৰু জনতা দল) সমৰ্থন কৰি ধন-বিট দি সহায় কৰিছে। তেওঁৰ অস্থিৰ অৱস্থাই তেওঁক হাহাকাৰ কৰি তোলে।

কান্ধুলিজানৰ পৰা মুকুন্দই শেষ মুহূৰ্তত ৰাইজ আৰু স্বামীজী ৰংপীৰ হেঁচাত নিৰ্বাচনৰ প্ৰাৰ্থী হয়। তেওঁৰ প্ৰতিদ্বন্দ্বী হয় ভেবুৰাম নেওগ। কিন্তু মুকুন্দ যেন অদ্বিতীয়। অপৰাজেয়। সি যেন কান্ধুলিজানৰ নতুন সূৰ্য। সেয়ে দশানন যাদৱে টকা-পইচাৰে মুকুন্দক সহায় কৰাৰ প্ৰস্তাৱ দিওতে মুকুন্দই পোনচাটেই নাকচ কৰে। লগে লগে দশানন যাদৱৰ মূৰৰ কামোৰণি আৰু বাঢ়িল। সেয়ে দশানন যাদৱে মুকুন্দক হত্যা কৰাৰ পৰিকল্পনা কৰে। কিন্তু লগে লগে তেওঁ সেই পৰিকল্পনা বাদ দিয়ে এই বাবেই যে—সিয়েই হয়তো তেওঁৰ বিপৰীতে ঢৌ তোলে বুলি। দশানন যাদৱে নিজেই কৈছে— মই কাকো ভয় নকৰো, মন্ত্ৰী কিম্বা শক্তিশালী ৰাজনৈতিক শক্তিকো। ভয় কৰো সততাক, আদৰ্শক, চিন্তাৰ নতুন ঢৌক। সেয়ে মুকুন্দ তেওঁৰ চকুত এটা দৈত্যৰূপে দেখা দিলে।[৮৫]

দশানন যাদৱৰ অংক কোনো ফালে নিমিলা দেখি শেহান্তৰত তেওঁ ভেবুৰাম নেওগক হত্যা কৰাৰ আঁচনি প্ৰস্তুত কৰিলে। কাৰণ ভেবুৰামে মুকুন্দক হেৰুৱাব নোৱাৰিব। তাতে ভেবুৰাম দশানন যাদৱৰ মানুহ। ভেবুৰামক হত্যা কৰিলে দশানন যাদৱক কোনেও সন্দেহ নকৰিব।

ভেবুৰামক হত্যা কৰাৰ মূল উদ্দেশ্য আছিল অন্ততঃ ছয়মাহলৈ মুকুন্দক এমএলএ হোৱাৰপৰা বাৰণ কৰা। যি চৰকাৰ হ'ব তাৰ গতিবিধি লক্ষ্য কৰি পৰৱৰ্তী এই সমষ্টিৰ নিৰ্বাচনত যাতে চল চাই কঠিয়া পেলাব পাৰি তাৰ ব্যৱস্থা কৰা। অন্যহাতে ভেবুৰামৰ হত্যাৰ সমস্ত দায়িত্ব মুকুন্দৰ ওপৰত দি অন্ততঃ তাক নিৰ্বাচন খেলাৰপৰা ৰহিত কৰিব পাৰিব। দশানন যাদৱৰ কুবুদ্ধিৰ পৰিণামতে মুকুন্দৰ ঘৰৰ চৌহদৰপৰা এটা দুই নলীয়া বন্দুক উদ্ধাৰ হয়। মুকুন্দক গ্ৰেপ্তাৰ কৰা কাৰ্য দশানন যাদৱৰ শীতল মস্তিষ্কৰ গোপন অভিসন্ধি।

মুখ্যমন্ত্ৰী, আবকাৰী মন্ত্ৰী, ডাঙৰ ডাঙৰ চৰকাৰী বিষয়া, আৰক্ষী অধীক্ষক, নানা ঠাইৰ শেঠবিলাকৰ লগত দশানন যাদৱৰ মিতিৰালি কেৱল ধন, নাৰী বা দেহোপজীৱিনীৰদ্বাৰা। যাতে

দশানন যাদৱে তেওঁৰ ব্যৱসায়ী জগতখন চলাই যাব পাৰে। দশানন যাদৱৰ উপদেষ্টাও অনেক— কোনোবা উকীল, কোনোবা প্ৰাক্তন মন্ত্ৰী, কোনোবা পঢ়া-শুনা কৰা বিশ্ববিদ্যালয় নামৰ অভয়াৰণ্যত থকা তাত্ত্বিক বিপ্লৱী।[৮৬] মদৰ মহলদাৰ হৈ দশানন যাদৱে উপাৰ্জন কৰা ধন মন কৰিবলগীয়া।

পৰিস্থিতিৰ বৈচিত্ৰতাৰে সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটত এনেদৰে বিভিন্ন পুৰুষ চৰিত্ৰ উপন্যাসৰ কাহিনীত কলাসন্মত ৰূপত উপস্থাপন কৰোৱাই ঔপন্যাসিকে বিচক্ষণতা প্ৰকাশ কৰিছে। বাস্তৱৰ ভেটিত গঢ় লোৱা এই চৰিত্ৰসমূহৰ মনোজগতৰ বিবিধ দ্বন্দ্ব চিত্ৰায়ণত লেখকৰ পাৰদৰ্শিতা মন কৰিবলগা। বেছিভাগ চৰিত্ৰই ব্যক্তিস্বাৰ্থ পূৰণৰ হকে বৃহৎ জনস্বাৰ্থক আওকান কৰিছে। সৰহসংখ্যক চৰিত্ৰৰ বৰ্ণনাত লেখকৰ গভীৰ অন্তৰ্দৃষ্টি প্ৰকাশি উঠিছে।

**৩.৩.২ পাতাল ভৈৰৱী উপন্যাসৰ নাৰী চৰিত্ৰ ঃ**

*পাতাল ভৈৰৱী* উপন্যাসত কেইবাটাও নাৰী চৰিত্ৰৰ অৱতাৰণা কৰা হৈছে যদিও কাহিনীৰ অগ্ৰগতিত বিশেষ ভূমিকা লোৱা নাৰী চৰিত্ৰকেইটা হৈছে—যশোৱা, ভানু শৰ্মা, মণিকা কাকতি, ৰেণু বেগম, কনকা, অৱন্তী বুঢ়ী ইত্যাদি।

যশোৱা মুকুন্দৰ পত্নী। ভাৰতীয় দৰ্শন, সভ্যতা, সংস্কৃতি আৰু আধ্যাত্মিক ৰঙেৰে বিধৌত এগৰাকী পতিব্ৰতা নাৰী। মুকুন্দৰ সংসাৰৰ নিৰ্মম যন্ত্ৰণাৰ সময়, যি সময়ত নৰ্থ ইষ্ট ক্লাবৰপৰা শিক্ষাগত কথা-বতৰাৰ বাবে মুকুন্দক চাকৰিৰপৰা বাহিৰ কৰি দিছিল সেই সময়তো যশোৱাই দুই পুত্ৰ ৰঞ্জু আৰু চানুৰ বাবে মুকুন্দক দিয়া উৎসাহ আৰু সাহস মন কৰিবলগীয়া। মুকুন্দৰ পিতৃ পৰিচয় নথকা সত্বেও যশোৱাই কোনো দিনে মুকুন্দক এই লৈ দোষাৰোপ, মনত দুখ দিয়া নাই। *পাতাল ভৈৰৱী* উপন্যাসত যশোৱাৰ সৎ আৰু সৰল চৰিত্ৰ, গঠনমূলক জীৱনৰ অভিব্যক্তিয়ে পাঠকক আপ্লুত কৰি তোলে।

মুকুন্দই যেতিয়া বৃহৎ পৰিমাণৰ ধন আনি যশোৱাক দিয়ে তেতিয়া যশোৱাৰ সন্দেহ হয়। এই বিষয়ে তাই মুকুন্দক প্ৰশ্ন কৰে। লাহে লাহে মুকুন্দ, ঈৰ্শ্বাদৰ ক'লা সাম্ৰাজ্যৰ বিষয়ে যশোৱাই গম পালে। তেতিয়াৰপৰাই তাইৰ অস্থিৰতা বাঢ়িল। কিন্তু তাইৰ মুকুন্দৰ প্ৰতি থকা

প্ৰেম-ভালপোৱা আৰু বিশ্বাসৰ বাবে — সান্ত্বনা লভে। তথাপি তাই মুকুন্দক মাজে মাজে সতৰ্ক কৰে। বোকাৰপৰা তুলি আনি দেউতা, বছিৰ আৰু ইৰ্শ্বাদে সিহঁতক দিয়া নিৰাপত্তাৰ বাবে তাই সিহঁতৰ প্ৰতি কৃতজ্ঞও হয়। যশোৱাৰ অন্তৰখন বৰ কোমল। তাৰ প্ৰকাশ ঘটিছিল ভিন্ন ভিন্ন সময়ত উপন্যাসত দেখা যায়।

যশোৱাৰ অজলা আৰু সৰল স্বভাৱৰ বাবেই মুকুন্দই তাইক বৰ ভাল পায়। মুকুন্দই জানে যে— যশোৱাৰ কপালৰ সেন্দুৰখিনিৰ বাবে তাৰ ভাগ্যই তিষ্ঠি আছে। যশোৱাৰ হাতত যেতিয়া মুকুন্দই ক'লা বজাৰৰ টকা দিয়ে তেতিয়া তাই আচৰিত হয় আৰু সোধে ইমান টকা ক'ত পালে? মুকুন্দই যেন নিজকে নিজে কোৱাৰ দৰে কয়— চাচোন মুকুন, এইজনী কোন আঁজলী। নিজৰ গিৰিয়েকক চিনি নাপায়। ... যশোৱা, তই যে ভেলেঙী, এই যে নিষ্পাপ, সেইবাবে তোক ঈৰ্ষাও কৰো, ঘৃণাও কৰো। মই আৰু কান্ধুজনীয়া মনটো ঘূৰাই নাপাম। [৮৭]

কেতিয়াবা টকা সম্পৰ্কত প্ৰশ্ন কৰিলে— মুকুন্দই তাইক কয়— এঠাইলৈ মোকাবিলা কৰিবলৈ মোক পঠালে ঈৰ্শ্বাদে মোক যিখিনি টকা দিয়ে, তাৰে বাকী থকা টকাখিনি তাক ঘূৰাই দিব নালাগে। সিহঁতৰ মানত বিছ-ত্ৰিছ হাজাৰ টকা মাথো হাতৰ মলি। [৮৮] এনে কথাত যশোৱাৰ হৃদয়ত বিচিত্ৰ আলোড়ন হয়।

ঈৰ্শ্বাদৰ মৃত্যুত যশোৱা মৰ্মাহত হয়। কাৰণ যশোৱাৰ সংসাৰৰ জীৱন যাত্ৰাত ঈশ্বাদৰ ভূমিকা অতুলনীয়।

যশোৱাৰ নাৰীমনৰ মাজত পৰস্ত্ৰীৰ লগত মুকুন্দই পাৰ কৰা সময়বোৰৰ বাবে তাই ভিতৰত জ্বলা জুইকুৰাৰ উমান দিছিল মুকুন্দক। পুত্ৰৰ প্ৰতি গভীৰ মানুহ কৰাৰ দায়-দায়িত্বইও যশোৱাক প্ৰতিপলে জোকাৰি আছিল।

মুকুন্দৰ কান্ধুলিজান, দলৈচুবা, জামুগুৰি, ঘোৰা ছঙী, কঁহুৱামুখ, ভোগজৰাত হোৱা বানপানীৰ কালত মুকুন্দক তাৰ দৰিদ্ৰ মানুহখিনিক সহায় কৰিবৰ বাবে যশোৱাই প্ৰাণ-পণে চেষ্টা কৰাৰ দিশটোৱে উপন্যাসখনত যশোৱাৰ বিশাল মানৱতাবাদী দিশটোক উজলাই তোলে। মুকুন্দই কান্ধুলিজানৰ বানপানীত কৰা সহায়ত তাই স্বৰ্গীয় সুখ অনুভৱ কৰে। কান্ধুলিজানৰ বাটপথৰ দুৰ্দশাৰ কথাৰ বাবে যশোৱাৰ মনত যে আভিযান্ত্ৰিক তীব্ৰ চেতনা এটাই ক্ৰিয়া কৰে তাৰ বৰ্ণনা

উপন্যাসখনত এনেদৰে পাওঁ— "ইয়াৰ কেৰোণ বহুত। মথাউৰিৰ দুই এডোখৰ ঠাই নিশকতীয়া দেখি খৰালিতেই মানুহে চহৰত ইঞ্জিনিয়াৰবোৰক কৈছিলহি। বাপধন এমএলএকো কৈছিল। বহাগৰ আগলৈকে কোনোৱে একো কাণসাৰ নিদিয়া দেখি ৰাইজেই নিশকতীয়া যেন দেখা ঠাইত টান মাটি দি মজবুত কৰিছিল। অনুপে কোৱা মতে— এতিয়াও সেই কেইডোখৰ ঠাই ছিগা নাই. এয়া বাবা ব্ৰহ্মপুত্ৰ আৰু আমাৰ কান্ধুলিজানৰো কাম নহয়। এই কাম কৰিলে দুটা পাতকীয়ে।[৮৯]

মুকুন্দক এই কথা কৈ যশোৱাই প্ৰমাণ কৰিছিল যে তাই মুকুন্দৰ জন্মস্থানখনিক কিমান ভাল পায়। যশোৱাৰ শৰীৰত দুৰাৰোগ্য কৰ্কটৰোগে বাস কৰাত যশোৱা ভিতৰি ভিতৰি মৰহি আহে। তাৰে এক যেন ছবি যশোৱাৰ মুখৰে নিসৃত হৈছে এনেদৰে—

> ... যশোৱাই ডুব যাব খোজা ৰঙা বেলিটোলৈ কৰযোৰে প্ৰণাম জনাই মুখেৰে কিবা কিবি গৈছে। ... মোক আজিয়েই মাৰি নিয়া প্ৰভু। আজি আমাৰ অতি সুখৰ দিন আছিল। মুকুনে মোক ইয়ালৈ আনিছিল। এতিয়া মোৰ জয়জয় ময়ময়। স্বামী আছে। দুটা ধুনীয়া ল'ৰা আছে। এনে সুখৰ দিনত মৰিলে যে ময়ো শান্তি পাম প্ৰভু।[৯০]

যশোৱাৰ যে গুণ জ্ঞান মুকুন্দতকৈ আগবঢ়া সেয়া মুকুন্দই নিজেই স্বীকাৰ কৰিছে। যশোৱাৰ ৰোগ গভীৰ। যশোৱাৰ মৃত্যু হ'ল। জীৱিত কালত যশোৱাৰ কান্ধুলিজানলৈ যোৱা নহ'ল। মৃত্যুৰ পিছত কহুঁৰামুখলৈ নিব। তাতেই তাইক সৎকাৰ কৰিব। যশোৱা সকলোৰে প্ৰিয়পাত্ৰ আছিল তাৰ প্ৰমাণ দেউতাই কোৱা কথাৰপৰা আৰু স্বামীজীয়ে গোৱা সুৰৰপৰাই জনা যায়। দেউতাই কৈছে— মোতকৈ কিয় আগে গ'লা মা? স্বামীজীয়ে গালে— 'ৰা' শব্দত উচ্চাৰন্তে। ৰাম ৰাম ৰাম ৰাম ৰাম। ৰাম নাম শুনি শুনি বুকুত ৰখা স্বামীৰ হাতখনত ধৰি যশোৱাই চিৰদিনলৈ চকু মুদিলে।[৯১]

যশোৱাৰ নাৰীসুলভ গুণৰ বৰ্ণনা অপৰিসীম। ভক্তি আৰু গুৰুবন্দনা আছিল তাইৰ জীৱনৰ অন্য এক ৰূপ। প্ৰতিবেশী মানুহৰ লগত গঢ়ি তোলা সু-সম্পৰ্কই তাইক মহান কৰি তুলিছিল। অন্যান্য গপত ওফন্দি ফুৰা নাৰীৰ দৰে অজস্ৰ টকা-পইচা সম্পত্তি হোৱা সত্বেও যশোৱাৰ মনত কোনো দিনে অহংকাৰ ভাব প্ৰকট হোৱা নাছিল। ইয়াৰ বিপৰীতে দুখীয়া কান্ধুলিয়ান অঞ্চলৰ মানুহক সহায় কৰা বাসনা এটাৰ গৰ্ভই মুকুন্দক সাহসী কৰি তুলিছিল। যশোৱাৰ সৎ চৰিত্ৰ আৰু

ভদ্ৰ নম্ৰ ব্যৱহাৰৰ বাটেৰে দুই পুত্ৰ ৰঞ্জু আৰু চানুৰ জীৱনৰ বাট পৰিশীলিত হৈছে। শেহলৈ মুকুন্দ নিজক সংশোধন কৰাত ঈপ্সিত আকাংক্ষাও যশোৱাৰ পৰাই লাভ কৰে।

*পাতাল ভৈৰৱী* উপন্যাসত বৰ্ণিত ভানু শৰ্মা এগৰাকী চলনাময়ী, লাস্যময়ী নাৰী। প্ৰয়োজনত ভানু শৰ্মাই যিকোনো পৰ্যায়লৈকে যাব পাৰে। আনকি স্বাৰ্থৰ খাতিৰত দেহ পৰ্যন্ত দিব পাৰে। ৰাজনীতিৰ লগত তাই প্ৰত্যক্ষভাৱে জড়িত। মন্ত্ৰীৰপৰা মুখ্যমন্ত্ৰীলৈ, সৰু-বৰ বিষয়াৰপৰা ব্যৱসায়ী শেঠসকললৈকে ভানু শৰ্মাৰ সম্বন্ধ সুন্দৰ আৰু সুকীয়া। ভানু শৰ্মাই জানে যে মুকুন্দৰ ভিতৰত এটা প্ৰতিভা আছে। সাহস আছে আৰু ক'লা জগতখন চলাবলৈ তাৰ অজস্ৰ গুণ আছে। সেয়ে ভানু শৰ্মাই মুকুন্দক গুৱাহাটীলৈ আনি কেইজনমান মন্ত্ৰী আৰু উজনিৰ প্ৰখ্যাত ক্ষমতাবান কেইজনমান চেহেৰাৰ লোকক চিনাকি কৰি দিছিল।

ভানু যে দুঃশ্চৰিত্ৰা তাৰ প্ৰমাণ পোৱা যায় এনেদৰে অলকৰ মুখৰ কথাত—ভানু শৰ্মা হ'ল বলদসোপাৰ মাজত... ন', ন' এ'কিউজ মিঃ মুকুন্দ, মই ক'ব খুজিছো আমাৰ ভানু সিহঁতৰ মাজত মৌ ৰাণী।[৯২] আকৌ ঔপন্যাসিকে ভানু শৰ্মাৰ বৰ্ণনা উপন্যাসত কৰিছে এনেদৰে— "বয়সটো ধৰিব নোৱাৰি কিন্তু যুৱতী যেন লাগে। তাইৰ ঋজু শৰীৰত মেদ নাই। এতিয়াও এটা লোভনীয় দেহৰ অধিকাৰিণী। অথচ নিজৰ একমাত্ৰ সন্তানটি স্নাতকোত্তৰ মহলাৰ ছাত্ৰ। দেহত পাহাৰী নিজৰাৰ চঞ্চলতা নাথাকিলেও ভৈয়ামৰ নৈৰ লয়লাসখিনি আছে।

এইজনীয়ে বহু আলোচিতা, বহু কল্পিতা আৰু বহুতক ধন্য কৰোঁতা মিছেছ ভানু শৰ্মা। পংক, তিলক, বিভূষিতা এই মহীয়সীৰ আজিৰ ৰাজ দৰবাৰত বহুত ক্ষমতা।[৯৩] সৰ্বভাৰতীয় ৰাজনীতিৰপৰা অসমৰ ৰাজনীতিলৈ ভানু শৰ্মাৰ জ্ঞান মনকৰিবলগীয়া। অত্যন্ত চতুৰ, কামাতুৰ, অৰ্থলিপ্সাৰ দূৰন্ত মনৰ গৰাকী ভানু শৰ্মাৰ ৰাজনীতিত যে দখল আছে *পাতাল ভৈৰৱীত* এনেদৰে দেখুওৱা হৈছে—

> কেন্দ্ৰত দলৰ বিভাজনৰ পিছত অসমৰ বিধায়কসকলে কোনটো দল লৈছে এই বিষয়ে দলপতিয়ে একো ব্যক্ত কৰা নাই আৰু বিধায়কসকলেও সুবিধা বুজি জাঁপ মাৰিবৰ বাবে নিৰপেক্ষ হৈ আছে।[৯৪]

ধন, সুৰা, ক'লা জগতৰ মানুহৰ জৰিয়তে কৰা ৰাজনীতিৰ গৰ্ভত ভানু শৰ্মাই নিজৰ স্বাৰ্থ সিদ্ধি কৰিছে। তাই দূৰদৰ্শী চিন্তাও প্ৰখৰ। কিন্তু অত্যন্ত সুবিধাবাদী চৰিত্ৰৰ গৰাকী। বিনাদ্বিধাই স্বাৰ্থৰ বাবে শেঠ, মন্ত্ৰী, ব্যৱসায়ী প্ৰত্যেকক যেন হিয়া উজাৰি ঢালিব পাৰে জীৱনৰ মৌ ৰস। সেয়ে উপন্যাসখনত ভানু শৰ্মা ক'লা জগতৰ মানুহবোৰক ৰাজনীতিৰ লগত সংযোগ কৰাই ঔপন্যাসিকে *পাতাল ভৈৰৱী*ক গতি দিছে।

*পাতাল ভৈৰৱী* উপন্যাসত মণিকাক কাহিনীভাগ আগুৱাই নিয়াত ঔপন্যাসিকে ব্যৱহাৰ কৰিছে। মুকুন্দৰ লগত মণিকাৰ সম্পৰ্ক আছিল অতি নিবিড়। যিটো ৰেণু বেগমে সহ্য কৰিব পৰা নাছিল। সেয়ে তাই মণিকাক ভয়-ভীতি প্ৰদৰ্শন কৰি চহৰ ত্যাগ কৰিবলৈ দহ হাজাৰ টকা দি ভাবুকি দিছিল।

> মণিকাৰ জীৱন দুখেৰে অতিবাহিত। মণিকাৰ এটা সংস্কৃত মন আছে যদিও অৱস্থাৰ তাড়ণাই তাইক বহুবল্লভা হ'বলৈ বাধ্য কৰাইছে।০০

জীৱন সম্পৰ্কে মণিকাৰ দৃষ্টিভংগী ভিন্ন। পৰিস্থিতিয়ে মাজে সময়ে মণিকাক আদৰ্শৰ পৰা বিচ্যুত কৰিলেও তাই বিনা দ্বিধাই সকলো গ্ৰহণ কৰি লৈছে। মণিকা সম্পৰ্কে সমালোচকৰ মত এইখিনিতে উল্লেখ কৰিব পাৰি—

> মণিকা কাকতিয়ে দেহৰ শুচিতা হেৰুৱাইছে, সেই ক্ষেত্ৰত মণিকাই লুকা-ঢাক কৰা নাই। অথচ এটা আধ্যাত্মিক পৰিৱেশত ঘৰত তাই জীৱন-নিৰ্বাহ কৰে। মণিকাৰ ঘৰতে মুকুন্দই আত্মশুদ্ধিৰ পথ বিচাৰি পাইছে।[০০]

এইজনী মণিকাকে হঠাৎ উপন্যাসৰ পাতৰ পৰা অন্তৰ্ধান কৰোৱাত কাহিনীয়ে যথেষ্ট তাৎপৰ্য বহন কৰিছে। এই বিষয়ত কাহিনী নিমাত। ৰেণু বেগম ঈৰ্শ্বাদ খাঁৰ কনিষ্ঠা পত্নী। বোৰ্খাৰ তলত থকা, নিয়ম-নীতিৰে অটুট এগৰাকী ভাৰতীয় নাৰী। তেওঁৰ জীৱন আছিল সহজ-সৰল।

কিন্তু ঈৰ্শ্বাদৰ মৃত্যু হোৱাৰ পিছত ৰেণু বেগমৰ গাত যেন নতুন বতাহ লাগিল। তাই মুকুন্দৰ লগত এই চোৰাং কাৰবাৰৰ অংশীদাৰ হ'ব বিচাৰিলে। ইয়াৰ বাবে য'লৈকে যাব লাগে তালৈকে তাই যাবলৈ প্ৰস্তুত বুলিও মুকুন্দক জনালো।

কান্ধুলিজানৰ বানপানীৰ সময়ত যাওঁতে তাই মনৰ মাজত ক'লা জগতখনৰ বিষয়ে হোৱা মনোভাব প্ৰকট হৈছিল এনেদৰে— "ৰেণুৰ মন জুৰাই গৈছে। তাই ভাবিছে, টকা, আৰাম,

খিতাপ আদি এই কান্ধুলিজানৰ মৰম-চেনেহ আৰু বিশালতাৰ তুলনাত একোৱেই নহয়। ঈৰ্শ্বাদে সৃষ্টি কৰা সেই পৃথিৱীখনত আছে তেজৰ গোন্ধ, ষড়যন্ত্ৰ আৰু গোপনতা। ঈৰ্শ্বাদ জীয়াই থকাৰ কালত ইমানবোৰ কথা তাই গমেই পোৱা নাছিল। এতিয়াও হয়তো জাহিৰা, মদিকাহঁতে গম নোপায়। সেই চক্ৰৰ পৰা তাই ওলাই আহি এতিয়া কান্ধুলিজানত খুব শান্তি পাইছে। মাত্ৰ দুদিনলৈহে। কাইলৈ তাই আকৌ সেই কুটিল চক্ৰটোৰ মাজত সোমাব লাগিব।[৯৫]

ৰেণু বেগমৰ লাস্যময়ী দেহ যৌৱনৰ বলত দেহোপজীৱিনীৰ দৰে তাই ক'লা সাম্ৰাজ্যত ধন ঘটিবলৈ বৰ বৰ নেতা-বিষয়াৰ স'তে হোটেলত আনকি দিল্লী, কলকতা, বোম্বে আদিতো ফুৰিছে। টকাৰ খক তাইৰ ইমান বেছি হ'ল মুকুন্দৰ স'তে সমানে সমানে ক'লা জগতৰ উৎপাদনৰ অংশ বিচাৰিব পৰা হ'ল।

এগৰাকী তেনেই সাধাৰণ নাৰীৰ ইমান পৰিৱৰ্তন আচৰিত। গোণাক ষড়যন্ত্ৰ কৰি মৰাৰ বাবে ৰেণুৱে এসময়ত মুকুন্দক কৈছিল যদিও তাই ইয়াকো ক'লে যে— কিন্তু তাক মাৰিলেও কামত নাহিব। শেঠহঁতৰ আমি মাৰিছো বুলি বিশ্বাস নহ'ব। আন স্মাগলাৰে মাৰিলে বুলিহে ভাবিব।[৯৬]

ধনৰ লোভনীয় পৃথিৱীখনে ৰেণু বেগমক হত্যা কৰাৰ দৰে ঘৃণনীয় আৰু জঘন্য কথা ভাবিবলৈও দ্বিধাবোধ নকৰালে।

মুকুন্দৰ প্ৰতি জাগি উঠা বাসনাত ৰেণুৱে মুকুন্দক কৈছিল— মই ঈৰ্শ্বাদৰ তিৰোতা, মই ব্যৱসায়ী অংশীদাৰ। তোমাৰ ওচৰত মোৰ এয়ে মাত্ৰ পৰিচয়? ময়োতো এজনী তিৰোতা।[৯৭]

এগৰাকী লোভী, কামাতুৰ, চতুৰ, সুবিধাবাদী প্ৰতাৰক নাৰীৰূপে উপন্যাসিকে ৰেণু বেগমক উপন্যাসত তুলি ধৰিছে।

*পাতাল ভৈৰৱীৰ* কাহিনীৰ লগত পৰম্পৰাগত আৰু লোক বিশ্বাসক সাৰোগত কৰি ঔপন্যাসিকে অৱন্তী বুঢ়ীৰ চৰিত্ৰটি সন্নিৱিষ্ট কৰিছে। অৱন্তী বুঢ়ীৰ চৰিত্ৰই উপন্যাসখনক বিশেষ গতি প্ৰদান কৰা নাই। পৰম্পৰাগত লোক বিশ্বাসবোৰ অৱন্তী বুঢ়ীৰ মুখেৰে নিসৃত হৈছে। সেয়া *পাতাল ভৈৰৱীত* এনেদৰে ভাস্বত—

> উজনি অসমৰ ভাদৰ মাজভাগতো ঘোৰ বাৰিষাৰ বৰষুণ। নেৰানেপেৰাকৈ এসপ্তাহ। নোহোৰা নোপোজা কথা। .... চব সলনি হৈছে। মানুহবোৰ অধৰমী হ'ল কাৰণে এয়া ঘোৰ কলিৰ চিন বুলি তিনিযুগীয়া বুঢ়ী অৱন্তীয়ে সকলোকে কয়।[৯৮]

বুঢ়ীৰ মুখত ওলাইছে— ভাদতো বাঁহৰ আগলৈকে পৰুৱা উঠিছে, বোপাইহঁত। গাঁতৰ ভিতৰত ল'ৰা-ঢপৰা কৰা পৰুৱাবোৰৰ মুখত ফণী দেখিছেনে নাই? এইবোৰ পৰুৱাৰ শাৰী পাতি থৰা-কাছুতি নোহোৱাকৈ ভেঁটিৰ ওপৰত কিয় উঠিছে জান? কথা বিষম, কলি কাল চমু চাপিল। হোৰাহোৰে বৰষুণ পৰিব, প্ৰলয়ৰ ধুমুহা হ'ব, সাগৰৰ সমান বান হ'ব।[৯৯]

আকাশত উৰা চিলনী, শগুন, কুকুৰৰ ভেও ভেও চিঞৰ গৰ্ভত যেন পৃথিৱীত অথন্তৰ হ'ব সেয়া লোকবিশ্বাসত অধীৰ বুঢ়ীয়ে কোৱাৰ পিছত সঁচাকৈ কান্ধুলিজানত ভয়ংকৰ প্ৰকৃতিৰ ৰূপ দেখা গ'ল। সৎ আৰু ধৰ্মীয় গতিৰে জীৱন নিৰ্বাহ কৰা অৱন্তী বুঢ়ীৰ জীৱনত মানৱতা আৰু অহিংসাৰ বিৰল ৰূপ তিনিযুগীয়া বুঢ়ীক এতিয়া সততা আৰু ঈশ্বৰৰ প্ৰতি বিশ্বাসেৰে আৰু আঢ়ৱস্ত কৰি ৰাখিছে।

*পাতাল ভৈৰৱী* উপন্যাসত দিল বাহাদুৰ আৰু তেওঁৰ পত্নীৰ চৰিত্ৰ দুটি উপন্যাসখনৰ কাহিনী বিকাশত বিশেষ ভূমিকা নাই। বৰং উপন্যাসখনে গতি লাভ কৰোতে কিছু উপকাহিনীৰ মাজত দিল বাহাদুৰ আৰু তেওঁৰ পত্নীৰ প্ৰসংগই উপন্যাসখনক আগবঢ়াই নিছে।

দিল বাহাদুৰ আৰু তেওঁৰ পত্নী দুয়ো অতি সহজ-সৰল হোজা মানুহ। তেওঁলোকৰ অন্তৰত দুখ-বেদনা, হাঁহি, আনন্দ আৰু আনক সহায় কৰিব বিচৰা চৰিত্ৰ বিদ্যমান। কোনো ধৰণৰ ৰাজনীতি আৰু ভণ্ডামীক তেওঁলোকে চিনি নাপায়। কৃত্ৰিমতা আৰু জটিলতাৰ পৃথিৱীখনৰপৰা তেওঁলোকৰ ব্যৱধান বিস্তৰ।

### ৩.৪ গণদেৱতা, পঞ্চগ্ৰাম উপন্যাসৰ চৰিত্ৰ ঃ

বাংলা কথাসাহিত্যৰ অন্যতম ঔপন্যাসিক ৰূপে খ্যাত তাৰাশংকৰ বন্দ্যোপাধ্যায়ে ৰচনা কৰা *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ মাজেৰে তেখেতৰ মননশীল চেতনাদীপ্ত অভিজ্ঞতা আৰু অন্তৰ্দৃষ্টিৰ পৰিচয় প্ৰকাশি উঠিছে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ পটভূমিক চৰিত্ৰৰ

মাজেৰে ৰূপদান কৰিবলৈ যাওতে বিচিত্ৰ জীৱনশৈলীৰ অলেখ সৰু-বৰ চৰিত্ৰই ভূমুকি মাৰিছে। অঞ্চল বিশেষৰ সমস্যাক মুখ্য স্থান দিবলৈ যোৱা বাবেই হয়তো নায়ক-নায়িকাৰ কথা ইয়াত গৌণ হৈ পৰিছে। তথাপি কাহিনীক আগুৱাই নিয়াৰ ক্ষেত্ৰত চৰিত্ৰক উপস্থাপন কৰাটো যিহেতু অনিবাৰ্য সেয়ে উপন্যাস দুখনতো পুৰুষ-নাৰী উভয় চৰিত্ৰৰে সমাবেশ মন কৰিবলগীয়া। ঔপন্যাসিকে পুৰুষ নাৰী উভয় চৰিত্ৰকে সমানে গুৰুত্ব সহকাৰে স্থান দিব বিচাৰিলেও পুৰুষ চৰিত্ৰ নাৰী চৰিত্ৰৰ তুলনাত অধিক সক্ৰিয় যেন অনুভৱ হয়। অৱশ্যে দুই এটা নাৰী চৰিত্ৰ যথেষ্ট সপ্ৰতিভ। চৰিত্ৰসমূহৰ আচাৰ-আচৰণ, কথা-বাৰ্তা, কাৰ্যকলাপ মনস্তাত্বিক দিশ, আদৰ্শই বংগৰ ৰাঢ় আৰু ইয়াৰ সোঁপাশৰ অঞ্চলৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক, আধ্যাত্মিক প্ৰেক্ষাপটৰ জীৱনচৰ্যাক বাস্তৱ ৰূপ দিবলৈ যাওতে ঔপন্যাসিকৰ সামাজিক দৰ্শনে বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

### ৩.৪.১ গণদেৱতা, পঞ্চগ্ৰাম উপন্যাসৰ পুৰুষ চৰিত্ৰ ঃ

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসক পৰিপূৰ্ণতাৰ দিশে ধাৱিত কৰাৰ ক্ষেত্ৰত দেৱনাথ ঘোষ ওৰফে দেবুৰ চৰিত্ৰটিৰ গুৰুত্ব অপৰিসীম। *গণদেৱতা* উপন্যাসত দেবুৰ চৰিত্ৰই ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি বিভিন্ন ঘটনাৰ পটভূমিৰে নিৰ্মাণ হ'ব ধৰিছে যদিও *পঞ্চগ্ৰামত* এই চৰিত্ৰই পূৰ্ণতা লাভ কৰিছে।

কৃষক সমাজৰ কৃষিৰ খাজনা সম্পৰ্কীয় ঘটনাপ্ৰৱাহত গঢ়ি উঠা আন্দোলনত দেবুয়ে নেতৃত্ব দি সেই সংগ্ৰামক গতিশীল কৰিছে। দেবুৰ চৰিত্ৰত আমি গান্ধীবাদী অহিংসা চেতনাৰ চৰিত্ৰৰ ৰূপ দেখা পাঁও। দেবুৰ চৰিত্ৰত ধৰ্মীয় দৰ্শন তীব্ৰ। জমিদাৰে খাজনা বৃদ্ধি কৰাত দৰিদ্ৰ কৃষকৰ জীৱনৰ দুৰ্বিসহ যন্ত্ৰণাত তাৰ প্ৰাণ কান্দি উঠে। ধৰ্মীয় সংস্কাৰ আৰু সাংস্কৃতিক ৰং আৰু গতিৰে প্ৰগতিবাদী চিন্তাৰ গৰাকী দেবুনাথ ঘোষ। ধৰ্মীয় দিশক বাদ দি সাম্যবাদৰ আদৰ্শক দেবুয়ে গ্ৰহণ কৰা নাছিল।

দেবুৰ মানৱ প্ৰেম, দেশপ্ৰেম, আত্মত্যাগৰ মূল্যমান অতুল্য। কৃষকসকলৰ জমা হৈ থকা বেদনা আৰু আৰ্তচিৎকাৰে উপৰ্যুপৰি দেবুক নেতৃত্ব ল'বলৈ আহ্বান জনালেও গান্ধীবাদী আদৰ্শই

অন্তিম বিপৰ্যয়ৰ সময়তো ন্যায়-অন্যায়, পাপ-পূণ্যৰ চেতনাই দেবুক নেতৃত্বৰ পৰা দূৰত্বত ৰাখিবলৈ বাধ্য কৰিছে। গান্ধীৰ চৰিত্ৰত বাংময় হৈ থকা শোষণ-শাসনৰ ৰূপ-ৰেখাৰ দৰে দেবুৰ চৰিত্ৰতো তেনে বাংময়তা মন কৰিবলগীয়া। সেয়া পাওঁ এনেদৰে—

> আমি জমিদারদের ধ্বংস করতে চাই না, তবে জমিদাররা যে অপরিহার্য এ আমার মনে হয় না। জমিদার ও পুঁজিপতিদের নামি অহিংসা পদ্ধতি দ্বারা পরিবর্তিত কৰতে চাই এবং তাই আমার কাছে শ্রেণী সংঘর্ষ অপরিহার্য নয়। এখনকার প্রয়োজন হ'ল জমিদার ও পুঁজিপতিদের বিলুপ্তি নয়। তাদের সংগে জনসাধারণের বর্তমান সম্বন্ধর পরিৰর্তে এক সুস্থ ও পৰিত্র সম্পর্কের স্থাপন।[১০০]

*পঞ্চগ্ৰাম* উপন্যাসত কৃষকসকলৰ মাজত খাজনাক লৈ হোৱা সংগ্ৰাম মূলতঃ ব্যৰ্থ হয়। দেবুয়ে জমিদাৰক খাজনা দিবৰ বাবে নিজস্ব চিন্তা-চেতনাৰ বাট তৈয়াৰ কৰে যে, সি খাজনা বৃদ্ধিৰ বিৰুদ্ধে নহয়। সংগ্ৰাম বা ধৰ্মঘট নকৰে কিন্তু আইনসংগতভাৱে খাজনা বৃদ্ধি হওঁক বা জমিদাৰে তাৰ নিৰিখ ঠিক কৰক। সাধাৰণ জনতাৰ ধৰ্মঘটৰ ব্যৰ্থতাত যেন বহু পৰিমাণে দেবুৰ দুৰ্বল দোদুল্যমান নেতৃত্বই জগৰীয়া। দেবুৰ চৰিত্ৰত সাংঘাটিক ধৰণৰ উদাসীনতা বিদ্যমান। ধৰ্মঘট বা সামাজিক আন্দোলনৰ চৰম পৰ্যায়ত দেবুৰ অকাৰণ উদাসীনতাই আন্দোলনক ৰূপ দিবগৈ নোৱাৰে।

সত্যযুগৰ দৃষ্টিভংগীৰ বাটেৰে সি আগুৱাব খোজে। অৰ্থাৎ তাৰ চৰিত্ৰত সততাৰ ব্যাপক গতিময়তা আছে। প্ৰতিটো অৰ্থনৈতিক সমস্যাৰ যি আধ্যাত্মিক সমাধান বিচাৰি লয়। ন্যায়ৰত্ন বিশ্বাসৰ দৰে যি পথ প্ৰদৰ্শক হ'ব খোজে। দেশ আৰু জনতাৰ সমস্যাৰ নিৰ্মূলত তাৰ চিন্তা-চেতনা বাস্তৱৰ পৰা বহু দূৰত।

দেবুয়ে পঞ্চগ্ৰামখন বিচাৰিছিল এনে ধৰণৰে— দেবু স্বৰ্ণকে বলছিল 'তাহার নিজের কথা, পঞ্চগ্রামের কথা, ভৰিষ্যতের পরিকল্পনা। সেই পুরাণো কথা। নতুন যুগের আমন্ত্রণ— নতুন ভংগিতে, নতুন ধারায়, নতুন আশায়, নতুন পরিৰেশে সুখ স্বচ্ছেন্দ্য ভরা ধর্মের সংসার।'

দেবুয়ে সমাজ গঢ়াৰ যি স্বপ্ন দেখিছিল সেই স্বপ্ন সমালোচকৰ মতে এনে ধৰণৰ—

> ‘পঞ্চগ্রামে’ দেবুর সুখ দিয়ে আদর্শ সমাজের রূপ দেখিছেয়ছেন তিনি। এ সমাজে স্বামী স্ত্রীর সমান অধিকাৰ। পারস্পরিক সাহচর্য হবে এর মূল ভিত্তি। ছোট-বড়-উচ্চ-নীচ ভেদ থাকবে না, মানুষ হবে সৎ, উদার, মহৎ।[০০]

(**অনুবাদ ঃ** পঞ্চগ্ৰাম উপন্যাসৰ দেবু চৰিত্ৰৰ জৰিয়তে তেওঁৰ কল্পনাৰ আদৰ্শাত্মক সমাজৰ ৰূপ দেখিছিল। স্বামী-স্ত্ৰী সকলোৱে যিখন সমাজত সম অধিকাৰেৰে বাস কৰিব পাৰিব, ইজনে সিজনৰ বাবে সহায়ৰ হাত আগবঢ়াব। উচ্চ-নীচ, সৰু-বৰ ভেদাভেদ নাথাকিব। মহানতা, উদাৰতা, সৎ আদি গুণেৰে সকলো বিভূষিত হ’ব।)

দেবুৰ চৰিত্ৰত থকা মানৱতাৰ বাট আনৰ বাবে সহজসাধ্য নহয়। সমাজৰ লগত জড়িত হৈয়ো সমাজৰ হিতত মগ্ন হৈয়ো যি সমাজক তৰান্বিত কৰিব নোৱাৰে। যিটো কাম হ’ব লাগে, অথচ কৰিব পৰা নাই। সেয়া যেন ভগৱানে কৰি দিব। প্ৰচণ্ড দুৰ্বল ব্যক্তিত্ব, আত্মবিশ্বাসহীনতাৰ বাবে যি বহুক্ষেত্ৰত ব্যৰ্থ। এই ক্ষেত্ৰত মনকৰিবলগীয়া যে, প্ৰাচীন কালত ভগৱানে পৃথিৱীত প্ৰৱেশ কৰাৰ দৰে পুনৰ আবিৰ্ভাৱ হৈ পাপীক দমন কৰিব, পাপক নিঃশেষ কৰিব। অথচ দেবু ৰাজনীতিৰ কৰ্মী, সমাজ সেৱক। তথাপি প্ৰাচীন ধাৰণাও তাৰ তীব্ৰ। সেয়ে সমালোচকে কৈছে—

> দেবু পুরাতন গ্রাম-সমাজের সনাতন ঐতিহ্যে বিশ্বাসী। সেই ঐতিহ্যের ভাঙন সে দেখছে। তবুও কতগুলি মূল্যবোধ শেষ পর্যন্ত রক্ষা করতে চেয়েছে। কিন্তু প্রতিনিয়ত সমাজ-প্রধানদের নষ্টামি ও অনাচার দেখে তাৰ মধ্যেও বিদ্রোহী সত্তা ক্রমবিকশিত হয়ে উঠেছে।[০০]

(**অনুবাদ ঃ** দেবনাথ প্ৰাচীন সনাতন ঐতিহ্য পৰম্পৰাত বিশ্বাসী। সেই পৰম্পৰাৰ বান্ধোন সোলোক-ঢোলোক হোৱা চকুৰ সন্মুখতে দেখিছে। সমাজৰ অন্যায়, অবিচাৰ প্ৰতিনিয়ত দেখি থকা বাবে শেষ মুহূৰ্তলৈ সেইবোৰ প্ৰতিৰোধ কৰাৰ বাবে দেবুৱে যুঁজ দি গৈছে।)

তাৰাশংকৰৰ দ্বাৰা দেবুৰ চৰিত্ৰ যিধৰণে প্ৰকাশ পাইছে সেয়া যেন ঔপন্যাসিকৰ নিজস্ব দৰ্শন, মতবাদ, চিন্তাধাৰা।

উপন্যাসৰ অন্য এক চৰিত্ৰ অনিৰুদ্ধৰ জীৱন সংগ্ৰাম, সাহস আৰু ক্ৰোধ-বিদ্ৰোহেৰে ভৰা। সাহসী আৰু প্ৰতিবাদী সত্বাৰে সমুজ্জ্বল। ৰক্ষণশীল বিধি-ব্যৱস্থাৰ বেৰ ভাঙি মানুহৰ উত্তৰণৰ বাট বিচাৰি যাঁওতে তাৰ শক্তিমান বিদ্ৰোহী ৰূপটো দেখুওৱা হৈছে। ব্যক্তিগত

জীৱন পত্নী আৰু গাঁৱৰ স্বৈৰীনি দুৰ্গাক কেন্দ্ৰ কৰি আধাৰিত। অনিৰুদ্ধক চৰিত্ৰ তাৰাশংকৰ বন্দ্যোপাধ্যায়ে জটিলতাৰে ফঁহিয়াই দেখুৱাইছে। কোনো সময়ত অনিৰুদ্ধই হিতাহিত জ্ঞানশূন্য হৈ উত্তেজনা প্ৰৱণতাৰে কাৰাগাৰলৈ যাবলগা হৈ পিছত চহৰৰ ফালে ধাবিত হৈছে। অনিৰুদ্ধৰ চৰিত্ৰটো এক ঐতিহাসিক ভূমিকাৰে বিধৌত। যি গ্ৰামীণ অৰ্থনৈতিক ব্যৱস্থাৰ মাজৰ থাকি ৰাজহাড় বেঁকা হৈ ইয়াক পৰিত্ৰাণৰ বাবে নানা ধৰণৰ অন্যায়ৰ প্ৰতিবাদ তাৰ জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰে। তাৰ বিদ্ৰোহৰ মাজেৰে তাৰ সামাজিক পৰিৱৰ্তনৰ প্ৰতিনিধি চৰিত্ৰ প্ৰকট হৈছে। এনে চৰিত্ৰই *গণদেৱতাত* ব্যাপক প্ৰভাৱ পেলাই কাহিনীভাগ অগ্ৰসৰ হৈ আঞ্চলিক জীৱনক ৰূপেৰে-ৰঙেৰে প্ৰতিনিধিত্ব কৰিছে। অন্যায়ৰ বিৰুদ্ধে কৰা প্ৰতিবাদ, সামন্ত চিন্তাৰ মানুহৰ জীৱনৰ বিৰুদ্ধে গৰজি উঠা আৰ্তনাদে অনিৰুদ্ধক নতুন মাত্ৰা প্ৰদান কৰিছে।

দ্বাৰকা *গণদেৱতাৰ* এক গুৰুত্বপূৰ্ণ চৰিত্ৰ। তেওঁ ৰাঢ় অঞ্চলৰ পৌৰাণিক ভূ-স্বামী বংশৰ প্ৰতিনিধি। সমাজৰ এজন শীৰ্ষস্থানীয় কৃষকৰূপে তেওঁৰ মান্যতা আছে। গৃহদেৱতা ছিৰু পালৰ ওচৰত তেওঁৰ জমিদাৰী বিক্ৰী কৰিছিল। দ্বাৰকা পালৰ চৰিত্ৰ শান্ত আভিজাত্যৰ যি ধৰণৰ ৰং-ৰূপ খ্যাতি আছিল সেয়া পিছলৈ ট্ৰেজিকবক্ষলৈ ধাবিত হৈছে।

হৰেণ ঘোষাল মেট্ৰিকৰ দেউনা পাৰ হোৱা শিৱকালিপুৰ অৰ্থাৎ ৰাঢ় অঞ্চলৰ একমাত্ৰ ব্যক্তি। ইংৰাজীৰ প্ৰতি থকা জ্ঞানেৰে নিজৰ ভাষাৰ বাহিৰলৈ গৈয়ো স্বাতন্ত্ৰ্য আৰু শ্ৰেষ্ঠত্ব জাহিৰ কৰিবলৈ অত্যন্ত প্ৰয়াস কৰে।

হৰেণ ঘোষাল ছিৰুপালৰ দৰে আঢ্যৱন্ত নহয়। কিন্তু সমাজৰ যিকোনো দিশতে ছিৰুপালক সি প্ৰতিদ্বন্দ্বী ৰূপে গণ্য কৰি তাৰ সন্মুখত প্ৰথিত হৈ থিয় দিব খোজে। মুছিপাৰাৰ পাতুৰ পত্নীৰ স'তে ঘোষালৰ অবৈধ প্ৰেম কাহিনীয়ে সকলোকে আমোদ দিয়াৰ লগতে সৰ্বজনবিদিত।

এক ব্যতিক্ৰমী চৰিত্ৰৰূপে জগন ডাক্তৰৰ মান উপন্যাস *গণদেৱতাত* বিৰল হৈ ফুটি উঠিছে। তথাকথিত চিকিৎসকৰ ধন ঘটাৰ ব্যাপক প্ৰৱণতা জগন ডাক্তৰৰ জীৱন দৰ্শনত অনুপস্থিত। গাঁৱৰ দুখীয়া মানুহৰ প্ৰতি অত্যন্ত সহানুভূতিশীল জগন ডাক্তৰে পাৰিশ্ৰমিক নোলোৱাকৈ মানুহক সেৱা কৰাত তেওঁৰ মানৱতাৰ ৰূপটো জিলিকি উঠিছে।

ছিৰুপালক জগন ডাক্তৰে কৃষক আৰু মাটি-কৃষিৰ শত্ৰু বুলি জ্ঞান কৰে। গাঁৱত অৱস্থিত চণ্ডীমণ্ডপৰ বিচাৰত ডাক্তৰে দেবুৰ মতৰ বিৰোধিতা কৰিছিল। কাৰণ দেবুৰ ওপৰত তেওঁৰ মুঠেই আস্থা নাছিল। কিন্তু শেহান্তৰত পৰিৱৰ্তৰ বতাহৰ পক্ষত ডাক্তৰে দেবু ঘোষৰ দলক এক মুখ্য কৰ্মকৰ্তাৰূপে অংশ গ্ৰহণ কৰে। কেৱল যে জনসেৱাতহে ডাক্তৰৰ জীৱন ৰপ্ত আছিল এনে নহয়, বৰং ব্ৰিটিছৰ বিৰুদ্ধে হোৱা স্বদেশী আন্দোলনতো তেওঁৰ ভূমিকাই *গণদেৱতাক* জোকাৰি আছে।

ছিৰুপালৰ সুবিধাবাদী চৰিত্ৰই *গণদেৱতাত* খলনায়কৰ ৰূপ পৰিগ্ৰহ কৰিছে। তাৰ জীৱন পৰিক্ৰমাত এজন অসৎ মানুহৰ চৰিত্ৰ প্ৰকাশি উঠিছে। মাটি দখল, বে-আইনী কাৰ্যকলাপত মত্ত, গুণ্ডাগিৰি, দৰিদ্ৰ কৃষকৰ পথাৰৰ সোণগুটি, ঘৰবোৰ সামন্ত চৰিত্ৰৰে লুণ্ঠন কৰাত সি কোনো কৃপণালি কৰা নাই। বৰং এইবোৰেৰে চহকী হৈ সি এজন জমিদাৰৰ চৰিত্ৰত উপনীত হয়।

তাৰ এই অসৎ চৰিত্ৰৰ মাজেৰে লুণ্ঠন আৰু শোষণৰ ৰূপক সাৰোগত কৰি এজন মাৰ্জিত, ভদ্ৰ জমিদাৰৰ সমান মূল ব্যক্তিসত্বাৰূপে নিজক প্ৰতিষ্ঠা কৰাৰ প্ৰৱণতাই *গণদেৱতাত* ভূমিকা প্ৰদান কৰিছে।

যতীন এক বিপ্লৱী সত্বা। প্ৰতিবাদ তাৰ জীৱনৰ ক'ৰবাত ক'ৰবাত প্ৰতিভাত। কিন্তু *গণদেৱতাত* যতীনৰ চৰিত্ৰৰ মাজত কাহিনীয়ে কোনো তীক্ষ্ণতা লাভ কৰা নাই। বৰং প্ৰতিবাদী কাম আৰু সামাজিক কৰ্ম-কাণ্ডই তাক সশ্ৰদ্ধতাৰে মহীয়ান কৰাৰ বাট দেখা যায়। ৰাজনীতি তাৰ জীৱনৰ অবিচ্ছেদ্য অংশ। তাৰ ৰক্তবিন্দুৰ প্ৰান্তে প্ৰান্তে ৰাজনীতি বিৰল বিচৰণ মন কৰিবলগীয়া।

মানসিক সংঘাত, সমাজ ব্যৱস্থাৰ ক্ষয়যোৱা ৰূপ আৰু মানুহৰ নৈতিক অধঃপতনৰ গৰ্ভত এসময়ৰ দেহোপজীৱিনী দূৰ্গাৰ যেন নৈতিক সংস্কাৰ ঘটিছে আৰু তাই সেই বাটেৰে সমস্ত কথা-কাণ্ড আৰক্ষীক অৱগত কৰাৰ সিদ্ধান্তত উপনীত হ'ল। যতীনৰ দেহব্যৱসায়ীৰ লগত যুৱতীসকলৰ কেঁচা মঙহৰ বজাৰৰ প্ৰধান স্ৰষ্টাৰূপে দীক্ষিত চৰিত্ৰত দূৰ্গাই এনে সিদ্ধান্ত লয়। যতীনৰ ভূমিকাত তাইৰ মৰ্মে মৰ্মে উপলব্ধি হ'ল যে তাই কু-বংশৰ প্ৰজন্ম হয়। এনে ভূমিকাত যতীনে শেহান্তৰত গংগাক এৰি আঁতৰি যায় চিৰদিনৰ বাবে।

**বিশ্বনাথ ঃ** *গণদেৱতাত* ৰাজনীতিৰ বা-বতাহৰ ৰূপে বহু সময়ত উপন্যাসখনক নতুন মাত্ৰা দিছে। স্বদেশী আন্দোলনৰ স্বাধীনতাৰ দুৰ্বাৰ আকাংক্ষাৰ মাজত গণদেৱতাৰ নিৰ্মম বাস্তৱে বিশেষ ৰূপ পৰিগ্ৰহ কৰি উঠিছে। বিশ্বনাথ ঔপন্যাসিকৰ সৃষ্টিত বাঁওচিন্তাৰ দ্বিতীয়জন গৰাকী। বিশ্বনাথৰ পৰিয়ালৰ বংশ লতিকাৰ পৰা জনা যায় যে, তেওঁ উচ্চ বৰ্ণ হিন্দু পণ্ডিত বংশৰ সনাতন শাস্ত্ৰীয় ধৰ্মীয় আদৰ্শৰ বিৰল প্ৰতিভূ। এনে পটভূমিতেই ঔপন্যাসিকে বিশ্বনাথক কঠোৰ আদৰ্শবাদী ৰূপত প্ৰতিপন্ন কৰি তুলিছে।

কিন্তু শেষলৈ বিশ্বনাথৰ চৰিত্ৰই কলংকত হাত দিছে। তাৰ আদৰ্শৰ পৰা বিচ্যুতি ঘটিছে। সি যে প্ৰকৃততে আদৰ্শবাদী নহয় সেই কথা প্ৰমাণ হৈছে প্ৰৱল বানপানীৰ পিছত শিৱিৰত দিয়া সাহাৰ্য (ৰিলিফ)ত যি ধৰণে ব্যক্তিস্বাৰ্থ পূৰণৰ হেতু দেবুক নমাই দিছিল। কিন্তু দেবুক দেশসেৱা আৰু মাতৃভূমিৰ প্ৰেমৰ প্ৰতি আকৃষ্ট কৰিছিল বিশ্বনাথে। *গণদেৱতাত* ঔপন্যাসিকে বিশ্বনাথক কাৰাগাৰত মৃত্যু হোৱা দেখুৱাইছে— যি তাৰ আদৰ্শগত চৰিত্ৰৰ ফোঁপোলা ৰূপটোক বেয়া জনমানসত জিলিকাই দিলে।

*গণদেৱতাত* অন্যান্য কৃষকৰ দৰে তিনকড়িও এজন স্থানীয় কৃষক। তাৰ জীৱনতো প্ৰতিবাদ, সমাজৰ অন্যায়ৰ বিৰুদ্ধে মাত মতা স্বভাৱে বহু সময়ত তাক বিপদত পেলোৱা দেখা যায়। আনকি ছিৰুৰ দৰে প্ৰভাৱশালী মানুহৰ বিৰোধিতা কৰিবলৈ পোৱাত তিনকড়িৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে গতি কৰে।

তিনকড়িৰ চৰিত্ৰটো কুটিল জীৱনৰ সংমিশ্ৰণ যেন। মুখাপিন্ধা ভদ্ৰলোক। তিনকড়িৰ চৰিত্ৰত লুকাই থকা ডকাইতৰূপী মানুহজনক দেখিলে অদ্ভুত যেন লাগে। সংসাৰ চলোৱাত তাৰ চৰিত্ৰটো মমতাময়ী হ'লেও দেবু ঘোষৰ নেতৃত্বৰ প্ৰতি দেখুওৱা আস্থাই তাৰ চৰিত্ৰক বিশিষ্ট ৰূপ প্ৰকাশ কৰিছে।

সতীশ বাউৰীৰ জীৱনত সৃষ্টিশীল কৰ্ম যেন পদ্যই তেওঁক আৱৰি আছে। সমকালৰ সামগ্ৰিক বিষয় সামৰি আৰু দেবুৰ কীৰ্তিকলাপক প্ৰমুখ্য কৰি উঠাৰ বাবে সতীশ বাউৰী চৰিত্ৰই *গণদেৱতাক* ৰূপ প্ৰদান কৰিছে।

### ৩.৪.২ গণদেৱতা, পঞ্চগ্ৰাম উপন্যাসৰ নাৰী চৰিত্ৰ ঃ

পদ্মা এগৰাকী উল্লেখযোগ্য নাৰীৰূপে তাৰাশংকৰ বন্দ্যোপাধ্যায়ে *গণদেৱতাত* উল্লেখ কৰিবলৈ কৰা চেষ্টা মননশীল। পদ্মা এগৰাকী সাহসী নাৰী। পদ্মাৰ কোনো সন্তান নাই।

পদ্মাক চিৰুপালে প্ৰক্ষেপ কৰা কু-দৃষ্টিক তাই বলিষ্ঠভাৱে প্ৰতিৰোধ কৰাই নহয়, তাক কৰা সতৰ্কও মন কৰিবলগীয়া। অনিৰুদ্ধই দূৰ্গাৰ প্ৰতি প্ৰদৰ্শন কৰা প্ৰেম-ভালপোৱাই পদ্মাৰ সংসাৰৰ বাবে তেওঁলোকৰ সম্পৰ্কত অৰ্থাৎ দাম্পত্য জীৱন জটিল সমস্যাৰ গহ্বৰত সোমাই পৰে। দেবুৱে এনে প্ৰেক্ষাপটত পদ্মাই দেবুৰ প্ৰতি দেখুওৱা মনোভাৱক সহানুভূতি বুলি ভাবিছিল। কিন্তু সেয়া কি পৰ্যায়ত আছিল ঔপন্যাসিকে তাক বিশ্লেষণ কৰা নাই। পদ্মাৰ চৰিত্ৰত অনিৰুদ্ধৰ প্ৰতি আস্থাহীন আৰু ক্ৰোধৰ বিস্তৃতি অন্যহাতে দেবুৰ প্ৰতি সশ্ৰদ্ধ বাসনাৰ উত্তৰণে উপন্যাসখনক নতুন গতি দিছে। ঔপন্যাসিকৰ ভাষাৱে ক'ব পাৰি যে 'নতুন স্বাধীন জীৱন, ধৰ্মান্তৰিত এক শিক্ষিত মহিলাৰ একান্ত সাৰ্থকতা'ই প্ৰাণ পাইছে।

দূৰ্গাৰ ভূমিকাই *গণদেৱতাক* ব্যাপক ৰূপত প্ৰভাৱিত কৰি আছে। *গণদেৱতাত* আপাততঃ কোনো নায়িকা নাথাকিলেও এক অৰ্থত দূৰ্গাই প্ৰধান। নাৰীৰূপে *গণদেৱতাত* গতিশীল ৰূপ প্ৰদান কৰাটো ঔপন্যাসিকৰ চিন্তা-চেতনাৰ বিৰল অভিব্যক্তিৰূপে প্ৰতিফলিত হৈছে। দূৰ্গাৰ চৰিত্ৰই লাভ কৰা বেশ্যাৰ কথাবস্তুৱে *গণদেৱতাৰ* কথক কলাৰ ৰূপক অন্য দিশেৰে চাবলৈ বাধ্য কৰিছে।

সাংসাৰিক জীৱন যুঁজৰ ব্যাপক দৰিদ্ৰতাৰ ভোকাতুৰ জীৱন সংগ্ৰামত বাধ্য হৈ দূৰ্গাই বেশ্যাবৃত্তিত মনোনিৱেশ কৰে। আৰক্ষী, আঢ্যৱন্ত সমাজৰ লোলুপ চিন্তাৰ ঘূণেধৰা যৌনগন্ধী পুৰুষ, গ্ৰাম্যসমাজৰ তথাকথিত মূৰব্বী ছিৰু পালৰ পৰা কংকনাবাবুলৈকে তাইৰ দেহৰ কেঁচা মাংসৰ সোৱাদ লোৱা লোকৰ শৰীৰৰ উত্তাপত তাই নিজক সঁপি দিছে। মন কৰিবলগীয়া যে, তাইৰ স্বামী অনিৰুদ্ধৰ প্ৰতি থকা গোপন বাসনাক তাই কেতিয়াও নিঃশেষ হ'ব দিয়া নাই।

সত্যক উপলব্ধি কৰিব পৰাটো দূৰ্গাৰ জীৱন আৰু চৰিত্ৰৰ অন্য এক বৈশিষ্ট্য। এই বৈশিষ্ট্যত বিদ্যমান হৈছে— যিটো কাম তাই সত্য আৰু স্বচ্ছতাৰ পানীত তিতা অনুভৱ কৰিছে, তাক বুজি পোৱাৰ ক্ষমতাক দ্বিধাহীনভাৱে ব্যৱহাৰ কৰি কামত খটুওৱাৰ বিৰল প্ৰৱণতাৰ মাজত

দেবুক ভালপোৱা, দেবুৰ কামৰ প্রতি দেখুওৱা আনুগত্য, আত্মনিয়োগ, দেবুৰ প্রতি প্রেম প্রকাশৰ বক্তব্যৰ নতুন ভাষাৰ গতিৰে তাক আজীৱন ভালপোৱাৰ ব্যৱসায়ী গৰ্ভত ভৰি দিছে— ইয়াত তাইৰ সামান্যতমো মনৰ পৰিৱৰ্তনৰ বতাহজাক থমকি ৰোৱা নাই। যদিও দেবুৱে দূৰ্গাক নীৰৱে বশ কৰিছে আৰু এয়া উপলব্ধিৰ বাটেৰে ভাস্বত হৈছে যে, প্ৰেম শাৰীৰিক জীৱনৰ সংগী নহয়, ধন-দৌলত, সম্পত্তিৰ বোজাও নহয়, বৰং জীৱনবোধত ব্যপ্ত অভিজ্ঞতা, ভালপোৱাৰ এক স্বৰ্গীয় অনুভৱ মাত্ৰ।

*গণদেৱতাত* ছিৰুৰ পৰিয়ালৰ বৰ্ণনা মনকৰিবলগীয়া। ঔপন্যাসিক তাৰাশংকৰ বন্দ্যোপাধ্যায়ে ছিৰুৰ মাকৰ জীৱন চৰিত্ৰ *গণদেৱতাত* অতি নিৰ্মম ৰূপত দাঙি ধৰিছে। ছিৰুপালৰ জীৱনৰ বৃহৎ আকাংক্ষা আৰু এই আকাংক্ষা পূৰণৰ হেতু সি বস্তি অঞ্চলৰ জঘন্য শোষণ-অত্যাচাৰৰ লগত চৰিত্ৰটো সহবাস মন কৰিবলগা।

চিৰুৰ মাতৃৰ চৰিত্ৰত আপোনপেটীয়া স্বভাৱ স্পষ্ট। ছিৰুপালে নিজক মহান সজাবলৈ গাঁওবাসীৰ দুখীয়া লোকক কিবা বয়-বস্তু দিব বিচাৰিলে মাকে সেইবোৰত প্ৰচণ্ড বাধা আৰোপ কৰে।

পদ্মৰ লগত ছিৰুপালৰ পত্নীৰ থকা অবৈধ সম্পৰ্কৰ বাবে পদ্মক তেওঁ ধন দিছিল যাতে তেওঁৰ সন্তান শাপগ্ৰস্ততাৰ পৰা মুক্তি পায়। বিচিত্ৰ, বিভিন্ন ৰূপ আৰু কামে ছিৰুপালৰ পত্নীৰ চৰিত্ৰৰ দ্বাৰা *গণদেৱতাত* পাঠকক আকৰ্ষিত কৰে।

নৈতিকতা আৰু দৰিদ্ৰতাৰ যি নিবিড় সম্বন্ধ *গণদেৱতাত* ঔপন্যাসিকে সেয়া পাতুৰ পৰিবাৰৰ জৰিয়তে সুযমভাৱে তুলি ধৰিছে। দূৰ্গাৰ দেহ ব্যৱসায়ৰ প্ৰধান সহায়ক আছিল তাইৰ মাক। নৈতিকতাৰ ক্ষেত্ৰত উচ্চবৰ্ণসুলভ সংস্কাৰৰ চৰিত্ৰ চিত্ৰণো ইয়াত দুৰ্লভ। উচ্চবৰ্ণৰ মানুহে যি কাম লুকাই-চুৰকৈ লোকচক্ষুৰ আঁৰত কৰে এই ক্ষেত্ৰত পাতু পৰিবাৰ কিন্তু ব্যতিক্ৰম। নৈতিকতাৰ এই বিৰল দৃষ্টান্ত মধ্যবিত্তৰ সমাজ জীৱনৰ অন্ধকাৰ গলিটোত বেলেগ ধৰণে প্ৰতিভাত। কিন্তু *গণদেৱতাত* সতীত্ব, অসতীত্ব, নৈতিকতা, অনৈতিকতা সমস্যা লৈ এক স্বতন্ত্ৰ জগতৰ পৰিচয় বঙালী জগত তাৰ সংসাৰৰ ধৰ্মৰ লগত সংযুক্ত।

স্বৰ্ণ চৰিত্ৰৰ জৰিয়তে বাল্য বিবাহ প্ৰথাৰ ৰূপ *গণদেৱতাত* দেখা যায়। অৰ্থাৎ ৰাঢ়

মাটিতো অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ প্ৰসংগেৰে উপন্যাসিকে *গণদেৱতা*ৰ সমাজ ব্যৱস্থাক বিৰল ৰূপত প্ৰতিভাত কৰি তুলিছে। স্বৰ্ণৰ বাল্য বিবাহ আৰু বিধৱা চৰিত্ৰত এই কথা ভাস্বত হৈছে। স্বৰ্ণ তিনকড়িৰ কন্যা। সৰুতে বাল্য বিবাহ হৈ তাই বিধৱা হ'ল। স্বৰ্ণৰ জীৱনৰ প্ৰৱল তাড়ন্যই তাইৰ চৰিত্ৰৰ ব্যক্তিত্বৰ উন্মেষ কৰিছে। দেবুৰ জৰিয়তে তাই শিক্ষিত হৈ শিক্ষয়িত্ৰীৰ পদত মকৰল হৈ স্বাৱলম্বী হয়। দেবুৰ প্ৰতি স্বৰ্ণৰ প্ৰেমৰ উকমুকনিৰ ৰং প্ৰকট। কোনো কামনা-বাসনা, দৈহিক মিলনৰ প্ৰতি আসক্ত নোহোৱাকৈ দেবুৰ প্ৰতি তাইৰ প্ৰেমে এক প্ৰসাৰ লাভ কৰিছিল। *গণদেৱতাত* ঔপন্যাসিকে স্বৰ্ণৰ জৰিয়তে বঙালী সমাজৰ গ্ৰাম্য জীৱনৰ নাৰীৰ স্বাধীনতা, আধুনিক নাৰী চৰিত্ৰ প্ৰতিনিধিত্ব কৰিব বিচাৰিছে। স্বৰ্ণৰ চৰিত্ৰ বুদ্ধিদীপ্ত, শান্ত প্ৰগলভা ব্যক্তিত্ব বিশিষ্ট হৈ উঠিছে। তাতোকৈ বিশিষ্ট ৰূপত তাৎপৰ্য হৈ উঠিছে যে স্বৰ্ণৰ চৰিত্ৰৰে বঙালী সমাজত এক নৱযুগক প্ৰতিনিধিত্ব কৰিব পৰা নাৰীৰ জন্ম হৈছিল। ঔপন্যাসিকে দক্ষতাৰে তেওঁৰ *গণদেৱতাত* দূৰ্গাৰ অতুল্য তীক্ষ্ণ তৃষ্ণা, স্বৰ্ণ জীৱনৰ নিৰ্মাণ ৰং আৰু দেবুৰ বিশাল স্বপ্ন দৰ্শনে এক বিশেষ ভূমিকা পালন কৰিছে।

*গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত উপস্থাপন কৰা চৰিত্ৰসমূহে নানা ৰূপ পৰিগ্ৰহ কৰিছে। বিশেষকৈ সেই সময়ৰ সমাজব্যৱস্থা আৰু মানুহৰ মানসিক দ্বন্দ্ব, বিশ্বাস-অবিশ্বাসৰ মাজেৰে ৰূপান্তৰৰ পথে মানুহক হাতত ধৰিছে। *গণদেৱতাত* মুছলমান মানুহৰ জীৱন চৰ্যাইও ভূমিকা লৈছে। গাঁৱৰ জীৱনত অৰ্থনৈতিক, সামাজিক, অসামাজিক, সাম্প্ৰদায়িক বিলাসপূৰ্ণ কৰি তোলাৰ বাবে চৰিত্ৰসমূহৰ কথোপকথন, ভূমিকাত বিশিষ্ট ৰূপত বিস্তৃত কৰা হৈছে। ইৰছাদ ৰহমৰ দৰে নানা স্তৰৰ মুছলমান চৰিত্ৰই *গণদেৱতাত* ব্যক্তি হিচাপে স্থান পাইছে। কিন্তু ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, আধ্যাত্মিক পদভূমিকাত চৰিত্ৰসমূহে এক দিশ দৰ্শনৰ বাবে প্ৰাণৱন্ত হৈ উঠিলেও তাত তেওঁলোকৰ ব্যক্তিগত পাৰিবাৰিক সমস্যা তথা ব্যক্তি হৃদয়ৰ আলোড়ন উপন্যাসত সিমান এটা দেখা নাযায়। ঔপন্যাসিকে *গণদেৱতা*ক গোষ্ঠী জীৱনক আশ্ৰয় কৰি জনগণৰ জীৱন চৰ্যাৰ ইতিহাসক স্বাভিমানী ৰূপেৰে অংকন কৰিব বিচাৰিছে।

**পাদটীকা ঃ**

১. Forster, E.M. : *Aspect of the Novel*, p.57

২. ভৰালী, শৈলেন ঃ *উপন্যাস বিচাৰ আৰু বিশ্লেষণ*, পৃ. ৭

৩. উল্লিখিত গ্ৰন্থ, পৃ. ১০

৪. উল্লিখিত গ্ৰন্থ, পৃ. ২৩

৫. উল্লিখিত গ্ৰন্থ, পৃ. ৬৫

৬. উল্লিখিত গ্ৰন্থ, পৃ. ১১৩

৭. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া উপন্যাসৰ গতিধাৰা*, পৃ. ১৩৬

৮. উল্লিখিত গ্ৰন্থ, পৃ. ১৩৭

৯. চলিহা, ভৱপ্ৰসাদ (সম্পা.) ঃ *নন্দনজ্যোতি*, প্ৰবীণ চন্দ্ৰ দাসৰ প্ৰবন্ধ 'লোক জীৱনৰ অংগনত গঙা চিলনীৰ পাখি', পৃ.

১০. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি*, পৃ. ১৫

১১. উল্লিখিত গ্ৰন্থ, পৃ. ৪৭

১২. উল্লিখিত গ্ৰন্থ, পৃ. ৫৪

১৩. উল্লিখিত গ্ৰন্থ, পৃ. ৫৭

১৪. উল্লিখিত গ্ৰন্থ, পৃ. ৬০

১৫. উল্লিখিত গ্ৰন্থ, পৃ. ৬১

১৬. উল্লিখিত গ্ৰন্থ, পৃ. ৬৫

১৭. উল্লিখিত গ্ৰন্থ, পৃ. ৬৬

১৮. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া উপন্যাসৰ গতিধাৰা*, পৃ. ১৩৮

১৯. ঠাকুৰ, নগেন (সম্পা.)ঃ *এশ বছৰৰ অসমীয়া উপন্যাসৰ* পৰাগ কুমাৰ ভট্টাচাৰ্যৰ প্ৰবন্ধ লক্ষ্মীনন্দন বৰাৰ 'উপন্যাস পৰম্পৰা আৰু আধুনিকতাৰ দ্বন্দ্ব', পৃ. ৬০৫

২০. উল্লিখিত গ্ৰন্থ, পৃ. ৯৪

২১. উল্লিখিত গ্ৰন্থ, পৃ.৯৬

২২. উল্লিখিত গ্ৰন্থ, পৃ. ৯৭

২৩. কলিতা, ভুবনচন্দ্ৰ (সম্পা.) ঃ *নন্দনজ্যোতি-প্ৰবীণ* চন্দ্ৰ দাসৰ প্ৰবন্ধ লোক জীৱনৰ অংগনত গঙা চিলনীৰ পাখি,

২৪. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া উপন্যাসৰ গতিধাৰা*, পৃ. ১৩৫

২৫. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি*, পৃ. ৭০

২৬. উল্লিখিত গ্ৰন্থ, পৃ. ১০৪

২৭. উল্লিখিত গ্ৰন্থ, পৃ. ৬০

২৮. উল্লিখিত গ্ৰন্থ, পৃ. ৬৪

২৯. উল্লিখিত গ্ৰন্থ, পৃ. ৪৮

৩০. উল্লিখিত গ্ৰন্থ, পৃ. ১২৭

৩১. উল্লিখিত গ্ৰন্থ, পৃ. ১

৩২. উল্লিখিত গ্ৰন্থ, পৃ. ৯

৩৩. উল্লিখিত গ্ৰন্থ, পৃ. ১৩

৩৪. উল্লিখিত গ্ৰন্থ, পৃ. ২৩

৩৫. উল্লিখিত গ্ৰন্থ, পৃ. ৭০

৩৬. উল্লিখিত গ্ৰন্থ, পৃ. ৮১

৩৭. উল্লিখিত গ্ৰন্থ, পৃ. ৮৫

৩৮. উল্লিখিত গ্ৰন্থ, পৃ. ৮৬-৮৭

৩৯. উল্লিখিত গ্ৰন্থ, পৃ. ৮৮

৪০. উল্লিখিত গ্ৰন্থ, পৃ. ৯১

৪১. উল্লিখিত গ্ৰন্থ, পৃ. ১২০

৪২. শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া উপন্যাসৰ গতিধাৰা*, পৃ. ১৩৭

৪৩. ঠাকুৰ, নগেন (সম্পা.)ঃ *এশ বছৰৰ অসমীয়া উপন্যাসৰ* পৰাগ কুমাৰ ভট্টাচাৰ্যৰ প্ৰবন্ধ লক্ষ্মীনন্দন বৰাৰ 'উপন্যাস পৰম্পৰা আৰু আধুনিকতাৰ দ্বন্দ্ব', পৃ. ৬০৩-৬০৪

৪৪. উল্লিখিত গ্ৰন্থ, পৃ. ৩৬

৪৫. উল্লিখিত গ্ৰন্থ, পৃ. ৮০

৪৬. বৰা, লক্ষ্মীনন্দন ঃ *পাতাল ভৈৰৱী*, পৃ. ১৮১

৪৭. উল্লিখিত গ্ৰন্থ, পৃ. ২৭৩

৪৮. উল্লিখিত গ্ৰন্থ, পৃ. ২৭৪

৪৯. উল্লিখিত গ্ৰন্থ, পৃ. ২৮১

৫০. মিশ্ৰ, কৃষ্ণ কুমাৰ ঃ *প্ৰসঙ্গ, উপন্যাস*, পৃ.৯৯

৫১. উল্লিখিত গ্ৰন্থ, পৃ. ৯৮

৫২. উল্লিখিত গ্ৰন্থ, পৃ. ৬০৯

৫৩. বৰা, লক্ষ্মীনন্দন ঃ *পাতাল ভৈৰৱী*, পৃ. ১৮১

৫৪. অন্ধকাৰ জগতৰ ব্যৱসায়ীৰ মাজত প্ৰচলিত এক গুপ্ত ভাষা

৫৫. উল্লিখিত গ্ৰন্থ, পৃ. ৬৩

৫৬. উল্লিখিত গ্ৰন্থ, পৃ. ১৭৩-১৭৪

৫৭. উল্লিখিত গ্ৰন্থ, পৃ. ৪৭

৫৮. উল্লিখিত গ্ৰন্থ, পৃ. ৩৩

৫৯. উল্লিখিত গ্ৰন্থ, পৃ. ৩৪

৬০. উল্লিখিত গ্ৰন্থ, পৃ. ১৮১

৬১. উল্লিখিত গ্ৰন্থ, পৃ. ১৮২

৬২. উল্লিখিত গ্রন্থ, পৃ. ২৬৫
৬৩. উল্লিখিত গ্রন্থ, পৃ. ২৫৪
৬৪. উল্লিখিত গ্রন্থ, পৃ. ৮৩
৬৫. উল্লিখিত গ্রন্থ, পৃ. ২৭৬
৬৬. উল্লিখিত গ্রন্থ, পৃ. ২৮১
৬৭. উল্লিখিত গ্রন্থ, পৃ. ২৭৯
৬৮. উল্লিখিত গ্রন্থ, পৃ. ১৪৯
৬৯. উল্লিখিত গ্রন্থ, পৃ. ১৪৯
৭০. উল্লিখিত গ্রন্থ, পৃ. ২১৭
৭১. উল্লিখিত গ্রন্থ, পৃ. ২৩৬
৭২. উল্লিখিত গ্রন্থ, পৃ. ২৬০
৭৩. উল্লিখিত গ্রন্থ, পৃ. ১১৪
৭৪. উল্লিখিত গ্রন্থ, পৃ. ১১৫
৭৫. উল্লিখিত গ্রন্থ, পৃ. ২২২
৭৬. উল্লিখিত গ্রন্থ, পৃ. ২৩৩
৭৭. উল্লিখিত গ্রন্থ, পৃ. ২৪৩
৭৮. উল্লিখিত গ্রন্থ, পৃ. ২২০
৭৯. উল্লিখিত গ্রন্থ, পৃ. ২২১
৮০. উল্লিখিত গ্রন্থ, পৃ. ২২১
৮১. মুখার্জী, রঞ্জুশ্রী পাত্র ঃ *উপন্যাসিক তারাশংকর, মোহনদাস করমচাদ গান্ধী ঃ আমার ধ্যানের ভারত*, পৃ. 26
৮২. মুখার্জী, রঞ্জুশ্রী পাত্র ঃ *তারাশংকর বন্দ্যোপাধ্যায় সমাজের অবক্ষয়*, পৃ.১৭
৮৩. গুপ্ত, ক্ষেত্র ঃ *বাংলা উপন্যাসের. ইতিহাস*, পৃ.৭০

# চতুৰ্থ অধ্যায়

# লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ সমাজভাৱনা

## ৪.১ ভূমিকা ঃ

মানুহক লৈয়ে সমাজ গঠিত। সেয়ে মানুহ আৰু সমাজৰ সম্পৰ্ক ওতঃপ্ৰোত। অন্যহাতে সাহিত্যৰ সৃষ্টি মানুহৰ হাততেই। গতিকে মানুহ, সমাজ আৰু সাহিত্য তিনিওৰে মাজত এক এৰাব নোৱাৰা সম্পৰ্ক বিৰাজমান। বাস্তৱ সমাজৰ বিভিন্ন দিশ কল্পনাৰ সংমিশ্ৰণেৰে সাহিত্যৰ মাজেৰে প্ৰতিবিম্বিত কৰি তোলা হয়। এনে প্ৰতিবিম্বন যিমানেই উৎকৃষ্ট হয়, সিমানেই সাহিত্যই সাৰ্থকতা দাবী কৰিব পাৰে। সাহিত্য লাগিলে যি শ্ৰেণীৰে নহওক কিয় সমাজৰ প্ৰতিচ্ছৱি সেইশ্ৰেণীৰ সাহিত্যত অন্তঃসলিলা ফল্গুধাৰাৰ দৰে বিয়পি থাকে। সেইবাবে সমালোচকসকলেও সাহিত্যত সমাজৰ প্ৰভাৱৰ দিশটোক উলাই কৰিব পৰা নাই। সমালোচকৰ ভাষাত—সমাজৰ যি চেহেৰা কেৱল মনোধৰ্মী অৱলোকনতে ফুটি উঠে, মানুহৰ বিৱৰ্তনশীল চেতনাই যুগে যুগে জীৱনৰ অভিজ্ঞতাৰ যি মূল্যায়ন কৰে, তাৰ প্ৰকৃত সন্ধেদ পোৱা যায় সাহিত্যত।[১]

এখন সমাজৰ বাস্তৱ জীৱনৰ বিভিন্ন কৰ্মশৈলী সম্পৰ্কে লেখক এজন সদায়েই জ্ঞাত হৈ থাকে। সেইবাবেই লেখকৰ অজ্ঞাতসাৰেই এখন সমাজৰ বিভিন্ন ধাৰণাই তেখেতৰ লেখনিক প্ৰতিনিধিত্ব কৰে। ইচ্ছা কৰিলেও কোনো সাহিত্যিকেই সমাজৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব নোৱাৰে। কিয়নো প্ৰতিজন লেখকেই সমাজৰ প্ৰতি সম্পূৰ্ণৰূপে দায়বদ্ধ। তেওঁলোকৰ এনে দায়বদ্ধতা প্ৰকাশি উঠে সাহিত্যৰ মাজেৰে। সাহিত্যিকৰ সমাজ চেতনাৰ ফলত উকমুকাই থকা মানৱ জীৱনৰ বিভিন্ন সমস্যা সাহিত্যৰ পাতত বিস্তৃতভাৱে সৰস বৰ্ণনাৰে উদ্ভাসি উঠে। সেয়ে এনেবোৰ বিষয়ে পাঠক চিত্তক সহজে উদ্বেলিত কৰে।

যুগৰ পৰিৱৰ্তনৰ লগে লগে এখন সমাজৰ সামাজিক আদৰ্শৰো পৰিৱৰ্তন ঘটে।

এনে পৰিৱৰ্তনৰ সতে মোকাবিলা কৰিবলৈ সমাজৰ প্ৰতিজন সদস্যই উঠি পৰি লাগে। এনে পৰিপ্ৰেক্ষিতত সামাজিকভাৱে দায়বদ্ধ এজন লেখকৰ সামাজিক প্ৰমূল্য জীয়াই ৰখাৰ ক্ষেত্ৰত লক্ষণীয় ভূমিকা হ'ব পাৰে। সাহিত্যিক এজনে তেখেতৰ ৰচিত সাহিত্যত এখন সমাজৰ হুবহু প্ৰতিফলন ঘটাব পাৰে। যাৰ ফলত তেনে সাহিত্যিকৰ ৰচনাৰ জৰিয়তে সমকালীন সমাজৰ বিভিন্ন দিশ সম্পৰ্কে অৱগত হ'ব পাৰি। কিয়নো সাহিত্য কৰ্মই সমাজৰ সৈতে থকা লেখকৰ সম্পৰ্ক প্ৰতিফলন কৰে।[২]

সমাজৰ বিভিন্ন অৱস্থাৰ পৰাহে সাহিত্যৰ উৎপত্তি হয় সেয়ে সাহিত্যত সমাজ এখনৰ সকলো দিশৰ বিষয়ে খুটি-নাটি মাৰি আলোচনা কৰাটো এজন লেখকৰ দায়বদ্ধতাৰ অন্তৰ্গত।

সমাজ ভেদে সাহিত্য ভিন ভিন হয়। কিয়নো অঞ্চলভেদে সামাজিক পৰিৱেশ বিভিন্ন ধৰণৰ হয়। প্ৰতিটো অঞ্চলক প্ৰতিনিধিত্ব কৰা একো একোখন সমাজৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, পৰম্পৰা আদিবোৰ অঞ্চলভেদে সুকীয়া হোৱাৰ পৰিণতিত সাহিত্যৰ জগতখনতো তেনে প্ৰভেদ পৰিলক্ষিত হয়।

আমাৰ গৱেষণাৰ বাবে নিৰ্বাচিত অসমীয়া আৰু বাংলা উভয় ভাষাৰে ঔপন্যাসিক দুগৰাকীৰ আটাইকেইখন উপন্যাসতে যথাযথ ৰূপত সমাজৰ প্ৰতিফলন ঘটিছে। লক্ষ্মীনন্দন বৰাৰ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখি* দুইখন উপন্যাসতে ভিন্ন ধৰণৰ দুখন সমাজ প্ৰতিবিম্বিত হৈ উঠিছে। নৈপৰীয়া গ্ৰাম্য সমাজখনৰ জীৱন্ত দলিল ৰূপে *গঙা চিলনীৰ পাখি* উদ্ভাসি উঠিছে। অন্যহাতেদি *পাতাল ভৈৰৱী* উপন্যাসখনত গ্ৰাম্য সমাজখনৰ পৰিৱৰ্তে অন্য এখন সমাজৰ ছবিহে পূৰ্ণমাত্ৰাই প্ৰকাশি উঠিছে। সেইখন সমাজ অপৰাধ জগতৰ সমাজ। কিন্তু অপৰাধী সমাজখনৰ লগতে অন্যান্য সামাজিক কিছুমান দিশ উপন্যাসখনত প্ৰকট হৈ পৰিছে, যিবোৰ কেতিয়াও উলাই কৰিব নোৱাৰি। যদিওবা অপৰাধী জগতৰ বিভিন্ন দিশৰ বৰ্ণনাৰে *পাতাল ভৈৰৱী* উপন্যাসখনৰ পৃষ্ঠা অংকুৰিত হৈ আছে, তথাপি তাৰ সমানে সমানে গ্ৰাম্য পটভূমিৰ সমাজখনৰ সজীৱ বৰ্ণনা

উদ্ভাসি উঠিছে। ইয়াৰ লগে লগে ঘনে ঘনে সলনি হৈ থকা ভাৰত তথা অসমৰ ৰাজনৈতিক প্ৰেক্ষাপট তথা শৰণাৰ্থীয়ে গা কৰি উঠা অসমীয়া সমাজখনৰ বাতাবৰণ সম্পৰ্কেও তেখেতে আভাস দিবলৈ চেষ্টা কৰিছে। সমাজ-জীৱনৰ এনে বিভিন্ন দিশ উপন্যাসৰ পাতত অৱলোকন কৰা বৰাক প্ৰকৃত অৰ্থত এগৰাকী সমাজ সচেতন লোক বুলি ক'ব পাৰি। সেই কথাত কোনো দ্বিমত নাই। কিয়নো নিৰ্বাচিত দুয়োখন উপন্যাসতে গ্ৰাম্য সমাজ জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে সংস্পৃক্ত হৈ থকা ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱন প্ৰোজ্জ্বল হৈ উঠিছে।

আনহাতে তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ দুয়োখন নিৰ্বাচিত উপন্যাস *গণদেৱতা* আৰু *পঞ্চগ্ৰাম* উভয়তে বঙলা গ্ৰাম্য সমাজৰ বিৱৰ্তিত ৰূপ সুন্দৰভাৱে চিত্ৰিত কৰি তুলিছে। প্ৰকৃততে দুইখন উপন্যাস পৃথকভাৱে নামাংকিত হ'লেও উপন্যাসৰ কাহিনীভাগ একেডাল সূতাৰে গাঁথি উলিওৱা হৈছে। *গণদেৱতা* উপন্যাসৰ কাহিনীভাগৰ সমাপ্তিৰ পাছতে আৰম্ভ কৰা হৈছে *পঞ্চগ্ৰাম* উপন্যাসৰ কাহিনী। সংযোগ বিচ্ছিন্ন নকৰাকৈ নিৰ্মাণ কৰা হৈছে কাহিনীৰ গতি। দুইখন উপন্যাসতে বিৱৰ্তনশীল গ্ৰাম্য সমাজৰ ৰূপটো প্ৰতীয়মান হৈছে। এখন আদৰ্শাত্মক সমাজ গঠনৰ কথা অহৰহ চিন্তা কৰা তাৰাশংকৰ বন্দ্যোপাধ্যায়ে তেখেতৰ প্ৰায়কেইখন উপন্যাসতে ভাঙোনমুখী গ্ৰাম্য সমাজখন আৰু ক্ৰমাৎ গাঁৱলীয়া সমাজখনক প্ৰভাৱিত কৰিবলৈ ধৰা চহৰকেন্দ্ৰিক সমাজখনৰ কথাও উল্লেখিত কৰিবলৈ পাহৰা নাই।

## ৪.২ গঙা চিলনীৰ পাখি উপন্যাসৰ সমাজ ভাৱনা ঃ

লক্ষ্মীনন্দন বৰাই *গঙা চিলনীৰ পাখি* উপন্যাসখনত নগাঁও জিলাৰ সোণাইপৰীয়া মানুহৰ জীৱন পৰিক্ৰমাক উপন্যাসৰ আকাৰত তুলি ধৰোতে মানুহৰ মাজত থকা জীৱনবোধ, মূল্যবোধ, অৰ্থনৈতিক, সামাজিক, ধাৰ্মিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দৃষ্টিভংগীক অতি সাৱধান আৰু সচেতনতাৰে উত্থাপন কৰিছে। ঔপন্যাসিকৰ সামাজিক দায়বদ্ধতা আৰু সমাজ নিৰ্মাণৰ দূৰন্ত চিন্তা চেতনাৰ দৌৰে কলাত্মক ৰূপ লাভ কৰোঁতে সমকালীন সময়ৰ সমাজৰ বিভিন্ন বৰ্ণনাই কাহিনীক গতি প্ৰদান কৰিছে।

*গঙা চিলনীৰ পাখি* উপন্যাসখনত ঔপন্যাসিকৰ সমাজ সচেতন দৃষ্টিভংগীয়ে কেইবাটাও দিশৰে ৰূপ পৰিগ্ৰহ কৰিছে। সমকালীন সমাজখনৰ বৰ্ণনা প্ৰসংগত ঔপন্যাসিকে সমাজত নাৰী-পুৰুষ উভয়ৰে স্থান সম্পৰ্কে পাঠকক আভাস দিবলৈ সক্ষম হৈছে। সমাজত নাৰীয়ে আজীৱন পুৰুষৰ আৱেষ্টনীৰ মাজত জীয়াই থাকিব লগা কথাটো প্ৰকাৰন্তেৰে ঔপন্যাসিকে কাহিনীৰ মাজত ফুটাই তুলিছে। আমাৰ সমাজত নাৰী স্বাধীন নহয়। সমাজ নিৰ্ধাৰিত এক বান্ধোনৰ মাজত নাৰীয়ে জীৱন অতিবাহিত কৰিব লগা হয়। ঔপন্যাসিকে সেয়ে সমকালীন সমাজৰ বৰ্ণনা কৰোঁতে মূলতঃ ছোৱালীৰ বিবাহত পুৰুষৰ সিদ্ধান্তই যে চূড়ান্ত তাক প্ৰতীয়মান কৰি এনে বিধি ব্যৱস্থাক আঁতৰাই নাৰীৰ স্বাধীনতাৰ দিশটোকে টানি আনিছে। ঔপন্যাসিকৰ মনৰ মাজত বিদ্ৰোহে নাৰী পুৰুষৰ সমকক্ষ অৱস্থান এটা পক্ষপাতিত্ব কৰাৰ ৰূপ প্ৰকট হৈ উঠিছে।

দৰাচলতে পুৰুষতান্ত্ৰিক সমাজখনত পুৰুষৰ ইচ্ছা-অনিচ্ছাৰ ওপৰতহে নাৰীৰ জীৱন পৰিচালিত হয়। সেয়ে তৰুলতাই বাসন্তীক সোঁৱৰাই দিছে—"মনে খনা পুখুৰীত কিমানে পানী খাবলৈ পাইছে?"[৩] সমাজৰ ৰীতি-নীতিৰ শৃংখলাৰ দেৱালখন অতিকৰ্ম কৰিব খোজা মানেই নাৰীয়ে পুৰুষৰ জীৱনলৈ বিপদ চপাই অনা। উপন্যাসত এই কথা উপস্থাপিত হ'লেও প্ৰকৃততে শেষৰ ফাললৈ ঔপন্যাসিকে পুৰুষ প্ৰধান সমাজৰ বিৰুদ্ধে বাসন্তীৰ জৰিয়তে যেন প্ৰতিবাদ সাব্যস্ত কৰি তুলিছে। ঔপন্যাসিকে সোণাইপৰীয়া সমাজত পৰম্পৰাগতভাৱে পুৰুষে চলোৱা শাসন ব্যৱস্থাৰ চৰিত্ৰ চিত্ৰণ কৰোঁতে উদাৰ দৃষ্টিভংগী আৰু বৈজ্ঞানিক সমাজ ব্যৱস্থাৰ প্ৰতি ধাবিত ৰূপ এটা দেখা যায়। এই ক্ষেত্ৰত উপন্যাসখনৰ শেষৰ পিনে হিন্দুৰ বিধৱা নাৰী বাসন্তীয়ে বৈধব্য জীৱনৰ যন্ত্ৰণা তথা সমাজৰ দুৰ্ভেদ্য বেহুৰ মাজতো ধনঞ্জয়ৰ প্ৰতি পুনৰ আকৃষ্ট হোৱা আৰু ধনঞ্জয়ক জীৱন সংগী কৰাৰ হাবিয়াসৰ দ্বাৰা ঔপন্যাসিকে নাৰী সচেতনতাৰ দিশটো ফুটাই তুলিছে। লগতে পৰম্পৰাৰ বেহু ভাঙি ওলাই আহিব খোজা নাৰীৰ স্বৰূপ প্ৰকাশি উঠিছে। ঔপন্যাসিকে নাৰীৰ স্বাভিমানক সমাজৰ প্ৰগতিৰ বাটৰ ধাৰক, বাহক ৰূপে নিৰ্ণয় কৰিব খুজিছে। ঔপন্যাসিকৰ সমাজ সচেতন দৃষ্টিভংগী বাসন্তীৰ জৰিয়তে প্ৰকাশি উঠিছে—

আমি এতিয়াও বুঢ়াকাল পোৱাহি নাই। জীয়াই থাকিবলৈ বহুত দিন আছে। কেনেকৈনো আমি জীৱনৰ বাকীছোৱা কাল কটাই দিম? ইয়াৰ কিবা ব্যৱস্থা নাইনে? বহুত পুথি পঢ়িলো। তথাপি পৰজন্মৰ পূণ্যৰ বিষয়ে মোৰ ভালকৈ জনা নহ'ল। যিজন ঈশ্বৰে ইহ জনমতে এনে নিদাৰুণ ব্যৱহাৰ কৰিছে, সেইজন ঈশ্বৰেই পৰজনমত সুখ দিব বুলি কোনে বিশ্বাস কৰিব? বুজি পাইছো, মই তোমাৰ হৈ যোৱা বুলি মানুহে বিচূৰ্তি খাব। কিন্তু.........”[৪]

প্ৰাচীন কালৰে পৰা পুৰুষশাসিত ব্যৱস্থাৰ পৰিকাঠামো ভাঙি পৰম্পৰাক বিজ্ঞানসন্মত দৃষ্টিভংগীৰে ঔপন্যাসিকে আমাৰ চকুত তুলি ধৰোতে মানৱীয় প্ৰমূল্যৰ বিকাশৰ বাট এটাৰ প্ৰতি আমাক আকৃষ্ট কৰিছে। য'ত নাৰী আৰু পুৰুষৰ সমমান অধিকাৰৰ প্ৰসংগই সমাজক আলোকিত কৰাৰ পথ প্ৰশস্ত কৰাৰ যত্ন মননশীল ৰূপত ফুটি উঠিছে।

ঔপন্যাসিকৰ দৃষ্টিত এই কথা স্পষ্ট হৈ উঠিছে যে, সোণাইপৰীয়া সমাজ-ব্যৱস্থাত নাৰীৰ শিক্ষাৰ ব্যৱস্থাটো দুখ লগা। সোণাইৰ পাৰত পুৰুষ-নাৰী উভয়ৰে শিক্ষাগত দিশৰ প্ৰতি কোনো ধাউতি দেখা নাযায়। এই ক্ষেত্ৰত কৰ্তৃপক্ষও নীৰৱ। সমাজখনক শিক্ষাগত দিশেৰে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ লোৱা ধাৰণাটো উপন্যাসখনত বিৰল। সেয়ে এচাম লোক সমাজত সদায়ে অৱহেলিত হৈ আহিছে। বিশেষকৈ নাৰীসকল। সমাজত নাৰী সমাজ সততে বিমুখ হৈ অহাৰ আঁৰত শিক্ষাৰ দিশটোও জড়িত হৈ আছে। ঔপন্যাসিকে এই ধৰণৰ দিশৰ সৈতে কৰা কাহিনীৰ উপস্থাপনে এখন সমাজৰ ব্যক্তিসকলৰ বঞ্চিত বিষয়সমূহে প্ৰগতিৰ ক্ষেত্ৰত দেখা দিয়া অন্তৰায়ৰ কথাকে ব্যক্ত কৰিব বিচাৰিছে। শিক্ষাৰ প্ৰসাৰৰ অভাৱত মানুহৰ মনত নতুন নতুন নীতিবোধৰ উন্মেষ হোৱা নাই।[৫] কিয়নো লেখক এজন সমাজৰ বিভিন্ন শ্ৰেণীৰ জীৱন সংগ্ৰামৰ লগত পৰিচিত। বিভিন্ন সামাজিক বিষয়সমূহৰ পৰা তেওঁ বিচ্ছিন্ন নহয়, বৰঞ্চ অভিন্ন।[৬]

*গঙা চিলনীৰ পাখি* উপন্যাসখনত বৰ্ণিত সোণাইপৰীয়া সমাজ- ব্যৱস্থাত মানুহৰ মাজত উপযুক্ত বিজ্ঞানসন্মত চিকিৎসাৰ অভাৱ দেখা যায়। যাৰ ফলত জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰ আৰু প্ৰাচীন চিকিৎসা পদ্ধতিকে তেওঁলোকৰ চিকিৎসাৰ মাধ্যম ৰূপে ব্যৱহাৰ কৰিছিল। উপন্যাসখনত হোমিঅ'পেথিক চিকিৎসাৰ কথা বিবিধ উপলক্ষ্যত ঔপন্যাসিকে বৰ্ণনা

কৰিছে। ব্যক্তিবিশেষক চিকিৎসাৰ বাবে গৰু গাড়ীত তুলি দূৰদূৰণিৰ চিকিৎসালয়লৈ নিয়াৰ দৃশ্যসজ্জাৰ বৰ্ণনাই সেই অঞ্চলৰ বাট-পথৰ দুৰাৱস্থাৰ কথাকো দোহাৰে। সঠিক আৰু সময়োপযোগী চিকিৎসাৰ ব্যৱস্থা থকা হ'লে সাধাৰণ জনতাই এনে আহুকালৰ সন্মুখীন হ'ব লগা নহ'লহেতেন—

শেহত ভোগৰামে ক'লে যে দুদিনৰ পাছত সি গৰু-গাড়ীত মাকক জিলালৈ নিব।[৭]

বাসন্তীৰ সন্তান প্ৰসৱৰ সময়ছোৱাৰ বৰ্ণনা উপন্যাসখনিত তেনেই অবৰ্ণনীয়। সন্তান প্ৰসৱৰ আগৰছোৱা আৰু প্ৰসৱোত্তৰ সময়ৰ জৰা-ফুকা কৰাৰ ফলতে শিশুটিয়ে আধুনিক বিজ্ঞানসন্মত চিকিৎসাৰ পৰা বঞ্চিত হৈ মৃত্যু মুখত পৰে। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ প্ৰতি অত্যাধিক আকৃষ্ট হোৱাৰ ফলতে বাসন্তীৰ কোলা উদং কৰি শিশুটিয়ে জন্ম হৈয়ে মৃত্যুক আঁকোৱালি ল'ব লগা হয়। এয়া যেন চিকিৎসাবিজ্ঞানৰ প্ৰতি এক উপহাসহে—

> ঘৰৰ চালৰ ওপৰত ল'ৰা দুটা উঠি ভগা টিং দুটা বজাই দিলে। মানুহৰ বিশ্বাস যে এনে কৰিলে তলকা মাৰি থকা ল'ৰা সাৰ পাই উঠিব। কিন্তু কামত নাহিল। ল'ৰাৰ আগৰ দৰেই মৰা যেন অৱস্থা।[৮]

এনে ধৰণৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে ঔপন্যাসিকৰ সচেতন আৰু সমাজ সংস্কাৰমূলক দৃষ্টিভংগী চিকিৎসাৰ ক্ষেত্ৰত প্ৰকাশি উঠিছে। প্ৰত্যক্ষ বা পৰোক্ষভাৱে হ'লেও ঔপন্যাসিকৰ মনোজগতৰ ভিতৰত থকা বিজ্ঞানসন্মত দৃষ্টিভংগী এনে বৰ্ণনাৰ মাজেৰে উদ্ভাসি উঠিছে।

উপন্যাসখনিত নাৰীৰ অৱহেলিত ৰূপ আৰু পুৰুষৰ দ্বাৰা দমনমূলক নীতিৰ প্ৰতি বিযেদগাৰ প্ৰকাশ কৰি নাৰীক সামাজিক প্ৰগতিৰ স্বৰূপ কৰি তুলিবলৈ বাসন্তী আৰু তৰুলতাৰ জৰিয়তে ঔপন্যাসিক একাধিকবাৰ প্ৰয়াস কৰিছে। কিন্তু সমাজৰ বুজন সংখ্যক নাৰীয়ে সংসাৰ চম্ভালিব লগা হোৱা, নিৰক্ষৰ ৰূপ এটাৰে সমাজত থাকিব লগা হোৱাত নাৰীৰ যি স্বভিমান সেয়া যেন স্তিমিত হৈ উঠিছে। ঔপন্যাসিকে নাৰীক প্ৰগতিৰ বাটেৰে সমাজৰ প্ৰতীক কৰাৰ বিজ্ঞানসন্মত ভাবনাক তুলি ধৰাৰ ক্ষেত্ৰত এক ৰূপ পৰিগ্ৰহ কৰিছে।

*গঙা চিলনীৰ পাখি* উপন্যাসখনত বৰ্ণিত চৰিত্ৰসমূহৰ আৰ্থসামাজিক ছৱিখন অতি জটিল। গ্ৰাম্যসমাজত বাস কৰা ব্যক্তি জীৱনৰ মানদণ্ড কৃষিক কেন্দ্ৰ কৰিয়ে পৰিচালিত হৈছিল। অবৈজ্ঞানিক কৃষিব্যৱস্থা, বানপানীৰ সমস্যা আৰু কৃষকে উৎপাদিত হোৱা সামগ্ৰীৰ উপযুক্ত মূল্য নোপোৱাটো উপন্যাসখনত গুৰুত্ব সহকাৰে বৰ্ণিত। ইয়াৰ মূল কাৰণ হিচাপে ক'ব পাৰি বাহিৰৰ বনিয়াই কৰা প্ৰতাৰণা, ঠগ আৰু প্ৰৱঞ্চনাৰ কথা। বাট-পথৰ দুৰাৱস্থা আৰু দূৰ্বল অৰ্থনীতিৰ হেঁচাত কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ দূৰ-দূৰণিলৈ বিক্ৰীৰ বাবে নিয়াৰ ক্ষেত্ৰত প্ৰচণ্ড প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল। থলুৱাভাৱে উৎপাদিত কপাহী কাপোৰ বা অন্যান্য থলুৱা সামগ্ৰীৰ উৎপাদন কমি যোৱা আৰু বজাৰত এইবোৰৰ গুৰুত্ব হ্ৰাস পোৱাৰ মূলতে আছিল বহিৰাগত বনিয়াৰ চতুৰ ব্যৱসায়িক চৰিত্ৰ। এনে বাটেৰে লাহে লাহে বনিয়াসকলে গ্ৰাম্য বজাৰখন দখল কৰাৰ পথ প্ৰশস্ত কৰি লৈছিল—

> চাইকেলৰ অৱস্থা বেয়া কাৰণে সি দুসপ্তাহ ফুলগুৰি হাটলৈ যোৱা নাছিল। পাছদিনা শনিবাৰ আছিল কাৰণেই কাপোৰৰ টোপোলাটো চাইকেলত বোজাই কৰি ফুলগুৰি হাট পালেগৈ। হাট পাইহে যি বিচূৰ্তি খালে। কটা কাপোৰ বেচা দোকানেই দহ-বাৰখন। হৰেক ৰকমৰ কাপোৰেৰে সেইবোৰ দোকান জমমকাই আছে। বেপাৰীবোৰ চহৰৰ। ফুলগুৰিৰে ধান-মৰাপাটৰ কাৰবাৰ কৰা গেৰুৱা কেঞাৱো এই ব্যৱসায়ত ধৰিছে। সিও এখন বুজন বিধৰ দোকানেই দিছে। এই দোকানবোৰত বিবিধ ৰঙৰ আৰু বিবিধ পছন্দৰ কাপোৰ পোৱা যায় কাৰণেই কিনোতা জুম বান্ধিছে।[৯]

অন্যহাতে হঠাতে বাট-পথ, দলং আদি নিৰ্মাণ হৈ উঠাত চহৰৰ সৰু বৰ বণিয়াসকলৰ গাড়ী-মটৰৰ আহ-যাহ আৰু বাহিৰিৰ উৎপাদিত সামগ্ৰীয়ে গ্ৰাম্য বজাৰ ভৰি পৰাত থলুৱা বেপাৰী আৰু কৃষকসকলৰ জীৱনৰ বাবে অৰ্থনৈতিক প্ৰত্যাহ্বান কঢ়িয়াই আনে—

> গাঁৱৰ মানুহবোৰে যদি স্বৰাজৰ আগৰ দিনৰ দৰে হাতে-কটা সূতাৰ কাপোৰ পিন্ধিলেহেতেন, তেতিয়াহ'লে এই বেপাৰীবোৰে মানুহক ভুৰুকিয়াবলৈ ইমান

> ছল নেপালেহেঁতেন। আৰু সিও আজি এনে শোচনীয়ভাৱে সিহঁতৰ ওচৰত হাৰ নেমানিলেহেঁতেন। মানুহৰ পিন্ধন-উৰণত আগৰ অৱস্থা থকা হ'লে তাৰ ঘৰতো দুখন তাঁতশালে ভালেমান পইচা আৰ্জিলেহেঁতেন।[১০]

ঔপন্যাসিকে এনে বৰ্ণনাৰ দ্বাৰা গ্ৰাম্যজীৱনৰ মানুহৰ সামাজিক-অৰ্থনৈতিক জীৱনবোধৰ মাজত সোমাই পৰা কেৰোণবোৰ বাখ্যা কৰি অৰ্থনৈতিক বুনিয়াদৰ ভেঁটি সবল কৰি তুলিবলৈ আধুনিক বিজ্ঞানসন্মত কৃষি উৎপাদন আৰু চৰকাৰী সাহাৰ্যই তেওঁলোকক কেনেকৈ স্বাৱলম্বী কৰি তুলিব পাৰি তাৰ দৃষ্টি আকৰ্ষণ কৰে। আনহাতে প্ৰশাসন যন্ত্ৰই জনগণক সহায় কৰাৰ পৰিৱৰ্তে নানা ধৰণে কৰা হাৰাশাস্তিয়ে সামাজিক চৰিত্ৰৰ মাজত সোমোৱা কেৰোণবোৰ উদঙাই দিয়াত ঔপন্যাসিকৰ সামাজিক দায়বদ্ধতাৰ ৰূপটো প্ৰকট হৈ উঠিছে। এনে দৃষ্টিভংগী প্ৰকাশি উঠিছে ভোগৰামে কৃষি লোণ বিচাৰি শূণ্য হাত লৈ উভতি অহা বিষয়ত—

> ভোগৰামেও নিজৰ নিঃকিন অৱস্থাৰ কথা যি পাৰে ক'লে। কিন্তু কঠুৰা বিষয়াজনৰ হিয়া নুকুমলিল। তেওঁ ক'লে যে বেপাৰী মানুহক একোপধ্যে ঋণ দিব নোৱাৰি। আচল খেতিয়কৰে জাপ জাপ দৰ্খাস্ত তেওঁৰ টেবুলত পৰি আছে। সিহঁতক দিবলৈকে টকাই নুকুলাব। সেইবোৰ নিয়ম মানি চলেমানে পাবলগীয়া ধানো অতি কমে ছমাহৰ পাছতহে দিব পৰা হয়। বিষয়াজনৰ কথা শুনি ধনঞ্জয়ৰ খং উঠে। অসমৰ কৃষি জীৱনৰ বিকলাংগ ৰূপটোৱে তাক হতাশ কৰে।[১১]

উপন্যাসখনত লেখকৰ সামাজিক বাস্তৱতাৰ দৃষ্টিভংগী অন্য দিশেৰেও উপস্থাপন কৰিছে। উপন্যাসখনত ৰাজনৈতিক দৃষ্টিকোণৰ কথা উল্লেখ কৰি ভণ্ডামি আৰু প্ৰবঞ্চনাৰ বাৰ্তাই ৰাজনৈতিক ব্যৱস্থাৰ প্ৰতি মানুহৰ দৃষ্টি আকৰ্ষণ কৰিছে। ঔপন্যাসিকৰ প্ৰখৰ সামাজিক আৰু ৰাজনৈতিক চেতনাই *গঙা চিলনীৰ পাখি* উপন্যাসখনত এক ব্যতিক্ৰম চৰিত্ৰ প্ৰতিফলিত কৰোঁতে সুবোধ শইকীয়া নামৰ ৰাজনীতিকজনৰ ভণ্ডামী, মিথ্যাচাৰৰ কথাৰ চৰিত্ৰ চিত্ৰণ মন কৰিবলগা হৈ ধৰা দিছে। নিজৰ ৰাজনৈতিক লাভালাভৰ বাবে সমাজৰ মানুহক প্ৰতাৰণা কৰি, মিছা কথা আৰু প্ৰলোভনেৰে তেওঁৰ পক্ষ কৰিবলৈ যত্ন

কৰিছে—তাৰ বাখ্যা গুৰুত্ব সহকাৰে মন কৰিবলগীয়া। ভোগৰামৰ দৰে লোকেও নিজৰ চৰিত্ৰ চৰিতাৰ্থ কৰিবলৈ সুবোধ শইকীয়াৰ ভণ্ডামীৰ ঘৰত প্ৰৱেশ কৰি ৰাইজক প্ৰৱঞ্চনা কৰাৰ বিৰল ছৱিখনৰ বিপৰীতে ৰাজনৈতিকভাৱে সৎ আৰু সমাজ হিতৈষী সঞ্জীৱ বৰুৱাৰ জীৱন দৰ্শনৰ ৰাজনীতিয়ে ধনঞ্জয় আৰু এচাম মানুহৰ বাবে আশাৰ বাৰ্তা কঢ়িয়াই আনিছে। সেয়ে ভংগুৰ ৰাজনীতিৰ গেলা আৱৰ্জনাৰ মাজত সঞ্জীৱ বৰুৱাৰ দৰে ৰাজনীতিকৰ আদৰ্শবাদী দৃষ্টিভংগীক মানুহৰ সমাজ উত্তৰণৰ গতিলৈ তৰান্বিত কৰাৰ বাটক চিকুণাই ঔপন্যাসিকে নিজৰ ৰাজনৈতিক দৰ্শনৰ চৰিত্ৰক প্ৰকট কৰিব খুজিছে। অৰ্থাৎ তেওঁৰ সামাজিক ভাবনাৰ স্বচ্ছ চেতনাই ভ্ৰষ্টাচাৰৰ ৰাজনীতিক ওফৰাই-মানৱীয় প্ৰমূল্যবোধৰ মানৱকল্যাণ ৰাজনীতিলৈ মানুহক আকৰ্ষণ কৰাৰ যত্ন বলিষ্ঠ হৈ আহিছে। প্ৰকাৰান্তেৰে ঔপন্যাসিকে সুবোধ শইকীয়াৰ দৰে ভণ্ড ৰাজনীতিকৰ বাতাবৰণ নিঃশেষ কৰিবলৈ সঞ্জীৱ বৰুৱাক ৰাজনীতিৰ পথাৰত প্ৰৱেশ কৰোৱাই ধ্বংসমুখী সমাজক ৰক্ষা কৰাৰ প্ৰয়াস গুৰুত্বপূৰ্ণ হৈ উঠিছে—

> আমি এনে এজন মানুহক বাছিব লাগিব যি নিজকে ৰাইজৰে এজন বুলি ভাবে আৰু ৰাইজৰ দুখক নিজৰ দুখ বুলি ভাবে। যিকেইজন মানুহ উঠিছে তাৰ ভিতৰত সঞ্জীৱ বৰুৱাই লায়ক মানুহ। তেওঁৰ উদ্দেশ্যও সজ, উপায়ো সজ।[১২]

ঔপন্যাসিকৰ এনে প্ৰখৰ চেতনাই উপন্যাসখনক মানুহৰ গ্ৰহণযোগ্য কৰি তুলিছে। ৰাজনীতিৰ ক্ষেত্ৰখনত সামাজিকভাৱে সাধাৰণ মানুহক নিঃশেষ কৰাৰ যি ষড়যন্ত্ৰ, সুবোধ শইকীয়াৰ দ্বাৰা সেয়া প্ৰকাশি উঠিছে। অন্যহাতে সুবোধ শইকীয়াৰ বিৰুদ্ধে সঞ্জীৱ বৰুৱাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰোৱাই আন্ধাৰৰ বিৰুদ্ধে পোহৰ আৰু ন্যায়ৰ বাৰ্তাক প্ৰকট কৰি তুলিছে। অন্যায় আৰু অনীতিৰে সুবোধ শইকীয়াৰ দৰে ব্যক্তিয়ে নিৰ্বাচনত জয়লাভ কৰিলেও ঔপন্যাসিকে সঞ্জীৱ বৰুৱাৰ দৰে সৎ আৰু নিকামনৰ ব্যক্তিৰ জৰিয়তে সাধাৰণ জনতাৰ মনত যিটো সমাজ সংস্কাৰমূলক বীজ ৰোপণ কৰিছে সেয়া বৰ্ণনাই কিঞ্চিত হ'লেও ঔপন্যাসিকৰ সামাজিক স্বচ্ছতাৰ স্বৰূপটো প্ৰখৰ কৰি তুলিছে। আনন্দ বৰমুদৈৰ মতে,

উপন্যাসখনৰ কাহিনীত সমাজ জীৱনলৈ অহা অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিৱৰ্তন দুটা প্ৰধান বিষয়।[১৩]

উপন্যাসখনত মানুহৰ সামাজিক মূল্যবোধৰ অৱক্ষয়ৰ স্বৰূপটো অতি প্ৰখৰতাৰে ঔপন্যাসিকে উপস্থাপন কৰিছে। ভোগৰামৰ চৰিত্ৰৰ জৰিয়তে কাহিনীকাৰজনে এনে দৃষ্টিভংগী প্ৰকট কৰি তুলিছে। অতি দৰিদ্ৰ ভোগৰামে কষ্ট কৰি জীৱন নিৰ্বাহ কৰাৰ পটভূমিৰ পৰা যেতিয়া ৰাজনীতি আৰু অসাধু ব্যৱসায়ীৰ লগ লাগি ধন ঘটিব ধৰিলে, তেতিয়াই যেন সি লাহে লাহে মূল্যবোধক কবৰ দি আহিল। অন্যায় আৰু অনীতিৰে সহজে ধন ঘটি ধনী হোৱাৰ বাসনাত ভোগৰামৰ চৰিত্ৰ স্খলিত হৈ পৰিল। অন্যহাতে সুবোধ শইকীয়াৰ দৰে চৰিত্ৰই ধন আৰু ক্ষমতাৰ লালসাত মানৱীয় সত্বাটোক হেৰুৱাই স্বাৰ্থপৰ হৈ উঠিছে। উপন্যাসখনত এই দুজন ব্যক্তিৰ ব্যক্তিকেন্দ্ৰিক মানসিকতাই তীব্ৰ ৰূপত গা কৰি উঠোতে সমাজৰ সমষ্টিগত ব্যক্তিত্বৰ প্ৰতি কৰা অৱহেলাই দূৰন্ত ৰূপ পাইছে। মানুহৰ দুখ-দুৰ্দশা, অভাৱ-অভিযোগ, নানা সামাজিক আৰু অৰ্থনৈতিক সমস্যা লোভী, ক্ষমতাশালী মানুহৰ হাতত ন্যস্ত হোৱাত সমাজৰ প্ৰগতি স্থবিৰ হৈ উঠিছে। ভোগৰাম আৰু সুবোধ শইকীয়াৰ চৰিত্ৰক উদঙাই দি সমাজৰ প্ৰকৃত মানৱীয় আৰু উত্তৰণৰ বাট প্ৰকট কৰিবলৈ যাওতে ঔপন্যাসিকৰ মানৱীয় সামাজিক ভাৱনাৰ স্বচ্ছতাই নতুন বাটৰ সন্ধান দিছে।

*গঙা চিলনীৰ পাখি* উপন্যাসখনত দেখা যায় যে প্ৰথমাৱস্থাত সমাজত কোনো ভিন্নতা বা জাত-পাতৰ প্ৰসংগই ঠাই পোৱা নাছিল। সমাজত বাস কৰা প্ৰতিজন ব্যক্তি বা প্ৰতিটো বৰ্গৰ অন্তৰ্ভূক্ত ব্যক্তিসকলে বিভিন্ন সামাজিক অনুষ্ঠান- প্ৰতিষ্ঠানত সমিলমিলেৰে অংশ গ্ৰহণ কৰা কথাটোৱে সমাজত ঐক্য, সমন্বয়, ভ্ৰাতৃত্ববোধৰ সহ-অৱস্থানৰ প্ৰাধান্যতা প্ৰদান কৰি আহিছিল। কিন্তু ভোগৰাম, সুবোধ শইকীয়াৰ দৰে লেখকৰ চৰিত্ৰই সমাজত বিভেদৰ বীজ সিঁচিব ল'লে। ৰাজনীতিৰ স্বাৰ্থত ধৰ্মীয় মেৰুকৰণৰ বতাহ বলিল। সমাজত অশান্তিৰ বীজ ৰোপিত হ'ল—

> পঞ্চায়তৰ মেম্বৰ সভাপতি বাছি উলিয়াবৰ কাৰণে গাঁৱে গাঁৱে হাই-কাজিয়া বাঢ়িল। মাৰ-পিট হ'ল। গাঁওবোৰ খিয়লা-খিয়লি লাগি ভাগ ভাগ হ'ল।

উত্তৰপাৰত দক্ষিণপাৰৰ দৰে কলি সোমাল।[১৪]

সমালোচকেও এই কথা একেমুখে স্বীকাৰ কৰিছে—

> আধুনিকতাৰ প্ৰসাৰেৰে ইয়াত জন্ম হোৱা এখন বাস্তৱ জৰ্জৰ সমাজৰ চিত্ৰও তুলি ধৰা হৈছে। পুৰণি আৰু নতুনৰ দ্বন্দ্বত অপসংস্কৃতিৰ বিকাশ ঘটিছে।[১৫]

এনে বৰ্ণনাৰ দ্বাৰা দৰাচলতে ঔপন্যাসিকৰ প্ৰখৰ মানৱতাবাদী আৰু মানৱীয় প্ৰমূল্যৰ দৃষ্টিভংগীয়ে সমাজলৈ এক শুভ বাৰ্তা দিয়াৰ মানসিকতাৰে সামাজিক দায়বদ্ধতাৰ ৰূপটো প্ৰকট কৰি তুলিছে।

*গঙা চিলনীৰ পাখি* উপন্যাসখত ঔপন্যাসিকৰ মানসপটত মহাত্মা গান্ধীৰ আদৰ্শ, অহিংসা আৰু গ্ৰাম্য স্বৰাজৰ দৃষ্টিভংগী স্বচ্ছ আৰু বিচক্ষণ ৰূপত উদ্ভাসি উঠিছে। গাঁৱৰ উন্নয়ন নহ'লে দেশৰ উন্নয়ন অসম্ভৱ। এই কথা উপন্যাসখনত স্পষ্ট। বাহিৰৰ উদ্যোগত উৎপাদিত বণিয়াগোষ্ঠীয়ে অনা সামগ্ৰীৰ হেঁচাত গ্ৰাম্য সমাজৰ অৰ্থনীতিক ধৰি ৰখা ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগসমূহত উৎপাদিত থলুৱা বস্ত্ৰ আৰু অন্যান্য সামগ্ৰীৰ প্ৰয়োজন কমি অহাত গ্ৰাম্য অৰ্থনীতি বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে যদিও গান্ধীজীৰ সেই আদৰ্শক ঔপন্যাসিকে নস্যাৎ কৰা নাই। ইয়াৰ অন্য এটা দিশ উন্মোচিত হৈছে বাসন্তীৰ বৈধব্য জীৱনৰ কালছোৱাত তাই আদৰি ল'ব ওলোৱা গান্ধীৰ জীৱনধাৰা আৰু দৰ্শন সম্পৰ্কীয় বিষয়ত।

আধুনিকতাৰ প্ৰসাৰেৰে ইয়াত জন্ম হোৱা এখন বাস্তৱ জৰ্জৰ সমাজৰ চিত্ৰ[১৬] তুলি ধৰিলেও ঔপন্যাসিকে প্ৰসংগক্ৰমে ধৰ্মৰ দিশটোকো কাহিনীৰ গতিধাৰাত প্ৰাধান্য দিবলৈ পাহৰা নাই। সমাজৰ সকলো অসূয়া-অশান্তি মনৰ পৰা আঁতৰ কৰাৰ একমাত্ৰ উপায় হৈছে ঈশ্বৰ বিশ্বাস। ধৰ্মই সমাজৰ শান্তি প্ৰতিষ্ঠাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে—এনে এক দৃষ্টিভংগীকে ঔপন্যাসিকে কাহিনীৰ মাজেৰে প্ৰকাশ কৰিবলৈ গৈ ভগীৰথৰ মুখেৰে কোৱাইছে—

> নিষ্কাম ভকতিৰে আত্মাক ভগৱানৰ লগত লীন কৰিব পৰিলেহে মানুহে প্ৰকৃত শান্তি লাভ কৰে। মন একমুখী হয়। অহংভাৱ দূৰ হয়। জীৱই মুক্তি পায়। সেয়েহে ভাবিবলৈ মন যায়, শংকৰ-মাধৱে আমাক যি দি গ'ল, আজি পাঁচশ

বছৰেও অসমৰ কোনো নেতাই আৰু অধিকাৰে সেইখিনি দিব পৰা নাই।[১৭]

গুৰুজনাৰ সমাজ সংস্কাৰমূলক নীতি বক্তব্য বিষয়ৰ মাজেৰে উপস্থাপন কৰি ঔপন্যাসিকে পৰোক্ষভাৱে আধ্যাত্মিক চেতনাত জীয়াই থকা মানৱীয় সমাজখনৰ দৃষ্টিভংগীক তুলি ধৰাৰ যত্নই আধুনিক সমাজ এখনৰ প্ৰগতিৰ আশাবাদক প্ৰতিনিধিত্ব কৰিছে।

লেখক আৰু লেখন কৰ্ম সমাজ আৰু সময়ৰ পৰা বিচ্ছিন্ন হ'ব নোৱাৰে।[১৮] তথাপি কেতিয়াবা লেখকৰ দৃষ্টিভংগীয়ে সময়ৰ সীমা অতিক্ৰম কৰি বহু দূৰ আগুৱাই যায়। তেনে এক আধুনিক বাস্তৱবাদী মনৰ পৰিচয় ফুটি উঠিছে *গঙা চিলনীৰ পাখি*ৰ স্ৰষ্টাৰ জৰিয়তে।

### ৪.৩ *পাতাল ভৈৰৱী* উপন্যাসত প্ৰতিফলিত সমাজ-ভাৱনা ঃ

গৱেষণাৰ বাবে নিৰ্বাচন কৰি লোৱা লক্ষ্মীনন্দন বৰাৰ দ্বিতীয়খন অন্যতম উপন্যাস ***পাতাল ভৈৰৱী*** পূৰ্বৰ উপন্যাসখনতকৈ বহুগুণে পৃথক। ব্যতিক্ৰমী কাহিনীৰ কিছু ভিন্ন ৰূপত উপস্থাপন কৰা বৰ্ণনাশৈলীৰ উপন্যাসখনে পাঠকক বাৰুকৈয়ে মোহিত কৰে। তথাকথিত গাঁৱলীয়া সমাজখনতকৈ এইখন উপন্যাসত এখন অন্য জগতে ভূমুকি মাৰিছে। ঊনবিংশ শতিকাৰ ষষ্ঠ আৰু সপ্তম দশকৰ সামাজিক, ৰাজনৈতিক তথা অন্যান্য কিছুমান দিশ উপন্যাসখনৰ মাজেৰে উদ্ভাসি উঠিছে। এটা অগতানুগতিক বিষয়বস্তুৰে ৰচনা কৰা উপন্যাসখনত অন্ধকাৰ জগতৰ বাসিন্দাসকলৰ উপৰি ব্ৰহ্মপুত্ৰৰ পাৰত বাস কৰা লোকসকলৰ জীৱনধাৰাৰ ছবি আংশিক ৰূপত হ'লেও উপন্যাসখনত প্ৰকাশিত হৈছে। ঠাই বিশেষে বৰ্ণনা প্ৰসংগত দুই এক জনজাতীয় সমাজ ব্যৱস্থাৰ চিত্ৰনেও উপন্যাসখনক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে।

*পাতাল ভৈৰৱী* উপন্যাসখনত সেইখন সমাজৰ চিত্ৰ প্ৰতিফলিত হৈছে, যিখন সমাজত ঘটনাৰ পাকচক্ৰত পৰি মানুহৰ জীৱন সলনি হয়। সহজে ধন ঘটাৰ মানসিকতাই ক্ৰীয়া কৰিলে মানুহে কিদৰে এখন মানৱীয় প্ৰমূল্যৰে ভৰা সুন্দৰ জগতৰ পৰা অন্য এখন জগতলৈ গতি কৰিব পাৰে তেনে এখন সমাজৰ বাসিন্দাসকলৰ জীৱন নৈৰ বোঁৱতী

সুতিৰ দৰেই। স্থিৰতা নাই। তথাপি তেওঁলোক সুখী। সুখী আৰু স্বাচ্ছন্দ্যপূৰ্ণ জীৱনৰ বাবে প্ৰয়োজনীয় আটাইবোৰ উপাদানেই তেওঁলোকৰ জীৱনত উভৈনদী।

গাঁও বুলি ক'লেই সাধাৰণতে খেতি-পথাৰ, চাৰিওফালে গছ-গছনি, নৈ-নিজৰা, চৰাই-চিৰিকটিৰ কোলাহল আদিৰে পৰিপূৰ্ণ এক বিনন্দীয়া প্ৰাকৃতিক পৰিৱেশৰ কথাকে সূচনা কৰে। কিন্তু লাহে লাহে চহৰীয়া আদৰ-কায়দাই গাঁওবোৰো অধিগ্ৰহণ কৰিবলৈ ধৰাত গাঁৱৰ সমাজ-ব্যৱস্থা সলনি হ'বলৈ ধৰিছে। বিঘাই বিঘাই খেতিৰ মাটি বিক্ৰী কৰি নিজকে কৃত্ৰিমভাৱে সলনি কৰি অভিজাত শ্ৰেণীৰ সৈতে খোজ মিলাবলৈ গৈছে যদিও গাঁৱৰ সেই মায়াময় প্ৰকৃতি লাহে লাহে পাহৰণিৰ গ্ৰাসত হেৰাই যোৱাৰ উপক্ৰম হৈছে। উপন্যাসখনত গাঁৱলীয়া পৰিৱেশৰ ক্ৰমাৎ আগ্ৰাসনৰ এই ছৱিখন তুলি ধৰা হৈছে—

> চাহত ছাঁ দিয়া গছ আৰু আন কিছুমান গছৰ জোপোহাত ৰাতি জাগি থকা চৰাই-চিৰিকটিৰ সুৰীয়া আৰাৱ কাণত পৰিছে। কাণ দুখন সুত লাগি গৈছে। চৰহখন এইফালেও বাঢ়িছে। চাহগছ থকা মাটিয়েই ঘৰ-বাৰী সাজিবৰ বাবে বৰ প্ৰয়োজন হৈ পৰিছে। গতিকে দিনৌ এডোখৰ বিক্ৰী হৈ আছে। চাহ-বাগিচাৰ মালিকে এই ধনেৰে কল-কাৰখানা খুলিছে। সিহঁত আগতকৈ বেছি প্ৰতাপী হৈছে। গতিকে এইবোৰ ঠাইত ঘৰ-বাৰী, কল-কাৰখানা হোৱাৰ পাছত ইয়াত চৰাই-চিৰিকটি ফোঁট লবলৈকো পোৱা নহব। দিনকাল যে ইমান সলনি হৈ আহিছে।[৬৭]

পিতৃ-মাতৃয়ে কৰা ভুলৰ শাস্তি আমাৰ সমাজখনে সন্তানৰ গালৈও ছটিয়ায়। এটি নিষ্পাপ শিশুৱে সেই ভুলৰ পৰিণতিত আজীৱন শাস্তি ভুগিব লগা হয়। তেনে এখন সমাজৰ ছবি উপন্যাসখনৰ প্ৰাৰম্ভতে তুলি ধৰা হৈছে। মাতৃৰ কলংকৰ বাবেই মুকুন্দৰ জন্ম হোৱা বাবেই আনুষ্ঠানিক শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগীয়া হোৱাৰ লগতে সমাজখনে তাক হেয় চকুৰে প্ৰতিপন্ন কৰে। আনকি মুকুন্দৰ প্ৰেমিকাৰ ঘৰখনেও মুকুন্দৰ প্ৰেমক স্বীকাৰ কৰিবলৈ অমান্তি হয়। মাতৃৰ কলংকিত জীৱনৰ বাবেই মুকুন্দই সমাজত এলাগী হ'বলগীয়া হৈছে। সমাজখনৰ এনে অবিবেচকী কাণ্ডৰ বাবেই মুকুন্দই জীৱনৰ সকলো পদক্ষেপতে বঞ্চিত হ'বলগীয়া হৈছে।

কিন্তু এখন সমাজৰ এনে অবিচাৰৰ বিপৰীতে আন এখন সমাজৰ উদাৰ, বহল মনৰ দিল বাহাদুৰ আৰু হিমাদ্ৰীৰ অন্তৰত মানৱীয় মমত্ববোধ এতিয়াও শেষ হৈ যোৱা নাই। সেয়ে মুকুন্দ আৰু যশোৱাক নিজৰ পো-বোৱাৰীৰ চেনেহেৰে আথেবেথে আঁকোৱালি লৈছে। এনে আদৰ-যত্ন পোৱা বাবেই হয়তো মুকুন্দৰো ৰসহীন জীৱনটো ৰসেৰে পূৰ্ণ হৈ পৰিছে।

সমাজৰ অভিজাত শ্ৰেণীৰ লোকসকলে কিদৰে সাধাৰণ শ্ৰেণীৰ লোকৰ সৈতে সম্পৰ্ক নাৰাখে সেয়া চিত্ৰও উপন্যাসখনৰ কিছু বৰ্ণনাৰ মাজেৰে প্ৰকাশি উঠিছে। আভিজাত্যৰ গৰ্ভত উটি-ভাঁহি ফুৰা লোকৰ জীৱনশৈলীয়ে পাঠকক সেইখন সমাজৰ সৈতে পৰিচয় কৰাই দিয়ে—

> সভাপতি হৈছে ককাদেউতাকৰ দিনতে অৰ্জা তিনিখন চাহ বাগিচাৰ মালিক সুনন্দ দত্ত, যাৰ সাধাৰণ মানুহৰ লগত সম্পৰ্ক নাই বুলিয়েই ক'ব পাৰি। তেওঁ বৃটিছৰ দিনত মন্ত্ৰীও আছিল। শ্লিপিং ছ্যুট নিপিন্ধাকৈ শুলে টোপনি নোহোৱা ধৰণৰ চাহাব। তেওঁ ছ্যুট চিলায় কলিকতাৰ 'মহমেদ আলি'ত আৰু চকুৰ দৃষ্টিশক্তি পৰীক্ষা কৰায় বোম্বাইত। তেওঁ আলিত কেতিয়াও খোজ দি পোৱা নাই। সদায় উৰ্দি পিন্ধা ড্ৰাইভাৰে চলোৱা গাড়ীতহে তেওঁ অহা-যোৱা কৰে।[২০]

আভিজাত্যৰ এনে ভেমে কেৱল যে জীৱনশৈলীৰ এইবোৰ দিশতেই প্ৰভাৱ পেলায় এনে নহয়, কথনশৈলীৰ ক্ষেত্ৰতো বাৰুকৈয়ে প্ৰভাৱান্বিত কৰে। তেওঁলোকৰ বৈচিত্ৰ্যময় জীৱনত এনে কথনশৈলী যেন আভিজাত্যৰ প্ৰতীক হৈ পৰে—

> ভাবিছোঁ, তুমিয়েই সমস্যাটো নাইকীয়া কৰিব পাৰিবা। এম আই কাৰেক্ট, মিষ্টাৰ চেটাৰ্জী? প্লিজ গ' অন ছাৰ।
>
> নহয়, কথাটো তুমিয়েই ইন ডিটেইল কোৱা।[২১]

সমালোচকৰ বক্তব্য অনুসৰি এই উপন্যাসত আধুনিক জীৱন চেতনাৰ দিশটো অতি উজ্জ্বল হৈ পৰিছে।[২২]

আমাৰ গ্ৰাম্য সমাজখন অনেক লোকবিশ্বাসেৰে পৰিপূৰ্ণ হৈ আছে। যি কোনো শুভ কাম কৰাৰ আগমুহূৰ্তত গোঁসাইৰ থাপনাত চাকি এগছ জ্বলাই ভগৱানৰ পৰা আশীৰ্বাদ

লোৰাৰ পৰম্পৰা গ্ৰাম্য সমাজে অতীজৰে পৰা আজিলৈ পালন কৰি আহিছে। তেনে কৰিলে ভৱিষ্যতে সকলো বিপদ-বিঘিনি আঁতৰাই সঠিক পথ নিৰ্দেশনা কৰে বুলি লোকসমাজে বিশ্বাস কৰে। উপন্যাসখনত মুকুন্দৰ স্কুলীয়া জীৱনৰ আৰম্ভণিৰ দিনা মাতৃয়ে কৰা এনেবোৰ নীতি-নিয়মৰ মাজেৰে লোকবিশ্বাসৰ এনে ছৱিখন জীৱন্ত হৈ উঠিছে—

> বৌৱে পাটী দৈৰে বৈ দিয়া পাটীৰো এখন আৰু চিলট পেঞ্চিল লৈ ময়ো এদিন-ভালকৈ মাত-কথা ফুটাৰ চাৰি বছৰৰ পিছত কহুঁৰামুখৰ পঢ়াশালিলৈ গৈছিলো। শুভক্ষণ চাই। বৌৱে থাপনাৰ পুথিৰ কাষত এপোহা মাহ চাউল দিছিল। গুৱাপানো আগবঢ়াইছিল। ভৱিষ্যতে মোৰ পঢ়া-শুনা ভাল হওক, মই ডাঙৰ মানুহ হওঁ,—এনে এটা হোৱাৰ ফল বিচাৰি।[২৩]

আমাৰ সমাজত অতীজৰে পৰা বৰ্তমানলৈ কাৰোবাৰ মংগল কামনা কৰি দেৱীৰ ওচৰত বলি-বিধানৰ পৰম্পৰা প্ৰচলিত আছে। এনে পৰম্পৰাৰ সুফল কোনোৱে ভোগ কৰিছে নে নাই সেই বিষয়ে কোনো জ্ঞাত নহয়। কিন্তু লোকবিশ্বাস অনুসৰি বলি-বিধানে অশান্তি আঁতৰ কৰি জীৱনলৈ সুখ শান্তি কঢ়িওৱাৰ লগতে সকলো দোষ আঁতৰ কৰি কুশলে থাকিবলৈ আশীৰ্বাদ প্ৰদান কৰে বুলি গঁওঁসমাজৰ ধাৰণা প্ৰচলিত আছে। সেইবাবে মুকুন্দ-যশোৱাৰ বৈবাহিক জীৱনৰ মংগল কামনা কৰি দিলবাহাদুৰে থানত এটা পাঠা বলি দিয়াইছে।

সমাজত হিন্দু, মুছলমান, শিখ, খৃষ্টান আদি বিভিন্ন ধৰ্মাৱলম্বী লোকে বাস কৰে। ধৰ্মৰ ক্ষেত্ৰত প্ৰভেদ থাকিলেও তেওঁলোকে সমিল-মিলেৰে সমাজত জীয়াই থকাৰ কৌশল আয়ত্ব কৰি লৈছে। এনে সম্প্ৰীতিৰ উদাহৰণ আৰু বেছি স্পষ্ট হৈ পৰে তেতিয়া, যেতিয়া ইছলাম ধৰ্মাৱলম্বী লোকৰ মৃত্যুত হিন্দুৱে মৃতকৰ শৰদেহ স্পৰ্শ কৰি এফাঁকি ঘোষাৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। *পাতাল ভৈৰৱী* উপন্যাসত তথাকথিত সমাজৰ এনে সম্প্ৰীতিৰ এনাজৰীডাল প্ৰাঞ্জলভাৱে চিত্ৰিত কৰিছে। এনে এনাজৰী অটুত ৰাখিবৰ বাবেই 'ইৰ্শ্বাদে' গাঁৱত নামঘৰ সাজিবলৈ দান-বৰঙণি আগবঢ়াবলৈও কুণ্ঠাবোধ কৰা নাছিল। সমাজত একতা বজাই ৰাখিবলৈ ইৰ্শ্বাদে আহোপুৰুষাৰ্থ কৰিছিল। যাৰ বাবে ইৰ্শ্বাদৰ শৰদেহ কবৰলৈ লৈ যোৱাৰ সময়ত এক বিনন্দীয়া পৰিৱেশ পৰিদৃশ্যমান হৈছিল—

> বগা পায়জামা-পাঞ্জাৰী আৰু টুপী পিন্ধা মানুহৰ শাৰী দুটা বেছ দীঘল। এই শাৰী দুটাৰ পিছতে সোণাৰি ঘাটৰ গায়ন-বায়নৰ সৈতে প্ৰায় ডেৰকুৰিমান মানুহ। সিহঁতে গীতৰ ধ্বনিৰে গোটেই শৱযাত্ৰাৰ সমদলটো সুকীয়া ধৰণৰ কৰি পেলালে।[২৪]

সমাজৰ যিসকল লোকে ধৰ্মৰ অচিলা লৈ অৰিয়া-অৰি কৰি সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ প্ৰচেষ্টা চলায় তেনে লোকৰ বাবে উল্লিখিত উদাহৰণটোৱে যথেষ্ট তাৎপৰ্য বহন কৰিব পাৰে। এনে সামাজিক একতাৰ সুত্ৰই *পাতাল ভৈৰৱী* উপন্যাসখনৰ জেউতি বঢ়াবলৈ সক্ষম হৈছে।

আধুনিক জীৱন চেতনাই কিদৰে মানৱীয় গুণবোৰ এফালৰ পৰা নাইকীয়া কৰি পেলায় তাৰ সুন্দৰ উদাহৰণ *পাতাল ভৈৰৱী* উপন্যাসত বৰ্ণিত সমাজখন। স্বাধীনোত্তৰ ভাৰতবৰ্ষত মানৱীয় মূল্যবোধৰ ঠাইত কিদৰে কেৱল ঠগ, প্ৰৱঞ্চনা, হত্যা, হিংসা আৰু অন্যায়েৰে সমাজৰ এচাম লোকে হাঁতোৰা মেলি দিয়ে সেই কথা বুজাবলৈ ঔপন্যাসিকে বিশেষ পন্থা অৱলম্বন কৰিছে। যিখন সমাজৰ লোকে গান্ধীবাদী ভাৱধাৰাৰে আগুৱাই যোৱাৰ সপোন ৰচে, সেইখন সমাজতে গান্ধীৰ সততাক ভৰিৰে মোহাৰি পেলোৱা হয়। সেইখন সমাজত আইনক হাতৰ মুঠিত ৰাখি সকলোকে নচুৱাব পৰাটো সম্ভৱ হৈ উঠে।

একো একোজন ৰাজনৈতিক নেতাক সকলোৱে সম্ভ্ৰমৰ চকুৰে চায়। কিন্তু তেনে এজন ৰাজনৈতিকভাৱে প্ৰতিপত্তিশীল ক্ষমতাশালী নেতাই কোনোবা চোৰাং জগতৰ 'ৰজা'ৰ ওচৰত নতশিৰ হয়। 'পাতাল'ৰ ৰজাই মৰ্ত্যৰ ৰজাক টকাৰে কিনিব পাৰে এইখন সমাজতে।

> মোৰ নহয়। এইবোৰ টকাৰে 'ক'ৰ চুকটো চিনি নোপোৱা মানুহটোৱে কাইলৈৰ পৰা ভৈব্য ভৈব্য শিক্ষিত মানুহবোৰ কিনিম। টকাই চব, যশোৱা, টকাই চব। অন্ততঃ আমাৰ ইয়াত।[২৫]

স্বাৰ্থান্বেষী, ক্ষমতালোভী, সুবিধাবাদী ৰাজনীতিকসকল কেনেদৰে টকাৰ জোৰত নিজৰ বিবেকৰ ওচৰত বিক্ৰী হৈ যায় তাৰ সুন্দৰ উদাহৰণ উপন্যাসখনত বিচাৰি পোৱা যায়। উপন্যাসখনৰ পাতে পাতে প্ৰকাশি উঠিছে সমাজৰ এচাম বিকৃত যৌন

মানসিকতাধাৰী লোকৰ মানসিক অধঃপতনৰ চিত্ৰ। অন্ধকাৰ জগতৰ বাসিন্দাৰ কামাগ্নিক দমন কৰিবলৈ ঔপন্যাসিকে কামাতুৰা নাৰীক চিত্ৰিত কৰিছে। যিয়ে আধুনিক সমাজৰ অধঃপতনৰ দিশটো উদঙাই দিছে।

> পনচল্লিছৰ দেওনা পাৰ হোৱা মিছেছ শৰ্মাৰ কেৱল দেহটোৱেই নহয়, মনটোও বহু দিনৰ মূৰত গাভৰু হৈ পৰিল। তাইক জীয়ৰী কালৰ সুখ-স্মৃতিয়ে এতিয়াৰ জটিল পাক লগা মনটো আৱেগ প্ৰৱণ কৰি তুলিলে।[২৬]

ক্ষন্তেকীয়া এনে আৱেগ প্ৰৱণতাত অন্ধকাৰ সমাজৰ সকলো উটি ভাঁহি ফুৰিছে। অনীতিক প্ৰশ্ৰয় নিদিয়া মুকুন্দই সেইখন সমাজৰ বাসিন্দা হৈ নিজেও এনে নাৰীৰ সংস্পৰ্শ লাভৰ বাবে উদগ্ৰীৱ হৈ পৰিছে।

আমাৰ সমাজৰ ৰাজনৈতিক নেতাসকল যি দৰে উচ্চাংকাংক্ষী সেই দৰে নেতাসকলৰ সোঁৱে-বাৱে লাগি থকা মানুহবোৰো উচ্চাংকাংক্ষী। নিজৰ লালসা পূৰণ কৰাৰ স্বাৰ্থত এইসকল লোকে নেতাক ক্ৰয় কৰাৰ আপ্ৰাণ চেষ্টা অব্যাহত ৰাখে। নেতাসকলেও মুনাফা আদায়ৰ তাগিদাত নিজকে বিক্ৰী কৰিবলৈ অকণো কুণ্ঠাবোধ নকৰে। লাখ লাখ টকাৰ বিনিময়ত নেতাসকলৰ পৰা এইসকল লোকে লাভ কৰে ভৱিষ্যতে ৰজা হ'বৰ জোখাৰে অনেক প্ৰতিশ্ৰুতি। এয়াই হৈছে আমাৰ সমাজৰ ঘূণে ধৰা ৰাজনৈতিক ব্যৱস্থা—

> কাৰণ পৰীক্ষিতৰ বেজাই টকা। দিল্লীত কায়দা খটুৱাই এক্সপৰ্ট লাইচেন্স দি হোজাইৰ আতৰ বেপাৰী এগালৰ পৰা অনেক লাখ টকা পাইছে। মই চীফ মিনিষ্টাৰ হ'লে তহঁতক বৰুৱা বামুনগাঁৱত 'ৰাম' বনোৱাৰ পাৰ্মিট দিম, বিনা বাধাই হাবিত কাঠ কটাৰ সুবিধা দিম, প্লাইউড মিল বহুৱাবৰ বাবে লাইচেন্স দিয়াম আদি বাৰেকুৰি কথা কৈ সি বোম্বাইৰ মূধা ফুটা শিল্পপতি দুটাৰ পৰা সহায় আদায় কৰিছে।[২৭]

এইসকল লোকৰ বাবেই আমাৰ সমাজখন ক্ৰমাৎ ধ্বংসৰ গৰাহলৈ অৱনমিত হৈছে। ৰাজনৈতিক নেতাসকলে এনে ধ্বংসযজ্ঞত মুখ্য ভূমিকা গ্ৰহণ কৰে। ৰাজনৈতিক জগতত যে নিত্য নতুন অসাধু লোকৰ আৱিৰ্ভাৱ হৈছে উক্ত কথাখিনিয়ে তাৰ সাক্ষ্য বহন কৰে। এগৰাকী সমাজ সচেতক আৰু সমাজ উদ্বেলক দৃষ্টিৰে প্ৰতিটো দিশ বিচাৰ কৰিব

খোজা বৰাই উপন্যাসখনত অন্তসাৰশূণ্য স্বাধীনতাৰ ফোঁপোলা ৰূপটো উন্মুক্ত কৰি দেখুৱাই দিছে। দেশৰ নেতাবোৰৰ অদূৰদৰ্শিতাক তেওঁ কটাক্ষপাত কৰিছে। গান্ধী-নেহৰুৰ স্বাধীন ভাৰতবৰ্ষত মাফিয়াৰ এই অবাঞ্চিত প্ৰাদুৰ্ভাৱ যে সাম্প্ৰতিক দেশৰ কৰ্ণধাৰসকলৰে সৃষ্টি তাক তেওঁ লুক-ঢাক নোহোৱাকৈ প্ৰকাশ কৰিছে।[২৮]

আধুনিকতাই গ্ৰাস কৰা এনে কলংকিত, উচ্চাভিলাসী ব্যক্তিৰ সমাজৰ মাজতে লোকসংস্কৃতিৰ উমেৰে জীপ লৈ থকা গ্ৰাম্য সমাজখনেও মাজে মাজে উপন্যাসত ভূমুকি মাৰি শোভা বৰ্দ্ধন কৰিছে। আধুনিকতাৰ পৰশে সেই অঞ্চলৰ সমাজ-ব্যৱস্থাক চুব পৰা নাই। যাৰ বাবে বৈজ্ঞানিক পদ্ধতিৰ ওপৰত তেওঁলোকৰ আস্থা আৰু বিশ্বাস নাই। চিকিৎসা ব্যৱস্থাই ঢুকি নোপোৱা সেইখন সমাজৰ বাসিন্দাই বেজ-বেজালিৰ ওচৰত শৰণাপন্ন হৈয়ে জীয়াই থাকে। অন্ধবিশ্বাসৰ কৰালগ্ৰাসত বন্দী তেওঁলোক পুৰণিকলীয়া নীতি নিয়মক খামোচ মাৰি ধৰি থকা একো একোজন স্বভাৱজাত সৰলমনৰ ব্যক্তি—

> তাত আধুনিক চিকিৎসা ব্যৱস্থা নাই। মাথোন হাইস্কুলৰ দেওনা পাৰ হ'ব নোৱাৰা, বঙালী কিতাপ পঢ়ি হোমিওপেথিক ডাক্তৰ হোৱা খৰ্গেশ্বৰ বৰাইহে ল'ৰা-ছোৱালীৰ আৰু পোঁৱাতী তিৰোতাৰ অসুখ-বিসুখ ভাল কৰে। টান অসুখত কনপাই বেজে জৰা-ফুকা কৰে। লচমী মুচিয়াৰণীয়েই হ'ল অঞ্চলটোৰ প্ৰসূতি। হাইজা হ'লে মানুহে প্ৰতিবিধান মানি চলাৰ সলনি হাইজাৰ দেও খেদিবলৈ ৰাতি বাটে বাটে নাম-কীৰ্তন কৰি ফুৰে। বৰ আইৰ পৰা ৰক্ষা পোৱাৰ উপায় হ'ল শীতলাৰ আইনাম।[২৯]

***পাতাল ভৈৰৱী*** উপন্যাসত চিত্ৰিত হোৱা নাৰীসমাজখনে একে সময়তে দুখন সমাজক প্ৰতিনিধিত্ব কৰিছে। এখন হাড়ে-হিমজুৰে পতিব্ৰতা নাৰী সমাজ। যিখন সমাজক প্ৰতিনিধিত্ব কৰিছে যশোৱাৰ দৰে গ্ৰাম্য জীৱন ধাৰাৰে নিজৰ আদৰ্শৰ পৰা বিচ্যুত নোহাৱা নাৰীয়ে। যশোৱাৰ সতে তুলনা কৰিব পাৰি উপন্যাসখনত ক্ষন্তেকৰ বাবে হ'লেও ভুমুকি মাৰি নিজৰ স্থিতি বৰ্তাই ৰাখিব পৰা হিমাদ্ৰীৰ দৰে নাৰী চৰিত্ৰক।

আনখন নাৰী সমাজক প্ৰতিনিধিত্ব কৰিছে সমাজৰ ভণ্ড অথচ পদবীৰে শীৰ্ষস্থান দখল কৰি থকা বিষয়াসকলৰ কামাতুৰ শৰীৰৰ জুই নিৰ্বাপিত কৰিব পৰা এচাম নিৰ্লজ

মানসিকতাৰ উদগ্ৰ নাৰীসকলে। সেইখন সমাজত বাস কৰে ভানু শৰ্মা, মনিকাৰ দৰে উচ্চাভিলাসী, কামাতুৰা, সহজে আনক প্ৰলোভিত কৰিব পৰা নাৰীসকলে। আধুনিকতাই এইসকল নাৰীৰ দেহ-মন সৰ্বোতপ্ৰকাৰে কলুষিত কৰি তোলে। যাৰ ফলত তেওঁলোকৰ সস্তীয়া জীৱনশৈলীয়ে পাপ-পূণ্য বিচাৰ কৰিব নোৱাৰে। ইয়াৰবাবে 'মণিকা'ৰ দৰে নাৰীয়ে দোষ দিয়ে পৰিস্থিতিক—অৱস্থাত পৰিলে মোৰ দৰে ছোৱালীবোৰে পুণ্যক এৰিব লাগিব।[৩০]

আধুনিকতাৰ লগে লগে উপন্যাসৰ ঠায়ে ঠায়ে জনজাতীয় সমাজৰ চিত্ৰণে উপন্যাসখনৰ শোভা দুগুনে বৃদ্ধি কৰিছে। তেওঁলোকৰ সামাজিক-সাংস্কৃতিক, অৰ্থনৈতিক আদি বিভিন্ন অৱস্থাৰ চিত্ৰণে জনজাতীয় জীৱনধাৰাৰ স্বাক্ষৰ বহন কৰিছে—

> সিহঁতৰ কৃষ্টিও চহকী। মটক আৰু মৰাণ সম্প্ৰদায়ৰ ভকতৰ খোলাৰ বোল আৰু গীতৰ ৰাগিনী কমলাবাৰী সত্ৰৰ লগত মিলে। উৎসৱত এওঁলোকৰ বুঢ়াসকলে মুগাৰ চুৰিয়া পিন্ধে। মূৰৰ পাগটোও মুগা কাপোৰৰ। মানুহবোৰ সৰল।[৩১]

কিন্তু এইবোৰ সমাজত এনে সহজ-সৰল শ্ৰেণীৰ লোকসকলৰ জীৱন পৰিচালিত হয় কোনোবা মহাজনৰ শোষণ নিপীড়নত। কিয়নো কানি ৰবিহে সমগ্ৰ সমাজখন ছানি ধৰাৰ ফলত এই লোকসকলে জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় সামগ্ৰীখিনিও গোটাবলৈ অসমৰ্থ হৈ পৰে। কানিয়ে আচ্ছন্ন কৰি পেলোৱা তেওঁলোকৰ দেহ-মনত যত মানে এলাহ। এলাহে আৱৰি ধৰা তেওঁলোকৰ জীৱনে মহাজনৰ আগধনৰ অবিহনে দুবেলা-দুমঠি যোগাৰ কৰিবলৈ অসমৰ্থ হৈ পৰে। ইয়াৰ মূলতে সমাজত কানিৰ আগ্ৰাসন বিয়পাই দিয়াত সহায় কৰা অপৰাধী জগতৰ বাসিন্দাসকল। আৰু এনে অপৰাধী সাম্ৰাজ্যখনৰ সমানে সমানে সহজ সৰল সৰ্বসাধাৰণক লুটি-পুতি মুনাফা আদায় কৰিবলৈ সক্ষম হৈছে অনা-অসমীয়া মাৰোৱাৰী-বিহাৰী মহাজনসকলে—

> ইয়াৰ মানুহবোৰ দিনে দিনে দুখীয়া হৈ গৈছে। থানা দাৰোগা ভৈৰৱ নেওগৰ মতে এতিয়া এই মটক মানুহবোৰ ডাঙৰ ডাঙৰ মহাজনৰ কবলত। আগতে কেবাটাও হাতী থকা একো একো ঘৰ মটক বা মৰাণ মানুহে ডাঙৰ ডাঙৰ সুমথিৰা টেঙাৰ বাগিচা প্ৰতিপাল কৰি নিজেই সুমথিৰা ছিঙা আৰু বেচাৰ

> কাম কৰিছিল। কিন্তু এতিয়া এলাহ আৰু অকৰ্মণ্যতাই এওঁলোকক এনেকৈ গ্ৰাস কৰিলে যে মহাজনৰ আগধন নহ'লে তেওঁলোক অসহায়। এইবোৰ ঠাইৰ মৰাণ আৰু মটক মানুহখিনিৰ সমুথিৰা টেঙাৰ বাৰীবোৰ ফল চিঙাৰ সময়ত খুব কম দামত মাৰোৱাৰী-বিহাৰী মহাজনে ডাকি লোৱা হ'ল।[৩২]

এইদৰে এনে এখন সহজ-সৰল সমাজৰ লোকসকলৰ জীৱন ধ্বংসযজ্ঞৰ ফালে টানি নিয়াত অৰিহণা যোগোৱা অপশক্তিবোৰ আমাৰ সমাজখনৰ বাবে সঁচাকৈয়ে ক্ষতিকাৰক। উপন্যাসখনত এনে অপশক্তিবোৰৰ সম্যক চিত্ৰ দাঙি ধৰা হৈছে। এনে ধৰণৰ অপশক্তিবোৰ আঁতৰ কৰিব পাৰিলেহে এখন সুস্থ ৰুচিবোধসম্পন্ন সমাজ গঢ় লৈ উঠিব পাৰিব।

সমাজ সচেতনতাই সততে ক্ৰীয়া কৰি থকা লক্ষ্মীনন্দন বৰাৰ মনত অসমৰ সমাজ জীৱনত ঘটি থকা বিভিন্ন কাৰ্যকলাপে জাতিটোৰ প্ৰতি কিবা এটা কৰাৰ প্ৰৱণতা গঢ় দিছিল। যাৰ বাবে লেখকগৰাকীয়ে কলমেৰে এনে কাৰ্যকলাপৰ বিৰুদ্ধে সাহসেৰে মন্তব্য দিছিল।

বৰ্তমানে অসমৰ অগ্নিগৰ্ভা পৰিস্থিতিৰ মূলতে শৰণাৰ্থী বাংলাদেশীৰ সমস্যাই যে মুখ্য কাৰণ সেই কথা বৰাই অনুভৱ কৰিছিল। যাৰ বাবে অবৈধ প্ৰব্ৰজনকাৰী অসমলৈ আহি অসমত থিতাপি লোৱাৰ ফলত অসমৰ সমাজ জীৱনত কি পৰিৱেশৰ সূচনা হৈছিল সেই কথা তেখেতে উপন্যাসৰ পাতত চিত্ৰিত কৰিছে। অসমৰ আকাশ-বতাহ কঁপাই যোৱা এনে অবৈধ বাংলাদেশীৰ সমস্যাটোৱে এদিন যে গোজেই গজালি মেলিব সেই কথাৰ উমান তেখেতে পাইছিল। সামাজিক দায়বদ্ধতাৰ চিনস্বৰূপে সেয়ে তেখেতে অসমীয়া সমাজ জীৱনক জগাই তুলিব বিচাৰিছিল—

> মুকুন্দই সীমান্তৰ শিবিৰবোৰত বহুত শৰনাৰ্থী দেখিছিল। দাৰিদ্ৰ আৰু অসহায়তাৰ এনে নগ্ন আৰু কদৰ্য ছবি সি আগতে দেখা নাছিল। সি দেখা এনে নগ্ন ঘটনাবোৰৰ অনুপ কলিতাই একোটা একোটা বাখ্যা তাৰ আগত দাঙি ধৰি কয় যে এইবোৰ হেনো ভুল বাটে আহি থকা ইতিহাসৰ সৃষ্টি।[৩৩]

অসমত গা কৰি উঠা এনে অবৈধ লোকসকলে পৰিৱেশ বিনষ্ট কৰাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছিল। বিভিন্ন চোৰাং কাৰবাৰৰ জৰিয়তে এই লোকসকলে অসমত এখন সুকীয়া সাম্ৰাজ্য গঠন কৰি অসমৰ বায়ু-পানী-মাটি দূষিত কৰাত বৰঙণি আগবঢ়াইছিল। যিবোৰ ঘটনাই অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনতো প্ৰভাৱ পেলাইছিল। ঔপন্যাসিকগৰাকীয়ে এনেবোৰ কথাৰ সুন্দৰ বৰ্ণনা তুলি ধৰিছে।

অশান্তিৰে জৰ্জৰিত সমাজ এখনত অস্থিৰতা আঁতৰাই শান্তি-সম্প্ৰীতি অটুট ৰাখি মানৱক সুপথে পৰিচালিত কৰাত অৰিহণা যোগায় কেৱল ধৰ্মই। ধৰ্মৰ দিশেৰে এই পৃথিৱীত সকলো সমান। ধৰ্মভেদে উপাসনাৰ স্থলী ভিন ভিন হ'ব পাৰে, কিন্তু উপাস্য দেৱতা একেজনাই। ধৰ্মৰ ক্ষেত্ৰখনত ভিন-পৰ নাই। এনে মৰ্মাৰ্থ উপলব্ধি কৰিয়েই মুছলমান লোকেও হিন্দুৰ উপাসনা স্থলী নামঘৰত দান-বৰঙণি আগবঢ়াই। উপন্যাসৰ পাতত সম্প্ৰীতিৰ এনে বিৰল চিত্ৰ বিৰাজমান।

'নামঘৰ' অসমীয়া জাতীয় জীৱনৰ এটা এৰাব নোৱাৰা অংগ। 'নামঘৰ' অসমীয়া সমাজৰ বাবে এনে এক অৱদান, যি অৱদানে গোটেই অসমীয়া জাতিটোকে একতাৰ ডোলেৰে বান্ধি ৰাখিছে। এনে এক অনুষ্ঠানৰ কাৰ্যপন্থাই সমাজলৈ বিবিধ বাৰ্তা বোৱাই আনে। এনে কিছু বাৰ্তাৰ প্ৰতিফলন ঘটিছে *পাতাল ভৈৰৱী* উপন্যাসত—

> নামঘৰৰ থাপনাত দিনৌ বন্তি জ্বলে। পুৰা-গধূলি বুঢ়া দুজনমানে নাম গায়। ভাদৰ দুয়োটা তিথিতে ভাওনা হয়। মানুহবোৰে খোল-তাল আৰু গীত-মাতৰ চৰ্চা কৰে।
>
> নামঘৰে নামঘৰে খোলৰ বোল, গীতৰ লহৰ। গোপিনীয়ে নচা গীত-ৰময়া কৰু অময়া খেলা.....।[৩৪]

এখন সমাজত বিভিন্ন শ্ৰেণীৰ লোকে বাস কৰে। অভিজাত শ্ৰেণীৰ লোকৰ পৰা নিম্ন স্তৰলৈকে সকলো লোকৰেই জীৱন ধাৰণৰ প্ৰণালী সুকীয়া সুকীয়া। পিন্ধন-উৰন, খাৱন-শোৱন, চলন-ফুৰনৰ পৰা আৰম্ভ কৰি কথনভংগীলৈকে সকলো সুকীয়া। এনে সুকীয়া জীৱনশৈলীৰ দিশবোৰ ঔপন্যাসিকে ঠাই বিশেষে যথাযথ ৰূপত অংকন কৰিছে। বিশেষকৈ

ভাষিক ভিন্নতাই সমাজৰ ভিন্ন ৰূপ উদঙাই দিয়াত এক অৰিহণা যোগায়। উপন্যাসখনত এক বিশেষ শ্ৰেণীৰ সমাজক প্ৰতিফলিত কৰা দেউতা আৰু বছিৰৰ কথনশৈলীৰ পৰা এনে ভিন্নতাৰ দিশ পোহৰলৈ অনাত সহায়ক হৈছে। তেওঁলোকৰ জীৱন ধাৰণৰ প্ৰণালীও সুকীয়া। সাধাৰণ শ্ৰেণীৰ লোকতকৈ ব্যতিক্ৰম। গতানুগতিক জীৱনে তেওঁলোকক আকৰ্ষিত নকৰে। বৰঞ্চ তেনে জীৱনৰ প্ৰতি নিস্পৃহ এই শ্ৰেণীৰ লোকৰ সমাজখনো উপন্যাসখনৰ মাজেৰে সহজে উপলব্ধি কৰিব পাৰি। জীৱন ধাৰণৰ প্ৰণালীত ভিন্নতা দেখা গ'লেও তেওঁলোক মানৱীয় গুণেৰে সমুজ্জ্বল একো একোটা চৰিত্ৰ। সমাজৰ ৰীতি-নীতি, পৰম্পৰাৰ সৈতে এওঁলোক পৰিচিত নহয়। দীৰ্ঘকালৰ জীৱনৰ অভিজ্ঞতাৰে পুষ্ট এইলোকসকলৰ জীৱনলৈ কোনো মায়া নাই। সেইবাবেই তেওঁলোক নিজক লৈ বৰ বেছি চিন্তিত নহয়, যিদৰে চিন্তিত নহয় সমাজত তেওঁলোকৰ আশে পাশে ঘটি থকা দিশবোৰক লৈ।

*পাতাল ভৈৰৱী* উপন্যাসখনত সনাতন ৰীতি-নীতিত বিশ্বাসী গ্ৰাম্য সমাজখনৰ সমানে সমানে মানৱীয় প্ৰমূল্য হেৰুৱাই এখন শিপাহীন সমাজক প্ৰতিনিধিত্ব কৰা আধুনিকতাৰ প্ৰতি মোহগ্ৰস্ত অন্য এখন সমাজৰ ছৱিও পৰিস্ফুট হৈ উঠিছে। লগতে ৰাজনৈতিক দালালসকলৰ সমাজৰ প্ৰতি ভণ্ডামিৰ দিশটোও উপন্যাসৰ ছত্ৰে ছত্ৰে বিৰাজিত হৈ আছে। সমাজত ধন উপাৰ্জনৰ বাবে এচামে কিদৰে অসৎ কৰ্মত লিপ্ত হৈ সুবিধাবাদী ৰাজনৈতিক নেতাসকলৰ পদলেহন কৰিবলৈও কুণ্ঠাবোধ নকৰে তেনে লোকৰ মানসিক চৰিত্ৰ উদঙাই দিয়াৰ লগতে ঔপন্যাসিকে ক্ষমতা লাভৰ ৰাজনীতিও প্ৰকট কৰি তুলিছে। ক্ষমতাৰ যুঁবাগৰত গোটেই ভাৰতবৰ্ষ ৰাজনীতি উত্তাল, নেতাসকলক সকলো প্ৰকাৰে সহায় কৰিবলৈ আগবাঢ়ি আহিছে মাফিয়া চক্ৰ। সিহঁতৰ টকাৰেই এম. এল.এ কিনি নিজৰ ক্ষমতা অক্ষুন্ন ৰখা মুখ্যমন্ত্ৰীয়ে সিহঁতক বাচি থাকিবলৈ কেনেকৈ পৰোক্ষভাৱে সহায় আগবঢ়ায় তাক দ্বিধাহীনাভাৱে লেখকে বৰ্ণনা কৰিছে।[৩৫] অপৰাধী জগতৰ কুটিলতাৰ লগতে নগৰকেন্দ্ৰিক সমাজ সভ্যতাই কিদৰে এখন সমাজৰ বাসিন্দাক সনাতন গ্ৰাম্য জীৱনৰ পৰা নিলগাই ৰাখিছে এনেবোৰ সামাজিক দিশেৰে উপন্যাসৰ কাহিনী পৰিবৰ্ধিত হৈ আছে।

সামাজিক উপন্যাসৰূপে এখন সমাজৰ অংগীভূত হৈ থকা বিবিধ লোকৰ সমাজ সম্বলিত ঘটনা প্ৰবাহৰ লগতে নিষ্ঠুৰ অপৰাধৰ সাম্ৰাজ্য আৰু ৰাজনীতিৰ পংকিলতাত বিধ্বস্ত হোৱা সমাজ এখনৰ প্ৰতিচ্ছৱিৰে *পাতাল ভৈৰৱী* উপন্যাসখন নিৰ্মিত হৈছে। *পাতাল ভৈৰৱী* উপন্যাসৰ কাহিনী বিন্যাসত সমাজৰ খল-বমাবোৰ আমাৰ চকুত প্ৰতিফলিত কৰোতে মানুহৰ মূল্যবোধৰ অৱক্ষয়, ৰাজনৈতিক দীনতা, সমাজ উন্নয়নৰ ফোপোঁলা স্বৰূপ আদি দিশবোৰ মূৰ্তমান হৈ উঠিছে। কিয়নো লেখকৰ চেতন বা অৱচেতন মনত সমাজৰ ধ্যান-ধাৰণা, ৰুচি, আশা-আকাংক্ষা বিদ্যমান। নিজৰ প্ৰতিভাৰে তেওঁ সাহিত্যৰ দ্বাৰা সমাজত অ'ত ত'ত সিঁচৰিত হৈ থকা প্ৰসংগ, বিষয়, সুত্ৰ, জোৰা লগাই সমাজক নতুন গতি দান কৰে।[৩৬]

**৪.৪ গণদেৱতা, পঞ্চগ্ৰাম উপন্যাসত প্ৰতিফলিত সমাজ ভাৱনা ঃ**

বিংশ শতাব্দীৰ তৃতীয় দশকৰ পৰা আধুনিক ভাৰতীয় সাহিত্যৰ গতিধাৰাই ক্ৰমাৎ অন্য ৰূপ লাভ কৰে। বিভিন্ন বিষয়বস্তুৱে সাহিত্যত স্থান লাভ কৰা বাবে নতুন সাহিত্যিক চিন্তা-চেতনাৰে সমৃদ্ধ ঔপন্যাসিকসকলে তেওঁলোকৰ সৃষ্টিকৰ্মক অনন্য ৰূপ দিবলৈ উঠি-পৰি লাগে। এনে পৰিপ্ৰেক্ষিততে বাংলা সাহিত্যৰ প্ৰথিতযশা সাহিত্যিকগৰাকীৰ কলমেৰেও নিৰ্গত হৈছিল মাটি আৰু মানুহৰ সংস্পৰ্শৰে অসংখ্য সৃষ্টিশীল কৰ্মৰাজি। *গণদেৱতা* আৰু *পঞ্চগ্ৰাম* এনে ভাৱধাৰাৰে উৎকৃষ্ট ফচল। দুয়োখন উপন্যাসতে আঞ্চলিকতাৰ দৃষ্টিৰে গ্ৰাম্য জীৱনধাৰাৰ পূৰ্ণৰূপ প্ৰকাশি উঠিছে। ব্যক্তিত্ব সচেতন পূৰ্ণাংগ মানৱজীৱনৰ ৰূপায়ণে সমাজ জীৱনক সাৰ্থকতা প্ৰদান কৰিছে উপন্যাস দুখনত। সমালোচকেও একেমুখে স্বীকাৰ কৰিছে—

> তারাশঙ্করের সর্বপ্রধান কৃতিত্ব সমগ্র সমাজ পরিবেশের চিত্রণে। 'গণদেৱতা'তে সমাজবন্ধন কেমন করিয়া শিথিল হইয়া পড়িয়াছে, সামাজিক দলাদলির ক্রুরতা ও দুর্নীতিতে তাহা প্রতিবিম্বিত হইয়াছে। 'পঞ্চগ্রাম'—এ এই ধ্বংসোন্মুখ সমাজ যে কয়েকটি অসাধারণ পরীক্ষার সম্মুখীন হইয়াছে,

> তাহাতে ইহার অন্তর্জীর্ণতা ও যুগধর্মের সহিত ব্যৱধান আরও নিঃসংশয়িতভাৱে প্রমাণিত হইয়াছে।[৩৭]

*গণদেৱতা, পঞ্চগ্রাম* দুয়োখন উপন্যাসত চণ্ডীমণ্ডপক আশ্রয় কৰি গোষ্ঠীজীৱনে কেনেদৰে এটা অন্য ৰূপ পৰিগ্ৰহ কৰিছে তাৰ বিৱৰণ দিবলৈ যাওঁতে সমাজ জীৱনৰ বিভিন্ন দিশৰ বৰ্ণনাই উপন্যাস দুখনক স্বকীয়তা প্ৰদান কৰিছে। ৰাঢ় অঞ্চলৰ বিচিত্ৰ মানুহৰ বৈচিত্ৰ্যময় জীৱনশৈলীৰদ্বাৰা পুৰামাত্ৰাই প্ৰভাৱিত তাৰাশংকৰ বন্দ্যোপাধ্যায়দেৱে সমাজ জীৱনৰ চিত্ৰ অংকন কৰোতে আঞ্চলিকতাৰ সীমা অতিক্ৰম কৰি ব্যক্তিৰ জীৱনী শক্তিক নতুন দিশেৰে বিশ্লেষণ কৰাৰ চেষ্টা কৰিছে। সমাজৰ প্ৰতিটো সূক্ষ্মাতিসূক্ষ্ম দিশ চালি-জাৰি নিজস্ব ধৰণে সাহিত্যৰ মাজেৰে ৰূপদান কৰোতা তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ সামাজিক দায়বদ্ধতা প্ৰৱল আছিল। তেখেতে অনুভৱ কৰিছিল সমাজৰ চিৰাচৰিত পৰিৱৰ্তিত ৰূপ। সামাজিক গতিশীলতাৰ দ্ৰুত তৰংগই তেখেতক প্ৰভাৱান্বিত কৰিছিল। যি প্ৰভাৱৰ দ্বাৰা আকৃষ্ট হৈ তেখেতে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত পৰিৱৰ্তিত সমাজৰ বিভিন্ন দিশৰ প্ৰতিচ্ছবি অংকন কৰিছে। সমালোচকৰ ভাষাত—

> গণদেৱতা উপন্যাসে পল্লীজীৱনের আর একটা সমস্যা সংকুল দিশ উদ্‌ঘাটিত হইয়াছে। এখানে আধুনিক অৱস্থা-পরিবর্তনের প্রভাৱে গ্রাম্যসমাজের প্রাচীন রীতি-নীতি ও অর্থনৈতিক ব্যৱস্থাৰ বিপর্যয়েৰ কথা আলোচিত হইয়াছে: গ্রামে পঞ্চায়েতের আত্মনিয়ন্ত্রণ প্রচেষ্টা, সমাজ-শৃংখলারক্ষার প্রয়াস বর্তমান যুগের অনুপযোগী প্রতিবেশে কি ৰূপে প্রতিহত হইয়াছে তাহাই উপন্যাসের বর্ণনার বিষয়।[৩৮]

উভয় উপন্যাসতে গ্ৰাম্য সমাজৰ বিবিধ সংশয়, সমস্যাৰ সমানে সমাজখনত বাস কৰা বিবিধ শ্ৰেণীৰ লোকৰ জীৱন যাত্ৰাৰ স'তে সংপৃক্ত হৈ থকা বিবিধ আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, সমাজ ব্যৱস্থা, অৰ্থনীতি, পূজা-পাৰ্বণকে ধৰি সংস্কৃতিগত ধ্যান-ধাৰণাৰ প্ৰকাশে উপন্যাসখনক এক সুকীয়া ৰূপত বিস্তৃতভাৱে পাঠকৰ চকুত তুলি ধৰিছে।

উপন্যাসখনত বিবিধ ধৰ্মাৱলম্বী লোকে বাস কৰা সমাজখনে কিদৰে শান্তি-সম্প্ৰীতিৰ বাৰ্তা বহন কৰি আছে তাৰ বৰ্ণনাৰে সমুজ্জ্বল হৈ আছে। সমাজ তথা সংস্কৃতি এক মিশ্ৰিত ৰূপৰ ফলশ্ৰুতি। সেই কথাৰ প্ৰকাশ্য ৰূপে তেখেতে বিবিধ ধৰ্ম, বিবিধ সম্প্ৰদায়ৰ মাজৰ আচাৰ-আচৰণ, সাংস্কৃতিক ভিন্নতা স্বত্বেও কেনেদৰে তেওঁলোকে পৰিৱেশ আৰু পৰিস্থিতি অনুযায়ী ঐক্যবদ্ধভাৱে ইজনে-আনজনৰ সৈতে চামিল হ'বলৈ সক্ষম হয় সেয়া বৰ্ণনা অতি আন্তৰিকতাৰে উপন্যাসৰ পাতত অংকুৰিত কৰিছে। এনে সম্প্ৰীতিৰ এনাজৰীয়ে বিভিন্ন জাতি-জনগোষ্ঠীৰ সামাজিক ঐক্য-সংহতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

সমাজত একতা-সংহতিৰ ক্ষেত্ৰত প্ৰতিখন ঠাইতে কিছুমান অনুষ্ঠান-প্ৰতিষ্ঠানে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। সংস্কৃতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ এনে প্ৰতিষ্ঠানৰ সৈতে সমাজত বসবাস কৰা ব্যক্তিসকলৰ আৱেগ-অনুভূতিৰ প্ৰচ্ছন্ন ধাৰা এটিও অহৰহ গতি কৰি থাকে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত তেনে ভাৱাধাৰাৰে সৈতে লালিত-পালিত হৈ থকা এটি অনুষ্ঠান হৈছে চণ্ডীমণ্ডপ। সমগ্ৰ উপন্যাসখনতে চণ্ডীমণ্ডপে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। সামূহিক জীৱন পৰিচালিত কৰা কেন্দ্ৰস্থলস্বৰূপ চণ্ডীমণ্ডপে যুগ যুগ ধৰি সকলো লোককে একত্ৰিত কৰি আহিছে। কিন্তু পৰিৱৰ্তনৰ ধামখুমীয়াই সমাজলৈ কঢ়িয়াই অনা অশুভ শক্তিয়ে চণ্ডীমণ্ডপৰ দৰে প্ৰতিষ্ঠানকো কেনেদৰে এলাগী কৰিবলৈ উদ্যত হৈছে তাৰো বৰ্ণনাৰে উপন্যাসখনত দৃষ্টিগোচৰ হোৱা প্ৰাচীন আৰু নতুনত্বৰ বিভেদ উদঙাই দিব বিচৰা হৈছে। সামাজিক শৃংখলা অটুত ৰখা চণ্ডীমণ্ডপৰ পৰিৱৰ্তিত পৰিৱেশত কেনেদৰে ভগ্নপ্ৰায় অৱস্থালৈ গতি কৰিছে সেয়া বৰ্ণনা উপন্যাসত অতি স্পষ্ট। সময়ৰ তাগিদাত কিদৰে সমাজৰ এচাম লোকে প্ৰাচীন ৰীতি-নীতি, মূল্যবোধ, প্ৰমূল্য—এইবোৰক আওকাণ কৰি জীয়াই থকাৰ ন ন কৌশল আয়ত্ত কৰিবলৈ লয়, তেনে বৰ্ণনাৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ কাহিনী পৰিবেষ্টিত হৈ আছে।

গ্ৰাম্য জীৱনৰ সংস্কৃতিগত ৰূপ পূৰ্ণমাত্ৰাই প্ৰকাশি উঠে তেওঁলোকৰ দ্বাৰা পালিত আচাৰ-অনুষ্ঠান, উৎসৱ-অনুষ্ঠান, ধাৰ্মিক আচৰণ, পূজা-পাৰ্বন ইত্যাদিৰ বিপুল চেতনাগত

সমষ্টি এটাৰ জৰিয়তে। *গণদেৱতা-পঞ্চগ্ৰাম* উপন্যাসত তেনে সামাজিক ক্ৰিয়া-কলাপবোৰৰ ৰূপ-ৰং অতি তীৰ্যকৰূপত প্ৰকাশি উঠিছে।

গ্ৰামীণ সমাজৰ যথাযথ সংস্কৃতিৰ চিত্ৰণে তেওঁলোকৰ লোকাচাৰ-লোকবিশ্বাস কেনেদৰে মূৰ্ত কৰি তুলিছে লগতে সেই বিশ্বাসৰ স'তে জড়িত গ্ৰামীণ সমাজখনৰ পৰম্পৰাগত উৎসৱ-অনুষ্ঠানবোৰে কিদৰে কলাৰ মাজেৰে বিকশি উঠিছে তাৰ বৰ্ণনা উপন্যাসখনত জলজল পটপট হৈ আমাৰ দৃষ্টিত ধৰা দিছে—

> অগ্রহায়ণ সংক্রান্তিতে 'ইতুলক্ষ্মী' পর্ব আসিয়া গেল।
>
> অন্যান্য প্রদেশে—বাংলা বিশেষ অঞ্চললে কার্তিক-সংক্রান্তি হইতে ইতু বা মিত্রৱত আরম্ভ হয়, শেষ হয় অগৰহায়ণ সংক্রান্তিতে। রবিশসোর কল্যাণকামনা করিয়া সূর্যদেবতার উপাসনা হইতেই নাকি ইয়ার উদ্ভব। দেবুদের দেশে কিন্তু সমগ্র মাস ধরিয়া সূর্য-দেৱতার আরাধনার প্রচলন পাই। এদেশে ববিশসোর চায়েরও বিশেষ প্রসার নাই, ধান চাষ এখানকার প্রধান কৃষিকর্ম। ইতু-পর্বকে এখানে ইতুলক্ষ্মী বা ইতু-সংক্রান্তি পর্ব বলা হয়। হমন্তীধান মাড়াই ও ঝাড়াই করিবার শুভ প্রারম্ভের পর্ব এটি এবং রবিশস্যের আবাহনও বটে। চাষিদের আপন খামারে ইহার অনুষ্ঠান হয়। খামারের ঠিক মধ্যস্থলে শক্ত একটি বাঁশের খুঁটি পুঁতিয়া তলায় অলাপনা দিয়া সেইখানে লক্ষ্মীর পূজা ভোগ হয়। ধান মাড়াইয়ের সময়ে ওই খুঁটিটির চারদিকেই ধানসূদ্ধ পোয়াল বিছাইয়া দেওয়া হইবে এবং গরু মহিষগুলি ওই খুঁটিতে আবদ্ধ থাকিয়া বৃত্তাকারে পেয়ালের উপর পাক দিয়া ফিরিবে। তাহাদের পারের মাড়াইয়ে খড় হইতে ধান ঝাড়াই হইয়া যাইবে।[৩৯]

কৃষিপ্ৰধান সমাজত কৃষিক কেন্দ্ৰ কৰি গঢ় লৈ উঠা বিবিধ উৎসৱ-পাৰ্বণে সাংস্কৃতিক চেতনা এটাক বিদ্যমান কৰি তোলে। এই সময়ছোৱাত গ্ৰাম্য জীৱনধাৰাই বিবিধ বিশ্বাসৰ মাজেৰে সংস্কৃতিৰ ধাৰণাটো মনৰ মাজত জীপাল কৰি ৰাখে। *গণদেৱতা* উপন্যাসত তেনে লোকবিশ্বাসৰে স্ফূৰণ ঘটিছে—

> পল্লীর এই সময় এই নূতন ধানের সময় অনেক বাড়ি হইকে ঢেঁকির সান্তা উঠেই। আজ কোন বাড়িতেই সাড়া উঠে নাই। 'ইতুলক্ষ্মী'র পর্ব শস্যের

উপৰ ঢেঁকির আঘাত দিতে নাই; আজ সকসের দিন।[৪০]

(**অনুবাদ ঃ** নধান চপোৱাৰ এই সময়ছোৱাত গাঁৱৰ প্ৰায় ঘৰতে ঢেঁকীৰ ঢেংকুৰুচ শব্দ শুনিবলৈ পোৱা যায়। আজি কিন্তু সেই শব্দ শুনা নাই। ইতুলক্ষ্মীৰ পূজাৰ বাবে লক্ষ্মীদেৱীক আঘাত কৰিব নাপায় বাবে আজিৰ দিনটো সকলোৱে কেঁৗ দিয়াৰ পৰা বিৰত আছে।)

লোকাচাৰ তথা লোক বিশ্বাসসমূহে এটা জাতিৰ সাংস্কৃতিক চেতনা কেনেদৰে মূৰ্ত কৰি তোলে আৰু সাহিত্যত তেনে ভাবাদৰ্শসমূহ কেনেদৰে ফুটাই তোলা হয় তাৰ সাক্ষ্য বহন কৰি আছে তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসে—

> শেষরাত্রে আর এক পর্ব। পৌষ আগলানো পর্ব— এই পৌষ সংক্রান্তির রাত্রি শেষ প্রহার। পৌষ মাস যখন বিদায় লইয়া অন্ধকারের আবড়লে পশ্চিম দিগন্তের মুখে পা বাড়ায়, পূব দিগন্তে আলোক-আভাসের পশ্চাতে মকর রাশিস্থ সূর্যের রসের সঙ্গে উদয় হয় মাঘের প্রথম দিন— তখন কৃষক-বণিতারা পৌষকে বন্দনা করিয়া মনিবন্ধ অনুরোধ করে— পৌষ তুমি যাইয়ো না। চিরদিন তুমি থাক।[৪১]

(**অনুবাদ ঃ** পৌষ-পাৰ্বণ উপলক্ষে আৰু এটি আনুষ্ঠানিক আচাৰ-বিধি পালন কৰা হয়। সেইটো পুৰ মাহৰ সংক্ৰান্তিৰ দিনা ৰাতি শেষ প্ৰহৰত পালন কৰা হয়—পুহ মাহৰ বিদায় বেলাত। মাঘ মাহৰ প্ৰথম দিনা সূৰ্যোদয়ৰ প্ৰাকমুহূৰ্তত গাঁৱৰ মহিলাসকল কোনো এক নিৰ্দিষ্ট স্থানত সমবেত হয় আৰু পুহ মাহটোৰ প্ৰতি সকাতৰে অনুৰোধ জনায়—পুহ মাহ তুমি পাৰহৈ নাযাবা। তুমি চিৰদিন থাকা আমাৰ মাজত।)

অসম তথা ভাৰতৰ প্ৰায়বোৰ অঞ্চলতে যিবোৰ অঞ্চলৰ মূল জীৱিকা মাথোন কৃষি তেনে অঞ্চলৰ লোকসকলে কৃষিৰ সৈতে জড়িত বিবিধ আচাৰ-অনুষ্ঠানবোৰৰ মাজেৰে সংস্কৃতিগত ধ্যান-ধাৰণাক বৰ্তাই ৰাখে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ পটভূমিয়ে সামৰি লোৱা বৃহৎ অঞ্চলটোত সৰহসংখ্যক লোকৰ জীৱিকাৰ উৎস কৃষি হোৱা হেতুকে তেওঁলোকে কৃষিক কেন্দ্ৰ কৰি বিবিধ পৰম্পৰা, লোককৃষ্টি পালন কৰি আহিছে। যাৰ মাজত তেওঁলোকৰ জীৱন ৰথৰ চকৰি ঘূৰি থাকে—

পৌষ-সংক্ৰান্তিৰ পৌষ-লক্ষ্মী অর্থাৎ পৌষ-পার্বণ। নবান্নের দিন হইতে মাস দোড়ক পর পল্লীবাসীর জীৱনে আর একটি সার্বজনীন উৎসব আছিল। সে জীৱনে উদয়কাল হইতে অস্তকাল পর্যন্ত বারো ঘণ্টা সময়ের অর্ধেকটা চলে হ'ল— আকর্ষণকারী কুব্জপৃষ্ঠ বলদের অতি মন্থর পদক্ষেপের পিছনে পিছনে, অথবা ঘরের সামনে উচুঁ ও খড়— বোঝাই গরুর গাড়িক চাকা ঠেলিয়া অথবা শ্বাসরোগীর মত দুঃসহ কষ্টে হাঁপাইতে হাঁপাইতে, বোঝা মাথায় করিয়া আনিতে আনিতে কাটিয়া যায় টানিয়া টানিয়া স্বাস-প্রশ্বাস, সেখানে দেড়মাস সময় পরিমাপে নগর-জীবনের তুলনায় নিশ্চয়ই দীর্ঘ। একটানা একঘেয়ে জীবন।

মধ্যে ইতুলক্ষ্মী গিয়াছে" কিন্তু ইতুলক্ষ্মীয়ে নিয়ম আছে, পালন আছে, পালন আছে, পার্বনের সমারোহ নাই। পৌষ পার্বনে ঘরে ঘরে সমারোহ, পিঠা-পরর। অগ্রহায়ন সংক্রান্তিতে খামারে লক্ষ্মী পাতিয়া চিড়া, মুডকি, মুড়ি, মুড়িৰ নাড়, কলাই ভাজা ইত্যাদিতে পূজা হইয়াছিল। পৌষ-সংক্রান্তিতে ঘরের মধ্যে লক্ষ্মীর আসন পাতিয়া ধান-কড়ি সাজাইয়া সিংহাসনের দুইপাশে দুইট কাঠের পেঁচা রাখিয়া লক্ষ্মীপূজা হইবে। এক অনু পঞ্চাশ ব্যঞ্জনে লক্ষ্মীর সংগে নানা দেবতার ভোদ দেওয়া হইবে। রাণীকৃত চাল ঢেঁকিতে কুটিয়া গুড়া প্রস্তুত হইয়াছে— পিঠা তৈয়ারি হইবে হরেকরকমের। রস প্রস্তুত হইয়াছে, রসে সিদ্ধ পিঠা হইবে। তাহা ছাড়া গুড়ে নারিকেলে, গুড়ে-তেলে মিষ্টান্ন প্রস্তুত হইয়াছে, পাতাল ক্ষীর হইয়াছে— চাঁচি বা খোয়া ক্ষীর হইয়াছে— লোকে আকণ্ঠ পুরিয়া প্রসাদ হইবে।[৪২]

অম্বুবাচীৰ প্ৰসংগইও *গণদেৱতা* উপন্যাসত স্থান পাইছে। কৃষিজীৱী লোকসকলে অম্বুবাচীৰ পালনীয় দিনকেইটাত কেনেদৰে বিবিধ লোকাচাৰৰ মাজেৰে অম্বুবাচী নিবৃত্তি কৰে, তাৰো পৰিচয় ফুটি উঠিছে। লগতে সাতামপুৰুষীয়া লোকবিশ্বাস তথা পৰম্পৰাৰো উৎকৃষ্ট প্ৰতিফলন ঘটিছে বৰ্ণনাৰ মাজেৰে—

আষাড় মাসের প্রথম সপ্তাহ। সাত তারিখে অম্বুবাচী পড়িল। ধরিত্রী নাকি এই দিনটিতে ঋতুমতী হইয়া থাকেন। আকাশ ঘন-ঘোর-মেঘাচ্ছন্ন। বর্ষা প্রত্যাসন্ন বলিয়া মনে হইতেছে।

অম্বুবাচীর তিনিদিন হ’ল কর্ষন নিষিদ্ধ।

গ্রামে গ্রামে ঢোল বাজিতেছে, লড়াইয়ের ঢোল।[৪৩]

(**অনুবাদ ঃ** আহাৰ মাহৰ প্ৰথম সপ্তাহ। সপ্তম দিনা অম্বুবাচী প্ৰবৃতিৰ দিন। আখ্যান অনুসৰি এই দিনটোত ধৰিত্ৰী ঋতুমতী হয়। বৰ্ষা ঋতুৰ আকাশ ঘৰ-ঘোৰ মেঘাচ্ছন্ন। যিকোনো মুহূৰ্ততে বৃষ্টিপাতৰ সম্ভা-না। অম্বুবাচীৰ কেইদিন কৰ্ষণ নিষিদ্ধ।

গাঁৱে গাৱে ঢোল-তাল বাজিছে। মানুহৰ মনত ফুটি উঠিছে সন্তুষ্টিৰ ৰেখা।)

আকৌ উৎসৱ-পাৰ্বণবোৰৰ সৈতে জাতিগত তথা সম্প্ৰদায়গত একতাৰ দিশটোও ঔপন্যাসিকগৰাকীয়ে উপস্থাপন কৰিবলৈ পাহৰা নাই—

অম্বুবাচীতে চাষিদের মধ্যে কুস্তি-প্রতিযোগিতা হইয়া থাকে। চলতি ভাষায় ইহাকে বলে ‘আমুতির লভাই; এখানকার মধ্যে কুসুমপুর ও আলেপুরেই সমারোহ সর্বাপেক্ষা বেশি। এই দুইখানি মুসলমানের গ্রাম। আমুতির লড়াই হিন্দু-মুছলমান দুই সম্প্রদায়েরই সমারোহর বস্তু।[৪৪]

(**অনুবাদ ঃ** অম্বুবাচীৰ দিনকেইটাত কৃষি সম্পৰ্কীয় কোনো কাম কাজ নাথাকে বাবে কৃষকসকলে শৰীৰ চৰ্চা প্ৰতিযোগিতাত ব্যস্ত হৈ থাকে। কুসুমপুৰ আৰু আলিপুৰ গাঁৱৰ কৃষকসকলৰ মাজত এই সমাৰোহৰ প্ৰাধান্য অধিক। এই প্ৰতিযোগিতা হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ শান্তি-সম্প্ৰীতিৰ যেন এক নিদৰ্শন।)

এই উৎসৱ-অনুষ্ঠানবোৰৰ মাজতেই এটা জাতিৰ উৎসাহ-উদ্দীপনাৰ লগত জনজীৱনৰ নিবিড় সম্পৰ্কই কিদৰে সুস্থ জীৱনবোধৰ পৰিচয় দিয়ে তাৰ আভাস ওপৰৰ বৰ্ণনাবোৰত মূৰ্ত।

পুৰীৰ ৰথযাত্ৰা ভাৰতৰ বিভিন্ন অঞ্চলবিশেষত কেনেদৰে পালিত হৈ আহিছে, সেই বৰ্ণনাৰ সাৱলীল প্ৰকাশ ঘটিছে *পঞ্চগ্ৰাম* উপন্যাসত। ৰথযাত্ৰাৰ সৈতে একাত্মভাৱে জড়িত উচ্চবৰ্ণৰ হিন্দুসকলে উৎসৱটি কেনেদৰে পুৰুষানুক্ৰমে পালন কৰি আহিছে সেয়া বৰ্ণনাৰ মাজেৰে সংস্কৃতিগত চেতনা এটা বৰ্তাই ৰাখিব খোজা জনজীৱনৰ মানসিকতা প্ৰকাশি উঠিছে—

> পুরীর রথযাত্রা প্রধান রথযাত্রা হইলেও, হিন্দু সমাজের সর্বত্র, বিশেষ করিয়া বাংলা দেশের প্রায় গ্রামে গ্রামেই ক্ষুদ্র বৃহৎ আকারে রথযাত্রার উৎসৱ অনুষ্ঠিত হইয়া থাকে। উচ্চবর্ণের হিন্দু-গৃহে আজ জগন্নাথদেবের উদ্দেশ্যে পঞ্চগব্য ও পঞ্চামৃতের সহযোগে পায়সান্নের ভোগ নিবেদন করা হইবে। আম-কাঁঠালের সময়, আম-কাঁঠাল ভোগের একটি অপরিহার্য উপকরণ।[৪৫]

(**অনুবাদ ঃ** ভাৰতবৰ্ষৰ আটাইকেইখন ৰাজ্যৰ ভিতৰত পুৰীত প্ৰধানভাৱে ৰথযাত্ৰা পালিত হ'লেও হিন্দু সমাজ মাত্ৰেই ৰথযাত্ৰাৰ সৈতে বিশেষভাৱে জড়িত। বিশেষকৈ বাংলাৰ গ্ৰাম্য সমাজৰ সকলোতে ৰথযাত্ৰাক লৈ সৰু-বৰ উৎসৱ পালিত হয়। উচ্চ বৰ্ণৰ হিন্দু সমাজে ৰথাযাত্ৰা উপলক্ষে জগন্নাথ মহাপ্ৰভূৰ উদ্দেশ্যে পঞ্চগব্য, পঞ্চামৃতৰৰ লগতে পৰমান্নৰ ভোতা নিবেদন কৰে।)

এনে বিভিন্ন উৎসৱ বৰ্ণনাই *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসক অনন্য বিশিষ্টতা প্ৰদান কৰিছে। গ্ৰাম্য সংস্কৃতিক প্ৰতিভাত কৰি তোলা অসংখ্য উৎসৱ-অনুষ্ঠানৰ মাজতেই জীৱনে ছন্দ বিচাৰি পায়। বৰ্ণিত বিভিন্ন উৎসৱৰ উপৰি গাজন, নৱান্ন উৎসৱ, লক্ষ্মীপূজাৰ বিশেষ বৰ্ণনা, শিৱপূজা, চ'ত মাহৰ সংক্ৰান্তিৰ আগদিনা পালন কৰা নীল ষষ্ঠী আদিবোৰে ৰাঢ় অঞ্চলৰ ঐতিহ্যপূৰ্ণ সংস্কৃতিৰ কথাকে প্ৰতীয়মান কৰে। ওপজা মাটিৰ পৰশেৰে উজ্জীৱিত তেখেতৰ উপন্যাসত সেয়ে সাংস্কৃতিক ধ্যান-ধাৰণাৰ প্ৰৱল প্ৰকাশ ঘটিছে। লোকউৎসৱক প্ৰতিনিধিত্ব কৰা লোকবিশ্বাস আৰু লোকাচাৰসমূহেও সাৰ্থক ৰূপ লাভ কৰাত উপন্যাসখনে উৎকৃষ্ট ৰূপ পৰিগ্ৰহ কৰিছে।

গ্ৰাম্য সমাজৰ অৰ্থনীতি বুলি ক'লে প্ৰথমেই মনলৈ আহে কৃষিক কেন্দ্ৰ কৰি জীৱন নিৰ্বাহ কৰা এচাম কষ্টসহিষ্ণু লোকৰ কথা। বাংলাৰ অৰ্থনীতিতো কৃষিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰচিত *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত কৃষিয়ে সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ কথা উল্লেখ কৰিবলৈ গৈ সেউজ ধাননি পথাৰখনৰ সৈতে জড়িত হৈ থকা এচাম লোকৰ শাৰীৰিক শ্ৰমৰ বিষয়ে মৰ্যাদা সহকাৰে উত্থাপন কৰিছে।

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে, মহাজনী শোষণ ব্যৱস্থাই সৰহভাগ মাটি দখললৈ লৈ অহাৰ পাছত সাধাৰণ জনগণৰ বাবে খেতি কৰি জীৱন নিৰ্বাহ কৰাৰ একমাত্ৰা ঠাই ৰৈছিলগৈ পলসুৱা চৰখিনি। তাতেই তেওঁলোকে জীৱন-জীৱিকাৰ উৎস বিচাৰি ফুৰে—

> আষাঢ় হইতে ভাদ্রৰ— এই তিন মাস পল্লীবাসীর দিন কাটে মাঠে। কৃষির লালনে পালনে। আশ্বিন হইতে পৌষ সেই ফসল কাটিয়া ঘরে তোলে— সঙ্গে সঙ্গে রবি ফসলের চাষ। এ সময়টাও পল্লীজীবনের বারো আনা অতিবাহিত হয় মাঠে।[৪৬]

(**অনুবাদ ঃ** আহাৰ মাহৰ আৰম্ভণিৰ পৰা ভাদৰ শেষলৈকে এই তিনিমাহ গাঁওবাসীৰ দৈনন্দিন জীৱন অতিবাহিত হয় পথাৰৰ কৰ্মময়তাৰ মাজত। কৃষিকাৰ্যৰ সৈতে অতিবাহিত কৰি যেতিয়া শইচ চপাই ঘৰলৈ লখিমী আদৰে তেতিয়া গাঁওবাসীৰ মন আনন্দত অধীৰ হৈ পৰে।)

সমাজৰ এচাম স্বাৰ্থপৰ জমিদাৰশ্ৰেণীৰ শোষক সাধাৰণ শ্ৰেণীৰ লোকক বিভিন্ন প্ৰকাৰে কেনেদৰে শোষণৰ মাজেৰে নগুৰ-নাকতি কৰি আহিছে তাৰো বৰ্ণনা উপন্যাসখনত স্পষ্ট। পৰিস্থিতিৰ তাগিদাত পৰি ধাৰে লোৱা ধন ওভোতাই দিব নোৱাৰি কিদৰে মাটি-বাৰী, গৰু-ছাগলীতো বাদেই ঘৰত নিত্য ব্যৱহাৰ্য সামগ্ৰীবোৰো মহাজনে কাঢ়ি লৈ যায়। সাধাৰণ মানুহৰ জীৱনৰ বিপৰ্যয়ৰ এনে চিত্ৰ তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত স্পষ্ট—

> শ্রীহরির দিকটা ভাবিতে ভাবিতে তাহার মনে পড়িয়া গেল—বাল্যকালের স্মৃতি। ধানের দায়ে কঙ্কনার বাবুদের দ্বারা তাহাদের অস্তাবর-ক্রোকের কথা। সে শিহরিয়া উঠিল। খাতকের দিকটা দেবুর চোখের উপর ভাসিতে লাগিল, জম-জমা যায়, পুকুর-বাগান যায়, ক্ষেত-খাবার যায়, তাহার পর গরু-বাছুর খায়, তাহার পর থালা-কাসাঁ যায়, তাহার পব যায় বাস্তুভিটা। মানুষ পথের উপর গিয়া দাঁড়ায়।[৪৭]

(**অনুবাদ ঃ** শ্ৰী হৰিৰ কথা ভাবোতে অনিৰুদ্ধৰ মানসপটত বাল্যকালৰ স্মৃতিয়ে দোলা দিলেহি। কংকনাৰ জমিদাৰে অনিৰুদ্ধহঁতৰ মাটি-বাৰী, সা-সম্পত্তি সকলো হস্তগত কৰাৰ কথা। কথাবোৰ মনত পৰি অনিৰুদ্ধৰ দেহেৰে যেন এক বিদ্যুৎ প্ৰবাহিত হৈ গ'ল। খেতি-পথাৰ, গৰু-ছাগলী,

বস্তু-বাহানি আৰু শেষলৈ ভেঁটিটো। সকলো ঘৰ এৰি পথৰ দাঁতিত বাস কৰিব লগা হ'ল।)

অৰ্থাভাৱত জুৰুলা হোৱা গ্ৰাম্যজীৱনৰ সৈতে একাত্ম সহজ সৰল লোকসকলে অহৰহ দাৰিদ্ৰৰ সৈতে যুঁজি জীৱনক আগুৱাই নিছে। তেওঁলোকৰ ঋণগ্ৰস্ততা, অভাৱক্লিষ্ট তথা বেদনাক্লিষ্ট মুখবোৰ দেখিও শোষক শ্ৰেণীৰ হৃদয়ত কোনো ধৰণৰ কম্পনৰ সৃষ্টি নহয়। সমাজৰ এনে দাৰিদ্ৰপীড়িত লোকৰ বাস্তৱ ছবি এখন ঔপন্যাসিকে *গণদেৱতা, পঞ্চগ্ৰাম*ৰ মাজেৰে উদ্ভাসিত কৰি তুলিছে।

অৰ্থৰ তাড়নাত দিকবিদিক হেৰুৱাই পেলোৱাৰ পাছত কেতিয়াবা কোনো ব্যক্তিৰ মগজত সুস্থ চিন্তাবোধে গা কৰি উঠিব নোৱাৰে। যাৰ পৰিণতিত তেনে লোকৰ মনত অপৰাধ প্ৰৱণতাই অতি সহজে গা কৰি উঠে। *গণদেৱতা* উপন্যাসতো দাৰিদ্ৰৰ সৈতে সহবাস কৰি অতিষ্ঠ হোৱা তাৰিনীচৰণ পৰিয়ালৰ প্ৰসংগক্ৰমে তেওঁৰ পত্নীৰ চৌৰ্যবৃত্তিৰ কথা উল্লেখ কৰা হৈছে। এনে চৌৰ্যবৃত্তিৰ মূলতে যে কেৱল দাৰিদ্ৰৰ যন্ত্ৰণা সেই কথা প্ৰত্যক্ষভাৱে উল্লেখ নকৰিলেও বৰ্ণনাৰ পৰাই অনুধাৱন কৰিব পাৰি।

সমাজত অৰ্থনৈতিক সংঘাতৰ পৰিণাম আটাইতকৈ বেছিকৈ ভোগ কৰিব লগা হয় সমাজৰ দৰিদ্ৰ শ্ৰেণীটোৰ লোকে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত বৰ্ণিত কৃষকসমাজ বা কৃষিকাৰ্যৰ সৈতে জড়িত লোকসকলৰ আৰ্থিক যন্ত্ৰণা এইক্ষেত্ৰত বেছি হয়। যাৰ বাবে এই শ্ৰেণীৰ লোকসকলে উৎপাদন ব্যৱস্থাৰ পৰিৱৰ্তনৰ দিশ চিন্তা কৰে। এনে পৰিৱৰ্তনৰ ক্ষেত্ৰত গ্ৰামীণ সমাজে প্ৰতিবাদী ভূমিকা গ্ৰহণ কৰিবলৈ বাধ্য হয়। গ্ৰামীণ সমাজত কৃষক আৰু জমিদাৰ শ্ৰেণীৰ মাজত উদ্ভুত এনে প্ৰতিবাদী মনোভাৱ *গণদেৱতা,পঞ্চগ্ৰাম* উপন্যাসত স্পষ্ট। যাৰ পৰিণতিত সামন্ততান্ত্ৰিক গ্ৰামীণ সমাজত পৰিৱৰ্তনৰ সূচনা হ'বলৈ ধৰে। কৃষক সমাজ সৰ্বস্বান্ত হোৱাৰ ফলত বিদ্ৰাহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। মহাজনৰূপী জমিদাৰ শ্ৰেণীটোৱে ভূমিহীন হৈ পৰা কৃষকক লুটিপুটি নিজস্ব ভাণ্ডাৰ চহকী কৰি তুলিছে।

গাঁৱৰ মধ্যবিত্ত যিসকল কৃষক নহয়, মাটিৰ মালিকৰূপে নিজকে ভদ্ৰলোক বুলি পৰিচয় দিয়ে তেওঁলোকে সমাজৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত দ্বিধাগ্ৰস্ততাৰ মাজত অৱস্থান

কৰিছে। য'ৰ পৰা সমাজ বিকাশৰ ইতিহাসত সেইটো দেখা গৈছে।

সমাজৰ সৰু সৰু জমিদাৰ শ্ৰেণীটোৱে অথবা নতুনকৈ গঢ় লৈ উঠা পুজিপতি লোকসকলে সাধাৰণ জনতাৰ পৰা সৰ্বস্ব কাঢ়ি লৈ যোৱাৰ ছৱিখন *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত স্পষ্ট। অৰ্থৰ বাবে ধনী দুখীয়াৰ মাজৰ সংঘৰ্ষ আৰু পিছলৈ আৰ্থিক স্বচ্ছলতাৰ ওচৰত দৰিদ্ৰ লোকৰ আত্মসমৰ্পণে গ্ৰাম্য জীৱনধাৰাৰ সামাজিক আৰু অৰ্থনৈতিক বিপৰ্যয়ৰ ছৱিখন স্পষ্ট কৰি তুলিছে।

খাদ্যাভাসৰ মাজতো এখন সমাজৰ সাংস্কৃতিক পৰিচয় ফুটি উঠে। খাদ্যৰ প্ৰতি থকা ৰুচি-অভিৰুচিয়ে এখন সমাজক আন এখন সমাজৰ দৃষ্টিত প্ৰতিভাত কৰি তোলে। তেনে খাদ্যশৈলীৰ ধাৰণাও *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত প্ৰকাশি উঠিছে—ব্ৰাহ্মণ মনে মনেই ভানে-চালের পিঠে, সৰুচাকলি, সুগের পিঠে, নাৰকলে পুরের পিঠে, ৰাঙা আলুর পিঠ, ভাবেন আর জিকে জল আসে।[৪৮]

চাহেৰে সৈতে মুড়ি খোৱাটো গ্ৰাম্য সমাজৰ এক চিৰপৰিচিত দৃশ্য। বৰ্তমান পশ্চিমীয়া সভ্যতা-সংস্কৃতিয়ে চাৰিওদিশে খোপনি পোতাৰ সময়ত এনে দৃশ্যাৱলীয়ে আমাৰ মনত বাৰুকৈয়ে আনন্দৰ সঞ্চাৰ কৰে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো গ্ৰাম্য সমাজৰ এনে দৃশ্য সুলভ।

এনে বৰ্ণনাৰ মাজেৰে তেওঁলোকৰ ৰুচিসন্মত খাদ্যাশৈলীয়ে পাঠকৰ সন্মুখত পৰিচিত লাভ কৰাৰ লগতে সেইখন সমাজৰ সাংস্কৃতিক চেতনাকো জীয়াই ৰাখিছে। নিজস্ব কৃষ্টি-সংস্কৃতিৰ প্ৰতি দায়বদ্ধ এই লোকসকলে কিদৰে ঐতিহ্যক চহকী আৰু মহীয়ান কৰি ৰাখিছে তাৰেই ইংগিত পোৱা গৈছে উপন্যাসখনৰ মাজেৰে।

গ্ৰাম্য সমাজৰ সাধাৰণ শ্ৰমজীৱি লোকসকলে সাধাৰণতে পূৰ্বপুৰুষৰে পৰা বাস কৰি অহা সাতামপুৰুষীয়া 'ভেঁটি'টোৰ প্ৰতি এক বিশেষ আকুল তথা অনুভূতিপ্ৰৱণ মানসিকতা লক্ষ্য কৰা যায়। কিয়নো যুগ যুগ ধৰি বংশ গৌৰৱেৰে গৌৰাবান্বিত ভেঁটিটোৰ প্ৰতি থাকে তেওঁলোকৰ অনেক স্পৃহা। সেয়ে দুৰ্গাই পাতুক কৰা প্ৰশ্নত এনে স্পৃহাৰ ধাৰণাটোৱে

পৰোক্ষভাৱে বিৰিঙি উঠিছে—সত্যিই তু উঠে যাবে নেকি ? হাঁ দাদা ? ভিটে ছেড়ে উঠে যাবি?[৪৯]

(**অনুবাদ ঃ** সঁচাকৈয়ে তই ইয়াৰ পৰা যাবিগৈ নেকি দাদা ? এই ভেঁটি এৰি তই আন ক'ৰবালৈ যাবি?)

এনে আৱেগ-অনুভূতি তথা মানৱীয় প্ৰমূল্যবোধৰ মাজতেই নিজৰ ভেঁটিটোৰ প্ৰতি থকা আকুল দৰদ ফুটি উঠিছে। য'ত যুগ যুগ ধৰি প্ৰবাহিত হৈ থকা চেতনালব্ধ আত্মিক টান জড়িত হৈ থাকে। দুৰ্গাৰ ওপৰৰ উক্তিটোৰ স'তে এনে আত্মিক টানৰ প্ৰসংগটোৱে ভুমুকি মাৰিছে বুলি ক'ব পাৰি। ভাঙোনমুখী সমাজৰ গতিধাৰাত শিপা খামুচি ৰাখিব খোজা এনে মনোভাৱে উচ্চ আদৰ্শাত্মক পৰিচয় দাঙি ধৰে।

সমাজ এখনত বসবাস কৰা উভয় সম্প্ৰদায়ৰ লোকৰ মাজত পৰম্পৰাগতভাৱে কিছুমান প্ৰথা প্ৰচলিত হৈ থাকে। গাঁৱৰ সামূহিক উন্নয়নৰ স্বাৰ্থত পালিত এনে প্ৰথাসমূহে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো লোককে একত্ৰিত কৰি আহিছে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো ঈশ্বৰবৃত্তিৰ নামত কেনেকৈ বছৰি দেড় টকা বা দুটকাকৈ প্ৰতিঘৰে বৰঙণি উঠাই আহিছে। আৰু সেই টকাৰে কেনেদৰে সকলোৱে সন্মিলিত প্ৰচেষ্টাৰে বিভিন্ন গঠনমূলক কাম-কাজত অৰিহণা আগবঢ়াইছে, সেয়া স্পষ্ট হৈ পৰিছে—

> বাবুরা হালে টাকায় এক পয়সা ঈশ্বরবৃত্তির প্রচলন করিয়াছেন; টাকা দিতে গেলেও দিতে হইবে টাকা লইতে গেলেও দিতে হইবে। ওই টাক পার্বণ উপলক্ষে ধুমধামে যাত্রা-থিয়েটার হয়।[৫০]

এনে দান-বৰঙণিৰ মাধ্যমেৰে আয়োজিত নবান্ন উৎসৱ উপলক্ষে চণ্ডীমণ্ডপত 'বেউলাৰ আখ্যান' অথবা অনুষ্ঠিতব্য যাত্ৰা-পাত্ৰীৰ বৰ্ণনাই উপন্যাসত বৰ্ণিত সমাজখনৰ লোকসকলৰ সাংস্কৃতিকভাৱে চহকী মনৰ পৰিচয় দাঙি ধৰে—

> নবান্নের দিনা দুইজনে পরামর্শ করিয়া একটা উৎসবের ব্যৱস্থা করিল। সন্ধ্যায় চণ্ডীমণ্ডপে মনসার ভাসান গান হইবে। ভাসান গানের দলকে এখানে 'বেহুলার দল' বলিয়া থাকে। বাউরিদের একটি বেহুলার দল আছে; সেই দলের গান হইবে। চাঁদা করিয়া চাল তুলিয়া উহাদের মদের ব্যৱস্থা করা

হইয়াছে—তাহাতেই দলের লোকের মহা আনন্দ। এই ভাসান গানের ব্যৱস্থার মধ্যে আরও একটি উদ্দেশ্য আছে। নবান্নের দিন চিরু পালের বাড়িতে অন্নপূর্ণ পূজা থাকে; সেই উপলক্ষে সন্ধ্যায় গ্রামের সমস্ত লোকই গিয়া জমায়েত হয় চিরুর বাড়িতে।

গ্রামের লোক যাহাতে ছিরুর বাড়ি না যায়—জগন ডাক্তার এবং দেবনাথ তাহার জন্য ব্যৱস্থাগুলি করিয়াছে। গ্রামকে সঙ্ঘবদ্ধ করিবার প্রচেষ্টা জগন ও দেবনাথের এইটি প্রথম আয়োজন বা ভূমিকা।[৫১]

সময়ে মানুহৰ জীৱনলৈ পৰিৱৰ্তন নমাই আনে। এনে পৰিৱৰ্তনে কাৰোবাৰ জীৱন সুগঠিত কৰে যদি আকৌ কাৰোবাৰ জীৱনত বিষবাষ্প বোৰাই তোলে। অথৰ্বলেৰে বলীয়ান হৈ এচাম লোকে সামাজিক স্থিতি কেনেকৈ হেৰুওৱাৰ উপক্ৰম হয় তেনে বৰ্ণনাও উপন্যাসৰ পাতত বিবৃত হৈছে। নিজৰ মাতৃ-পিতৃকো সন্মান দিব নজনা হৈ পৰা এইচাম লোকসমাজৰ বাবে অভিশাপস্বৰূপ। এনে লোকৰ বাবে সমাজত উচ্চ-নীচৰ মাজত থকা প্ৰভেদেও ক্ৰমাৎ মূৰ দাঙি উঠে। উপন্যাস *গণদেৱতা, পঞ্চগ্ৰামত* এনেবোৰ কথাৰ পূৰ্ণ প্ৰতিফলন ঘটিছে—

অৰ্থবলে এবং দৈহিক শক্তিতে ছিরু যথেচ্ছার করিতেছে। শুধু ছিরু কেন—গ্রামের কেহই কাহাকেও মানে না, সামাজিক আচার-ব্যৱহাৰ সব লোপ পাইতে বসিয়াছে। মানুষ মরিলে সহজে মড়া বাহির হয় না, সামাজিক ভোজনে—একই পংক্তিতে ধনী-দরিদ্রের ভেদাভেদ দেখা দিয়াছে।[৫২]

(**অনুবাদ ঃ** অৰ্থবল আৰু বাহুবল-উভয়ৰে বলীয়ান হৈ ছিৰুপালে যতমানে অপকৰ্মত লিপ্ত হৈছে। কাকো যেন পৰোৱাই নকৰে। সামাজিক ৰীতি-নীতিৰ প্ৰতি পিঠি দি ছিৰুপালে সমাজত ভেদা-ভেদৰ বিষবাষ্প বিয়পাইছে।)

ঈশ্বৰ বিশ্বাসী লোকসকলে সমগ্ৰ জীৱন প্ৰবাহত পালনীয় বিবিধ সংস্কাৰধৰ্মী আচাৰ-অনুষ্ঠানৰ মাজতে ভাৰতীয় সংস্কৃতিৰ ধাৰণা বৰ্তি থাকে। ভাৰতীয় সংস্কৃতিৰ প্ৰাচীন ঐতিহ্যই সাধাৰণতে এক বিৰাট আদৰ্শ আমাৰ সন্মুখত প্ৰকাশি তোলে। কিন্তু সংস্কৃতিগত ধাৰণা তথা ঐতিহ্যত আঘাত হানি কিদৰে প্ৰাচীন প্ৰমূল্যবোৰে ক্ৰমে আমাৰ

সমাজৰ পৰা বিদায় লোৱাৰ উপক্ৰম হৈছে সেই বৰ্ণনা *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত বিধৃত হৈছে। ক্ৰমাৎ বাঢ়ি অহা পশ্চিমীয়া সভ্যতাৰ আগ্ৰাসন কিদৰে সমাজৰ ব্যক্তিবিশেষৰ পৰা সংস্কৃতিগত চিন্তা-চেতনাৰ বিলুপ্তি ঘটাইছে তেনে বৰ্ণনা উপন্যাসদুখনত সমুজ্জল হৈ আছে।

সমাজত পাপ-পূণ্যৰ ধাৰণাই মানুহক যিকোনো কাম কৰাৰ পৰা বিৰত ৰাখে। কিন্তু এচাম মানুহে কেতিয়াও পাপ-পূণ্যৰ কথা চিন্তা কৰি নীচ কৰ্ম কৰাৰ পৰা আঁতৰি নাহে। কিন্তু ভাৰতীয় দৰ্শনত বিশ্বাসী লোকসকলে নিজৰ কৰ্মৰ ফল ভোগ কৰিব লগা হয় বুলি অগাধ বিশ্বাসী। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো এনে ধাৰণাত বিশ্বাসী লোকৰ কথা-বাৰ্তাই স্থান পাইছে।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ে গ্ৰামীণ সমাজৰ প্ৰতিজন ব্যক্তিৰ জীৱনৰ বিভিন্ন অৱস্থাৰ চিত্ৰণ আৰু তাৰ পৰিৱৰ্তনৰ ছন্দক সুষম ৰূপত প্ৰকাশিত কৰিছে। “সামাজিক-রাজনৈতিক চেতনা বিস্তারের মধ্যে দিয়ে গ্রামীণ জনতার জীৱনের রূপান্তর”[৫৩] *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ মুখ্য প্ৰতিপাদ্য বিষয়।

গ্ৰামীণ সমাজত মূল্যবোধৰ ৰূপান্তৰ, আৰ্থ-সামাজিক বৈশিষ্ট্য, আদৰ্শৰ সৈতে সংঘৰ্ষ, ৰাজনৈতিক আন্দোলন, কৃষক সচেতনতা, সামাজিক সংহতিৰ ভগ্নপ্ৰায় ৰূপ, জমিদাৰী প্ৰথাৰ বিলুপ্তিৰ বাবে কৰা প্ৰতিবাদ আৰু শেষলৈ এনে প্ৰতিবাদৰ ব্যৰ্থতা, প্ৰথম বিশ্বযুদ্ধৰ প্ৰভাৱে ভাঙোনমুখী সামন্ততান্ত্ৰিক অৰ্থব্যৱস্থাক ওফৰাই নতুন অৰ্থনীতিৰ প্ৰৱেশত সহায় কৰা ইত্যাদি ব্যাপক সামাজিক কাৰ্যকলাপৰ বিৱৰণেৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাস আলোকিত হৈ আছে। সমালোচকৰ ভাষাত—

> সামাজচিত্রের ব্যাপক সমগ্রতা, সমাজনীতির সূক্ষ্ম, গভীর আলোচনা, চলমান ঘটনা প্রবাহের সার্থক, ভাবব্যঞ্জনামূলক বর্ণনা, প্রেমের আপেক্ষিক অভাৱ— এই সমস্ত লক্ষণ তাহার রচনাকে উপন্যাস অপেক্ষা মহাকাব্যের সহিত নিকটতর সম্পর্কান্বিত করিয়াছে।[৫৪]

(**অনুবাদ ঃ** বিহংগম দৃষ্টিৰে সামাজিক চেতনাৰ প্ৰকাশ, সমাজৰ সূক্ষ্মাতিসূক্ষ্ম দিশবোৰৰ সুগভীৰ আলোচনা, চলমান ঘটনা প্ৰবাহৰ ব্যঞ্জনাময় প্ৰকাশ, প্ৰেমৰ আপেক্ষিকতা—আদি দিশবোৰে তেওঁৰ উপন্যাসক মহাকাব্যোসম মৰ্যাদা দিছে।)

তাৰাশংকৰ বন্দ্যোপাধ্যায়ে সমাজ সংস্কাৰৰ মূল-মন্ত্ৰকে সৰোগত কৰি লেখাৰ মাজেৰে তেওঁৰ সপোনৰ আদৰ্শাত্মক সমাজখন প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। সেই কথাৰ আভাষ আমি পাওঁ—

> জীৱনের শেষ প্রহরে আত্মজীৱনী 'আমার কথা'য় পরিস্কার ঘোষণা করলেন পঞ্চগ্রামের কল্পিত সমাজই তার কাছে আদর্শ সমাজের রূপ। ধনীশাসিত সমাজের দিন আর নেকই। নতুন সমাজ গড়ার দিন এসেছে—"একথা কল্পনা করিনি যে, প্রচলিত সামাজিক ও রাষ্ট্রিক বিধানকে মাথায় করে ধনীপ্রাধান্য ও প্রভার প্রভাৱিত সমাজ কায়েম থাকবে। কল্পনা করেছিলাম একটি অমিত শক্তিতে শক্তিশালী জাতি-সাম্যে প্রতিষ্ঠিত এবং অহিংসায় নম্র ও উদার।" সারা জীৱনের সঞ্চিত চিন্তাভাবনা পঞ্চগ্রামের সমাজকল্পনার মধ্যে রয়ে গেছে।[৫৫]

(**অনুবাদ ঃ** জীৱনৰ বিয়লি বেলাত ৰচিত আত্মজীৱনী 'আমাৰ কথা'ত তেওঁ *পঞ্চগ্ৰাম* উপন্যাস সৃষ্টিৰ অন্তৰালত আদৰ্শাত্মক সমাজৰ কথা স্পষ্টকৈ উল্লেখ কৰিছে। নতুন সমাজ গঢ়াৰ ৰপ্ত তাৰাশঙ্কৰে উপলব্ধি কৰিছিল এই কথা। সমাজত ধনীক শ্ৰেণীৰ প্ৰাধান্য আঁতৰাই সাম্য মৈত্ৰীৰে শক্তিশালী এক জাতি প্ৰতিষ্ঠিত কৰিব বিচাৰিছিল। যি, জাতি নিৰ্মিত হ'ব অহিংসাৰ দ্বাৰা। সমগ্ৰ জীৱনৰ সঞ্চিত সমাজচেতনাৰ ভাৱধাৰা তেওঁ *পঞ্চগ্ৰামৰ* জৰিয়তে প্ৰকাশ কৰিছিল।)

জাতি, বৰ্ণ, ধম নিৰ্বিশেষে সকলো স্তৰৰ লোকৰ মাজত সমতা স্থাপনৰ উদ্দেশ্যে তেওঁ সাহিত্য ৰচনা কৰিছিল। সমালোচকৰ ভাষাত—

> সমাজের উচুঁতলার জমিদার, উঠতি ধনী ব্যৱসায়ী সম্প্রদায়, ডোম, কাহার, কামার, কুমোর, চাষী, নট, পটুয়া, যোগী সন্যাসী সবাই দল বেঁধে তাঁর উপনাসে উপস্থিত। এইসব স্তরের মানুষদের সঙ্গে লেখকের হৃদয়ের যোগ ছিল বলেই তাঁর সমাজ ভাবনার এরা স্থান পেয়েছে।[৫৬]

(**অনুবাদ ঃ** সমাজৰ উচ্চশ্ৰেণীৰ জমিদাৰ, নতুন ধনীক শ্ৰেণী, ডোম, কমাৰ কঁহাৰ, কৃষক, যোগী, সন্যাসী—সকলোৰে উপস্থিতি তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসত মন কৰিবলগীয়া। সমাজৰ সৰ্বস্তৰৰ লোকৰ সৈতে থকা সংস্পৰ্শৰ বাবেই তেখেতৰ সামাজিক চেতনাত এই সমগ্ৰ লোকৰ স্থান লক্ষণীয় হৈ পৰিছে।)

সাম্যবাদী আদৰ্শত বিশ্বাসী তাৰাশংকৰ বন্দ্যোপাধ্যায়ে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ কেইবাযাও চৰিত্ৰৰ জৰিয়তে ইয়াক প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। এখন আদৰ্শাত্মক সমাজ গঢ়াৰ পৰিকল্পনাত ৰপ্ত তাৰাশংকৰ বন্দ্যোপাধ্যায়ে গান্ধীজীৰ মানৱতাবাদী ভাৱধাৰাৰে চৰিত্ৰসমূহ উজ্জীৱিত কৰি তুলিছে। সমালোচকৰ ভাষাৰে—

> প্ৰাচীন সমাজ ব্যৱস্থাক নতুন যুগের উপযোগী করে গ্ৰহণ করা যেমন তারাশংকরের অভীপ্সা, তেমনি মানৱজীৱনের পরিৱর্তনকেও স্বীকার করছেন।[৫৭]

বাস্তৱ পৃথিৱীখনত সামাজিক পৰিৱেশে লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায় উভয়কে আকৰ্ষিত কৰিছিল। তেওঁলোকৰ সামাজিক দায়বদ্ধতাৰ চিহ্ন এই উপন্যাসকেইখনৰ পৰাই পাব পাৰি। নতুন আৰ্থ সামাজিক পৰিস্থিতিৰ আলম লৈ সমাজত উদ্ভৱ হোৱা নিত্য নতুন সমস্যা উপন্যাসকেইখনৰ পাতত স্পষ্ট হৈ উঠিছে। প্ৰজন্মকেন্দ্ৰিক ব্যৱধান, কল-কাৰখানাৰ প্ৰসাৰ, মূল্যবোধৰ পতন, ব্যৱসায়-বাণিজ্যৰ প্ৰভাৱ, দুৰ্নীতিৰ অবাধ গতি, নৈতিকতাৰ অৱসান, সংৰক্ষণত আচ্ছন্ন গ্ৰাম্য সমাজ আদি বিভিন্ন সামাজিক সমস্যাৰে জৰ্জৰিত দুখন ভিন্ন সমাজৰ কথা উপন্যাস কেইখনত বিবৃত হৈছে। সামাজিক জীৱন প্ৰবাহৰ এনে প্ৰতিফলনে উভয় লেখকৰে সমাজ সংস্কাৰধৰ্মী চৰিত্ৰ প্ৰতিভাত কৰি তোলাত সহায় কৰিছে। সমাজৰ সূক্ষ্মাতিসূক্ষ্ম বিবিধ সমস্যাত অন্তৰ্দৃষ্টিসম্পন্ন অৱগাহন আৰু সামাজিক দায়বদ্ধতাৰে নিৰ্বাচিত উপন্যাসকেইখনৰ বিষয়বস্তু পৰিপূৰ্ণ হৈ আছে। সমাজ সচেতনতাৰ পটভূমিত মানৱীয় অনুভূতৰ পুনৰ মূল্যায়ন উপন্যাসকেইখনৰ মূলমন্ত্ৰ বুলি ক'ব পাৰি।

**পাদটীকা ঃ**

১. গোঁহাই, হীৰেণ ঃ *সাহিত্যৰ সত্য,* ‘অসমীয়া গল্প উপন্যাস আৰু অসমীয়া সমাজৰ বুৰঞ্জী’, প্ৰৱন্ধ, পৃ. ১৮৭

২. পাটগিৰি, দীপ্তিফুকন (সম্পা.) ঃ অসম সাহিত্য সভা পত্ৰিকা নবীন চন্দ্ৰ শৰ্মাৰ প্ৰৱন্ধ মাৰ্ক্সীয় সমালোচনা, পৃ.

৩. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি,* পৃ. ৩৬

৪. উল্লিখিত গ্ৰন্থ, পৃ. ১৩৩

৫. উল্লিখিত গ্ৰন্থ, পৃ. ৪৩

৬. বেজবৰা, নীৰাজনা মহন্ত ঃ *সাহিত্যৰ সমাজতত্ত্ব ঃ সিদ্ধান্ত আৰু প্ৰয়োগ,* পৃ.৪৭

৭. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি,* পৃ. ১৬

৮. উল্লিখিত গ্ৰন্থ, পৃ. ১০৮

৯. উল্লিখিত গ্ৰন্থ, পৃ. ৪৬

১০. উল্লিখিত গ্ৰন্থ, পৃ. ৪৭

১১. উল্লিখিত গ্ৰন্থ, পৃ. ৫৭

১২. উল্লিখিত গ্ৰন্থ, পৃ. ৬৩

১৩. চলিহা, ভৱপ্ৰসাদ (সম্পা.) ঃ *নন্দনজ্যোতি,* আনন্দ বৰমুদৈৰ প্ৰৱন্ধ, হেৰুওৱা সযোগে কৰুণ কৰা কাহিনীঃ গঙা চিলনীৰ পাখি, পৃ.৯৩

১৪. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি,* পৃ. ১১২

১৫. ঠাকুৰ, নগেন (সম্পা.) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস,* পৰাগ কুমাৰ ভট্টাচাৰ্যৰ প্ৰবন্ধ ‘লক্ষ্মীনন্দন বৰাৰ উপন্যাস পৰম্পৰা আৰু আধুনিকতাৰ দ্বন্দ্ব’, পৃ. ৬০৪

১৬. উল্লিখিত গ্ৰন্থ, উক্ত প্ৰৱন্ধ, পৃ. ৬০৪

১৭. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি,* পৃ. ১১৯

১৮. বেজবৰা, নীৰাজনা মহন্ত ঃ প্ৰাগউল্লিখিত গ্ৰন্থ, পৃ.৯

১৯. বৰা, লক্ষ্মীনন্দন ঃ *পাতাল ভৈৰৱী,* পৃ. ১৪

২০. উল্লিখিত গ্ৰন্থ, পৃ. ৯

২১. উল্লিখিত গ্ৰন্থ, পৃ. ১০

২২. ঠাকুৰ, নগেন (সম্পা.) ঃ প্ৰাগউল্লিখিত গ্ৰন্থ, প্ৰাগউল্লিখিত প্ৰৱন্ধ, পৃ. ৬০৭

২৩. বৰা, লক্ষ্মীনন্দন ঃ *পাতাল ভৈৰৱী,* পৃ. ১৬

২৪. উল্লিখিত গ্ৰন্থ, পৃ. ১৮৪

২৫. উল্লিখিত গ্ৰন্থ, পৃ. ১১২

২৬. উল্লিখিত গ্ৰন্থ, পৃ. ১১৬

২৭. উল্লিখিত গ্ৰন্থ, পৃ. ১১৮

২৮. ঠাকুৰ, নগেন (সম্পা.) ঃ প্ৰাগউল্লিখিত গ্ৰন্থ, প্ৰাগউল্লিখিত প্ৰৱন্ধ, পৃ. ৬০৯

২৯. বৰা, লক্ষ্মীনন্দন ঃ *পাতাল ভৈৰৱী*, পৃ. ১৫২

৩০. উল্লিখিত গ্ৰন্থ, পৃ. ১৬০

৩১. উল্লিখিত গ্ৰন্থ, পৃ. ১৬৬-১৬৭

৩২. উল্লিখিত গ্ৰন্থ, পৃ. ১৬৭

৩৩. উল্লিখিত গ্ৰন্থ, পৃ. ১৬৮

৩৪. উল্লিখিত গ্ৰন্থ, পৃ. ২৩২

৩৫. ঠাকুৰ, নগেন (সম্পা.) ঃ প্ৰাগউল্লিখিত গ্ৰন্থ, প্ৰাগউল্লিখিত প্ৰবন্ধ, পৃ. ৬০৮

৩৬. বেজবৰা, নীৰাজনা মহন্ত ঃ প্ৰাগউল্লিখিত গ্ৰন্থ, পৃ.৩

৩৭. বন্দ্যোপাধ্যায়, শ্ৰীশ্ৰীকুমাৰ ঃ *বঙ্গসাহিত্য উপন্যাসের ধারা*, পৃ. ৫৬১

৩৮. উল্লিখিত গ্ৰন্থ, পৃ. ৫৫৫

৩৯. বন্দ্যোপাধ্যায়, তাৰাশংকৰ ঃ *গণদেৱতা, পঞ্চগ্ৰাম*, পৃ. ৫১

৪০. উল্লিখিত গ্ৰন্থ, পৃ. ৬৩

৪১. উল্লিখিত গ্ৰন্থ, পৃ. ৯১

৪২. উল্লিখিত গ্ৰন্থ, পৃ. ৭৮

৪৩. উল্লিখিত গ্ৰন্থ, পৃ. ১৮০

৪৪. উল্লিখিত গ্ৰন্থ, পৃ. ১৮০

৪৫. উল্লিখিত গ্ৰন্থ, পৃ. ১৮৯

৪৬. উল্লিখিত গ্ৰন্থ, পৃ. ১২২

৪৭. উল্লিখিত গ্ৰন্থ, পৃ. ৯৯

৪৮. উল্লিখিত গ্ৰন্থ, পৃ. ৫৩

৪৯. উল্লিখিত গ্ৰন্থ, পৃ. ৩৪

৫০ উল্লিখিত গ্ৰন্থ, পৃ. ১৪

৫১. উল্লিখিত গ্ৰন্থ, পৃ. ৪১-৪২

৫২. উল্লিখিত গ্ৰন্থ, পৃ. ৪১

৫৩. চক্ৰৱৰ্তী, বিপ্লৱ ঃ *তাৰাশঙ্কৰ ও ভাৰতীয় কথা সাহিত্য*, পৃ.২৬

৫৪. বন্দ্যোপাধ্যায়, শ্ৰীশ্ৰীকুমাৰ ঃ প্ৰাগউল্লিখিত গ্ৰন্থ, পৃ. ৫৫৯

৫৫. মুখাৰ্জী, ৰঞ্জুশ্ৰী পাত্ৰ ঃ *তাৰাশঙ্কৰেৰ উপন্যাসে সমাজেৰ অৱক্ষয়*, পৃ. ১৭

৫৬. উল্লিখিত গ্ৰন্থ, পৃ. ১২

# পঞ্চম অধ্যায়
# লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ ৰচনাৰীতি তথা কলা-কৌশল

**৫.০ ভূমিকা ঃ**

যিকোনো সৃষ্টিশীল সাহিত্যৰ উৎকৃষ্টতা নিৰ্ভৰ কৰে ইয়াৰ প্ৰকাশভংগীৰ ওপৰত। সুনিৰ্বচনীয় বিষয়বস্তু আৰু উপযুক্ত ৰচনাশৈলী—এই দুয়োটাৰে উৎকৃষ্ট সমন্বয়তহে সাহিত্যই পূৰ্ণতা লাভ কৰে। সাহিত্যক বিশ্বাসযোগ্য ৰূপত উপস্থাপন কৰিবলৈ হ'লে উপযুক্ত ভাষিক সমলৰ প্ৰয়োজন। ইয়াতেই আহি পৰে লেখকৰ বিচক্ষণতা।[১]

প্ৰকাশভংগী অথবা ৰচনাৰীতিৰ উপযুক্ততাৰে লেখক এগৰাকীৰ মৌলিক প্ৰতিভা বিচাৰ কৰি চাব পাৰি। কিয়নো প্ৰকাশগত তেনে শৈলীৰ মাজতেই লেখকৰ চিন্তা শক্তিৰ উৰ্বৰতাৰ আভাস পোৱা যায়।

প্ৰকাশভংগীৰ বিশিষ্টতাৰ বিষয়ে সেইবাবে Middleton যে কৈছে—

Style is the technique of the expression.[২]

উপন্যাস যিহেতুকে এক প্ৰকাৰৰ সৃষ্টিশীল কলাত্মক সাহিত্য সেয়ে উপন্যাসৰ ক্ষেত্ৰতো ৰচনাৰীতি আৰু প্ৰকাশভংগীয়ে এক নিৰ্দিষ্ট অভিব্যক্তিৰ মাজেৰে বিচিত্ৰতা লাভ কৰাটো অতিকে প্ৰয়োজনীয়। শব্দই শিল্প। এই শিল্পক কলাত্মক ৰীতিৰে পাঠকৰ দৃষ্টিত তুলি ধৰিব পৰাটো ঔপন্যাসিকৰ কৃতিত্ব।

উপন্যাসৰ প্ৰকাশভংগীৰ শৈল্পিক দিশৰ বিষয়ে প্ৰহ্লাদ কুমাৰ বৰুৱাৰ মন্তব্য প্ৰসংগক্ৰমে উল্লেখযোগ্য—

> কল্পনা আৰু বাস্তৱতাৰ সংমিশ্ৰণ মনঃসমীক্ষণ আৰু কাব্যিকতা, ৰস আৰু আদৰ্শ বাণীভংগী আৰু মনোহাৰিত্ব এইবোৰ হৈছে—উপন্যাসৰ সূক্ষ্ম শৰীৰৰ আৰু ইয়াৰো প্ৰত্যেকৰে গুণগত সৌন্দৰ্য আছে।[৩]

এইদৰে বিভিন্ন দিশ চালি জাৰি চাই ক'ব পৰা যায় যে পৰিৱেশ, পটভূমি, বিষয়বস্তু, চৰিত্ৰ আটাইবোৰ কলাৰ মাজেৰে তেতিয়াহে বিকশিত হৈ উঠিব পাৰে, যেতিয়া এই আটাইবোৰ দিশ এক নিৰ্দিষ্ট ৰচনাৰীতি আৰু কলা-কৌশলৰ মাজেৰে সুসংগঠিত ৰূপ লাভ কৰে।

৫.০১ লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ ৰচনা-ৰীতি আৰু কলা-কৌশলৰ বিষয়ে আলোচনা কৰিবলৈ যাওতে উপন্যাসকেইখনৰ কাহিনী উপস্থাপন, ভাষা, শব্দব্যঞ্জনা, বাক্যৰীতি আদি আংগিকগত বিবিধ শৈল্পিক দিশৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ব। প্ৰকাশভংগীৰ এনে বিশিষ্টতাবোৰে পটভূমি, চৰিত্ৰ, পাঠক উভয়ৰে মাজত সংযোগৰ সেঁতু স্থাপন কৰে।

অসমীয়া সাহিত্যত বিভিন্ন বিষয়বস্তুৰে উপন্যাস ৰচনা কৰা লক্ষ্মীনন্দন বৰাৰ নিৰ্বাচিত দুয়োখন উপন্যাসৰে প্ৰকাশভংগী তথা ৰচনা-ৰীতি অনন্য। *গংগা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* দুয়োখন উপন্যাসৰে প্ৰকাশভংগী পৃথক। বিষয়বস্তু যিদৰে ভিন্ন ঠিক সেইদৰে বৰ্ণনাশৈলীও ভিন্ন।

লক্ষ্মীনন্দন বৰাৰ বৰ্ণাশৈলী সম্পৰ্কে সমালোচক পৰাগ কুমাৰ ভট্টাচাৰ্যৰ মন্তব্য প্ৰণিধানযোগ—

> লেখকৰ বৰ্ণনা শক্তিৰ দক্ষতা প্ৰায়বোৰ উপন্যাসতে পৰিস্ফুট হৈ উঠিছে। গাঁৱলীয়া জীৱনৰ নিখুঁত চিত্ৰ যেনেকৈ দাঙি ধৰিছে তেনেকৈ নগৰৰ বিলাস বহুল ততা আন্দাৰ ৱৰ্লডখনৰ চিত্ৰও তেওঁ যথাযথভাৱে দাঙি ধৰিছে। তেওঁৰ ভাষাৰ আৰ নাই, ই সাৱলীল গতিত আগবাঢ়ে। প্ৰয়োজন সাপেক্ষে প্ৰয়োগ কৰা সংলাপবোৰো হয় যথাযথ। উপমাপ্ৰতীক আদিৰ সুযম ব্যৱহাৰেৰে ই কেতিয়াবা কাব্যময় হৈ পৰে।[৪]

*গংগা চিলনীৰ পাখি* উপন্যাসখনত ঔপন্যাসিকে সৰ্বজান্তাৰ ৰূপত তৃতীয় পুৰুষত কাহিনী বৰ্ণনা কৰি গৈছে। তৃতীয় পুৰুষত কাহিনী বৰ্ণনাৰ মাজে মাজে ঔপন্যাসিকে নাটকীয় পৰিস্থিতিৰ আশ্ৰয় লৈছে। এনেদৰে নাটকীয় পৰিস্থিতি ৰচনাৰ মাজে মাজে ঔপন্যাসিকে নিজৰ গতিত কাহিনীক আগুৱাই লৈ গৈছে। ঔপন্যাসিকজনাই *গংগা চিলনীৰ পাখি* উপন্যাসত মহাকাব্যিক

পদ্ধতিৰ বৰ্ণনাৰে কাহিনীক নাটকীয় ৰূপ দি দ্ৰুততাৰে অনেক কাহিনী পাঠকৰ চকুৰে লৈ গৈছে। এই ক্ষেত্ৰত ঔপন্যাসিকগৰাকীয়ে নিৰপেক্ষ ভূমকা গ্ৰহণ কৰি কাহিনী কোৱাৰ উৎকৃষ্ট কৌশল আয়ত্ত কৰি লৈছে।

উপন্যাসখনত ঔপন্যাসিক নিজেই যিহেতুকে বৰ্ণনাকাৰী সেয়ে উপন্যাসৰ মাজে মাজে বৰ্ণনা কৰা সৰল অথচ চুটি চুটি বাক্যই উপন্যাসখনক অধিক মনোহাৰিত্ব প্ৰদান কৰিছে। কাহিনীৰ আৰম্ভণিতে আমি পাওঁ—

> বাসন্তীহঁতৰ ঘৰলৈ পৰহিও মানুহজন আহিছিল। বাসন্তীয়ে মনত পেলালে, সি এতিয়ালৈকে সিহঁতৰ ঘৰলৈ তিনিবাৰ আহিছে। পিছে এতিয়ালৈকে তাই তাৰ বিষয়ে একো নাজানে। ইনো কোন হ'ব পাৰে? মাকক সুধিব নেকি? ওহোঁ, তাই সুধিব নোৱাৰে। মাকে তাইক টান কথা শুনাব। তাৰ বিষয়ে সোধাৰ আগ্ৰহটো দেখি মাকে হয়তো ক'ব— বেয়াকৈ সুধিছ দেখোন, চকুত লাগিছে নেকি ? এৰা, সন্দেহ কৰিবই। মানুহটো অ' নহয়,— ডেকাটো বাৰু ক'ৰ পৰা আহে? ৰাইডিঙীয়াৰ পৰা?— পাভচিলাৰো হ'ব পাৰে— জলমৈ গাঁৱৰ বাদুলা বায়েনৰ ঘৰৰ নেকি ? খলপীয়াৰ মুচুকুন্দ সাতোলাৰ পুতেকো হ'ব পাৰে। সি য'ৰে হওক লাগে, আমাৰ সোণাইৰ এই পাৰৰ নহয়।[৫]

গ্ৰাম্য জীৱনৰ সৰস বৰ্ণনাৰে এখনি সজীৱ অথচ বাস্তৱ চিত্ৰ ফুটাই তোলাত ঔপন্যাসিক সফল হৈছে। এনে বৰ্ণনাৰ মাজেৰে গ্ৰাম্য সমাজৰ সাধাৰণ লোকসকলৰ কৰ্মময় জীৱনৰ এখনি বাস্তৱ চিত্ৰ উপন্যাসখনত প্ৰস্ফুটিত হৈ উঠিছে—

> আজি কাম ভালেমান বাকী থাকিল। পৰলীয়া চাউলখিনি বানিব লাগিছিল। হাঁহ কেইযোৰ চৰিবলৈ এৰি দি গঁৰালটো চাফ কৰিব লাগিছিল। আগফালৰ পিৰালি দুটা এতিয়াও মচা হোৱা নাই—
>
> ককায়েক, ভোগৰাম ৰাতিপুৱাই দগা-পাল্লা চাইকেলত বান্ধি ঢলপুৰীয়ালৈ গল। নবৌয়েকে পাছফালে তাঁৰত কাপোৰ মেলিছে হ'বলা।[৬]

উপন্যাসৰ পটভূমি প্ৰসংগত ঔপন্যাসিকৰ বৰ্ণনা কুশলতা মন কৰিবলগা। লেখকৰ অনুপম বৰ্ণনাশৈলীৰ প্ৰাচুৰ্যই উপন্যাসৰ কাহিনী বিন্যাসৰ পাৰিপাৰ্শ্বিকতাক সমুজ্জল কৰি

তুলিছে। চৰিত্ৰ আৰু বিষয়বস্তু অনুযায়ী ঔপন্যাসিকৰ ভাষায়ো সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছে—

> নিজকে নিজে বুজিবলৈ চালে। তাৰ মনত বহুত প্ৰশ্ন। প্ৰকৃত সুখ ক'ত? শংকৰ গুৰুৱে ক'ব,—"হৰি ভকতিত হৰিৰ কিংকৰ বুলি ভাবি তেওঁতে নিজক সপি দিয়াত।" স্বামীজীয়ে ক'ব,—"মানুহৰ সেৱাত। দৰিদ্ৰ নাৰায়ণৰ পূজা কৰাত।" তাৰ মনত ডাঙৰ অনুতাপ। সি যদি আৰু পঢ়া-শুনা কৰিবলৈ সুযোগ পালেহেঁতেন! এতিয়াও কিতাপ পঢ়িবলৈ সুবিধা পোৱাহেঁতেন! তেতিয়া যে তাৰ কত প্ৰশ্নৰ উত্তৰ পালেহেঁতেন! হয়তো আংশিকউত্তৰ। জীৱনৰ খেলিমেলিৰ নিয়ামক হিচাপে কোনো সনাতন সমাধান কিজানি নাই। তথাপি সি লোকৰ হিত সাধি সুখ পাইছে! এই সুখ আত্ম-ব্যাপী। যন্ত্ৰণাই তাৰ সুখৰ অনুভূতিজ্ঞান বঢ়াইছে।[৭]

চৰিত্ৰৰ মানসিক অন্তদ্বৰ্ন্দ্বৰ ছৱিখন ঔপন্যাসিকে অতি কৌশলগতভাৱে ফুটাই তোলাত যত্নৰ ত্ৰুটি কৰা নাই—ভোগৰামো চিন্তাত পৰিছে। সি নিজক দোষী বুলি ভাবিছে। তাৰ দোষতেই জীৱনটো এনে হ'বলৈ পালে।[৮]

উপন্যাসখনৰ মাজে মাজে ব্যৱহৃত কাব্যিক বৰ্ণনাই পাঠকক সন্মোহিত কৰি ৰাখে। যেন কবিপ্ৰাণৰ হৃদয়ৰ পৰা পাৰ ভাঙি ওলাই অহা এক স্বচ্ছ চিত্ৰৰ নমুনাহে—

> ডাউক আৰু মাছৰোকাৰ আৰাৱে সোঁৱৰাই দিলে যে সেউজী লখিমীয়ে ঢাকি ৰখা উচ্ছল জলৰাশি মেঘালী, সোণালী আৰু ৰূপালী মাছে খলক লগাইছে! কাম চৰাইৰ পাখি যেন বাওধানৰ মাজে মাজে থকা সেওতাৰ দৰে পানীৰ বাটেৰে নাৱৰীয়া অহা-যোৱা কৰিলে।[৯]

উৎসৱৰ সময়ত মানুহৰ মন কেনেদৰে ৰাঙলী হৈ উঠে তেনে বৰ্ণনাৰ লগত ঔপন্যাসিকে কাব্যিকতা ফুটাই তুলিবলৈ যত্ন কৰিছে—

> বিহুৰ পেঁপাই ঢোল-দগৰৰ মন কিবা কৰা ছেৱে আৰু মাঘৰ উলাহ লগা বতৰে ডেকা-গাভৰুৰ মন কমোৱা তুলা কৰিলে। খামুচীয়া ককঁালৰ নাচনী ছোৱালীয়ে খোজে খোজে যৌৱনৰ ছন্দ ফুটাই তুলিলে। কোনোবা সেউতী মালতীৰ কাৰোবাৰ সোঁৱৰণত বুকু মেচমালে।[১০]

চৰিত্ৰসমূহৰ মুখত দিয়া সংলাপৰ জৰিয়তে পৰিস্থিতিৰ সঠিক স্ফূৰণ ঘটে। চৰিত্ৰসমূহৰ মাজৰ মানসিক সংঘাত, আবেগ-অনুভূতিয়ে ৰচনাশৈলীৰ সামগ্ৰিক আকৰ্ষণ বঢ়াই তোলে।

সূক্ষ্ম পৰ্যবেক্ষণেৰে অংকিত চৰিত্ৰসমূহৰ মানসিক বিভিন্ন অৱস্থাৰ চিত্ৰণ *গঙা চিলনীৰ পাখি* উপন্যাসত স্পষ্ট। বাসন্তীৰ বিবাহপূৰ্ব প্ৰেমৰ উমান পোৱাৰ পাছত মথুৰাই বাসন্তীক মানসিকভাৱে অস্থিৰ কৰি তোলাৰ লগতে নিজেও স্থিৰতা হেৰুৱাই পেলাইছে। নিম্নোক্ত বৰ্ণনাই তেওঁলোকৰ মনোজগতৰ খবৰ দিয়ে—

> "আজিকালি ভাতৰ পাতত বহি আপুনি উঠি আহে। এগৰাহ ভাত বেছিকৈ খাবচোন। তেহে গাত শকতি হ'ব।" বাসন্তীয়ে এদিন ক'লে।
>
> "নেলাগে ডাক্তৰণীৰ বক্তৃতা দিব! তুমিয়েই সুখেৰে খাই-বৈ বীৰাঙ্গণা হোৱা।" মথুৰাই সমিধান দিলে।
>
> "দুপৰীয়াইনো ইমান ৰ'দত ক'লৈ ওলাই যায়? আপোনাক যে দিনটো মই নেপাওঁৱেই।" বাসন্তীয়ে আন এদিন কৈ চালে।
>
> "তুমিনো মোৰ ওপৰত কিহৰ 'এক্তিয়াৰ' খটুৱাবলৈ আহিছাহে ? এতিয়া তোমাৰ অনুমতি লৈহে ওলাব লাগে নে কি? বুইছা, এই ফালৰ পুৰুষ তিৰোতাসেৰুৱা নহয়।" সি সমিধান দিলে।[১১]

পাৰ্থিব জগতৰ পৰা বুটলি লোৱা চৰিত্ৰসমূহ অংকন কৰোতে ঔপন্যাসিকে কোনো কোনো চৰিত্ৰৰ অন্তৰ্জগত দাৰ্শনিক ভাৱাপন্ন কৰি তুলিছে। অৱশ্যে এনে কৰাৰ অন্তৰালত লেখকৰ গভীৰ উদ্দেশ্য লুকাই থাকিব পাৰে। ঔপন্যাসিকৰ ব্যক্তিগত দৃষ্টিভংগী চৰিত্ৰৰ মাজেৰে ফুটাই তোলাৰ ইও এক অন্যতম কাৰণ হ'ব পাৰে। *গঙা চিলনীৰ পাখি* উপন্যাসত ভগীৰথৰ মুখত দিয়া সংলাপৰ মাজেৰে গভীৰ দাৰ্শনিক দৃষ্টিভংগী পোহৰলৈ আনিছে।

সংক্ষিপ্ত পৰিসৰতে চুটি চুটি বাক্যৰে ঔপন্যাসিকে সূক্ষ্ম পৰ্যবেক্ষণশৈলীৰে সৃষ্টিশীল প্ৰতিভাৰ যথাযথ পৰিচয় দিবলৈ সক্ষম হৈছে। নাটকীয়তাৰে কাহিনীক দ্ৰুতৰ পৰা দ্ৰুততৰ কৰাৰ ক্ষেত্ৰত এনে চুটি বাক্যৰ পয়োভৰে ঔপন্যাসিকক সহায় কৰিছে—

> দুবছৰত বহুত পৰিৱৰ্তন হ'ল। সোণাইৰ পাৰৰ শিলগুটি দিয়া আলিটো ধিং বজাৰ পালেগৈ। দিনে দুখনকৈ ছাৰ্ভিচ বাছ চলা হ'ল। মানুহৰ মনবোৰো জটিল হ'ল। মানুহ স্বাৰ্থপৰ হ'ল। জীয়াৰী-বোৱাৰীৰ নতুন ধৰণৰ বা-বদনাম ওলাল।[১২]

লক্ষ্মীনন্দন বৰাই *গঙা চিলনীৰ পাখি* উপন্যাসৰ মাজেৰে ধনঞ্জয় আৰু বাসন্তীৰ মাজত থকা প্ৰেমৰ পাৰস্পৰিক সম্পৰ্কৰ কথা প্ৰকাশ কৰোতে দেহজ প্ৰেমক গুৰুত্ব দিয়া নাই। প্ৰেমাতুৰ দুখনি হৃদয়ৰ অবুজ বাসনাক ৰচনাৰ মাজেৰে প্ৰকাশ কৰিবলৈ গৈ ঔপন্যাসিকে প্ৰয়োগ কৰা মৰ্মস্পৰ্শী সংলাপে তাৎপৰ্য বহন কৰিছে—

> তুমি, তুমি কিয় মোক জনালা যে তুমি মোক আপোন বুলি ভাবিছা ? মই যে এটা সাধাৰণ মানুহ। মই ডলাৰ বগৰী। মোৰ আই নাই, বোপাই নাই। মই এটা পৰগনীয়া। কেতিয়াৰ পৰা তুমি ইমান নিদাৰুণ হ'লা ? মোক নেওচা দি তুমি কি শান্তি পোৱা ? এই চাৰি মাহ যে তুমি এদিনো নাহিলা ?[১৩]

পুৰুষ-নাৰীৰ মাজৰ দৈহিক প্ৰেম এক স্বাভাৱিক প্ৰবৃত্তি। লক্ষ্মীনন্দন বৰাৰ *গঙা চিলনীৰ পাখি* উপন্যাসত দৈহিক একাত্মতাৰ কথা বৰ্ণনা কৰা হৈছে যদিও সেয়া অতি সূক্ষ্ম মনশীলতাৰে। বাহুল্যতাই তেখেতৰ ৰচানশৈলীক স্পৰ্শ কৰিব পৰা নাই। সেইবাবে স্বামী-স্ত্ৰীৰ প্ৰথম নিশাৰ পাৰস্পৰিক আকৰ্ষণৰ বৰ্ণনাকো ঔপন্যাসিকগৰাকীয়ে অতি সাৱলীল আৰু কাব্যিক ৰচনাশৈলীৰে পাঠকৰ চকুত আবেদনেৰে প্ৰতিভাত কৰি তুলিছে—

> সি লেমটো নুমাই দিলে। মাথোন খিৰিকীয়েদি অহা জোনৰ কাহিলি পোহৰেহে কোঠাটোৰ আন্ধাৰবোৰ পাতল কৰিলে। সেই আন্ধাৰে প্ৰথম পৰিচিতৰ সকলো লাজ-সংকোচ নাইকীয়া কৰিলে। নতুন অনুভূতিৰ সোৱাদ ল'ব বিচৰা দুটি প্ৰাণীৰ খন্তেক আচৰণ-শুদ্ধ মন দুটি বাসনাৰ প্ৰচণ্ডতাই বাস্পভূত কৰিলে। এটি দেহ এটি দেহৰ ওচৰলৈ সৰীসৃপ গতিৰে আগবাঢ়ি গ'ল। তৃপ্তিসন্ধানী দুটি দেহৰ একক ৰূপান্তৰে ৰাতিৰ নীৰৱতা আৰু অন্ধকাৰ বেছি গোপন আৰু বেছি মোহনীয় কৰি তুলিলে। জোনাক ৰাঙলী হ'ল। দুটি দেহ এটি হোৱা পুৰুষ-প্ৰকৃতিৰ সৃষ্টিৰ ইন্দ্ৰজাল-তৰংগৰ এটি ছন্দ এটি ৰাগ-দেহ দেহত বিলীন হোৱাৰ, সনাতন উদগ্ৰ কামনাৰ।[১৪]

উপন্যাসখনৰ ঠায়ে ঠায়ে হাস্যৰসাত্মক বৰ্ণনাশৈলীয়েও পাঠকক আকৰ্ষিত কৰি তোলে। সমস্যা-সংঘাতেৰে জৰ্জৰিত কাহিনীৰ মাজত হাস্যৰসাত্মক বৰ্ণনাই আমোদ দিব পাৰে।

শব্দ ব্যৱহাৰৰ ক্ষেত্ৰত লক্ষ্মীনন্দন বৰা অতিশয় সচেতন কথাশিল্পী। *গঙা চিলনীৰ পাখি* উপন্যাসত বিষয়ানুকূল শব্দ ব্যৱহাৰৰ ক্ষেত্ৰত তেখেতৰ ৰচনাৰ দক্ষতাই বিশেষ ইন্ধন

যোগাইছে। গ্ৰাম্য পৰিৱেশক পটভূমি হিচাবে লৈ ৰচনা কৰা উপন্যাসখনত সেয়ে ব্যৱহাৰ কৰা শব্দৰ যোগেদি গ্ৰাম্য জীৱনধাৰাক জীৱন্ত ৰূপ প্ৰদান কৰিছে—

> বাৰীখন পাৰ হৈয়ে ডেৰকুৰি হাতমান দীঘল বাঁহবাৰী এডৰা আছে। মাথোঁ দুঠাইতহে ভলুকাবাঁহ আছে। বাকীখিনি চাপৰ চাপৰি মোকাল বাঁহ। তাৰ মাজেদিয়েই লুংলুঙীয়া বাটটোৰে সোণাইৰ ঘাটত নামিব পাৰি। আৰু, পাছ চোতালৰ পৰা এই লুংলুঙীয়া বাটটোৰ সোণাইখন চকুত পৰেও। পাছ চোতালৰ পৰা সোণাইলৈ দুই মিনিটৰ দূৰত্বহে। গতিকে পানী তুলিবলৈ হ'লে যিকোনো সময়তে আৰু যিকোনো পোছাকেৰে সোণাই পাবলৈ নবৌয়েক আৰু বাসন্তীৰ অসুবিধা নহয়।[১৫]

সোণাইৰ পাৰৰ জীৱনধাৰাক অৱলম্বন হিচাপে লৈ ৰচনা কৰা বাবে উপন্যাসখনত গ্ৰাম্য জীৱন ভিত্তিক কথ্যৰীতিয়ে গ্ৰাম্য পৰিৱেশ সূচিত কৰাত বিশেষ অৰিহণা যোগাইছে। নিম্নোক্ত উদাহৰণে তাৰ প্ৰমাণ দাঙি ধৰে—

> বাসন্তী, চাই থাকোতেই তই গছ বঢ়াদি বাঢ়িলি। এতিয়া পূৰঠ গাভৰু হ'লি। মই তোৰ মুখ দেখিয়েই বুজি পাইছোঁ তোৰ এটাক নিজৰ কৰিবৰ বয়স হৈছে। তোৰ আগৰ দৰে খলক লগোৱা হাঁহিটো নাইকীয়া হৈছে। কিন্তু আই, নিশ্চয় জানিবি, জনম, মৰণ, বিবাহ,—এই তিনিওটা দেৱৰো অবিদিত। সেই কাৰণেই মই খৰলি পিটি মৰিছোঁ।[১৬]
>
> তই বেয়ালৈ বুলি আগলি কাটিছ আই।[১৭]

লক্ষ্মীনন্দন বৰাৰ উপন্যাসত ভিন্ন শব্দসম্ভাৰে নানান ৰঙৰ মাজেৰে বৰ্ণিল হৈ উঠিছে। চৰিত্ৰসমূহৰ মাজত যিদৰে গ্ৰাম পৰিৱেশোদ্দীপক নানান শব্দৰ পয়োভৰ ঘটিছে, ঠিক সেইদৰে পৰিৱেশ আৰু পৰিস্থিতি সাপেক্ষে বিদেশী শব্দইও ৰচনাশৈলীক গাম্ভীয়তা প্ৰদান কৰিছে—

> সোণাইৰ পাৰত পলিটিক্স সোমাল।[১৮]
>
> আজিৰ ৰাতিটো চিমেন্ট ব্লক হৈ থাকিলে মোৰ বৰ 'লচ' হ'ব।[১৯]
>
> তহঁতে ভোগৰামৰ পকেট চেক্ কৰিছিল?[২০]

*গঙা চিলনীৰ পাখি* উপন্যাসখন পৰিৱেশৰ সৈতে ৰজিতা খুৱাই ঔপন্যাসিকে মধ্য অসমৰ গ্ৰাম্য সমাজত সততে ব্যৱহৃত আৰু বৰ্তমানে অপ্ৰচলিত থলুৱা শব্দৰ ব্যৱহাৰে উপন্যাসৰ

শব্দসম্ভাৰ আকৰ্ষণীয় ৰূপত তুলি ধৰিবলৈ চেষ্টা কৰিছে— চ'ৰাঘৰটো অসাঠন অৱস্থাত আছে।[২১]

তাই দক্ষিণ ফালে থকা ধানৰ থৈলা তিনিটা হেঁপুচি হেঁপুচি এচুকলৈ আনিলে আৰু ঢাৰি এখনেৰে চকুত নপৰাকৈ ঢাকি থ'লে। পানীপচাৰ ফালে থকা টোম দাঙি নি ভঁৰালৰ গাধৰিত থলেগৈ।[২২]

দহমাহ দহদিন জঠৰত ৰাখি আৰু সৰুতে তাইৰ লেদেনা ওকটি কিমান কষ্ট ভুগিছিল।[২৩]

লক্ষ্মীনন্দন বৰাৰ ৰচনাশৈলীত তৎসম, তদ্ভৱ শব্দৰ প্ৰয়োগো মন কৰিবলগীয়া। অযথা কঠিন শব্দৰে তেখেতৰ ৰচনা ভাৰাক্ৰান্ত নহয়। কোমল সৰল শব্দৰ লগতে, যুৰীয়া শব্দৰ প্ৰয়োগেৰে তেখেতে ৰচনাশৈলী এক সুকীয়া মাধুৰ্যপূৰ্ণ আবেদনেৰে ভৰাই তুলিছে—

সিয়েই নোহাৰা হ'লে বাপেক মৰাৰ পাছত ঘৰখন লালাং থাংথাং হ'লেহেতন।[২৪]

এই বয়সত এনেকৈ মনৰ হৰক-তৰক হয়েই।[২৫]

আচল খেতিয়কৰে জাপ জাপ দৰ্খাস্ত তেওঁৰ টেবুলত পৰি আছে।[২৬]

উপন্যাস এখনক ভাষিক সমৃদ্ধি প্ৰদান কৰি ৰচনাশৈলী সৌষ্ঠৱ বৃদ্ধি কৰে বাক্য গাঁথনিয়ে। সুসংহত, সুপৰিকল্পিত বাক্য গাঁথনিয়ে ৰচনাক মনোহাৰিত্ব প্ৰদান কৰি সাহিত্যৰ শৈল্পিক গুণ বৃদ্ধি কৰাত পূৰ্ণমাত্ৰাই অৰিহণা যোগায়। লক্ষ্মীনন্দন বৰাৰ সহজ সৰল চিন্তাপ্ৰসুত চুটি চুটি বাক্যৰে ৰচনা কৰা গদ্যই উপন্যাসৰ প্ৰকাশভংগী সৌন্দৰ্যমণ্ডিত কৰি তুলিছে। এনে চুটি চুটি বাক্যৰ গাঁথনিৰে পৰিৱেশক নাটকীয় ৰূপ প্ৰদান কৰাত লক্ষ্মীনন্দন বৰা সিদ্ধহস্ত।

লক্ষ্মীনন্দন বৰাৰ উপন্যাসৰ ৰচনাৰীতিৰ আন এক আকৰ্ষণীয় দিশ হৈছে জতুৱা ঠাঁচৰ সুকৌশলী প্ৰয়োগ। ৰচানশৈলীৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ ক্ষেত্ৰত সুদক্ষ হাতৰ পৰশত ব্যৱহৃত জঁতুৱা, ঠাঁচে পৰিৱেশ তথা পটভূমিৰ মাজত জীপাল হৈ থকা লেখকৰ অন্তৰ্নিহিত সত্যক প্ৰকাশি তোলে। *গঙা চিলনীৰ পাখি* উপন্যাসখনত বৰ্ণনাৰ মাজে মাজে সঘনে প্ৰয়োগ কৰা জতুৱা ঠাঁচে ভাষাৰীতিৰ গাম্ভীৰ্য দুগুণে বঢ়াই তুলিছে।

ঘাটৰ গঙাৰ সমান ঠাই এডোখৰত কলগছ এজোপাৰ ছাঁ লৈ বাসন্তী গালত হাত এখন থৈ কিবা ভাবি আমন-জিমনকৈ বহি আছে।[২৭]

দুখী দুখী অৱস্থাৰে মাকে কটনা-কাটি তাক হাইস্কুলৰো দুশ্রেণীমান পঢ়ালে।[২৮]

মন উজনি-ভাটী কৰিছিল, গা ৰমৰমাই গৈছিল।[২৯]

সেই কাৰণেই মই খৰলি পিটি মৰিছোঁ।[৩০]

জতুৱাঁ ঠাঁচৰ প্ৰয়োগ উপন্যাসৰ ৰচনাৰীতিক মৌলিকতা প্ৰদান কৰাৰ ক্ষেত্ৰত ঔপন্যাসিক সফল হৈছে। এনে মৌলিকতা গভীৰভাৱে কৌশলগত ৰূপত প্ৰকাশি উঠিছে চৰিত্ৰৰ মুখত সঘনে প্ৰয়োগ কৰা খণ্ডবাক্য; প্ৰবাদ-প্ৰবচন, পটন্তৰসমূহৰ জৰিয়তেও। এনে ধৰণৰ খণ্ডবাক্যই ভাষাক শ্ৰুতিমাধুৰ কৰি তোলাৰ লগতে ঔপন্যাসিকৰ বিচক্ষণতাৰ পৰিচয়ো দাঙি ধৰিছে—

হাইঠা চৰাইৰ দৰে আলাসত ডেওদি ফুৰিহে ভাল পায়।[৩১]

যেতিয়া মায়া সোমাল, চেনেহৰ সাত পাকে—দেহ-মন বান্ধি পেলালে, তেতিয়া আৰু কি উপায় আছে ?[৩২]

একে হাতে দুটা শাল ধৰিব নোৱাৰি।[৩৩]

ভোগৰাম নথকা হ'লে ইমান দিনে ঘৰখনৰ অৱস্থা পানীত হাঁহ নচৰা হ'লহেতেন।[৩৪]

সি শালৰ মাজত শিঙী হৈছে।[৩৫]

একে ধৰণৰ প্ৰচুৰ খণ্ডবাক্য, প্ৰবাদ-প্ৰবচন আদিৰ ব্যৱহাৰেৰে অসমীয়া ভাষাৰ বিশুদ্ধতা ৰক্ষাৰ প্ৰতি সততে যত্নশীল ঔপন্যাসিকগৰাকীৰ ভাষাপ্ৰেমৰো নিদৰ্শন পুৰামাত্ৰাই প্ৰকাশি উঠিছে।

সাহিত্যক ৰচনাশৈলীৰ দিশেৰে আকৰ্ষণীয় ব্যঞ্জনাধৰ্মী কৰি তোলা আন এবিধ ৰীতি হৈছে অলংকাৰ। অলংকাৰে ভাষাক সৌন্দৰ্যমণ্ডিত কৰি এক নান্দনিক ৰূপ প্ৰদান কৰে।

*গঙা চিলনীৰ পাখি* উপন্যাসতো উপমা, প্ৰতীক, চিত্ৰকল্প আদিৰ ব্যৱহাৰেৰে কাহিনীৰ গতি অধিক মনোগ্ৰাহী কৰি তোলাৰ লগতে চাৰিত্ৰিক বৈশিষ্ট্যক এক বিশেষ মাত্ৰা প্ৰদান

কৰিছে—

> আগতে তাই হাঁহি নিষ্কলুষ আছিল। শৰতকালৰ সোণাইৰ পানীৰ দৰে নিৰ্মল আছিল। কিন্তু তাৰ আগত দেখা দিয়া হাঁহিটো যে কিমান আউল লগা, কিমান অৰ্থপূৰ্ণ! কতনা অবুজন পীৰিতি জেতুকাৰ বোল লগা।[৩৬]

কাম-চৰাইৰ পাখি যেন বাওধানৰ মাজে মাজে থকা সেওঁতাৰ দৰে পানীৰ বাটেৰে নাৱৰীয়া অহা-যোৱা কৰিলে।[৩৭]

*গঙা চিলনীৰ পাখি* নামটোৱেই গভীৰ ব্যঞ্জনাদীপ্ত। য'ত নিহিত হৈ আছে সোণাইৰ পাৰৰ গ্ৰামজীৱনৰ দ্যোতনা। তেওঁলোকৰ জীৱনৰ চিন্তা-চেতনাৰ মাজতেই সীমবদ্ধতা প্ৰকাশি উঠিছে। সময়ৰ সদ্ব্যৱহাৰ কৰিব নোৱাৰি বাসন্তী, ধনঞ্জয়ৰ দৰে চৰিত্ৰই কেৱল সুযোগৰ অপেক্ষাত ৰৈছে। কিন্তু সুযোগৰ সদ্ব্যৱহাৰ কৰিব পৰা নাই। *গঙা চিলনীৰ পাখি*ৰ ৰঙত ভোল গৈ থাকোতেই সময়ে বিশ্বাসঘাটকতা কৰিলে। মনে বিচৰাখিনি কেতিয়াও পাবলৈ সক্ষম নহল। গঙা চিলনীৰ দৰে চোপ লৈ থাকোতেই কাহিনীৰ পৰিসমাপ্তি ঘটিল।

৫.০২ এক সুপৰিকল্পিত বিষয়বস্তু, পটভূমি, চৰিত্ৰ ইত্যাদি কিছু ব্যতিক্ৰমী ৰূপ অভিনৱ উপস্থাপন শৈলীৰে উপন্যাসৰ ৰূপ দিয়া *পাতাল ভৈৰৱী* লক্ষ্মীনন্দন বৰাৰ অন্যতম কীৰ্তি। উপন্যাসখনৰ নামটোৱে গভীৰ ব্যঞ্জনাদীপ্ত আৰু মনোকাৰ্ষক। কথকৰ অন্তৰ্দৃষ্টিৰ সংবেদনশীল চেতনাই পৃথিৱীৰ বক্ষ ওকালি পানী উদ্ভাসিত কৰাৰ দৰে পাতাল জীৱনৰ অন্ধকূপৰ ক'লা হৃদয়ৰ চোৰাং বেপাৰৰ সাম্ৰাজ্যখন *পাতাল ভৈৰৱীত* বাংময়তাৰে প্ৰদীপ্ত। এই ক'লা সাম্ৰাজ্যখনক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে গেলিব ধৰা ৰাজনীতিৰ গৰ্ভই দিয়া উত্তাপ হৃদযাকাৰ্ষক হৈ উঠিছে। লগে লগে সামাজিক পটভূমি আৰু ব্যক্তি চৰিত্ৰৰ জীৱনৰ খলা-বমা ৰূপেও উপন্যাসখনক অনন্য গতি প্ৰদান কৰিছে।

এনে বিচিত্ৰ কাহিনীক অৱলম্বন হিচাপে লৈ ৰচনা কৰা উপন্যাসখনৰ ৰচনাশৈলীও বিচিত্ৰ। কিছু নতুন আংগিকগত বৈশিষ্ট্যৰে উপন্যাসৰ কাহিনী বিন্যাস কৰিবলৈ যাওতে ঔপন্যাসিকে দুটা পৃথক দৃষ্টিভংগীৰে কাহিনীক আগুৱাই লৈ গৈছে। বৰ্ণনাত্মক আৰু

আত্মজীৱনীমূলক উভয় পদ্ধতিৰে ৰচনা কৰা উপন্যাসখনত ব্যৱহৃত আংগিকগত বৈশিষ্ট্যই অসমীয়া উপন্যাসত এক নতুন ৰচনাশৈলীৰ সূচনা কৰিছে। এই প্ৰসংগত কৃষ্ণ কুমাৰ মিশ্ৰৰ এষাৰ মন্তব্য প্ৰণিধানযোগ্য—

> দুটা পৃথক আখ্যানভংগী (Point of View) ইয়াত লেখকে প্ৰয়োগ কৰিছে। প্ৰথম অধ্যায়ত লেখকে দ্ৰষ্টাৰ ভূমিকা লৈ তৃতীয় পুৰুষত কাহিনী কৈ গৈছে, দ্বিতীয় অধ্যায়ত নায়ক মুকুন্দই প্ৰথম পুৰুষত নিজৰ কথা কৈছে, পুনৰ তৃতীয় অধ্যায়ত লেখকৰ বৰ্ণনা—এনেকৈ সলনা-সলনিকৈ উপন্যাসখনৰ কাহিনী আগুৱাইছে।[৩৮]

*পাতাল ভৈৰৱী* উপন্যাসখনৰ কাহিনী আৰম্ভ হৈছে মুকুন্দৰ জীৱনৰ কালানুক্ৰমিক বৰ্ণনাৰে। মুকুন্দৰ জীৱন কাহিনীৰে আৰম্ভ কৰা উপন্যাসখনৰ বৰ্ণনাশৈলী অপূৰ্ব।

উপন্যাসখনৰ আৰম্ভণিৰে পৰা ব্যৱহৃত চুটি চুটি বাক্যৰ পয়োভৰে এক সুকীয়া দৃষ্টিভংগী গ্ৰহণ কৰিছে। চুটি চুটি বাক্যৰ প্ৰয়োগেৰে কাহিনীক গতিশীলতা প্ৰদান কৰাত যে ঔপন্যাসিক সিদ্ধহস্ত সেই কথা প্ৰমাণ কৰে তেখেতৰ বৰ্ণনাভংগীয়ে—ডেকা মানুহটোৰ মুখখনত নিৰ্দোষ কৌতুহলৰ ৰেঙনি। কতা-বতৰাত সংযত। আচৰণো দায়িত্বজ্ঞান থকা মানুহৰ দৰে।[৩৯]

ভাষাৰ ক্ষেত্ৰত সততে ব্যাকৰণগত নীতি-নিয়মৰ প্ৰসংগ আহি পৰে। ব্যাকৰণ অবিহনে ভাষাৰ স্থায়িত্ব নাই। কিন্তু ঔপন্যাসিকে এনে ব্যাকৰণসিদ্ধ নীতি-নিয়মকো চেৰাই গৈ গভীৰ অৰ্থবহ সংলাপ দাঙি ধৰিব পাৰে। *পাতাল ভৈৰৱী* উপন্যাসখনতো ঔপন্যাসিকে ঠাই বিশেষে ব্যাকৰণৰ সত্যতা অস্বীকাৰ কৰি ক্ৰিয়াবিহীন বাক্য ৰচনাৰে কাহিনী বিকশিত কৰিছে—পোনতে চৰকাৰী হাইস্কুলৰ এটা কোঠাত। কেৱল এখন বহীৰে সৈতে।[৪০]

গাঁও এৰা বছৰটোত। সেই ক্ষয়ংকৰ বানপানী হোৱা বছৰটোত। প্ৰবল বানপানী।[৪১]

এটা মাথোন শব্দ অথবা দুই তিনিটা শব্দৰ সমষ্টিৰে এটা বাক্য ৰচনা কৰি পাঠকৰ চকুৰ আগত এখনি মনোৰম চিত্ৰপট দাঙি ধৰাৰ ক্ষেত্ৰত ঔপন্যাসিকৰ যি বৰ্ণনা কুশলতা সেয়া সঁচাকৈয়ে অতিশয় মনোগ্ৰাহী। এনে ধৰণৰ বৰ্ণনাই ঔপন্যাসিকৰ অফুৰন্ত বৰ্ণনা শক্তিৰ লগতে তেখেতৰ অন্তদৰ্শনত প্ৰৱাহিত হৈ থকা কল্পনা শক্তিৰ পৰিচয়ো দাঙি ধৰে— ফুলনি। মাজে মাজে বেঞ্চি। কিবা বোলে পাৰ্ক হেনো।[৪২]

উপন্যাসত প্ৰকৃততে বিষয়বস্তু আৰু চৰিত্ৰ অনুযায়ী ভাষাই গঢ় লয়। চৰিত্ৰই যি ধৰণে পৰিৱেশক প্ৰতিনিধিত্ব কৰে ঠিক সেইদৰে চৰিত্ৰক ঔপন্যাসিকে উপস্থাপন কৰে। সেয়ে পৰিৱেশৰ লগত ৰজিতা খুৱাই চৰিত্ৰৰ মুখৰ ভাষিক ভিন্নতা উপন্যাসত প্ৰকট কৰি তুলিব পৰাটো ঔপন্যাসিকৰ কৃতিত্ব। *পাতাল ভৈৰৱী* উপন্যাসখনত দেউতা আৰু বছিৰৰ বিচিত্ৰ চৰিত্ৰৰ সৈতে সংগতি ৰাখি তেওঁলোকৰ বিচিত্ৰ কথনভংগীয়ে উপন্যাসখনক এক অনন্য আবেদন পুষ্ট কৰি তুলিছে। ভিন ভিন ভাষাৰ ব্যৱহৃত শব্দৰাজিৰে গঠিত বাক্যাংশই উপন্যাসখনত ঔপন্যাসিকৰ অপূৰ্ব ৰচনাশৈলীৰ পৰিচয় বহন কৰে—

> মোৰ জীৱন ভীষণ ছৰ্ট কাট হৈ গ'ল অ' বছিৰ। বেবচাটোৰ দৰেই। জীৱনত নিকাহ-চিকাহ নহ'ল, ব্লেংক থাকি গ'লো। কিন্তু ছৰ্ট কাটত এতিয়া বোৱাৰী পালো, নাতি, পালো। সাংঘাতিক ছৰ্ট কাট, সাংঘাতিক তকদীৰ।[৪৩]

ভাষাগত ভিন্নতাই এজন ব্যক্তিৰ জীৱনশৈলীৰ দিশো প্ৰকট কৰি তোলে। ভাষাই ব্যক্তিৰ জীৱনচৰ্যাৰ দিশবোৰ আনৰ সন্মুখত প্ৰতিভাত কৰাই তোলে। লক্ষ্মীনন্দন বৰাৰ *পাতাল ভৈৰৱী* উপন্যাসখনৰ দেউতাৰ দৰে চৰিত্ৰৰ জীৱনচৰ্যা প্ৰকাশি উঠিছে তেওঁৰ মুখত প্ৰয়োগ কৰা সংলাপৰ জৰিয়তে। লোকভাষাগত দুই এটা অশ্ৰাব্য শব্দৰ ব্যৱহাৰেৰে দেউতা, বছিৰৰ মুখৰ সংলাপে উপন্যাসখনৰ ৰচনাশৈলীক বিশিষ্টতা প্ৰদান কৰিছে—

> হেৰ' হাৰামজাদা চাচোন এইটো কোন ? আগতে মৰুৱা ধুতি পিন্ধাহে দেখা পাইছিলো। হাতত এছাৰি, কান্ধত চেলেউ। এতিয়া তেনেই বাবু চেহেৰা, বাবু বাবু পোছাক, দীঘল থোঙা, 'হাৰৈ ছাট'। হে আল্লা, হে ভগৱান, কি তোমাৰ খেলা, কি তোমাৰ লীলা। কচোন বোপাই, ইমান দিন ক'ত আছিলি— হেৰু' মৰাকুঁচীয়া, জহন্নামে যোৱা, নেচাৰহি কিয়?[৪৪]

মানুহৰ মন সৌন্দৰ্যপিয়াসী। প্ৰকৃতিৰ অপৰূপ ৰূপ সৌন্দৰ্যই মানুহৰ মনত অকৃত্ৰিম আনন্দৰ জোঁৱাৰ তোলে। প্ৰকৃতিয়ে মানুহৰ মনত কিদৰে সুকোমল অনুভূতিৰ সঞ্চাৰ কৰি তুলিব পাৰে, সেই কথা ঔপন্যাসিকে *পাতাল ভৈৰৱী* উপন্যাসৰ বৰ্ণনাৰ মাজেৰে প্ৰকট কৰি তুলিছে—

> সেইদিনাই মোৰ উত্তৰ পাৰত প্ৰথম পদাৰ্পণ। সুন্দৰ ঠাই। তাকে নয়নভৰি চাবলৈ ইচ্ছা যায়। চৌপাশে সেউজৰ ৰাজত্ব। মানুহৰ মনতো কিজানি সেউজৰ বোল। নহলে যাকে লগ পাইছো সিয়ে ইমানকৈ অন্তৰ উবুৰিয়াই হাঁহিব পাৰে কিয় ?[৪৫]

ঔপন্যাসিকৰ শৈল্পিক গুণৰ বিশ্লেষণত পৰিস্থিতি সাপেক্ষে চৰিত্ৰৰ মুখত শব্দৰ অশুদ্ধ উচ্চাৰণৰ সমাহাৰ ঘটিছে। এনে বৰ্ণনাই গ্ৰাম্য জীৱনৰ সহজ-সৰল সাধাৰণ লোকসকলৰ উচ্চাৰণগত বিকৃতিৰ বৰ্ণনা অধিক পৰিৱেশ সংগত কৰি তোলাৰ লগতে কেতিয়াবা হাস্যৰসৰো উদ্ৰেক নঘটা নহয়—

সেইবোৰ নাভাবিবা। আজিয়েই চব '<u>পেলেন</u>' হৈ যাব।[৪৬]

এটা <u>মেলেক্‌টেৰী</u>। মিজো পাহাৰত থাকে।[৪৭]

<u>ননচেন</u>, সিমান কণ <u>কমন্‌চেন</u> নাই ?[৪৮]

অতিশয় সচেতনতাৰে লক্ষ্মীনন্দন বৰাই কিদৰে উপন্যাসৰ ভাষা নিৰ্মাণ কৰিছিল তাৰ প্ৰমাণ পোৱা যায় বিষয়ানুকুল শব্দৰ ব্যৱহাৰৰ ওপৰত। তেখেতে উপন্যাসখনৰ কোনোবাটো অংশত সজীৱ গ্ৰাম্য পৰিৱেশৰ বৰ্ণনা দিবলৈ গৈ কিদৰে বিষয়ৰ সৈতে সংগত উপযুক্ত শব্দ ব্যৱহাৰ কৰিছে তাৰ পৰাই তেখেতৰ অপূৰ্ব ৰচনাশৈলী বিদ্যমান হৈ উঠে—

> দীঘলআটিৰ যশোৱা কহুঁৱামুখৰ পৰা চাৰি মাইল নিলগৰ। তাৰ গাঁৱৰ পৰা কহুঁৱামুখ, দীঘলআটী, কাৰৈমাৰী, দলৈচুবা, জলমৈ আদি সেই অঞ্চলৰ গাঁওবোৰৰ এখনৰ পৰা এখনলৈ যাবলৈ বাট-পথ নাই। গোবাটহে আছে। বাৰিষা নাৱেৰে যাব পাৰি, খৰালি নৰানিৰ ওপৰেদি ইচ্ছা মতে পোনাই যাব পাৰি। ফাগুণ চ'তত এহে-দুহে বোৱা মাটিৰ দলি-চপৰা গচকি নাইবা বিন্ধাবৰ সময় হোৱা আহুধানৰ মাজেদি যাবলগীয়া হয়।[৪৯]

নিভাঁজ অসমীয়া কথ্যৰীতিয়ে লক্ষ্মীনন্দন বৰাৰ *পাতাল ভৈৰৱী* উপন্যাসক বিৰল কৃতিত্বৰ মৰ্যাদা দিছে বুলি ক'ব পাৰি—

মোৰ <u>হুৰষত</u> কান্দি পেলাবৰ মন গৈছে।[৫০]

জাতিটোৰ প্ৰতি <u>বিকচিনাৰ</u> ভাব হৈছিল।[৫১]

এৰা, আমি <u>লান্দাচাৰ</u> মানুহ নহয়।[৫২]

এনেবোৰ শব্দৰ যথাযথ প্ৰয়োগে চৰিত্ৰ, সময় আৰু পৰিৱেশক সুসামঞ্জস্যতাৰে সূক্ষ্ম ৰূপত প্ৰকাশ কৰাৰ ক্ষেত্ৰত *পাতাল ভৈৰৱী* উপন্যাসৰ গাম্ভীৰ্য বৃদ্ধি কৰিছে বুলি ক'ব পাৰি।

নাৰীৰ মৰ্যাদাৰ প্ৰসংগ উত্থাপন কৰিবলৈ গৈ ঔপন্যাসিকে পুৰুষপ্ৰধান সমাজত নাৰীৰ স্থিতি কেনেকুৱা সেই কথাৰ আভাষ দিবলৈ ব্যৱহাৰ কৰা সংলাপে পুৰুষৰ আধিপত্যৰ দিশটোকে সূচনা কৰিছে।

হেৰ' তিৰোতাক চব কথা শুধি কাম কৰিলে জহন্নামে যাবি। এই জাতিটোৱে দূৰলৈ ভাবিব নোৱাৰে। মই যিমানবোৰ প্ৰতাপী মানুহক চিনো, এয়া সেইবোৰ মানুহে ভবা কথাটোহে ক'লো। এতএৱ যশোৱাক লেং মাৰিবই লাগিব।[৫৩]

উপন্যাসখনৰ ভাষাত দেখা অস্বচ্ছন্দ ৰূপ আন সাধাৰণ উপন্যাসৰ লেখীয়া নহয়। ভাষাগত সংমিশ্ৰিত ৰূপ এটাই বেছিভাগ ক্ষেত্ৰতে সুকীয়া ৰীতি পৰিগ্ৰহ কৰিছে। তাৰ মাজতো কাব্যগন্ধী ভাষাই উপন্যাসখনক ঠাই বিশেষে চহকী কৰিছে। উপন্যাসখনত হীৰাবাঈৰ চৰিত্ৰ বৰ্ণনা কৰোঁতে ভাষা কাব্যিকতাৰ গুণেৰে সমুজ্জ্বল হৈ উঠিছে—

> হীৰা বাঈ। এই নামত একালত কিমান যে যাদু আছিল। তাৰ সাক্ষী দিব এই পাঁচআলিয়ে আৰু একেখন বৰনৈৰে মন উচাটন কৰা বতাহে। বাৰিষা নৈকাষৰীয়া এজাৰ ফুলে। বৰনৈৰ বগা পানী জিলিকোৱা পুৱা-আবেলিৰ কোমল সুৰুযে।[৫৪]

উপন্যাসখনত সহজ-সৰল চুটি চুটি বাক্যৰ স্বাভাৱিক আৰু যথাযথ প্ৰয়োগৰ মাজতে পৰিৱেশানুকূল দীঘলীয়া বাক্যৰো সংমিশ্ৰণ ঘটিছে। কিন্তু সেয়া হ'লেও ঔপন্যাসিকে ক'তো উজুটি নোখোৱাকৈ সম্পূৰ্ণ সাৱলীলতাৰে দীঘলীয়া বাক্যৰ সুপ্ৰয়োগেৰে ব্যৱহাৰ ৰচনাৰীতিয়ে লেখকৰ বিচক্ষণতাৰ পৰিচয় দাঙি ধৰিছে।

সমাজৰ এচাম ঘোঁচখোৰ, লুভীয়া চৰিত্ৰৰ মানুহৰ কাৰণে চাৰিওদিশে সৃষ্ট সমস্যাসমূহে জীৱনত কেনেদৰে হেতা-ওপৰা লগায় সেই কথাও ঔপন্যাসিকৰ বৰ্ণনাভংগীত ফুটি উঠিছে। বৰ্তমানৰ পৃথিৱীখনত টকাৰ জৰিয়তে যে সকলো সম্ভৱ কৰি তুলিব পাৰি, সেই কথা প্ৰতীয়মান কৰিবলৈ যাওতে বৰ্ণনাভংগীৰ মাজেৰে বিষয়টো প্ৰকট হৈ উঠিছে—

> আগতে বৰ গছত হাঁকুটি লগালেই চাকৰি পোৰা গৈছিল। এতিয়া মাত্ৰ টকা লাগে। এল.পি স্কুলৰ মাষ্টৰণী হ'বলৈ এহেজাৰ, কেৰাণী হ'বলৈ দুহেজাৰ। পাঁচ হেজাৰ টকা দিলে আকৌ কেৰাণীৰ 'বচ' মানে অফিচাৰ।[৫৫]

উপন্যাসত চৰিত্ৰৰ মনোজগতৰ দিশসমূহ পৰিস্কাৰ কৰি ফুটাই তোলাৰ একমাত্ৰ মাধ্যম হৈছে ৰচনাশৈলী। চৰিত্ৰৰ অন্তৰ্দৃষ্টিৰ মনোভাৱাপন্ন দিশসমূহ সঠিক ৰূপত উন্মোচন কৰিব পাৰিলেহে লেখকৰ দক্ষতা প্ৰকাশি উঠে। কিয়নো চৰিত্ৰসমূহৰ কাৰ্যাৱলীয়েহে উপন্যাসৰ কাহিনীৰ গতি নিৰ্ধাৰণ কৰে। সেয়ে চৰিত্ৰৰ মানসিক স্থিতি সম্পৰ্কে সঠিক সন্ধান দিব পাৰে কেৱল ৰচনাৰীতিয়ে। *পাতাল ভৈৰৱী* উপন্যাসত মুকুন্দৰ মানসিক অন্তৰ্দন্দ্বৰ ছৱিখন সাৰ্থক ৰূপত তুলি ধৰাত ঔপন্যাসিক সফল হৈছে—

> মুকুন্দৰ খং-ৰাগ চেঁচা পৰিল। তাৰ অৱস্থা ঠেঁটুৰে ধৰা মানুহৰ দৰে হ'ল। তাৰ মনো ঠেৰেঙা লাগিল। সি যশোৱাৰ অভিযোগবোৰ মূৰ পাতি ল'ব নোৱাৰিলে। সি ভাবি পালে যে যশোৱাৰ আগত তাৰ এটা নিখুঁত ছৱি দাঙি ধৰাটো বিড়ম্বনা মাথোন। তাৰ অসাধু ব্যৱসায়ৰ উপৰি তাই ভানু-মণিকাৰ কথাও ক'ব খুজিছে; তাৰ নিচাখোৰ দস্তুৰকো তাই ঘিন কৰিছে। ইমানদিনে এইবোৰ জানিও মনে মনে থকা আৰু সুবিধা পায়ে তাই আজি সকলো উগাৰি পেলোৱা দেখি ভাব হ'ল যে তাৰ লগত যশোৱাৰ সম্পৰ্ক নিতান্ত যান্ত্ৰিক হৈ পৰিছে। কিজানি ৰঞ্জু-চানূৰৰ বাবেও সি এটা নিৰুত্তাপ হৃদয়ৰ উদাসীন পিতৃ। মানে সিহঁতৰ লগত তাৰ সম্পৰ্কও যান্ত্ৰিক।[৫৬]

উপন্যাসখনিত ইংগিতপূৰ্ণ বাক্য ব্যৱহাৰেৰে ৰচনাশৈলী আকৰ্ষণীয় কৰি তুলিব পৰাটো ঔপন্যাসিকৰ আন এক কৃতিত্ব। হীৰা বাঈৰ মুখত ব্যৱহৃত সংলাপে এনে ইংগিতময়তাৰ আভাষ দিয়ে— মোক যদি এজোপা গছ বুলি ভাব, সেইজোপা গছত মই আবতৰীয়া বেঙেনা ভাৰ ব'ব খুজিছো। আৰু দুমাহৰ পিছত মই এনেকৈ ঘূৰি ফুৰিব নোৱাৰিম।[৫৭]

আলোচ্য উপন্যাসখনিৰ পটভূমি চোৰাং কাৰবাৰৰ জগতখনৰ সৈতে জড়িত। লগতে পৰিৱৰ্তনমুখী এখন আধুনিক সমাজ। গতিকে চোৰাং ব্যৱসায়ীৰ স'তে জড়িত জগতখনৰ চৰিত্ৰসমূহৰ ভাষিক দিশবোৰ ৰচনাৰ মাজেৰে প্ৰকট কৰিবলৈ যাওতে এক অনন্য বিশিষ্ট মাত্ৰাৰে উদ্ভাসি উঠিছে। লগতে পৰিৱৰ্তনমুখী সমাজৰ ব্যক্তিসকলৰ বৰ্ণিল ভাষিক প্ৰকাশিকা শক্তিও

ৰচনাশৈলীত মূৰ্ত হৈ উঠিছে। সেই গতিকে সঘন বিদেশী শব্দৰ সজ্ঞানে কৰা প্ৰয়োগে উপন্যাসখনিৰ ৰচনাৰীতিক *গঙা চিলনীৰ পাখি* উপন্যাসখনতকৈ পৃথক ৰূপ প্ৰদান কৰিছে।

ৰাজনৈতিক জগতৰ চৰিত্ৰবোৰৰ সৈতে সম্পৰ্কান্বিত ভাষাৰীতিয়ে লেখকৰ প্ৰজ্ঞাৰ আৰু চেতনাৰ অন্য এক দিশো উদ্ভাসিত কৰি তুলিছে।

আধুনিক চিন্তাৰে সমাজত প্ৰতিনিধিত্ব কৰিলেও, পাপৰ পৃথিৱীখনত অহৰহ মত্ত হৈ থাকিলেও, বিষয়-বাসনাই মানুহক অহৰহ আকৃষ্ট কৰি ৰাখিলেও এসময়ত মানুহ মূল সুঁতিলৈ উভতি আহে। ভক্তিৰ প্ৰতি আচ্ছন্ন হয় মন। এনে ভাৱধাৰা ঔপন্যাসিকে ৰচনাৰীতিৰ মাজেৰে চিৰন্তন ৰূপত প্ৰকাশ কৰিছে—

> তেওঁৰ উপস্থিতিয়ে হয়তো ঘৰখনত যি আধ্যাত্মিক পোহৰ বিলাব সেই পোহৰত ঘৰখন আৰু ঘৰৰ সকলোৰে আত্মাৰ শোধন হ'ব, যশোৱাই হয়তো ভৱ বৈতৰণী পাৰ হোৱাৰ মূলমন্ত্ৰ পাই যাব।[৫৮]

*পাতাল ভৈৰৱী* উপন্যাসখন পৰিস্থিতি অনুযায়ী যথেষ্ট গভীৰ অৰ্থপূৰ্ণ আৰু ৰসব্যঞ্জক কৰি তুলিবলৈ ব্যৱহাৰ কৰা ৰচনাশৈলীয়ে ঔপন্যাসিকৰ কৌশলগত দিশৰ স্পষ্ট আভাষ দাঙি ধৰে। এটা মাথোন বাক্যৰে সাংঘাতিক ইংগিতময়তাৰ পৰিচয় দিব পৰাটো ঔপন্যাসিকৰ ৰচনাৰ এটা ইতিবাচক দিশ বুলি অভিহিত কৰিব পাৰি—নাৰৰ ছৈখন মাটিত বহুৱাই দিলে যিটো ঘৰ হ'ব, তেনেকুৱা জুপুৰিঘৰবোৰত ৰাতিৰ শ্বিলঙত কামনা-বাসনা ডগমগ আঙঠাৰ দৰে জ্বলি থাকে।[৫৯]

লক্ষ্মীনন্দন বৰাৰ উপন্যাসৰ বিষয়বস্তুৰ অনন্য সুন্দৰ গভীৰতাৰ মাজতো ছেগ বুজি হাস্যৰস প্ৰকট কৰি পৰিৱেশক মধুৰ কৰি তুলিব পৰাটো তেখেতৰ আন এক কৃতিত্ব—

> মাল মানে বুজি নেপাৰ? এৰা, নেপাবও পাৰ। ঠাই বুজি মালৰ অৰ্থ বেলেগ। একে বিলাক বস্তুৱেই মূৰত থাকিলে চুলি হয়, গালত থাকিলে ডাড়ি হয়, গাত থাকিলে নোম হয় আৰু ওঁঠৰ ওপৰত থাকিলে গোঁফ হয়। মালৰ বেলিকাও একে।[৬০]

গ্ৰাম্য পৰিৱেশত শৈশৱ কৈশোৰ পাৰ কৰি অহা লক্ষ্মীনন্দন বৰাই তেখেতৰ ৰচনাৰীতিৰ মাজত সঘনে ঘৰুৱা আৰু গ্ৰাম্যজীৱনৰ নিভাঁজ অসমীয়া শব্দ ব্যৱহাৰেৰে প্ৰকাশভংগীৰ সমৃদ্ধি সাধন কৰিছে। থলুৱা অসমীয়া শব্দৰ প্ৰয়েগেৰে তেখেতে অসমীয়া ভাষাৰ প্ৰকাশিকা

শক্তি বৃদ্ধি কৰিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিল। এনে কৰিবলৈ যাঁওতে ঔপন্যাসিকে লোকভাষাগত বিবিধ সমল যেনে, জতুৱা ঠাঁচ, খণ্ডবাক্য, প্ৰবাদ-প্ৰবচন আদিবোৰৰ বলিষ্ঠ প্ৰয়োগেৰে ৰচনাশৈলীৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে—

যাৰ নাই কেঁচুৰা, ঢেঁকীথোৰা নচুৰা।[৬১]

তিৰীয়ে পুৰুষে হ'বা এক মতি, তেবেসে সিজিব হৰিৰ ভকতি।[৬২]

আজল জল সাতোটা পোৰা মাছ ভাতৰ তল।[৬৩]

গালো বালো আৰু সকলো খোলাকটিৰ তাল হ'ল।[৬৪]

এনে ধৰণৰ আৰু অলেখ উদাহৰণ উপন্যাসখনৰ পৰা উল্লেখ কৰিব পৰা যায়।

লক্ষ্মীনন্দন বৰাৰ ৰচনাশৈলীত অপৰাধ জগতৰ ইংগিতপূৰ্ণ ভাষাৰো সাৰ্থক সংযোগ ঘটিছে। এনে সংযোগে উপন্যাসখনত পাতাল জগতৰ বৰ্ণনা খুবেই চিত্তাকৰ্ষক কৰি তুলিছে— মঙহ কাছই খাব লাগিব।[৬৫]

এনেদৰে সহজ-সৰল, ব্যঞ্জনাধৰ্মী, ইংগিতময়, দাৰ্শনিক আৰু আধ্যাত্মিক ভাৱাপন্ন, মনস্তত্ত্বমূলক, আলংকাৰিক, ঘৰুৱা কথ্যৰীতি আদি বিভিন্ন উপাদানৰ মাধ্যমেৰে ৰচনাৰীতি প্ৰাঞ্জল আৰু নান্দনিক ৰূপত গঢ়ি তুলিব পৰাটো ঔপন্যাসিকৰ কৃতিত্ব। লেখকৰ ভাব-অনুভূতিৰ বাহকৰূপে পৰিগণিত হোৱা ৰচনাৰীতিৰ মাজেৰে বিষয়বস্তুৰ গভীৰতা প্ৰকাশি উঠাৰ লগতে লেখকৰ বুদ্ধিনিষ্ঠতাও জিলিকি উঠে। এনে বুদ্ধিনিষ্ঠাৰে কলাত্মক নিদৰ্শন হৈছে তেখেতৰ *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাস দুখন। শক্তিশালী গদ্যৰ মাজত চহা জীৱনৰ প্ৰতি থকা অদম্য আকুলতা তেখেতৰ ৰচনাশৈলীৰ আন এক বিশেষত্বৰ কথাশিল্পী লক্ষ্মীনন্দন বৰাৰ ৰচনাৰীতিৰ বিচিত্ৰতা আৰু সূক্ষ্ম পৰ্যবেক্ষণশীলতা তেখেতৰ প্ৰতিভাৰ আকৰ।

### ৫.০৩ Ã গণদেৱতা পঞ্চগ্ৰাম উপন্যাসৰ ৰচনাৰীতি আৰু প্ৰকাশভংগী ঃ

বাংলা উপন্যাস সাহিত্যত ঔপন্যাসিকৰূপে খ্যাত তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসৰ নিৰ্মাণশৈলীও অনন্য। সচৰাচৰ চকুৰ আগত দেখি থকা সমাজখনৰ ব্যক্তিসত্ত্বাৰ বিভিন্ন ৰূপ উপন্যাসৰ পাতত চিত্ৰিত কৰোঁতে ঔপন্যাসিকগৰাকীয়ে বৈচিত্ৰ্যময় পৰিৱেশন পদ্ধতি ব্যৱহাৰ

কৰিছে।

বাংলা উপন্যাস সাহিত্যৰ পৰিৱেশন পদ্ধতিৰ বিষয়ে প্ৰসেনজিত মৃধাৰ বক্তব্য এইখিনিতে উল্লেখযোগ্য—

> বাংলা উপন্যাস পরিৱেশন পদ্ধতির [Method of Communication] স্পষ্ট চারটি ধারা পরিলক্ষিত হয় ঃ
>
> ক) প্ৰত্যক্ষ বা বৰ্ণনামূলক পদ্ধতি
>
> খ) আত্মকথনমূলক বা আত্মজীৱনীমূলক পদ্ধতি
>
> গ) কথোপকথনমূলক পদ্ধতি
>
> ঘ) তথ্যমূলক পদ্ধতি।[৬৬]

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ প্ৰায়বোৰ উপন্যাসতে গ্ৰহণ কৰা পদ্ধতিটো হৈছে প্ৰত্যক্ষ বা বৰ্ণনামূলক পদ্ধতি। অৱশ্যে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত কেইবাটাও পদ্ধতিৰ সমাৱেশ ঘটিছে। প্ৰত্যক্ষ বা বৰ্ণনামূলক পদ্ধতিৰ লগে লগে কথোপকথনমূলক পদ্ধতি— উভয়ৰে সংযোগত *গণদেৱতা*ৰ ৰচনাৰীতি পৰিস্ফূট হৈ উঠিছে। অন্যহাতে বৰ্ণনামূলক পদ্ধতিৰ লগতে কিঞ্চিৎ হ'লেও *পঞ্চগ্ৰাম* উপন্যাসত তথ্যমূলক পদ্ধতিৰ সংযোগত কাহিনীৰ গতি আগুৱাই গৈছে।

*গণদেৱতা* উপন্যাসত চৰিত্ৰৰ ৰূপ বৰ্ণনা ফুটাই তোলোতে কিদৰে বৰ্ণনাত্মক শৈলী উপস্থাপন কৰিছে সেয়া নিম্নোক্ত উদাহৰণটিয়ে স্পষ্ট কৰি দিয়ে—

> শ্ৰী হরির বিশাল দেহ— কিন্তু স্থূল নয়, একবিন্দু মেদশৈথিল্য নাই. বাঁশের মত মোটা হাত-পায়ের হাড়— তাহাতে জড়ানো কঠিন মাংসপেশী। প্রকাণ্ড চওড়া দুখন হাতের পাত্তা, আকর্ণ বিস্তার মুখগহ্বর, তাহার উপর একমাথা কোঁকড়া ঝাঁকড়া চুল। এত বড় দেহ লইয়া সে কিন্তু নিঃশব্দ পদসঞ্চারে দ্রুত চলিতে পারে। পরের ঝাড়ের বাঁণ কাটিয়া সে রাতারাত্রি আনিয়া আপনার পুকুরে ফেলিয়া রাখে, শব্দ নিবারণের জন্য সে হাত করাত দিয়া বাঁশ কাটে।[৬৭]

বৰ্ণনামূলক পদ্ধতিৰ মাজে মাজে তাৰাশংকৰ বন্দ্যোপাধ্যায়ে *গণদেৱতা* উপন্যাসত কথোপকথনমূলক ৰীতি প্ৰয়োগেৰে চৰিত্ৰৰ সৈতে পটভূমিক উপস্থাপিত কৰাৰ ক্ষেত্ৰত ৰচনাৰীতি আকৰ্ষণীয় হৈ উঠিছে—

কি নলনি? পয়সা চাই?

পণ্ডিতের মাথা ফেটে গিয়েছে।

কার? দেবুবাবুর?

হ্যাঁ। আর কালীপুরের চৌধুরী মশায়ের।

দ্বারকা চৌধুরী মশায়ের?

হ্যাঁ। পণ্ডিতের আমগাছ কাটছিল, পণ্ডিত একেবারে কুড়লের সামনে গিয়ে দাঁড়াল।

তারপর?[৬৮]

এক বিস্তৃত পটভূমিক বিষয়বস্তুৰূপে গ্ৰহণ কৰি ৰচিত হোৱা *গণদেৱতা, পঞ্চগ্ৰাম*ৰ কাহিনী বিন্যাস অতি জটিল। এক বিশাল জনগণৰ সৈতে জড়িত কাহিনী-উপকাহিনীৰ সংমিশ্ৰণেৰে *গণদেৱতা, পঞ্চগ্ৰাম*ৰ পটভূমি গ্ৰথিত হৈ আছে।

উপন্যাসৰ পটভূমি নিৰ্মাণত গঢ়ি উঠা চৰিত্ৰবোৰে পৰিৱেশ পৰিস্থিতি অনুযায়ী কাহিনীৰ গতি আগুৱাই লৈ যাওঁতে সেইৰূপে গঢ় লৈ উঠে। সমালোচকৰ ভাষাত—

চরিত্রভিত্তিক ভাষা নির্মাণের সার্থক রূপকার তারাশংকর।[৬৯]

যাৰ ফলত চৰিত্ৰৰ মানসিক অস্থিৰতা, চিন্তা-চেতনা আদিবোৰ ৰচনাৰীতিৰ মাজেৰে প্ৰকাশি উঠে। শ্ৰীহৰিয়ে গাঁওখনৰ প্ৰতি কৰা অন্যায়ৰ পাছতো গাঁওবাসীয়ে কিঞ্চিৎ উপকাৰৰ বিনিময়ত শ্ৰীহৰিৰ প্ৰতি দেখুওৱা কৃতজ্ঞতাবোধত ঔপন্যাসিকে শ্ৰীহৰিৰ মানসিক অন্তৰ্দ্বন্দ্বৰ ছৱিখন ৰচনাশৈলীৰ মাজেৰে প্ৰকট কৰি তুলিছে। গ্ৰাম্য জীৱনৰ কৃষিকেন্দ্ৰিক সমাজৰ কথা বৰ্ণনা কাৰোতে সেউজীয়া পথাৰৰ লখিমী শইচৰ বৰ্ণনা অতি সাৱলীল ৰূপত ঔপন্যাসিকে অংকন কৰিছে।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসৰ চৰিত্ৰসমূহ বিভিন্ন সামাজিক স্তৰৰপৰা বুটলি অনা। এনে সামাজিক ভিন্নতা অনুযায়ী চৰিত্ৰসমূহৰ ভাষাৰ ক্ষেত্ৰতো ভিন্নতা আহি পৰে। তেনে ভিন্নতাৰ ক্ষেত্ৰত উপন্যাসত ব্যৱহাৰ হোৱা প্ৰকাশভংগীয়েও সহায় কৰে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো বিবিধ শ্ৰেণীৰ বিবিধ চৰিত্ৰই ভূমুকি মৰাৰ ফলতে তেনে চৰিত্ৰৰ মুখত ব্যৱহৃত সংলাপে ভাষা-ৰীতিৰ ক্ষেত্ৰতো ভিন্নতাৰ সৃষ্টি কৰিছে। *গণদেৱতা* উপন্যাসতো দেবনাথৰ সুযোগ্যা পত্নী বেলি আৰু দুৰ্গাৰ কথনভংগীৰ মাজত এনে ভিন্নতা প্ৰকট হৈ উঠিছে।

পাতুৰ প্ৰতি দুৰ্গাৰ অভিযোগত এনে কথনশৈলী প্ৰকট হৈ উঠিছে—

> ঘর আমার, আমি নিজের রোজগার করেছি, আমার খুশী যার ওপর হবে— সে-ই আমার বাড়ি আসবে। তোর কি? তাতে তোর কি? তু আমাক খেতে দিস, না দিবি? আপন পরিবারকে সামলাস তু।[৭০]

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰচনাৰীতিৰ মাজত ঔপভাষিক ৰূপৰো প্ৰকাশ ঘটিছে। এই সম্পৰ্কে প্ৰসেনজিত মৃধাৰ মন্তব্য উল্লেখযোগ্য—

> তারা শংকরের উপভাষ- ভাণ্ডার মূলতঃ রাঢ়ী উপভাষা সমৃদ্ধ। আঞ্চলিক পটভূমি কিংবা স্থানীয় বর্ণ (Local Calour) সুস্পষ্ট করতে উপভাষিক শব্দের ব্যাপক প্রয়োগ ঘটিয়েছেন।[৭১]

মূলতঃ আঞ্চলিক জীৱনৰ প্ৰসংগ উত্থাপিত হোৱাৰ বাবে উপন্যাসসমূহত আঞ্চলিক ভাষাৰ সুপ্ৰয়োগ ঘটিছে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত এনে আঞ্চলিক জীৱনধাৰাৰ প্ৰকাশ পোৱাৰ লগতে আঞ্চলিক ভাষাই উপন্যাস দুখনিত সুকীয়া ৰূপ পৰিগ্ৰহ কৰিছে। ৰাঢ় অঞ্চলৰ উপভাষাগত ৰূপে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসক সুকীয়া মৰ্যাদা পৰিগ্ৰহ কৰিছে—

> দুগ্‌গা ! তোর কি আ-ছাটা ‘মিত্তিকে’ নাই লা? এই হেথা, ওই হোথা, একেবারে দুই মুলকে! কঙ্কনা, জংশন কো।ায় বা না যাস ! তা হেথা কি করছিস লা? ওগুলো কি বটে?[৭২]

কিছুমান শব্দৰ একাধিক প্ৰয়োগে গণদেৱতা, পঞ্চগ্ৰাম উপন্যাসক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত উপৰ্যুপৰি ব্যৱহৃত ‘অন্ধকাৰ’ শব্দৰ পৰিভাষা চিহ্নিত হৈছে। ঔপন্যাসিক তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসত বৰ্ণিত অন্ধকাৰ শব্দৰ উপন্যাসখনত একমাত্ৰ বিন্দুত কুক্ষীগত হোৱা নাই। ই বিষণ্ণতাৰে কেতিয়াবা খোজ পেলাইছে ব্যক্তিগত জীৱনৰ অন্ধকাৰত আৰু কেতিয়াবা সামূহিক জীৱনচৰ্যাত। ঔপন্যাসিকে ব্যক্তিগত আৰু সামূহিক— এই দুই অন্ধকাৰৰ বেৰ ভাঙি সমষ্টিগত সামূহিক জীৱনৰ আৰু ব্যক্তিগত জীৱনৰ হৃদয়ত পোহৰৰ দ্যোতনা টানি আনিবলৈ তীব্ৰ প্ৰয়াস কৰিছে। তেওঁৰ সেই প্ৰত্যাশ্যাত প্ৰত্যয়ে আশাৰ সৃষ্টি কৰিছে পোহৰৰ আৰু সেই পোহৰ শেৱালী ফুলৰ শুভ্ৰতাৰ দৰে জোন, তৰা, সূৰ্যৰ কিৰণৰ ৰঙৰ দৰে।

অন্ধকারের আবরণে চলিয়াছে অনির্দিষ্ট লক্ষ্যে যেখানে হোক।[৭৩]

অন্ধকার রাত্রে ঘরের মধ্যে অন্ধকার স্পর্শসহ, গাঢ়তর হইয়া উঠে। পদ্ম অন্ধকারের মধ্যে চোখ মেলিয়া জাগিয়া থাকে।— এলোমেলো চিন্তা।[৭৪]

অন্ধকার রাত্রের মধ্যে আকাশের দিকে চাহিয়া সে ঈশ্বরকে ডাকে।[৭৫]

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাস, *গণদেৱতা, পঞ্চগ্ৰাম*ত বাক্যৰ মাজে মাজে বৰ্ণনীয় বিষয়বস্তু অধিক ঘনীভূত কৰি তুলিবলৈ প্ৰবাদ-প্ৰবচন, ফঁকৰা-যোজনা আদিৰ যথোপযুক্ত প্ৰয়োগ কৰিছে—

দশে মিলি করি কাজ— হারি জিতি নাহি লাজ।[৭৬]

খাটে খাটায় দুনো পায়।

পটোল রুইলে ফাল্গুনে ফল বাড়ে দিগুণে।

হারালে পায় মলে জীয়োয়।

ফাগুনের আট চৈত্রের আট

সেই তিল দায়ে কাট।[৭৭]

*গণদেৱতা, পঞ্চগ্ৰাম* উভয় উপন্যাসতে লোক-সংস্কৃতিগত চেতনা এটাৰ উন্মেষ ঘটাবলৈ যাওঁতে ৰচনাশৈলীৰ মাজতে তেখেতে সংস্কৃতিক প্ৰতিনিধিত্ব কৰা ভালেমান লোকগীতৰ পয়োভৰ ঘটাইছে—

হায় এ জল কোথা ছিল।

জলে জলে বাংলা মুকুলক ভে-গে গেল।[৭৮]

অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰতো তাৰা শংকৰ বন্দ্যোপাধ্যায়ৰ কৃতিত্ব অতুলনীয়। প্ৰতীক, উপমা, চিত্ৰকল্প আদিৰ সহায়েৰে ৰচনাৰীতি অধিক জীৱন্ত আৰু সুখপাঠ্য কৰি তুলিছে

একেবাৰে বাঘের মত হাঁকিয়ে উঠছ— না দিতে পাবি না।[৭৯]

উপন্যাস এখনৰ ৰচনাশৈলীক ভাষিক সমৃদ্ধি প্ৰদান কৰাৰ ক্ষেত্ৰত তাত ব্যৱহৃত শব্দৰাজিয়ে বিশেষ তাৎপৰ্য বহন কৰে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম* দুয়োখন

উপন্যাসতে বাক্যৰ মাজে মাজে প্ৰয়োগ কৰা ধ্বন্যাত্মক শব্দ, যুৰীয়া শব্দ আদিয়ে বাক্যক অৰ্থবহ কৰি অধিক গম্ভীৰ্য প্ৰদান কৰিছে।

> ধীরে ধীরে সমস্ত কবিতাটি শেষ করিয়া দেবু বলিল—[৮০]
>
> রুক্ষ বড় বড় চুল, ছিপছিপে লম্বা, সর্বাঙ্গ একটি কমনীয় লাবণ্য; চোখ দুটি ঝকঝকে, চশমার আবরণের মধ্যে সে দুটিকে আরও আশ্চর্য দেখায়।[৮১]
>
> মামার উপর শন শন শব্দ শুনিয়া ন্যায়রত্ন চকিত হইয়া আকাশের দিকে চাহিলেন।[৮২]
>
> তিনু হন হন করিয়া আগাইয়া আসিতেছে।[৮৩]

চুটি চুটি বাক্যৰে বাক্য গভীৰ অৰ্থবহ ৰূপ প্ৰদান কৰিব পৰাটো তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ অন্য এক কৃতিত্ব।

প্ৰতি ভাষাৰে বাক্য গাঁথনিৰ ক্ষেত্ৰত ব্যাকৰণগত কিছু নিৰ্দিষ্ট নীতি-নিয়মৰ ব্যৱহাৰ লক্ষণীয়। ভাষিক গাঁথনিৰ ক্ষেত্ৰত ব্যাকৰণগত নীতি-নিয়মক অৱজ্ঞা কৰিলে বাক্যৰ শুদ্ধতাৰ ক্ষেত্ৰত প্ৰশ্ন উত্থাপিত হয়। কিন্তু সাহিত্যৰ ক্ষেত্ৰখন এই দিশত কিছু ব্যতিক্ৰম। ঔপন্যাসিকৰ স্বতন্ত্ৰ স্বাধীনতাই *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ বাক্য গাঁথনিক ঠাই বিশেষে ব্যাকৰণগত ৰীতি-নীতিৰ পৰম্পৰাগত শৈলীৰপৰা নিলগাই ৰাখিছে—

> বড় কঠিন দেৱতা।[৮৪]
>
> এলোমেলো চিন্তা। শুধু এক বেদনার একটানা সুরে সেগুলি গাঁথা।[৮৫]

এইক্ষেত্ৰতবাংলা ভাষাৰ বাক্যবিন্যাস ৰীতিৰ বিষয়ে সমালোচকৰ মন্তব্য প্ৰণিধানযোগ্য—

> বাংলা বাক্যে পদবিন্যাসের সাধারণ রীতি হ'ল— কর্তা-কর্ম-ক্রিয়ার পরপর অবস্থান। এই প্রচলিত ব্যাকরণ-নির্দিষ্ট পদবিন্যাস রীতি ভেঙে আধুনিক অনেক গদ্যলেখক বাক্য গঠনে অভিনবত্ব দেখিয়েছেন। তারা শংকর পদবিন্যাসে তেমন কোন পরীক্ষা-নিরীক্ষায় অগ্রসর না হ'লেও অনেক ক্ষেত্রে স্বাতন্ত্র্যের সাক্ষ্য রেখেছেন।[৮৬]

লোকভাষাগত বিভিন্ন ৰূপৰ স্ফুৰণ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ ৰচনাশৈলীৰ মাজত প্ৰতিফলিত হৈ উঠিছে—

> তারাশংকরের ভাষ লোকভাষারও (folk speech) সাক্ষ্য রয়েছে। লোকভাষা মূলতঃ সংস্কৃতি ও সমাজভাবৱনা আশ্রিত। তারাশংকৰেৰ রচন যেহেতু লোকসাহিত্যের বিধি উপাদান নিহিত, সেজন্য লোকভাষার লোকপ্রকরণ (folk register)—এর প্রাচুর্য লক্ষ্য করা যায়।[৮৭]

গালি-শপনিবাচক শব্দৰ ব্যৱহাৰেৰে সাধাৰণ শ্ৰেণীৰ জনতাৰ কথনশৈলীক ঔপন্যাসিকে *গণদেৱতা, পঞ্চগ্ৰাম*ৰ মাজেৰে প্ৰকট কৰি তুলিছে। উপন্যাসখনৰ সাধাৰণ শ্ৰেণীৰ লোকৰ মুখত ব্যৱহৃত ভিন্ন শৈলীৰ কথোপকথনৰ মাজত এনে শব্দৰ প্ৰাচুৰ্য লক্ষ্য কৰা যায়।

**পাদটীকা ঃ**

১. নেওগ, সুব্ৰতজ্যোতি ঃ *শৈলীবিজ্ঞান আৰু অসমীয়া সাহিত্যৰ শৈলী*, পৃ. ৩০
২. Murry, I, Middliton : *The Problem of Style*, p.5
৩. বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ *উপন্যাস*, পৃ. ৮৮
৪. ঠাকুৰ, নগেন (সম্পা.) ঃ এশ বছৰৰ অসমীয়া উপন্যাস, পৰাগ কুমাৰ ভট্টাচাৰ্যৰ প্ৰবন্ধ 'লক্ষ্মীনন্দন বৰাৰ উপন্যাস পৰম্পৰা আৰু আধুনিকতাৰ দ্বন্দ্ব', পৃ. ৬০২
৫. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি*, পৃ. ১
৬. উল্লিখিত গ্ৰন্থ, পৃ. ২
৭. উল্লিখিত গ্ৰন্থ, পৃ. ২১
৮. উল্লিখিত গ্ৰন্থ, পৃ. ১১০
৯. উল্লিখিত গ্ৰন্থ, পৃ. ৪৯
১০. উল্লিখিত গ্ৰন্থ, পৃ. ৫৮
১১. উল্লিখিত গ্ৰন্থ, পৃ. ৯৬-৯৭
১২. উল্লিখিত গ্ৰন্থ, পৃ. ১২২
১৩. উল্লিখিত গ্ৰন্থ, পৃ. ৫৬
১৪. উল্লিখিত গ্ৰন্থ, পৃ. ৯৩
১৫. উল্লিখিত গ্ৰন্থ, পৃ. ৪
১৬. উল্লিখিত গ্ৰন্থ, পৃ. ৩১
১৭. উল্লিখিত গ্ৰন্থ, পৃ. ৩৮
১৮. উল্লিখিত গ্ৰন্থ, পৃ. ১২৫

১৯. উল্লিখিত গ্ৰন্থ, পৃ. ১২২
২০. উল্লিখিত গ্ৰন্থ, পৃ. ১১৬
২১. উল্লিখিত গ্ৰন্থ, পৃ. ২১
২২. উল্লিখিত গ্ৰন্থ, পৃ. ৩২
২৩. উল্লিখিত গ্ৰন্থ, পৃ. ৯২
২৪. উল্লিখিত গ্ৰন্থ, পৃ. ৮৫
২৫. উল্লিখিত গ্ৰন্থ, পৃ. ৮৪
২৬. উল্লিখিত গ্ৰন্থ, পৃ. ৬৯
২৭. উল্লিখিত গ্ৰন্থ, পৃ. ১২২
২৮. উল্লিখিত গ্ৰন্থ, পৃ. ২৩
২৯. উল্লিখিত গ্ৰন্থ, পৃ. ২৪
৩০. উল্লিখিত গ্ৰন্থ, পৃ. ২৯
৩১. উল্লিখিত গ্ৰন্থ, পৃ. ৩১
৩২. উল্লিখিত গ্ৰন্থ, পৃ. ৩৭
৩৩. উল্লিখিত গ্ৰন্থ, পৃ. ৩৫
৩৪. উল্লিখিত গ্ৰন্থ, পৃ. ২১
৩৫. উল্লিখিত গ্ৰন্থ, পৃ. ১৩১
৩৬. উল্লিখিত গ্ৰন্থ, পৃ. ১১৪
৩৭. উল্লিখিত গ্ৰন্থ, পৃ. ৩০
৩৮. মিশ্ৰ, কৃষ্ণ কুমাৰ ঃ *লক্ষ্মীনন্দন বৰাৰ পাতাল ভৈৰৱী*, পৃ. ১০০
৩৯. উল্লিখিত গ্ৰন্থ, পৃ. ৪
৪০. উল্লিখিত গ্ৰন্থ, পৃ. ৪
৪১. উল্লিখিত গ্ৰন্থ, পৃ. ১৭
৪২. উল্লিখিত গ্ৰন্থ, পৃ. ১৬
৪৩. উল্লিখিত গ্ৰন্থ, পৃ. ৩৪
৪৪. উল্লিখিত গ্ৰন্থ, পৃ. ১৯
৪৫. উল্লিখিত গ্ৰন্থ, পৃ. ৩৬
৪৬. উল্লিখিত গ্ৰন্থ, পৃ. ২৯
৪৭. উল্লিখিত গ্ৰন্থ, পৃ. ২৯
৪৮. উল্লিখিত গ্ৰন্থ, পৃ. ২৫
৪৯. উল্লিখিত গ্ৰন্থ, পৃ. ৫
৫০. উল্লিখিত গ্ৰন্থ, পৃ. ২২
৫১. উল্লিখিত গ্ৰন্থ, পৃ. ২৩
৫২. উল্লিখিত গ্ৰন্থ, পৃ. ৩৩
৫৩. উল্লিখিত গ্ৰন্থ, পৃ. ৪৬

৫৪. উল্লিখিত গ্রন্থ, পৃ. ৫২

৫৫. উল্লিখিত গ্রন্থ, পৃ. ১৫৮

৫৬. উল্লিখিত গ্রন্থ, পৃ. ১৯৯

৫৭. উল্লিখিত গ্রন্থ, পৃ. ৫৮

৫৮. উল্লিখিত গ্রন্থ, পৃ. ২৫৯

৫৯. উল্লিখিত গ্রন্থ, পৃ. ১৩৪

৬০. উল্লিখিত গ্রন্থ, পৃ. ৩৯

৬১. উল্লিখিত গ্রন্থ, পৃ. ২৭

৬২. উল্লিখিত গ্রন্থ, পৃ. ৩০

৬৩. উল্লিখিত গ্রন্থ, পৃ. ৩৯

৬৪. উল্লিখিত গ্রন্থ, পৃ. ৪৬

৬৫. উল্লিখিত গ্রন্থ, পৃ. ৬০

৬৬. মৃধা, প্রসেনজিত ঃ *উপন্যাসের আংগিক ও তারাশংকর,* পৃ.

৬৭. বন্দ্যোপাধ্যায়, তাৰাশংকৰ ঃ *গণদেৱতা, পঞ্চগ্ৰাম,* পৃ. 9

৬৮. উল্লিখিত গ্রন্থ, পৃ. ১৫১

৬৯. উল্লিখিত গ্রন্থ, পৃ. ১০৯

৭০. বন্দ্যোপাধ্যায়, তাৰাশংকৰ ঃ *গণদেৱতা, পঞ্চগ্ৰাম,* পৃ. 28

৭১. উল্লিখিত গ্রন্থ, পৃ. ১১২

৭২. উল্লিখিত গ্রন্থ, পৃ. ৮১

৭৩. উল্লিখিত গ্রন্থ, পৃ. ১১১

৭৪. উল্লিখিত গ্রন্থ, পৃ.

৭৫. উল্লিখিত গ্রন্থ, পৃ. ২৮৪

৭৬. উল্লিখিত গ্রন্থ, পৃ. ২৮৫

৭৭. উল্লিখিত গ্রন্থ, পৃ. ১১১

৭৮. উল্লিখিত গ্রন্থ, পৃ. ১১১

৭৯. উল্লিখিত গ্রন্থ, পৃ. ১০১

৮০. উল্লিখিত গ্রন্থ, পৃ. ৫২

৮১. উল্লিখিত গ্রন্থ, পৃ. ১০৫

৮২. উল্লিখিত গ্রন্থ, পৃ. ৩৩৫

৮৩. উল্লিখিত গ্রন্থ, পৃ. ২৬৮

৮৪. উল্লিখিত গ্রন্থ, পৃ. ২৮০

৮৫. উল্লিখিত গ্রন্থ, পৃ. ২৮১

৮৬. উল্লিখিত গ্রন্থ, পৃ. ১৩৬

৮৭. উল্লিখিত গ্রন্থ, পৃ. ১১৪-১১৫

# ষষ্ঠ অধ্যায়
# লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসৰ সামগ্ৰিক তুলনা

## ৬.১ প্ৰস্তাৱনা ঃ

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায় দুয়োগৰাকী আধুনিক ভাৰতীয় সাহিত্যক প্ৰতিনিধিত্ব কৰা দুগৰাকী অন্যতম কথাশিল্পী। লক্ষ্মীনন্দন বৰাই আধুনিক অসমীয়া সাহিত্যৰ ওখ ঢাপ নিৰ্মাণ কাৰ্যত ব্ৰতী হৈ যিদৰে সেৰা আগবঢ়াই গৈছে ঠিক সেইদৰে তাৰাশংকৰ বন্দ্যোপাধ্যায়েও বাংলা সাহিত্যৰ সৌধ নিৰ্মাণত ব্যস্ত হৈ পৰিছিল। দুয়োগৰাকী কথাসাহিত্যিকৰ ৰচনাৰ মাজত তদানীন্তন সময়ৰ শিক্ষা, জীৱনদৰ্শন, ৰীতি-নীতি, বিশ্বাস, মূল্যবোধ, ইত্যাদিয়ে গা কৰি উঠাৰ মূলতে আছিল লেখকদ্বয়ৰ মনৰ মাজত অহৰহ লালিত পালিত হৈ থকা সমাজচিন্তা। যাৰ পৰিণতিত সামাজিক বিভিন্ন সমস্যা, অৰ্থনীতি, ৰাজনীতি আদি বিভিন্ন বিষয়ে লেখকসকলৰ মনৰ মাজত কিছুমান চিন্তাই গা কৰি উঠিছিল। তেনেবোৰ চিন্তা-চেতনাৰ বহিঃপ্ৰকাশ ঘটিছিল সাহিত্যৰ মাজেৰে। বিভিন্ন বিষয়ক সাহিত্যৰ মাজেৰে ৰূপদান কৰিবলৈ যাওতে আলোচিত ঔপন্যাসিকদ্বয়ৰ ৰচনাৰ মাজত বিবিধ বিষয়ত সাদৃশ্য তথা বৈসাদৃশ্য প্ৰকট হৈ উঠিছে। লক্ষণীয়ভাৱে তেনে ধৰণৰ বৈশিষ্ট্যসমূহে উমৈহতীয়াভাৱে ভাৰতীয় সাহিত্যকেই প্ৰকট কৰি তুলিছে। পৃথক সমাজ, পৃথক পটভূমি হ'লেও সেয়া যে সামগ্ৰিক ৰূপত ভাৰতীয় সাহিত্যৰ প্ৰতিভূ, সেই কথাকেই ঔপন্যাসিকদ্বয়ে তেওঁলোকৰ ৰচনাৰ মাজত বিদ্যমান কৰি তুলিছে।

## ৬.২ বিষয়বস্তু ঃ

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসবোৰত তেওঁলোকৰ চৌপাশৰ সমাজখনত বিস্তাৰিত হৈ থকা মাটিৰ জীৱন আৰু কলা, জনৰীতি, ৰাজনীতি, অৰ্থনীতি, মানুহৰ জীৱনবোধ, দৰ্শন, ব্যক্তিত্ব আৰু বিভিন্ন উৎসৱ-পাৰ্বণৰ মাজেৰে জীয়াই

থকা মানুহৰ বৰ্তমান আৰু ভৱিষ্যতক লৈ তেওঁলোক দুয়োজন ঔপন্যাসিকে উপন্যাস ৰচনা কৰিছে। বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত উপন্যাস লিখিলেও দুয়োজনৰ উল্লিখিত উপন্যাসসমূহৰ বিষয়বস্তুৰ তুলনাৰ দ্বাৰা নিম্নোক্ত দিশসমূহ পৰিস্ফুট হৈ উঠে—

■ লক্ষ্মীনন্দন বৰাৰ *গঙা চিলনীৰ পাখি*ৰ বিষয়বস্তু, ঘটনাপ্ৰবাহ আৰু উপন্যাসৰ গতিধাৰা নগাঁও জিলাৰ সোণাই নৈৰ পাৰৰ মানুহৰ জীৱনবোধক কেন্দ্ৰ কৰি লিখিত। ঠিক একেদৰে তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাস-*গণদেৱতা, পঞ্চগ্ৰামো* 'ময়ুৰাক্ষী' নৈৰ পাৰৰ মানুহৰ জীৱনবোধৰ বাস্তৱ ছবিৰে নিৰ্মাণ হৈছে।

■ দুয়োজন ঔপন্যাসিকৰ কেউখন উপন্যাসেই বিভিন্ন সম্প্ৰদায়, গোষ্ঠী মানুহৰ বসতিৰ ক্ষেত্ৰ। উচ্চ, নীচ ক্ষুদ্ৰ সম্প্ৰদায়ৰ মানুহৰ জীৱনৰ জীয়াই থকাৰ ৰসবোধ, দুখবেদনা, হতাশা, হাঁহি, আনন্দৰ কথাবস্তুৰে— উপন্যাসক গতি প্ৰদান কৰিছে। লক্ষ্মীনন্দন বৰাৰ উপন্যাসত বৰ্ণিত মানুহ, ব্ৰাহ্মণ, শূদ্ৰ, কোঁচ, কলিতা, লালুং, কাৰবি, মুছলমানৰ বসতিৰ দৰে—*পাতাল ভৈৰৱী* উপন্যাসতো নাপিত, কলিতা, নেপালী, মুছলমান, শিখ, মৰোৱাৰী, বিহাৰী, অসমীয়া মানুহৰ সংমিশ্ৰিত জীৱন জগতক কেন্দ্ৰ কৰি গতি লাভ কৰিছে। সেইদৰে তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসত কমাৰ, কুমাৰ, কঁহাৰ, নাপিত, সুতাৰ, চাওতাল, মুছলমান, বাউৰী, বাগদী আদি সম্প্ৰদায়ৰ জীৱনক কেন্দ্ৰ কৰি লিখিত। দুয়োজন ঔপন্যাসিকে সেই মানুহখিনিৰ মাজত থকা সমন্বয়, ঐক্য, মিলাপ্ৰীতি, মাটি, প্ৰেম আৰু ভ্ৰাতৃত্ববোধৰ ৰূপেৰে বাস্তৱ অভিজ্ঞতাক উপন্যাসৰ ৰূপ দিছে।

■ উভয় ঔপন্যাসিকৰ উপন্যাসত বৰ্ণিত মানুহখিনিৰ জীৱন যাত্ৰা অতি দাৰিদ্ৰপীড়িত। সমস্যা আৰু অৰ্থনীতিয়ে কোবাই জীৱন বেকা কৰিলেও এই মানুহখিনিৰ জীৱনত তেওঁলোকৰ সংস্কৃতিপ্ৰীতিৰ গভীৰ ৰঙ মনকৰিবলগীয়া। তেওঁলোকৰ উৎসৱ যেন তেওঁলোকৰ ভৱিষ্যত। এনে দৃষ্টিভংগীৰে মানুহখিনিৰ সাংস্কৃতিক চেতনা দুয়ো ঔপন্যাসিকৰ কলমত প্ৰাণৱন্ত। সেয়ে তেওঁলোকৰ জীৱন দৰ্শন চহকী আৰু সাংস্কৃতিক সত্বাৰে বিধৌত।

■ দুয়োজন ঔপন্যাসিকৰ উপন্যাসত ৰাজনীতি এক উল্লেখযোগ্য বিষয়ৰূপে চিহ্নিত হৈছে। *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখিত* ৰাজনীতিৰ কবলত পৰি সাধাৰণ জনতাৰ জীৱনলৈ অহা ভয়াৱহ দুখ-বেদনা আৰু ৰাজনীতিৰ ভণ্ডামী বিস্তাৰিত। ৰাজনীতিয়ে কুটিল ৰূপ ধাৰণ কৰিছে। একেদৰে *গণদেৱতা* আৰু *পঞ্চগ্ৰাম* উপন্যাসত ৰাজনীতি বৰ্ণনাও তীৰ্যক ৰূপত দেখা যায়। ৰাজনীতিৰ গৰ্ভত সাধাৰণ মানুহে ভোগা যন্ত্ৰণাই উপন্যাসক বিশেষ গতি প্ৰদান কৰিছে।

■ দুয়োজন ঔপন্যাসিকৰ উপন্যাসত দুখন সমাজে যেন প্ৰতিনিধিত্ব কৰিছে। এখন পৰম্পৰাগত নিয়ম-নীতিৰে আৱৰি থকা ৰক্ষণশীল সমাজ। আৰু এখন বৈজ্ঞানিক চিন্তা-চেতনাৰে নতুন প্ৰগতিবাদী চিন্তাৰ সমাজ। ইয়াত নতুন আৰু পুৰণিৰ দ্বন্দ্ব স্পষ্ট। *পাতাল ভৈৰৱীত* অনুপ কলিতাৰ দৰে প্ৰগতিবাদী চিন্তাৰ যুৱকৰ সমাজ উন্নয়ন আৰু মানুহৰ জীৱনক যথাৰ্থতে মানৱীয় প্ৰমূল্যৰে চহকী কৰাৰ দিশ উন্মোচিত। ঠিক সেইদৰে মুকুন্দইও ৰাইজৰ কাম নিঃস্বাৰ্থভাৱে কৰি এক নতুন সমাজৰ পোষকতা কৰে। *গঙা চিলনীৰ পাখিত* ভোগৰামে মানৱীয় সকলো প্ৰমূল্য এৰি পৰিৱৰ্তনৰ ধামখুমিয়াত নিজকে বিলীন কৰাৰ দূৰন্ত বাসনাক ঔপন্যাসিকে প্ৰকট কৰিছে—

> কৃষি জীৱনৰ বিকলাংগ অৱস্থাত, দেশৰ ব্যাধিযুক্ত অগ্ৰসৰ গতি আৰু গ্ৰাম্য জীৱনৰ ক্ষয়িষ্ণু পৰ্যায়ত, নতুন মূল্যবোধ আৰু পৰিস্থিতিয়ে তাৰ দৰে নতুন মানুহৰ সৃষ্টি কৰিছে। তাৰ দৰে ৰাহুবোৰে সোণাইপৰীয়াৰ সৰলতা আৰু নীতিবোধ গ্ৰাস কৰিবলৈ চাইছে।[১]

সেইদৰে *গণদেৱতা, পঞ্চগ্ৰাম*তো পুৰণি আৰু নতুনৰ সংঘাত দ্বিধা আৰু সংশয়ৰ কথাবস্তুৰ ৰূপ স্পষ্ট। চণ্ডীমণ্ডপৰ জীৱন আছিল— *গণদেৱতা, পঞ্চগ্ৰাম*ৰ মানুহৰ এক বিৰল সত্ত্বা। তাতেই তেওঁলোকৰ বিভিন্ন বাৰংবাৰতাৰ ৰূপ বিকশিছিল। কিন্তু চণ্ডীমণ্ডপ ভাঙি নাট্য মন্দিৰ নিৰ্মাণৰ কথাই নতুন আৰু পুৰণিৰ মাজৰ দ্বন্দ্ব, সংঘাতক তীব্ৰ ৰূপত প্ৰত্যক্ষ কৰিছে। চণ্ডী মণ্ডপ মানুহৰ সাংস্কৃতিক জীৱনৰ প্ৰাণকেন্দ্ৰ আছিল। মানুহে সেই দিশেৰে গ'লে মূৰ দোৱাই যায়। কিন্তু নতুন প্ৰজন্মই সেই দিশেৰে গ'লে তাৰ ঐতিহাসিক

গুৰুত্বকো নস্যাৎ কৰি আনকি চণ্ডীমণ্ডপৰ ফালে চাবলৈ ইচ্ছাও নকৰা হ'ল।

■Ã *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱীৰ* মানুহৰ সৰহ সংখ্যকৰে জীৱনৰ জীৱিকাৰ সম্বল আছিল কৃষি। কৃষিক কেন্দ্ৰ কৰিয়ে তেওঁলোকৰ গ্ৰাম্য জীৱনৰ জীৱন ৰথ পৰিচালিত হৈছিল। *গঙা চিলনীৰ পাখি* উপন্যাসত বৰ্ণিত সৰহসংখ্যক মানুহৰ জীৱনৰ জীয়াই থকাৰ সম্বল আছিল কৃষি। অৰ্থাৎ মাটি আৰু কৃষকৰ সমন্বয়-সংঘাত আদি স্পষ্ট। মানুহৰ সংখ্যা বৃদ্ধিত মাটিৰ চাহিদা পূৰণ নহয়। অৰ্থাৎ জনসংখ্যা বৃদ্ধিয়ে খেতি কৰি খোৱা মানুহৰ জীৱনক স্বাৱলম্বী কৰিব নোৱাৰে। ফলত তেওঁলোকে অন্য কাম কৰিবলৈও বাধ্য হয়—

> সোণাইপৰীয়া গাঁৱত জনসংখ্যা বাঢ়িছে। খেতিৰ মাটিয়ে নোজোৰা হৈছে। কোনোবা ককাকে এৰি থৈ যোৱা পোন্ধৰ বিশপুৰা মাটি পুৰুষানুক্ৰমে ভাই-ককাইৰ মাজত ভাগ ভাগ হৈ এটা পৰিয়ালত হয়তো দুই চাৰি হালিচা মাটিহে ৰৈছেগৈ।[২]

*সেইদৰে গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো কৃষকৰ কৃষি-মাটিৰ লগত যি সম্বন্ধ সেয়া উপন্যাসত আৰম্ভণিৰপৰা শেষলৈকে চিৰপ্ৰবাহমান ৰূপত দেখা যায়—

> পল্লীগ্ৰামে জল খাইবার বেলা হইয়াছে। মঠ হইতে চাষিরা বাড়ি ফিরিতেছে। চাষি-শ্ৰমিকেরা মাঠেই জল খায়, তাহাদের জলখাবার এইয়া মেয়েরা চলিয়াছে মাঠে, মাথায় তাহাদের গামছায় বাঁধা জলখাবাবের পাত্ৰ, কাঁকালে ঝুড়িস, হাতে জলের ঘটি। পুরুষদের জলখাবার খাওয়াইয়া এই ধান কাটার সময় তাহারা ধানের শির সংগ্ৰহ করিবে, বন-জংগল হইতে শুকানা কাঠ পড়িয়া জ্বানানি সংগ্ৰহ করিবে।[৩]

■Ã লক্ষ্মী নন্দন বৰাৰ *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসত পৰিয়ালকেন্দ্ৰিক জীৱনবোধ, মিলাপ্ৰীতি, ভাল-বেয়া, দ্বন্দ্ব খৰিয়াল আৰু সামূহিক চিন্তা-চেতনাৰ প্ৰকাশ ঘটিছে। পৰিয়ালৰ লোকে সংঘাত হ'লেও এক নিৰ্দিষ্ট সমিলমিলেৰে জীৱনক চহকী কৰিবলৈ চেষ্টা কৰিছে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো তাৰাশংকৰ বন্দ্যোপাধ্যায়ে পৰিয়ালকেন্দ্ৰিক বিভিন্ন ঘটনা-পৰিঘটনাৰে উপন্যাসৰ বিষয়বস্তুৰ প্ৰায়খিনি

অংশ নির্মিত হৈ আছে।

■ লক্ষ্মীনন্দন বৰাৰ *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসত নাৰীৰ অৱস্থান তীব্ৰ ৰূপত দেখা গ'লেও পুৰুষ শাষিত সমাজ হেতু নাৰীৰ মতামতক গুৰুত্ব প্ৰদান কৰা হোৱা নাই। সেয়ে বাসন্তীৰ বিবাহৰ সময়ত বাসন্তীয়ে কি বিচাৰিছিল সেয়াত কোনেও গুৰুত্ব নিদিয়াটো মন কৰিবলগীয়া—বাসন্তী, জীয়ৰী হ'লে ঘৰৰ হা-হুকুম মানি চলিবই লাগিব। [৪]

সেইদৰে তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত নাৰীৰো নিজস্ব স্থিতি নাই। পুৰুষৰ কথা-কাণ্ডই মুখ্য ভূমিকা পালন কৰে। নাৰীৰ স্বাধীনতা আৰু জীৱনৰ জীয়াই থকা ছন্দবোৰ পুৰুযেহে নিৰ্ধাৰণ কৰাত নাৰীৰ অধিকাৰে বহু সময়ত হাহাকাৰ কৰা দেখা যায়। অৰ্থাৎ নাৰীৰ ভূমিকা আৰু স্বাধীনতাৰ কথাবস্তু দুয়োজন ঔপন্যাসিকৰ মনোজগতেৰে প্ৰকাশ হওঁতে— পুৰুষ সমাজ ব্যৱস্থাৰ বলিষ্ঠ ৰূপে নাৰীৰ সমাজ ব্যৱস্থাক গুৰুত্ব দিয়া নাই।

■Ã *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখিত* আধ্যাত্মিক দৃষ্টিভংগী অতি প্ৰবল। গাঁৱৰ নামঘৰ, কীৰ্তন ঘোষা, বৰগীত, জিকিৰ আৰু জাৰি, নামঘৰৰ বৰ্ণনা আৰু বহুতো মানুহৰ মুখত ঈশ্বৰ সম্বন্ধে ব্যক্ত কৰা মহিমা আৰু উপন্যাস দুখনত বৰ্ণিত কীৰ্তনৰ কথা, ঘোষাৰ মাত, আল্লাৰ বৰ্ণনা, মৃতকৰ মৃত্যুত সমাধি দিওঁতে বা জ্বলাওতে ব্যৱহৃত নানা ধৰ্মীয় দিশ আদিয়ে মানুহৰ ঈশ্বৰ বিশ্বাস, বন্দনা আৰু এক অসীম শক্তিৰ ওপৰত যে মানুহ নিৰ্ভৰশীল তাৰ সুষম মনোজগতক ঔপন্যাসিকে বিস্তৃতভাৱে প্ৰকাশ কৰিছে। মাধৱদেৱৰ ধৰম মূৰ্তি বস্তুৰ বিষয়ে মুকুন্দই এনেদৰে কয়—

> বালকে কৰোক বহু মানÛযুৱায়ে সেৱোক পাৰেমানÛবৃদ্ধ বিষয়ৰ বৰ্হিভূত হুয়া গৈল। ভোগ কৰিবাক নাপাৰায়Ûতথাপিতো আশা নছাড়য়Ûহৰি হৰি হৰি কিনো বিপৰীত ভৈল” বৃদ্ধসৱে জানা বিষয়কÛভোগ কৰিবাক নপাৰয়Ûভক্তিহীন বৃদ্ধে তেজিতে সমৰ্থ নহয়। দশক বিহীন কুত্তা যেনÛহাড় চোবাইবাক

নেপাৰয়ûজিহ্বা লড়বড় কৰি মাত্ৰ চেলকয়।।[৫]

*গণদেৱতা, পঞ্চগ্ৰামতো* আধ্যাত্মিক দিশবোৰে বৰ সততে দেখা যায়। চণ্ডীমণ্ডপৰ প্ৰতি মানুহৰ থকা ধৰ্মীয় বিশ্বাস আৰু স্বচ্ছ ধাৰণাৰ বাবে যুগে যুগে চণ্ডীমণ্ডপ মানুহৰ ঈশ্বৰসেৱা কৰাৰ পৱিত্ৰ স্থানৰূপে চিহ্নিত হৈ আহিছে। ভাৰতীয় দৰ্শনৰ অনন্য দেৱতা শিৱ, দূৰ্গা, লক্ষ্মীৰ বৰ্ণনাইও উপন্যাসৰ বাট আধ্যাত্মিক দিশেৰে সমুজ্জ্বল হৈছে। সেয়া পাঁও এনেদৰে—

> ভাগৱত আমাৰ ভাল লাগে। আমাৰ শশী যেদিন মারা যায় সেদিন ভাগৱত থেকেই সান্ত্বনা পেয়েছিলাম। তাই তোমাকে আজ বলতে এসেছিলাম ভাগৱতী লীলার একটি গল্প।[৬]
>
> এই কথাখিনি ন্যায়ৰত্ন মহাশয়ের।

■Ã *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসত মানুহৰ নৈতিক চৰিত্ৰৰ অধঃপতনৰ কথা বতৰাই তীৰ্যক ৰূপ ধাৰণ কৰিছে। ক্ষমতা আৰু ধনৰ বাবে মানুহে মানুহক হত্যা কৰা, প্ৰবঞ্চনা কৰাৰ কথাবস্তু দুয়োখন উপন্যাসত অতি সুষম গতিত প্ৰকাশিত হৈছে—

> ভোগৰাম ঠিকা কৰি ভালেমান টকাৰ মালিক হ'ল যদিও তাৰ টকাৰ চিন্তা বেছি হ'বলৈহে ধৰিলে। ধন আকলুৱা মনটো পিশাচ হৈ পৰিল। মাতৃৰ মৃত্যু আৰু ভনীয়েকৰ দুৰ্ভাগ্যই কিছুদিনলৈ তাৰ মনটো দমাই ৰাখিছিল। হয়তো সাময়িকভাৱে টকা-পইচা ঘটা সকলো অসাৰ বুলি ভাবিছিল। কিন্তু আজিকালি তাৰ প্ৰধান লগৰীয়া হ'ল কিছুমান চহৰৰ মানুহ — কৰ্পূৰ ছাঁদ, ষ্টোডী, ৰামবিলাস পাছৱান, মনৎ ফুকন আদি। আটাইকেইটা চহৰৰ বিখ্যাত ধনী মানুহ। সিহঁতে ভোগৰামক বেছি বেয়া কৰিলে।[৭]

আনহাতে *গণদেৱতা পঞ্চগ্ৰাম* উপন্যাসতো নীতি-আদৰ্শ স্খলিত কৰি বিষয়বস্তু অনুসাৰে পৰিৱেশ পটভূমিক ৰূপ দিবলৈ যাওঁতে ঠাই বিশেষে নীতি আৰু আদৰ্শক জলাঞ্জলি দিয়াৰ মানুহৰ বিধি ব্যৱস্থা প্ৰকট হৈ উঠিছে। টকা-পইচাৰ বাবেই ছিৰুপালে যিবোৰ সমাজৰ গৰ্হিত কাম সেইবোৰ কৰি গৈছে। কিন্তু তাৰ আৰ্থিক স্বচ্ছলতাৰ বাবে

গাঁৱৰ মানুহে তাক একো ক'ব নোৱাৰে। এই সংক্ৰান্তত পাওঁ এনেদৰে—

> "অর্থবলে এবং দৈহিক শক্তিতে, ছিৰু যথেচ্ছাচার করিতেছে। শুধু ছিৰু কেন— গ্রামের কেইই কাহাকেও মানে না, সামাজিক আচার-ব্যৱহার সব লোপ পাইতে বসিয়াছে।[৮]

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসৰ বিষয়বস্তুৰ বিভিন্ন ক্ষেত্ৰত সাদৃশ্য থাকিলেও পৰিৱেশ, পটভূমিৰ গভীৰতাৰ ক্ষেত্ৰত কিছু বৈসাদৃশ্যও লক্ষ্য কৰা যায়। *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসৰ যি কাহিনী বিন্যাস সেই কাহিনী বিন্যাসৰ মাজত সামাজিক, অৰ্থনৈতিক আদি বিভিন্ন পটভূমিয়ে গা কৰি উঠিছে। *গঙা চিলনীৰ পাখি* উপন্যাসত বাসন্তী-ধনঞ্জয়ৰ প্ৰেম কাহিনীৰ সমান্তৰালভাৱে সমাজৰ বিভিন্ন ঘটনা-পৰিঘটনাই স্থান লাভ কৰিছে। *পাতাল ভৈৰৱী* উপন্যাসতো প্ৰেম-প্ৰীতিৰে ভৰা পৰিয়ালৰ সামাজিক প্ৰমূল্য, ৰাজনৈতিক অস্থিৰতা, অপৰাধীৰ সমস্যা আদিবোৰক শৈল্পীক ৰূপ দিবলৈ যাওঁতে নায়ক-নায়িকাৰ চিত্ৰণ যথাসম্ভৱ ৰূপত তুলি ধৰিছে।

অন্যহাতে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত সমাজবোধ, ইতিহাসৰ ৰূপদানক ঔপন্যাসিকগৰাকীয়ে শিল্পসন্মতভাৱে অগণন মানুহৰ জীৱন সত্বাক প্ৰতিফলিত কৰি তুলিছে। এনে কৰিবলৈ যাওঁতে ঔপন্যাসিকে কোনো নিৰ্দিষ্ট চৰিত্ৰৰ বিপৰীতে সমগ্ৰ অঞ্চলক উপন্যাসখন নায়কৰ আসনত উপবিষ্ট কৰাইছে। যাৰ ফলত দুয়োখন উপন্যাস ইতিহাসধৰ্মী হৈ পৰিছে। ইয়াতে *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱীৰ* স'তে *গণদেৱতা, পঞ্চগ্ৰামৰ* বিষয়বস্তুৰ বৈসাদৃশ্য পৰিলক্ষিত হৈ উঠিছে।

■ *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসত পঞ্চায়তী ব্যৱস্থা নাই। দুয়োখন উপন্যাসতে উপন্যাসৰ শেষৰ ফাললৈ নিৰ্বাচনৰ জৰিয়তে বিধান সভালৈ এম.এল.এ হৈ যোৱাৰ দুৰ্বাৰ বাসনাত উপন্যাসৰ গতিয়ে তীব্ৰতা লাভ কৰিছে। অন্যহাতে *গণদেৱতা, পঞ্চগ্ৰামত* পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে গ্ৰাম্য স্বৰাজ আৰু উন্নয়নৰ কথা স্পষ্ট হৈছে। অন্যহাতে তাৰাশংকৰ বন্দ্যোপাধ্যায়ে প্ৰত্যক্ষভাৱে ৰাজনীতিৰ স'তে জড়িত হোৱাৰ বাবে তেওঁৰ উপন্যাসত ৰাজনীতিৰ কথাবোৰে সঘনে দেখা যায়। এইক্ষেত্ৰত লক্ষ্মীনন্দন বৰা

ৰাজনীতিৰ স'তে জড়িত নহয়। সেয়ে দুয়োজনৰ মাজত ৰাজনৈতিক দৃষ্টিকোণৰ বৈসাদৃশ্য দেখা যায়।

■ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখি* এই দুয়োখন উপন্যাসত জমিদাৰীত্বৰ কোনো কথা উল্লেখ নাই। অৰ্থাৎ গ্ৰাম্যৰ মানুহৰ হাতত সম্পূৰ্ণ স্বাধীনভাৱে কৃষিভূমিৰ ব্যৱস্থাটো পৰিচালিত ইয়াত কোনো কাৰোৰ দ্বাৰা শোষিত বা নিষ্পেষিত হ'ব লগা হোৱা নাই। অন্যহাতে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত জমিদাৰী তন্ত্ৰই কেনেদৰে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে তাৰ স্পষ্ট আভাষ দেখা গৈছে যে সামন্তৰূপী জমিদাৰসকলে গ্ৰাম্যৰ মানুহৰ মাটিক গ্ৰাস কৰি কৰা শোষণ-শাসনৰ চৰিত্ৰত।

■ *গঙা চিলনীৰ পাখি*ত শিক্ষাগত দিশটোৰ কথা অতি দুখলগা। বিদ্যালয়ৰ কথাও বিৰৰণ শূন্য। মানুহবোৰে পুৰণিকলীয়া বিধি ব্যৱস্থাৰ স'তে জড়িত। পাতাল ভৈৰৱী উপন্যাসত কাহিনীৰ স'তে সংগতি ৰাখি পৰোক্ষভাৱে শিক্ষাগত কিছু দিশৰ কথা উল্লেখ কৰা হৈছে যদিও ই তেনেই নগণ্য। অন্যহাতে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ কাহিনীৰ গতিধাৰাত শৈক্ষিক দিশটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সাধাৰণ গ্ৰাম্যজনতাৰ জীৱনবোধ, জাতীয় চেতনা, নিজস্ব শিল্পসংস্কৃত আৰু দেশৰ স্বাধীনতাক তৰান্বিত কৰিবৰ বাবে শৈক্ষিক দিশটোৱে যে ভূমিকা ল'ব পাৰে তাক উপন্যাসখনত বিশেষভাৱে তুলি ধৰিছে।

■ *পাতাল ভৈৰৱী, গঙা চিলনীৰ পাখিৰ* উপন্যাসত মানুহৰ প্ৰাপ্য মৰ্যাদা অধিকাৰ বিচাৰি কোনো আন্দোলনৰ দ্বাৰা হাঁহাকাৰ পৰিস্থিতি সৃষ্টি কৰিব লগা ব্যৱস্থা হোৱা নাই। প্ৰত্যেকে সমমৰ্যাদাৰে সমাজত জীয়াই থকাৰ ক্ষেত্ৰত বিশেষ অসুবিধাৰ সন্মুখীন হোৱা নাই। অন্যহাতে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত মানুহৰ অধিকাৰ, মৰ্যাদা বিচাৰি কৰা সংগ্ৰাম উপন্যাসৰ প্ৰায়বোৰ পাতে পাতে সবিস্তাৰে বিস্তাৰিত। ইয়াতে দুয়োজন ঔপন্যাসিকৰ উপন্যাসৰ বিষয়বস্তুৰ বৈসাদৃশ্য দেখা যায়।

■ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখিত* ব্যক্তিস্বাৰ্থই কেতিয়াও ভয়াৱহ ৰূপ লোৱা নাই। ব্যক্তিস্বাৰ্থৰ খাতিৰত সামাজিক সমষ্টিগত স্বাৰ্থক কেতিয়াও ধ্বংস কৰাৰ ৰূপ প্ৰকট হোৱা নাই। অন্যহাতে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত ব্যক্তিস্বাৰ্থই অধিক হিংস্ৰৰূপ ধাৰণ কৰি সমাজৰ সমষ্টিগত সত্তাৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াইছে। অৰ্থাৎ ব্যক্তিস্বাৰ্থক প্ৰাধান্য দিবলৈ গৈ হৰিজন বস্তিক জ্বলাই দি হিংস্ৰতাক দ্ৰুত ৰূপত প্ৰকট কৰিছে।

ইয়ে দুয়োজন ঔপন্যাসিকৰ উপন্যাসৰ বৈসাদৃশ্য প্ৰকট কৰিছে। যেনে—এক পাতুর ঘর নয়, পাতুরে ঘরের আগুন ক্রশ বিস্তৃত হইয়া সমস্ত হরিজন পল্লীটাকেই পোড়াইয়া দিল।[৯]

## ৬.৩ চৰিত্ৰ

উপন্যাসৰ বিষয়বস্তু সাৰ্থকভাৱে ৰূপায়িত হৈ উঠে চৰিত্ৰসমূহৰ ক্ৰিয়া-কলাপৰ জৰিয়তে। উপন্যাসৰ পটভূমি চৰিত্ৰৰ জৰিয়তেহে ঔপন্যাসিকে বাস্তৱসন্মত ৰূপত গতিশীলতা প্ৰদান কৰি আগুৱাই নিয়ে। চৰিত্ৰৰ জৰিয়তে ঔপন্যাসিকৰ ভাৱাদৰ্শ, চিন্তা-চেতনা ইত্যাদি শৈল্পিকৰূপত প্ৰতিভাত কৰি তোলে।

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাস কেইখনৰ আটাইকেইটা চৰিত্ৰই বাস্তৱ সমাজৰ পৰা বুটলি আনি উপন্যাসৰ পাতত ৰূপদান কৰিছে। চৰিত্ৰসমূহ বিভিন্ন দোষ-গুণেৰে পৰিবেষ্টিত হৈ ঔপন্যাসিকে লৈ যোৱা ধৰণেৰে নিজকে বিকশাই তুলিছে। মানৱীয় দোষ-গুণেৰে সমৃদ্ধ এই চৰিত্ৰসমূহে দুখন পৃথক সমাজক প্ৰতিনিধিত্ব কৰিছে। সেইবাবে নিৰ্বাচিত উপন্যাসৰ চৰিত্ৰসমূহৰ মাজত ভাৱগত আৰু ৰূপগত দিশত বিভিন্ন সাদৃশ্য আৰু বৈশাদৃশ্য পৰিদৃশ্যমান হয়। যিবোৰে চৰিত্ৰসমূহৰ ভূমিকাক যোগাত্মক আৰু বিয়োগাত্মক ৰূপ প্ৰদান কৰে।

■ লক্ষীনন্দন বৰাৰ *গঙা চিলনীৰ পাখি* উপন্যাসখনত গ্ৰাম্য জীৱনৰ সৰলতাৰে উপস্থাপন কৰা চৰিত্ৰসমূহ অধিক মনোগ্ৰাহী আৰু জীৱন্ত হৈ উঠিছে। *পাতাল ভৈৰৱী* উপন্যাসখনতো গ্ৰাম্য জীৱনৰ সজীৱ পৰসেৰে সংপৃক্ত হৈ থকা যিকেইটা চৰিত্ৰ অংকিত হৈছে সেই আটাইকেইটা চৰিত্ৰই মানৱীয় প্ৰমূল্যবোধৰ স্বাভিমানেৰে সিক্ত লগতে এই ক্ষেত্ৰত গাঁৱৰ জীৱনবোধৰ নিভাঁজ সৰলতা আৰু অকৃত্ৰিমতাৰ ৰং বিদ্যমান। একেদৰে তাৰাশংকৰ বন্দোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম*তো গ্ৰাম্য জীৱনৰ বিৰল সৰলতা আৰু মানুহৰ প্ৰমূল্যৰ ৰঙে উপন্যাসখনক মানৱীয় বিশাল বাৰ্তা বহন কৰাৰ লগতে গ্ৰাম্য জীৱনৰ ছৱিত লিপ্ত থকা— জীৱনবোধ অকৃত্ৰিম ৰূপত তুলি ধৰোতে দেখা গৈছে যে, দুয়োজন ঔপন্যাসিকৰ উপন্যাসত থকা ভালেমান চৰিত্ৰৰ মাজত আমি সাদৃশ্য দেখা পাইছো।

■ *গঙা চিলনীৰ পাখি*ত থকা ধনঞ্জয়ৰ চৰিত্ৰত আমি বিশাল মানৱতাৰ ৰূপৰেখাৰ বৰ্ণনাৰ চিত্ৰণ দেখিছো। তাত ধনঞ্জয়ে চিকিৎসা বিজ্ঞানৰ কোনো আনুষ্ঠানিক শিক্ষা লাভ নকৰাকৈয়ে পাভচিলা আৰু ইয়াৰ নিকটৱৰ্তী অঞ্চলত বিভিন্ন ৰোগৰ চিকিৎসা কৰিছে। ধনঞ্জয়ৰ বিষয়ে সেই অঞ্চলৰ মানুহে তাৰ ঠিকনা-পৰিচয় নাজানে। মানুহখিনিৰ বাবে সিও অচিনাকি। তথাপি অনানুষ্ঠানিক চিকিৎসা বিদ্যা শিকি নিঃস্বাৰ্থভাৱে ৰাইজক কৰা সেৱাই এক বিৰল জীৱনবোধক প্ৰতিনিধিত্ব কৰিছে।

ঠিক একেদৰে জগন (জগন্নাথ ঘোষ) ডাক্তৰৰ চৰিত্ৰ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত জিলিকিছে— মানৱীয় বিশাল গুণেৰে। জগন ডাক্তৰো চিকিৎসা বিজ্ঞানৰ কোনো আনুষ্ঠানিক শিক্ষা নাছিল। অনানুষ্ঠানিক শিক্ষাৰে উপন্যাসত বৰ্ণিত বংগৰ গ্ৰাম্য জীৱনৰ মাজত দেখা দিয়া ৰোগৰ নিৰাময়ৰ বাবে কৰা সেৱা মনকৰিবলগীয়া। *গণদেৱতাত* পাঁও এনেদৰে—ডাক্তৰ কোথাও পড়িয়া পাস করে নাই, চিকিৎসা বিদ্যা তাহাদে তিন পুৰুষেৰ বংশগত বিদ্যা।[১০]

■ *গঙাচিলনীৰ পাখি*ত ভোগৰামৰ চৰিত্ৰত সাংঘাটিকভাৱে নৈতিক চৰিত্ৰৰ অধঃপতন ঘটিছে। সেয়া হৈছে কেৱল ধন ঘটাৰ বাবে। ধনৰ বিনিময়ত ভোগৰামৰ গাঁৱৰ সাধাৰণ মানুহৰ স'তে থকা সম্পৰ্ক ক্ৰমশঃ নোহোৱা হৈ আহিছে। অৰ্থৰ অহংকাৰত ভোগৰামৰ

জীৱনৰ গতি ব্যাপক ৰূপত সলনি হৈছে।

ঠিক একেদৰে *গণদেৱতা, পঞ্চগ্ৰাম*তো ছিৰুপালে ক্ৰমান্বয়ে জমিদাৰিত্বৰ পৰিসীমা বঢ়াই নি এক সামন্ত চৰিত্ৰৰ ৰূপ পৰিগ্ৰহ কৰিছে আৰু মানুহৰ মাজত তাৰ সম্পৰ্ক বিচ্ছিন্ন হৈ পৰিছে। কেৱল টকা-পইচা, সম্পত্তি, ভূমিৰ প্ৰতি লালায়িত হৈ ব্যাপক ধন আৰ্জি সি মানৱীয় গুণবোৰ হেৰুৱাই পেলায়। ছিৰুপাল আৰু ভোগৰামৰ চৰিত্ৰৰ জৰিয়তে দুয়োখন উপন্যাসত আমি চৰিত্ৰ দুটিৰ সাদৃশ্য দেখা পাওঁ।

■ *গঙা চিলনীৰ পাখি*ত ধনঞ্জয়ৰ চৰিত্ৰত দয়া, ক্ষমা, মানৱতা, উদাৰতাৰ দ্বাৰা মানুহৰ পৃথিৱীৰ জীৱনদৰ্শনৰ বিৰল বাট দেখা যায়। বিপদত পৰা মানুহক বিশেষকৈ ৰোগে মানুহক আৱৰি লোৱাৰ বেলিকা ধনঞ্জয়ৰ বিৰামহীন চিকিৎসা সেৱাত এক নজীৰবিহীন মানৱতাৰ চৰিত্ৰ ফুটি উঠিছে।

■ *পাতাল ভৈৰৱী* উপন্যাসতো মুকুন্দৰ চৰিত্ৰ এক বিশেষ মানৱীয় উদাৰ ভূমিকাত অৱতীৰ্ণ হৈছে। যদিও মুকুন্দ এক ক'লা জগতৰ চোৰাং ব্যৱসায়ীৰ লগত জড়িত তথাপি কিন্তু কোনো দিনেই মুকুন্দৰ জীৱনৰ পৰা মানৱীয় প্ৰমূল্যবোধ নিঃশেষ হোৱা নাছিল। কান্ধুলিজান আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত হোৱা ভয়ানক বানপানীৰ কবলত পৰি মানুহৰ যি দুৰ্দশা সেই সময়ত মুকুন্দই কৰা সেৱাৰ বৰ মননশীল। অন্যহাতে মুকুন্দই কান্ধুলিজান অঞ্চলত কৰা সামাজিক কাম-কাজ, বাট-পথ, দলং, স্কুল, হাস্পতাল নিৰ্মাণ আদি কামবোৰে মুকুন্দৰ জীৱনৰ বিৰল মানৱতা আৰু মানৱীয় প্ৰমূল্যক ভাস্বত কৰিছে।

ঠিক একেদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত দেৱনাথ ঘোষ ওৰফে দেবুৰ চৰিত্ৰত ফুটি উঠিছে— বিশাল পৰোপকাৰীতা। মানুহক সহায় কৰাৰ বিৰল দৃষ্টান্ত। দেবুৰ জীৱন দৰ্শনত ৰপ্ত আছে অহিংসা আৰু ন্যায়ৰ ৰূপ। গান্ধীবাদী ভাৱধাৰাৰে উজীৱিত দেবুয়ে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতাৰ দ্বাৰা সমাজ গঢ়াৰ কামত নিজকে বিলীন কৰিছিল। সততাবোধে প্ৰয়োজনতকৈ উচ্চ পৰ্যায়ত নি তাক প্ৰতিষ্ঠা কৰিছে। সকলোকে সমমৰ্যাদা দি সমভাৱে সমাজক আগুৱাই নিয়াতো তাৰ ব্ৰত। দুখীয়া দৰিদ্ৰৰ বাবে তাৰ কান্দোন আছিল তীব্ৰ। কেওখন উপন্যাসত ধনঞ্জয়, মুকুন্দ আৰু দেবুৰ চৰিত্ৰৰ দ্বাৰা আমি এইবোৰ

চৰিত্ৰৰ সাদৃশ্য দেখা পাওঁ।

■ আলোচিত উপন্যাস কেইখনত প্ৰগতিবাদী ভাৰতীয় নাৰী চৰিত্ৰ অংকিত হৈছে। *গঙা চিলনীৰ পাখিত* বাসন্তীৰ চৰিত্ৰত বিধৱা হিন্দু নাৰী এগৰাকীয়ে দেখুওৱা সততা বিদ্যমান হৈ আছিল— স্বামী মথুৰাৰ মৃত্যুৰ কিছু দিনলৈকে। কিন্তু পিছতো তাইৰ বুকুত পুনৰ হেৰোৱা প্ৰেম জাগে। ধনঞ্জয়ৰ প্ৰতি অন্তৰাত্মাত জাগ্ৰত প্ৰেমে তাইক বিবাহৰ পুনৰ বাবে প্ৰবল ইচ্ছা স'তে একাত্ম কৰে। বাসন্তীয়ে হেৰোৱা প্ৰেম ঘূৰাই পাবলৈ দেখুওৱা সাহসী প্ৰচেষ্টা মন কৰিবলগীয়া।

সেইদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত বৰ্ণিত পদ্মাৰ চৰিত্ৰটো উল্লেখযোগ্য। পদ্মা এক সাহসী সত্বাৰূপে চিহ্নিত। ঔপন্যাসিকৰ দৰে ক'ব পাৰি যে— 'নতুন স্বাধীন জীৱন ধৰ্মান্তৰিত এক শিক্ষিত মহিলাৰ একান্ত সাৰ্থকতাই যেন প্ৰাণ পাইছে। পদ্মাৰ সাহস আৰু বাসন্তীয়ে হিন্দু নাৰীৰ দৰ্শনৰ গৰ্ভেৰে হেৰোৱা প্ৰেম পাবলৈ কৰা বাসনাৰ সাহসিকতাৰ মাজেৰে আলোচিত উপন্যাসত আমি দুই চৰিত্ৰৰ সাদৃশ্য দেখা পাওঁ।

■ আলোচিত উপন্যাস *পাতাল ভৈৰৱীত* বৰ্ণিত যশোৰাৰ জীৱনৰ বৰ্ণনা বৰ চমকপ্ৰদ। মুকুন্দৰ ক'লা সাম্ৰাজ্য আৰু চোৰাং ব্যৱসায়ীৰ বিষয়ে জানিও সেইবোৰৰ বিষয়ে বিশেষ প্ৰতিবাদ কৰা নাই। যশোৰা ধাৰ্মিক, পতিব্ৰতা, দয়াশীলা, মমতাময়ী, সততা-উদাৰতাৰ প্ৰতীক।

সেইদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত স্বৰ্ণৰ চৰিত্ৰৰ মাজত আছে দয়া, পৰোপকাৰ, ধৰ্মীয় সহিষ্ণুতা ইত্যাদি। তাই দেবুক ভাল পায়, কিন্তু কোনো কামনা, বাসনা, দৈহিক মিলনৰ আসক্তি নাছিল। আনহাতে দেৱনাথ ঘোষৰ পত্নী বেলিৰ চৰিত্ৰৰ মাজত নিহিত আছে— দয়াশীলা, মমতাময়ী, পতিব্ৰতা নাৰীৰ গুণ। পৰিয়াল পোহপালৰ সমস্ত দায়িত্ব মূৰ পাতি লোৱা বেলি ধৰ্মীয় দিশৰ পূৰঠ দৃষ্টিভংগী, কপতাহীন আৰু সাংস্কৃতিক মনৰ অধিকাৰী বুদ্ধিদীপ্ত মগজুৰ গৰাকী বেলিয়ে কেতিয়াও দেবুক সাংসাৰিক দায়িত্বৰ বাবে অযথা সমস্যা নিদিয়ে। মুকুন্দৰ জীৱনৰ অস্থিৰতাৰ সময়ত যশোৰাই কিদৰে ঘোষা গাই মুকুন্দক শান্ত্বনা আৰু ন্যায়ৰ পৰ্ব আনিবলৈ যতন কৰিছিল তেনেদৰে বেলিয়েও

দেবুক বিভিন্ন ধৰণৰ ব্ৰত কথা ব্যাখ্যা কৰি দেবুৰ মানসিক সন্তুলন সঠিক ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। আলোচিত উপন্যাসত বেলি, যশোৱা,স্বৰ্ণৰ চৰিত্ৰৰ মাজত আমি সাদৃশ্য দেখা পাঁও।

■ *পাতাল ভৈৰৱীৰ* মাজত বৰ্ণিত অৱন্তী বুঢ়ীৰ জীৱনচৰ্যাত ৰপ্ত প্ৰাচীন চিন্তাধাৰা, পৰম্পৰাগত ৰীতি-নীতি, লোকবিশ্বাস, প্ৰকৃতি বিশ্বাসৰ প্ৰতি থকা গভীৰ ধ্যান-ধাৰণাই অৱন্তী বুঢ়ীৰ জৰিয়তে হোৱা কান্ধুলিজানৰ প্ৰাকৃতিক দুৰ্যোগৰ বৰ্ণনা শুনা যায়। কান্ধুলিজানলৈ বিয়া হৈ অহাৰ পিছত অৱন্তী বুঢ়ীয়ে মনে-প্ৰাণে কান্ধুলিজানৰ হৈ পৰিছে। কোনোদিনে তাই কান্ধুলিজান এৰি যোৱা নাই।

একেদৰে *গণদেৱতা, পঞ্চগ্ৰামত* ভাৰেগাগ্ৰিণী আইতাও চণ্ডীমণ্ডপ এৰি বা গাঁও এৰি ক'লৈকো যোৱা নাই। ভাৰেগাগ্ৰিণী আইতাৰো পৰজনমৰ প্ৰতি আছে প্ৰচণ্ড বিশ্বাস। এঘাৰ বছৰ বয়সতে ৰাঢ় বাংলাৰ মাটিলৈ আহি ভৰি দিয়াৰ পিছত সমাজৰ পৰম্পৰাৰে একাত্ম হৈ পৰিছে চণ্ডীমণ্ডপৰ স'তে। আলোচিত উপন্যাসত অৱন্তী বুঢ়ী আৰু ভাৰেগাগ্ৰিণীৰ চৰিত্ৰক উপন্যাসিকে দেখুওৱা বৰ্ণনাৰ মাজত সাদৃশ্য দেখা যায়।

■ *গঙা চিলনীৰ পাখিত* ভোগৰামৰ সুবিধাবাদী চৰিত্ৰই পৰিৱৰ্তিত আধুনিকতাবাদী সমাজৰ মাজত হেৰাই গৈছে। পৰিৱৰ্তনক সি ব্যক্তিগত আশা-অভিলাষ পূৰণৰ মানদণ্ডৰূপে গ্ৰহণ কৰি গ্ৰাম্য জনতাৰ আশা-আকাংক্ষাৰ প্ৰতি পিঠি দিছে।

*গণদেৱতা, পঞ্চগ্ৰামত* অনিৰুদ্ধ আৰু গিৰিশ সূতাৰ আদিয়ে গাঁৱৰ চাৰিসীমাৰ ভিতৰত থাকি কম ধন উপাৰ্জন হোৱাত চহৰমুখী হৈ উপাৰ্জন বৃদ্ধি হোৱাত সিহঁতৰ মনতো লোভ-লালসা বাঢ়ি গ'ল। কিন্তু ভোগৰামৰ দৰে অৰ্থ ঘটিব নোৱাৰিলেও সিহঁতে যিদৰে ধন ঘটিছে সেয়াই সিহঁতৰ লালসাৰ কবলত ক্ৰমশঃ ব্যক্তিকেন্দ্ৰীক চৰিত্ৰলৈ ৰূপান্তৰিত কৰিছে।

দুখন সমাজ, দুটা পটভূমিত, সমস্যাত ভিন্ন হোৱা সত্বেও আলোচিত উপন্যাসত এই চৰিত্ৰসমূহে সুবিধাবাদী শ্ৰেণীটোকে প্ৰতিনিধিত্ব কৰিছে। সেয়ে এই চৰিত্ৰসমূহৰ

মাজেদি আমি চৰিত্ৰসমূহৰ সাদৃশ্য দেখা পাওঁ।

■ *পাতাল ভৈৰৱী*ৰ বৰ্ণিত অনুপ কলিতাৰ চৰিত্ৰত যি মানৱীয়তাৰ গুণৰ মাজত গাঁৱৰ দুখীয়া মানুহ তথা কান্ধুলিজান অঞ্চলৰ উন্নয়নৰ চৰিত্ৰই গা কৰি উঠিছে তাতেই ফুকনৰ প্ৰগতিবাদী দৃষ্টিভংগী আৰু সমাজ উন্নয়নৰ ৰঙে ব্যাপকতা লাভ কৰে।

*গণদেৱতা ,পঞ্চগ্ৰাম*তো যতীনে কম দিনৰ বাবে হ'লেও চণ্ডীমণ্ডপলৈ আহি গাঁৱৰ মানুহৰ মাজত সমস্যা দূৰীকৰণৰ কাম কৰিছে। যতীনে জমিদাৰীৰ কবলৰ পৰা গ্ৰাম্যৰ মানুহক মুক্ত কৰাৰ বাবে প্ৰগতিবাদী মনোভাৱৰ কাম-কাজত ৰপ্ত হয়। নজৰবন্দী হৈ থাকিও যতীনে বেলেগ এখন গাঁৱৰ মানুহৰ বাবে যিখিনি কৰিছিল সেয়া অতুলনীয়। আলোচিত উপন্যাসত এই দুটা চৰিত্ৰৰ মাজত থকা সাদৃশ্যই আলোচিত উপন্যাসক ৰসপাঠ্য কৰিছে।

*গঙাচিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাস দুখনত গ্ৰাম্য সমাজৰ কৃষি ব্যৱস্থা, কৃষিৰ সমস্যা আৰু সৰহসংখ্যক মানুহৰ কৃষিক কেন্দ্ৰ কৰি জীৱিকা নিৰ্বাহৰ বিৰল বৰ্ণনা আছে। এই কৃষি ব্যৱস্থাৰ লগত জড়িত চৰিত্ৰসমূহ গ্ৰাম্য জীৱনৰ অভিধা।

ঠিক সেইদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো গ্ৰাম্য জীৱনৰ কৃষিকেন্দ্ৰীক পটভূমিত গঢ় লৈ উঠা বিবিধ চৰিত্ৰৰ সমাৱেশ ঘটিছে। ইয়াতো কৃষিৰ লগত জড়িত চৰিত্ৰবোৰ সমস্যা, কৃষিকেন্দ্ৰীক জীৱনবোধৰ অনন্য ৰূপ ভাস্বত।

■ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত গ্ৰাম্যজীৱনৰ কৃষি ব্যৱস্থাত জমিদাৰীত্বৰ ব্যাপক বিধি-বিধানৰ লগত জড়িত ভালেমান চৰিত্ৰ পাওঁ। এই শ্ৰেণীৰ চৰিত্ৰক প্ৰতিনিধিত্ব কৰে ছিৰুপালৰ দৰে লালসা, ভোগবাদী, সামন্ত চিন্তাত আচ্ছন্ন চৰিত্ৰসমূহে। ছিৰুপালে ব্যক্তিকেন্দ্ৰীক চৰিত্ৰক অগ্ৰাধিকাৰ দি দুখীয়া কৃষকৰ চৰিত্ৰৰ পৰা কৃষিভূমি কাঢ়ি নিজে নোদোকা হোৱাৰ ৰূপ চৰিত্ৰত জিলিকিছে।

*গঙাচিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱীত গণদেৱতা, পঞ্চগ্ৰাম*ৰ দৰে কোনো জমিদাৰীত্বৰ চৰিত্ৰৰ অৱতাৰণা নাই বাবেই উপন্যাস দুখনত জমিদাৰী ব্যৱস্থাত আচ্ছন্ন চৰিত্ৰৰ উপস্থিতি দেখা নাযায়। কিন্তু *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত কোনো ক'লা বজাৰত

জড়িত চৰিত্ৰৰ সমাৱেশ নাই। আলোচিত উপন্যাসৰ চৰিত্ৰসমূহৰ মাজত অনেক বৈশাদৃশ্যই উপন্যাসখনক গতি দিছে।

■ *গঙাচিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসত প্ৰত্যক্ষ ৰাজনীতি, নিৰ্বাচন আৰু ৰাজনৈতিক ভণ্ডামিৰ চৰিত্ৰই বিশেষ ৰূপ পৰিগ্ৰহ কৰিছে। উদাহৰণ হিচাবে সুবোধ শইকীয়া আৰু সঞ্জীৱ বৰুৱা চৰিত্ৰ দুটাই *গঙা চিলনীৰ পাখি*ত ৰাজনৈতিক বাতাবৰণ কঢ়িয়াই আনিছে। আনহাতে *পাতাল ভৈৰৱী* উপন্যাসত মুকুন্দ, ভেবুৰাম, ভৈৰৱ নেওগৰ দৰে অনেক চৰিত্ৰই *পাতাল ভৈৰৱী*ত ৰাজনৈতিক বতাহ কঢ়িয়াই সমাজ ব্যৱস্থাক কলুষিত কৰিছে। কিন্তু *গণদেৱতা, পঞ্চগ্ৰাম*ত তেনে ৰাজনৈতিক প্ৰত্যক্ষ চৰিত্ৰৰ সমাৱেশ নাই। যাৰ বাবে তেনে ধৰণৰ চৰিত্ৰৰ অৱকাশ *গণদেৱতা, পঞ্চগ্ৰাম*ত দেখা নাই।

■ আলোচিত উপন্যাসকেইখনত মুকুন্দৰ চৰিত্ৰত এক অনন্য ৰূপ দেখা যায়। মুকুন্দক ৰাজনৈতিক ষড়যন্ত্ৰে ভেবুৰামৰ হত্যাকাৰী বুলি সমস্ত দোষ জাপি দি গ্ৰেপ্তাৰ কৰা, থানা হাজোতত ৰখাৰ কথাৰে মুকুন্দৰ চৰিত্ৰৰ বিৰল দিশ এটাক প্ৰতিনিধিত্ব কৰিছে। ৰাজনৈতিক পথাৰত খোজ পেলাবলৈ সি পূৰ্বৰে পৰা অনিচ্ছুক আছিল। ৰাজনীতিৰ পচিযোৱা দৃশ্যসজ্জাৰ প্ৰতি তাৰ বিৰাগ উপজিছিল। সেয়ে তাৰ প্ৰতিবাদ দেখা নগ'ল।

ঠিক সেইদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত বৰ্ণিত অনিৰুদ্ধৰ চৰিত্ৰত জেললৈ যোৱা দৃশ্যত ৰপ্ত আছে তাৰ প্ৰতিবাদ। অনিৰুদ্ধৰ জীৱন ক্ৰোধ, বিদ্ৰোহেৰে ভৰা। সাহসী আৰু প্ৰতিবাদী সত্বাৰে সমুজ্জ্বল। নানা অন্যায়ৰ প্ৰতিবাদ তাৰ জীৱনৰ অনন্য অংগ হৈ পৰে। সেয়ে আলোচিত উপন্যাসত মুকুন্দ আৰু অনিৰুদ্ধৰ চৰিত্ৰৰ মাজেৰে বৈসাদৃশ্য দেখা যায়।

■ *গঙা চিলনীৰ পাখি*ত বাসন্তী আৰু ধনঞ্জয়ৰ প্ৰেমৰ মাজেৰে কাহিনীক গতি প্ৰদান কৰোতে তেওঁলোকৰ মাজত গঢ়ি উঠা ৰোমাণ্টিক প্ৰেমৰ সূচনা কৰিবলৈ যাওঁতে চৰিত্ৰ দুটাত ৰোমাণ্টিকতাৰ পৰশেৰে নিটোল হৈ পৰিছে।

কিন্তু *গণদেৱতা, পঞ্চগ্ৰাম*ত প্ৰেমক কেন্দ্ৰ কৰি চৰিত্ৰদ্বাৰা উপন্যাসৰ কাহিনীক গতি দিয়া দেখা নাযায়। অৰ্থাৎ ৰোমাণ্টিক প্ৰেমৰ চৰিত্ৰ উপন্যাসত অনুপস্থিত।

■ *পাতাল ভৈৰৱী* উপন্যাসত চোৰাং বজাৰৰ বৰ্ণনাত মানুহে মানুহক হত্যা কৰাৰ দৰে চৰিত্ৰৰ ব্যাপক উপস্থিতি মন কৰিবলগীয়া। উপন্যাসখনৰ চৰিত্ৰবোৰৰ মাজত ব্যাপক সন্দেহ, অবিশ্বাস ভাব বিৰাজমান হোৱাটোৱে নতুন মাত্ৰা দিছে উপন্যাসক। কিন্তু *গণদেৱতাত* চোৰাং বজাৰৰ কাৰবাৰক লৈ কোনো হত্যাকাণ্ড হোৱাৰ চৰিত্ৰৰ উপস্থিতি দেখা পোৱা নাযায়।

৬.৪ **সমাজ ভাৱনা ঃ**

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ আলোচিত আটাইকেইখন উপন্যাসত ভাৰতীয় সমাজ জীৱনৰ বিভিন্ন দিশ উন্মোচিত হৈছে। যদিওবা দুয়োগৰাকী উপন্যাসিকে দুখন পৃথক সমাজক প্ৰতিনিধিত্ব কৰিছে তথাপি দুয়োজন ঔপন্যাসিকৰ ৰচনাৰ মাজত সমাজ জীৱনৰ বিভিন্ন সাদৃশ্য আৰু বৈসাদৃশ্যই উপন্যাসকেইখনক গতিময়তা প্ৰদানত ব্যাপক ভূমিকা প্ৰদান কৰি আছে।

■ অসমীয়া গ্ৰাম্য সমাজৰ পৰিয়ালৰ ধ্যান-ধাৰণাত ৰপ্ত মিলাপ্ৰীতি, ভাতৃত্ববোধ, দ্বন্দ্ব, হাইকাজিয়া, সুখ-শান্তি, অশান্তি আদি বিচিত্ৰ ৰূপৰ পৰিভাষা। *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসত এনে গ্ৰাম্য জীৱনৰ পৰিয়ালৰ জীৱন গাঁথা চকুত লগা। ঠিক সেইদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো বংগৰ গ্ৰাম্য জীৱনৰ পৰিয়ালৰ জীৱনগাঁথাৰ অনন্য ছবি দেখা যায়. ঔপন্যাসিক তাৰাশংকৰ নিজে গ্ৰাম্য জীৱনৰ পৰা অহাৰ বাবে এনে পৰিয়ালৰ বাংময় জীৱন যাত্ৰাই উপন্যাসখনক বলিষ্ঠৰূপত মাত্ৰা দিছে। লক্ষ্মীনন্দন বৰাও গ্ৰাম্য জীৱনৰ পৰিয়ালৰ মাজৰ হেতু দুয়োজন ঔপন্যাসিকৰ উপন্যাসত গ্ৰাম্য পৰিয়ালৰ সাদৃশ্য বিৰল বিদ্যমান।

■ *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসত গ্ৰাম্য জীৱনক কেন্দ্ৰ কৰি জীয়াই থকা ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলে যি ক্ষুদ্ৰ ব্যৱসায়ী কৰি আছিল—তাত পৰিৱৰ্তিত পৰিস্থিতিত যেতিয়া সমাজৰ মাজলৈ ডাঙৰ ডাঙৰ ব্যৱসায়ী আৰু উদ্যোগপতিৰ ব্যৱসায়ে গা কৰি উঠিল তেতিয়াই ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ জীৱনলৈ অৰ্থনৈতিক দুৰ্যোগ নামি

আহিল।

ঠিক সেইদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো বংগৰ ৰাঢ় অঞ্চলৰ গ্ৰাম্য সমাজত ক্ষুদ্ৰ ব্যৱসায় কৰি জীয়াই থকা সকলৰো ব্যৱসায়ী জীৱনত বৃহৎ ব্যৱসায়ীৰ প্ৰৱেশে অৰ্থনৈতিক সকাহ পাবলৈ অনেক লোকে ৰাঢ় অঞ্চল এৰি কলকতা আদিলৈ ঢাপলি মেলিছে। দুয়োজন ঔপন্যাসিকৰ এনে সাদৃশ্যৰ বৰ্ণনাই আলোচিত নিৰ্বাচিত উপন্যাসকেইখনক ৰসোতীৰ্ণ কৰি তুলিছে।

■ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখি*ত এনে এটা বিধি ব্যৱস্থাই গা কৰি আছে যে, সমাজত যাৰ টকা-পইচা আছে সিয়েহে সমাজত প্ৰতিপত্তি লাভ কৰিছে। অৰ্থাৎ অৰ্থই সমাজত ব্যক্তিৰ স্থান নিৰ্ণয় কৰাৰ ভূমিকা লৈছে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো অৰ্থৰ দোহাই দি কিছুমান লোকে সমাজত নিজস্বভাৱে পদবী দখল কৰাৰ হাবিয়াস কৰিছে। অৰ্থাৎ মানুহৰ মানৱীয় প্ৰমূল্যক অৰ্থই হেঁচি ৰাখি সমাজৰ ৰূপ বিকলাংগ কৰি সাধাৰণ জনতাৰ চকুত সংশয়ৰ জলবায়ু সিঁচিছে।

■Ã *গঙাচিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসত পৰিশ্ৰমী নাৰীৰ ভূমিকাক প্ৰকট কৰি তোলা হৈছে। এখন ঘৰ বা সংসাৰ পৰিচালনা কৰাৰ ক্ষেত্ৰত নাৰীৰ ভূমিকা শ্ৰম, ধৈৰ্য, সাহসৰ অতুল্য প্ৰকাশ দেখা যায়। উদাহৰণ হিচাবে *পাতাল ভৈৰৱী* উপন্যাসত যশোৱাৰ চৰিত্ৰই ব্যতিক্ৰম ৰূপত ভাৰতীয় নাৰীৰ মৰ্যাদাক প্ৰতিনিধিত্ব কৰিছে। একেদৰে *গঙা চিলনীৰ পাখি*ত তৰুলতা আৰু ভণিতাৰ শ্ৰম আৰু পৰিয়ালৰ প্ৰতি থকা একাগ্ৰতাই এক মাত্ৰা বহন কৰিছে।

ঠিক সেইদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো বংগৰ নাৰী সমাজৰ অতুল্য ভাৰতীয় নাৰীৰ দৰ্শন বহন কৰাৰ নজীৰ পাওঁ। এই ক্ষেত্ৰত দেৱনাথৰ পত্নী বেলিৰ পৰিয়ালৰ প্ৰতি দেখুওৱা দায়িত্ববোধ, কৰ্তব্যপৰায়ণতাই ৰূপ প্ৰদান কৰিছে। সেয়ে দুয়োজন ঔপন্যাসিকৰ নিৰ্বাচিত আলোচিত উপন্যাসত নাৰী শ্ৰম, কৰ্তব্যপৰায়ণতাই সমাজৰ নৱৰূপ দিব পাৰিছে। ইয়ে দুয়োজনৰ নিৰ্বাচিত উপন্যাসত নাৰী চৰিত্ৰৰ সাদৃশ্য দেখা পাওঁ।

■ লক্ষ্মীনন্দন বৰাই *গঙা চিলনীৰ পাখিত* উচ্ছৃংখল জীৱন যাপন কৰা নাৰীৰ চৰিত্ৰক সমাজ জীৱনত প্ৰত্যক্ষভাৱে দেখুওৱা নাই। সেয়া যি বৰ্ণনা তাত নাৰীৰ উচ্ছৃংখল ৰূপৰ পৰোক্ষ বৰ্ণনাহে আছে। কিন্তু *পাতাল ভৈৰৱী* উপন্যাসত প্ৰত্যক্ষ আৰু পৰোক্ষ এই দুয়োটাই নাৰীৰ উচ্ছৃংখল জীৱনৰ গতিবেগ ব্যাপক ৰূপত দেখা পাওঁ। উদাহৰণ স্বৰূপে ভানু শৰ্মা, মণিকা, ৰেণু বেগমৰ উচ্ছৃংখল জীৱন গাঁথাই সমাজত ব্যাপক কু-প্ৰভাৱ পেলাইছে।

এইদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো তাৰাশংকৰ বন্দ্যোপাধ্যায়ে দুৰ্গা আৰু পদ্মৰ উচ্ছৃংখল নাৰীৰ জীৱন চৰিত্ৰক বৰ্ণনা কৰোঁতে উপন্যাসৰ মাজত সমাজত পৰিব পৰা কুপ্ৰভাৱো তুলি ধৰিছে। অৰ্থাৎ দুয়োজন ঔপন্যাসিকৰ নিৰ্বাচিত আলোচিত উপন্যাসত নাৰীৰ এনে চৰিত্ৰৰ সাদৃশ্য দেখা পাওঁ।

■ *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসত লক্ষ্মীনন্দন বৰাই গ্ৰাম্য জীৱনৰ মানুহৰ জীৱিকাৰ অৰ্থনৈতিক দীনতাক প্ৰকট কৰিছে। অৰ্থাৎ গ্ৰাম্য মানুহৰ জীৱিকা— সেইয়া লাগে ক্ষুদ্ৰ উদ্যোগেই হওক বা কৃষিয়েই হওক তাৰ মাজেদি মানুহৰ জীৱনৰ অৱলম্বনত থকা অৰ্থনৈতিক অৱস্থাৰ পয়ালগা ছবিয়ে মানুহৰ জীয়াই থকাৰ মানদণ্ডক দুখ লগাকৈ বৰ্ণনা কৰিছে।

একেদৰে— *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো তাৰাশংকৰ বন্দ্যোপাধ্যায়ে কৃষি আৰু অন্য উপায়ে জীৱন নিৰ্বাহ কৰা বংগৰ ৰাঢ় অঞ্চলৰ মানুহৰ অৰ্থনৈতিক পংগুত্বক তুলি ধৰিছে। অথাৎ গ্ৰাম্য জীৱনত বিজ্ঞানৰ ন আৱিষ্কাৰৰ পৰা বঞ্চিত মানুহৰ অৰ্থনৈতিক দুৰ্বলতাই এখন ভয়ংকৰ দৰিদ্ৰতাত নিমগ্ন মানুহক প্ৰতিনিধিত্ব কৰিছে। দুয়োগৰাকী ঔপন্যাসিকৰ উপন্যাসত গ্ৰাম্য জীৱনৰ মানুহৰ পয়াঁলগা অৰ্থনৈতিক দৃশ্যসজ্জাই প্ৰকট ৰূপ ধাৰণ কৰা দেখা গৈছে।

■ *গঙা চিলনীৰ পাখিত* বৰ্ণিত সমাজখনৰ মানুহৰ মাজত বিস্তাৰিত দুৰ্নীতিয়ে সাধাৰণ সমাজক বিকলাংগ কৰি তুলিছে। ভোগৰাম, মাৰোৱাৰী বণিকসকল সুবোধ শইকীয়াৰ দুৰ্নীতিয়ে সমাজক কোঙা কৰা ছবিৰ দৰে পাতাল ভৈৰৱীতো ক'লা জগতৰ লগত ক'লা ধনৰ ব্যাপক দুৰ্নীতিয়ে মানুহৰ নৈতিক চৰিত্ৰক বিপথে পৰিচালিত কৰিছে। ঈৰ্শ্বাদ খাঁ,

গোলাম আলি, গোনা, দশানন যাদৱ আদিৰ দুৰ্নীতিয়ে সমাজৰ নগ্ন ছবি প্ৰকট কৰি তুলিছে।

একেদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো ঔপন্যাসিক তাৰাশংকৰ বন্দ্যোপাধ্যায়ে বংগৰ ৰাঢ় অঞ্চলৰ মানুহৰ মাজত এচাম মাতব্বৰ মানুহৰ চৰম দুৰ্নীতিয়ে সমাজলৈ কেনেকৈ অশনি সংকেত কঢ়িয়াই আনিছে তাৰ প্ৰাঞ্জল বৰ্ণনাই উপন্যাসখনৰ জৰিয়তে দুৰ্নীতি যে সমাজৰ ব্যাধি সেইয়া দাঙি ধৰিছে।

■ *পাতাল ভৈৰৱী* উপন্যাসত দুখন সমাজৰ ছবি স্পষ্ট। এখন পুৰণি ৰক্ষণশীল আৰু আনখন আধুনিক শিক্ষাৰে সমুজ্জ্বল শিক্ষিত সমাজ। ৰাজনীতিৰ পুৰণি চিন্তা, টকা-পইচা, মদ, মাংস আদি খুৱাই ক্ষমতা দখল কৰাৰ পচিব ধৰা চৰিত্ৰৰ বিপৰীতে আধুনিক ধ্যানক সাৰোগত কৰি শিক্ষিত আৰু নৈতিক চৰিত্ৰৰ সবল ৰূপ দিয়া দেখা যায়। মুকুন্দ, অনুপ কলিতাৰ ৰাইজৰ প্ৰতি থকা ধাৰণাৰ আধুনিক ৰূপ লোৱাৰ বিপৰীতে দশানন যাদৱ অৱন্তী বুঢ়ীৰ প্ৰাচীন পৰম্পৰাগত চেতনাক তুলি ধৰিছে।

*গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত পুৰণি আৰু নতুন সমাজৰ সংঘাত তীব্ৰ ৰূপত দেখা যায়। *গণদেৱতাত* নতুন প্ৰজন্মই পুৰণি যি ৰীতি-নীতিৰ সংস্কাৰ তাৰ প্ৰতি উদাসীন। আনকি চণ্ডী মণ্ডপৰ পৰা পুৰণি মানুহৰ যি সন্মান আৰু নৈতিকতাবোধ সেয়া চণ্ডীমণ্ডপৰ সমুখেৰে গ'লে নতুন প্ৰজন্মই সেৱা কৰাটো দূৰৰে কথা চাবলৈও কুণ্ঠাবোধ কৰা হয়। সমাজ ব্যৱস্থাৰ এই দ্বন্দ্ব, নতুন-পুৰণিৰ মাজৰ সংঘাত দুয়োজন ঔপন্যাসিকৰ আলোচিত উপন্যাসত বিদ্যমান।

■ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখিত* পুৰুষপ্ৰধান জীৱনৰ সমাজক ব্যাপক ৰূপত তুলি ধৰা হৈছে। নাৰীৰ কথা বা যুক্তি জীৱনৰ মূল্য নথকা হৈ যায়। সৰু সৰু কথাতে নাৰীৰ প্ৰতি কৰা শাৰীৰিক অত্যাচাৰ, গালি-গালাজ আদি যেন পুৰুষৰ বাবে তেনেই সৰু বিষয়। বাসন্তীৰ বিবাহৰ ক্ষেত্ৰত নাৰীৰ মতামতক কোনো গুৰুত্ব নিদিয়াটো মন কৰিবলগীয়া। দেউতা আৰু বছিৰৰ দ্বাৰা মুকুন্দক *পাতাল ভৈৰৱীত* কোৱা হৈছে— মাইকী মানুহৰ কথাত যদি গুৰুত্ব দিয়া হয় তেনেহ'লে জহন্নামে যাব লাগিব।[11]

*গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো নাৰীৰ প্ৰতি পুৰুষৰ দমনমূলক চৰিত্ৰৰ প্ৰকোপ বিদ্যমান। অনিৰুদ্ধ কুমাৰ আৰু পাতুৰ চৰিত্ৰত নাৰীক সন্মান নিদিয়াটো নাৰীৰ মতক অমান্য কৰাটো পৰিলক্ষিত হৈছে।

■ অসমীয়া সমাজত নামঘৰৰ ভূমিকাই বৈষ্ণৱ-জীৱনৰ বিনয়ী ৰূপ প্ৰকাশি আছে। ঘোষা, কীৰ্তনৰ পাঠে নামঘৰক অনন্য ৰূপত অসমীয়া মানুহৰ জীৱন চৰ্যা কৰি ৰাখিছে। একেদৰে চণ্ডী মণ্ডপতো বঙালী সমাজৰ সাংস্কৃতিক, আধ্যাত্মিক কলাক তুলি ধৰা হৈছে। এই দুয়ো ধৰ্মীয় মূলৰ বৰ্ণনা দুয়োজন ঔপন্যাসিকৰ মনোজগতত থকা আধ্যাত্মিক দিশৰ বিৰল বৰ্ণনা দাঙি ধৰে।

■Ã *পাতাল ভৈৰৱী*আৰু *গঙা চিলনীৰ পাখি*ত মানুহৰ পৰম্পৰাগত সাংস্কৃতিক চেতনা, লোকাচাৰ, খাদ্যাভাষ. সাজপাৰ, লোককলা, লোক উৎসৱ আদিৰ লগতে লোকভাষাৰ ৰঙে উপন্যাস দুখনক মনোগ্ৰাহী কৰি গতি প্ৰদান কৰিছে।একেদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো মানুহৰ লোকবিশ্বাস, লোককলা, বিভিন্ন সামাজিক উৎসৱ, লোকভাষা, খাদ্য সম্ভাৰৰ বিপুল ৰঙ দেখা যায়।

■ *গঙাচিলনীৰ পাখি* উপন্যাসত লক্ষ্মীনন্দন বৰাই স্বাৰ্থান্বেষী ব্যক্তিৰ ব্যক্তিত্ববোৰ পূৰ্ণ সমাজক অংকন কৰাইছে। মানুহৰ স্বাৰ্থান্বেষী ৰূপে সমাজত মানুহৰ মূল্যমানক নিৰন্তৰ ধূলিসাৎ কৰিছে। ভোগৰামৰ ভণ্ডামী বা চহৰৰ স্বাৰ্থান্বেষী সুবোধ শইকীয়া, মাৰোৱাৰী ব্যৱসায়ীৰ জীৱনে সমাজক কলুষিত কৰাৰ দৰে পাতাল ভৈৰৱীতো ইৰ্শ্বাদ, গোনা, গোলাম আলি, দশানন যাদৱৰ স্বাৰ্থপৰতা, দুমুখীয়া কথা-বতৰাইয়ো সমাজৰ বেয়া দিশ উদঙাই দিছে।

একেদৰে *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসতো মানুহৰ স্বাৰ্থান্বেষী চৰিত্ৰই একালত চণ্ডী মণ্ডপৰ দৰে আধ্যাত্মিক ক্ষেত্ৰকো বিক্ৰী কৰাৰ দৰে ৰূপ প্ৰদৰ্শন হৈছে। চিৰুপালৰ স্বৰ্থান্বেষী আৰু দুমুখীয়া নীতি মনকৰিবলগীয়া।

■ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখি* উপন্যাসত বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত বিৰাজমান সমন্বয়, ঐক্য আৰু বিভিন্ন উৎসৱত সকলোৱে অংশ লোৱাৰ বিৰল ছবি

প্ৰকট। একেদৰে *গণদেৱতা, পঞ্চগ্ৰাম*তো মানুহৰ বিভিন্ন সম্প্ৰদায়ৰ সমন্বয়ে বিভিন্ন উৎসৱ উৎযাপন কৰাৰ সাদৃশ্যই দুয়োজন ঔপন্যাসিকৰ জীৱনবোধৰ ঐক্যক প্ৰকট কৰিছে।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত জমিদাৰ প্ৰথাৰ ব্যাপক চৰ্চা দেখা যায়। জমিদাৰৰ কবলত সৰ্বসাধাৰণ মানুহৰ জীৱনৰ সম্বল মাটি, যি মাটিত কৃষিকৰ্মৰ দ্বাৰা মানুহৰ জীৱন নিৰ্বাহ সেই ভূমি জমিদাৰৰ হাতত আৰোপিত হোৱাত মানুহৰ হাঁহাকাৰৰ পৃথিৱীৰ কান্দোন উপন্যাসখনত প্ৰকট হৈছে।

কিন্তু লক্ষ্মীনন্দন বৰাৰ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখি*ত কোনো জমিদাৰীত্বৰ প্ৰথাৰ উল্লেখ নাই। সেয়ে দুয়োজন ঔপন্যাসিকৰ আলোচিত উপন্যাসত এই বৈসাদৃশ্য মন কৰিবলগীয়া।

■ তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম*ত দেবুনাথৰ চৰিত্ৰত গান্ধীবাদী অহিংসা নীতিৰ ৰূপ দেখা যায়। ধৰ্মীয় বিশ্বাসক সাৰোগত কৰি ন্যায় সংগত ব্যৱস্থাত উপন্যাসখনত দেবুয়ে বিশেষ ভূমিকা পালন কৰিছে। ইয়াৰ বিপৰীতে লক্ষ্মীনন্দন বৰাৰ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখি*ত হত্যা, হিংসাৰ ব্যাপক ৰঙেৰে ক'লা সাম্ৰাজ্যত মানুহৰ সততাৰ বিনাশ, অহিংসাৰ প্ৰতি অশ্ৰদ্ধাশীল ৰূপ প্ৰকট।

■ *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* উপন্যাসত ৰাজনৈতিক বিধি ব্যৱস্থাৰ প্ৰত্যক্ষ হস্তক্ষেপত সমাজত মানুহৰ নৈতিকতাৰ চৰম অৱক্ষয় দেখা যায়। আনকি ৰাজনীতিৰ বাবে *পাতাল ভৈৰৱী*ত ভেবুৰামক হত্যা কৰা আৰু মুকুন্দৰ ওপৰত তাৰ সমস্ত দায়-দ্বায়িত্ব সপি দিয়া কথাটো গুৰুত্বপূৰ্ণ। একেদৰে *গণদেৱতা, পঞ্চগ্ৰাম*ত প্ৰত্যক্ষ ৰাজনীতিৰ হস্তক্ষেপ দেখা পোৱা নাযায়। নিৰ্বাচনৰ সময়ত হোৱা হিংসাত্মক কথা - বতৰা বা তেনে নিৰ্বাচনী ৰূপ উপন্যাসখনত অনুপস্থিত।

■ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখি*ত মানুহৰ চিকিৎসা ব্যৱস্থাৰ স'তে উপযুক্ত চিকিৎসা আৰু চিকিৎসালয়ৰ অভাৱত মানুহৰ মৃত্যুৰ বাট দ্ৰুতভাৱে দেখা যায়। সেয়ে উপন্যাস দুখনত পৰম্পৰাগত লোকচিকিৎসা আৰু হোমিঅ' চিকিৎসা, বেজ-কবিৰাজৰ চৰিত্ৰবোৰে মানুহৰ ৰোগৰ সময়ত ত্ৰাণকৰ্তাৰূপত ভূমিকা পালন কৰিছে। পিছলৈ দুয়োখন

উপন্যাসত ৰাজ্যিক চিকিৎসালয়, চিকিৎসকৰ ৰূপ দেখা যায়। কিন্তু *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত লোকচিকিৎসাৰ ব্যৱস্থা সততে চকুত নপৰে।

■ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখিত* নিচাগ্ৰস্ত মানুহৰ সমাজ এখনত কেনেকৈ মানুহৰ কানি, ভাং, ড্ৰাগছৰ ক'বলত সমাজখন বিকলাংগ হৈছে, ক'লা বজাৰে মানুহৰ ধন ঘটাৰ প্ৰৱণতা ব্যাপক কৰিছে তাৰ সৰস বৰ্ণনা বিদ্যমান। নিচাযুক্ত দ্ৰব্যৰ ব্যাপক প্ৰচলনত অসম তথা বহিঃ ৰাজ্যতো এচাম ক'লা বেপাৰীয়ে গঢ়ি তোলা ক'লা সাম্ৰাজ্যৰ কথা উল্লেখযোগ্য। কিন্তু *গণদেৱতা, পঞ্চগ্ৰামত* কোনো কানি, ভাং আদিৰ চোৰাং কাৰবাৰ আৰু নিচাগ্ৰস্ততাৰ কৱলত মানুহৰ নৈতিক অধঃপতনৰ দিশ পৰিস্ফুট হোৱা নাই।

### ৬.৫ ৰচনাৰীতি তথা কলা-কৌশল

লক্ষ্মীনন্দন বৰা আৰু তাৰা শংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত উপন্যাসকেইখনৰ পটভূমি, বিষয়বস্তু সম্পূৰ্ণ পৃথক যদিও উভয় ঔপন্যাসিকৰ নিৰ্বাচিত উপন্যাসৰ মাজেৰে বিভিন্ন ধৰণৰ সাদৃশ্য আৰু বৈসাদৃশ্য প্ৰকট হৈ উঠিছে। সেই দৃষ্টিকোণেৰে বিচাৰ কৰিলে উভয় ঔপন্যাসিকৰ ক্ষেত্ৰত বৈচিত্ৰতা দেখা যায়। যাৰ ফলত বিষয়টো তুলনীয় হৈ পৰে।

Ã সৃষ্টিশীল সাহিত্যৰূপে অংগীভূত উপন্যাসৰ ক্ষেত্ৰত কলা-কৌশলৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে বিভিন্ন দিশ পৰ্যালোচনাৰে সামৰি লোৱা হয়। লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ বিষয়বস্তু উপন্যাসৰ পাতত চিত্ৰায়িত কৰোতে উভয় ঔপন্যাসিকে বৰ্ণনা কৰা ৰীতিৰ মাজত সাদৃশ্য পৰিলক্ষিত হয়। গ্ৰাম্য জীৱনৰ সৰস পটভূমিক চিত্ৰায়িত কৰিবলৈ যাওঁতে ঔপন্যাসিকদ্বয়ে গ্ৰাম্য জীৱনৰ বাস্তৱ চিত্ৰ এখন সুনিৰ্দিষ্ট প্ৰকাশভংগী আৰু আংগিকতাৰে শৈল্পিক ৰূপ প্ৰদান কৰিছে।

■ লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ অনুপম বৰ্ণনাশৈলীৰে কাহিনী পৰিৱেশ, পটভূমি আৰু চৰিত্ৰৰ মাজত সংযোগ স্থাপন কৰাৰ ক্ষেত্ৰত ঔপন্যাসিকৰ বৰ্ণনাশৈলী যি ধৰণৰ হোৱাটো বাঞ্ছনীয় তাক দুয়োজনেই কলাসন্মতভাৱে ৰূপ প্ৰদান কৰিছে।

■ লক্ষ্মীনন্দন বৰা আৰু তাৰা শংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসৰ মাজত চৰিত্ৰৰ কথনশৈলীৰ ক্ষেত্ৰত সাদৃশ্য দেখা যায়। পৰিস্থিতিৰ সাপেক্ষে চৰিত্ৰৰ মুখত ব্যৱহাৰ কৰা সংলাপ বাস্তৱ আৰু জীৱন্ত হৈ উঠাৰ ক্ষেত্ৰত যি ভাষিক ৰীতি ব্যৱহাৰ কৰিছে সেই ক্ষেত্ৰত উভয় ঔপন্যাসিকৰ মাজৰ সাদৃশ্য অতি মনোৰম। লোকভাষাগত অনেক ৰূপে দুয়োজন ঔপন্যাসিকৰ বৰ্ণনাত স্থান পাইছে।

■ লক্ষ্মীনন্দন বৰাৰ *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* দুয়োখন উপন্যাসৰ ৰচনাশৈলীত প্ৰবাদ-প্ৰবচন, ফঁকৰা যোজনা, পটন্তৰ ইত্যাদিৰ বহুল প্ৰয়োগ ঘটিছে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসতো বঙালী সমাজত প্ৰচলিত এনে প্ৰবাদ-পটন্তৰ, জতুৱা ঠাঁচ, খণ্ড বাক্য আদিয়ে প্ৰভাৱ বিস্তাৰ কৰি ৰচনাশৈলীক গাম্ভীৰ্য প্ৰদান কৰিছে।

■ লক্ষ্মীনন্দন বৰাই দুয়োখন উপন্যাসৰ প্ৰকাশভংগী সুখপাঠ্য আৰু উপাদেয় কৰি তোলাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ ৰূপক, চিত্ৰকলা, ব্যঞ্জনা, উপমা আদি বিবিধ অলংকাৰৰ সমাৱেশেৰে উপন্যাসক ৰসোতীৰ্ণ কৰি তুলিছে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ চনাশৈলীৰ মাজতো উপমা, প্ৰতীক, চিত্ৰকল্পৰ প্ৰয়োগ মন কৰিবলগীয়া।

■ দুয়োজন ঔপন্যাসিকৰ উপন্যাসত কথোপকথনমূলক ৰীতিৰ অত্যধিক প্ৰয়োগ উল্লেখযোগ্য। চৰিত্ৰক যথাযোগ্য ৰূপত প্ৰস্ফুটিত কৰি পটভূমিক জীৱন্তৰূপ প্ৰদান কৰাৰ ক্ষেত্ৰত এনে কথোপকথন ৰীতিয়ে বিশেষ ভূমিকা পালন কৰে। চুটি চুটি বাক্যৰে গভীৰ অৰ্থ প্ৰকাশ কৰি বাক্য সমৃদ্ধিশালী কৰি তুলিব পৰাটো দুয়োগৰাকী ঔপন্যাসিকৰ আন এক কৃতিত্ব। অযথা শব্দৰ ব্যৱহাৰেৰে বাহুল্য নকৰি যথাযোগ্য শব্দভাণ্ডাৰৰ উচিত প্ৰয়োগেৰে বৰ্ণনা চিত্তাকৰ্ষক কৰি সমাদৃত কৰাৰ ক্ষেত্ৰত উভয় ঔপন্যাসিকৰ সাদৃশ্য মন কৰিব লগা।

■ লক্ষ্মীনন্দন বৰাৰ *পাতাল ভৈৰৱী* উপন্যাসখনৰ ৰচনাৰীতিৰ মাজত দুই প্ৰকাৰৰ প্ৰকাশভংগী মূৰ্ত হৈ উঠিছে। এই উপন্যাসখনে বৰ্ণনামূলক আৰু আত্মজীৱনীমূলক দুয়োটা পদ্ধতিকে অনুসৰণ কৰি কাহিনীক অগ্ৰসৰ কৰি নিছে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসত বৰ্ণনামূলক ৰীতিৰে কাহিনীক গতিদান কৰাত ঔপন্যাসিক সফল। ইয়াত

আত্মজীৱনীমূলক ৰীতি অনুপস্থিত।

■ *গঙা চিলনীৰ পাখি* আৰু *পাতাল ভৈৰৱী* দুয়োখন উপন্যাসত ঔপন্যাসিকৰ জ্ঞাত বা অজ্ঞাতভাৱেই হওঁক কাব্যময়তাৰ প্ৰয়োগ ঘটিছে। এনে কাব্যিক ভাষাই উপন্যাস দুখনক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰামত* তেনে কাব্যময়তাৰ প্ৰয়োগ দেখা নাযায়।

■ তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত প্ৰশ্নবোধক বাক্যৰ প্ৰাচুৰ্যতা মন কৰিবলগীয়া। কিন্তু *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখিত* তেনে প্ৰশ্ন বোধক বাক্যৰ প্ৰয়োগ আছে যদিও অতিমাত্ৰা নহয়।

■ *পাতাল ভৈৰৱী* আৰু *গঙা চিলনীৰ পাখিত* বৰ্ণিত ঘোষা, বৰগীত আদি পৌৰাণিক গীতিধৰ্মী কাব্যিক গ্ৰন্থক কেন্দ্ৰ কৰি সমাদৃত হৈছে। কিন্তু *গণদেৱতা, পঞ্চগ্ৰামত* তেনে গীত-মাত পুৰাণ আশ্ৰয়িত নহয়। ইয়াত যিবোৰ গীত-মাত আছে সেয়া লোকসমাজত পৰম্পৰাগতভাৱে চলি অহা গীত-মাত।

■ লক্ষ্মীনন্দন বৰাৰ *পাতাল ভৈৰৱী* উপন্যাসত বৰ্ণনীয় বিষয়বস্তুৰ স'তে সংগতি ৰাখি ৰচনাৰ মাজত অলেখ বিদেশী শব্দৰ সুপ্ৰয়োগ ঘটাইছে। আনকি একেটা বাক্যতে দেশী-বিদেশী শব্দৰ সমাহেৰেৰে বৰ্ণনাশৈলী অধিক মনোগ্ৰাহী, গাম্ভীৰ্যপূৰ্ণ কৰি তুলিছে। কিন্তু *গণদেৱতা পঞ্চগ্ৰামত* মাজে মাজে বিদেশী শব্দৰ সুপ্ৰয়োগ ঘটিছে যদিও ই *পাতাল ভৈৰৱী* উপন্যাসখনৰ দৰে অধিক প্ৰাচুৰ্যময় নহয়।

■ তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰচনাৰীতিত ঠাই বিশেষে উপভাষিক ৰূপ প্ৰকট হৈ পৰাটো লক্ষণীয়। এক বিশেষ অঞ্চলৰ পটভূমিক উপন্যাসৰ পাতত ৰূপ দান কৰিবলৈ যাওঁতে ঔপন্যাসিকে সেই অঞ্চলৰ ভাষিক উপকৰণ গ্ৰহণ কৰি ৰচনাৰীতিত অংগীভূত কৰাটো তেখেতৰ আন এক কৃতিত্ব। লক্ষ্মীনন্দন বৰাৰ উপন্যাস দুখনত থলুৱা গ্ৰাম্য শব্দৰ সুপ্ৰয়োগ ঘটিছে যদিও উপভাষিক ৰূপসমূহ তেনেভাৱে প্ৰকট হোৱা নাই।

**পাদটীকা ঃ**

১. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি*, পৃ. ১১৪
২. উল্লিখিত গ্ৰন্থ, পৃ. ৪২
৩. বন্দ্যোপাধ্যায়, তাৰাশংকৰ ঃ *গণদেৱতা*, পৃ. ৫৪
৪. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি*, পৃ. ৭০
৫. বৰা, লক্ষ্মীনন্দন ঃ *পাতাল ভৈৰৱী*, পৃ. ২৫৬
৬. বন্দ্যোপাধ্যায়, তাৰাশংকৰ ঃ *গণদেৱতা*, পৃ. ১৭৯
৭. বৰা, লক্ষ্মীনন্দন ঃ *গঙা চিলনীৰ পাখি*, পৃ. ১১৪
৮. বন্দ্যোপাধ্যায়, তাৰাশংকৰ ঃ *গণদেৱতা*, পৃ. ৪১
৯. উল্লিখিত গ্ৰন্থ, পৃ. ২৬
১০. উল্লিখিত গ্ৰন্থ, পৃ. ১১
১১. বৰা, লক্ষ্মীনন্দন ঃ *পাতাল ভৈৰৱী*, পৃ. ৪৬

# সপ্তম অধ্যায়
# ভাৰতীয় সাহিত্যত দুয়োগৰাকী ঔপন্যাসিকৰ স্থান

## ৭.০১ ভাৰতীয় সাহিত্যত দুয়োগৰাকী ঔপন্যাসিকৰ স্থান ঃ

ভাৰতীয় সাহিত্য বুলি ক'লে সাধাৰণতে ভাৰতবৰ্ষৰ প্ৰাদেশিক ভাষাসমূহত ৰচিত সাহিত্যকৰ্মৰ সমষ্টিকে বুজায়। বিভিন্ন সমৃদ্ধিশালী প্ৰাদেশিক ভাষাসমূহৰ সাহিত্যৰে ভাৰতীয় সাহিত্যৰ ঐতিহ্য জাকতজিলিকা হৈ আছে। সেইবাবে ভাৰতীয় সাহিত্য স্ব-গৌৰৱেৰে গৌৰৱান্বিত।

নব্য ভাৰতীয় আৰ্য ভাষাৰ পৰা উদ্ভূত অসমীয়া আৰু বাংলা উভয় ভাষা সুকীয়া মৰ্যাদা তথা বিশেষত্বৰে বিৰাজমান। দুয়োটা ভাষাৰে সাহিত্য সম্ভাৰো যথেষ্ট চহকী। দুয়োটা ভাষাৰে সাহিত্যিক বিভাজনসমূহলৈ মন কৰিলে এটা কথাই প্ৰতীয়মান হয় যে লক্ষণীয়ভাৱে দুয়োটা ভাষাতে প্ৰায় একেটা সময়তে সাহিত্যৰ আধুনিক ধাৰাটোৱে বিকাশ লাভ কৰে।

আমাৰ আলোচ্য আধুনিক ভাৰতীয় সাহিত্যৰ দুইগৰাকী বিশিষ্ট কথাশিল্পীৰ এগৰাকীয়ে অসমীয়া সাহিত্যক প্ৰতিনিধিত্ব কৰিছে আৰু আনগৰাকীয়ে বাংলা সাহিত্যক। অসমীয়া আৰু বাংলা দুয়োটা ভাষাৰে সাহিত্যত একে সময়তে নৱজাগৰণৰ সূচনা হৈছিল। নৱজাগৰণৰ ভাৱধাৰাৰে নতুনকৈ উজ্জীৱিত হোৱাৰ পৰিণতিত অসমীয়া আৰু বাংলা উভয় ভাষাৰে সাহিত্যত নতুন ধাৰাৰ আবিৰ্ভাৱ ঘটিছিল। যাৰ ফলত পাশ্চাত্যৰ অনুকৰণত অসমীয়া সাহিত্যত নতুন নতুন সৃষ্টিয়ে গা কৰি উঠাৰ দৰে বাংলা সাহিত্যতো একেই সৃষ্টিৰ প্ৰাদুৰ্ভাৱ ঘটিছিল। পাৰ্থক্য মাথোন ভাষাৰ ক্ষেত্ৰতহে। তেনেদৰেই দুয়োগৰাকী সাহিত্যিকেই স্বকীয় কৃষ্টি-সংস্কৃতি, সভ্যতাৰ আলোকেৰে আলোকিত হৈ পাশ্চাত্যৰ আদৰ্শ অনুকৰণ কৰি উভয়ৰে সংস্পৰ্শত উৎকৃষ্ট সাহিত্য ৰচনা কৰিবলৈ সক্ষম হৈছিল।

ভাৰতীয় সাহিত্য বুলি ক'লে কোনো এটা নিৰ্দিষ্ট ভাষাৰ সাহিত্যক বুজা নাযায়। ভাৰতত বিভিন্ন ভাষাৰ মৌখিক আৰু লিখিত সাহিত্য আছে। এই আটাইখিনি ভাষাৰ সাহিত্যৰ সমষ্টিয়েই ভাৰতীয় সাহিত্য। এইখিনিতে ইউৰোপীয় দেশসমূহৰ সাহিত্যৰ লগত ভাৰতীয় সাহিত্যৰ প্ৰভেদ। ইউৰোপৰ একোখন দেশত এটা বা তাতকৈ বেছি

দুটা-তিনিটা ৰাষ্ট্ৰীয় ভাষা আছে। সেই ভাষাৰ সাহিত্যই সেইখন সাহিত্য। যেনে ইংৰাজী ভাষাৰ সাহিত্যই ইংলেণ্ডৰ সাহিত্য। ফৰাচী ভাষাৰ সাহিত্যই ফ্ৰান্সৰ সাহিত্য, ইত্যাদি। কিন্তু ভাৰতীয় সাহিত্য বুলিলে অসমীয়া, বাংলা, হিন্দী, মাৰাঠী আদিকে ধৰি ভালেমান ভাষাত লিখা সাহিত্যৰ সমষ্টিক বুজা যায়। বিভিন্ন ভাষাত লিখা হ'লেও ভাৰতীয় সাহিত্যত ভাৰতবৰ্ষৰ জনজীৱন আৰু সমাজৰ ছবি প্ৰতিফলিত হয়।[১]

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায় দুয়োগৰাকী অসমীয়া আৰু বাংলা সাহিত্য জগতখনৰ প্ৰখ্যাত কথাশিল্পী। বৰাই গল্পৰচনাৰে নিজৰ সাহিত্যিক জীৱনৰ পাতনি মেলি পৰৱৰ্তী কালত উপন্যাস ৰচনাৰে অসমীয়া সাহিত্য ক্ষেত্ৰখনক এনে এক স্তৰত আৰোহণ কৰাইছে যে য'ৰ পৰা বৰাৰ কীৰ্তি কেতিয়াও মচ খাব নোৱাৰে। বাংলা সাহিত্যাকাশৰ উজ্জ্বল জ্যোতিষ্ক তাৰাশংকৰ বন্দ্যোপাধ্যায়েও চুটিগল্পৰে সাহিত্য চৰ্চাত মনোনিৱেশ কৰে যদিও পাছলৈ তেখেতে ৬৫খনৰো অধিক উপন্যাস ৰচনা কৰি বাংলা সাহিত্যক এক অনন্য শিখৰলৈ উন্নীত কৰি থৈ গৈছে।

লক্ষ্মীনন্দন বৰা নিজৰ জাতিটোৰ ক্ষেত্ৰত অত্যাধিক সচেতন। নিজস্ব কৃষ্টি সংস্কৃতিৰ প্ৰতি অতিশয় সচেতন বৰাই সহজাত প্ৰকৃতি জীৱনৰ সাৰবত্তাৰে তেওঁৰ সৃষ্ট ৰচনাৰ মাজত গ্ৰাম্য জীৱনৰ প্ৰতিচ্ছৱি উজলাবলৈ সক্ষম হৈছে। লেখকৰ আদি স্তৰৰ প্ৰায়ভাগ ৰচনাৰে সৃষ্টিৰ উপজীৱ্য গাঁও। কিয়নো গাঁৱত জন্ম গ্ৰহণ কৰা ব্যক্তি হিচাপে গ্ৰাম্য জীৱন ধাৰা আৰু সমগ্ৰ পৰিৱেশ তেখেতৰ ৰচনাৰ মাজত ভাস্বৰ হৈ উঠাটো স্বাভাৱিক। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য। গ্ৰাম্য জীৱনৰ সৰলতাৰ মাজত জীৱনৰ এছোৱা সময় পাৰ কৰি অহা ঔপন্যাসিগৰাকীয়ে সেই অঞ্চলৰ বৈচিত্ৰ্যময় জীৱন শৈলী সৃষ্টিৰ পাতত অংকুৰিত কৰিছে। বৰ্ণিল তথা বিচিত্ৰ পটভূমিয়ে ভাৰতীয় সাহিত্যৰ দুয়োগৰাকী কথাশিল্পীক আকৃষ্ট কৰিছিল। যাৰ বাবে তেনে জীৱনধাৰাৰ উৎকৃষ্ট ফচল ৰূপে আমি তেওঁলোকৰ ৰচিত সাহিত্য কৰ্মখিনিকে লাভ কৰো।

প্ৰাদেশিক ভাষাত ৰচিত সাহিত্যকৰ্মৰ সমষ্টিৰে ভাৰতীয় সাহিত্য গঢ় লৈ উঠিছে। যদিওবা প্ৰতিটো ভাষাত ৰচিত সাহিত্যশৈলীৰ নিজা নিজা বৈশিষ্ট্য বিদ্যমান তথাপি ভাৰতীয় সাহিত্য বুলি ক'লে আমি কিছু উমৈহতীয়া বৈশিষ্ট্য দেখা পাঁও। তেনে উমৈহতীয়া বৈশিষ্ট্যগত দিশেৰে আমি ভাৰতীয় সাহিত্যত দুয়োগৰাকী সাহিত্যিকৰ স্থান নিৰূপণ কৰিব

পাৰো—

> ভাৰতীয় সাহিত্যৰ মূলত আছে এক গৌৰৱোজল পৰম্পৰা, ওচৰত আছে পশ্চিমীয়া সাহিত্যৰ চমক লগা প্ৰথা। বিভিন্ন আঞ্চলিক সাহিত্যৰ বৈশিষ্ট্য আৰু সহযোগিতাৰে বিশাল ভাৰতীয় সাহিত্যৰ স্বতন্ত্ৰ শৰীৰ গঠিত হৈছে।[২]

কথা সাহিত্যিক দুয়োগৰাকীয়ে দুটা পৃথক প্ৰাদেশিক ভাষাক প্ৰতিনিধিত্ব কৰিলেও দুয়োগৰাকীৰে জীৱনবোধ আৰু দৃষ্টিভংগীৰ মিল থকা পৰিলক্ষিত হয়। আমাৰ আলোচ্য লক্ষ্মীনন্দন বৰাৰ *গঙা চিলনীৰ পাখি, পাতাল ভৈৰৱী* আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা,পঞ্চগ্ৰাম* উপন্যাসৰ আলোচনাৰ দ্বাৰা এনে বৈশিষ্ট্য প্ৰকট হৈ উঠে। এটা কথা লক্ষণীয় যে, তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ দ্বাৰা লক্ষ্মীনন্দন বৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল। তেখেতৰ ৰচনাই বৰাদেৱৰ গভীৰভাৱে আকৃষ্ট কৰিছিল। সেয়ে হয়তো তেখেতৰ ৰচনাৰ প্ৰভাৱ বৰাদেৱৰ অলক্ষিতে তেখেতৰ ৰচিত সাহিত্যত পৰিছিল। সাহিত্য সৃষ্টিৰ দিশত সমল সংগ্ৰহৰ ক্ষেত্ৰতো এনে দৃষ্টিভংগীৰ মিল লক্ষণীয়।

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰচিত সাহিত্যৰ নিজস্ব কৃষ্টি-সংস্কৃতি, ধ্যান-ধাৰণাৰ উপৰি পশ্চিমীয়া আদৱ-কায়দাৰ অংকুৰণ ঘটিছিল। গতিকে ভাৰতীয় সাহিত্যৰ এনে উমৈহতীয়া বৈশিষ্ট্যৰে দুয়োগৰাকী কথাসাহিত্যিকৰ সাহিত্য প্ৰাচুৰ্যময়। পাশ্চাত্যৰ পৰা আৰ্হি গ্ৰহণ কৰি সাহিত্য ৰচনা কৰিলেও, সাহিত্যৰ পটভূমি নিৰ্মিত হৈছিল দেশীয় জীৱনবোধৰ আধাৰতেই।

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায় উভয় সাহিত্যিকৰ ৰচনাৰ মাজত পৰিস্ফুট হৈ উঠা ভাৰতীয় সাহিত্যৰ আন এটা উমৈহতীয়া বৈশিষ্ট্য হৈছে সমাজ আৰু সংস্কৃতিৰ গভীৰ প্ৰভাৱ। গল্প বা উপন্যাসৰ কাহিনী যিয়েই নহওক লাগিলে সেই কাহিনীৰ সমান্তৰালভাৱে ধৰ্ম-কৰ্ম, উৎসৱ-অনুষ্ঠান, বিশ্বাস-সংস্কাৰ, আচাৰ-ৰীতি আদিবোৰ সুন্দৰকৈ কাহিনীৰ মাজে মাজে খাপ খাই পৰিছে। লোকসংস্কৃতিৰ এনেবোৰ প্ৰচুৰ উপাদানেৰে অসমীয়া আৰু বাংলা দুয়োগৰাকী লেখকৰ ৰচনা পৰিপূৰ্ণ হৈ আছে। তদুপৰি সমাজত বিভিন্ন সময়ত ঘটা ঘটনাসমূহে জীৱনধাৰাত কি দৰে প্ৰভাৱ পেলায় তেনে দিশবোৰো দুয়োগৰাকী লেখকৰ ৰচনাত বিদ্যমান। সমাজ এখনে ব্যক্তিৰ জীৱনত বিভিন্ন ধৰণে প্ৰভাৱান্বিত কৰে। নিতৌ ঘটি থকা পৰিৱৰ্তনসমূহে সমাজ জীৱনৰ গতি

নিৰ্ণীত কৰে। সাহিত্য জগতখনতো লেখকৰ ৰচনাৰ মাজত সমাজ জীৱনৰ এনে পৰিৱৰ্তনে ভুমুকি মাৰিছে।

আধুনিক ভাৰতীয় সাহিত্য সততে পৰম্পৰা আৰু ঐতিহ্যৰ প্ৰতি আনুগত্যশীল। পৰম্পৰা আৰু ঐতিহ্যৰ ক্ষেত্ৰত প্ৰতিজন লেখক সদা সচেতন। কিয়নো ইয়াৰ মাজতেই এটা জাতিৰ স্বকীয়তা প্ৰকাশ পায়। লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ৰচিত সাহিত্যকৰ্মত, বিশেষকৈ আমাৰ আলোচ্য উপন্যাসকেইখনত বৰ্ণিত গ্ৰাম্য চৰিত্ৰসমূহৰ কাৰ্যকলাপৰ জৰিয়তে ঐতিহ্য আৰু পৰম্পৰা ৰক্ষাৰ স্বাৰ্থত নিৰ্ভয়ে যুক্তি আগবঢ়োৱা পৰিলক্ষিত হৈছে। স্বকীয় পৰম্পৰা আৰু ঐতিহ্যৰে মহীয়ান হৈ থাকিব পৰাটো এটা জাতিৰ গৌৰৱৰ পৰিচায়ক। সেইবাবে ভাৰতীয় সাহিত্যত এনে দিশৰ প্ৰতিফলন ঘটাব বিচৰা হৈছে।

ভাৰতীয় সাহিত্যত সততে লক্ষণীয় এটা দিশ হৈছে চিৰন্তন মানৱীয় গুণৰ আবেদন। প্ৰাচীন কালৰে পৰা প্ৰান্তীয় ভাষাত ৰচিত সাহিত্যসমূহৰ মাজত এনে চিৰন্তন মানৱীয় অনুভূতি বিৰাজমান হৈ আছে। এনে পৰম্পৰা অক্ষুণ্ণ ৰাখি আধুনিক অসমীয়া আৰু বাংলা উভয় শ্ৰেণীৰ সাহিত্যত এনে দিশৰ বহিঃপ্ৰকাশ ঘটিছে। লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসৰ বৰ্ণিত চৰিত্ৰসমূহ মানৱীয় গুণ অনুভূতিৰে সমুজ্জ্বল। সেইবাবে ভাৰতীয় সাহিত্যৰ এনে উমৈহতীয়া বৈশিষ্ট্যৰে দুয়োগৰাকী লেখকক আলোচনাৰ আওতালৈ আনিব পাৰি।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত গান্ধীজীৰ অৱদান আছিল অতুলনীয়। গান্ধীজীৰ আৱিৰ্ভাবে ভাৰতীয় সাহিত্য জগততো এক নৱজাগৰণৰ সূচনা কৰিছিল। গান্ধীজীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ প্ৰতিজন ভাৰতীয়ই তেখেতৰ পথকে অনুকৰণ কৰিছিল। যাৰ ফলত ভাৰতীয় সাহিত্যত গান্ধীজীৰ দাৰ্শনিক ভাৱধাৰা অন্তৰ্লীন হৈ উঠা দেখিবলৈ পাঁও। অসমীয়া উপন্যাস সাহিত্য আৰু বাংলা উপন্যাস সাহিত্যতো এনে আদৰ্শ বিৰিঙি উঠিছে। দুখ-দুৰ্দশাই জীৱন যন্ত্ৰণাময় কৰি তোলাৰ ফলত সেই অসহায় জীৱনৰ আন্ধাৰ দিশ পাহৰি থাকিবলৈ সাহিত্যত মানৱ সেৱাকে ব্ৰত ৰূপে গ্ৰহণ কৰা উদাহৰণ ভাৰতীয় সাহিত্যত অলেখ। অসমীয়া সাহিত্যৰ কথাশিল্পী গৰাকীয়েও *গঙা চিলনীৰ পাখি* উপন্যাসত

বাসন্তীৰ জীৱনৰ মৰ্মন্তুদ অৱস্থা পাহৰাবলৈ গান্ধীজীৰ আদৰ্শবাদী চিন্তাধাৰাৰে শেষলৈ চৰিত্ৰটি কলাত্মক ৰূপত উপস্থাপন কৰিছে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ো এই ক্ষেত্ৰত পিছ পৰি ৰোৱা নাই। তেখেতৰ বিভিন্ন সাহিত্যকৰ্মৰ মাজেৰে মানৰ সেৰা একমাত্ৰ ধৰ্ম ৰূপে আকোঁৱালি লোৱা দিশটোৰে গান্ধীবাদী ভাৱধাৰা প্ৰকাশি উঠা বিষয়ৰ সূচনা কৰিছে।

ভাৰতীয় সাহিত্যৰ আন এটা উমৈহতীয়া বৈশিষ্ট্য হৈছে সাহিত্যত একান্তিকতাৰে প্ৰকাশিত হৈ থকা লোকসংস্কৃতিৰ প্ৰচুৰ উপাদান। লক্ষণীয় যে, ভাৰতীয় প্ৰাচীন সাহিত্যকৰ্মৰ মাজত লোকসাংস্কৃতিক বিবিধ উপাদানৰ বিষয়ে সকলোৰে জ্ঞাত। এই কথাও তাৎপৰ্যপূৰ্ণ যে লোকসংস্কৃতিৰ সঠিক স্ফূৰণ সদায় গ্ৰামাঞ্চলতহে হয়। চহৰাঞ্চলত নহয়। গতিকে গাঁওবোৰতহে প্ৰকৃত জীৱনৰ প্ৰাণৰ স্পন্দন অনুভূত হৈ থাকে। কিয়নো জীৱন চৰ্যাৰ বিশেষ দিশবোৰে কেৱল চহা গ্ৰাম্য জীৱনকহে প্ৰতিফলিত কৰে। আধুনিকতাৰ প্ৰেক্ষাপটত মানুহৰ মানৱীয় চিন্তাধাৰা, প্ৰমূল্য ইত্যাদিবোৰৰ দ্ৰুতগতিত পৰিৱৰ্তনৰ লগত পুৰুষানুক্ৰমে চলি অহা এনে মানৱীয় চৰ্যাৰ সন্মিলিত ৰূপসমূহৰো আমূল পৰিৱৰ্তন ঘটিছে। এনে পৰিৱৰ্তনক জাতীয় চেতনাৰে উদ্বুদ্ধ সাহিত্যিকসকলে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। সেইবাবে তেওঁলোকে সাহিত্যৰ মাজেৰে এনে লোকসাংস্কৃতিক দিশবোৰৰ সঠিক ছৱিখন স্পষ্ট কৰি তুলিবলৈ চেষ্টা কৰিছে। যাতে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ এইবোৰ প্ৰৱাহিত হোৱাত সুবিধা হয়। অসমীয়া আৰু বাংলা সাহিত্যৰ দুই প্ৰথিতযশা সাহিত্যিকৰ ৰচনাতো সংস্কৃতিগত বিবিধ দিশৰ স্ফুৰণ ঘটিছে। যিবোৰ দিশে অঞ্চলবিশেষক প্ৰতিনিধিত্ব কৰিও সৰ্বভাৰতীয় স্তৰলৈ উন্নীত কৰাবলৈ সক্ষম হৈছে।

ৰাজনৈতিক প্ৰেক্ষাপটেও ভাৰতীয় সাহিত্যক গভীৰভাৱে প্ৰভাৱান্বিত কৰিছে। ভাৰতৰ স্বাধীনতা আন্দোলনে কেৱল ভাৰতীয় ৰাজনীতিতে নহয়, বিশ্বৰ ৰাজনৈতিক ইতিহাসত এক যুগান্তকাৰী অধ্যায়ৰূপে আজিও পৰিগণিত হৈ আছে। স্বাধীনতা আন্দোলনৰ পটভূমিত ভাৰতীয় সাহিত্যত অসংখ্য গল্প উপন্যাস ৰচিত হৈছে। সেই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি পৰৱৰ্তী সাহিত্যিকসকলেও ৰাজনৈতিক পৰিৱেশৰ বাস্তৱ চিত্ৰ সাহিত্যৰ মাজেৰে আভাস দিবলৈ চেষ্টা কৰিছে। ঘনে ঘনে সলনি হোৱা ভাৰতৰ ৰাজনৈতিক প্ৰেক্ষাপটে সাহিত্যিকসকলক বাৰুকৈয়ে আকৃষ্ট কৰিছিল। ভাৰতীয় ৰাজনীতিৰ পৰিৱৰ্তনে

প্ৰান্তীয় দেশসমূহকো প্ৰভাৱান্বিত কৰিছিল। ৰাজনৈতিক সমীকৰণৰ বলি হ'ব লগা হৈছিল দেশখনৰ সৰ্বসাধাৰণ জনতা। যাৰ বাবে জাতীয় চেতনাৰ দ্বাৰা উদ্বেলিত লেখকসত্তাই জনগণক সাহিত্যৰ মাজেৰে ৰাজনৈতিক সংকটৰ প্ৰতি সচেতন কৰি তোলাৰ লগতে সজাগ কৰি তুলিবলৈ চেষ্টা কৰিছিল।

অসমীয়া আৰু বাংলা উপন্যাস সাহিত্যতো ৰাজনৈতিক পৰিৱেশে প্ৰাধান্য লাভ কৰিছিল। লক্ষ্মীনন্দন বৰাৰ উপন্যাস *পাতাল ভৈৰৱী*ত ৰাজনৈতিক পংকিলতাই সমাজত অনৈতিক পৰিৱেশ সৃষ্টি কৰা পৰিলক্ষিত হয়। সাধাৰণ জনতাক প্ৰতিনিধিত্ব কৰা ৰাজনৈতিক নেতাৰ দালালী চৰিত্ৰ তেখেতে উদঙাই দিবলৈ সক্ষম হৈছে। ৰাজনৈতিক নেতাৰ এনে ভণ্ডামি কেৱল অসমীয়া উপন্যাসতে নহয়, তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ উপন্যাসৰো ছত্ৰে ছত্ৰে বিৰাজমান হৈ আছে। এনে ভণ্ডামিৰ বিৰুদ্ধে সমগ্ৰ ভাৰতীয় সাহিত্যত যুক্তিপূৰ্ণ আলোচনা দেখিবলৈ পোৱা যায়। এইফালৰ পৰা ভাৰতীয় সাহিত্যৰ এনে উমৈহতীয়া বৈশিষ্ট্যই আলোচ্য দুয়োগৰাকী লেখকৰ ৰচনাক শক্তিশালী কৰি গঢ়ি তুলিছে। এনে ৰাজনৈতিক পৰিঘটনাবোৰৰ সমসাময়িক প্ৰতিফলনেৰে দুয়োগৰাকী লেখকৰ সাহিত্য অনুৰণিত।

ভাৰতীয় সাহিত্যত সততে লক্ষণীয় আন এটা দিশ হৈছে প্ৰগতিবাদী ভাৱধাৰা। সমাজৰ উচ্চ শ্ৰেণীৰ লোকৰ দ্বাৰা নিম্ন শ্ৰেণীৰ লোক কিদৰে শোষিত আৰু বঞ্চিত হ'ব লগা হয় আদি চিত্ৰৰ লগতে লাঞ্ছিত, নিপীড়িত তথা অৰ্থনৈতিকভাৱে শোষিত জনগণৰ প্ৰতি থকা সহানুভূতিশীল দৃষ্টিভংগীয়ে ভাৰতীয় সাহিত্যত সদায়ে স্থান লাভ কৰি আহিছে। সাহিত্যত এনে দৃষ্টিভংগীৰ চিত্ৰণে শোষিত শ্ৰেণীটোৰ পক্ষত থিয় দিয়া লেখকসমাজৰ একান্ত প্ৰয়াসে ভাৰতীয় সাহিত্যত এক নতুন মতবাদৰ সৃষ্টি কৰিছিল। যাৰ প্ৰভাৱে অসম আৰু বাংলাৰ সাহিত্য জগতকো স্পৰ্শ কৰিছিল। মহাজনী শোষণ, জমিদাৰী প্ৰথা, শ্ৰেণী বৈষম্য, সামন্তযুগীয় ভাৱধাৰা ইত্যাদিৰ বিৰুদ্ধে লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ প্ৰতিবাদী কণ্ঠ ধ্বনিত হৈছে।

সকলোবোৰ প্ৰাদেশিক ভাষাৰ সাহিত্যতে সমাজ জীৱনৰ প্ৰকৃত ছবি উদ্ভাসিত হৈ উঠে। এখন সমাজৰ ৰীতি-নীতি, খাদ্যাভাষ, আচাৰ-ব্যৱহাৰ আদিকে ধৰি জীৱনশৈলীৰ

বিভিন্ন সজীৱ আৰু বাস্তৱানুগ চিত্ৰ সাহিত্যৰ মাজত প্ৰতিবিম্বিত হয়। তুলনামূলকভাৱে প্ৰতিখন সমাজেই বৈচিত্ৰ্যৰে ভৰপুৰ। এনে বৈচিত্ৰ্যময় সমাজ জীৱনৰ সঠিক চিত্ৰায়নে সাহিত্যক অধিক কলাসন্মত কৰি তোলে।

লক্ষ্মীনন্দন বৰাৰ সাহিত্যকৰ্মত বিচিত্ৰ অসমীয়া সমাজ জীৱনৰ মণি-মুকুতা সদৃশ বৈশিষ্ট্যসমূহ উদ্ভাসি উঠিছে। প্ৰকৃতি জগতৰ মাদকতাভৰা চিত্ৰৰ লগতে সমাজ জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা বিবিধ কাৰ্যকলাপ, নামঘৰৰ সমূহীয়া উৎসৱ-অনুষ্ঠান, ধৰ্মীয় পূজা-পাতল, বিবাহৰ দৰে গুৰুত্বপূৰ্ণ সামাজিক অনুষ্ঠান, নানা লোকবিশ্বাস আদি বিষয়েৰে তেখেতৰ সাহিত্য পৰিসমৃদ্ধ হৈ আছে। জাতীয় সমাজ জীৱনৰ এনেবোৰ চিত্ৰ ৰাষ্ট্ৰীয় সমাজ জীৱনৰো অংগীভূত।

একেখিনি বিষয়বস্তু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ সাহিত্যকৰ্মতো বিৰাজমান। তেখেতে বংগৰ সমাজ জীৱনৰ চিৰন্তন ৰূপ সাহিত্যৰ মাজেৰে সূক্ষ্ম ৰূপত প্ৰতিফলন ঘটাইছে। *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসত ইয়াৰ সচিত্ৰ ৰূপায়ণ পৰিলক্ষিত হয়। সেইফালৰ পৰা চাবলৈ গ'লে ভাৰতীয় সাহিত্যৰ এনে বৈশিষ্ট্যগত দিশ লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ সাহিত্যকৰ্ম পোহৰাই তুলিছে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা* উপন্যাসখনত সাংস্কৃতিক ঐতিহ্যৰ পূৰ্ণ স্বৰূপ প্ৰকাশিত হৈছে। এই উপন্যাসখনক জাতীয় জীৱনৰ স্বৰূপ উন্মোচক সাহিত্য ৰূপে আখ্যা দিব পাৰি।

ভাৰতৰ প্ৰাদেশিক ভাষাৰ সাহিত্যিকসকলে পাহাৰ-ভৈয়ামৰ ভৌগোলিক সীমা অতিক্ৰম কৰি বাৰে-বৰণীয়া সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাক ৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰাৰ প্ৰয়াস কৰিছিল। সেইকাৰণে তেওঁলোকৰ সাহিত্যকৰ্মই আঞ্চলিক হৈও সৰ্বভাৰতীয় পৰ্যায়ত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। লক্ষ্মীনন্দন বৰাৰ সাহিত্যত দেখা পাওঁ যে তেওঁৰ সাহিত্যত অসমৰ পটভূমিৰ উপৰি অন্যান্য ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পটভূমিয়ে স্থান লাভ কৰিছে। সিবোৰৰ আধাৰতেই তেনে— সাহিত্যকৰ্ম ভাৰতীয় সাহিত্যৰ বেছি ওচৰ চাপি গৈছে।

ভাৰতীয় সাহিত্যৰ সবাতোকৈ উল্লেখনীয় বৈশিষ্ট্য হৈছে বৈচিত্ৰ্যৰ মাজত ঐক্যৰ স্থাপনা। উল্লিখিত আটাইবোৰ দিশৰ পৰা এটা যদি সৰ্বশেষ সিদ্ধান্তত উপনীত হ'ব বিচৰা

হয় তেতিয়া এই কথা পৰিস্কাৰ হৈ পৰে। ভাৰতবৰ্ষখন বিবিধ জাতি-উপজাতি, বিবিধ ধৰ্মাৱলম্বী তথা বিবিধ ভাষা-ভাষী লোকৰ বৈচিত্ৰ্য আৰু বৈশিষ্ট্যৰে পৰিপূৰ্ণ। এইসকল লোকে নিজস্ব সংস্কৃতিৰ প্ৰতি দায়বদ্ধ হোৱাৰ উপৰি যথেষ্ট ঐক্যবদ্ধভাৱে সহবাস কৰি আহিছে। এটা ধৰ্মৰ লোকে আন এটা ধৰ্মৰ লোকৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ গ্ৰহণ কৰি সমিল মিলেৰে মানৱীয় গুণৰাশিৰে উদ্দীপিত হৈ জীৱন নিৰ্বাহ কৰি আহিছে। ইয়াৰ মূলতে হ'ল সমন্বয় বা সংহতি। লক্ষ্মীনন্দন বৰাৰ *পাতাল ভৈৰৱী* উপন্যাসতো মুছলমান সম্প্ৰদায়ৰ লোকে হিন্দু ধৰ্মৰ উপাসনা থলী নামঘৰত দান বৰঙণি আগবঢ়োৱা কথাই সাহিত্যকাৰৰ মনত প্ৰোথিত হৈ থকা ভাৰতীয় সাহিত্যৰ সংহতিৰ দিশটো প্ৰকট হৈ পৰিছে। ঠিক একেদৰেই তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ সাহিত্যকৰ্মই সামাজিক ইতিহাসত ঐক্যতাৰ প্ৰতীকী ৰূপায়ণ কৌশলগতভাৱে উপস্থাপন কৰিছে।

সাহিত্যই কেৱল ভাষাকেই প্ৰতিনিধিত্ব কৰে এনে নহয়, সাহিত্যই এখন সমাজৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশকো সমানে প্ৰতিনিধিত্ব কৰে। প্ৰতিটো অঞ্চলৰ সাহিত্যকৰ্মৰ সন্মিলিত ৰূপৰ অন্য নাম ভাৰতীয় সাহিত্য। সেইবাবে ভাৰতীয় সাহিত্য অলেখ বৈশিষ্ট্যৰে পৰিপূৰ্ণ। এই সন্মিলিত ৰূপৰ মাজত নিহিত হৈ থাকে সামাজিক সাংস্কৃতিক সমন্বয় আৰু উভয়ৰে মাজত মিলা প্ৰীতিৰ এক চিৰন্তন মনোভাৱাপন্ন ছবি।

লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায় ক্ৰমে অসমীয়া আৰু বাংলা সাহিত্য জগতৰ দুই অনন্য প্ৰতিভা। জীৱনৰ বিচিত্ৰ আৰু পৰিপক্ক অভিজ্ঞতাৰ লগতে ঐকান্তিক প্ৰচেষ্টাৰে সৃজনীশীল সাহিত্য পাঠকলৈ আগবঢ়াইছে। সেয়া কেৱল অসমীয়া বা বাংলা সাহিত্যৰ নহয়, সমগ্ৰ ভাৰতীয় সাহিত্যৰ প্ৰতিভূ। মানৱতাবাদী ভাৱধাৰা, জাতীয় চেতনাৰে উদ্বুদ্ধ সত্তা, জীৱনবোধৰ চিত্ৰ, ভাৰতীয় দাৰ্শনিক পৰম্পৰা আৰু ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ, গ্ৰামীণ সমাজৰ সাংস্কৃতিক বিশেষত্ব, ৰাজনৈতিক চিত্ৰ, গান্ধীবাদী ভাৱধাৰাৰে অনুপ্ৰাণিত, নাৰীৰ সামাজিক স্থিতি, প্ৰেম, মমতা, ভ্ৰাতৃত্ববোধ, মানৱীয় মূল্যবোধ আদি বিভিন্ন দিশৰ সঠিক চিত্ৰায়ণে এই বৰণ্যে সাহিত্যিক দুগৰাকীক কেৱল দেশীয় বা ৰাষ্ট্ৰীয় সাহিত্যতে নহয়, আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটতো স্থান দিবলৈ সক্ষম হৈছে। দুয়োগৰাকী বৰণ্যে

সাহিত্যিকৰ  সাহিত্যিক অৱদানে ভাৰতীয় সাহিত্যৰ ভেঁটি অধিক মজবুত কৰি তুলিছে। যাৰ বাবে ভাৰতীয় সাহিত্যত  লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ সাহিত্যই সদায়ে এক বিশিষ্ট স্থান অধিকাৰ কৰি থাকিব।

**পাদটীকা ঃ**

১. ভৰালী, শৈলেন ঃ *গৰীয়সী*, আধুনিক ভাৰতীয় সাহিত্যত ভাৰতীয় সজাগতা, সপ্তদশ বছৰ, ষষ্ঠ সংখ্যা, মাৰ্চ, ২০১০)

২. বেজবৰা, নীৰাজনা মহন্ত ঃ *তুলনামূলক সাহিত্য আৰু অনুবাদ কলা*, পৃ.৪৮

# অষ্টম অধ্যায়
# উপসংহাৰ

অসমীয়া সাহিত্যত উপন্যাসৰ জন্মলগ্নত জন বনিয়নৰ 'The Pilgrims Progress'ৰ ড° নাথান ব্রাউনে কৰা অসমীয়া অনুবাদ *জাত্রিকৰ যাত্রাই* বিশেষ পদচিহ্ন ৰাখিবলৈ সক্ষম হয়। ইয়াৰ পাছত কেইবাখনো অনূদিত উপন্যাসে অসমীয়া সাহিত্যৰ ভেঁটিত খোজ পেলাবলৈ সক্ষম হয়। পদ্মাৱতী দেৱী ফুকননীৰ *সুধৰ্মাৰ উপাখ্যান* শীৰ্ষক প্ৰাচীন আখ্যানযুক্ত কাহিনী এটাৰ মাজেৰে উপন্যাসৰ কিছু বৈশিষ্ট্যগত লক্ষণে ভূমুকি মাৰে। এই সকলো অৰ্ধসাহিত্যিক গুণ বৈশিষ্ট্য উপন্যাসৰ সূচনাই অসমীয়া সাহিত্যত এদল নতুন ঔপন্যাসিকৰ অংকুৰণ ঘটায়। যাৰ ফলত আধুনিক অসমীয়া উপন্যাসে জন্ম লাভ কৰে। পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী* উপন্যাসে ইয়াৰ কৃতিত্ব লাভ কৰে। ইয়াৰ পাছত উপন্যাসৰ যাত্ৰাপথত বিবিধ শৈলীৰ বিবিধ আংগিকৰ তথা বিবিধ বিষয়বস্তুৰ স্ফুৰণে অসমীয়া সাহিত্যক এক বিশিষ্ট মাত্ৰা প্ৰদান কৰে।

অসমীয়া সাহিত্যৰ দৰে বাংলা সাহিত্যৰ ক্ষেত্ৰখনতো *আলালেৰ ঘৰেৰ দুলাল* এ প্ৰথমে খোপনি পুতি পৰৱৰ্তী পৰ্যায়ত বংকিমচন্দ্ৰ চট্টোপাধ্যায়, ৰবীন্দ্ৰনাথ ঠাকুৰ তথা শৰৎচন্দ্ৰ চট্টোপাধ্যায়ৰ হাতত উজীৱিত কলমৰ পৰশে বাংলা উপন্যাস সাহিত্যক নতুন মৰ্যাদা প্ৰদান কৰে। সেই গতিতে সুৰ মিলাই এক নতুন পৰিক্ৰমাৰে বাংলা উপন্যাস সাহিত্যক আগবঢ়াই লৈ যায় তাৰাশংকৰ বন্দ্যোপাধ্যায়ে। তেখেতৰ জীৱন দৃষ্টিৰে সাধনালব্ধ জ্ঞানেৰে বাংলা সমাজ জীৱনৰ চিত্ৰণে এনে মৰ্মস্পৰ্শী চিত্ৰাকৰ্ষক ৰূপ লাভ কৰিছে যে সেই কথা তেখেতৰ উপন্যাসসমূহ নপঢ়িলে অনুধাৱন কৰিব নোৱাৰি। তেখেতৰ উপন্যাসৰ বিবিধ বৈশিষ্ট্যই পৰিগ্ৰহ কৰা ৰূপৰেখাৰ গাত ভেঁজা দিয়েই পৰৱৰ্তী সময়ৰ বাংলা উপন্যাসৰ বাট চিকুণ হৈ পৰে।

অসমীয়া উপন্যাসৰ এই জয়যাত্ৰাত লক্ষ্মীনন্দন বৰাৰ অৱদান অতুলনীয়। লক্ষ্মীনন্দন বৰাই জীৱনত প্ৰাপ্ত বিবিধ অভিজ্ঞতাৰে পুষ্ট হৈ কেইবাখনো উৎকৃষ্ট উপন্যাস

ৰচনা কৰিছে যাৰ সাহিত্যিক মূল্য অপৰিসীম। কেঁচা মাটিৰ বিৰল মৰ্মকথাৰে প্ৰাঞ্জল তেখেতৰ *গঙা চিলনীৰ পাখি* অসমীয়া সাহিত্যৰ এক অন্যতম বিৰল কৃতিত্ব। সেইদৰে *পাতাল ভৈৰৱী* উপন্যাসখনেও এক নিৰ্দিষ্ট সময়ৰ, নিৰ্দিষ্ট যুগৰ বিশেষ সাম্ৰাজ্য এখনৰ সৈতে জড়িত সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক প্ৰেক্ষাপট সাৱলীল ৰূপত তুলি ধৰিছে। ৰাজনৈতিক প্ৰেক্ষাপটৰ কথা ক'বলৈ যাওঁতে বিশেষভাৱে উল্লেখ কৰিবই লাগিব যে উপন্যাসখনত অসমৰ ৰাজনৈতিক বতাহৰ সমানে সমানে ভাৰতবৰ্ষৰ ৰাজনৈতিক সমীকৰণেও বিশেষ স্থান দখল কৰিছে।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ নিৰ্বাচিত দুয়োখন উপন্যাসতে এক নিৰ্দিষ্ট ভূখণ্ডৰ, এক বিশেষ জাতিৰ মানুহৰ চিন্তাক প্ৰাক স্বাধীনতাৰ কালত কেনেকৈ সেই সময়ৰ বিধি-ব্যৱস্থাই আঁকুহি আছিল তাৰ বিৰল প্ৰকাশৰ ক্ষেত্ৰত ঔপন্যাসিকৰ গভীৰ জীৱনবোধ আৰু জাতি-মাটিক ভালপোৱাৰ ব্যঞ্জনাৰ নব্য চেতনাৰ বীজ ধৰা পৰিছে। মহাকাব্যসুলভ বস্তুধৰ্মী বৰ্ণনাৰে উপন্যাস দুখনৰ ৰচনা গৰ্ভ সাৰুৱা হোৱাৰ বাবে চৰিত্ৰবোৰৰ মনৰ ভিতৰলৈ চোৱাত লেখকে হয়তো কাৰ্পণ্য কৰিছে। কিন্তু ই উপন্যাস দুখনৰ সৌন্দৰ্যত ক'তো ব্যাঘাত জন্মোৱা নাই। বৰঞ্চ ভিন্ন ব্যক্তিত্বৰ ব্যক্তিৰ জীৱন কাহিনীৰে এক সমষ্টিৰ বোধ জন্মাই সেই যুগটোক উপন্যাসত ধৰি ৰখাত ই সহায়ক হৈ উঠিছে বুলি ক'ব পাৰি। ইতিহাস নহয়, অথচ এটা যুগৰ মানৱীয় ইতিহাস স্বৰূপ হৈ পৰা উপন্যাস দুখন পঢ়িলে সেয়ে বিভিন্ন চৰিত্ৰৰ গুণেৰে দূৰৰ যুগ এটাৰ ছাঁ মানসপটত ভাঁহি ৰয়। সন্দেহ নাই যুগসন্ধিৰ এক সমষ্টিৰ ছাঁ এয়া, অথচ তাৰ মাজতো ব্যক্তিবোৰ হেৰাই যোৱা নাই, ইয়াতে ঔপন্যাসিকৰ বিৰল কৃতিত্ব।

মানুহে মানুহৰ সম্পৰ্ক, গাঁৱলীয়া মানুহৰ জীৱনত বহিৰাগত অৰ্থাৎ চহৰ বা নগৰৰ পৰা প্ৰব্ৰজিত মানুহৰ সম্পৰ্কৰ দূৰন্ত প্ৰভাৱ *গণদেৱতা* তথা *পঞ্চগ্ৰাম* উপন্যাসত স্পষ্ট হৈ উঠিছে। দুয়োখনি উপন্যাস গাঁৱৰ মানুহৰ জীৱনৰ এক সামগ্ৰিক ৰূপৰেখা বা সেইসমূহৰ জনজীৱনৰ অঞ্চলগত বিমল পৰিচয়। সেই মানুহেই মানৱীয় সম্পৰ্ক ধৰি ৰখাৰ চৰিত্ৰ চিত্ৰণ, কালৰ যন্ত্ৰণা ফুটাই তুলিছে। মানুহ আৰু মাটিৰ সম্পৰ্কৰ ক্ষেত্ৰত মূলতঃ গাঁৱৰ অন্যান্য বৃত্তিৰ মানুহৰ সামাজিক তথা পাৰিবাৰিক জীৱন তথা অৰ্থনৈতিক জীৱনৰ বাৰ্তাই পোখা মেলিছে।

এনে বিষয়বস্তুৰে ৰচিত উপন্যাস দুখনৰ শিল্পকৌশলো মনোগ্ৰাহী। উৰিয়া ঔপন্যাসিক ফকীৰ মোহন সেনাপতিৰ উপন্যাস *চ্ছমান আঠগুণ্ঠ*ৰ বিয়োগাত্মক কাহিনীৰ দৰেই *গণদেৱতা, পঞ্চগ্ৰাম*ৰ কথা কাহিনীয়েও সেই পথ বাছি লৈছে যেন অনুভৱ হয়।

আধুনিক ভাৰতীয় উপন্যাসত আঞ্চলিক জীৱন আৰু জনপদে গুৰুত্ব লাভ কৰিছে মূলতঃ যোৱাটো সহস্ৰাব্দৰ ত্ৰিশৰ পৰা চল্লিশৰ দশক বা তাৰ পৰৱৰ্তী সময়ত। *গণদেৱতা* আৰু *পঞ্চগ্ৰাম* উপন্যাসে সমকালীন বাংলা বা হিন্দী উপন্যাসৰ দৰেই প্ৰচাৰ, প্ৰসাৰতা আৰু বিশালতা লাভ কৰি আঞ্চলিক উপন্যাসৰ ৰূপৰেখাক শক্তিবন্ত কৰি তুলিছে। যিদৰে লক্ষ্মীনন্দন বৰাৰ *গঙা চিলনীৰ পাখি* উপন্যাসতো সোণাইপৰীয়া জীৱনে আকাংক্ষা আৰু প্ৰাপ্তিৰ মাজেৰে নিখুঁত আৰু অসাধাৰণ ৰূপে আঞ্চলিক উপন্যাসৰ চৰিত্ৰ সজীৱ কৰি তুলিছে।

তাৰাশংকৰ বন্দ্যোপাধ্যায়ে তেখেতৰ উপন্যাসত ৰাঢ় অঞ্চলক প্ৰতিনিধিত্ব কৰিছে। যিটো অঞ্চলক তেওঁ শিশু কালৰ পৰাই দেখি বুজি শুনি যি অভিজ্ঞতা লাভ কৰিছিল, সেই কথা, বিষয় অভিজ্ঞতাসমূহকে স্মৰণ কৰিছে, সাহিত্য-সুষমাৰে ৰূপ দি এক আঞ্চলিক উপন্যাসৰ চৰিত্ৰ পৰিগ্ৰহ কৰাইছে। সেই অভিব্যক্তিৰ বিশালতা ভাৰতীয় আঞ্চলিক উপন্যাসৰ অনন্য কথকতাৰ শিল্প চিন্তা। একেদৰে *গঙা চিলনীৰ পাখি* উপন্যাসৰো পটভূমি ঔপন্যাসিকৰ শৈশৱ বা কৈশোৰৰ বহুখিনি সময় অতিবাহিত কৰাৰ ৰঙেৰে সঞ্জীৱিত। ইয়াৰ পৰৱৰ্তীকালত জীৱনৰ জীৱিকা বা অন্যান্য কাৰণত বসবাস কৰিলেও— সেই মাটি, মানুহ, পৰিৱেশ, শইচৰ পথাৰ, জীৱনৰ কঠিন সময়ৰ প্ৰত্যক্ষ সংঘাত— এইবোৰৰ ব্যাপক প্ৰভাৱ *গঙা চিলনীৰ পাখি, গণদেৱতা*ত স্পষ্ট। দুয়োগৰাকী ঔপন্যাসিকৰ কলমেৰে নিগৰি ওলাইছিল অন্তৰৰ নিভৃত কোণত সঞ্চিত মাটি আৰু মানুহৰ প্ৰতি থকা গভীৰ ভালপোৱা আৰু প্ৰেম, কোনো বিশেষ ভৌগোলিক অঞ্চলপ্ৰীতিৰ অদম্য স্মৃতিয়ে খুন্দিয়াই থকা ঘটনা-প্ৰবাহৰ বাবে। সেয়ে দুয়োগৰাকী ঔপন্যাসিকক বিশেষ আঞ্চলিক জীৱন জগতক বিকশিত কৰাৰ দৰদী কথাশিল্পী ৰূপে অভিহিত কৰিব পাৰি।

এনে বিশেষ দৃষ্টিভংগীৰে ৰচিত উপন্যাসকেইখনক গৱেষণাৰ আওতালৈ আনিবৰ বাবে ইয়াত বিভিন্ন বিষয় সন্নিৱিষ্ট কৰা হৈছে। আটাইবোৰ বিষয় পৰ্যালোচনা কৰিবৰ বাবে গৱেষণাধৰ্মীতাৰে সম্পূৰ্ণ দিশৰ বিচাৰ-বিশ্লেষণ ৰীতিগত আৰু নীতিগতভাৱে পাঠকৰ

চকুত নতুন দৃষ্টি আকৰ্ষণ কৰিবৰ চেষ্টা কৰা হৈছে।

নিৰ্বাচিত উপন্যাসকেইখনৰ ওপৰত গৱেষণাধৰ্মীতাৰে আলোচনা কৰিবলৈ নিৰ্দিষ্ট কেইটামান অধ্যায়ৰ মাজেৰে বিষয়বস্তু আগবঢ়াই লৈ যোৱা হৈছে। এনে কৰিবলৈ যাওতে উভয় সাহিত্যিকৰ নিৰ্বাচিত উপন্যাসকেইখনৰ প্ৰায়কেইটা দিশ, যেনে—বিষয়বস্তু, চৰিত্ৰ, সমাজভাৱনা ইত্যাদি দিশৰ বিষয়ে যথাসম্ভৱ আলোচনা আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।

*গঙা চিলনীৰ পাখি, পাতাল ভৈৰৱী* আৰু *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ গৱেষণাৰ গৰ্ভত আমি নিম্নলিখিত সিদ্ধান্ত সমূহত উপনীত হওঁ—

১) লক্ষ্মীনন্দন বৰাৰ *গঙা চিলনীৰ পাখি* আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ *গণদেৱতা, পঞ্চগ্ৰাম* উপন্যাসৰ ক্ষেত্ৰ হ'ল আঞ্চলিক। আঞ্চলিক গ্ৰাম্য জীৱনৰ মানুহৰ জীৱন চৰ্যাক উপন্যাসকেইখনত দাঙি ধৰা হৈছে। ইয়াৰ বিপৰীতে *পাতাল ভৈৰৱী* উপন্যাসৰ ক্ষেত্ৰ আঞ্চলিক নহয়। ভাৰতৰ বিভিন্ন প্ৰান্তৰ কথা উপন্যাসখনত সন্নিৱিষ্ট হৈছে।

২) লক্ষ্মীনন্দন বৰা আৰু তাৰাশংকৰ বন্দ্যোপাধ্যায়—দুয়োজন ঔপন্যাসিকেই দুই সমাজৰ উল্লেখযোগ্য সাহিত্যিক। যাৰ জীৱনগাঁথাত তেওঁলোকৰ মাতৃভূমিৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধাই তেওঁলোকক থলুৱা গীত-মাত কৃষ্টি-সংস্কৃতিৰ প্ৰতি গভীৰ অনুৰাগ আৰু আসক্ত কৰি ৰাখিছে। আলোচিত আটাইকেইখন উপন্যাসতে দুয়োখন সমাজৰ থলুৱা সংস্কৃতিৰ প্ৰভাৱ অতি প্ৰখৰভাৱে পৰিছে। নিজৰ মাটি, মানুহ আৰু সংস্কৃতিক ভালপোৱাৰ জীৱন দৰ্শনে দুয়োজন ঔপন্যাসিকক মহীয়ান কৰিছে।

৩) আলোচিত উপন্যাস কেইখনত ঔপন্যাসিকৰ নিজৰ জন্ম ভূমিৰ-থলুৱা লোকভাষাৰ প্ৰয়োগ ঘটিছে। যাৰ ফলত উপন্যাসকেইখনৰ আঞ্চলিক চৰিত্ৰই ৰূপ পৰিগ্ৰহ কৰোতে মাটি, ভাষা আৰু কৃষ্টি-সংস্কৃতিক সাবটিয়ে গতি লাভ কৰিবলৈ সক্ষম হৈছে।

৪) *পাতাল ভৈৰৱী* উপন্যাসত এখন ক'লা চোৰাং ব্যৱসায়ীৰ স'তে ৰাজনীতিৰ লেতেৰা জীৱনে সমাজ বিষাক্ত কৰি তুলিছে। ক্ষমতা, প্ৰতিপত্তি আৰু উচ্চ

অভিলাষত উপন্যাসখনত নৰহত্যাৰ দৰে ঘটনাও ঘটিছে। ক্ষমতা খকুৱা, ভোগবাদী মানুহৰ নৈতিক চৰিত্ৰ পতন উপন্যাসখনৰ পাতত চকুত লগা ধৰণে প্ৰৱাহিত।

৫) আলোচিত উপন্যাস কেইখনত পুৰুষ আৰু নাৰী কিছুমানৰ চৰিত্ৰত অৰ্থ-লালসাৰ হেতু-অসামাজিক কাৰ্যকলাপ গা কৰি উঠিছে। এনে ব্যৱস্থাত এচামৰ নৈতিক চৰিত্ৰৰ স্খলিত ৰূপে সমাজক কলুষিত কৰি তুলিছে। ভোগবাদ যেন এনে চামৰ সস্তীয়া বাসনালৈ ৰূপান্তৰিত হৈছে।

৬) *পাতাল ভৈৰৱী* উপন্যাসত থলুৱা ভাষাৰ প্ৰয়োগ হোৱাৰ উপৰিও বিদেশী ভাষাৰ শব্দৰ লগতে প্ৰয়োজনীয় পৰিৱেশ ফুটাই তুলিছে ভাৰতীয় বিভিন্ন ভাষাৰ শব্দৰ প্ৰয়োগ কৰিছে। পৰিৱেশ যথাযথ কৰি তুলিবলৈ এক আকৰ্ষণীয় শিক্ষা তেওঁ ব্যৱহাৰ কৰিছে।

৭) দুৰ্নীতি, ব্যভিচাৰ, নৈতিক চৰিত্ৰৰ পতন, ক'লা ব্যৱসায়ীৰ বিৰল গতিৰ পিছতো-দুয়োজন ঔপন্যাসিকৰ আলোচিত উপন্যাসত সমাজৰ উন্নয়নৰ গতিধাৰাই সাধাৰণ মানুহৰ জীৱনলৈ অনা পৰিৱৰ্তন লক্ষণীয় হৈ উঠিছে।

৮) উল্লেখিত উপন্যাসকেইখনত স্বাৰ্থান্বেষী কিছু মানুহৰ চহৰমুখী যাত্ৰা আৰু নীতিহীন ৰাজনৈতিক স্বভাৱ গা কৰি উঠিছে।